ডিম্বেশ্বৰ নেওগ স্মৃতিগ্ৰন্থ

সম্পাদক :

শ্ৰীহৰিপ্ৰসাদ নেওগ

সহযোগী সম্পাদক :

শ্ৰীনন্দ তালুকদাৰ

শ্ৰীনগেন শইকীয়া



অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট

Dimbeswar Neog Smritigrantha, commemoration volume, edited by Prof. Hariprasad Neog, M. A., assisted by Prof. Nanda Talukdar, M. A., Prof. Nagen Saikia, M. A. and published by the General Secretary, Asam Sahitya Sabha, Chandrakanta Handique Bhawan, Jorhat, 1967.

প্ৰকাশক :
শ্ৰীহৰিপ্ৰসাদ নেওগ, এম. এ.
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট, অসম

মূল্য : চাৰি টকা

ছপাশাল :
শ্ৰীগুৰু প্ৰেছ
গুৱাহাটী—১১
অসম

প্ৰধান সম্পাদকৰ নিবেদন

অসম সাহিত্য সভাৰ যোৱা নলবাৰী অধিবেশনৰ সভাপতি প্ৰবীণ সাহিত্যিক ডিম্বেশ্বৰ নেওগৰ বিয়োগত সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ ২৯।১২।৬৬ তাৰিখৰ অধিবেশনত এই বছৰতে 'নেওগ স্মৃতি-গ্ৰন্থ' প্ৰকাশৰ সিদ্ধান্ত লয় আৰু সমিতিয়ে এই গ্ৰন্থ সম্পাদনাৰ দায়িত্ব প্ৰধান সম্পাদকৰ ওপৰত ন্যস্ত কৰে। অহা ১২ নবেম্বৰ তাৰিখে নেওগৰ প্ৰথম মৃত্যুবাৰ্ষিকী দিৱসৰ দিনাই এই গ্ৰন্থখনি পঢ়ুৱৈ সমাজৰ হাতত দিবলৈ পাই আমি আনন্দ পাইছোঁ।

অসম সাহিত্য সভাই সভাৰ প্ৰাক্তন সভাপতি তথা লব্ধপ্ৰতিষ্ঠ সাহিত্যিক-সকলক এইদৰে স্মৰণ কৰিবলৈ লোৱা কাৰ্য্য এয়াই প্ৰথম বুলিব লাগে। ইয়াৰ আগেয়ে অৱশ্যে শেৱালী কবি ৰত্নকান্ত বৰকাকতীদেৱৰ স্মৃতিত এখনি গ্ৰন্থ প্ৰকাশ পাইছিল। আমি আশা কৰিছোঁ বিগত কবি–সাহিত্যিকসকলৰ স্মৃতিতো এইদৰে একোটি নিবন্ধ প্ৰকাশৰ প্ৰয়াস ভৱিষ্যতে নিশ্চয় কৰিব পৰা হ'ব। প্ৰসঙ্গক্ৰমে উল্লেখ কৰা হয় যে এই বছৰৰ আৰম্ভণিতে ২ জানুৱাৰীৰ দিনা বিয়োগ ঘটা অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ প্ৰথম মৃত্যু দিৱসৰ দিনাও তেখেতৰ এখনি স্মৃতি-গ্ৰন্থ প্ৰকাশ পাব।

এই গ্ৰন্থ যুগুত কৰা কাৰ্য্যত ৺নেওগৰ পৰিয়ালবৰ্গৰপৰা যথেষ্ট সহায় পোৱা হৈছে। তদুপৰি শ্ৰীগুৰু প্ৰেছৰ গুৰিয়াল শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱাই অশেষ কষ্ট স্বীকাৰ কৰি নিজে গাত লাগি নিচেই কম সময়ৰ ভিতৰতে গ্ৰন্থখনি ছপাই উলিয়াইছে। জোনাব জমিৰুদ্দিন আহমদ আৰু শ্ৰীনিত্যানন্দ তামুলীয়ে ছপাৰ কামত বিশেষভাৱে সহায় কৰিছে। এই বাবে আমি সদৌজনৰে শলাগ লৈছোঁ।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট।
২১ কাতি, ১৮৮৯ শক

প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।

আগকথা

যোৱা বছৰ ইং ১২ নবেম্বৰ তাৰিখে অপ্ৰত্যাশিতভাৱে অসমীয়া সমাজে এগৰাকী আজন্ম সাহিত্যসাধক কবি-সমালোচক ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াক হেৰুৱালে। এই গৰাকী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিৰ প্ৰথম মৃত্যু বাৰ্ষিকী দিৱসতে প্ৰকাশ পোৱাকৈ এখনি স্মৃতি-গ্ৰন্থ সঙ্কলন আৰু সম্পাদন কৰাৰ সিদ্ধান্ত কৰি কাৰ্য্য-নিৰ্বাহক সমিতিয়ে আমাৰ ওপৰতে দায়িত্ব দিয়ে। যথাৰ্থতে নেওগ ডাঙৰীয়া আছিল এগৰাকী বহুমুখী প্ৰতিভা-সম্পন্ন ব্যক্তি। ছাত্ৰাৱস্থাৰেপৰা একাধাৰে এজন কৃতী সাহিত্যসাধক আৰু শিক্ষক হিচাবে সুপ্ৰতিষ্ঠিত হোৱা নেওগ ডাঙৰীয়াৰ আঢ়ৈ কুৰি বছৰ জোৰা কৰ্মময় জীৱনৰ সকলোখিনি দিশ এই গ্ৰন্থখনত সন্নিবিষ্ট কৰিবৰ বাবে প্ৰয়াস কৰা হৈছিল যদিও আশা কৰা মতে আমি গ্ৰন্থখনি পৰিপূৰ্ণ ৰূপত সজাবলৈ সক্ষম হব নোৱাৰিলোঁ। তথাপিতো নেওগৰ গুণমুগ্ধ-সকলে আমাৰ অনুৰোধ ৰক্ষা কৰি যি কেইটা প্ৰবন্ধ দি সহায় কৰিলে তাৰ বাবে আমি তেখেতসকলৰ ওচৰত কৃতজ্ঞ। আমাৰ অনুৰোধত ৺নেওগৰ ভ্ৰাতৃ ডক্টৰ মহেশ্বৰ নেওগ আৰু কনিষ্ঠা কন্যা জীৱনমধুৰিৰ-পৰা একোটাকৈ স্মৃতি-কথা পোৱাৰ উপৰিও নানান প্ৰয়োজনীয় সমল পোৱা হৈছে। এই বাবে তেখেতসকলৰ যোগেই পৰিয়ালৰ সকলোলৈকে কৃতজ্ঞতা জনাইছোঁ। নিবন্ধটিৰ উপযোগী বুলি ভাবি—ত্ৰিপিটকাচাৰ্য্য ডক্টৰ বেণীমাধৱ বৰুৱাৰ 'অসমা'ৰ আলোচনাটি ইয়াৰ লগতে সন্নিবিষ্ট কৰা হ'ল।

৺ডিম্বেশ্বৰ নেওগৰ প্ৰতিভাৰ বিচাৰ ভৱিষ্যতে সুধীজনে নিশ্চয় কৰিব। এই স্মৃতি নিবন্ধটিত মাত্ৰ সি সকলৰ বাবে সম্ভৱপৰ সকলোখিনি সমল লিপিবদ্ধ কৰিবৰ প্ৰয়াস কৰা হৈছে। অসমীয়া সাহিত্যত যেতিয়া আধুনিক (ৰোমাণ্টিক) যুগৰ আৰম্ভণি হৈছিল তেতিয়াই নেওগে জন্ম লাভ কৰিছিল। নেওগ আছিল বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ ঐতিহ্যৰে প্ৰভাৱান্বিত। নেওগৰ জীৱনৰ ফেহুজালিত হেম-গুণাভিৰ পৰম্পৰাৰে বজেবৰুৱা দলৰ জয়যাত্ৰা আৰম্ভ হৈছিল। 'জোনাকী'ৰ পোহৰত,

'বিজুলী'ৰ চমকনিত, 'বাঁহী'ৰ সুৰত নেওগৰ দৰে সেই সময়ৰ এছাম ছাত্ৰই প্ৰেৰণা পালে। তেতিয়া আসাম এচোচিয়েশ্যন, অসম ছাত্ৰ সন্মিলন আৰু অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানৰ পয়োভৰৰ সময়। লগে লগে অসমতো ভাৰত জোৰা অহিংস জাতীয় আন্দোলনৰ আৰু চুবুৰীয়া বঙ্গদেশৰ স্বদেশী আন্দোলনৰ প্ৰবল জোঁৱাৰ আৰম্ভ হৈছিল। গতিকে ছাত্ৰ জীৱনত কবি হিচাবে সাহিত্য জগতত প্ৰৱেশ কৰা নেওগৰ মৌলিক চিন্তা, জাতীয়তাবাদী ভাবধাৰা আৰু অনুসন্ধিৎসু মনৰ খোৰাক নিশ্চয় এই যুগটোৱেই দিব পাৰিলে।

নেওগৰ আছিল ব্যাপক অধ্যয়ন। ছাত্ৰ জীৱনৰপৰা তেওঁৰ ইংৰাজী আৰু সংস্কৃত ভাষাৰ প্ৰতি এটি বিশেষ অনুৰাগ আছিল। বিজ্ঞানৰ ছাত্ৰ হিচাবে তেওঁৰ আছিল যুক্তিবাদী চিন্তাধাৰা। গতিকে তেওঁ যিটো কথা হৃদয়ঙ্গম কৰিব পাৰিছিল তাকহে প্ৰকাশ কৰিছিল। সেই বাবেই কিজানি আনক তেওঁ নিৰ্বিচাৰে লব নোৱাৰাটো স্বভাৱত পৰিণত হৈছিল আৰু এই ক্ষেত্ৰত জীৱনৰ শেহৰ ফালে নেওগ বাজহুৱা জীৱনত হয়তো বহুতৰ মাজত অপ্ৰিয়ভাজনো হৈছিল। কিন্তু তেওঁ কোনো মুহূৰ্ততে নিজক সৰু কৰি বা আত্ম বিসৰ্জন দি প্ৰতিষ্ঠা লাভৰ প্ৰয়াস কৰা নাছিল। সেই বাবেই নেওগ তেওঁৰ যুগৰ এজন নিৰ্ভীক, মৌলিক আৰু গভীৰ মননশীল ব্যক্তি। সেইহে তেওঁৰ চিন্তা-মানস ভাবী কালৰ কাৰণে নিশ্চয় প্ৰেৰণাৰ উৎস হৈ থাকিব।

অসমীয়া সাহিত্যত সকলো দিশতে নেওগৰ অৱদান কেৱল লেখতেই নহয় জোখতো বিশেষভাৱে উল্লেখযোগ্য। প্ৰকৃততে কবি নেওগ শেষত একান্ত সমালোচক আৰু গৱেষক হিচাবে প্ৰতিষ্ঠিত হ'ল। সমালোচনাৰ ক্ষেত্ৰত নেওগে ৰচনা কৰা 'অসমীয়া সাহিত্যৰ জিলিঙনি'ত ডঃ কাকতিয়ে কৰা উক্তি প্ৰণিধানযোগ্য—"আমাৰ ভাষাত সমালোচনাৰ পুথি এতিয়ালৈকে ওলোৱা নাই। শ্ৰীযুত নেওগৰ নিজৰে কবিতা লেখাত ভাল ৰাপ আছে দেখি তেওঁ সাহিত্যৰ সূক্ষ্ম ভাববোৰ সহজে উপলব্ধি কৰিব পাৰিছে"। সমালোচনাৰ ক্ষেত্ৰত নেওগে বিচাৰিছিল—"ৰসোপলব্ধিৰ জাগৃতি।" সেইদৰে অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনা কৰোঁতে সকলো বিষয় খৰচি মাৰি অধ্যয়ন কৰি তাৰ বৈজ্ঞানিক বিচাৰবাদ দাঙি ধৰাত নেওগৰ গভীৰ আৰু ব্যাপক গৱেষণাৰ কথা অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ছাত্ৰ মাত্ৰেই নিশ্চয় জানে। ঐতিহাসিক সত্যৰ মাজতে মনীষী কাৰ্লাইলৰ প্ৰেৰণাৰে তেওঁ হয়তো ভাবিছিল "ইতিহাসেই মূঠতে প্ৰকৃত কবিতা।" স্বৰূপভাৱে ৰখানিলে সত্যতা উপন্যাসতকৈও সুন্দৰ।


স্বৰূপাৰ্থত এইখনি এখন স্মৃতি নিবন্ধহে। গতিকে ব্যাপক আলোচনাৰে নেওগ প্ৰতিভাৰ সকলো দিশ সামৰাটো সম্ভৱপৰ নহ'ব আৰু নক'লেও হব যে এই কাৰ্য্যৰ বাবে আমাৰ যোগ্যতা যথেষ্ট নহয়। মাত্ৰ অসম সাহিত্য সভাৰ সিদ্ধান্তৰ সঁহাৰিত এইখিনি কাৰ্য্য সম্পন্ন কৰা হ'ল। এই ক্ষেত্ৰত যিখিনি ত্ৰুটী হৈছে তাৰ বাবে অৱশ্যেই আমি সুধীসমাজৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট,
২১ কাতি, ১৮৮৯ শক

শ্ৰীহৰিপ্ৰসাদ নেওগ
সম্পাদক

সূচীপত্ৰ

॥ পৰিশিষ্ট ॥



ডিম্বেশ্বৰ নেওগ

জন্ম ২২ শাওণ, ১৮২১ শক

মৃত্যু ২৫ কাতি, ১৮৮৮ শক

দাদাৰ জীৱনৰ কথা

ডক্টৰ মহেশ্বৰ নেওগ

এনেখন সুজলা এনেখন সুফলা এনেখন মৰমৰ দেশ অসমৰ এখন এধানমানি গাঁও আছে, যাৰ নাম এজন কবিৰ এটি কবিতাই জগত-জাননী পতিত-পাৱনী কৰি থৈ গৈছে। মৰমৰ দেশখনৰ আন এখন গাঁৱে তেনে এটি ধুনীয়া কবিতাৰ মাননি লাভ কৰিছে বুলি মই নাজানো। ধুনীয়া কবিতাটি লিখা কবিজন হ'ল ডিম্বেশ্বৰ নেওগ, আৰু তেৱেঁ ভাব-বিহ্বল স্বৰেৰে ঘোষণা কৰিছে, 'কমাৰ ফদীয়া সেই : সৰু গাঁওখনি মোৰ : ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ।' আজি কিন্তু কোনোৱে সেই ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ চাবলৈ গৈ যেন হতাশ নহয়; কাৰণ, কবিয়ে সৰুতে দেখা কমাৰ ফদীয়াৰ গৌৰৱ তেওঁৰ চকুৰ আগতে জহি-খহি গ'ল; আজি তাৰ জঁকাটোহে মাথোন আছেগৈ।

এই ক্ষয়িষ্ণু কমাৰ ফদীয়া কিন্তু এদিন বৰ্দ্ধিষ্ণু আছিল। শিৱসাগৰ নগৰৰ অদূৰৰ, দিখৌ-পৰীয়া কমাৰ ফদীয়াই তেতিয়া জ্ঞানাঞ্জন-শলাকা লৈ জগতৰ আগত পোহৰ-মুখ দেখুওৱাৰ আশা মনতে পুহিছিল। ইয়াতে দূৰ গাঁৱৰ বিদ্যাৰ্থী তৰুণসকলে সৰু সৰু বহা সাজি থাকি নগৰত পঢ়া-শুনা কৰিছিল। এনেভাৱেই চাৰি-পাঁচ মাইল দূৰৰ বলিয়াঘাটৰ তিৰু কাকতীৰ ঘৰৰ লক্ষ্মীনাথ মুন্চিফে সৰু কালিতে কমাৰ ফদীয়াত থাকি কমাৰ ফদীয়া ইয়ং কোম্পানী নামৰ এটি অনুষ্ঠান খুলিছিল। 'ভ্ৰমৰঙ্গ'ৰ এজন ৰচয়িতা আৰু কাকতীৰ ভাগিনা ৰমাকান্ত বৰকাকতীও আছিল এই কোম্পানীৰ অংশীদাৰ। পিছৰ জজ হাকিম যোগেন্দ্ৰনাথ বৰুৱা আৰু বিধান সভাৰ অধ্যক্ষ ৰাজেন্দ্ৰনাথ বৰুৱাৰ পিতৃ দণ্ডধৰ বৰুৱাৰ এডোখৰ বাৰীৰ ওপৰত কমাৰ ফদীয়া নামঘৰ বহিল আৰু এডোখৰ মাটি দণ্ডধৰৰ বাৰী, এই আধা-পাহৰা আধা-সোঁৱৰা নামটো লৈ আজিও নেওগৰ ঘৰৰ

বাৰীৰ দাঁতিতে আউজি আছে। [এই নামটো লৈ pun কৰি আমাৰ দেউতাই চেকনিৰ আগত আমাক বিদ্যা দিবলৈ যত্ন কৰোঁতে 'দণ্ডধৰ বাৰি' জোকাবিছিল !! আমি মাজে মাজে ভাবিছিলো, দণ্ড বাবুৰ বাৰীৰ কাকিনি গছজোপাৰ ডালতে কোনোবা নিজান আবেলি শুকুলা কাপোৰেৰে বুঢ়া ডাঙৰীয়াক থম থম কৰে বহি থকা দেখা পাম ! পিছে পোৱা নহ'ল !!] কমাৰ ফদীয়া ইয়ং কোম্পানীয়ে মেটচিনিৰ যুৱক ইতালী বা বঙ্গদেশৰ যুৱা বাঙ্গালীৰ স্বপ্ন দেখিছিল নে নাই ক'ব নোৱাৰোঁ, কিন্তু যি সময়ত কলিকতাত ব্ৰাহ্ম সমাজৰ নব্য আন্দোলনে দেখা দিছিল, তেতিয়াই কলিকতাৰ বাগ্মীবৰ ৰামকুমাৰ বিদ্যাৰত্নক অনাই ব্ৰাহ্মধৰ্মৰ বিষয়ে বক্তৃতা শুনিছিল। পিছে সেই সভাতে লক্ষ্মীনাথ কাকতী আদিৰ জাত লগোৱা কীৰ্তন-ঘোষাৰ সুললিত ৰাৱে ব্ৰাহ্মধৰ্মক কমাৰ ফদীয়াত পোখা মেলিবলৈ নিদি দূৰতো বিদূৰ হোন্ত কৰি বিদায় দিছিল।

নেওগৰ ঘৰ কিন্তু পূৰ্বতে এই কমাৰ ফদীয়াত নাছিল। আছিল তাৰ উত্তৰ-পূবলৈ "লাহী কঁকালেৰে দবিকা" নৈৰ প্ৰায় ওচৰত আমনি আলিৰ কাষৰত, কৌঁৰৰপুৰ মৌজাৰ ভিতৰত। এতিয়া আগৰ নেওগৰ বাৰীৰ ওপৰেই ৰাষ্ট্ৰীয় ৰাজপথ গৈছে। ১৮৫৩ চনৰ এপ্ৰিলৰ "অৰুণোদই সম্বাদ-পত্ৰিকাই" এটি বাতৰি সাঁচি ৰাখিছে, "২৫ মাৰ্চ সুকুৰবাৰৰ ৰাতি দুপৰ মানৰ সময়ত কৌঁৱৰপুৰ মৌজাৰ ৰতি নেওগ নামে এজন মানুহৰ ঘৰৰ ওচৰতে বান্ধি থোৱা খুঁটিৰ মহৰ মাজত বজ্ৰপাত পৰি পাঁচজনি মহ মৰিল। ৰাতি পুৱা মহৰ গৰাকিয়ে দেখে যে পাঁচো জনি ঠৰ হৈ পৰি আছে; তাৰে এজনিৰ চকু এটা ওলাই নিলগত পৰি আছিল।" ৰতি বা ৰতিকান্ত নেওগ আমাৰ আজো-ককা। তেৱেঁই বংশৰ প্ৰথম নেওগ। তেওঁৰ পিতৃ কাতিৰাম ৰজাঘৰীয়া বৰবৰা আছিল আৰু হেনো আহোম ৰজাই তেওঁক তামৰ ফলি কৰি মাটি-বৃত্তি দিছিল। কিন্তু সেই ফলিৰ কোনো চিন আজি নাই, কাৰণ ৰতিকান্তৰ সময়ত ভয়ঙ্কৰ মানৰ দিন হ'ল। বৰবৰাৰ বংশৰ সকলো গঁয়া-জ্ঞাতি লগত লৈ বছা-দৈয়াঙলৈ ভাগি গৈ বহুত দিন থাকিলগৈ। শিৱসাগৰৰ শিৱ-দ'লৰ পূজাৰি আদি নগৰৰ অনেক প্ৰজাও তালৈকে ভাগি গৈছিল। মানৰ অন্তত যেতিয়া পুৰন্দৰসিংহ স্বৰ্গদেৱক পুনৰ ৰাজ্য দিয়া হয়, তেতিয়া ৰতিকান্ত ৰংপুৰলৈ ঘূৰি আহে। তেওঁৰ মুখে বছা-দৈয়াঙত থকা শিৱসাগৰীয়া প্ৰজাৰ ভু পাই ৰজাই তেওঁক নেওগ পাতি প্ৰজাখিনি আনি নিজৰ ঠায়ে ঠায়ে পুনঃসংস্থাপন কৰাৰ ভাৰ দিয়ে। এই কামৰ বাবে ৰতি নেওগে ৰজাঘৰত আপাহ পাইছিল। সেইহে তাহানিতে আমি 'ভক্তি-প্ৰদীপ'ৰ টীকা কৰোঁতে লিখিছিলোঁ,

"দিখু-নদী-তট-জাত : নেওগ ৰতিকান্ত : জাকেৰি ৰঙ্গপুৰ থান।
সৌমাৰ-শেষ-ৰাজ : সিংহ-পুৰন্দৰ : জাকেৰি কৰু বহু মান॥"

ৰতি নেওগৰ পুত্ৰ যজ্ঞোৰাম। যজ্ঞোৰামৰ দুগৰাকী পত্নীৰ এগৰাকীৰপৰা মাণিকচন্দ্ৰ আৰু আনগৰাকীৰপৰা বিনোদচন্দ্ৰ আৰু লোকনাথ নামে পুত্ৰ হৈছিল। মাণিকচন্দ্ৰৰ বৰ পুতেক হ'ল ডিম্বেশ্বৰ নেওগ। তেওঁৰ জন্মৰ সময়ত অৰ্থাৎ ১৯০০ চনমানৰ আগতে নেওগৰ ঘৰ কৌঁৱৰপুৰ মৌজাৰ আগৰ ঠাইৰপৰা নগৰ মহল মৌজাৰ কমাৰ ফদীয়ালৈ উঠি আহে। বাৰীখনৰ চাৰিওফালে গগন-ধনীয়া চাপ আছিল; সেই চাপ এতিয়া খহি নোহোৱা হ'ল। তাৰে এটা চাপৰ গাতে মই মাটি খানোতে ১৯৪৪ চনত এটা মানৰে খাই প্ৰায় শেষ কৰা সৰু হিলৈ ওলাইছিল। নেওগৰ ঘৰ বহাৰ আগতে হেনো সেইখন কোনোবা লৰি গোঁহাইৰ বাৰী আছিল। ঊনবিংশ-বিংশ শতিকাৰ দোমোজাত নেওগৰ ঘৰৰ ঐশ্বৰ্য ম্লান হৈ গৈছিল। কি কাৰণত বংশটো কৌঁৱৰপুৰৰপৰা কমাৰ ফদীয়ালৈ আহিল, জানিব পৰা নাযায়। কিন্তু ১৮৫৩ চনৰ ২৫ মাৰ্চত চৰগ পৰি মৰা পাঁচজনী ম'হৰ লগৰ "পথাৰ ঢাকি ধৰা নেওগৰ ঘৰৰ ম'হজাক"ৰ অৱশিষ্টই তেতিয়া লুপ্তপ্ৰায়। কেঁচুৱাৰেপৰা কলহী ম'হৰ গাখীৰ খোৱা ডিম্বেশ্বৰে হেনো সৰুতেই দুটা নে এটা গেঁৰা ম'হহে দেখা পাইছিল আৰু সিহঁতৰে গাখীৰ খোৱাৰ অভিলাষ কৰিছিল !!

কমাৰ ফদীয়াৰ আইডিলিক্ অৰ্থাৎ গ্ৰাম্য-সুৱাস-সনা পৰিৱেশ নেওগৰ 'মোৰ গাঁও' কবিতাতকৈও তেওঁৰ 'বিহুতী' নামৰ তিনিটি কবিতাতহে স্পষ্ট হৈ ওলাইছে; 'মোৰ গাঁও'ত তেওঁ অনেক কথাৰ বিষয়েই সচেতন; কিন্তু যেতিয়া টেনিছনৰ 'মেই কুইনে' 'তেজপিয়াৰ দৰে' তেওঁ 'মনৰ ৰৱণ শুহি ললে', তাৰপৰা যি সৃষ্টি আহিল, সি হ'ল সকলো বন্ধন-বিহীন। তাত ইংলেণ্ডে বা কবিৰ বাস্তৱ জীৱনৰ পৰিৱেশে বিহুতীক 'বিহু চাবলৈ নাযাবি' বুলি ভৰিত জিঞ্জিৰি লগাব পৰা নাই। 'বিহুতী'ত কমাৰ ফদীয়া গাঁৱৰ এমূৰে থকা ছোৱালী-বিহুৰ ঠাই ৰজাবাৰী পথাৰ, দুমাইলমান শূইনৰ ওপৰে কুকুৰাৰ ৰাও বাগৰি অহা কুকুৰাপুহীয়া গাঁও (ডক্টৰ ময়িদুল ইছলাম বৰাৰ ঘৰ য'ত), লুথুৰী পাভ আৰু বছা মাছৰ সৰগ, উলু-বনে ঢকা "লাহী কঁকালেৰে দবিকা নই", জাওবনে খৰালি শুৱনী কৰি তোলা দিখৌৰ পাৰ সকলো মনোৰমভাৱে চিত্ৰিত হৈ উঠিছে। নাহৰ-এজাৰ, চতিয়না-বৰ্হমথুৰি সেই মধুৰ পৰিৱেশৰ বিচিত্ৰ ৰহণ। "কুকুৰে ভুকা, নিয়তি চৰায়ে মতা" গহীন নিশা, বুঢ়া ডাঙৰীয়াৰ ছবিয়ে সেই ৰহণকে অধিক গাঢ় কৰি তুলিছে। আন ফালে, গাঁৱৰ কুৰ্চুট-

কপটহীন সৰলতা আৰু চেনেহা-চেনেহি—যিবোৰ আজিৰ বস্তুবাদী বিচাৰত অসাৰ্থক হৈ পৰিছে—বিৰিঙি উঠিছে 'মোৰ গাঁও' কবিতাত।

১৮২১ শকৰ ২২ শাওণ দেওবাৰে ডিম্বেশ্বৰ নেওগৰ জন্ম হয়। তেতিয়া ঘৰখনৰ পৰিৱেশ আছিল সুখৰ। ঘৰোৱাহীৰ একুৰি-ডেৰকুৰি মানুহৰ মাজত তেওঁ আদৰ-সাদৰৰ মাজতে ডাঙৰ-দীঘল হ'বৰ সুবিধা পাইছিল। কিন্তু তেওঁ নিজেই কৈছে, "এনে সুখপূৰ্ণ পৰিৱেশৰ মাজতো মনত পৰা কালৰেপৰা মই ৰং-ধেমালিত কেতিয়াও আপোন-পাহৰা হোৱা নাছিলোঁ; এনে জাককৰা পৰিয়ালতো মই চিৰকাল যেন অকলশৰেই কাল কটাইছিলোঁ। ধূলি-ধেমালিত কেতিয়াবা ভাগ ল'লেও প্ৰায় দৰ্শক ৰূপেই যেন তাক উপভোগ কৰিছিলোঁ।····চোতালত, দিখৌৰ মথাউৰিত বা বালিত অকলে অকলে উমলিছিলোঁ বা আগ-গুৰি নোহোৱা ভাবনাত কাল কটাইছিলোঁ।" তেওঁৰ এই নিজস্ব নিৰ্জনতাই এক বেলেগ জগতৰ লগত জড়িত কমাৰ ফদীয়াৰ তেতিয়াৰ একপ্ৰকাৰ অচেষ্ট জল-বায়ুৰপৰা যেন তেওঁক পৰিত্ৰাণ কৰিলে। কাৰণ আমাৰ গাঁৱত আজিৰ দিনতো বি এ, এম. এ.ৰ সংখ্যা বৰ কম, যদিও সি শিৱসাগৰৰ 'ছহৰতলী'ৰ ভিতৰতে পৰে। ককাইদেউ (মই দাদা বুলিয়ে মাতোঁ) ডিম্বেশ্বৰ নেওগৰ আগতে শিক্ষাত অলপ উধোৱাসকলৰ ভিতৰত থাৰ্ড ক্লাছলৈকে পঢ়া আমাৰ দদাই-দেউ লোকনাথ দত্ত নেওগ (পিছত এওঁ ডিব্ৰুগড় ডাকঘৰৰ পোস্টমাস্টৰ হৈ অৱসৰ লয়) আৰু প্ৰায় প্ৰৱেশিকাৰ ওচৰ পোৱা লোকনাথ দত্ত ভূঞা আৰু ৰূপেশ্বৰ দত্ত। আমাৰ সম্পৰ্কীয় মাজৰজন ৰঙিয়াল প্ৰকৃতিৰ, ওখ-বহল মনৰ আৰু আনৰ সুখত সুখী ধৰণৰ লোক আছিল। কমাৰ ফদীয়াৰ গাতে লাগি থকা কোঁৱৰপুৰৰ যোগনীয়া গাঁৱৰ গণেশচন্দ্ৰ হাজৰিকা দাদাতকৈ দহ-বাৰ বছৰৰ ডাঙৰ; মনোৰম গদ্যত 'বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ' ৰচয়িতা হাজৰিকাৰপৰা দাদাই "সাহিত্যৰ শৰণীয়া হ'বলৈ উদগনি" পাইছিল। এনেকৈ, ঘৰৰ বাহিৰৰ পৰিৱেশ শিক্ষাৰ ফালে বৰ প্ৰসন্ন নাছিল যদিও, দুই এজনৰ আদৰ্শই ভৱিষ্যতৰ শিক্ষক আৰু সাহিত্যিকজনৰ মনটোক জীপ দিয়াৰ প্ৰয়াস পাইছিল।

"চাৰি-পাঁচ বছৰ বয়সৰ মনত থকা আৰু মনত যতনেৰে সাঁচি ৰখা এটি কথা: পিতাদেৱে এদিন এখন আদিপাঠ কিনি আনি চ'ৰা-ঘৰৰ চ'তিৰ ওপৰত থোৱা দেখি তাক চাবলৈ মোৰ কৌতূহল জন্মিল। 'পঢ়িবা?' 'পঢ়িম।' পিতাদেৱে কিতাপখন নমাই মোৰ হাতত দিলে; সেয়ে মোৰ অতি অনাড়ম্বৰ বিদ্যাৰম্ভ।" "সেই পৱিত্ৰ অন্তহীন বিদ্যাৰম্ভ"ই তেওঁক "জ্ঞানৰ আকলুৱা" কৰি তুলিলে। এই স্পৃহাক পিতৃদেৱৰ একান্ত

অনুৰাগে চিৰজাগ্ৰত কৰি ৰাখিছিল। এতিয়াও সদায় মনত পৰে, দেউতাই চাণক্য-শ্লোক আওৰায়, আৰু তাৰ ভিতৰত "মাতা শত্ৰু পিতা বৈৰী···" ছত্ৰটি তেওঁৰ মুখত বৰ বেছিকৈয়ে শুনা যায়। [মাজে মাজে তেওঁ আকৌ তাৰ অসমীয়া সংস্কৰণ '(যদি) মাতা, (তেনে তুমি) শত্ৰু; (আৰু যদি) পিটা, (তেনে তুমি) বৈৰী' দি ৰহস্য-ব্যাখ্যাও কৰিছিল!] গধূলি গধূলি তেওঁ নাম-গুণ আৰু প্ৰসঙ্গৰ মাজত নিজেই পাঠ লয় খুটাত আউজি বহি বা ধুতি গাৰে জুই ফুৰাই ফুৰাই। আনফালে নানা গীত-মাতৰ গৰাকী ভক্তিমতী মাতৃ ('দীন-দুখী' 'গোহাঞি গাভৰু' আদিৰ কবি-সাহিত্যিক খানেশ্বৰ হাজৰিকাৰ বাইদেৱেক) চন্দ্ৰপ্ৰভা দেৱীৰ চন্দ্ৰৰ প্ৰভাৰ দৰে শীতল প্ৰভাৰ সদায় আছিল।

আমাৰ বাৰীৰ দখিণ-পছিম চুকত (সম্ভৱতঃ পূৰ্বতে আমাৰ মাটিৰপৰা দিয়া ঠাইতে) ১১৩ নং কমাৰ ফদীয়া স্কুল পতা হয় আমাৰ পিতৃদেৱৰ যত্নতে। তাৰ হেডপণ্ডিত হ'ল অৰ্জুনগুৰিৰ (মণিৰাম দেৱানৰ হাটৰ ঠাই) যোগধৰ শৰ্মা বৰুৱা। "সেই দিনত প্ৰায় বাৰ-তেৰ বছৰ বয়সৰ তলে ল'ৰা পঢ়াশালিলৈ নগৈছিল।"····"তলে-ওপৰে কোনো শ্ৰেণীতে মোৰ বয়সৰ সৰু ল'ৰা নাছিল।" এইসকলৰ মাজতে ঢেকীয়া-কাপ পাখি-কাপেৰে কেহেৰাজৰ চিয়াঁহীৰে কলাপাতত আখৰ লেখি নিয়মীয়াকৈ ওপৰ শ্ৰেণীলৈ উঠি উঠি ১৯০৯ ছনৰ নিম্ন প্ৰাথমিক বৃত্তি-পৰীক্ষা দি বৃত্তি ধৰি দাদাই ১৯১০ ছনৰ জানুৱাৰীত শিৱসাগৰ ইংৰাজী হাই স্কুলত নাম লগাই ল'লে। জলপানিৰ পৰীক্ষালৈ ল'ৰা বাছিবলৈ অহা স্কুল ছাব-ইন্ছপেক্টৰে অঙ্কৰ পৰীক্ষা লোৱাৰ সময়ত ছেকেণ্ড মাস্টৰে সহায় কৰিব খোজোঁতেও দাদাই সহায় নোলোৱাত সম্পৰ্কীয় সেই শিক্ষকজনে হেনো আমাৰ আইৰ আগত তেওঁক মৃদু তিৰস্কাৰ কৰিছিল, "বাইদেও, তোমাৰ ল'ৰা নহয় ফটাকানি-সোপা!!"

১৯১০ ছনত শিৱসাগৰ চৰকাৰী স্কুলত বঙালী হেডমাস্টৰ—করুণা-কান্ত দাসগুপ্ত। আনসকলৰ ভিতৰত থাৰ্ড মাস্টৰ কালীনাথ হাজৰিকা ('কাৰ্য্য-প্ৰৱেশ'-লেখক) আমাৰ আই-সমন্ধীয়া ককা, এইথ্ মাস্টৰ কেশৱা-নন্দ ভৰালী, প্ৰথম পণ্ডিত গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণ (আজিও জীৱিত) আৰু দ্বিতীয় পণ্ডিত ৰাধিকানাথ শৰ্মাৰ নাম উল্লেখ কৰিব লাগিব। ১৯১১ ছনত স্কুলৰপৰা 'ভুমুকি' নামে এখন হাতেলিখা আলোচনী ওলায়। তাৰ সম্পাদক আছিল দাদাতকৈ দুবছৰমানে ডাঙৰ সৰু মোমাই-দেউ খানেশ্বৰ হাজৰিকা আৰু ফিৰদৌছ আলি। তেতিয়া ফুকলীয়াকৈ বুলিব পৰা দাদা হ'ল সহকাৰী সম্পাদক। কাকতখনত তেতিয়াৰপৰাই

তেওঁৰ নানা সাহিত্যিক কচৰৎ ওলাইছিল। এবাৰ হেনো এটা প্ৰবন্ধৰ দাঁতিত কোনোবাই মন্তব্য কৰিছিল, "আগ-গুৰি নোহোৱা প্ৰবন্ধ।" তেওঁ বৰ লাজ পালে, কিন্তু সাহিত্য-চৰ্চাৰ তৰ নপৰিল। এই 'ভুমুকি'ৰ এটা সংখ্যা দাদাই শেহলৈকে ৰক্ষা কৰিছিল। তাৰ ধুনীয়া ধুনীয়া আখৰবিলাক তেওঁৰ আৰু কমাৰ ফৰীয়াৰে ল'ৰা মণিৰাম কলিতাৰ। সুশ্ৰী মণিৰামে সেই বয়সতে খেলুৱৈ, বাজনাদাৰ আৰু খনিকৰ-ৰূপে প্ৰতিপত্তি লাভ কৰিছিল। এওঁ দাদাৰ কবিতাৰ চমজ্‌দাৰ আৰু অতি অন্তৰঙ্গ বন্ধু আৰু সঙ্গী। দুয়ো একেলগে প্ৰৱেশিকা পৰীক্ষা দিলে, কিন্তু প্ৰথম মহাসমৰে অনা কৰ্পটি-ৰূপী ইন্‌ফুৱেঞ্জা আৰু নাবেঙাত পৰি পৰীক্ষাৰ সুখবৰ ওলোৱাৰ বহুত আগতে মণিৰামে চকু মুদিলে। অন্তৰঙ্গজনৰ বিয়োগে দাদাৰ মনত বৰ গভীৰ আঘাত দিলে। সেই আঘাত তেওঁৰ কবি-জীৱনৰ 'প্ৰথম বিষাদ-যোগ'-ৰূপে থিয় দিলে, আৰু 'মালতী'ৰ অন্তৰ্গত 'শান্তি-সুষমা' আদি কবিতা আৰু বন্ধু-বিয়োগৰ কুৰি দিনৰ ভিতৰতে ৰচা 'মালিকা' নামৰ দীঘল শোক-কবিতাটি সেই বিষাদৰ অশ্ৰু-ৰূপে ওলাই পৰিল। 'মালিকা'ৰ প্ৰথম শ্ৰোতা আছিল বিমলাপ্ৰসাদ চলিহাদেৱৰ ককায়েক গুৰুপ্ৰসাদ চলিহা। চলিহায়ে কিছু দিনৰ বাবে দাদাৰ বন্ধু আৰু কবিতাৰ ৰসগ্ৰাহী-ৰূপে মণিৰামৰ ঠাই ল'লে। 'মালিকা' কিতাপ হৈ প্ৰকাশিত হয় ১৯২১ চনত খাৰঘুলিত নকৈ হোৱা নিউ প্ৰেছৰপৰা শুকদেৱ গোস্বামীৰ দ্বাৰা।

"১৯১৪ মোৰ সাহিত্য-সেৱাৰ নিয়মিত আৰম্ভণৰ বছৰ বুলিব পাৰি; ইয়াৰ আগৰ মোৰ কোনো লিখাৰ নিদৰ্শন হাতত নাই।" এই বছৰতে তেওঁ প্ৰকৃত ৰসদ্ৰষ্টা বন্ধু সহপাঠী-ৰূপে পায়; সেয়া হ'ল যাদুৰাম ডেকা বৰুৱাৰ বংশৰ ভগৱতীপ্ৰসাদ বৰুৱা; ভগৱতীপ্ৰসাদ এতিয়া হ'ল friend, philosopher and guide, একেলগে admirer আৰু critic. এই বছৰৰে এটি সাৰ্থক সাহিত্য-ফল হ'ল পিছৰ 'মালতী'ৰ অন্তৰ্গত 'আভাস' কবিতা। এই কবিতাকে মুখ্য কৰি আন ৰচনা গোট খাই শিৱসাগৰৰ গুণী-জ্ঞানী-সমাজত নতুন কবিক এখনি চেনেহৰ ঠাইত বহুৱালে। সাহিত্য-সেৱাই তেওঁৰ জীৱনৰ ব্ৰত-ৰূপে দেখা দিলে। "১৯১৫ত এই সেৱাৰ সুঁতিয়ে ভেটা ভাঙি মোৰ পঢ়া-শুনা পৰ্যন্ত উটুৱাই নিছিল; ১৯১৬-১৭-১৮ তিনি বছৰত পঢ়া-শুনাৰ পুনঃসংস্থানৰ চেষ্টা কৰা হৈছিল যদিও সাহিত্য-সেৱাও প্ৰায় প্ৰবলভাৱে চলি আছিল। মোৰ আগ-বয়সৰ অতি সৰহখিনি কবিতা ১৯১৫-১৮ এই চাৰি বছৰৰ ভিতৰৰ।" এই কবিতাবিলাকৰ নিজস্ব এটি সুষমা আছিল আৰু বহুতে তাক সেই

কুমলীয়া কবিৰ অন্তৰৰপৰাই আহিছে বুলি বিশ্বাস কৰিবলৈ টান পাইছিল। তেনে অবিশ্বাস কবিতামোদীসকলৰ মনৰপৰা গুচাবলৈকে 'মালতী'ৰ 'আম' কবিতাটো লিখা হৈছিল—"জেঠ-আহাৰত ধৰা : দিব্যময় ৰূপ : ফলবৰ, হেৰা তুমি আম।" এই সময়তে তেওঁ বহুতোখিনি গান ৰচনা কৰিছিল আৰু সতীৰ্থ গুণীন্দ্ৰনাথ বৰুৱা (যাৰ বিয়োগত 'গুণিন্ মইনা' ৰচিত হৈছিল), কেশৱচন্দ্ৰ ভট্টাচাৰ্য্য আদি সুকণ্ঠীসকলে সেইবোৰত সুৰ জুৰি সভায়-সমিতিয়ে গাইছিল। সেই উছাহতে 'সঁফুৰা'ৰ (প্ৰকাশ ১৮৪৫ শক) সৰহখিনি গীত ৰচিত হৈছিল। সেই কালত গুৱাহাটী-শিৱসাগৰত ৰবীন্দ্ৰ-সঙ্গীতৰ হেঁচা আহি পৰিছিল। দাদাই তেনে ঠাকুৰীয়া গীত গুণগুণোৱা শুনা আজিও মনত পৰে। পদ্মধৰ চলিহা আদিৰ সেই সময়ৰ গানত যেনেকৈ ৰবি ঠাকুৰৰ বা অমুক-তমুকৰ অমুক-তমুক গানৰ সুৰ বুলি লিখি দিয়া হৈছিল, 'সঁফুৰা'ৰ দুই-এটি গীততো ৰবীন্দ্ৰনাথৰ 'তব চৰণ-নিম্নে উৎসবময়ী', 'মেঘেৰ পৰে মেঘ জমেছে', 'ওগো শেফালী বনেৰ মনেৰ কামনা', 'আজি ঝড়েৰ ৰাতে তোমাৰ অভিসাৰ' আদি গানৰ সুৰৰ নিৰ্দেশ বান্ধি দিয়া হৈছিল। পুথিখনিৰ শেষত কেইবাটিও গানৰে ইন্দ্ৰকান্ত সন্দিকৈয়ে কৰা স্বৰলিপি সন্নিৱিষ্ট হৈছিল। সাহিত্য-ৰসত এইদৰে পকি উঠিলেও যথেষ্ট সামৰ্থ্য থকা সত্ত্বেও ১৯১৮ চনৰ প্ৰৱেশিকা পৰীক্ষাত মাথোন প্ৰথম বিভাগত উঠি দাদাই জলপানি ধৰিব নোৱাৰিলে। সেই দৰেই তেওঁ নতুন অধ্যায়ৰ জীৱনত প্ৰৱেশ কৰিলে গুৱাহাটীৰ কটন কলেজৰ ইণ্টাৰমিডিয়েট ছায়েন্স শ্ৰেণীত নাম লগাই। সেয়া শিক্ষাৰ ফালে অধিকতৰ ফলপ্ৰসূ যে হ'ল এনে ক'ব নোৱাৰি; কিন্তু 'সাহিত্য-সেৱা নাটৰ' 'দ্বিতীয় দৃশ্যৰ সূত্ৰপাত' বুলি তেওঁ নিজে স্থিৰ ধাৰণা কৰিছে। কিন্তু তেওঁৰ আভ্যন্তৰীণ কবি-জীৱনৰ ফালৰপৰা সেই নাটত বিষাদৰ বোল অনবৰত লাগি ৰ'ল। "নতুন ঠাই, নতুন সঙ্গী আৰু নতুন পৰিৱেশ মোৰ বাবে অৰ্থহীন যেন হৈ পৰিল। গুৱাহাটীৰ প্ৰাকৃতিক দৃশ্যই মোৰ মন প্ৰথমৰ পৰাই বিশেষভাৱে আকৃষ্ট কৰিছিল সঁচা, কিন্তু সেই দৃশ্যাৱলীত পোনতে আহি চাৰিওফালে মোৰ শোকৰ চিত্ৰকেই দেখিবলৈ পাইছিলোঁ।" একালে বিজ্ঞানৰ ছাত্ৰ, আনফালে কবিৰ স্পৰ্শ-কাতৰ মন, তাৰ মাজত গুৱাহাটীৰ মনোৰম দৃশ্যাৱলীয়ে তেওঁৰ অন্তৰক চুই নতুন এখন জগতৰ সন্ধানলৈ তেওঁক লৈ গ'ল। সেইখন আত্মাৰ জগত। 'সন্ধিয়া', 'জীৱন', 'উৰুকা' আদি কবিতাত তেওঁ নিজেই নিজৰ সন্ধান-পথ আঁকিছে। "আত্মাৰ সন্ধানত এই প্ৰথম প্ৰচেষ্টাতে মই একেৰা সকাহ পালোঁ; বুকুৰ ওপৰৰপৰা এটি গধুৰ

শিল বাগৰি পৰা যেন লাগিল।” তেওঁৰ কবি-জীৱনক বিশেষভাৱে উদগনি দিছিল মোমাইদেউ থানেশ্বৰ হাজৰিকা আৰু ভগৱতীপ্ৰসাদ বৰুৱাৰ সাহচৰ্যই। ডি.ই.ৰবাৰ্টচ্, ডেভিড তমুছন্, চুণিলাল দে, ৰজনীকান্ত বৰাট, হৰ্ষনাথ সেন আদি বিজ্ঞানৰ দিগ্‌গজ শিক্ষকসকলৰ মৰম তেওঁ বিশেষভাৱে পাইছিল। কিন্তু ভাল ছাত্ৰ হোৱাৰ যত্নতকৈও তেওঁৰ কাৰণে সাহিত্য-প্ৰচেষ্টাহে ডাঙৰ কাম হৈছিল। “১৯২১–২৪ বছৰ কেইটা আকৌ পঢ়া-শুনা আওহেলা কবি গুৱাহাটী অসমীয়া ছাত্ৰৰ সাহিত্য সঙ্ঘ আৰু অসম ছাত্ৰ সন্মিলনৰ প্ৰধান সম্পাদক হোৱা, অসম ছাত্ৰ সন্মিলনৰ মুখপাত পোনতে ‘জন্মভূমি’ আৰু পাছত ‘মিলন’ আলোচনী সম্পাদনা কৰা আদি কামত অতিবাহিত হৈছিল। মোৰ এই ‘স্বাধিকাৰ-প্ৰমত্তঃ’ স্বভাৱৰ বাবে মই নিজক কেতিয়াও ক্ষমা কৰিব পৰা নাই। ১৯২৪-ত বি. এছ্. চি. ডিগ্ৰী পৰীক্ষাত বহা কেদিনৰ ভিতৰতো পৰীক্ষাৰ ঘৰৰ ভিতৰতে ছাত্ৰ-সন্মিলনৰ ‘মিলন’ আলোচনীৰ ভি. পি. মনি-অৰ্ডাৰৰ টকা গ্ৰহণ কৰা আৰু পৰীক্ষাৰ সময়ৰ বাহিৰত কাষলতিৰ তলত এটোপোলা ‘মিলন’ লৈ ভি. পি. ডাকত দিবলৈ যোৱা কাম চলি আছিল। এদিন এই পিছৰ অৱস্থাতে আমাৰ পদাৰ্থ-বিজ্ঞানৰ শিক্ষক সুৰেন্দ্ৰ চেটাৰ্জিয়ে মোক দেখি বিচুতি হৈ সুধিলে—‘তুমি ডিগ্ৰী পৰীক্ষাত বহা নাই?’ মোৰ মুখৰপৰা মাত নসৰিল। ‘বাৰু, কামৰ মানুহ’ বুলি তেওঁ আঁতৰি গ’ল।” ১৯২১ চনত আই. এছ্. চি. পৰীক্ষাৰ প্ৰথম মহলাত উঠি, ১৯২৩ এৰি ১৯২৪-ত তেওঁ বি. এছ্. চি. পাছ কৰিলে আৰু কটন কলেজৰ নতুন ইংৰাজীৰ এম্. এ. শ্ৰেণীত নাম লগাই পিছৰ বছৰতে বি. এ. ডিগ্ৰীটো ল’লে আৰু ১৯২৬ চনৰ ১০ এপ্ৰিলত ‘এম্. এ. পঢ়া সাং কৰিলে।’ তেতিয়া অৱশ্যে ডিগ্ৰী লোৱা নহ’ল। কিন্তু সকলো সময়তে তেওঁৰ কাব্য-চৰ্চা অব্যাহত আছিল।

অসমীয়া ছাত্ৰৰ সাহিত্য সঙ্ঘ অৰ্থাৎ গুৱাহাটী এ. এছ্. এল্. ক্লাব নামৰ অনুষ্ঠানটি কটন কলেজৰ ছাত্ৰসকলৰ সাহিত্য-সেৱাৰ থলী আছিল। এই অনুষ্ঠানৰ যোগেই ছাত্ৰসকলে গুৱাহাটীত ঘৰ কৰি থকা প্ৰৱীণ সাহিত্যিক আৰু দেশ-নেতাৰ লগত (কমলাকান্ত ভট্টাচাৰ্যৰ দৰে) পৰিচয় লাভ কৰিছিল, সিসকলৰপৰা উদগনি পাইছিল আৰু এইভাৱেই আৰু কলিকতাৰ এ. এছ্. এল্. ক্লাবৰ সোঁৱৰণি যোগে তাৰ এটি ঐশ্বৰ্যময় ঐতিহ্য গঢ় লৈ উঠিছিল। কিন্তু কল্পনা-বিহীন কোনোসকলৰ যত্নত ১৮৪৮ কি ১৯৪৯ চনৰ এই অনুষ্ঠানটি হত্যা কৰি পেলোৱা হয়। দাদা বোধ হয় তৃতীয় বাৰ্ষিকৰ ছাত্ৰ থাকোঁতে এই ক্লাবৰ সম্পাদক আছিল। তেওঁ কলেজৰ

হাতে লিখা আলোচনী ‘সেউতী’ও কিছু দিন চলাইছিল। অসম ছাত্ৰ সন্মিলনৰ সম্পাদক কিমান দিন আছিল; নাজানো। কিন্তু ১৯২৪ চনত শিৱসাগৰত তেতিয়া নকৈ হোৱা নাটঘৰত বহা বছৰেকীয়া সন্মিলনত (য’লৈ সৰোজিনী নাইডু সভানেত্ৰী হৈ আহিবৰ কথা আছিল কিন্তু মহাত্মাৰ অনশনৰ বাবে আহিব নোৱাৰিলে) সম্পাদক-ৰূপে তেৰেঁ কাম চলাইছিল ১৯২৩ৰপৰা ১৯২৬লৈ চাৰি বছৰ ‘মিলন’ কাকতৰ সম্পাদক আছিল, তাৰ আগতে এবছৰ কাল শুকদেৱ গোস্বামী আৰু দৈৱচন্দ্ৰ তালুকদাৰেৰে ‘জন্মভূমি’ৰ সম্পাদনা কৰিছিল। ১৯২২ চনতে তেওঁ বিহুনাম আৰু বনঘোষাৰ সংগ্ৰহ এটি ‘আকুল পথিক’ নাম দি প্ৰকাশ কৰে।

১৯২৫-ত ওলোৱা ‘থুপিতৰা’ৰ বিষয়ে (পিছত ডক্টৰ) বাণীকান্ত কাকতিয়ে *The Cotton College Magazine*-ত কৰা মন্তব্য: ‘*Thupitara* (A Cluster of Stars) is the fourth volume of small poems published by Sjt. D. Neog, B. Sc., a student of Post-Graduate English Class of our College. The rapidity with which the several volumes have been brought out during the five years of college life testifies to his remarkable facility of composition. All the poems are noted for choice of diction, felicity of expression and smooth flow of verse.’ দুবছৰ পিছত ওলোৱা ‘মালতী’ক লৈ তেওঁ কৈছিল, “বৰ্তমান যুগত যিসকলে কবিতা ৰচনা কৰিছে বা কৰিবলৈ ধৰিছে, এই লিখকৰ ঠাই সেই সকলতকৈ বহুত ওপৰত। তেওঁৰ সাহিত্যিক জীৱনত যদি কোনো ব্যাঘাত নজন্মে তেনেহ’লে ভৱিষ্যতে তেওঁক লৈ আমি গৌৰৱ কৰিব পাৰিম বুলি অনুমান হয়।”

কিন্তু কবিতাৰ প্ৰৱাহ আৰু বেছি দিন নাবাগৰিল। “১৯২৬-ৰ ১০ এপ্ৰিলত কলেজৰ এম্. এ. পঢ়া সাং কৰি আহিয়ে ১৯ এপ্ৰিলত দুৰ্ভগীয়া শিক্ষক-জীৱনৰ যুঁৱলিত কান্ধ সুমুৱালোঁ। এৰি আহিলোঁ মুকলিমূৰীয়া ছাত্ৰ-জীৱন, এৰি আহিলোঁ সঙ্গীত-মুখৰ ছাত্ৰাবাস, এৰি আহিলোঁ সেই বহল বুকৰ ইউৰোপীয় শিক্ষকসকল।” তেওঁৰ অনুভৱ, সকলো সৌন্দৰ্য, সকলো গান আৰু কাব্য লৈ যৌৱনেহে যেন মেলানি মাগিলে; ‘যৌৱন-বিদায়’ কবিতাত দীঘলীয়াকৈ হুমুনিয়াহ কাঢ়িলে, ‘সখি ঐ! গাম কিনো গান? এই কাল-নিদাঘৰ নিঠুৰ হাতেৰে মোৰ: সঙ্গীতৰ চিতাৰ নিৰ্মাণ!’

দাদা পোনতে শিৱসাগৰ চৰকাৰী স্কুলতে সোমাইছিল; আমাক তাৰ

একেবাৰেই তলৰ শ্ৰেণীত পাইছিল। তাৰপৰা তেওঁ ধুবুৰীৰ চৰকাৰী স্কুললৈ যায়। তাৰপৰা গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত ১৯২৯-৩০ ছনৰ কিছু কাল শিক্ষকতা কৰি উত্তৰ লখীমপুৰ হাই স্কুললৈ যায়। তাৰপৰা ১৯৩৩-ত যোৰহাট চৰকাৰী স্কুললৈ বদলি হয় আৰু তাতেই সকলোতকৈ সৰহ দিন কাম কৰে আৰু চতিয়া আৰু যোৰহাটৰ নৰ্মাল স্কুলত কিছু দিন অধ্যক্ষতা কৰি ১৯৫১ ছনত চৰকাৰী কামৰপৰা অৱসৰ গ্ৰহণ কৰে। সমস্ত কৰ্ম-জীৱন শিক্ষক থাকি, অতি ভাল শিক্ষক-ৰূপে যশস্যা অৰ্জন কৰি আৰু বহুত ছাত্ৰকে সাহিত্যিক জীৱনৰ দিশ ধৰি দিও তেওঁ শিক্ষকতা সম্পৰ্কত এক মোহভঙ্গৰ ভাবহে প্ৰকাশ কৰিছে,—"ধুবুৰীৰপৰা লখীমপুৰলৈকে কেইবা ঠাইবো স্কুলৰ শিক্ষকতা কৰাৰ উপৰি শ্বিলং আৰু যোৰহাটৰ কলেজত কিছুদিন শিক্ষকতা কৰিছিলোঁ আংশিকভাৱে ; কিন্তু কোনো ঠাইত শিক্ষক-সমাজত শিক্ষাৰ বাবে উৎসৰ্গিত জীৱনৰ নিচিনা আদৰ্শৰ উম-ঘাম নাপালোঁ ; কেৱল সেই গতানুগতিকতা আৰু সেই শ্ৰমিকৰ জন্মগত অসন্তুষ্টি !" (অন্য ঠাইত : "বিশ্ববিদ্যালয় মহাবিদ্যালয়ৰপৰা ক্ষুদ্ৰ বিদ্যালয়লৈকে শিক্ষক সমাজৰ অন্তৰ শিক্ষাতকৈ ট্ৰেড ইউনিয়নৰ আদৰ্শতহে আকৃষ্ট !") "অৱশ্যে পুৰণি তৰপৰ শিক্ষকৰ ভিতৰত অন্ততঃ দুই চাৰিজন কৰ্তব্য-প্ৰাণ আৰু ধাৰ্মিক শিক্ষক পাইছিলোঁ সহকৰ্মীৰূপে। মোৰ নিজ ছাত্ৰ-জীৱনৰ ভিতৰতো স্কুলত দুজন নে এজন, আৰু কলেজত তিনি-চাৰিজন এনে শিক্ষক পাইছিলোঁ। যিহেতু ল'বাক পৰীক্ষাত উত্তীৰ্ণ কৰোৱাটোৰ ওপৰতে শিক্ষকৰ চাকৰি আৰু পদোন্নতি নিৰ্ভৰ কৰে, অকল সেইখিনি আৰু তাকো যেনে তেনে প্ৰকাৰে সম্পন্ন কৰি পাৰিশ্ৰমিকখিনি কৰায়ত্ত কৰাই শতকৰা ৯৫ বা ততোধিক শিক্ষকৰ একমাত্ৰ চিন্তা যেন বোধ হয় ! জীৱিকাৰ্থী-ৰূপে ময়ো তেওঁলোকৰ এজন হ'লোঁ। ... নুনুৱা চাকিৰপৰা নতুন চাকি নজ্বলে। শিক্ষা-বিভাগত তলৰপৰা ওপৰলৈ প্ৰকৃত শিক্ষা-প্ৰসাৰ আৰু জ্ঞানৰ স্পৃহাৰ দৈন্য অত্যন্ত মাৰাত্মক, তাতোকৈ তলৰ কথাবোৰ এৰিও।"

গুৱাহাটীৰ কলেজীয়া কালতে 'জোনাকী'ৰ প্ৰৱৰ্তকসকলৰো প্ৰধান চন্দ্ৰকুমাৰ আগৰৱালাৰ লগত ১৯২১ ছনতে দাদাৰ পৰিচয়, আৰু তেতিয়াই দুয়ো দুইৰো প্ৰতি আকৃষ্ট হয়। আগৰৱালা কবি হ'লেও বাস্তৱ জীৱনত আছিল ব্যৱসায়ী আৰু তেওঁ তৰুণ কবিজনক সেই ক্ষেত্ৰতো তেওঁৰ লগৰীয়া হিচাপে পাবৰ যত্ন কৰিছিল। কিন্তু ঘৰুৱা বাধাৰ বাবে দাদা ব্যৱসায়ী নহ'ল, চাকৰিৰ বাট ল'লে, কিন্তু তেওঁ ভাবিছিল, আগৰৱালাদেৱে কোৱা কথাই সঁচা আছিল, 'তুমি চাকৰিৰ মানুহ নোহোৱা।' কাৰণ,

তেওঁ বেগতে মূৰ দোঁওৱা মানুহ নাছিল, যি কাৰণে তেওঁ ক'বলগীয়া হৈছে, "একুৰি বাৰ বছৰ কাল বিভিন্ন স্তৰত শিক্ষকতা কৰিলোঁ ; কিন্তু গোটেই মুহূৰ্তবোৰৰ যোগফল ধৰিও একুৰি বাৰ ঘণ্টাও মোৰ ভালেৰে নগ'ল।" আন ফালে "সেই সময়ৰ শত শত ছাত্ৰৰ কাৰোবাৰ কিবা উপকাৰ সাধিব পাৰিলোঁ বুলি ভাবিবৰ সাহস মোৰ নাই ; কিন্তু অযাচিত অকৃত্ৰিম কৃতজ্ঞতাৰে মোক পুতি পেলোৱা কুৰি কুৰি বা বুৰি বুৰি ছাত্ৰ আজিও লগ পাওঁ।" এয়ে শিক্ষক জীৱনৰ প্ৰকৃত আনন্দৰ সামগ্ৰী। চাকৰিয়াল হিচাপে দাদাই যি পালে বা নাপালে, আন ফালৰপৰা তেওঁ নিজে নিজৰ জীৱনৰ পাত্ৰ সদায় পূৰ্ণ কৰিছিল। চাকৰি-জীৱন বা আৰ্থিক সুখৰ স্বপ্ন তেওঁৰ 'নাইটমেয়াৰ'ৰ দুঃস্বপ্ন হৈ গ'লেও তেওঁৰ আধ্যাত্মিক জীৱন নিজৰ গতিত আগ বাঢ়ি গৈ থাকিল। ঐহিক বিষাদ-বিফলতাই সেই জীৱনক অনেক সময়তে স্পৰ্শ কৰিছিল বেজাৰ-ডাৱৰৰ নীলা বা 'মানসিক শৰীৰ একেবাৰেই তেজেৰে তুমুৰলি কৰা' ৰঙা বোলেৰে। তেওঁৰ জীৱনৰ ইন্দ্ৰধনু তাৰ কাৰুণ্যতহে জ্বলি উঠিছিল। সেই ইন্দ্ৰধনুৰ উজ্জ্বলতা প্ৰতিফলিত হৈছিল সাহিত্যিক বিকাশত। এই বিকাশত আগৰৱালা আৰু তেওঁৰ 'অভিন্ন-হৃদয়' লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰভাৱ আছিল যথেষ্ট। অসমীয়া সাহিত্যৰ আধুনিক যুগৰ প্ৰৱৰ্তক এই দুজনক দাদাই যেন দেৱতাজ্ঞান কৰিছিল আৰু তেওঁলোকে দিয়া আপোন ভাব সুঁৱৰি সদায় উল্লসিত হৈছিল। বেজবৰুৱাৰ লগত তেওঁৰ ১৯২৪ ছনত হোৱা পৰিচয়ে সোনকালেই আত্মীয়তাৰ ৰূপ ল'লে। পিছৰ ফালে গুৱাহাটীৰপৰা ওলোৱা 'বাঁহী'ৰ সম্পাদনাৰ বোজা বেজবৰুৱাই কিছু দিন দাদাৰ ওপৰত সকলো এৰি দিছিল, যদিও সম্পাদক তেতিয়াও নিজেই আছিল। ১৯৩০ ছনৰ ৪ নবেম্বৰত আগৰৱালাই দাদালৈ লিখিছিল, "'বাঁহী'ৰ ভাদ-আহিন দুই সংখ্যা পাইছা বুলি ভাবিছোঁ। কাতিৰ ২ ফৰ্মা ছপা হৈ গৈছে। প্ৰবন্ধ নাইকিয়া হৈছে। বেজবৰুৱাই পূজা খাই ফুৰোঁতেই গৈছে। মোৰ হাতত সিৱামুৰিয়ে ধৰিছে বুলি জানিবই পোৱা। এতিয়া তুমিয়েই ধৰণী। যি পাৰা কৰি থাকা।" আকৌ ২৯ নবেম্বৰত লিখিলে, "'বাঁহী' ওলাল, পাব পোৱা। তোমাৰ প্ৰবন্ধৰেই ভৰি গৈছে। আৰু প্ৰবন্ধ পঠাবা।" এইদৰে আগৰৱালা আৰু তেওঁৰ উপাসকজনৰ মাজত 'বাঁহী'ৰ দায়িত্বৰ ভাগ-বতৰা চলিছিল। ১৯৩৪ ছনত জানিবাঁ অমিয়কুমাৰ দাসে 'বাঁহী'ৰ ভাৰখন নিজৰ কান্ধলৈ ল'লে।

১৯২৯-৩০ ছনত গুৱাহাটীত শিক্ষকতা কৰা কালৰ আগছোৱা দাদা আগৰৱালাৰ লগত তেওঁৰ উজান বজাৰৰ ঘৰত আৰু পিছছোৱা চেনিকুঠিত

আছিল। এই সময়ত আগৰৱালাৰ লগতে তেওঁৰ সহচৰ অগ্নি-ঋষি কমলাকান্ত ভট্টাচাৰ্য আৰু সদানন্দ পুৰুষ জ্ঞানদাভিৰাম বৰুৱাৰ লগত দেখা-সাক্ষাৎ, আলাপ-আলোচনা নিত্য-নৈমিত্তিক কৰ্মৰ ভিতৰত পৰিছিল। এই সময়ত আগৰৱালাৰ নামে উছৰ্গা কৰা 'ইন্দ্ৰধনু'ত বাজে আন কিতাপ প্ৰকাশ হোৱা নাছিল; ইয়াৰ আগে আগে ১৯২৮ ছনত ধুবুৰীৰপৰা আই-নাম, নিচুকনী-নাম আৰু ল'ৰা-ধেমালিৰ গীতৰ সঙ্কলন 'ভোগজৰা' প্ৰকাশ পাইছিল। ১৯৩০ ছনত দাদা উত্তৰ লখীমপুৰলৈ বদলি হৈ যায়; তাৰপৰাই অবিৰলভাৱে 'বাঁহী'লৈ প্ৰবন্ধ-কবিতা পঠাই আছিল। সেই বছৰৰ ১১ ডিচেম্বৰৰ দিনা শিৱসাগৰত দাদাৰ বিয়া হয় তেতিয়া শিৱসাগৰ জিলাধিপতি, আন এজন 'জোনাকী'-যুগীয়া, বেণুধৰ ৰাজখোৱাৰ কন্যা আজলীতৰাৰ (শুৱনীকণ) লগত। নবৌৱে নানা কষ্টৰ মাজতো গৃহস্থালি আৰু সাহিত্য-চৰ্চা দুই ক্ষেত্ৰতে উপযুক্ত সাহচৰ্য দিছিল। ১৯৩২ ছনত ময়ো তেওঁলোকৰ লখীমপুৰীয়া ঘৰ-সংসাৰত যোগ দিছিলোগৈ। তেতিয়া লখীমপুৰ মেলেৰিয়াৰ ঠাই। আমাৰ ঘৰখনত প্ৰায় নিতৌ এটি নহয় এটিৰ তীৰ-কঁপে জ্বৰ উঠিছিল। এই অৱস্থা বিশেষকৈ নবৌৰ স্বাস্থ্যৰ বাবে অত্যন্ত ক্ষতিকৰ হৈছিল। 'বাঁহী'ত ওলোৱা দাদাৰ 'পদুম কলি' আৰু 'অশ্ৰু', 'অঞ্জলি' আদি কবিতাত তাৰ ইঙ্গিত আছে। পিছৰ বছৰ দাদা যোৰহাটলৈ বদলি হোৱাতহে বিপদৰপৰা সৰা গ'ল। লখীমপুৰত থকা কালৰ ভিতৰত দহোটি চুটি গল্পৰ 'দীপাৱলী' (প্ৰকাশক ধলপুৰৰ হৰিপদ দত্ত) আৰু আঠাইশটি চতুৰ্দশপদীৰে 'মুকুতা' প্ৰকাশ পায়; এই সময়তে 'কাব্য-প্ৰতিভা'ৰ সংগ্ৰহ আৰু 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ কাম চলি আছিল। 'কাব্য-প্ৰতিভা'ৰ বাবে মই দুই-এটি কবিতা নকল কৰি দিছিলোঁ। প্ৰকৃত সাহিত্যিক আৰু অনুসন্ধানকাৰীৰ শক্তি থকা সৰ্বেশ্বৰ বৰুৱা আদি আৰু সিসকলৰ পৰিয়ালৰ লগত সম্পৰ্কই লখীমপুৰীয়া জীৱন স্নিগ্ধ কৰি তুলিছিল। তাত থাকিবলৈ দাদাই ন-কাঁড়ীত সজা ঘৰটি নীলকণ্ঠ গোহাঞিং বৰুৱাৰ মাটিত আছিল।

যোৰহাটলৈ অহাৰ পিছত শাৰীৰিক-মানসিক দুয়োভাৱে অলপ বহল বতাহ পোৱাৰ দৰে হ'ল। যোৰহাট কৃষ্ণকান্ত সন্দিকৈৰ দৰে মনীষীৰ ঠাই। শিক্ষা-বিভাগৰ এজন গুৱিয়াল ইন্‌ছপেক্টৰৰ কাৰ্যালয়ো ইয়াতে; তেতিয়াৰ এইজনা বিষয়া হ'ল শৰৎচন্দ্ৰ গোস্বামী, অসমীয়া গল্প-সাহিত্যৰ এজন পথ-প্ৰদৰ্শক। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ো যোৰহাটতে। শিক্ষানুষ্ঠান হিচাপে যোৰহাট চৰকাৰী স্কুলৰ তেতিয়া গৌৰৱময় এক কাল। দাদাই বিভিন্ন স্কুলত অঙ্ক, বিজ্ঞান আদি বিবিধ বিষয় পঢ়ালেও এই স্কুলৰ প্ৰৱেশিকাৰ শ্ৰেণীত অসমীয়া বিষয়ত তেওঁৰ শিক্ষণ বিশেষীকৃত যেন হৈ পৰিল। তেওঁ যোৰহাটত থকাৰ মাজতে ১৯৩৬ ছনত শ্বিলঙৰ এড্‌মাণ্ডছ কলেজত বি.টি. পঢ়ি পিছৰ বছৰ সেই ডিগ্ৰী লয়, আৰু আগতে আধৰুৱাকৈ এৰা ইংৰাজীৰ এম্. এ.ৰ পৰীক্ষাত বহিবলৈ বিফল যত্ন কৰি শেষত কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰথম অসমীয়াৰ এম্.এ. পৰীক্ষাত বহি ১৯৪০ ছনত সেই ডিগ্ৰী লাভ কৰে। এম্.এ. পৰীক্ষাত বহা সময়ত তেওঁ সাহিত্যৰ এজন কৰ্তৃত্বশীল সমালোচক বুলি প্ৰতিষ্ঠিত আছিল; পৰীক্ষাত তেওঁ প্ৰথম শ্ৰেণীত নুঠিল যদিও সেই বছৰৰ পৰীক্ষাৰ্থীসকলৰ মাজত প্ৰথম স্থান অধিকাৰ কৰিলে। যোৰহাটৰ তেওঁৰ সাহিত্য-জীৱনত মন কৰিব লগীয়া কথা যে সি গদ্যময় হৈ পৰিছিল, আঠ বছৰৰ আগতে 'যৌৱন-বিদায়' কবিতাত মেলানি লোৱা কবিতা-সুন্দৰী এতিয়া আন্তৰিকতাৰে বৰকৈ তেওঁৰ কায নচপা হ'ল। ১৯৪০ ছনত 'শ্বহিদে কাৰবালা', ১৯৪২ ছনত 'শ্বিৰি-ফৰহাদ' আৰু 'মেঘদূত', ১৯৪৭-ত 'অসমা', ১৯৪৮-ত 'থাপনা', ১৯৪৯-ত 'বিচিত্ৰা' আৰু ১৯৫১-ত 'শ্বহিদান' কবিতা পুথি প্ৰকাশিত হয়। কিন্তু ইয়াৰ সৰহভাগ কবিতাই ১৯৩০ ছনৰ আগৰে কোনো আলোচনীৰ বা কবিৰ নিজৰ কবিতা-পুথিৰে অন্তৰ্গত। 'মেঘদূত' ওলাইছিল ষষ্ঠ কি সপ্তম বছৰৰ 'মিলন'ত। 'অসমা'ৰ বাৰটি কবিতাৰ ছটি 'ইন্দ্ৰধনু', সাধনা-খণ্ডৰ আৰু এটি (শাপ-মুক্ত) মাধুৰী-খণ্ডৰ আৰু বাকী কেয়োটি ১৯১৭-২৯-ৰ ভিতৰৰ ৰচনা। শিশু-কবিতা 'থাপনা'ৰ কেয়োটি বস্তু ১৯২৭-ৰ আগৰ। 'বিচিত্ৰা' পুথি 'ইন্দ্ৰধনু'ৰ নতুন তাঙৰণৰ দৰে; ইয়াত 'ইন্দ্ৰধনু'ৰ ৪৯টি কবিতাৰ ২৬টি সংস্থাপন কৰা হৈছে; 'বিচিত্ৰা' বাকী বাৰটি কবিতাৰ এটি (ফণি) 'মালতী'ৰ পৰা লোৱা হৈছে, বাকী প্ৰায় আটাই কেইটিয়েই পঞ্চদশৰপৰা একাদশ বছৰৰ 'বাঁহী'ত প্ৰকাশিত আৰু শিৱসাগৰ, ধুবুৰী, গুৱাহাটী আৰু লখীমপুৰত ১৯৩২-ৰ আগতে ৰচিত। 'শ্বহিদান'ৰ 'শ্বহিদে কাৰবালা' কবিতা ১৮৫৩ শকৰ 'বাঁহী'ত আৰু ১৯৪০ ছনত কিতাপ আকাৰে ওলাইছিল, 'প্ৰথম প্ৰয়াস' কবিতা 'ইন্দ্ৰধনু'ৰ অন্তৰ্গত আছিল, 'ওমৰ-দৰ্শন' আৰু 'তীৰ্থজল' ১৮৫১ শকৰ 'মিলন' আৰু 'বাঁহী'ত ওলাইছিল; ইয়াৰ নতুন বস্তু 'সৌন্দৰ্য-সাধক' (শ্বিৰি-ফৰহাদ) আৰু 'বাঁহীৰ অমিয়া' (লয়লা-মজনু) মাথোন ১৯৪১ আৰু ১৯৪৮-ত লিখা। দাদাই প্ৰকাশ দেখি যাবলৈ নোপোৱা 'নেওগ-কাব্যমালা'ৰ অন্তৰ্গত 'মানুহ'-খণ্ডৰ কবিতা নতুন 'জয়ন্তী' যুগৰ আৰু পিছৰ ৰচনা; তাত নতুনৰ অগ্নি-প্ৰয়োগৰ যত্ন আছে কিন্তু 'ইন্দ্ৰধনু'ৰ কবিৰ সৌন্দৰ্য আৰু মহত্ত্ব নাই।

দাদাই ১৯১৯-তে 'কৃষ্ণ-লীলা' আৰু ১৯২৪-ত 'কুণ্ডিল-কুঁৱৰী' আৰু 'কাম-ৰূপ' নামে তিনিখন নাট লিখিছিল। 'কৃষ্ণ-লীলা' ১৯২৪-ত বাণ ষ্টেজত উঠিছিল; এইখন, 'কাম-ৰূপ' আৰু 'অকাল বসন্ত', 'মদন-ভস্ম' নামৰ দুখনি নাটিকা 'বাঁহী'ত ছপা হৈ ওলাইছিল; 'কুণ্ডিল-কুঁৱৰী' ওলাইছিল 'আসাম-হিতৈষী'ত। 'কাম-ৰূপ'খন ১৯৩৩ চনত কিতাপ-আকাৰত ছপা হৈ ওলাইছিল। এই দৃশ্য-কাব্য কেইখনিৰ কবিত্ব আৰু ছন্দহে বিশেষ আদৰণীয়; সেই বিষয়ে বেজবৰুৱা ডাঙৰীয়াই লিখিছিল, "নেওগ কবিৰ কাপৰ আগেদি ওলোৱা অমিত্ৰাক্ষৰ ছন্দৰ ৰচনাইও আমাৰ পৰম মিত্ৰ-ৰূপে দেখা দিছে।"

লোক-কবিতাৰ নতুন অধ্যয়ন 'আকুল পথিক' আৰু 'ভোগজৰা'তে আৰম্ভ হৈছিল। এতিয়া 'আকুল পথিক'কে পাঁচটামান তাঙৰণৰ পিছত তিনি খণ্ড কৰি ডেকাৰ গীতক 'আকুল পথিক', গাভৰুৰ গীতক 'ফাগুনী' আৰু ছচৰি আৰু বিহু-নামখিনিক 'বিহুৱতী' নাম দিয়া হ'ল; আৰু তিনিওখণ্ডৰে নতুন নাম হ'ল 'বন-বেণু'। সেইদৰে 'ভোগজৰা'ৰ অন্তৰ্গত নিচুকনী-গীতখিনি স্থকীয়া কবি 'পুতলি' নামেৰে ১৯৪৩ চনত উলিওৱা হয়, আৰু 'নেওগ-কাব্যমালা'ত গোসাঁই-নামৰ অংশকো 'পাৰিজাত' নাম দি স্থকীয়াকৈ দেখুওৱা হৈছে। ১৯২৫ চনত ৰূপেশ্বৰ দত্তই উলিওৱা 'জনা গাভৰুৰ গীত'ত দাদাই এখন সমালোচনামূলক পাতনি জোৰাই দিছিল। 'নেওগ-কাব্যমালা'ত মণিকোঁৱৰ-কাঁচনকুঁৱৰী, ফুলকোঁৱৰ-পস্তলা-কুঁৱৰী, 'এই চাৰিটি মালিতা একেটি, বা একেটিয়েই চাৰিটি'-ৰূপে সন্নিৱিষ্ট হৈছে। ইয়াৰ উপৰি বিয়া-নামৰ সংগ্ৰহ এটি 'নামতী' নাম দি ছপোৱা হয়। এহেজাৰৰ ওপৰ বছা বছা প্ৰৱচন আৰু সাঁথৰৰ সংগ্ৰহ 'বহবহী-পানীমিঠৈ' (১৯৫৬) লোক-কথাৰ অধ্যয়নৰ এটি প্ৰকৃষ্ট কৰ্ম।

আগ-বয়সত গল্পৰ 'দীপাৱলী' উলিয়াই পাছ-জীৱনত দাদাই 'গাঁৱে-নগৰে' নামে এখনি সৰু সামাজিক উপন্যাস প্ৰকাশ কৰিছিল।

তেওঁৰ সাহিত্যিক জীৱনৰ পূৰ্বভাগত যদি তেওঁ কবি, উত্তৰভাগত সমালোচক আৰু গৱেষক-ৰূপেই তেওঁৰ আমি প্ৰধান পৰিচয় ল'ব লাগে। তেওঁৰ এই স্তৰ জীৱনৰ শেহৰ দিন কেইটালৈকে বিয়পিছিল। যদিও ৰায়চৌধুৰীৰ 'চেতনা' আৰু অসম ছাত্ৰ-সন্মিলনৰ 'মিলন'তে এই প্ৰচেষ্টা আৰম্ভ হৈছিল, 'বাঁহী'ত তাৰ অধিকতৰ বিকাশ হৈছিল আৰু লখীমপুৰত তাৰ পূৰ্ণ ৰূপৰ পাতনি মেল খাইছিল, যোৰহাটত থকা কালতহে তাৰ গভীৰতা আৰু বিস্তৃতি-লাভ হয়। ১৯৪০ চনত তেওঁক বহল কাৰ্যক্ৰম লৈ কেন্দুগুৰিত শঙ্কৰদেৱ শিক্ষালয় নামে শঙ্কৰী গৱেষণাৰ এটি অনুষ্ঠান

প্ৰতিষ্ঠা কৰিছিল। যোৰহাটত থাকোঁতেই চৰকাৰী কামৰপৰা অৱসৰ লৈ তাতকৈ অধিক মুকলি বা-বতাহ বিচাৰিবৰ ভাবেৰেই হ'বলা ১৯৫৭ চনত তেওঁ বৃহত্তৰ গুৱাহাটীৰ দক্ষিণাঞ্চলৰ দিচপুৰত (দিশপুৰ) গুৱাহাটী-শ্বিলং পথৰ দাঁতিত অলপ মাটি লয় আৰু তাতে ঘৰ সাজি ১৯৬০ চনত তালৈকে উঠি আহে। সেই 'আজলীতৰা' বা 'গুৱনী প্ৰকাশ ভৱন'ত কানে কান মাৰি ছবছৰ থাকি তাৰ চূড়ান্ত ৰূপ দেখা পাওঁতে নাপাওঁতেই তেওঁ তাৰপৰা ১৯৬৬-ৰ ৪ নৱেম্বৰ তাৰিখে আঁতৰি যাব লগীয়া হয় আৰু তেওঁৰ আদৰ্শৰ পুৰুষ লক্ষ্মীনাথ বেজবৰুৱাৰ মৰণৰ স্থান ডিব্ৰুগড়ত ১১ নৱেম্বৰ তাৰিখে শেষ নিশ্বাস পেলায়। এই শেষ সময়লৈকে তেওঁ কৰ্মঠ বৌদ্ধিক জীৱন যাপন কৰিছিল আৰু মৰণৰ আহ্বানত স্বস্থান এৰিব লগীয়া হোৱালৈকে শাৰীৰিক বেদনাৰ মাজতো কাপ-কাঠি এৰা নাছিল।

১৯২১-২৩-ত 'চেতনা'ত ধাৰাবাহিকভাৱে ওলোৱা 'অসমীয়া সাহিত্য জিলিঙনি' নামৰ বৈষ্ণৱ সাহিত্য, আধুনিক সাহিত্য আৰু জন-সাহিত্যৰ আলোচনা-মূলক প্ৰবন্ধখিনি তাৰ বহুত দিন পিছতহে (১৯৩৮) কিতাপ আকাৰে প্ৰকাশিত হয়। ১৯২৩ চনত দীনবন্ধু চি. এফ্. এণ্ড্ৰুজৰ সভা-পতিত্বত নগাঁৱত বহা অষ্টম অসম ছাত্ৰ সন্মিলনত দাদাই 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি' নামে এটি প্ৰবন্ধ পঢ়ে। এয়ে তেওঁৰ সাহিত্য-সমালো-চনাৰ পাতনি। ১৯২৪-২৬ চনত গুৱাহাটীত ইংৰাজীৰ এম্. এ. পঢ়া সময়ত এনে অধ্যয়নৰ স্পৃহা দৃঢ় হৈ উঠে আৰু ১৯২৫-২৬-ত চতুৰ্থ বৰ্ষৰ 'মিলন'ত আগৰ প্ৰবন্ধটিয়েই ধাৰাবাহিক ৰূপ লয়। ১৯২৩-ত শিক্ষা বিভাগে ১৮৩০-১৯৩০-ৰ অসমীয়া কবিতাৰ সৰ্বাত্মক সংগ্ৰহৰ বাবে, ১৯৫৩-ত একেই শতিকাটোৰ অসমীয়া সাহিত্য আৰু খবৰ কাগজ-আলোচনীৰ এখন বুৰঞ্জীৰ আৰু ১৯৩৮-ত একে যুগৰ কথা সংগ্ৰহৰ বাবে তিনিটা আঢ়ৈ শ টকীয়া বঁটা ঘোষণা কৰে। এই প্ৰতিযোগিতাৰ সাৰ্থক ফল-স্বৰূপ দাদাৰ 'কাব্য-প্ৰতিভা' (১৯৩৫), 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী' (১৯৩৭) আৰু সংক্ষিপ্ত 'অসমীয়া কথা-প্ৰতিভা' (১৯৫০) প্ৰকাশ পায়। বিশেষকৈ প্ৰথম দুখন পুথি তেওঁৰ কীৰ্তি-স্তম্ভ বুলিব পাৰি। 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী'ত গৱেষণা আৰু সাহিত্যিক মূল্যায়ন উভয়ৰে এক নৱোন্মেষ দেখা যায়। কৃষ্ণকান্ত সন্দিকৈয়ে কৈছিল, "আধুনিক অসমীয়া স্থকীয়া বুৰঞ্জী লিখা কথাটো এটা অভিনৱ কল্পনা...! ৰচনা-ৰীতি প্ৰাঞ্জল আৰু মতামতবোৰ সুবিবেচিত।" এইখনেই আমাৰ সাহিত্যৰ প্ৰথম প্ৰকৃত আধুনিক বুৰঞ্জী। ইয়াৰ বহুত কথাৰ আজিও চৰ্বণ চলিব লাগিছে; আন

কি নগৈ গড়গাঁৱৰ বাতৰি কোৱা কোনোৱে এই পুথিত পোনৰ যত্নত ইংৰাজী হৰফৰপৰা ৰূপান্তৰ কৰি দিয়া 'নিধি লেৱি ফাৰৱেল' নামটোৰো স্বৰূপ দিব পৰাই নাই ! 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ কথাৰ লগত সি সময়া যুগৰ আগৰ অসমীয়া সাহিত্যৰ বৰ্ণনা যোগ দি ১৯৪০-ত 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি' প্ৰকাশ কৰা হয় ; এই পুথিত আগৰ দেবেন্দ্ৰনাথ বেজবৰুৱাৰ বুৰঞ্জীখনিৰ বহুতোখিনি ব্যতিক্ৰম গুচাই লোৱা হৈছে আৰু ই আধুনিক মনোবৃত্তিৰে গঢ়া এখনি বুৰঞ্জী হৈছে। আৰু এটি বিষয়ত ই নতুন বাট ভাঙিবৰ যত্ন কৰিছে : 'বঙালী সাহিত্যিকসকলে বঙলা ভাষা আৰু সাহিত্যৰ বুৰঞ্জীত ঠাই দিয়া পুৰণি অসমীয়া ভাষাত ৰচিত গোপীচন্দ্ৰৰ গান, কৃষ্ণ-কীৰ্ত্তন, শূন্য-পুৰাণ আৰু তাৰ আগৰ বৌদ্ধ ধৰ্ম্ম বিষয়ৰ চৰ্য্যাপদবোৰ। এই অসমীয়া সাহিত্যৰ বুৰঞ্জীত সেই সকলোবোৰ সুমুৱাই লোৱা হৈছে আৰু তেনে কৰাৰ যুক্তিও একাধিক ঠাইত মুকলিকৈ দাঙি ধৰা হৈছে।' এই বিষয়ত তেওঁৰে মতৰ অমিল হোৱাত আন কি ডক্টৰ কাকতিকো তেওঁ সমালোচনা কৰিছে। অসমীয়া সাহিত্যৰ যুগ-বিভাগৰ বিষয়ত আগৰ হেমচন্দ্ৰ গোস্বামীৰ প্ৰাথমিক মত গুচাই তেওঁ অধিক বিজ্ঞান-সম্মত বিভাজন স্থাপন কৰিছে।

এই দুই-তিনিখন পুথিক যুগান্তৰকাৰী বুলিব পাৰিনে, সমালোচকসকলে ভাবি চাব। ইয়াৰ উপৰি ১৯২১ আৰু ১৯৩৩-ৰ ভিতৰত 'বাঁহী', 'মিলন', 'অসম সাহিত্য সভা পত্ৰিকা' আদিত ছয়-সাত কুৰিৰ অধিক অসমীয়া প্ৰবন্ধ ৰচনা আদি আৰু ১৯৩৮ আৰু ১৯৪৩ মাজৰ *Journal of Assam Research Society, The Organiser* আদি পত্ৰিকাত দুকুৰিৰ ওপৰ ইংৰাজী প্ৰবন্ধ প্ৰকাশ কৰাৰ হিছাপ তেওঁ নিজে দি গৈছে। কিন্তু এটা কথা দেখিলে দুখো লাগে, বেজাৰো লাগে যে প্ৰায় ১৯৪০-ৰ পিছৰ তেওঁৰ সমালোচনাবিলাকত এটা তিক্ততা প্ৰৱেশ কৰে ; এই তিক্ততাই কেতিয়াবা তেওঁৰ বিচাৰ-বুদ্ধিকো আচ্ছন্ন কৰে। এই সময়তে তেওঁ ইংৰাজীত অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়ন কৰিবলৈ লয় নানা পাৰিবাৰিক আনুষ্ঠানিক ব্যতিব্যস্ততাৰ মাজত। এই পুথিখন *New Light on the History of Asamiya Literature* নামে সিদিনা ১৯৬২-তহে ছপা হৈ ওলাইছে। তাৰ বিষয়ে ডক্টৰ ভূঞাই সাৱধানে মন্তব্য কৰিছে, 'This book contains a mass of information about the progress and development of the Assamese literature from the earliest times to the present, and it represents the author's life-long labours in the study of Assamese literatue, the results of which he has alredy embodied in several valuable publications written in Assamese.' বৈজ্ঞানিক দৃষ্টি-ভঙ্গিৰপৰা জীৱন-সাধনাৰ ফল-স্বৰূপ এই গ্ৰন্থখনিতকৈ আগৰ 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি' অধিক গঢ়িত আছিল বুলি মোৰ নিজৰ ভাব হয়। *New Light*-ৰ অসমীয়া তাঙৰণ 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' (১৯৫৭) আৰু নূতনতৰ সংস্কৰণ 'নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ (১৯৬৬) বিষয়েও একে কথাকে ক'বৰ মন যায়। ১৯৫৫ চনত প্ৰয়াগৰ গঙ্গানাথ ঝা ৰিছাৰ্চ ইনস্টিটিউটে দাদাৰ *History of Modern Assamese Literature from* 1826 *to* 1947 প্ৰকাশ কৰে। আগৰ 'অসমীয়া সাহিত্যৰ জিলিঙনি'ৰ সৰু ৰূপ 'অসমীয়া সাহিত্যৰ জেউতি' আৰু ৩০০-পিঠীয়া 'অসমীয়া সাহিত্যৰ অধ্যয়ন' (১৯৬৩) অসমীয়া সাহিত্যৰ বিভিন্ন অঙ্গ আৰু সম্পদৰ আলোচনা। অসমীয়া ভাষাৰ চৰ্চাৰ যুনীয়া পুথি 'অসমীয়া ভাষা আৰু লিপিৰ কাহিনী' (১৯৫২) আৰু *The Origin and Growth of the Asamiya Language*. 'সাহিত্য কি' (১৯৫২) আৰু 'শুধ অসমীয়া' (১৯৪৩) দুখনি সৰু পুথি ভাষা সাহিত্যৰ মূল কথা বুজোৱা।

বৈষ্ণৱ ধৰ্ম আৰু অসমীয়া সংস্কৃতিৰ অধ্যয়ন সম্পৰ্কীয় দাদাৰ কেইবাখনিও সৰু ডাঙৰ পুথি আছে : 'বৈষ্ণৱ ধৰ্ম্মৰ আঁতি-গুৰি' (১৯৪০), 'বৈষ্ণৱ ধৰ্ম্মৰ ক্ৰমবিস্তাৰ' (১৯৪৩), 'বৈষ্ণৱ ধৰ্ম্মৰ ভক্তিতত্ত্ব' (১৯৪৪), *Introduction to Assam—the Country, the People, the Speech* (বোম্বাই, ১৯৪৭), 'প্ৰাক্-ঐতিহাসিক অসম' (১৯৪৭), *Mahapurushiyaism, a Universal Religion* (১৯৫০), *Jagat-guru Sankardew* (শঙ্কৰ মিছন, নগাঁও, ১৯৬২) আৰু যুগ-নায়ক শঙ্কৰদেৱ (১৯৬৬)। তেওঁ বেজবৰুৱাৰ আলোচনাকে সূত্ৰ ধৰি শঙ্কৰদেৱ আৰু অসমীয়া সংস্কৃতিৰ উদাৰ গুণ-গান কৰিছে আৰু *Introduction to Assam* আৰু 'প্ৰাক্-ঐতিহাসিক অসম' গ্ৰন্থত পুৰণি কামৰূপৰ ইতিহাসো নিজাভাৱে উদ্ঘাটন কৰিবৰ যত্ন কৰিছে। হাৰ্বাট ৰীডৰ সংজ্ঞামতে কবি বুলিলে হেনো বিদ্ৰোহীও হ'ব লাগে। দাদাৰ বিদ্ৰোহ সমাজ আৰু ব্যক্তিৰ সম্বন্ধ-সম্পৰ্কীয় চিন্তাত নানাভাৱে প্ৰকাশ পাইছিল। 'বৰ্ণ-নিৰ্ণয় বা জাতি-বিচাৰ' নামৰ এখানমান পুথিত (১৯৪৪) তেওঁ পুৰণি ঘূণে ধৰা সমাজৰ শ্ৰেণী-ভেদৰ উন্মূলনৰ হৈ নথি-পত্ৰ হাতত লৈছে। 'আমাৰ প্ৰতিনিধি'ত ধাৰাবাহিকতাত ওলোৱা 'সমাজ-চিন্তামণি'তো সমাজৰ অকল্যাণকৰ নানা ব্যৱস্থা আৰু ব্যৱহাৰৰ মূলত কুঠাৰাঘাত কৰিছে। ইয়াৰ বাহিৰে আত্মবৃত্তমূলক তেওঁৰ এক শ্ৰেণী ৰচনা আছে—'পত্ৰৰেখা' (১৯৪৪), 'বামধেনু'ত ওলোৱা

'অতীত-মাধুৰী', 'নীলাচল'ত ওলোৱা 'মোৰ জীৱন-ৰহস্য'। সমাজ আৰু নিজক লৈ লিখা এই দুই শ্ৰেণী ৰচনাই অনেক বিষয় হেমচন্দ্ৰ বৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱাক সোঁৱৰায়। পিছৰ শ্ৰেণীৰ ভিতৰত বিশেষ মূল্যৱান বস্তু হৈছে তাত সন্নিৱিষ্ট পত্ৰ-সমূহ; সিবিলাকৰ সামাজিক আৰু সাহিত্যিক মূল্য আগলৈকে থাকিব।

দাদা কলেজীয়া জীৱনৰপৰাই অসম সাহিত্য সভাৰ লগত জড়িত হৈছিল, বিশেষকৈ ১৯২৪ চনৰ নগাঁও সম্মিলনৰপৰা। ১৯৩৩-ৰপৰা ১৯৪৪-লৈকে প্ৰায় একে লেথাৰিয়ে তেওঁ যুটীয়া বা গুটীয়াকৈ 'অসম সাহিত্য সভা পত্ৰিকা'ৰ সম্পাদক আৰু ১৯৪৪-ৰপৰা ১৯৪৭-লৈ সভাৰ প্ৰধান সম্পাদক আছিল। সম্পাদক হৈয়ে 'পুৰণি তালিকাত মই অসম সাহিত্য সভাৰ ২৭ বছৰীয়া জীৱনৰ এঘাৰ জন স্থায়ী সভ্য আৰু পঞ্চাশ জনমান বছৰেকীয়া সভ্যৰ নাম পাওঁ; মোৰ কাৰ্য্যকালৰ শেষত প্ৰায় এশজন স্থায়ী সভ্য আৰু পাঁচশ জনৰ ওপৰ বছৰেকীয়া সভ্য আৰু সেই অনুসাৰে শাখা-সভা পাতোঁ।' ইয়াৰ পিছত ১৯৬২ চনৰ নাজিৰা সম্মিলনৰ অন্তৰ্গত কবি-সম্মিলনৰ সভাপতি হয় আৰু ১৯৬৪ চনৰ নলবাৰী অধিৱেশনৰ সভাপতি হৈ পিছৰ বছৰটো সভাৰ কাৰ্যৰ গুৰি-ব'ঠা ধৰে।

ঘৰুৱা জীৱনত তেওঁ কেতিয়াবা স্বাচ্ছন্দ্য লাভ কৰিছিল বুলি মনে নধৰে। চৰকাৰী চাকৰিৰ তৰামৰা যুঁজখন শেষ হওঁতে-নহওঁতেই ১৯৪৯ চনত নবৌৱে আমা-ডিমা সাতোটি ল'ৰা-ছোৱালী (মাণিকীমধুৰি, বসন্ত-মঙ্গল, অমিয়ামধুৰি, সপোনমধুৰি, জীৱনমধুৰি, শৰৎমঙ্গল, হেমন্তমঙ্গল) দাদাৰ বুকুত এৰি চকু মুদিলে। আটাই কেইটিৰে হৈ পৰম কষ্ট কৰি বিশেষকৈ ল'ৰাকেইটি যিদৰে তুলিম বুলি ভাবিছিল, তেওঁ তুলিব নোৱাৰিলে, এই দুখ তেওঁৰ থাকি গ'ল। পাঁচ নবেম্বৰৰ দিনা ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজত তেওঁৰ কাষতে বহি আছোঁ, তেওঁ ক্ষীণ হৈ অহা মাতেৰে কষ্টেৰে কথা কৈ গৈ আছে—নিজৰ জীৱন-যুঁজৰ কথা। তেতিয়া যেন তেওঁৰ কোনো তিক্ততা বা আক্ষেপ নাই। মোক উপদেশ দিলে—শেষ উপদেশ, 'বুদ্ধিমানৰ পিছতো যাবি, মূৰ্খৰ আগতো নাযাবি।' আকৌ যেন মূৰ তুলি নিজৰ জীৱনৰ সাৰাংশ ৰচি ক'লে, 'জীৱনত এইটোৱেই সুখ পালোঁ, কাৰো ওচৰত ক্ষুদ্ৰ হৈ মূৰ দোঁৱাবলৈ নহ'ল।' সেয়ে হ'ল দাদা।

স্বৰ্গীয় বন্ধু ডিম্বেশ্বৰ নেওগৰ স্মৃতিত

শ্ৰীপ্ৰসন্নলাল চৌধুৰী

তেতিয়া ১৯১৯ চনৰ জুলাই কি আগষ্ট মাহ। মেট্ৰিক পাছ কৰি কটন কলেজত ভৰ্তি হবলৈ গৈছোঁ। মোৰ এজন সম্বন্ধীয়া ককায়ে মোক তেতিয়াৰ তিনি নম্বৰ মেছত থকাৰ দিহা কৰি থৈছে, আগেয়ে তেওঁ তাতে থাকি আহিছিল, গতিকে অসুবিধা নহ'ল। কলেজত ভৰ্তি হোৱাৰ লগে লগে চাৰি নম্বৰ বা পাঁচ নম্বৰ ব্লকত ঠাই পাম। এডমিছনৰ বাবে আমি নতুন ল'ৰাবোৰে কটন কলেজৰ এড্‌মিনিষ্ট্ৰেটিভ্ বিল্ডিঙৰ বাৰাণ্ডাত জুমে জুমে থিয় হৈ বা ঘূৰি-পকি ভৰ্তিৰ ফৰমৰ দিহা কৰিছোঁ, লগতে কোন, ক'ৰ আৰু কেনেকুৱা ল'ৰা এইবোৰো নজৰ কৰিছোঁ।

এনেতে এজন মোৰেই সমবয়সীয়া ল'ৰাই মোলৈ চাই থকা নজৰ কৰিলোঁ। প্ৰথমে ভাবিলোঁ, এনেই মোৰ ওপৰত চকু পৰিছে হবলা, পিছে দুই এবাৰ ঘূৰি-পকি চাই দেখিলোঁ, মোৰেই ওপৰত দেখোন ল'ৰা-জনৰ এই দৃষ্টিপাত। অস্বস্তি বোধ কৰি ঠাই সলাই পূব ফালৰ চুকৰ খুটাটোত আউজি থিয় হ'লোঁগৈ। সেইফালে ল'ৰাৰ সমাগম অলপ পাতল। অলপ সময়ৰ পাচতে ল'ৰাজন দেখোন গৈ ইয়াতো মোৰ ওচৰেই পালে আৰু অলপ যত্ন কৰি ('যত্ন কৰি' বুলিছোঁ এই কাৰণে যে তেওঁ খোনাই কথা কয়) মোক সুধিলে, "আপুনিয়েই এইবাৰ আউনিআটী ৰচনা প্ৰতিযোগিতাত সোণৰ মেডেল পাইছে নহয়?" মই কলোঁ, "হয় মোকেই দিছে।" তেতিয়া আমাৰ ভিতৰত পৰিচয় আদিৰ আদান-প্ৰদান হ'ল। তেওঁ ক'লে, "আপুনি বৰপেটাৰ ল'ৰা হৈ এই পুৰস্কাৰটো পাইছে?" মই ক'লোঁ, "বৰপেটাৰ ল'ৰাই পুৰস্কাৰ পোৱাটো একো আচৰিত কথা নহয়, মইতো এতিয়া বৰপেটাৰ ল'ৰা হৈ থকা নাই, মই চাৰি বছৰ যোৰহাটতেই আছোঁ, স্কুলত বিনন্দ বৰুৱাই অসমীয়া যি শিকাইছে, সেয়েহে বিদ্যা আৰু।" কথা ওলাল, কি পাঠ্যক্ৰম বিচাৰিছোঁ। তেওঁ পূৰা-পূৰি বিজ্ঞানেই লব, মই ক'লোঁ, বুৰঞ্জী, তৰ্কশাস্ত্ৰ আৰু ৰসায়ন লম বুলি (তেতিয়া কলাৰ

লগত ৰসায়ন লব পাৰিছিল)। তেওঁ ক'লে, "ৰসায়নতকৈ সংস্কৃত লওক, ভাল পাব পঢ়ি।" মই তেওঁক আচল কথাটো ভাঙি কবৰ মন নগ'ল। মই শুনিছিলোঁ বোমা আদি বিস্ফোৰণ কাৰ্য্যত ৰসায়নৰ জ্ঞানেই প্ৰাথমিক শিক্ষা। সেই কাৰণেই মোৰ সেই গুপ্ত ইচ্ছা। পিছে কিয় সেই ইচ্ছা হ'ল সেইটো এতিয়া নকৈ পিচলৈ থোৱাই ভাল হব। যি হওক সেইদিনা কথা ইমানতেই ৰ'ল। মোৰ কিন্তু চকু পৰিল তেওঁৰ সুন্দৰ চিকচিকীয়া কলা কেঁকোৰা চুলিখিনিত। কাৰণ ঈশ্বৰে মোক সেই সম্পদৰপৰা বঞ্চিত কৰিছে। বহু মানৱীয় চেষ্টা কৰিও বিফল হৈছোঁ। মোৰ চুলি অলপ পিঙ্গল, ঠৰঙা আৰু অতি অবাধ্য। ভাল সেওঁতাৰ ভাজত কোনো-মতে পেলাব নোৱাৰি। তাৰ কাৰণে চুলি কেঁকোৰা কৰা যন্ত্ৰয়ো ফেল মাৰিছে। তপত সেই যন্ত্ৰপাটে চুলি যে কিমান পুৰিছে, ছাল যে কিমান বখলিয়াইছে, অন্ত নাই। তথাপি গাহৰিৰ নোমৰ দৰে যি ঠৰঙা চুলি সেয়েই।

এনেকৈ জানিলোঁ তেওঁৰ নাম ডিম্বেশ্বৰ নেওগ, শিৱসাগৰত ঘৰ, ইত্যাদি।

নেওগে বিজ্ঞান পালে, মই ৰসায়ন নাপালোঁ। অগত্যা সংস্কৃতকে ললোঁ। মোৰ ইচ্ছাৰ বিপৰীতে। নেওগৰ লগত ইংৰাজী আৰু অস-মীয়া ক্লাছৰ বাহিৰে দেখা নোহোৱা হ'ল। অৱশ্যে দুয়ো একান্নবৰ্তীয়ে হ'লোঁ। অৰ্থাৎ তৃতীয় ভোজনালয়ত। মোৰ ঠাই হ'ল চতুৰ্থ ব্লকৰ চাৰি নম্বৰ কমত। তেওঁৰ ঠাই হ'ল পাঁচ নম্বৰ ব্লকৰ আঠ নম্বৰ কমত। কিন্তু তেতিয়াও দুয়োৰো একো প্ৰকাৰৰ মিত্ৰতা হোৱা নাছিল। তেওঁ ইচ্ছানুযায়ী পাঠ্যক্ৰম পাই মন দি পঢ়িছে, মই সেইটো নাপালোঁ। তদুপৰি কটন কলেজৰ কঢ়া শাসনৰ তলত বিৰক্ত হৈ প্ৰায়ে ক্ষিপ্ত হৈ থাকোঁ। তেওঁক প্ৰায়েই ভগৱতীপ্ৰসাদ বৰুৱা আদি সাহিত্যিক ভাবা-পন্ন সকলৰ লগত একান্ত মনে মেল পতা আৰু ফুৰিবলৈ যোৱা দেখোঁ।

মাজে মাজে কটনৰ হাতে লিখা আলোচনী 'সেউতী'ৰ সম্পাদক দীন শৰ্মাৰ লগতো কথা পতা দেখোঁ। মই কিন্তু অকলশৰীয়া। হোষ্টেলত লুঙী পিন্ধি বিছনাত পৰি থাকোঁ, হাফ্‌পেণ্টো পিন্ধো। আজি কালি এই বিধ পেণ্ট জনমতৰ বলত সেই ৰাজ্যৰপৰা নিৰ্বাসিত হৈছে। কেতিয়াবা ব্ৰহ্মপুত্ৰৰ পাৰৰ পুলিচ অফিচ থকা শিলাময় পাহাৰত অকলে বহি থাকোঁ। ৰবিবাৰ হ'লে কেতিয়াবা পুৱাই উঠি, মিঃ পি-চি ৰায়ৰ বক্তৃতা অনুসৰণ কৰি খাকী হাফ্‌পেণ্ট, কোট বা কামিজ, বুটজোতা পিন্ধি ৰুটি আৰু কেক এডোখৰ জেপত ভৰাই বশিষ্ঠলৈ খোজ কাঢ়ি গুচি যাওঁ

আৰু গধূলি ঘূৰি আহোঁ। অৰ্থাৎ তেওঁৰ ভাষাত holidaying কৰোঁ।

এনেকৈ থাকোঁতে থাকোঁতে এজন বৰপেটাৰ সহপাঠীৰ কথা মতে 'সেউতী'লৈ এটা কবিতা পঠালোঁ, অৰ্থাৎ সেই বন্ধুজনৰ হাততেই দি পঠালোঁ ভয়ে ভয়ে। সেউতীৰ গুৰিয়াল সকল তেতিয়া মহেন্দ্ৰ ফুকন, লক্ষ্মীধৰ শৰ্মা, বিষ্ণু গোস্বামী ইত্যাদি। দীন শৰ্মা-তো সম্পাদকেই। কবিতাটোৰ নাম আছিল 'পূৰ্ণ প্ৰাণ'। দুদিন পাচতে এদিন আবেলি দীন শৰ্মা আহি মোৰ চাৰি নম্বৰ কমত ওলালহি। মই লুঙীখন পিন্ধি বিছনাত উবুৰি খাই ঘৰিয়ালটো পৰা দি পৰি আছোঁ। প্ৰথম বাৰ্ষিকৰ ল'ৰা মই, তৃতীয় বাৰ্ষিকৰ ভদ্ৰলোক এজনৰ আকস্মিক উপস্থিতিত বিব্ৰত হৈ উঠি বহিলোঁ। তেওঁ মোৰ আঁতি-গুৰি সুধি কবিতাটোৰ কথা পাতিলে। লগতে 'বৰ ভাল হৈছে', 'লিখি থাকিব লাগে' ইত্যাদি কথা কৈ উৎসাহিত কৰি প্ৰস্থান কৰিলে। প্ৰথম বাৰ্ষিকৰ ল'ৰাই বৰকৈ আগবাঢ়ি সেউতীত নিলিখিছিল, লিখিছিল ওপৰ শ্ৰেণীৰ গুৰু-গম্ভীৰ আৰু ঘাগীসকলে।

দুই এদিন পাচতে মহেন্দ্ৰ ফুকনৰ চিত্ৰ সম্ভাৰে জকমকীয়া হৈ সেউতী ওলাল। 'পূৰ্ণ প্ৰাণ' কবিতাও ওলাল। বহুতৰ চকু মোৰ ওপৰত পৰিল। নেওগৰ চকু মোৰ ওপৰত বেচিকৈ পৰিল। তিনি নম্বৰ মেছৰ সকলোৱে গা ধুবলৈ যাওঁতে খাবলৈ যাওঁতে মোৰ কমৰ আগেদিয়ে যাব লাগিছিল। এতিয়া নেওগ গা ধুবলৈ যাওঁতে মোৰ বিছনালৈ চাই মিচিক্ কৰে হাঁহি যোৱা হ'ল। খাবলৈ যোৱাৰ পৰতো মাজে মাজে মোক লগ ধৰি মোৰ কমেদি সোমাই যোৱা হব ধৰিলে। এনেকৈ লাহে লাহে আমাৰ নিলগ নিলগ ভাবটো নাইকিয়া হৈ যাব ধৰিলে। ইতিমধ্যে তেওঁৰ সৰু কবিতাৰ পুথি 'মালিকা' ছপা হৈ ওলাল। মোক এখন উপহাৰ দিলে। তাকে লৈ আমাৰ কেতিয়াবা সেই প্ৰিয় মিলন স্থান পুলিচ অফিচৰ পিচৰ শিলাস্তূপত বহি আলোচনা হৈছিল। 'পূৰ্ণ প্ৰাণ'ৰ কল্পনা সুন্দৰীক লৈ তেওঁ বেকা ইঙ্গিত মাৰিছিল, যাক আজি কালি ডেকা বন্ধুসকলে 'কাটিং মৰা' বোলে। ময়ো সাধ্য অনুসৰি তাৰ প্ৰত্যুত্তৰ দিছিলোঁ। ইয়াৰ পিচৰ পৰ্বত 'হেৰি চৌধুৰী' 'হেৰি নেওগ' আদি সম্বোধন গুচি এটা সম্বোধনেই নিগাজী হৈ গোট মাৰি গ'ল। সেইটো হৈছে 'বন্ধু'। আমি পৰস্পৰেই বন্ধু হৈ গ'লোঁ। বন্ধু হ'লোঁ হয়, কিন্তু সেইটো মাত্ৰ মোৰ আৰু তেওঁৰ ভিতৰত হে; তেওঁৰ আন আন শিৱসাগৰীয়া বন্ধু ভগৱতী বৰুৱা, বিমলাপ্ৰসাদ আদিৰ লগত মোৰ হ'লে একো যোগাযোগ নহ'ল। নেওগৰ লগত মোৰ বন্ধুত্বও আচ-ৰিত সংযোগ এটা, তেওঁ আছিল মৃদু আৰু কোমল প্ৰকৃতিৰ আৰু মই আছিলোঁ উদ্দাম আৰু উচ্ছৃঙ্খল প্ৰকৃতিৰ। মই প্ৰফেছৰৰ লগত কাজিয়া

কৰোঁ, গফিন চাহাবক টান জবাব দিওঁ, মিঃ পি.চি. বায়ক জোকাওঁ, এইবোৰ কাৰণৰ বাবে ক্লাছৰপৰা suspend হওঁ, কিন্তু বন্ধু ডিম্বেশ্বৰ সেইবোৰত নাই। তেওঁ কেমিষ্ট্ৰিব প্ৰেকটিকেল কৰে, ফিজিক্সৰ প্ৰেকটিকেল কৰে, অঙ্ক কৰে, কিন্তু তাৰ ভিতৰতে ৰবি ঠাকুৰৰ গীতি মাল্য পঢ়ে আৰু তাৰে ছন্দত কবিতাও লিখে। মই কিন্তু লিখা পঢ়াৰ ভিতৰত ৰবকৈ নাই, মই গান গাওঁ, কছৰৎ কৰোঁ, পৰ্বতে পাহাৰে ঘূৰি ফুৰোঁ আৰু কিছু পৰিমাণে উভওালিও কৰোঁ। যেতিয়া সকলোৱে বহি গধূলি লেম জ্বলাই পঢ়া আৰম্ভ কৰিছে তেতিয়াও মোৰ 'পেৰেলেল বাৰ' কৰা হোৱা নাই। পাচত মুদগৰ কৰাৰ পাচত কি পাগলামি জাগে মনত মুদগৰ এটা ওপৰলৈ মাৰি পঠিয়াওঁ পাচ নম্বৰ ব্লকৰ সেই বিশেষ ৰুমটোৰ ছালত পৰাকৈ, য'ত একান্ত মনে নেওগ বন্ধু আৰু কেশৱানন্দ ভট্টাচাৰ্য্যই পঢ়াত মন দি বহি আছে। সকলোপিনে হাঁহাকাৰ লাগি উঠে। তেতিয়া কিন্তু ময়ো একান্ত মনে 'মুদগৰ ভাজাত' তন্ময়। কোনোৱে একো নকয়। কলেই জানিবা, কি হব তাৰ পৰা। এইবিলাক সত্ত্বেও তেওঁ ক্ৰমে মোৰ বেচি ওচৰ চাপি আহিল। আনে হ'লে মোক বৰ্জনেই কৰিলেহেঁতেন।

ইয়াৰ অলপ দিন পাচতে পাঁচ নম্বৰ ব্লকৰ তেৰ নে চৌধ নম্বৰ ৰুমত এখন ঠাই খালী হ'ল। মই আহি সেইখন খাট অধিকাৰ কৰিলোঁ। ৰুমমেট হ'ল পিয়াৰী মোহন চৌধুৰী আৰু ৰুদ্ৰ বৰুৱা, এজন তেজপুৰৰ আনজন উত্তৰ লক্ষীমপুৰৰ। পাচত পিয়াৰী মোহন হ'ল 'দাদা' আৰু ৰুদ্ৰ বৰুৱা হৈ গ'ল 'মিতিৰ'। এই বন্ধু আৰু মোৰ ৰুমৰ মাজত আছিল যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ, শিৱসাগৰৰ ইন্দ্ৰ বৰঠাকুৰ। দুয়োজনেই বৰ মজাৰ লোক। সন্দিকৈৰ সকলো সময়তে চকুৱে মুখে হাঁহি উপচি থাকে। ইন্দ্ৰও মোৰ কুস্তিৰ লগৰীয়া, ভাটীবেলা লেংটি কচি, লুঙী পেচ দি, ছিলেটৰ ব্ৰজেন্দ্ৰ শীলৰ সাকৰেদ হৈ, ইন্দ্ৰ, উত্তৰ লক্ষীমপুৰৰ গোলাপ (বোধহয়) আৰু দুই এজনৰ লগত কামাখ্যা পাহাৰৰ তলত বালিত মালযুদ্ধ অভ্যাস কৰিবলৈ যাওঁ; বন্ধুৱে কিন্তু আমাক দেখি তেতিয়া বাৰাণ্ডাত থিয় হৈ মিচিক্ মিচিক্‌কৈ হাঁহে মাত্ৰ, কথা হ'লে একো নকয়। পিছে কিন্তু যিদিনা দুয়ো বন্ধুৱে শান্ত শিষ্ট হৈ খাৰঘুলিৰ বা আনপিনে ভাটীবেলা ওলাই যাওঁ, সেইদিনা অইনবোৰে আমাক চাই হাঁহে, আমাৰ কিন্তু তালৈ ভ্ৰূক্ষেপ নাথাকে।

এদিন তেনেকৈ যাওঁতে এখন মিকিৰ বস্তিত ধুমুহাত ভাগি বাটৰ গুৰিত পৰি থকা তামোল এজোপাৰ ফাটি নুঠা থোকটো পাই, বন্ধুৱে

বৰ আলফুলকৈ এৰুৱাবৰ চেষ্টা কৰি নোৱাৰাত মই কঁকালৰপৰা ছুৰী এখন উলিয়াই সাৱধানে একো ক্ষতি নোহোৱাকৈ কাটি উলিয়াই দিলোঁ। নেওগে ছুৰীখন দেখি অলপ বিস্ময়েৰে সুধিলে, "আপুনি এইখন কিয় লৈ ফুৰে?" মই ক'লোঁ, "নুফুৰিলে আপোনাক কেনেকৈ 'মাণিক' উলিয়াই দিলোঁহেঁতেন?" তেওঁ হাঁহি ক'লে, "মোৰ কথাৰ উত্তৰ সেইটো নহ'ল। যিহক এইবোৰ লগত লৈ ফুৰা ভাল নহয়; কিন্তু মই ক'লোঁ, 'আমাৰ বহুত প্ৰবৃত্তি আছে সেইবোৰতো ছুৰীখনতকৈও ভয় লগা।" 'মাণিক' খিনিত তেওঁ বৰ মৰমেৰে হাত বুলালে, এবাৰ দুবাৰ গালতো লগালে, মই সাৱধান কৰি দিলোঁ কৰবাত ডাকিব চাকিব পাৰে বুলি। তেওঁ তালৈ মন নকৰিলে। ঠোকটোৰ সুকুমাৰ ৰূপতে মজি গৈছে। কেৱল মোক কৈছেহে "চাওকচোন, কেনে কোমল! কেনে বগা! কি সুন্দৰ সৃষ্টি! ভাবিলে কিবা লাগি যায়।" পিচদিনা পুৱা দেখিলোঁ 'মাণিক' থোকা তেওঁৰ মেজত সজাই থোৱা আছে আৰু গাত চাৰি শাৰী নে ছয়শাৰীৰে এটি কবিতা। এইখিনি পিচত কৰবাত ছপাৰ আখৰেদি সাময়িক থলেনে নাই কব নোৱাৰিলোঁ। আমাৰ দুয়োৰে এটা স্বভাৱেই হৈছিল, মেজত অলপ ফুলপাত আদি সজাই থোৱা। তেওঁ সংগ্ৰহ কৰিছিল প্ৰকৃতিৰপৰা কুঁহিপাত, ঢেকীয়া, বনৰীয়া ফুল, বনত সৰি থকা চৰাইৰ পাখী ইত্যাদি। মই কিন্তু তেনেকুৱা বস্তুৰ লগতে গোটাইছিলোঁ কলেজৰ বাগিছাৰ ফুল পাত আদি আৰু সময়ত ৰঙ-চঙীয়া 'ৰিবন' আদিও। আমাৰ ফুৰাত কোনো সৌন্দৰ্য্যৰ আলোচনা বা কাব্য কথাৰ প্ৰাধান্য নাছিল মাত্ৰ মাজে মাজে একোটা উচ্ছ্বাসৰ বাহিৰে। কেতিয়াবা অৱশ্যে তেওঁ যতীন দুৱৰাৰ দুই এষাৰি কবিতা আওৰাইছিল। এষাৰি এতিয়াও মনত পৰে, "এনেকৈয়ে চাইছিলোঁ ৰংপুৰৰ হাবিবন" নেকি এনে কিবা। আৰু এষাৰ গাইছিল "ভাল পোৱা কিনো তুমিয়ে শিকালা" এইটো কাৰ বুলি কৈছিল পাহৰিলোঁ। মই যদিও কাৰো ভক্ত নাছিলোঁ, তেওঁ যে দুৱৰাৰ বৰ ভক্ত আছিল এইটো ঠিক। এইবোৰ হৈছিল কেতিয়াবা পানীকলৰ পাহাৰৰ তলৰ শিলনিৰ বা সেই পুলিচ অফিচৰ পিচৰ পাহাৰৰপৰা সূৰ্য্যাস্তৰ বিচিত্ৰ মেঘৰ সমাবেশ দেখি, অশ্বক্লান্ত মন্দিৰৰ কলচীটোৰ জিলিকনি দেখি, নদীত বৈ অহা উৰ্বশীৰ আন্ধাৰ চেলেংখন বা একোখন অকলশৰীয়া নাৱে আমাক মুগ্ধ কৰি ৰখা যেন বোধ কৰি। অলপ আন্ধাৰ বা জোনাকৰ আভাস আহিলেই মই গায়ক হৈছিলোঁ, শ্ৰোতাতো আছিলেই লগতে। বন্ধুক সেইবোৰ ঠাইত বেচি পলমকৈ ৰখাৰ সহজ উপায় আছিল সেইটোৱেই। মোৰ পঢ়াৰ ধাউতি নোহোৱা হৈ গৈছিল গুণে তেওঁৰ

কৰ্তব্যৰ পিনে মই মুঠেই মন নিদিছিলোঁ। মোৰ লগত ফুৰিবলৈ ওলোৱাৰ কাৰণ তেওঁৰ বোধহয় আছিল গান শুনা। কাৰণ তেওঁ নোৱাৰিছিল নিজে গান গাব আৰু মই পাৰিছিলোঁ হোৱাই-নোহোৱাই চিঞৰিব।

এনেকৈয়ে গৈ গৈ সৰস্বতী পূজা আহিল। কটনৰ সৰস্বতী পূজাটো তেতিয়া ছাত্ৰসকলৰ এটা বিৰাট উদ্দাম উদ্যোগ পৰ্ব! অৱশ্যে তেতিয়া 'লাউড স্পিকাৰ' নাছিল, পূজাত বিহুনাম আদিতো নাছিলেই। আজি-কালিৰ দৰে আধুনিক গানত বিহুনামৰ পদো নাছিল, সুৰো নাছিল। বিহুনামৰ পুনৰ্জীৱন তেতিয়া হোৱাই নাছিল। সৰস্বতী পূজাত বঙলা সংকীৰ্তনৰ ভমকত খোলে ফাটি যাওঁ ফাটি যাওঁ কৰিছিল। তাৰ ভিতৰত মাজে মাজে দুটা এটা কৰবাত অসমীয়া সংকীৰ্তন অৱশ্যে আছিল। যি হওক এটা কথা উঠিল, সৰস্বতী প্ৰতিমাক এইবাৰ মুগাৰ ৰিহা-মেখেলা আৰু অসমীয়া অলঙ্কাৰ পিন্ধোৱা যাওক। সেই সময়টো আছিল অসমীয়া সংস্কৃতিৰ পুনৰ্জীৱনৰ কাল। মহেন্দ্ৰ ফুকন আছিল এইবোৰৰ আগৰণুৱা। তৎক্ষণাত আমি কিছুমানে বিষয়টো তুলি ধৰিলোঁ। বিষ্ণু গোস্বামী হ'ল এজন উগ্ৰ সমৰ্থক। নেওগ, মই, লক্ষ্মীধৰ শৰ্মা আদিয়ে ইয়াৰ সপক্ষে ওকালতি কৰিলোঁ। কিন্তু বিপক্ষে খুটিপোতা দলে ঘোৰ আন্দোলন লগালে। দেৱীক মেখেলা পিন্ধোৱা ধৰ্মৰ গ্লানিৰ কথা হব। অজন্তা, ইলোৰা, আন শিলা মূৰ্তিত ক'তো মেখেলা নাই, বিশেষকৈ মেখেলাৰ শাড়ীৰ দৰে চৌ খেলোৱা জাপ নাই, দেখিবলৈ কিবা চেপ্‌চেপীয়াটো হব মূৰ্তিখন ইত্যাদি। আমি ক'লোঁ ঈশ্বৰে মানুহক নিজৰ আকৃতি দি সাজিছে হয়, কিন্তু মানুহেও ঈশ্বৰৰ ৰূপত নিজৰ সাজ-পাৰ দিছে। অজন্তা, ইলোৰাৰ দেশৰ কাপোৰৰ ধৰণেৰেহে মূৰ্তিবিলাক তাত আঁকিছে, অসমীয়াই নিজৰ মাক, ভনীয়েক, সহধৰ্মিণীহঁতক ৰিহা-মেখেলাৰে বেয়া দেখা হ'লে ইমান দিনে সেইবোৰ কাপোৰ-কানি এৰিয়েই পেলালেহেঁতেন, কিন্তু তেনেতো কৰা নাই। আৰু সৌন্দৰ্য্য থাকে চকুত—যেয়ে যিহক সুন্দৰ বুলি মানি লয় তাৰ আগত সেয়ে সুন্দৰ। এইবোৰ তৰ্কাতৰ্কি একালে চলি আছে, আনফালে মহেন্দ্ৰ ফুকন আৰু বিষ্ণু গোস্বামীয়ে কোনোৰে কব নোৱাৰাকৈ খনিকৰৰ ঘৰত বহি প্ৰতিমাখনক ৰিহা-মেখেলা, (এতিয়াৰ মেখেলা চাদৰ নহয়) মুঠি, খাৰু, জোন-মাদুলি, শ্ৰীপাতি, নেপুৰ আদিৰে সজাই-পৰাই চকুত লগা কৰি তুলিলে। এইবোৰ আৰম্ভ হ'ল ৰাতিৰপৰা। মহেন্দ্ৰ ফুকন আৰু বিষ্ণু গোসাঁয়ে মাত্ৰ ওলাই যাবৰ পৰত গুজৰি বাহু জোকাৰি পূজাৰ পীঠৰ ফালে চাই কৈ যোৱা শুনিলোঁ—"থাক থাক তই। তোক কালি বঙালী শাড়ী পিন্ধাম ভালকৈ।" তাৰ পাচতে দুয়ো বিজুলী সঞ্চাৰে

কেনি যে মায়া হোৱাদি হ'ল, তৰকিবই নোৱাৰিলোঁ। মই আৰু দুই এজনে পিয়াৰী চৌধুৰীৰ নিৰ্দেশত চাৰি নম্বৰ ব্লকৰ মাজৰ মুকলি ডোখৰ নানা বিধ গছ-পাতৰ সম্ভাৰেদি সজাব ধৰিলোঁ। মাজতে একোবাৰ নেওগৰ ৰুমলৈ যাওঁ। বন্ধুৱে লেম জ্বলাই ধুমধাম সংকীৰ্তন ৰচনাত ব্যস্ত, মূৰ তুলিব পৰা নাই। মই উভতি আহোঁ, মুখেদি উচ্চৈস্বৰে গান গাওঁ। গান অৱশ্যে বঙলা, মাজে মাজে উমেশ চৌধাৰীৰ অসমীয়া গানো। এনেকৈ ৰাতিটো শেষ হৈ গ'ল। পিচদিনা পুৱাতে, সংকীৰ্তনৰ আখৰা আৰু খোলৰ গুম্ গুমনি, সকলো ফালে গছ-পাতৰ সাজ-সজ্জা দেখি হোষ্টেলবাসী সকলোৰে চমৎকৃত হৈ গ'ল। ইফালে দুই-এক কেনেবাকৈ সৰস্বতী প্ৰতিমাৰ ৰূপান্তৰৰ বাতৰি প্ৰকাশ কৰি দিলে। প্ৰধান বিৰোধী-সকলে গৈ দেখিলে—সঁচাকৈ দেৱী প্ৰতিমাই নতুন ৰূপ ধৰি হাঁহি আছে। ৰিহা-মেখেলাই একো কুৰূপ কৰা নাই। ঠাইতে আপত্তিবোৰ পানী-কৃত্য হৈ গ'ল। সৰস্বতী পূজাত সেইবাৰ এটা অভিনৱ সৃষ্টি হ'ল। সম্ভৱতঃ সেইবাৰেই সৰস্বতীয়ে অসমীয়া সাজ-পাৰ পিন্ধি কটনৰ শিক্ষা-নুষ্ঠানত শ শ ছাত্ৰৰ পুষ্পাঞ্জলি গ্ৰহণ কৰিলে। কাৰণ কটনততো অসমৰ সকলো ফালৰে ছাত্ৰ আছিল, আন কোনো অঞ্চলত তেনে প্ৰতিমা থকা হ'লে ইমান বিৰোধৰ ধ্বনি নুঠিলহেঁতেন। আমি যিবোৰে সমৰ্থন কৰিছিলোঁ সেইবোৰে মাত্ৰ নতুনৰ প্ৰেৰণাতে সেইটো কৰিছিলোঁ।

তেনেকৈ আনন্দ আৰু উত্তেজনাতেই সেই দিন কেইটা গ'ল। ভাবিছিলোঁ মোৰ পাগলামিবিলাক বন্ধুজনৰ নাই হ'বলা। পিছে ক'ত? মোৰ আৰু বিশেষকৈ ফুকন আৰু গোস্বামীৰ যিটো বাহিৰত আছিল নেওগৰ সেইটো ভিতৰে ভিতৰে আছিল। আৰু তাক কলমেদি প্ৰকাশ কৰিব খুজিছিল। ইয়াৰপৰা তেওঁৰ লগত মোৰ সম্পৰ্ক অলপ আৰু গভীৰ হোৱা যেন পালোঁ।

এদিন গধূলি Chemistry Theatre-অত নে Physics গেলেৰী-তেই ৰবাৰ্ট চাহাবে ৰঞ্জন-ৰশ্মি আদি বিষয়ে এটা প্ৰদৰ্শনী বক্তৃতা দিব। বন্ধু আৰু মই গৈ বহিলোঁ। তেওঁ কিছু জানে সেইবোৰ, মই একো নাজানো। তাত বিবিধ যন্ত্ৰ-পাতিৰে কাচৰ নলীৰ ভিতৰেদি এনে অনুপম ৰঙৰ খেল দেখুৱালে যে তাক মুখেৰে কবই নোৱাৰি। নেওগে ইংৰাজীতে ক'লে—এইবোৰেই Poetry of Science—সেয়া বিজ্ঞানৰ কবিতা। মই ঘাইল হৈ গ'লোঁ। হায়! এই বিজ্ঞানৰ মই এটা বিষয়ো পঢ়িব নাপালোঁ। যেতিয়া ৰঞ্জন-ৰশ্মিৰ পোহৰত চাহাবে তেওঁৰ "মনি বেগ" খন তলি ধৰিলে দেখা গ'ল তাত মাত্ৰ এক অনীয়া এটাহে আছে। ছাত্ৰ-

সকলে গিৰ্জনি মাৰি হাঁহি উঠিল। মোৰ জেপলৈ অজানিতে হাত গ'ল। দেখিলোঁ এক অনীয়া কিয় পইচা এটাও নাই। মনটো বেয়া লাগি গ'ল। হোষ্টেল মেছত থাকি হাতত যথেষ্ট ধন নহ'লে জীৱন মিছা। এইটো জনা কথা। ৰাতি হোৱাত বক্তৃতা শেষ হ'ল। খাই-বৈ শুই শুই ভাবিলোঁ। কলেজত এনে ৰহস্যময় বিষয়বপৰা বঞ্চিত হ'লোঁ, মিছাকৈ প্ৰথম বিভাগত পাছ কৰিছোঁ। তৃতীয় বিভাগৰ ল'ৰাই যি পাঠ্যক্ৰম পায় ময়ো তাকেহে পালোঁ। ধিক জীৱন! ইফালে ঘৰৰপৰা টকা অহাতো পলম হৈছে। ইত্যাদি ভাবি ৰাতি টোপনি নহা হ'ল। শেষ ৰাতি যদিও টোপনি আহিল, ধলপুৱাতে সাৰ পালোঁ। আকৌ সেই বিৰাগ মনলৈ আহিল। লৰালৰিকৈ তেতিয়াৰ হৰিমলৰ চাহৰ দোকানত গৈ বাকী হাতে চাহ এপিয়লা খাই বাটে বাটে উদ্দেশ্যবিহীনভাৱে ওলাই গ'লোঁ। হোষ্টেলত কোনোৱে কব নোৱাৰিলে। কিন্তু কলৈ গৈছোঁ? হঠাৎ মনত কিয় জানো খেলালে,—কামাখ্যালৈ যোৱা যাওক। গ'লোঁ সেইফালে পাহাৰত উঠি। কিন্তু কত! খাবলৈ দিব কোনে? থাকি-মেই বা ক'ত? কুচ পৰোৱা নাই। বাট এৰি এফলীয়া হৈ হাবিত সোমাই গ'লোঁ। দেখিলোঁ সুন্দৰ ঠালে-ঠেঙুলিয়ে আৰু গহীন পাতেৰে কিবা এজোপা গছ। তলত সুন্দৰ ওখ শিলনি। ওপৰত গৈ বহিলে কামাখ্যাৰ কিম্বদন্তী থকা গোসাঁনীৰ বাঘটোৱে সতকাই ঢুকি নাপায়। গাত তেতিয়া যথেষ্ট বল, কঁকালত দুইমুখীয়া ছুৰীখনতো আছেই। 'সাহে সিদ্ধি' কৰি তাতে মনে মনে বহি জিৰণি ললোঁ। প্ৰকৃতিৰ ৰমণীয় কোলাত বহি বহি কিবা মায়াজালত পৰি গ'লোঁ। দিনটো লঘোনে গ'ল, ৰাতি ভাবিলোঁ গছত উঠি থকাই ভাল হব। তাকে কৰা হ'ল। সুবিধাজনক ফেৰেঙনি এটা চাই তাতে আউজি সাৱধানে ৰাতিটো কটালোঁ, আধা টোপনি আধা সাৰে থাকি। ৰাতি পুৱাল। দেখিলোঁ এনেকৈ নচলিব। মানুহৰ আশ্ৰয় চপা ভাল। এনেকৈ একোটা পাগলামি কৰি নিৰুদ্দেশ যাত্ৰা কৰা একো সুবিধাৰ কথা নহয়, বিশেষত লঘোনে আৰু দেউলীয়া হৈ। পাহাৰৰপৰা ৰাতিপুৱাৰ লগে লগে নামি আজাৰাৰ ভিতৰেদি পোনে পোনে সজনপাৰা বুলি এটা ফৰেষ্ট বিট্ অফিচত ওলালোঁহি। তাত আছিল ৰজত কলিতা নামৰ এজন ফৰেষ্টৰ হেডগাৰ্ড। আগৰ দিনত তেওঁ আমাৰ ঘৰতে ডাঙৰ হোৱা মানুহ। আমি ভয়ো কৰিছিলোঁ, ভালো পাইছিলোঁ। তেওঁ অকলে থাকে, ৰান্ধে, বাঢ়ে, খায়। মোক দেখি আচৰিত হ'ল। কিন্তু কিয় গৈছোঁ তালৈ একো নুসুধিলে। ভালকৈ খোৱা হ'ল, গা ধুই তেওঁৰ গামোচাকে মলাই থাকিলোঁ। দুদিন

তাত থাকিলোঁ—মানে পাটগাঁও আদি ঠাইলৈকে গৈ ৰাণীৰ পাহাৰৰ তলে তলে এটা সুন্দৰ ফৰেষ্টৰ শালগছৰ ছায়াঘন বাটে বাটে ঘূৰি ফুৰিলোঁ। ই ভীষণ ঠাই, হাতী বাঘ ওলায় সদায়। এই পাটগাঁও আছিল খাচিয়া বীৰ তিৰোত সিংৰ এটা ঘাটি। তেওঁৰ স্মৃতি ৰাখি আছিল এটা শিলত কটা দেৱী মূৰ্তিয়ে পাহাৰৰ ওপৰৰ ঘুলিত। পাচত দ্বিতীয় মহাযুদ্ধৰ সময়ত এজন ঠিকাদাৰে তাকে ফটাই শিলখিনি ঠিকাৰ কামত লগাইছে। তৃতীয় দিনা ৰাতিপুৱা ৰজত কাকাই কথাৰ ছলতে সুধিলে, "তই দেখোন কেনেকৈ আহিছ? পলাই আহিছ নেকি?" মই মিছা মাতি ক'লোঁ—যে কলেজ বন্ধ থকাৰ বাবেহে এইফালে ফৰেষ্ট চাওঁ বুলি আহিছোঁ। আজি যাম। ৰজত কাকাই ক'লে—"খাই-বৈ এক বেলীয়াকৈ যাবি। আজাৰাৰ চকত কিজানি মটৰেই পাবি। লাগে যদি পইচা লৈ যা।" মই নালাগে বুলি কৈ দুপৰীয়া খাই-বৈ ৰামকৃষ্ণ বুলি গুৱাহাটী মুখে খোজ দিলোঁ। বাটে বাটে ভাবি গৈছোঁ—এই কেইদিন মোক কিহে পাইছিল? হোষ্টেলত বা আৰু কি ঘটনা হৈ আছে! মইনো কি জবাব দিওঁগৈ এতিয়া! এইবোৰ ভাবি-গুণি গৈ গৈ আজাৰাৰ চক এৰাত পোৱা দলং-খন পাৰ হৈ আহি মূৰ তুলি চাওঁ বন্ধু ডিম্বেশ্বৰ নেওগ দেখোন গুজং গুজংকৈ মোৰ ফালেই আহিব লাগিছে। কি আচৰিত! মোকেই ধৰি নিব আহিছে নেকি? মই থমক্ খাই ৰৈ গ'লোঁ। তেওঁ দেখোন মোক ধৰিব ক'ত, মাতেই নিদিলে। মাত্ৰ মোক এৰাই আলিটোৰ দক্ষিণ ফাললৈ থকা এখন কোটোহা বাঁহৰ এৰাবাৰীলৈ সোমাই গ'ল। মই বোলোঁ এইটো কি কথা! বন্ধুৰপৰা মই যি ভয় কৰিছিলোঁ—সেইটো মিছা। মই নিৰ্ভয়ে তেওঁক জঙ্গল ভাঙি বাৰীৰ মাজত গৈ লগ ধৰিলোঁ। তেওঁ মাত্ৰ মোক এৰা দি ফুৰিব খোজে, সুধিলে একো জবাব নিদিয়ে। এনে কৰোঁতে দুয়োৰে পিন্ধা ধুতি দুখন খোচা খাই ফাটিল ঠায়ে ঠায়ে, মাজে মাজে তেওঁ কব ধৰিলে—"যাওক যাওক, আপুনি যাওক।" ময়ো কওঁ—"আহক আহক, দুয়ো একেলগে যাওঁ বলক।" এইখন কৰাতে কৰাতে মোৰ মনৰ গধূৰ ভাবটো পাতলি লাহে লাহে ধেমেলীয়া হৈ গ'ল। শেষত তেওঁৰ কামিজৰ কলাৰত ধৰি টনা-আজোৰা কৰাত মোৰ লগে লগে আহিবলৈ বাধ্য হ'ল। দুয়ো আলি উঠিলোঁ। তেওঁ কিন্তু পলাশ-বাৰী মুৱা হয়। মই লগ নেৰোঁ, শেষত জানিবা গুৱাহাটীমুৱা হৈ লাহে লাহে খোজ দিয়াই হ'ল। বাটত কিন্তু কি আচৰিত, বন্ধুৱে তলমূৰতকৈ ওপৰ মূৰ নকৰেই, কথাতো বাদেই। মই মাত্ৰ সুধি গৈছোঁ—কওকচোন বন্ধু আপোনাৰ কি হৈছে? তেওঁ নিমাত। মোৰ মনলৈ এতিয়া ধেমেলীয়া

ভাব বাঢ়ি আহিছে। যিবোৰ কুকাণ্ড কৰি পেলালোঁ তালৈ ভবা নাই। ৰস বাঢ়ি উঠিল বন্ধুক লগ পাই। মই সুধিলোঁ, "আপোনাবো বোধহয় সেই কবিজনৰ দৰে কিবা হৈছে নেকি, যিজনে বৰ বেয়া অৱস্থাত ধৰা পৰি কৈছিল—মই কবি ভাবৰ মানুহ কি ভাবি কি কৰিলোঁ কব নোৱাৰোঁ।" এনে কিবা এটা পুৰণি কথা আগেয়ে কেতিয়াবা সোধাত তেওঁ বৰ বেয়া পাইছিল, আজিও তেওঁৰ মাত উলিয়াবলৈ তাকে দোহাৰিলোঁ। ফল ফলিলে। তেওঁ আগৰ দৰেই কৈ উঠিল—"আপুনি মিছা মিছি লোকৰ বদনামবোৰ কিয় কয়?" মই ক'লোঁ—"লোকৰ কথা নকওঁ বাৰু, আপোনাৰ কথা কওক।" তেওঁ একো নকয়। এনেকৈয়ে কিছু বাট অহাৰ পাচত হোষ্টেলৰ এজাক ল'ৰাই আমাক বিচাৰি আহিছিল। ঠিক তেওঁলোকৰ আগত পৰি গ'লোঁ। ৰেল আলিৰ অলপ পশ্চিমৰ ফালে। সকলোৱে হুৰ্ হুৰ্ কৈ খেদি আহি দুয়োকে যাক বোলে "ঘেৰ-ডালো" কৰি পেলালে। কোনোৱে কোনোৱে কব ধৰিলে, ঠিক্ ঠিক্, পিয়াৰী চৌধুৰীয়ে ঠিক কৈছিল। তেওঁৰ কথাই সঁচা। এইবাৰ তেওঁ চাহ খুৱাব লাগিব আমাৰ পাৰ্টিটোক। ইত্যাদি। ইত্যাদি। পাচত জানিছিলোঁ মোক বিচাৰি দিলে দাদাই চাহ খুৱাবৰ প্ৰতিজ্ঞা কৰিছিল। পিয়াৰী চৌধুৰীয়ে বিচাৰি যোৱা বোৰক দিহা দিছিল; যে মোক পলাশবাৰী, আজাৰা আৰু ৰাণীৰ পাহাৰৰ ওচৰতে কৰবাত পোৱা যাব। মই আন কলৈকো যোৱা নাই। ক'তো আত্মহত্যাও কৰা নাই। তেওঁলোকৰ কথাৰপৰাই শুনিলোঁ কলেজৰপৰা ঘৰলৈ জৰুৰী টেলিগ্ৰাম গৈছে। হোষ্টেল চুপাৰিণ্টেণ্ডেণ্ট হৰ্ষ বাবুৰ ভয়ত মুখ শুকাই টেঙী যেন হৈ গৈছে, নানা কল্পনা-জল্পনা হৈ গৈছে। পিছে বন্ধু ডিম্বেশ্বৰ নেওগৰ অন্তৰ্ধানে ব্যাপাৰটো আনৰ মনত ৰহস্যজনক কৰি তুলিলেও পিয়াৰী চৌধুৰী আৰু চন্দ্ৰ সন্দিকৈৰ মনত সহজ কৰি তুলিছিল। তেওঁলোকৰ মতে আমি দুয়ো কিবা মতলব কৰি পলাইছিলোঁ। আমি দুয়ো বদমাচ, মোক ধৰিব পাৰি-লেও নেওগক ধৰিব নোৱাৰি। সেইটো নিবুকা চামোন।

যি হওক হোষ্টেললৈ আমাক অনা হ'ল ২নং ব্লকৰ বাটেদি। সকলোৱে হৈ চৈ কৰি ওলাই চালে। আহি আহি একে বেলিয়ে ৫নং ব্লকৰ ভিতৰ ফালৰ বাৰাণ্ডাত হাজিৰ কৰিলে। পিয়াৰী, ৰুদ্ৰ বৰুৱা, চন্দ্ৰ সন্দিকৈ আদি ওলাই আহিল। পিয়াৰীৰ ক্ৰোধমূৰ্তি সেইদিনা দেখিলোঁ। এনে শান্ত আৰু মিঠা প্ৰকৃতি, অথচ মোক দেখি আগৰ দৰে ক'ত 'ভায়া', 'তুমি তুমা' আদি সম্বোধন কৰিব, নহয়—হুকুম কৰিলে, "ৰুদ্ৰ বেত আনা, ইয়াক আজি বেতাম। মানুহক এনেকৈ জলাব পাৰে।" সঁচাকৈ ৰুদ্ৰ

মিতিৰে তেওঁৰ পাখৰী বেতডাল উলিয়াই আনিলে। বেত ডালৰ অলপ ইতিহাস আছে। ওচৰৰে টেলিগ্ৰাফ অফিচৰ ফিৰিঙ্গী চাহাবৰ এটা কুকুৰে নিতৌ আহি আমাৰ লগত চাহ আৰু ৰুটি খায়হি। এডাল মাৰি মুখৰ আগত ধৰিলে কামুৰি ধৰে আৰু এৰ নুবুলিলে নেৰে। তাকে দেখি মিতিৰে কৰবাৰপৰা সেই বেতডাল আনিছিল, আমি ফুৰিবলৈ গ'লে কুকুৰটোৰ মুখত বেতডাল দি লৈ গৈছিলোঁ। সি আমাৰ লগে লগে যায় আৰু গধূলি আহি বেতডাল সোধাই দিহে ৰাতিটোলৈ ঘৰলৈ যায়। সেই বেতডাল লৈ পিয়াৰী চৌধুৰীয়ে মোক খপ্‌কৰে এহাতে ধৰি লৈ চটপ্ চটপ্ কৰি টিকাত কোবাব ধৰিলে। গাত মোৰ যথেষ্ট বল আৰু কৌশলো আছিল, কিন্তু সেই আপদ কালত সকলো লুকাল, মই কষ্টেৰে সকলো সহিলোঁ। চন্দ্ৰ সন্দিকৈ, ইন্দ্ৰ বৰঠাকুৰ দুয়ো আহি মোক ধৰি সন্দিকৈৰ ৰুমলৈ লৈ গ'ল। পিয়াৰী ভায়াই গুজৰি গুমৰি গৈ মোৰ ধুতি আৰু গামোচা আনি দি কঠোৰ মাতেৰে ক'লে—"যা এতিয়া, গা ধুই আহগৈ।" মই বিনা বাক্য ব্যয়ে কলৰ গুৰিলৈ গ'লোঁ।

ইফালে নেওগৰ অৱস্থা শোক লগা। তেওঁ আহিয়েই বেৰৰ মুৱাকৈ বিছনাত পৰি আছে। কাকো মাতাতেও, নলৰেও। কেবাজনেও বিছনাত বহি কথা সুধিছে। এজনে মূৰৰ ফালে বিচিছিলো নেকি? তেওঁৰ ৰুমমেট কেশবানন্দ ভট্টাচাৰ্য্য এফালে কি কৰিব কি নকৰিব ভাবি থিয় দি আছে। সকলোৰে মনৰ ভাব, নেওগে মনত কৰবাত বৰ আঘাত পাইছে। সামান্যভাৱে হ'লেও তেওঁৰ মনত যেন একো বেদনা নহয় তাৰ বাবে সকলো সাৱধান। মই গা ধুই আহি দেখোঁ চন্দ্ৰ সন্দিকৈৰ কোঠাত ষ্টোভে গজিব লাগিছে, দোকানৰপৰা কেক আহি পাইছে। সন্দিকৈ দুৱাৰত থিয় হৈ আছে, চকুৰে-মুখে হাঁহি যেন বগা পৰি বিৰিঙি উঠিছে। মোক ভিতৰলৈ মাতি নিলে, নেওগক আনিবলৈও তেওঁৰ ৰুমত সোমাল গৈ, অগত্যা নেওগ আহিল। সন্দিকৈৰ অনুৰোধ এৰাব নোৱা-ৰিলে। জলপানটো মৃদু মধুৰেই হ'ল। আমি এই কবি টিলিকাবোৰলৈ সন্দিকৈৰ বৰ মৰম আছিল। কিবা ভাল বস্তু আনিলে, আনকি দয়া-মালীয়ে পগাই তোলা মিঠা ঘোটা পৰ্য্যন্ত মোক নিদিয়াকৈ নাখাইছিল। বন্ধু নেওগে কিন্তু সেইবোৰ সাতসুৰাৰ এবিধো মুখত দি দেহাটো চুৱা নকৰিছিল।

ৰাতিলৈ চুপাৰ হৰ্ষ বাবু আহি মোক বুজালে, মই এনেকুৱা কামটো কৰিব নালাগিছিল, মোৰ বাবে তেওঁৰ হোষ্টেলৰ দুৰ্নাম হৈছে। চিন্তাত তেওঁৰ ঘুমটি অহা নাছিল। ইত্যাদি। (ঘৰত তেওঁৰ দ্বিতীয় পক্ষ)

নেওগৰ তালৈ তেওঁ নগ'ল, কাৰণ নেওগে তেতিয়া মানে মুখত হোৱাই নোহোৱাই চাৰিটা গুজি শুই আছিল—মহৰী পেলাই।

আলোচনা হ'ল আমি পলাইছিলোঁ কিয় ? মই উলিয়াই দিলোঁ, কেইদিনমান আগতে হৰ্ষ বাবুই মোক নোটিচ দিছিল নিয়মিতভাৱে মেছৰ টকা (তেতিয়া ১০৲ নে ১১৲ টকা—চুদমাৰ্চন চাহাবৰ হুকুম মতে ইয়াৰ বেচি কেতিয়াও হব নোৱাৰিছিল।) নিদিলে হোষ্টেলৰপৰা খেদি দিয়া হব, আৰু হোষ্টেলৰপৰা খেদা মানে কলেজৰপৰাও খেদা। এই নোটিচ পাই মনৰ দুখতে মই গুচি গৈ এঘৰ আত্মীয়ৰ ঘৰত আছিলোঁগৈ। উদ্দেশ্য টকা সংগ্ৰহ কৰাই। কিন্তু নেওগে নক'লে যে একোকে নক'লে। সন্দিকৈয়ে আপোচতে ক'লে, নেওগে তেওঁৰ ৰুমমেট কেশবানন্দ ভট্টাচাৰ্য্যক কিবা সুধিছিল আগদিনা, কিন্তু তেওঁ হেনো উত্তৰ নিদিয়াকৈ মুখ ওন্দোলাই বহি থাকিল। তাতে মনত আঘাত পাই পিচদিনা পুৱা, বন্ধুৱে কাকো একো নোকোৱাকৈ গুচি আহিল। কবি মানুহ, অলপতে সুখ পায়, অলপতে দুখো পায়।

কিন্তু নেওগে যে কিয় সেইদিনা এনেকুৱা বিবাগী হৈ গুচি গৈছিল সেইটো মোৰ মনত এটা ভাঙিব নোৱাৰা সাঁথৰ হৈয়ে ৰৈছে। পিচতো মই মাজে মাজে দুই-এবাৰ সিদিনাৰ কথা উলিয়ালে তেওঁ মাত্ৰ উত্তৰ দিছিল—"একো নহয়, গৈছিলোঁ এনেয়ে।"

সেইদিনা তেওঁ পুৱাই হোষ্টেল এৰিছে, ভাটি বেলাহে মই মালিগাঁৱৰপৰা কিছু পশ্চিমে লগ পালোঁ। দিনটো সম্ভৱতঃ তেওঁ পাণ্ডুৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ পাৰত কৰবাত বহি আছিলগৈ। মোৰ এই অনুমানৰ ওপৰত তেওঁক প্ৰশ্ন কৰাত তেওঁ মাত্ৰ নিমাতে থাকিয়েই মোৰ কথাৰ উত্তৰ দিছিল।

ইয়াৰ পাচত মই বছৰেকীয়া পৰীক্ষা নিদিয়াকৈয়ে কলিকতাৰ কলেজত নাম লগালোঁগৈ। বন্ধুৰ লগত আৰু দেখা-শুনা বা পত্ৰালাপ পৰ্য্যন্তও নহ'ল। মাত্ৰ এবাৰ তেওঁৰ 'ধুপিতৰা' নে কি কবিতাৰ কিতাপ মোলৈ উপহাৰস্বৰূপে পঠোৱা পালোঁ। ভিতৰত লিখিছিল—"তাহানিখনৰ কবি লগৰীয়া" ইত্যাদি ইত্যাদিলৈ। কলিকতাত গৈ পৰিলোঁ পুৰণি লগৰীয়া মুনিকান্ত বৰকটকী, বাবুলা ফুকন, আজিজুল হুচেন, বঙালী জয়গোপাল ঘোষ, মাৰাঠাৰ গঙ্গাধৰ দেও, মাদ্ৰাজৰ কে-টি বাহালান, কেৰলাৰ কে, জৰ্জ, মান দেশৰ মং আম্পি, মং ঠাণ্ট, অন্ধ্ৰৰ মধুসূদন ৰাজাগোপাল আচাৰিয়া, নগাৰ কে-বি চুচা আঙ্গামি, খাচিয়াৰ হোমেণ্ডেল, উত্তৰ প্ৰদেশৰ ৰামচৰণ দোবে, আদি নানা তৰহৰ ছাত্ৰৰ মাজত। তদুপৰি কেইজনমান বঙালী মানুহৰ মাজত পৰিলোঁ যাৰ কথা ইয়াত অপ্ৰাসঙ্গিক হব। মই প্ৰায় হেৰাই গ'লোঁ, নেওগো হেৰাই গ'ল। জীয়াই থাকিলোঁ মাত্ৰ তেজপুৰৰ বাণ থিয়েটাৰৰ মাজত।

কলিকতাৰ পৰ্ব শেষ কৰি গুৱাহাটীৰ ল কলেজত পঢ়াৰ সময়ত তেওঁ চাকৰিত সোমাইছে, লগ পোৱা নহ'ল। ১৯৩৭ চনত গুৱাহাটীত অসম সাহিত্য সভাৰ অধিবেশন হয়। শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ সভাপতি। ময়ো নামত বৰপেটাৰ ডেলিগেট্ হৈ আছোঁ। কিন্তু বিষয় বাছনি সভাতো মই থকা নাই। পাচত শুনিলোঁ সাহিত্য সভা পত্ৰিকাত সেই পত্ৰিকাৰে সম্পাদক চন্দ্ৰধৰ বৰুৱাই লিখা প্ৰবন্ধ এটা লৈ ভীষণ বাক্-বিতণ্ডা হৈ গৈছে। তেখেতে হেনো শঙ্কৰদেৱক তান্ত্ৰিক বুলিছে। তাৰ বাবে চন্দ্ৰধৰ বৰুৱাক গৰিহণা দিব লাগে আৰু পত্ৰিকাৰপৰা প্ৰবন্ধটো উঠাই লব লাগে। নেওগ, প্ৰাণগোপাল দাস, মোহনলাল চৌধুৰী আদিয়ে সেই তৰ্কত আগভাগ লৈ বৰ হুলস্থূল কৰিছে, কিন্তু একোতে একো নহ'ল। প্ৰাণগোপাল দাসে মোক ক'লে কথাটো। মোৰ গাত চিৰিংকৈ লাগি গ'ল। নেওগক লগ ধৰিলোঁ, তেওঁ বোধহয় তেতিয়া চাকৰিত সোমাইছিল, আগতে কৈছোঁ। যি হওক প্ৰবন্ধটো দুয়ো পঢ়িলোঁ, প্ৰতিপক্ষৰ যুক্তিবিলাক শুনিলোঁ ; ঠিক হ'ল মুকলি সভাত এই বিষয়টো তুলিব লাগিব। বন্ধুৱে যুক্তি-তৰ্কৰ কথাতকৈ মাত্ৰ বাৰে বাৰে কয়—"উঃ ! শঙ্কৰদেৱক তান্ত্ৰিক বোলে ! কি বিষম সাহ !" খঙত তেওঁ ৰঙা পৰি উঠে। সম্ভৱতঃ এই আন্তৰিক আবেগৰ কাৰণে পিচলৈ তেওঁ শাস্ত্ৰীয় সামাজিক ক্ৰিয়াকৰ্মৰ প্ৰতি বিৰক্ত হৈ শুদ্ধ হৰিনামেৰে সকলো কৰ্ম সম্পাদন কৰা মতত বিশ্বাসী হৈ পৰিছিল। ময়ো কিন্তু সেই মতত আছিলোঁ নেকি ? কিন্তু তথাপি হিন্দুৰ ভিতৰত আৰু বেচি ভঙা-ছিঙা হব ভাবি আমাৰ ভিতৰুৱা সাম্প্ৰদায়িক ভাববোৰ দমাই দুয়োকূল যাতে বজাই থাকে তাৰ চেষ্টাতহে থাকিছিলোঁ। পিছে সেইবোৰ যি হওক, মুকলি সভাত বহু তৰ্কা-তৰ্কি কৰিও একো কৰিব নোৱাৰি থিৰ কৰিলোঁ—নাই, সাহিত্য সভাৰ এইবোৰত সোমাই কাম নাই, তেওঁলোকেই যি কৰে কৰি থাকক, কাজিয়া-পেচালৰ মাজত সোমাই সাহিত্য কৰিব নোৱাৰি। শঙ্কৰদেৱক বামুণে আজি তান্ত্ৰিক বুলি একো কৰিব নোৱাৰে। অতএব "হাতীকো চালাম, মাউতকো ৰাম ৰাম !" নেওগ কিন্তু সাহিত্য সভাৰ সম্পৰ্কত থাকি গ'ল, আৰু শেষলৈ আছিলো একনিষ্ঠভাৱে।

ইয়াৰ পাচত আৰু নেওগৰ লগত বহু বছৰ দেখা-দেখি আনকি খবৰা-খবৰো নোহোৱাকৈ গ'ল। মাজে মাজে মনত পৰে, কিন্তু সিমানতে। এদিন হঠাৎ যোৰহাটৰপৰা এখন অভিনৱ বিয়াৰ চিঠি পালোঁ। কাৰ্য্য ক্ৰমণিকাৰ ভিতৰত বহুতো সঙ্গীত সমাৰোহৰ ব্যৱস্থা। একো বুজিব

নোৱাৰিলোঁ, শেষত শ্ৰীৰামচন্দ্ৰ দাসে ভাঙি-পাতি কোৱাতহে কথাটো সহজ হ'ল। সাধাৰণতঃ হোৱাৰ দৰে হোম আদি কৰি বামুণ পুৰোহিতৰ হতুৱাই এই বিয়া বোলে নহয়, অসমীয়া মন্ত্ৰেৰে কাৰ্য্য সমাধা কৰা হয়। মই কিন্তু এনে বিয়া দেখা নাই। গতিকে ইয়াৰ সম্পৰ্কে ভালকৈ একো বুজিব নোৱাৰিলোঁ। ইতিমধ্যে তেওঁ গুৱাহাটীত আহি ঘৰ বন্ধা বুলিও শুনিলোঁ, কিন্তু দেখা হ'লে নহ'ল। তেওঁৰ নতুন ঘৰ ক'ত কাৰোপৰা একো সম্বিধান নাপালোঁ। বহুত দিন দেখা-শুনা নাই। লগ পাবৰ বৰ মন, কিন্তু পাওঁ ক'ত? এনেতে শঙ্কৰদেৱৰ তিথিত শুনিলোঁ বৰপেটালৈ তেৱেঁই সভাপতি হৈ আহিছে। এজন মানুহৰ মুখে শুনিলোঁ তেওঁ মোক লগ পাব খুজিছে, কিন্তু কাৰ্য্যক্ৰমণিকা এনে জটিল হৈছে যে লগ পোৱা মস্কিল। ইবেলা সুন্দৰীদিয়া, সিবেলা পাটবাউসী, গণককুছি ইত্যাদি। লগত ওলাব কিছুমান সভাপাতোতা উদ্যোগী ভক্ত। মোকো ক'লে লগত যাবৰ কাৰণে। ভাবিলোঁ, এনে বাজহুৱাভাৱে বন্ধুৰ লগ ধৰাতকৈ নধৰাই ভাল। মই তীৰ্থ চোৱা, ধৰ্মসভা আদি কাম বৰ ভয় কৰোঁ। গতিকে মই নোযোৱাটোকে ঠিক কৰিলোঁ—মনে মনে। নেওগ সভা শেষ হোৱাৰ পাচতে গুৱাহাটীলৈ গ'ল।

অলপ দিন পাচতে মই গুৱাহাটীলৈ গ'লোঁ। এইবাৰ দিশপুৰত (তেওঁ লিখে 'তিষপুৰ'। প্ৰাক্‌জ্যোতিষৰ অপভ্ৰংশ বুলি এই যুক্তি) বিচাৰি বিচাৰি, স্বস্তিকা অঁকা 'শুৱনী পঁজা' নামৰ ইটাৰ কিছু অংশ অসম্পূৰ্ণ ঘৰ এটাত ওলালোঁগৈ আবেলিকৈ। বন্ধু ওলাই আহিল, দেখি আচৰিত হ'ল। প্ৰাথমিক কথা-বতৰা সমাপন হোৱাত ওপৰলৈ গ'লোঁ, তাত তেওঁৰ নতুন অসমীয়া ভাষাৰ বুৰঞ্জীখনৰ কথা আৰু কামৰূপ প্ৰাকৃত ভাষাৰ কথাই প্ৰধানকৈ হ'ল। মই কথাটো পতিয়াবৰ বাধ্য হ'লোঁ। সাধাৰণতে মই সেইবোৰ আঁতি-গুৰি বিচৰাত নাথাকোঁ বুলিলেই হয়, কিন্তু তেওঁৰ এই আবিষ্কাৰে মোৰ মনত গভীৰ সাঁচ বহুৱালে। ল'ৰা-ছোৱালীৰ লগত চিনাকি কৰি দিলে, মোৰ কনিষ্ঠ মোহনলালৰ চিনাকিৰে, তেওঁ হেনো কেতিয়াবা আহিলে সিহঁতক বৰগীত শিকায়। মই অলপ দুখ পালোঁ, কাৰণ ইমান দিনলৈ দেখা-দেখি নোহোৱাকৈ আছিলোঁ। এটা কথা দেখি সঁচাকৈ মই ইমান অভিভূত হ'লোঁ যে কৈ শেষ কৰিব নোৱাৰোঁ। এটা সৰু কোঠালী যেন দেখি মই কাষৰৰপৰা সুধিলোঁ, "এইটো কিহৰ কোঠা?" তেওঁ ক'লে, "সেয়া তাতে ল'ৰা-ছোৱালীহঁতে গধূলি ধূপ-ধূনা দি অলপ নাম-কীৰ্তন কৰে। মই দুৱাৰ মুখলৈ আহি ভিতৰলৈ চাই পঠিয়ালোঁ। অভিভূত হ'লোঁ। বন্ধুৰ পৰলোকগত পৰিবাৰৰ এখন

সুন্দৰ সজীৱ চকুৰ এনলাৰ্জ ছবি। আগত ধূপ-ধূনা আদিৰ ব্যৱস্থা। এফালে বোধহয় কীৰ্তন পুথি এখন সজাই থোৱা, আগত বহিবৰ কঠ, চাৰি আদি অতি সুৰুচিসঙ্গতভাৱে পাতি থোৱা। চিলংবোডৰ মটৰৰ ঘৰ্ঘৰণি, গুৱাহাটীৰ অস্পষ্ট জন-কোলাহল, খোজ-কাঢ়ি যোৱা গাৰ ঘামৰ অস্বস্তি একমুহূৰ্ত্ততে যেন মই পাহৰি গ'লোঁ, সেই সৰু কুঠৰীটোৰ বতাহত যেন তাৰ জহৰ প্ৰভাৱ নাই, কেৱল অনন্ত শান্তি আৰু নিৰৱতা বিৰাজ কৰিছে। অলপ সময় স্তব্ধ হৈ থাকি লাহে লাহে গুচি আহিলোঁ—ভাবিলোঁ আন্তৰিকতাৰ য'ত এনে প্ৰকাশ আছে, তাতনো শ্ৰাদ্ধ শান্তিৰ ক্ৰিয়া কৰ্ম আৰু মন্ত্ৰৰ কি প্ৰয়োজন! মনলৈ আৰু ভাব হ'ল—

"এতাৱন্ত মূৰ্তিশূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন॥" বুলি পুথিত শব্দেৰে মন শুদ্ধ কৰিব কৈছে, ৰূপেৰে শুদ্ধ কৰিলে ক্ষতি কি? বহু সহজ বহু সৰল! লাগিলে সেই ৰূপ মানসেই হক বা স্থূলই হক! এনেবোৰ চিন্তা মনত উদয় হ'ল, সমাধান নাপালোঁ। বন্ধুৰ লগত আলোচনা নকৰিলোঁ এই ভাবি, যে তেওঁ হয়তো শঙ্কৰদেৱৰ মতত প্ৰতিমাৰ ঠাই নাই বুলিয়েই ভাবে নেকি? আন সময়ত হ'লে যুক্তি বা অযুক্তি লই তৰ্ক কৰাত আপত্তি নাছিল, কিন্তু তেতিয়া তেওঁৰ স্বৰ্গগতা প্ৰিয়তমাৰ সূত্ৰে সেই তৰ্কলৈ মযো নানামিলোঁ—তেওঁকো টানিবৰ প্ৰবৃত্তি নহ'ল। যদিবা অসন্তোষ পায়! সিদিনাৰ দেখা-শুনা সিমানতে অন্ত পৰিল।

ইতিমধ্যে নলবাৰীৰ সাহিত্য সভা হৈ গ'ল। বহুদিনৰপৰা মই অনুভৱ কৰি আহিছিলোঁ—যে বহু আয়োজন কৰি বিপুল পয়োভৰেৰে সভা পতা হয়—শেষত শুনো অভ্যৰ্থনা সমিতিৰ আতিথেয়তাৰ আঁসোৱাহ বা প্ৰশংসা আদিৰ হে কথা। সেই সভাই সাহিত্যিক সকলক নতুন প্ৰেৰণা দি সাধনাৰ বাটলৈ ক'ত আগুৱাই নিয়া বুলি শুনিম, কোনো কোনো লোকে মাছ, আঞ্জা, দৈ, প্ৰীতি সম্ভাষণ আদি বখানি বাতৰি কাকতত লিখা প্ৰবন্ধ পঢ়িহে ৰস পাওঁ। গতিকে সেইফালে যাবৰ নহ'ল। এদিন কিন্তু ফুট্ গধূলি চাৰ্চ ফিল্ডত তেওঁক লগ পালোঁ। সেইদিনা তাত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সঙ্ঘৰ সভা এখন হৈছিল, তেওঁ তাত অংশ গ্ৰহণ কৰিছিল নে নাই কব নোৱাৰিছিলোঁ, আৰু তেওঁৰ সেই সভাৰ লগত যোগাযোগ কিবা আছিল নে নাই তাকো নাজানিছিলোঁ। সেই সময়ত ৰামধনুত নে ক'তেই তেখেতে আজি কালি প্ৰচলিত বহু চালচলনক সমালোচনা কৰি এলানি প্ৰবন্ধ লিখিছিল। মই সেইবোৰ মন দি পঢ়ি চাইছিলোঁ, সেইবোৰ কথা তৎক্ষণাত মনত খেলাই গ'ল। মই তাৰে কথা উলিয়াই

ক'লোঁ যে বহুত নব্যলোকে সেইবোৰ ভাল পোৱা নাই। তেওঁ সুধিলে —"নব্যলোকে বেয়া পাব মই জানো, আপুনি কেনে পাইছে?" মই ক'লোঁ,—"মই ভাল পাইছোঁ—সকলো কথা খোলা-খুলি হব লাগে।" তেওঁ ক'লে, "আপুনি মই ভাল পাওঁ দেখি আন বহুতেতো বেয়া পাবই সেইটো মই জানো। কিন্তু সেই বুলি হক কথা লুকাই থব নোৱাৰি।" তাৰ পাচত ওলাল সাহিত্য সভাই এবছৰৰ ভিতৰত ওলোৱা নাটকৰ পুৰস্কাৰ দিয়াৰ কথালৈ। মই কৈছিলোঁ—কিতাপ কেইখন একেলগে পোৱাৰ অসুবিধা, গতিকে সাহিত্য সভাই পৰীক্ষকসকলক কিতাপ কেইখনৰ যোগান ধৰিব লাগে। তেওঁ কৈছিল সেইটো কৰিব পৰা হ'লে ভালেই আছিল, এতিয়া সময় মূৰামূৰি হৈছে গতিকে পৰীক্ষকে যেনেকৈ পাৰে পুথি যোগাৰ কৰি লোৱাই সুবিধা হব। বৰং কিতাপৰ নাম কেইটা পঠালেইচোন হব পাৰে। মই তাত মান্তি নহ'লোঁ। সেইবোৰ বেয়া ব্যৱস্থা বুলি ক'লোঁ। পিছে মেল পাতিবলৈ আন এদিন তেওঁৰ ঘৰলৈ যোৱাৰ কথা হ'ল। পাচত এদিন গৈছিলোঁ—কিন্তু তেওঁ ডিব্ৰুগড়লৈ যোৱা বুলি আৰু তাৰপৰা দিল্লীলৈ যাব বুলি সমিধান পালোঁ। কথা সিমানতে থাকিল।

ইয়াৰ পাচৰ মাৰ্চ মাহতেই নেকি গুৱাহাটীৰ পোনে পোনে উত্তৰ গুৱাহাটীৰ বালিত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সঙ্ঘৰদ্বাৰা আয়োজন কৰা বসন্ত সন্মিলন। অলপ কেইদিন মানৰ বাবে শিবিৰ পাতি আয়োজন কৰা হৈছে। তাতে গৈ গম পালোঁ সন্মিলনত অধিকাৰী নিয়োজিত হৈছে বন্ধু নেওগ। মই ভবা নাছিলোঁ তেওঁ যে এনেকুৱা এখন সাংস্কৃতিক সভাৰ সভ্য! মনত বৰ ভাল লাগিল। মোৰ ধাৰণা আছিল তেখেতে চৰ্কাৰৰ পেঞ্চনাৰ কবি-সাহিত্যিক, ৰাজনীতিত বিশেষভাৱে গল নিদিয়ে আৰু সম্ভৱতঃ সেই দলৰ লোক, যি সকলে এটা খোজ আগলৈ দি, তলে ওপৰে কেবাবাৰো ঘূৰি-পকি দৃষ্টি নিক্ষেপ কৰে, তেহে দ্বিতীয় খোজটো দিয়ে। কিন্তু আজি এই ব্যতিক্ৰম কিয়? তেনেহ'লে তেওঁৰ লগত মোৰ চিন্তাৰ বা প্ৰকৃতিৰ অমিল ক'ত? ইমান দিনে মই এটা প্ৰকৃতিগত অমিল বুলিয়েই ভাবি আছিলোঁ দেখোন! ১৯১৯ চনত মোৰ তেজপুৰৰ ছাত্ৰ সন্মিলনত পঢ়া 'শক্তি যাগ' নামৰ কবিতাটো পঢ়ি লক্ষ্মীধৰ শৰ্মাই এনে সিদ্ধান্ত এটাতেই উপনীত হৈছিল। এতিয়া ১৯৬৪ চনত বোধহয় তেনে আচৰিত ধৰণে সেই ব্ৰহ্মপুত্ৰৰ বালিত, যত বহুবাৰ অসমৰ সম্পৰ্কে মোগলসকলৰ ধাৰণা বদলি গৈছিল, মোৰো বদলি গ'ল। পূজনীয় গুৰুজী গোলৱাল কাৰজীৰ উপস্থিতিত সন্মিলনৰ শেষ দিনা সন্ধিয়া অধিকাৰীৰ আসনৰপৰা তেখেতে যি ভাষণ দিলে তাক আৰু পাহৰিব

নোৱাৰোঁ। সিদিনা বিশাল ব্ৰহ্মপুত্ৰৰ গম্ভীৰ গৰ্জনৰ গুৰুত্বপূৰ্ণ পৰিবেশৰ মাজত, নিস্তব্ধতা কম্পিত কৰি, তেখেতৰ অন্তৰৰ প্ৰিয়বাণী "ধৰ্মঃ হতো হন্তি, ধৰ্মো ৰক্ষতি ৰক্ষিতঃ" বাজি উঠিছিল অপূৰ্ব স্বৰত। সেই মন্ত্ৰৰ প্ৰভাৱে এনেকৈ আৰু কেতিয়াও মোক অভিভূত কৰা নাছিল। সিদিনা যেন মোৰ মনত এটা নতুন আলোকসম্পাত হ'ল।

সেইদিনা ৰাতিহে তেখেতৰ নলবাৰীৰ অভিভাষণখন আদ্যোপান্ত খৰচি মাৰি পঢ়ি শেষ কৰিলোঁ। প্ৰথমহে মুগ্ধ হ'লোঁ—'মা' আৰু 'আই' মাতৰ ব্যঞ্জনা লই কৰা আলোচনাটিৰ মৰ্মস্পৰ্শী কথাখিনি পঢ়ি। যদিও চন্দ্ৰকান্ত অভিধানত 'মা' শব্দটো সুমুৱা হৈছে, (এনেকুৱা আৰু কেবাটাও শব্দ অদ্ভুত ৰকমে সুমুৱা হৈছে) সেইটো অসমীয়াত গ্ৰাহ্য হব নোৱাৰে। অসমীয়াত পুৰণি পুথিত কতো 'মা' বুলি কথাষাৰ নাই। অতি পৌৰাণিক ব্যৱহাৰৰ মন্ত্ৰত মাথোন আছে 'মাৰ'—যেনে ৰক্ষা কৰা কামৰূপৰ কামাখ্যা মাৰ" আৰু আজিও বৰপেটাৰ ফালে সৰু ছোৱালীক আত্যন্তিক আদৰত 'মাৰ' বুলিহে কোৱা হয়। আৰু পুৰণি সভ্যতাক মোৰ বুলি থকা সকলে তেওঁলোকৰ প্ৰাণৰ মাত আই, মাই, বৌ আদিকে ব্যৱহাৰ কৰি আছে। মা বোলে সেইসকলে যি সকলে বাঙালীয়ানাৰ পলসত টেটুলৈকে পোত গৈ আছে। যি হওক পিচত যিমানে আগুৱাই যাওঁ সিমানে মোৰ লগত কথা আৰু ভাববিলাক মিলি যোৱা যেন পাব ধৰিলোঁ। অথচ ইমান দিনেনো মোৰ লগত তাৰতম্য থকা বুলি ভুল ধাৰণা আঁতৰিব নাপায়নে? তাৰতম্য যদি আছিলো সেইটো বোধহয় প্ৰকাশ ভঙ্গীত কিন্তু মূলত বোধহয় নাই। মই বিশেষভাৱে মুগ্ধ হ'লোঁ ৬৬ পৃষ্ঠাত লিখা "অসমীয়া জাতীয় সাধনাৰ তীব্ৰ প্ৰয়োজনীয়তা" নামৰ ভাগটোত। ইয়াত বৰ্ণিত বিপুল আশাবাদ সংস্কৃত শব্দৰ ভাব ঝঙ্কাৰৰ সহায় নোহোৱাকৈ, সহজ অসমীয়া শব্দেৰে তেজস্বী চিন্তাৰ প্ৰকাশ, গভীৰ আন্তৰিকতা আৰু গুৰু গম্ভীৰ ৰচনা ভঙ্গীয়ে সঁচাকৈ মোৰ তেজ উতলাই আনিলে। বোধহয় এক বেজবৰুৱাৰ বাহিৰে আনে এনে লিখা মই অসমীয়াত পঢ়ি পোৱা নাই। সেই নদী পৰ্বতৰ সংগম স্থলত, ভূমি শয্যাত, সিদিনা ৰাতিৰ নীৰৱতাৰ বাঙ্ময় প্ৰতিধ্বনিৰ মাজত সেই অধ্যায়টোৱে যে মোৰ মনত কি সম্পদ আনি দিছিল, তাক আৰু শব্দেৰে প্ৰকাশ কৰিব নোৱাৰোঁ। সিদিনা নিশা খোৱা-লোৱাৰ পাচত তেওঁ গুৱাহাটীলৈ গ'ল; পিচ দিনা মই যাত্ৰা কৰিলোঁ বৰপেটা অভিমুখে।

ঈশ্বৰৰ কি অভিপ্ৰায় কব নোৱাৰোঁ, সেই ৰজনীয়েই আমাৰ শেষ ৰজনী।

নেওগৰ সোঁৱৰণত : নেওগ মানুহজন আৰু লিখকজন

শ্ৰীপদ্মধৰ চলিহা

আশাগুধীয়া, আঁকোৰগোঁজ আৰু সাহিত্য-সাধক ডিম্বেশ্বৰ নেওগে তেওঁৰ জন্মস্থান কমাৰফদীয়া (শিৱসাগৰ নগৰৰ উপকণ্ঠত) নামৰ সৰু গাঁওখনি 'ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ' বুলি তেওঁ 'মোৰ গাঁও' কবিতাটিত ধুনীয়াকৈ বৰ্ণাইছে। কবিৰ মনেৰে বিশাল বিশ্বখন তেওঁৰ সেই গাঁওখনিতে হুবহুকৈ ৰূপায়িত হৈছে। নেওগৰ ভালেমান গদ্য আৰু পদ্যত এই বিশ্বজনীন অনুভূতি আৰু বিপুল আবেগৰ নিদৰ্শন জিলিকি আছে। নেওগ আছিল একেবাৰে বিজ্ঞানৰ অনুশীলক, কবি, দাৰ্শনিক, ধৰ্মালোচক, বুৰঞ্জী লিখক, সমালোচক, নাট্যকাৰ আৰু বিশিষ্ট শিক্ষাবিদ।

নেওগৰ লগত এই লিখকৰ প্ৰথম পৰিচয় ঘটে আজি প্ৰায় আঢ়েকুৰি বছৰৰ আগতে বিমলালয় সভা নামৰ শিৱসাগৰৰ এখনি সাংস্কৃতিক অনুষ্ঠানত। সেই সভা তাহানিৰ নামজলা বে-চৰকাৰী ইংৰাজী বিদ্যালয় ফুলেশ্বৰী ইঞ্চটিটিউচনত প্ৰতি দেওবাৰে ৰাতিপুৱা নিয়মিতৰূপে বহিছিল। তাত ধৰ্ম সংক্ৰান্ত আৰু আধ্যাত্মিক বিষয়ৰ সুগভীৰ আলোচনাৰ উপৰিও ভিন ভিন বিষয়ৰ প্ৰবন্ধ কবিতা আদি সাহিত্যানুৰাগী বয়সিয়াল আৰু চেমনীয়াসকলে পাঠ কৰিছিল। ৺ৰাধিকানাথ শৰ্মা, ৰাজেন্দ্ৰনাথ বৰুৱা, বেভৰেণ্ড ফক্স, ফিৰদৌছ আলি, ৺ভগৱতীপ্ৰসাদ বৰুৱা, ৺বিমলা কান্ত বৰুৱা, বন্ধুবৰ শ্ৰীত্ৰৈলোক্যেশ্বৰ ভূঞা, শ্ৰীবেণুধৰ শৰ্মা আৰু এই লিখকে তাত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ভূঞা আৰু লিখক আছিল সভাৰ যুটীয়া সম্পাদক। ৺নেওগ তেতিয়া শিৱসাগৰ চৰকাৰী স্কুলৰ ৭ম কি ৮ম মানৰ ছাত্ৰ। তিনি মাইল আঁতৰৰ কমাৰফদীয়া গাঁৱৰপৰা খোজ কাঢ়ি আহি নেওগে প্ৰতি দেওবাৰে সভাত যোগদান কৰেহি। লগত লৈ আহে একোটি স্বৰচিত কবিতা। অতি সন্তৰ্পণে কবিতাটি মোৰ হাতত দিয়েহি। চেমনীয়া নেওগৰ কবিতাটি চকু ফুৰাই

দিয়েই তেওঁৰ নিহিত শক্তি আৰু কবিত্ব প্ৰতিভাৰ স্পষ্ট আভাস পাই অন্তৰ উলাহেৰে ভৰপূৰ হয়। "কবিতাটি সুন্দৰ হৈছে, সভাত পাঠ কৰি শুনোৱা" বুলি ক'লে তেওঁ কয়—"চাৰ মই পাঠ কৰিবলৈ অসুবিধা পাওঁ।" মই তেতিয়া জানিব পাৰিলোঁ তেওঁ কথা কোৱাত অতি কষ্ট পায়, বৰ খোনা। গতিকে মই নিজে সভাত কবিতাটি পঢ়ি দিবলৈ গাত লওঁ। তেওঁক থিয় কৰাই থৈ মই কবিতাটি পঢ়ি শুনাওঁ। সকলোৱে মনোযোগ দি শুনি তৃপ্তি লভে। 'থুপিতৰা' শিতানত লিখা কবিতা এটিৰ তলৰ কথা ফাকিয়ে মোৰ লগতে সদৌটিৰে অন্তৰ সাঁচ বহুৱায়।

থুপিতৰা বাহে মিচিকি হাঁহিলে
মিচিকি হাঁহিলে জোনে ;
নিখিল ধৰণী মিচিকি হাঁহিলে
নেহাঁহি থাকিব কোনে ?

যথাসময়ত স্কুলীয়া জীৱন চৰকাৰী হাইস্কুলত শেষ কৰি নেওগ কটন কলেজত পঢ়িবলৈ গ'ল। কিন্তু ইমান সাহিত্যানুৰাগী কবিত্বসম্পন্ন ল'ৰাজনে আই-এচচি (বিজ্ঞান) শ্ৰেণীত ভুক্ত হবলৈ যোৱাত মই আচৰিত হৈছিলোঁ। তেওঁক এদিন লগ পাওঁতে মোক ক'লে—"মই কলা আৰু বিজ্ঞান দুয়োটাৰে সাধনা কৰিব খুজিছোঁ।" মই তথাস্তু বুলিলোঁ। কলেজীয়া জীৱনত তেওঁ ছাত্ৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ ধৰিলে। তেতিয়ালৈকে অসমৰ একমাত্ৰ জাতীয় ছাত্ৰানুষ্ঠান আছিল 'অসম ছাত্ৰ সন্মিলন'। যি অনুষ্ঠানৰ প্ৰাণ প্ৰতিষ্ঠা হৈছিল ১৯১৭ চনত গুৱাহাটী নগৰত, যাৰ পতাকাৰ তলত জাতি, দল, সম্প্ৰদায় নিৰ্বিশেষে অসমৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে গৰ্বভৰে থিয় দিছিল। নেওগৰ দিনৰ অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন'ৰ সম্পাদনা তেওঁ অতি সুচাৰুৰূপে কৰি, সেইখন এখন লেখত লবলগীয়া কাকতত পৰিণত কৰিলে। তদুপৰি, শুৱলা ভাবৰ, সুমধুৰ ছন্দৰ ভিন ভিন বিষয়ৰ কবিতা লিখি উদীয়মান কবি হিচাবে সুখ্যাতি লাভ কৰিলে।

তেওঁ বিহুগীতৰ সঙ্কলন 'আকুল পথিক' প্ৰকাশ কৰিলে। ক্ৰমে 'ইন্দ্ৰধনু', 'থুপিতৰা', অসমা', 'কামৰূপ' আদি পুথিয়ে ৰাইজৰ সমাদৰ লভিলে। এই লিখকলৈ মাজে সময়ে চিঠি-পত্ৰ দি থাকে। যিমান পাৰোঁ উদগনি দিওঁ।

নেওগ বি.এচ. চি. পৰীক্ষাত উত্তীৰ্ণ হৈ চৰকাৰী হাইস্কুলৰ শিক্ষক পদত নিযুক্তি পালে। কিন্তু বৰ আহুকাল পালে তেওঁৰ জন্মগত খোনা

স্বভাৱৰ কাৰণে। তেওঁ কিন্তু দৃঢ় প্ৰতিজ্ঞা কৰিলে এই আঁসোৱাহৰপৰা মুক্ত হ'বলৈ। বিশেষজ্ঞসকলৰ পৰামৰ্শমতে মুখত শিলগুটি লৈ আৰু বিবিধ উপায় অৱলম্বন কৰিবলৈ ধৰিলে। তেওঁৰ মনোবল ইমান বেচি আছিল যে তেওঁৰ বাকশক্তি ক্ৰমে উন্নত হ'বলৈ ধৰিলে। পাচত সভা-সমিতিতো তেওঁ অনায়াসে বক্তৃতা দিব পৰা হ'লগৈ। শিক্ষকতা কৰোঁতে ছাত্ৰসকলে তেওঁৰ ব্যক্তিত্ব আৰু পাণ্ডিত্যত মুগ্ধ হৈ কোনেও তেওঁক অৱজ্ঞা বা ইতিকিং কৰিবলৈ সাহ নকৰিলে। ছাত্ৰসমাজৰ তেওঁ অতি প্ৰীতি-ভাজন হ'ল আৰু ডেকা তৰপৰ অবিসম্বাদী নেতৃত্বৰ স্থান লভিলে। ডিব্ৰুগড়, উত্তৰ লক্ষীমপুৰ, গুৱাহাটী আদি নানান ঠাইত সুচাৰুৰূপে শিক্ষকতা কৰি, যোৰহাটত শিক্ষকতা কৰোঁতেই নগৰৰ তৰাজান অঞ্চলত মাটি কিনি লৈ আটোম-টোকাৰিকৈ পকীঘৰ সজাই তাতে বাস কৰিবলৈ স্থিৰ কৰিলে। তেওঁৰ পৰিবাৰ স্থলিখিকা ৺আজলীতৰা নেওগৰ (প্ৰবীণ সাহিত্যিক ৺বেণুধৰ ৰাজখোৱাৰ জীয়েক) ঘৰত মতা নাম আছিল শুৱনী। গতিকে নেওগৰ ঘৰটোৰ নামকৰণ কৰিলে 'শুৱনী' বুলি। যোৰহাটলৈ কেতিয়াবা গ'লেই নেওগৰ ঘৰত তেওঁক যেনেতেনেকৈ লগ নধৰাকৈ নাহোঁ। তেওঁ আৰু তেওঁৰ পৰিবাৰে (যি সম্বন্ধত মোৰ মোমাইৰ জী-ভনী আছিল) অতি আন্তৰিকতাৰে সোধ-পোচ কৰি আপ্যায়িত কৰিছিল। নেওগে অসমীয়া সাহিত্যৰ ভিন ভিন দিশৰ বিষয়ে এই লিখকৰ লগত আলোচনা কৰে আৰু তেওঁৰ হাতে লিখা অৱস্থাত থকা প্ৰবন্ধ গ্ৰন্থ আদি লিখকক দেখুৱায়। লিখকেও সাধ্য অনুসৰি দিহা পৰামৰ্শ আৰু উদগনি দিয়াত তেওঁ অতি সন্তৰ্পণে গ্ৰহণ কৰে। নেওগৰ ঘৰুৱা পুথি-ভঁৰালটি আছিল এটি প্ৰধান আকৰ্ষণ। ভাষাতত্ত্ব, সাহিত্য, আলোচনা, বিজ্ঞান, বুৰঞ্জী আদিৰ বাছক-বনীয়া ভিন ভিন গ্ৰন্থই পুথি-ভঁৰালটিৰ জেউতি চৰাইছিল। নেওগে সুন্দৰকৈ বুজিছিল যে, সুগভীৰ আৰু বিপুল অধ্যয়নৰ অবিহনে সাহিত্যৰ প্ৰকৃত সাধনা আৰু অনুশীলন কৰা দুৰুহ কাৰ্য্য।

আধুনিক যুগত অসমীয়া সাহিত্যৰ বুৰঞ্জী পোন প্ৰথম লিখিবলৈ হাতত লয় সুহৃদবৰ ৺দেৱেন্দ্ৰনাথ বেজবৰুৱাদেৱে। তেতিয়া কলিকতাৰ ৪৩ আৰ্মহাষ্ট ষ্ট্ৰীটৰ আসাম মেছত তেওঁ আৰু মই একেলগে আছিলোঁ। তেওঁৰ পৰিকল্পিত বুৰঞ্জীখনৰ বিষয়ে আমাৰ লগত সততে আলোচনা কৰিছিল। অৱশ্যে তেওঁ বিশেষকৈ সাহিত্যৰথী বেজবৰুৱাৰ অসমীয়া ভাষা আৰু সাহিত্য বিষয়ক তাহানিৰ 'বাঁহী'ত প্ৰকাশিত প্ৰবন্ধাৱলীৰ গাত ভেজা দি আৰু কিছু তথ্য সংগ্ৰহ কৰি বুৰঞ্জীখন লিখিলে। তত্ৰাচ প্ৰথম প্ৰচেষ্টা হিচাবে সেইখনেই যথেষ্ট সমাদৰ পালে আৰু অসমীয়া

সাহিত্যৰ এটা ডাঙৰ অভাৱ পূৰণ কৰিলে। তাৰ পাচত নেওগে অধিক বাহুল্যকৈ আৰু বৈজ্ঞানিক পদ্ধতিৰে লিখিবলৈ লোৱাত আমি তেওঁৰ উদ্যমক নথৈ প্ৰশংসা কৰিলোঁ। নেওগৰ কিছুমান মূল্যাঙ্কন আৰু সমালোচনাত মতানৈক্য থাকিলেও আৰু নিৰপেক্ষতাৰ অলপ নাটনি পৰিলক্ষিত হ'লেও তেওঁৰ অসীম অধ্যৱসায়, বিপুল অধ্যয়ন আৰু সূক্ষ্ম বিশ্লেষণ শক্তি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। অসমীয়া বুৰঞ্জীখনৰ সৰু আৰু ডাঙৰ দুটা সংস্কৰণ লিখি প্ৰকাশ কৰাৰ উপৰিও ইংৰাজী সংস্কৰণ এটিও উলিয়াই ভাষাবিদ ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায় প্ৰমুখ্যে দেশী আৰু বিদেশী ভালেমান মনীষীৰপৰা উচ্চ প্ৰশংসামূলক অভিমত আৰু বিপুল যশস্যা অৰ্জন কৰিছিল।

নেওগৰ জীৱন কালত সততেই এই লিখকৰ লগত 'সাহিত্যিক যোগা-যোগ' স্থাপন কৰিছিল। অসম সাহিত্য সভাৰ তিনিচুকীয়া অধিৱেশনৰ সভাপতিস্বৰূপে পাঠ কৰা লিখকৰ অভিভাষণখনিৰ বিষয়েও সূক্ষ্ম বিশ্লেষণমূলক অভিমত প্ৰকাশ কৰিছিল। আজি প্ৰায় ৮।৯ বছৰৰ আগ-তেই প্ৰকাশিত লিখকৰ 'অসমীয়া সাহিত্য আৰু ৰংপুৰৰ বৰঙণি' নামৰ পুথিখনৰ সাৰগৰ্ভ 'আগকথা' লিখি পুথিখনিৰ সৌষ্ঠৱ বঢ়াইছিল। অৱশ্যে কোনো কোনো ক্ষেত্ৰত 'আঁকোৰগোঁজ' নেওগৰ লগত মতানৈক্য বা বিৰোধ নঘটা নাছিল। তেওঁ মানুহক খোঁচা নমৰাকৈ লিখিব নোৱাৰাৰ কথা মাজে সময়ে উনুকিয়াইছিলোঁ। কিন্তু তাৰপৰা আমাৰ ব্যক্তিগত সম্বন্ধত কোনো ব্যতিক্ৰম নহৈছিল। তেওঁ মোক অগ্ৰজৰ দৰে বিবেচনা কৰিছিল।

লক্ষ্মী আৰু সৰস্বতীৰ চিৰকাল বিবাদ চলি থকাৰ কথা সকলোৱে কয়। কিন্তু অসমৰ জনদিয়েক কবি সাহিত্যিকে দুয়োগৰাকী দেৱীৰ সমানে কৃপা লাভ কৰাও দেখিবলৈ পাইছোঁ। ৺নেওগেও দুয়োগৰাকীৰ কৰুণা লভিবলৈ যত্নৰ ত্ৰুটী কৰা নাছিল। যোৰহাটৰ তৰাজানত কেইবা-টাও পকীঘৰ সজোৱাৰ বাহিৰেও জীৱনৰ বিয়লি বেলাত গুৱাহাটীৰ উপ-কণ্ঠ দিশপুৰত মাটি কিনি আটোম-টোকাৰিকৈ বাসগৃহ সাজিছিল। সংসাৰী আৰু সাহিত্যিক জীৱনত নেওগে যত্ন সহকাৰে খুব মিতব্যয়িতা অৱলম্বন কৰিছিল। কাৰোবালৈ চিঠি দিলেও পোষ্ট কাৰ্ডতহে দিয়ে আৰু কাৰ্ডটোৰ চুকে কোণে একো বাদ নিদিয়ে। প্ৰবন্ধাদিৰ পাণ্ডুলিপি 'কেলেণ্ডাৰ' আদিৰ খালী পিঠিত ঠাহ খুৱাই লিখিবলৈ ভাল পাইছিল। তেওঁৰ ৰচিত পুথিবোৰ বন্ধু-বান্ধৱ, আত্মীয়-স্বজনক উপহাৰ দিয়াটো তেওঁৰ নীতি বিৰুদ্ধ আছিল। তেওঁৰ মতে গাঁঠিৰ ধন ভাঙি পুথি ছপাই সকলোকে উপহাৰ দিলে ছপা খৰচটোকে উলিওৱা সুকঠিন।

নেওগৰ অতি চেনেহৰ সহধৰ্মিণী সুখ-দুখৰ লগৰী আজলী তৰা নেওগৰ অকাল মৃত্যুৱে কবি নেওগৰ সূক্ষ্ম অনুভূতিত দাৰুণ আঘাত দিলে। ভালেমান দিনলৈকে তেওঁ চুলি নকটাই, ডাড়ি নুখুৰাই, সন্ন্যাসী—সংসাৰ বিৰাগী ব'ৰাগীৰ দৰে ঘূৰি পকি ফুৰিছিল। আজলীৰ স্মৃতি ৰক্ষাৰ্থে তৰাজানত তেওঁৰ বাৰীত এটি সৰু ধুনীয়া ঘৰ সজাই তাত প্ৰতি বছৰে এটি অনুষ্টুপীয়া অথচ গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানেৰে প্ৰিয়তমাৰ স্মৃতি তৰ্পণ কৰিছিল। তাত যোগ দিয়াৰ সৌভাগ্য এই লিখকৰো ঘটিছিল।

আজলীৰ সোঁৱৰণত এটি দাৰ্শনিক তথ্যপূৰ্ণ আবেগময়ী কবিতা নেওগে অসমীয়া সাহিত্যৰ বেদীত অৰ্পণ কৰি গৈছে। ইন্দ্ৰধনু, অসম, কামৰূপ আদি কাব্যগ্ৰন্থত আৰু ভিন্ ভিন্ আলোচনীত সিঁচৰিত হৈ থকা ভালেমান পদ্য, গদ্য, ৰচনাত নেওগৰ বহুমুখী প্ৰতিভা সুগভীৰ আধ্যাত্মিকতা, জলন্ত স্বদেশ প্ৰেমৰ চিন সুন্দৰকৈ জিলিকি আছে।

শঙ্কৰী সাহিত্য আৰু সংস্কৃতিৰ প্ৰকৃত মূল্যাঙ্কন আৰু বহুল প্ৰচাৰৰ কাৰণেও নেওগে কেবছৰমান সম্পাদক হৈ থকা কালত সভাখনিৰ সুসংগঠনৰ কাৰণেও যত্নৰ ক্ৰুটী কৰা নাছিল।

দোষে গুণেই মানুহ। মুনীনাঞ্চ মতিভ্ৰমঃ। আমি ৰাজহংসৰ দৰে নীৰ এৰি ক্ষীৰ, দোষ এৰি গুণ আৰু অসৎ এৰি সৎ গ্ৰহণ কৰি গুণ-গ্ৰাহিতা আৰু উদাৰতাৰ পৰিচয় দিয়াটোহে আমাৰ ঘাই কৰ্তব্য। নেওগৰ মৰণ বাতৰি মোৰ কাৰণে বিনামেঘে বজ্ৰপাত হ'ল। বৰবাৰীৰপৰা শিৱসাগৰেদি গুৱাহাটীলৈ মৃত দেহটো নিওঁতে শেষদৰ্শন লভাৰপৰাও বঞ্চিত হ'লোঁ।

নেওগৰ স্মৃতি এই লিখকৰ কাৰণে অতি মধুৰ অথচ আজি অতি কৰুণ। নেওগক অকালতে আৰু একপ্ৰকাৰ আকস্মিকভাৱে হেৰুৱাই অসমীয়া সাহিত্য আৰু অসমী আই সঁচাকৈয়ে দুখীয়া হ'ল। জাতীয় জীৱনৰ এই সন্ধিক্ষণত আগ্নেয়গিৰি ৰায়চৌধুৰী, সাহিত্যব্ৰতী নেওগ আদিৰ অভাৱত আমি সচাকৈয়ে দুৰ্ভগীয়া। "মৰে অসম জীয়ে কোন, জীয়ে অসম, মৰে কোন" বুলি সাহিত্য সভাৰ নলবাৰী অধিবেশনত উদাত্ত স্বৰে শুনোৱা নেওগৰ পৱিত্ৰ আত্মাই সৰগৰপৰা অসমীয়া জাতিক অসীম শক্তি আৰু অশেষ প্ৰেৰণা দিয়ক।

৺নেওগৰ লগত মোৰ জীৱনৰ এখিলা পাত

শ্ৰীদৈৱচন্দ্ৰ তালুকদাৰ

১৯২০ খৃষ্টাব্দ। গুৱাহাটীৰ কলেজিয়েট স্কুলৰপৰা বৃত্তি পাই স্কুলীয়া সৰু সংসাৰখনৰপৰা ডেও দি পাৰ হৈ কলেজৰ বহল সংসাৰৰ দুৱাৰডলি পাইছোঁহি। অসমৰ নানা ঠাইৰ বহুতো লগৰীয়া পাই স্কুলীয়া ঠেক মনোভাব এৰি বহল পথাৰত আমি গোটগৰু আটায়ে মিলিছোঁ। গোট-গৰু কোৱাৰ কাৰণ,—মোৰ বিশ্বাস এই শিক্ষাই আমাক মানুহৰ শাৰীলৈ নুতুলি কিম্ভূত কিমাকাৰ জন্তুহে গঢ়ে—যি জন্তুৰ মুখ আছে, পেট আছে কিন্তু আহাৰ যোগানৰ কাম কৰিবলৈ শক্তি নাই। যি নহওক সেইসকলৰ লগত চিনাকি হোৱাৰ আগেয়ে মই চিলঙলৈ যাবলগীয়াত পৰিলোঁ। খেলাত পাকৈত খেলুৱৈ বুলি মোৰ নাম আছিল। কটন কলেজে চিলঙত হোৱা ফুটবল খেলৰ কাপ অৰিয়া-অৰিত যোগ দিয়াৰ কাৰণে আমি কলেজৰ খেলুৱৈ দলে তালৈকে খেলিবলৈ গ'লোঁ। আমাৰ দলত কেইবাজনো ভাল খেলুৱৈ আছিল। শ্ৰীকামাখ্যা ঠাকুৰ, জিয়াউদ্দিন আহমদ, ৺বিপিন দাস, শ্ৰীকনক বৰুৱা, শ্ৰীদিবাকৰ শৰ্মা, গোৱালপাৰাৰ ভেক্‌সা, যোৰ-হাটৰ শ্ৰীজয় বৰুৱা, ধুবুৰীৰ পৰেশ, শ্ৰীসুৰেশ ভট্ট, শৈলেন, যতীশ আদি কেবাজনো ভাল খেলুৱৈ সেই দলত গৈছিল। আমি কেবাদিনো খেলি চিলঙৰ কেবাটাও দলক হৰুৱাই কাপ অধিকাৰ কৰিবলৈ সমৰ্থ হৈছিলোঁ। কিন্তু কিবা কথাৰ খকাখুন্দা লাগি কাপ নানি গুৱাহাটীলৈ উভতিলোঁ। মই তেতিয়া দেখাত বৰ সৰু থকাৰ কাৰণে খেল পথাৰত মই বল লৈ লৰিলেই চৌদিশে 'চিয়াৰ আপ, বাচচা' ধ্বনি উথলি উঠিছিল।

ইপিনে কলেজৰ পঢ়া আগুৱাই গৈছে। নতুন নতুন ছাত্ৰসকলে ইটোৰ লগত সিটোৰ ঘনিষ্ঠ পৰিচয় হৈছে। হোষ্টেলত থকা সকলে নতুন নতুন সমনীয়া পাই নৱজাগৰণৰ আনন্দৰ সোঁতত সাঁতুৰি-নাদুৰি ফুৰিব ধৰিছে। মই কলেজত সোমাই এখন নতুন সমাজৰ ভিতৰত পৰিলোঁ। কিন্তু তেতিয়াও ডিম্বেশ্বৰ নেওগৰ লগত পৰিচয় হোৱা

নাই। অৱশ্যে বিজ্ঞানৰ ক্লাছলৈ অহা-যোৱা কৰোঁতে লাহে লাহে চিনাকি হ'ল।

কিন্তু মই তেতিয়াও তেওঁক সাহিত্যিক বুলি ধৰি লোৱা নাই। মূৰত এজপৰা কেঁকোৰা চুলি, গাত কোট-কামিজৰ ওপৰত এখনি এৰীয়া চাদৰ। অসমীয়াত পাৰ্গত ল'ৰা বুলি মোৰ নাম আছে; আনকি কলিকতা বিশ্ববিদ্যালয়ত প্ৰৱেশিকা পৰীক্ষাত অসমীয়াত ১০০ৰ ভিতৰত ৮৭ নম্বৰ পাই দ্বিতীয় ঠাই অধিকাৰ কৰিছিলোঁ। আনপিনে খেলা সভা আদিত ৰচক বা বক্তা আৰু নাট, উপন্যাস, কবিতা ৰচক হিচাবেও মোৰ নাম আছিল। পঢ়া-শুনাতো পিচপৰা নাছিলোঁ, গতিকে মোৰ এটা অহংভাব মনত উদয় হোৱাটো অস্বাভাৱিক নহয়। আনপিনে নেওগেও তেওঁৰ দলৰ সহপাঠীসকলৰ মনত সাহিত্য ক্ষেত্ৰত নামজ্বলা হিচাবে খ্যাতি পোৱাত তেওঁৰো হীন-ডেটি হিচাবে এটা অহং ভাবৰ টো নাই খেলোৱা বুলি ডাঠি কব নোৱাৰোঁ। দুয়োৰো মাজৰ এনে অহং ভাবটোৰ কাৰণে বোধকৰোঁ ইজনে সিজনৰ ওচৰত সেওমনা টান হৈ পৰিছিল। অৱশ্যে এইটো সমূলি প্ৰশংসনীয় নহয়।

তেওঁ হোষ্টেলত থকাৰ কাৰণে এটা ডাঙৰ দল নিতৌ লগ পাই সাহিত্যিক হিচাবে আসন অধিকাৰ কৰিবলৈ সহজ হৈছিল। তেতিয়া হাতে লিখা কলেজ আলোচনী 'সেউতী'ৰো সম্পাদক হৈছিল। সেই সময়তে যোগকান্ত বৰুৱা পিচৰ বছৰত ৺পাৰ্বতীপ্ৰসাদ বৰুৱাও লগ ললেহি। লাহে লাহে তেওঁৰ দল পুষ্ট হৈ উঠিল।

সেই সময়ত ৺অম্বিকাগিৰী ৰায়চৌধুৰীয়ে চলোৱা চেতনাত ৺বেত্ৰকান্ত বৰকাকতী আৰু মোৰ মাজত 'সাহিত্যত জাত বিচাৰ' নামৰ প্ৰবন্ধত ফেৰিয়া-ফেৰি হৈছিল। সেই সূচলতে নেওগ আৰু মোৰ মাজত লাহে লাহে সাহিত্যিক হিচাবে আচল পৰিচয় হব ধৰিলে। কিন্তু মই সঠিককৈ কব নোৱাৰোঁ নেওগদেৱে তেতিয়া ৺বেত্ৰকান্ত বৰকাকতীদেৱকে সমৰ্থন কৰিছিল নে মোক সমৰ্থন কৰিছিল। দুয়ো একেলগে পঢ়িলেও সাহিত্য সম্বন্ধে দুয়োৰো মাজত অলপো আলোচনা হোৱা নাছিল। অৱশ্যে নানা তৰহৰ বং বহইচৰ কথা ভঙা-পতা হৈছিল।

কিন্তু নেওগদেৱে সেউতীৰ সম্পাদক হৈ সেউতী লাহে লাহে উলিয়াব ধৰাত মই এটি আন পন্থা ললোঁ। সেউতীৰ উদং ঠাইত সেউতীৰ প্ৰবন্ধ, ভাষা আদিৰ সমালোচনা কৰি নানা বং বহইচৰ কথা লিখিব ধৰিলোঁ। কলেজৰ ছাত্ৰসকলৰ মাজত এটা নতুন আলোড়ন হ'ল। যেয়ে আগতে সেউতীক নাচাইছিল বা নপঢ়িছিল তেওঁ এই টোকাবোৰৰ কাৰণে সেউতী

চাবলৈ হামবাও কাঢ়িব ধৰিলে। টানকৈ খকা-খুন্দাখন লাগিল। কোনে এনে বং বহইচেৰে ভুল-ভ্ৰান্তি দেখুৱাই টোকাবোৰ লিখে সকলোৱে বিচাৰিব ধৰিলে। এনে টোকাবোৰ দেখি নেওগদেৱৰ বৰ খং হ'ল আৰু সেউতীতে এটি প্ৰবন্ধ—লিখিলে এই সমালোচকজন দেখাদেখিকৈ ওলাই আহক আমি তেওঁক গলাবস্ত্ৰ দি আদৰিম। কিন্তু তেওঁ যেন সেউতীৰ সুন্দৰ বেটুপাত চিত্ৰ-বিচিত্ৰ কৰি বেয়া নকৰে এয়ে অনুৰোধ। আমি তাৰ উত্তৰত লিখা মনত পৰে—বস্ত্ৰ বহু ধৰণৰ হব পাৰে। মেখেলাও বস্ত্ৰৰ ভিতৰত পৰে। এনে ভয় কৰি সমালোচক ওলাই আহিবলৈ অপাৰগ। কিন্তু সেউতীৰ বেটুপাত নষ্ট কৰা বুলি অসহনীয় হ'লেও এই টোকাবোৰে নিশ্চয় পঢ়ুৱৈ-সকলৰ মনত সেউতীলৈ হেপাহ বঢ়াইছে। যি নহওক সমালোচকে বেটুপাত নষ্ট নকৰি আন পন্থা লব।

তাৰ পাচতে 'বা'মাৰলী' বুলি হাতে লিখা দুখিলা পাতৰ এখনি কাকত উলিয়াই সেউতীৰ সমালোচনা আৰু সেই সময়ত ঘটা ঘটনাবোৰ লৈ Witty humour বচিব ধৰিলোঁ। কাকতখনি সেউতীৰ কাষতে Common room-ত থোৱা হয়। কিন্তু দুখৰ বিষয় থোৱাৰ পিচতে কাকত-খনি জনচেৰেকে পঢ়াৰ পাচতে নোহোৱা হয়। বহুদিন পাচত কলেজ হোষ্টেলত Chita chat meeting-অত মই সভাপতি আছিলোঁ। এজন ছাত্ৰৰে কেবাখনো বা'মাৰলী উলিয়াই সভাত পঢ়িব ধৰিলে। তেওঁ নাজানিছিল বা'মাৰলী মই উলিয়াওঁ বুলি। যি নহওক সভাত বঢ়িয়া বহইচ হ'ল। লাহে লাহে নেওগ আৰু নেওগৰ দলে মোক ভালকৈ জানিব ধৰিলে। সেই সময়ত নেওগে বিহু গীত সঙ্কলন কৰি 'আকুল পথিক' নামেৰে এখনি সৰু কিতাপ প্ৰকাশ কৰিলে। বোধকৰোঁ সেই-খন প্ৰকাশ কৰাত ৺শুকদেৱ গোস্বামীয়ে সহায় কৰিছিল। অৱশ্যে সেই কথাটো মোৰ ভালকৈ মনত নাই।

'আকুল পথিক' দেখি মই নেওগক কৈছিলোঁ—নেওগ আপুনি এনে কবিতা সঙ্কলন হে কৰিছে। মই এনে ধৰণৰ এখন মৌলিক কিতাপ লিখিছোঁ। মাহ চেৰেকৰ পাচতে সেইখন 'প্ৰেমপট' নামেৰে মই প্ৰকাশ কৰিলোঁ। 'প্ৰেমপট' কবিতাখনে ছাত্ৰৰ মাজত বৰ আদৰ পোৱা নাছিল। কিন্তু অলপ দিনতে ৰসৰাজ বেজবৰুৱাদেৱৰ সেইখনৰ সমালোচনা বহল-ভাৱে সুন্দৰকৈ ওলোৱাত ল'ৰাবিলাকে প্ৰেমপটত কি আছে চাবলৈ ধৰিলে। ৺সত্যনাথ বড়াদেৱে মোক মাতি নি সুধিছিল সেইখন নিজে লিখা নে 'বৰফুকনৰ' গীত আদিৰ দৰে আগৰ ৰচনা কৰা। মই নিজে মৌলি-কতাৰে লিখা বুলি শুনি বড়াদেৱে আচৰিত হৈ কৈছিল—বৰ সুন্দৰ হৈছে।

এনে ধৰণৰ কিতাপ অসমীয়াত আনকি বঙ্গ সাহিত্যতো ওলোৱা নাই। ইংৰাজী সাহিত্যৰ জন গিল্‌পিন আদিৰ লেখীয়া হৈছে। যি নহওক লাহে লাহে নেওগ আৰু মোৰ অহং ভাবটো আঁতৰি মিলা-প্ৰীতি ভাব বাৰুকৈ বাঢ়িব ধৰিলে। সেই সময়ত অসহযোগ আন্দোলনৰ ঢৌ অসমতো বাগৰি আহিল। এই অসহযোগ আন্দোলন কেনেকৈ অসমত অনা হৈছিল সেই সম্বন্ধে বেলেগ ঠাইত বৰ্ণনা কৰা হৈছে।

অসহযোগ আন্দোলনৰ সময়ত ছাত্ৰ সন্মিলনৰ সম্পাদক ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা জেলত পৰিছিল। তেতিয়া মই ছাত্ৰ সন্মিলনৰ সহকাৰী সম্পাদক আছিলোঁ। ইপিনে অসহযোগ আন্দোলনৰ ঢৌত জাকত জিলিকা হৈ উঠি অহা অসম ছাত্ৰ সন্মিলন মৰহি গ'ল। মোৰ হাতত টকা-কড়ি নাই। সম্পাদকৰ নামত বেঙ্কত থকা সন্মিলনৰ টকা উলিয়াব নোৱাৰোঁ। মই মহা বিমোৰত পৰিলোঁ। সেই সময়ত ছাত্ৰ সন্মিলনৰ কাৰ্য্যনিৰ্বাহক সভ্যসকলো প্ৰায়ে জেলত। কেৱল ৺নেওগ আৰু ৺শুকদেৱ গোস্বামীহে বাহিৰত আছিল। লাহে লাহে ভাৰতীয় নেতাসকল প্ৰায়ে জেলত পৰাত অসহযোগ আন্দোলন শাম কাটি অহাত অসমত আন একো অনুষ্ঠান নোহোৱাত মোৰ ভাব হ'ল ছাত্ৰ সন্মিলন যেনে তেনে পতা আৱশ্যক হ'ল। নহ'লে সন্মিলন সমূলি মৰিব। কিন্তু হাতত নাই পইচা কড়ি, মদ খাই তিনি টেকেলি। মোৰো তেনে অৱস্থা হ'ল। তথাপিও মই দৃঢ় প্ৰতিজ্ঞ হ'লোঁ সন্মিলন পাতিমেই। নতুন কাৰ্য্য নিৰ্বাহক সভ্য সাধাৰণ সভাত পাতি সন্মিলনৰ নৱ জাগৰণ দিব লাগিব। অসমৰ সকলোপিনে চিঠি-পত্ৰ দি শাখা সভাবিলাকৰপৰা মুঠতে ৬৫ (?) টকা পোৱা হ'ল। সন্মিলনৰ আগৰ কাগজ-পত্ৰ সকলো ত্যাগবীৰ হেম বৰুৱাৰ হাতত আছিল। তেওঁ জেলত থকাৰ কাৰণে একো পোৱা নহ'ল। আনকি বেঙ্কৰপৰা সন্মিলনৰ পুঁজিৰ টকাও উলিয়াব পৰা নগ'ল। এই ধৰণে সন্মিলন পতা অসম্ভৱ হ'লেও আমি গুৱাহাটীৰ হৰিসভাত পেণ্ডেল ঠিক কৰি ৰায়-চান্দ প্ৰেমচান্দ কলাৰ অধ্যাপক টমাচক সভাপতি পাতি তেনেই তাকৰীয়া ধনেৰে সন্মিলন পাতিলোঁ। সন্মিলন অতি সুকলমে সমাধা হ'লেও কেৰাটাও বিঘিনি মিলিছিল। কলিকতাত অ. ভা. উ. সা. সভাৰপৰা তেনে অসহযোগ আন্দোলনৰ সময়ত ছাত্ৰ সন্মিলন তেওঁলোকে পাতিব দিব নোৱাৰে। আনকি তেওঁলোকে কেৰাজনো আহি কৰ্মবীৰ ৺চন্দ্ৰনাথ শৰ্মাদেৱৰ ওচৰ চাপি যাতে সন্মিলনৰ অধিৱেশন বন্ধ ৰাখে তাৰ বাবে অতি চেষ্টা কৰিলে। তেতিয়া শৰ্মাদেৱ বেমাৰত ভুগি পুৰীৰপৰা শোৱা-পাটীত পৰি আছিল। তেখেতে মোক মাতি নি কলিকতাৰ ছাত্ৰসকলৰ

আপত্তিৰ কথা জনালে। কিন্তু সেই সময়ত ছাত্ৰ সন্মিলনৰ কেনে আৱশ্যক, বিশেষত বাহিৰত আন্দোলন নোহোৱাত আৰু সকলো নেতৃস্থানীয় লোকসকল জেলত পৰাত ছাত্ৰসমাজক আকৌ জগাই নুতুলিলে অসমত অসহযোগ আন্দোলনত জুইত খেৰ দিবলৈকে লোক নহব ইত্যাদি নানা কথা হোৱাত শৰ্মাদেৱে সন্মিলন পতাত হয়ভৰ দিলে। কিন্তু কলিকতীয়া ছাত্ৰসকলে সেই কথাত মান্তি নহৈ সভাপতিৰ ওচৰলৈ গৈ নানা তৰহৰ আপত্তি দেখুৱালে আনকি তেখেতে সভাপতিৰ আসন গ্ৰহণ কৰিবলৈ ওলালে নাইবা অধিৱেশন বহিলে ভয়ঙ্কৰ বিৰোধ হব বুলিও কলে। তেখেতে মিছামিছি সেইবোৰৰ সন্মুখীন হোৱা আৱশ্যক নাই ইত্যাদি কথাবোৰ কোৱাত নিশা দুই বজাত সভাপতিয়ে মোক তেওঁৰ ঘৰলৈ মাতি নি কি কৰা উচিত মোৰ লগত আলোচনা কৰিলে। শেহত তেখেতে মান্তি হ'ল আৰু পাচৰ দিনা সুকলমে সভা অতি সমাৰোহেৰে সমাধা হ'ল। নতুন কাৰ্য্যনিৰ্বাহক সভা কৰা হ'ল। মই সম্পাদক ৺ডিম্বেশ্বৰ নেওগ আৰু ৺শুকদেৱ গোস্বামীদেৱ সহকাৰী সম্পাদক নিৰ্বাচিত হ'ল। বেঙ্কত থকা সভাৰ পুঁজিৰ টকা উলিয়াবলৈ অনুমোদন পোৱা হ'ল। ছাত্ৰ সন্মিলনে নতুন জীপ পাই সবল হৈ উঠিল। মাহঁ চেবেকৰ পাচত নেওগ আৰু গোস্বামীৰ স'তে মিলি সন্মিলনৰ মুখপাত এখনি উলিয়াবলৈ থিৰ কৰিলোঁ। কাৰ্য্য-নিৰ্বাহক সমিতিৰ সভ্যসকলৰ সন্মতি লোৱা হ'ল আৰু মুখপাত আলোচনা খনিৰ নাম 'জন্মভূমি' দিয়া হ'ল। কিন্তু সকলো কামতে বাধা আছে। পাচৰ বছৰৰ সন্মিলনো গুৱাহাটীত বহাৰ আগেয়ে জন্মভূমিৰ প্ৰথম সংখ্যা ছপা হৈ ওলাল। কিন্তু আমাৰ বিৰোধী দলে জন্মভূমিৰ বিপক্ষে ভীষণ আন্দোলন চলালে আনকি তেওঁলোকে কাৰ্য্য-নিৰ্বাহক সমিতিৰ সভ্য-সকলকো হাত কৰিলে পাচৰ বছৰৰ সন্মিলনত বুৰঞ্জীবিদ ৺হেমচন্দ্ৰ গোস্বামী-দেৱক সভাপতি বৰণ কৰা হৈছিল। সন্মিলনৰ মুকলি অধিৱেশন বহাৰ আগদিনা কৰ্জন হলত (এতিয়াৰ নবীন বৰদলৈ হল) বহা বিষয় বাছনি সভা ৺উমেশচন্দ্ৰ চৌধাৰীৰ পৌৰোহিত্যত বহিছিল। জন্মভূমিৰ প্ৰকাশ হোৱাৰ কাৰণে আমাৰ বিৰোধী দলৰ লোকে আগতে কেনভাচ্ কৰি বিষয় বাছনী সভাত তোল নোতোল, জাউৰী জাউৰী তৰ্ক আৰম্ভ কৰিলে। আচলকৈ কব লাগিলে বিষয় বাছনী সভাত ৺নেওগ ৺ শুকদেৱ গোস্বামী আৰু মই তিনিও তৰ্কত তেওঁলোকক সেও মনাব লগাত পৰিছিলোঁ। বায়-ৰণৰ ভাষাত কব লাগিলে "I stood Among them but not one of them"' আমিও তেওঁলোকৰ মাজতে আছোঁ। কিন্তু তেওঁলোকৰ এজনো নোহওঁ বা তেওঁলোকৰ ৰুচিমতে কাম কৰিব নোৱাৰা লোক। গোটেই প্ৰতি-

নিধিসকলৰ বিৰুদ্ধে যুজিবলগীয়া হৈছিল আৰু শেহত নেওগ আৰু গোস্বামীয়ে খঙতে বিষয় বাছনি সভাঘৰ ত্যাগ কৰিলে। কিন্তু নিশা প্ৰায় তিনি বজাত বিষয় বাছনি সভাত সন্মিলনে আলোচনী উলিওৱা সন্মত হ'ল আৰু আলোচনীৰ নামো 'জন্মভূমি' হোৱাকে থিৰ কৰিলে। নিশা কলেজ হোষ্টেললৈ গৈ নেওগ আৰু গোস্বামী দেৱক টোপনিৰপৰা সাৰ পোৱাই সেই কথা জনোৱাত তেওঁলোকে জন্মভূমি ছাত্ৰ সন্মিলনক নিদিওঁ বুলি দৃঢ়ভাৱে সমিধান দিলে। জন্মভূমিলৈ তৰ্ক-বিতৰ্কৰ গুৰি কথা আছিল—সন্মিলনৰ সাধাৰণ সভাত তেনে প্ৰস্তাৱ নথকাত কিয় সম্পাদক সকলে মাথোঁ কাৰ্য্যনিৰ্বাহক সমিতিৰ সভ্যসকলৰ লিখিত মত লৈ জন্মভূমি প্ৰকাশ কৰিলে। আমাৰ ভাব আছিল বছৰি বছৰি ছাত্ৰ সন্মিলনখনি কেৱল ভোজ-মেল পাতি বহু টকাৰ শ্ৰাদ্ধ কৰাতকৈ গঠনমূলক কামত হাত দিব লাগে আৰু তেনে কামতহে ধন খৰচ কৰিব লাগে। আলোচনী উলিওৱা আৰু পাৰিলে এটা ছপাখানা অনাটোও আমাৰ উদ্দেশ্য আছিল। কিন্তু এনে গঠনমূলক প্ৰস্তাৱ সাধাৰণ সভাই সহজতে গ্ৰহণ কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস আছিল—আৰু সেই কাম হাতে কামে দেখুৱাই সাধাৰণ সভা বহাৰ আগেয়ে আমি প্ৰথম সংখ্যা জন্মভূমি প্ৰকাশ কৰিছিলোঁ। আমি সপোনতো ভবা নাছিলোঁ যে এনে কামত কোনোৱে বিধি পথালি দিব। কিন্তু সকলো ওলোটা হ'ল। যি নহওক বিষয় বাছনি সভাত সেই প্ৰস্তাৱ শেহত লৈ মূল সভাত নিয়মীয়াকৈ গ্ৰহণ কৰাত সন্মিলনৰ মুখপাত—জন্মভূমি হবলৈ থিৰ হ'ল। কিন্তু নেওগ আৰু গোস্বামীয়ে সন্মিলনক দিবলৈ অমান্তি হৈ সন্মিলনৰ লোকসকলক পাচত বিমোৰত পেলালে। কিয়নো সভ্যসকলে সাধাৰণ সভাত যি নাম গ্ৰহণ কৰিলে কাৰ্য্যনিৰ্বাহক সমিতিয়ে সেই নাম কেনেকৈ সলায়? আগৰ কথাই পুনৰ্মূষিক হ'ল। অৰ্থাৎ যেনেকৈ সাধাৰণ সভাত গ্ৰহণ নকৰাকৈ আলোচনী কাৰ্য্যনিৰ্বাহক সমিতিৰ সন্মতিত প্ৰকাশ কৰাটো অবৈধ বুলি নানা আঁহফলা তৰ্ক তুলি নানা বিধি-পথালিৰ সৃষ্টি কৰিছিল—সেই একে অৱস্থাতে তেওঁলোক পৰিল। সাধাৰণ সভাত গ্ৰহণ হোৱা 'জন্মভূমি' নামটো কাৰ্য্যনিৰ্বাহক সভাই কেনেকৈ সলাব পাৰে? যি নহওক 'কাকো দেখি বাঘে বাঢ়ে, কাকো দেখি দুৱাৰ মাৰে।' অৱস্থা কৰি—অবৈধ নিয়মেৰে কাৰ্য্যনিৰ্বাহক সভাই 'জন্মভূমি' নাম গুচাই 'মিলন' নাম দি পাচৰ বছৰত সন্মিলনৰ মুখপাত প্ৰকাশ কৰিলে।

সন্মিলনৰ সাধাৰণ সভা শেষ হোৱাৰ দিনাই দুৰ্ভাগ্যক্ৰমে মোক বলিয়া কুকুৰে কামোৰাত চিলঙলৈ যাব লগীয়াত পৰিছিলোঁ আৰু তাতে প্ৰায়

পোন্ধৰ দিন থাকিবলগীয়া হোৱাত মই গম ধৰিব নোৱাৰিছিলোঁ আলোচনী সম্বন্ধে কেনেভাৱে গতি লৈছিল। মোৰ ভাব আছিল ৺ নেওগ আৰু গোস্বামীদেৱে সেইদিনা খঙতে নিদিওঁ বুলি ক'লেও পাচত সেও মানি সৈমান হব। কিন্তু সিটো নহ'ল—তেওঁলোক দুয়ো আঁকোৰগোঁজালি হৈ আনকি ৺গোস্বামীদেৱে এটা কড়িও জন্মভূমিৰ কাৰণে নাপালেও তেওঁ দুবছৰ নিজ ধনেৰে জন্মভূমি চলাব বুলি থিৰ কৰিছে। মই চিলঙৰপৰা আহি পায়ে সেই কথা শুনি তেওঁলোক দুজনক লগ ধৰি কৈছিলোঁ—'গ'ল কথা গুচিল। এতিয়া সন্মিলনে লব খুজিছে যেতিয়া দিয়াই ভাল।' কিন্তু দুয়ো নিদিয়াই থিৰ কৰিলে। মই তেতিয়া কৈছিলোঁ, 'যদি আমি নিজে নিজে প্ৰকাশ কৰিব লাগে তেন্তে ৺গোস্বামীদেৱে ৰেজেষ্টাৰী দলিল কৰি এটা কড়িও জন্মভূমিৰ কাৰণে ৰৰঙনি নাপালেও অন্ততঃ দুবছৰ নিজৰ খৰচত আলোচনী প্ৰকাশ কৰি থাকিব বুলি লিখি দিব লাগে। ৺গোস্বামীদেৱ সেই কথাত মান্তি হ'ল আৰু পিচৰ দিনা তেনেভাৱে ৰেজেষ্টাৰী দলিল হ'ল। পাচত আৰু দুই সংখ্যা জন্মভূমি ওলাল। এনেতে আপালি ঘটিল। আমি তিনিও গৰাকী আন নানা কামত ব্যস্ত থকাৰ কাৰণে হবলা বি.এ, বি. এছ্. চি পৰীক্ষাৰ জপনা পাৰ হব নোৱাৰিলোঁ। এনেতে গোস্বামীদেৱ বিলাতলৈ যাবলৈ ওলাল। তেওঁ বিলাতলৈ গৈও জন্মভূমি চলাবলৈ ধনৰ যোগান ধৰিব বুলি ক'লে। আনকি বিলাতৰপৰাও চিঠি লিখিলে—এতিয়া জন্মভূমি উলিয়াব নালাগে; বিলাতৰপৰা উভতি গৈ আমি তিনিও পয়োভৰে জন্মভূমি প্ৰকাশ কৰি চলাম। কিন্তু দুৰ্ভাগ্যক্ৰমে তেওঁ বিলাতত কুৰি বছৰতকৈও বেচি দিন কটালে। জন্মভূমি আৰু প্ৰকাশ নহ'ল। এনেকথাত বহুদিন পাচতো ৺নেওগে দুখ কৰিছিল—আনকি ইমান বছৰৰ মূৰত গোস্বামী বিলাতৰপৰা উভতি অহাত তেওঁ যাতে জন্মভূমি উলিয়ায় সেই কথা ৰবকৈ টানি ধৰিছিল। মই কিন্তু গোস্বামীদেৱৰ লগত আৰু দেখা সাক্ষাৎ হোৱাৰ সুবিধা নহ'ল।

বহু বছৰ ৺নেওগৰ লগত আৰু দেখাদেখি হোৱা নাই। মিনিষ্ট্ৰিয়েল অফিচাৰসকলৰ সন্মিলনত মই এবাৰ যোৰহাটলৈ যাওঁতে তেওঁৰ লগত দেখাদেখি হৈছিল। তেতিয়া তেওঁ যোৰহাট নৰ্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট সেই সময়ত অসমীয়া সাহিত্য আৰু সাহিত্যিকসকলৰ সম্বন্ধে বহুতো কথা-বতৰা হৈছিল। তাৰ পাচত বহুদিন তেওঁক লগ পোৱা নাছিলোঁ। মোৰ 'বুদ্ধহাজো' কিতাপখন ওলোৱাত তেওঁ মোক সমৰ্থন কৰি এটি সমালোচনা জয়ন্তী নে আৱাহনত দিছিল। কত দিছিল মই পাহৰিছোঁ।

ইতিমধ্যতে তেওঁৰ সহধৰ্মিণী আজলী তৰাৰ মৃত্যুৰ পাচত মানুহজন

সংসাৰ বিৰাগী হোৱাৰ দৰে হয়। বছৰি বছৰি আজলী তৰাৰ সোঁৱৰণী দিবস পাতি স্থানীয় সাহিত্যিকসকলক গোট খুৱাই—সাহিত্য আলোচনাৰ লগে লগে চাহ-জলপানৰ দিহা কৰিছিল। চৰকাৰী কামৰ-পৰা অৱসৰ লৈ চিলং ৰাস্তাৰ কাষত ডিচপুৰত তিনিখলপৰ এটা পকা ঘৰ কৰিছিল। সেই সময়ত মোৰ তালৈ প্ৰায়ে আহিছিল। বিশেষকৈ বছ-ৰৰ পহিলা তাৰিখ বহাগৰ বিহুৰ দিনা মোৰ ঘৰত দুয়োৰো দেখা সাক্ষাৎ হৈছিল। তেওঁ কৈছিল নিমন্ত্ৰণ নহ'লেও বিহুৰ দিনা আমি লগ লগাটো আৱশ্যক। আজলী তৰাৰ সোঁৱৰণী সভাত মোক এবাৰ সভাপতি কৰি তেওঁৰ ঘৰলৈ মাতি নিছিল। সভা সুন্দৰভাৱে সমাধা হৈছিল। গুৱা-হাটীত প্ৰায় তিনি বছৰে আমাৰ মাজত সাহিত্য বাৰুকৈ আলোচনা হৈছিল আৰু অসমীয়া সাহিত্যৰ কুপথে গতি দেখি দুয়ো আক্ষেপ কৰিছিলোঁ। বিশেষকৈ অসমীয়া সাহিত্যিকসকলে স্বাধীন মন, স্বাধীন চিন্তা, প্ৰকাশৰ সৎ সাহাসৰ অভাৱ দেখি, লগে লগে ইটোৱে সিটোৱে লগ লাগি জনদিয়েক গোটাই প্ৰশংসাৰ ধ্বনি তুলি ডাঙৰ ডাঙৰ সাহিত্যিক হৈ নিজৰ নিজৰ জয়ঢোল কোবোৱা দেখি আমি বিতত হৈছিলোঁ।

সেই সম্বন্ধে বহু কথা-বতৰা হৈছিলোঁ। নলবাৰীত হোৱা অসম সাহিত্য সভাৰ তেওঁ মূল সভাপতি আৰু মই কবি সম্মিলনৰ সভাপতি হৈছিলোঁ। মোৰ হাতে লিখা প্ৰায় ১২০০ পিঠিৰ কামৰূপ বুৰঞ্জী 'কাম্যকামৰূপ' চাই সেইখন প্ৰকাশ নোহোৱাত বৰ দুখ কৰিছিল আৰু কোনোপধ্যে যাতে সেইখন ছপা হৈ ওলায় তাৰ কাৰণে মোক নানা চেষ্টা কৰিবলৈ উদ্‌গাইছিল। কিন্তু তেওঁৰ জীৱনত সেইখন ৰাইজৰ আগত নোলাল। কব নোৱাৰোঁ মোৰ জীৱন কালতো সেইখন পোহৰলৈ আহে নে নাহে, নে পঁইতাচোৰা বা ডালশলীয়া নিগনিৰে ভোগ্য হয়। কিন্তু সেই বিষয়লৈ মোৰ দুখ নাই। কৰ্তব্য কৰি গৈছোঁ। কাৰোবাক লাগিলে বুটলি লব।

৺ডিম্বেশ্বৰ নেওগৰ মৃত্যুৰ প্ৰায় দিনচেৰেক আগেয়ে মই তেওঁৰ ঘৰলৈ গৈছিলোঁ। তেতিয়া তেওঁৰ পঢ়া কুঠৰীত বহল 'ইজি চেয়াৰত' গা হেলনি দি বহি টোপনি গৈ আছে। মই মাত দিলোঁ, "নেওগ"। নেওগে সাৰ পাই "ও আপুনি আহিছে" বুলি উঠি কলে, "বলক মাজৰ কুঠৰীত বহোঁ।" দুয়ো ওলাই গৈ মাজৰ কুঠৰীৰ বেঞ্চ এখনত বহিলোঁ। তেওঁ ক'লে, "গা বৰ ভাল নহয়। গোটেই গাটো বিষায়। কি হৈছে কবকে নোৱাৰোঁ। দৰবো খাইছোঁ ভাল পোৱা নাই। এতিয়া আকৌ দৰব আনিব পঠিয়াওঁ। কনক ডাক্তৰে দৰব লিখি দিছে।" [illegible]চত দুয়ো বহি চাহ-পানী খাই মাতি

কথা পাতি থাকোঁতে তেওঁ ক'লে, "ল'ৰা কেইটা বনৰীয়া হ'ল, ভাল কৰিব নোৱাৰিলোঁ। যি হয় সেই হওক—সেইবোৰ ভাবনা এৰিছোঁ। অসমীয়া সাহিত্যিকসকলো দৰিয়লী নোহোৱা উদণ্ডীয়া গৰু হ'ল। যেয়ে যি ইচ্ছা তেনেভাৱে লিখে, ভাষালৈ মন কাণ নাই।"

মই ক'লোঁ, "বেজবৰুৱাৰ যুগত ভালকৈ 'লেকাম' ধৰি আছিল। অলপ ইফাল সিফাল কৰিলে সমালোচনাৰ চেকনিৰে আধ্যা কৰিছিল; এতিয়া সেইটো নোহোৱা হ'ল। কেৰে কাকো নমনা হ'ল। কিন্তু এতিয়াৰ সাহিত্য 'ৰামকৃষ্ণ বাণী, লঠাই শলিধানৰ আগ তল গ'ল, ওৰিয়ে নাপালে পানী।' বেজবৰুৱা সম্বলপুৰৰপৰা আহি ডিব্ৰুগড়ত হঠাৎ কেনেকৈ মহা প্ৰয়াণ কৰিলে কবকে পৰা নাছিলোঁ। মৃত্যুৰ দিনাহে বাতৰি পাওঁ।"

তেওঁ ক'লে, "তেওঁৰ মৃত্যুৰ দিনচেৰেক আগতে তেওঁৰ বেমাৰ বুলি শুনি চাব গৈছিলোঁ। তেতিয়া অৱস্থা বৰ কাহিল। ঘৰৰ লোকে কলে, তেওঁ জিৰণি লৈছে—এতিয়া দেখা কৰা অসুবিধা। মই ক'লোঁ—বাৰু আমনি নকৰোঁ। ডিম্বেশ্বৰ নেওগ অহা বুলি কবাগৈ। তেওঁ গৈ কোৱাত সেই অসুখীয়া গাৰে বেজবৰুৱাদেৱ উঠি আহিল। মই তেওঁক দেখিয়েই আচৰিত হ'লোঁ। সমূলি খীণাই লেৰেলি হাড়-ছাল লাগিছে। মোৰ কাষত ঘপহকৈ বহি ক'লে —'নেওগ কিয় আহিলা ?'

'আপোনাৰে বাতৰি লব আহিছোঁ।' 'গা বৰ ভাল পোৱা নাই।' তেওঁৰ দেহাৰ অৱস্থা দেখি মই আৰু বেচি কথা পাতিবলৈ ইচ্ছা নকৰিলোঁ; কিন্তু মোৰ মনত সেই শেঁতা মুখৰ স্মৃতি আজিও জাগি আছে। কিন্তু তেতিয়া ভবা নাছিলোঁ তেওঁ যে ইমান সোনকালে আঁতৰিব।"

বেজবৰুৱাৰ শেষ প্ৰয়াণৰ আগে আগে নেওগদেৱে যেনেকৈ দেখা কৰিছিলগৈ ময়ো নেওগৰ মৃত্যুৰ আগে আগে তেওঁৰ লগত প্ৰায় এঘণ্টা কথা কৈ চাহ-জলপান খাইছিলোঁ। ইয়াৰ মাজতে ঘৰৰ কাম কৰা ৰাজ-মিস্ত্ৰি আহি তেওঁক কিবা কোৱাত "বলক তালুকদাৰ ওপৰ খলপলৈ যাওঁ—কিবা দেখুৱাওঁগৈ" বুলি ওপৰলৈ গতি কৰিলে। ময়ো গ'লোঁ। ওপৰ খলপলৈ পানী নিয়াৰ দিহা কৰিছিল। দুয়ো চাই চিন্তি তললৈ নামি আহি মই বিদায় লৈ ঘৰমুৱা হ'লোঁ।

কিন্তু তেতিয়া ভবা নাছিলোঁ যে তেওঁৰ শেষ দিন চমু চাপি আহিছে। দিন চেৰেকৰ পাচত হঠাৎ বাতৰি [illegible]লোঁ, নেওগৰ ভয়ঙ্কৰ অসুখ ডিব্ৰুগড়ৰ মেডিকেল কলেজলৈ লৈ গৈছে[illegible]

পিচদিনা ৰঙা বেলি আৰ[illegible]কি নামাৰোঁতে মই আলিবাটত

ফুৰি থাকোঁতে কবি জমিৰুদ্দিনৰ মুখত শুনিলোঁ—"শুনিছেনে, ডিম্বেশ্বৰ নেওগ ঢুকাল।"

মই শুনিয়ে অবাক হ'লোঁ। অলপ পৰ তভক মাৰি বৈ সুধিলোঁ, "কথাটো সচানে?" সচা বুলি জানি মই মৰ্মাহত হৈ তেওঁৰ ঘৰলৈ যাওঁ বুলি ওলাওঁতে বাতৰি কাকতত পালোঁ তেওঁক শ্মশানত শেষ সমাধি কৰিব। তালৈকে গতি কৰি নেওগলৈ শেষ শ্ৰদ্ধাঞ্জলি দিলোঁ। অন্তৰত তেতিয়া কি সুৰ বাজিছিল ভাষাৰে প্ৰকাশ কৰা টান।

৺নেওগ আৰু আমাৰ বিশেষত্ব আছিল—বায়ৰণৰ ভাষাত কব লাগিলে, I stood and stand alone, remembered or forgot. আমাক সৌৰৱণ কৰক বা পাহৰণিৰ অতল গৰ্ভত পাহৰি যাওক আমি অকলশৰীয়া হিচাবে থিয় হৈছিলোঁ বা হৈয়ে আছোঁ। In the crowd they could not deem me one of such; I stood among them, but not of them. জনতাৰ মাজত থাকিলেও, তেওঁলোকে আমাক তেওঁলোকৰ এজন বুলি ভাবিব নোৱাৰিছিল। তেওঁলোকৰ মাজত থিয় হৈ থাকিলেও তেওঁলোকৰ এজন আমি নহওঁ।

I have not flatter'd its rank
Breath, nor bow'd
To its idoltaries a patient knee,
Nor coin'd my cheeck to smiles,
Nor cried aloud
In worsh p of on echo;

"আমি ডাঙৰ পদবীৰ লোকক ভালৰি বোলাবলৈ তেওঁলোকক মিছা তুতি কৰা নাছিলোঁ, নাইবা তেওঁলোকৰ ওচৰত ধৈৰ্য্যৰে আঠুকাঢ়ি সেৱা জনোৱা লোক নাছিলোঁ। তেওঁলোকে ভাল পাবলৈ তেওঁলোকে হাঁহিলে আমি হাঁহা নাছিলোঁ আৰু তেওঁলোকৰ কথাৰ প্ৰতিধ্বনি কৰি চিঞৰা নাছিলোঁ।" আনকি মনত পৰে কলেজৰ এখন সভাত কিবা কথাত ৺নেওগ, মই, ৺শুকদেৱ আৰু জনচেৰেকে আনবোৰৰ লগত অমিল হোৱাত—সেই সভা এৰি শুকদেৱ গোস্বামী থকা কুঠৰীত দুৱাৰ বন্ধ কৰি আমাৰ তাকৰীয়া দল লৈ সভা পাতি আমাৰ মনেৰছা প্ৰস্তাৱ গ্ৰহণ কৰিছিলোঁ। গোটেই কুঠৰী সৰহীয়া দলটোৱে আগুৰি আছিল আৰু হোষ্টেল চুপাৰিণ্টেণ্ডেণ্টক লগাইছিল গৈ যে হোষ্টেলৰ নিয়ম নামানি নিশা হোষ্টেলৰ কুঠৰীত তেওঁলোকে সভা পাতিছে ... মি সেই সভা পাতি থাকোঁতে সৰহীয়া দলে আমি ওলালেই ... সাজু হৈ আছিল। ৺নেওগ

আৰু ৺শুকদেৱ গোস্বামীয়ে হোষ্টেলত থকাৰ কাৰণে বিপদত পৰিব লগা হোৱা নাছিল। কিন্তু মই বাহিৰৰপৰা যোৱা আৰু অসময়ত হোষ্টেলত থকা বিধি নাই বুলি খণ্ডত উতলা হৈ থকা সৰহীয়া দলৰ মাজেৰে ঘৰলৈ যাবলগীয়াত পৰিছিলোঁ। মোৰ সৌভাগ্য যে সেই খণ্ডতে টিঙিৰি তুলা হৈ থকা সৰহীয়া জনতাই মোক ধৰিব নোৱাৰিলে। মই সাউৎকৰে ওলাই জনতাৰ মাজেৰে ঘৰ পাইছিলোঁহি। সেই স্মৃতিৰ কথা পাচতো বহু দিন নেওগৰ লগত হৈছিল।

অৰ্থাৎ আমাৰ বিবেকে যি ভাল বুলি ভাবিছিল সেইটোহে কৰিছিলোঁ। আনে ভাল পাওক নাপাওক আমি সেইটোলৈ লক্ষ্য কৰা নাছিলোঁ। We did not regard men's frown or smile.

তেওঁৰ এই গুণৰ কাৰণে মই অন্তৰেৰে ভাল পাইছিলোঁ। মোৰ আজিও বিশ্বাস সাহিত্যৰ উন্নতি কৰিবলৈ হ'লে—এনে স্বাধীন মন, স্বাধীন চিন্তাৰ আৱশ্যক; আৰু পোনপটীয়া সমালোচনা কৰিবলৈ এনে সাহস লাগে। যেতিয়ালৈকে সাহিত্যিক সকলে এনে ক'লে অমুকে বেয়া পাব, এনে লিখিলে পাঠ্যপুথি নহব; অমুকৰ ছবি কিতাপত দিলে কিতাপখনে আদৰ পাব বা পাঠ্যপুথিৰ তালিকাত সোমাব, অমুকক ভাল বুলিলে আমি সুবিধা পাম ইত্যাদি ভাবৰপৰা আঁতৰি, স্বাধীন চিন্তা মুকলি মূৰীয়া ভাব আমাৰ লিখনিত নিজৰি নোলাব তেতিয়ালৈকে আমাৰ সাহিত্যৰ আচল উন্নতি হব নোৱাৰে।

৺নেওগদেৱক অকালতে হেৰুৱাই আমি স্বাধীন চিন্তা, স্বাধীন মত প্ৰকাশ কৰা লোক আৰু অক্লান্ত কৰ্মীৰ অন্তৰঙ্গ বন্ধুৰ অভাৱ অনুভৱ কৰিছোঁ লগে লগে ভাবিছোঁ— And I, the last go forth companionless, and the days draken round me and the years among new men, strange faces, other minds. (*Passing of Arthur*)

নেওগৰ সোঁৰৰণত

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা

বন্ধুবৰ হাজৰিকাদেৱে কোৱাৰ দৰে যাৰ গাত 'ইন্দ্ৰধনু'ৰ ৰশ্মিয়েই বাউতিযুগীয়া হৈ ৰৈ গ'ল ; সেই পৰম শ্ৰদ্ধাভাজন সোদৰ প্ৰতীম ডিম্বেশ্বৰ নেওগৰ সান্নিধ্য লাভ কৰিবলৈ সমৰ্থ হওঁ, তেখেতৰ জীৱনৰ এক মাহেন্দ্ৰক্ষণত। 'ইন্দ্ৰধনু'ৰ ৰশ্মি পৰি তেখেত জিলিকি উঠিছিল হয়, কিন্তু ঠিক ৰশ্মি বিকিৰণ হোৱাৰ আগ মুহূৰ্তটো তাতোকৈও সুন্দৰ। যেনেকৈ পূব দিশত অৰুণৰ অদৃশ্যত উষাৰ আবিৰ্ভাৱে জগতক সজীৱ আৰু সুন্দৰ কৰি তোলে, সেই তুলনাহীন অৰুণ ৰাগৰ দৃশ্য যেনে মনোমোহা আৰু আকৰ্ষণীয় ; ঠিক তেনেকৈয়ে 'ইন্দ্ৰধনু' ৰাইজৰ আগত প্ৰকাশ হোৱাৰ আগ মুহূৰ্তটোত নেওগক দেখিছিলোঁ তেনে গহীন আৰু আনন্দময়। তাতোকৈ সেই সময়ত আৰু এটা কথা উপলব্ধি কৰিব পাৰিছিলোঁ —তেখেতৰ ভবিষ্যৎ জীৱনৰ এখন গৌৰৱময় বহল কাৰ্য্যক্ষেত্ৰ ।

বৰ্তমানৰ তুলনাত তেতিয়া অসমীয়া পুথিৰ প্ৰকাশ বৰ কম। জোনাকী যুগৰ অসমীয়া সাহিত্যৰ 'শৰাইঘটীয়া' সকলে, তেতিয়া অসমীয়া সাহিত্যক নিজৰ গৌৰৱময় আসনত পুনৰ বহুৱাই প্ৰতিষ্ঠিত কৰিছিল যদিও সম্পূৰ্ণৰূপে সুপ্ৰতিষ্ঠিত কৰিব পৰা নাছিল। বিদ্যালয়ত চলা পুথিবিলাকৰ বাহিৰে অন্য পুথি প্ৰকাশ কৰিবলৈ ক্ষতি স্বীকাৰৰ যথেষ্ট সাহসৰ আৱশ্যক হৈছিল! 'ইন্দ্ৰধনু'ত কি কি কবিতাই ঠাই পাইছে, তাৰ আভাস আগতে পোৱাৰ কাৰণে একে ঠাইতে কেবাটিও ভাল পোৱা কবিতা পোৱাৰ আশাত 'ইন্দ্ৰধনু' প্ৰকাশৰ প্ৰতি হোৱা আগ্ৰহ আমাৰ জনচেৰেকৰ স্বাভাৱিক হৈছিল। আমাৰ এই জনচেৰেকৰেই এজন আছিল নেওগ। অৱশ্যে আমাৰ আটাইকেইজনতকৈ তেখেত সকলো ৰকমে প্ৰবীণ। বহুত বিষয়ত আমি তেখেতক অনুসৰণ কৰিছিলোঁ। 'ইন্দ্ৰধনু' কেতিয়া ওলাব বুলি সুধিলে, নেওগৰ মুখৰ নিজস্ব [illegible]। স্বভাৱসুলভ মিচিকিয়া হাঁহি এটি মাৰি কয়,—"ৰ'ব ৰ'ব [illegible] কাৰণে ডাৱৰবো আৱশ্যক।"

ডাৱৰ কি পাচত বুজিলোঁ,—পুথি প্ৰকাশ কৰোঁতাৰ ধনৰ চিন্তা। কলিকতাত ১৯২৫-২৬ চনত এখন কবিতাৰ পুথি ছপা কৰাই গমটো পাইছিলোঁ। অৱশ্যে আজিকালিৰ তুলনাত ভাবিব নোৱাৰা সস্তা। ফৰ্মাত আঠ টকা। ভাল কাগজ এক ৰিমৰ দামো প্ৰায় সিমানেই। সাধাৰণভাৱে এতিয়া চাৰি কুৰি ঘটিবলৈ যি কষ্ট, তেতিয়া আঠ টকা ঘটা তাতোকৈ কষ্টসাধ্য। আমাৰ বৰ্তমান উঠি অহা ল'ৰাহঁতে, সেই সময়ত ইমান সস্তাতো পুথি ছপাবলৈ ভয় কৰিছিল কিয় বুলি সোধে বুলিয়েই এইখাৰ কৈ থবলগীয়া হ'ল। তেতিয়া গুৱাহাটীত ছাত্ৰাবাসত থাকি পঢ়া ছাত্ৰ হিচাবে আমি সাধাৰণতে খৰচ কৰিছিলোঁ মাহে একুৰি পাঁচ টকা। কলিকতাত তাতকৈ অলপ বেচি, যদি স্নাতকোত্তৰ শ্ৰেণী আৰু আইনৰ শ্ৰেণীতো পঢ়ে। এতিয়া বাৰু কিমান হব ? এইবোৰ অপ্ৰাসঙ্গিক কথা যদিও নেওগ আৰু আমি তাৰ ভুক্তভোগী। তেতিয়া, এতিয়াৰ মানত সেই সামান্য ৰূপ কেইটকা কিমান টানৰ বস্তু। ৰূপ বুলিলে আকৌ কোনোবাই নিচেই গাঁৱলীয়া বুলিও ক'ব পাৰে। কিন্তু তেতিয়া ৰূপেইহে, কাগজ খুব কম। এই বিষয়ে, কিবা এটা কথাত, শ্ৰীযুত বেণুধৰ শৰ্মা, ৺নেওগ আৰু আমাৰ ভিতৰত এটা ৰহস্যজনক আলোচনা হৈছিল, বছৰ চেৰেকৰ আগতে গুৱাহাটীৰ দিশপুৰত। নেওগেই তাৰ প্ৰধান বক্তা।

নিয়মীয়া অসমীয়া মানুহৰ দৰে ওখ পাখ, বৰ শকতো নহয়, খীণো নহয়, গিঠা বৰণীয়া, কবিসুলভ দীঘল ওলমি পৰা কেঁকোৰা চুলি, উজ্জ্বল চকু, আৰু সদায় মুখত লাগি থকা মিচিকিয়া হাঁহিটোৰে ডিম্বেশ্বৰ নেওগ মানুহজন আজি আমাৰ মাজত নাই। সাধাৰণভাৱে কাপোৰ-কানি পিন্ধি, চুৰিয়াৰ খোৰটো হাতেৰে ওভোতাই লৈ খোজ কাঢ়িয়েই তেখেত সাধাৰণতে ফুৰে। আগছোৱাত, বিশেষ কামত আৰু দূৰৈৰপৰা অহা-যোৱা কৰাত 'বাইচকোলত' খুব উঠিলে। পাচত মটৰ গাড়ী এখনো লৈছিল। তেখেতৰ পৰিবাৰ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, স্বনামধন্য সাহিত্যিক ৺বেণুধৰ ৰাজখোৱাদেৱৰ কন্যা ৺আজলী তৰা নেওগৰ অকাল বিয়োগৰ পাচত, সভা সমিতি আদিলৈ, ঘৰ এৰি যাব লগীয়া হ'লে, গাড়ীখনতে ল'ৰা-ছোৱালী কিটিকো প্ৰায়েই লৈ যায়। অকলৈ ঘৰত এৰি থৈ যাব নোৱাৰে। অসমৰ বিভিন্ন ঠাইত আৰু ভাৰতত ফুৰোঁতেও তেখেত এইদৰে [illegible]গে ভাগে যায়। নেওগৰ খোৱা-বোৱা, পিন্ধা-উৰা আদিত বিশেষ [illegible]ৰ নাই। অনাচাৰ আৰু অত্যাচাৰ দুয়োটাৰপৰা তেখেত [illegible]ক। পূৰ্বপুৰুষৰ সজ আচাৰ-ব্যৱহাৰবিলাক তেখেতে পা[illegible]বলগীয়া কথা বুলি নাভাবে।

নেওগে লিখা-পঢ়া অনেক কৰিছিল, বিভিন্ন বিষয় চৰ্চা কৰিছিল। নানা আনুষ্ঠানিক কামৰ গুৰি ধৰিছিল। কিন্তু হাবিত ফুলা ফুলৰ নিচিনা নাছিল। সভা, সমিতি আৰু অন্যান্য সাধাৰণ অসাধাৰণ লোকৰ সমাগমত তেখেতক পোৱা গৈছিল। বং তামাছা, খুহুটীয়া কথা আদিলৈও তেখেতৰ সময় আছিল। ঘৰৰ লাগতিয়াল কামবিলাক কৰিবলৈ, বিপদে-সম্পদে ওচৰ-চুবুৰীয়া আৰু বন্ধু-বান্ধৱৰ বা-বাতৰি লবলৈ আৰু হাট-বজাৰ আদি কৰিবলৈও তেখেতে সময় উলিয়াব পাৰিছিল। ইয়াৰ উপৰিও চৰ্কাৰী কাম সুখ্যাতিৰে কৰি, অসমীয়া সাহিত্যত যাউতিযুগীয়া সম্পদ দি যাব পাৰিছিল।

১৯২১-২২ চনত আমি তেখেতক প্ৰথমতে অকল কবি বুলিয়েই ভাবিছিলোঁ। কিন্তু তেখেত অকল কবিয়েই নহয়। ভাবপ্ৰবণতা তেখেতৰ আছিল যদিও তাক সময়ত সামৰি একলীয়াকৈও থব পাৰিছিল। বিবিধ ধৰণৰ, ইটোৰ লগত সিটোৰ সম্বন্ধ নথকা, অনেক কাম তেখেতে নিয়াৰিকৈ কৰিব পাৰিছিল। অসম ছাত্ৰ সন্মিলনৰ দায়িত্বপূৰ্ণ বিষয়-বাব, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক, সভাপতি, অনেক চৰ্কাৰী-বেচৰ্কাৰী সমিতিৰ সভ্য, আৰু অনেক সৰু ডাঙৰ অনুষ্ঠানৰ কৰ্ণধাৰস্বৰূপে তেখেতে সুখ্যাতি লাভ কৰিছিল। তেখেত সাহিত্যৰ বুৰঞ্জী লিখক অকল অসমীয়াতেই নহয়, ইংৰাজীতো। হাড়ে-হিমজুৱে অসমীয়া হিচাবে, তেখেতৰ বিবিধ লিখাৰপৰাই চিনিব পাৰি। অসমীয়াৰ নিজস্ব সম্পদ বিহুনামৰ সমষ্টি 'আকুল পথিক' তেখেতৰেই সংগৃহীত পুথি। তেখেতৰ কথা কোৱাত মাজে মাজে অসুবিধা হ'লেও গীতৰ সুৰ দি লোকক শিকাব পাৰে। নিজে সবাহত নাম দিব পাৰে। কটন কলেজৰ ছাত্ৰাবাসত পতা জন্মাষ্টমীত তেখেতে নাম লগাই দিয়া আজিও ভালকৈ মনত আছে। অন্যান্য আৱশ্যকীয় বহুত কামেই তেখেতে কৰিব পাৰে। কিন্তু এই আটাইবিলাকৰ ওপৰত 'ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ সংস্কৰণ' শিৱসাগৰৰ দীখৌ পাৰৰ কমাৰফদীয়া গাঁৱত ওপজা নেওগ এজন কবি। কবি হিচাবে দেশ-প্ৰেমিক আৰু দাৰ্শনিক। তেখেতৰ দেশপ্ৰেমৰ নিদৰ্শনস্বৰূপে কোৱা, অন্তৰৰ শত বেদনাৰ প্ৰকাশ 'চন্দ্ৰকান্ত কি কৰিলি' কথাষাৰে আনৰ মনলৈ কি ভাব আনে ক'ব নোৱাৰোঁ, কিন্তু আমাৰ অন্তৰ ভাগ্য বিপৰ্যয়ৰ বেদনাত কাতৰ হৈ পৰে।

৺নেওগ আৰু ৺শুকদেৱ [illegible]াদ্যোগত প্ৰকাশ হোৱা, তেখেত-সকলৰে সম্পাদিত 'জন্মভূমি'ত [illegible] প্ৰকাশিত গল্প 'ভাগ্য বিপৰ্যয়', আৰু নেওগৰেই সম্পাদনাত [illegible] প্ৰকাশ হোৱা আলোচনামূলক

দীঘলীয়া প্ৰবন্ধ 'ওমৰ খায়াম' আৰু অন্যান্য কবিতা আদি নেওগৰ উৎসাহ-তেই প্ৰকাশ হৈছিল। অৱশ্যে ৺শুকদেৱ গোস্বামীদেৱেও সকলো বিষয়তে বৰ মৰমেৰে সহায় কৰিছিল। আমি গুৱাহাটীৰ কটন কলেজৰ প্ৰথম বাৰ্ষিকত নাম লগাবলৈ যাওঁতে গোসাঁইদেৱে আমাৰ আগ-গুৰি ধৰি, প্ৰথম কলেজ আৰু ছাত্ৰাবাসৰ আচহুৱা ভাবটো ভাঙি দিয়াত যিমান যত্ন ললে আৰু নিজৰ ভাই-ককাইৰ দৰে যেনেকৈ ভালে দিনলৈকে লৈ ফুৰালে, তাক কেতিয়াও পাহৰিব নোৱাৰোঁ। তেখেতৰ লগতে ৺নেওগো এজন। অৱশ্যে তেখেত বেচি ভাগ ছাত্ৰাবাসৰ বাহিৰত থাকিবলগীয়া হোৱাত, সিমানকৈ লগ ধৰিব নোৱাৰিছিল।

দুখৰ বিষয় আমি গোসাঁইদেৱৰ লগ বেচিদিন লবলৈ নাপালোঁ। তেখেত অলপ দিনৰ পাচতে লণ্ডন বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীত পঢ়িবলৈ গ'ল। ৺নেওগক কেন্দ্ৰ কৰি গঢ়ি উঠা সাহিত্যৰ চক্ৰটোত আমাৰ কেবাজনো সোমাই পৰিছিল। তাৰ ভিতৰত ৺পাৰ্বতিপ্ৰসাদ বৰুৱা, শ্ৰীযোগকান্ত বৰুৱা, শ্ৰীশশীচন্দ্ৰ বৰবৰুৱা আদিৰ নাম মনত আছে। সমসাময়িক আৰু কেবাজনৰো সৈতে আমাৰ সম্পৰ্ক গঢ়ি উঠিছিল যদিও তেখেত অকল ছাত্ৰাবাসৰ বাহিৰত থকা কাৰণে আমাৰ লগত বিশেষ ঘনিষ্ঠতা নহৈছিল। আমাতকৈ সকলো পিনে জ্যেষ্ঠ কাৰণে মুখেৰে প্ৰতিবাদ কৰিবলৈ ভাল নাপাইছিলোঁ যদিও আমি দুই-চাৰিৰ মত ৺নেওগৰ লগত নিমিলিছিল। ভাৰতৰ অন্যান্য সংস্কৃতমূলক ভাষাৰ শব্দ, কোনো দোষ নোহোৱাকৈ, আমাৰ ভাষাত ব্যৱহাৰ কৰিব পাৰিলেও নেওগে তেনেকৈ ব্যৱহাৰ কৰিবলৈ বেয়া পাইছিল। আমাৰ স্বতন্ত্ৰীয়া ভাষাটো আৰু স্বতন্ত্ৰীয়া কৰিবৰ নিমিত্তে, কিছুমান অকল অসমতহে ব্যৱহাৰ হোৱা শব্দ বা অসমীয়াৰ মুখত পৰি বিশেষ গঢ় লোৱা সংস্কৃতমূলক শব্দ তেখেতে ব্যৱহাৰ কৰা উচিত বুলি কৈছিল। মুঠতে আমাৰ এদলে আন ভাৰতীয় ভাষাৰ ওচৰ চপাত আছিলোঁ, আৰু নেওগ প্ৰমুখ্যে জনচেৰেক তাৰ বিপৰীত আছিল। এই মতভেদৰ এটা সাধাৰণ উদাহৰণ, হৈছে 'মুখপত্ৰ' আৰু 'মুখপাত'। আমি লিখিব খোজোঁ অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন'। তেখেতসকলে মুখপত্ৰৰ ঠাইত মুখপাত কৰিব খোজে। আমি সাহিত্যৰথী বেজবৰুৱাৰ সৰল সহজ অসমীয়া আৰু অন্যতম সাহিত্যৰথী গোহাই বৰুৱাদেৱৰ গহীন, গম্ভীৰ সংস্কৃত শব্দৰ বেচি ব্যৱহাৰ থকা ভাষাও [illegible]ভাল পাওঁ। আনৰ পক্ষে অসমীয়া ভাষা-সাহিত্যক নিৰ্বাসিত [illegible] কথাটো যেতিয়া দুঃসাধ্যত পৰিণত হ'ল, যেতিয়া অসমীয়া সা[illegible] নিজ আসন লৈ সুপ্ৰতিষ্ঠিত হ'ল

তেতিয়া এই সামান্য মতভেদ আপোনা-আপুনি আঁতৰি গ'ল। নেওগৰ সাহিত্য সমালোচনা কৰা আমাৰ প্ৰবন্ধৰ উদ্দেশ্য নহয়, এই লিখকৰ যোগ্যতাৰে সিমানলৈ আগ বঢ়াও উচিত নহব। ইয়াত, কথা প্ৰসঙ্গত আৱশ্যক বুজি এই দুষাৰ উনুকিওৱা হ'ল।

ৰোম আৰু গ্ৰীচৰ বীৰসকলে যুদ্ধৰ সময়ত যুদ্ধৰ নেতৃত্ব কৰি পাচত নিজ নিজ গাঁৱৰ খেতি-বাতিলৈ ঘূৰি যোৱাৰ দৰে, সাহিত্য চৰ্চাৰপৰা নেওগেও জটিল সাংসাৰিক গৃহস্থালী কামলৈ গৈ, সময়মতে আত্মনিয়োগ কৰিব পাৰিছিল। তেখেত মিতব্যয়ী আৰু পৰিশ্ৰমী আছিল। শিক্ষকৰ সামান্য উপাৰ্জনেৰে তেখেতে যোৰহাট, গুৱাহাটী আদিত নিজাকৈ ঘৰ কৰিব পাৰিছিল। কিতাপৰপৰা তেখেতে কি উপাৰ্জন কৰিব পাৰিছিল তাক আমি কব নোৱাৰোঁ। পাচৰ ছোৱাত অলপ উপাৰ্জন হৈছিল যদিও আগৰ ছোৱাত বিশেষ কিবা হোৱা গম নাপাওঁ। যোৰহাটত শিক্ষকতা কৰি থাকোঁতে তেখেত শিৱসাগৰৰ ঘৰৰপৰা প্ৰায় ডেৰ কুৰি মাইল বাইচকোলেৰে আহি পুৱা যোৰহাটত সময়মতে স্কুল পায়হি। এইদৰে তেখেতে প্ৰায় শনিবাৰে বা কোনো বন্ধৰ আগদিনা যোৰহাটৰপৰা গৈ শিৱসাগৰৰ কমাৰফদীয়া পায়গৈ আৰু পাচত পুৱা যোৰহাটত স্কুল পোৱাকৈ আহে। সেই সময়ত আজিকালিৰ দৰে বাচৰ চলাচল নাছিল। নেওগে বাইচকোলত চাউল-পাত, আনকি তাকৰীয়াকৈ জলপানৰ ধানো বান্ধি আনিবলগীয়া হয়। মই জাঁজী হাইস্কুলত কাম কৰি, জাঁজীৰ জামুগুৰিত ঘৰ লৈ থাকোঁতে, তেখেত আহোঁতে যাওঁতে প্ৰায়েই আমাৰ ঘৰত সোমাই জিৰাই-শঁতাই যায়। গুৱাহাটীতো ঘৰুৱা কামত ব্যস্ত হৈ থকা অৱস্থাত তেখেতক মই বহুত দিন লগ পাইছোঁ। তেখেত পৰলোক হোৱাৰ মাহ-চেৰেকৰ আগতে এদিন জাবকালিৰ পুৱা ছয় বজাত তিনিচুকীয়াৰ বাচত গুৱাহাটীৰপৰা ঘৰলৈ আহোঁতে তেখেতক, ঘৰৰ চোতালত ৰেহা লগাই ইটা জাপি থকা দেখি আহিছিলোঁ। এইদৰে পৰিশ্ৰম কৰি, গুৱাহাটীৰ দিশপুৰৰ তেখেতৰ ঘৰটি অসুখৰ আগতে সম্পূৰ্ণ কৰি থৈ যাব পাৰিলে। পৰৰ ওপৰত নিৰ্ভৰ নকৰি সৰু-সুৰা ঘৰুৱা কাম ভালেখিনি নিজে কৰিছিল। প্ৰায় ডেৰ মাইল বাট খোজ কাঢ়ি গৈ গুৱাহাটীত দোকান-বজাৰ কৰা তেখেতে টান নাপাইছিল। মই গুৱাহাটীত, মোৰ ভাই শ্ৰীশিৱপ্ৰসাদ বৰুৱাৰ দিশপুৰৰ ভৰলুৰ দলঙৰ ওচৰত থকা ঘৰত থাকোঁতে, তেখেত এইদৰে অহা-যোৱা কৰোঁতে [illegible] সোমাই যোৱা লগ পাইছোঁ। এইদৰে লগ পাই আগৰ কথাবোৰ [illegible] ল পাওঁ, বিশেষকৈ তেখেতে ক'লে আৰু শুনিবলৈ ভাল হয়। [illegible]

নেওগ কৰ্তব্যপৰায়ণ আৰু আশাশুধীয়া কৰ্মী। তেখেত সাহিত্য সভাৰ সভাপতি হৈ থাকোঁতে মই আছিলোঁ উপ-সভাপতি। কাৰ্য্য-নিৰ্বাহক সভাৰ বৈঠকত সভাৰ সভাপতি হিচাবে অনুষ্ঠানৰ বিশেষ কাম কৰিবলৈ নোপোৱাত বা নোৱাৰাত দুখ প্ৰকাশ কৰা কেবাবাৰো দেখিছোঁ। তেখেতক সকলো কাম নিয়াৰিকৈ লাগে। সভা সমিতিৰ সভাপতি-স্বৰূপে তেখেতে সভাৰ শৃঙ্খলা ৰক্ষা কৰাত আৰু সভ্যসকলৰ সভাৰ কাৰ্য্যত একান্ত মনোযোগ বিচাৰে। এই বিষয়ত তেখেতক সময়ে সময়ে কোনোৱে বেয়াও পাইছিল যদিও, পাচত কাৰ্য্যৰ গুৰুত্ব আৰু দায়িত্ব উপলব্ধি কৰি তেনে ভাব নাৰাখিছিল। তথাকথিত চলিত, কিছুমান সামাজিক নিয়ম-কাৰণৰ তেখেত পক্ষপাতী নাছিল যদিও কোনোমতে নিজক খাপ্ খুৱাই চলিছিল। অৱশ্যে তেখেত অলপ জেদীও আছিল।

মই জাঁজীত একে ঠাইতে আৰু তেখেতে চৰ্কাৰী চাকৰিয়াল হিচাবে অসমৰ অনেক ঠাইত ঘূৰি ফুৰাত আৰু শেষত গুৱাহাটীত থাকিবলৈ লোৱাত আমাৰ আগৰ পাৰস্পৰিক সান্নিধ্য নোহোৱা হৈছিল যদিও, কেতিয়াবা দেখা দেখি হ'লে, একেবাৰে আগৰ অৱস্থা আহি পৰে। আন বহুতৰ দৰে মোৰো তেখেতৰ লগত কিছুমান কথাত মত নিমিলিছিল, তথাপি তেখেতৰ প্ৰতি মোৰ শ্ৰদ্ধা অটুট আছিল। মই ভাবোঁ, মই নেওগক ভালকৈ চিনি পাইছিলোঁ। আমাৰ মত নিমিলা কথাবিলাক তেখেতেও মোৰ আগত নুলিয়াইছিল আৰু ময়ো সেইবোৰৰপৰা সাৱধানে আঁতৰত আছিলোঁ। দোষে গুণেহে মানুহ। সমূলি দোষ নোহোৱা হ'লে মানুহেই দেৱতা হ'লহেঁতেন আৰু সমূলি গুণ নথকা হ'লে মানুহ পিশাচ হ'লহেঁতেন। এই দুয়োটা হবলৈ মানুহক নিজৰ স্বভাৱেই নিদিয়ে। মানুহ মানুহ হৈয়ে থাকিব লাগিব। নেওগৰ দোষৰ কথা আনে কোৱা শুনো। আমি তাৰ ভাগ লবলৈ বেয়া পাওঁ। যি কথাত লাগে তেখেত জাঁকোৰ গোঁজালিকৈ লাগে। তেখেতৰ মত খণ্ডন কৰিবলৈ বৰ টান। আমি ভাবোঁ তেখেতে বহুত জঞ্জাল নিজে নিজে বঢ়াই লয়। এই জঞ্জাল-বিলাকত নোসোমোৱা হ'লে, আৰু বহুত কাম কিজানি আগতেই কৰিব পাৰিলেহেঁতেন। আমি জনাত, তেখেতৰ এই মাৰাত্মক অসুখটোৰ কথা সমূলি নাভাবিছিল। আৰু ভালে [illegible] দিন সুস্থভাৱে থাকিব পাৰিব বুলিয়েই, কেবাটাও নতুন কাম হা[illegible] লৈছিল আৰু গোটা চেৰেক লম বুলি ভাবিছিল। এদিন ৰাতি [illegible] ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰপৰা সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক [illegible]াডি দিশপুৰলৈ একেলগে খোজ কাঢ়ি যাওঁতে এইবিলাক [illegible], লগতে সংস্কৃত চৰ্চাৰ কথাও

কৈছিল। তেখেতৰ মতে সংস্কৃততকৈ সুন্দৰ শুৱলা আৰু চহকী ভাষা পৃথিৱীতেই নাই, আৰু সেই কাৰণেই আন আন দেশৰ মানুহে সংস্কৃতৰ চৰ্চা কৰিছে। তেখেতে দুখ কৰি কৈছিল, এনে এটা ভাষাক নিজৰ দেশখনে অৱজ্ঞা কৰিছে। তেখেতৰ মতে সকলো কথা পাতল আৰু অনাৱশ্যকীয়ভাৱে সহজ হৈ যোৱাৰ কাৰণেই উচ্ছৃংখলতা বাঢ়িছে। আমি শান্তি ভাল পাওঁ। নেওগেও শান্তি ভাল নোপোৱা নহয়। কিন্তু নিজৰ মত প্ৰতিষ্ঠিত কৰিবলৈ বা তেখেতে দোষী বুলি ভবা লোকক এসেকা দিবলৈ কৰা চেষ্টাই তেখেতক অশান্তিৰ মাজত সোমাবলৈ বাধ্য কৰে। সকলো কথাতে মানুহৰ মাজত দুটা দল হৈ পৰাৰ দৰে নেওগৰ বিষয়তো, হকে বিহকে দুটা দল হৈ পৰা স্বাভাৱিক। যিমানেই হওক নেওগৰ প্ৰতিভাই এইবিলাক তল পেলালে। আজি তেখেতৰ বিপক্ষে কওঁতা ওলাব বুলি নাভাবোঁ। এইটো ঠিক, তেখেতৰ যুগটোত, অসমীয়া সাহিত্যৰ গুৰি ধৰোঁতা 'সব্যসাচী' সকলৰ ভিতৰত তেখেতো এজন।

লক্ষীমপুৰৰ সাহিত্য সভাৰ পাচত নেওগক দেখিবলৈ নাপালোঁ। বিশেষ অসুখৰ কথাও গম নাপালোঁ। অসুখৰ কাৰণে তেখেত ডিব্ৰুগড়লৈ যোৱা বুলি শুনাৰ লগে লগেই পৰলোক হোৱাৰ সংবাদো পালোঁ। মৰণৰ হাত কোনেও সাৰিব নোৱাৰে। মৰণেও নেওগক অমৰ কৰি ৰাখিব।

ডিম্বেশ্বৰ নেওগ—মানুহজন

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা

যেতিয়াই স্বৰ্গীয় ডিম্বেশ্বৰ নেওগৰ কথা মনত পৰে তেতিয়াই মোৰ স্মৃতিত তেখেতৰ এফাঁকি কবিতা জাগি উঠেহি :

থুপি তৰাবাহে হাঁহিলে এবেলি
এবেলি হাঁহিলে জোনে,
অখিল ধৰণী হাঁহিলে এবেলি
নাহাঁহি পাৰিব কোনে ?

নেওগৰ লগত মোৰ প্ৰথম পৰিচয় ঘটিছিল ১৯৩০ চনত—গুৱাহাটীত। আমি স্কুলত পঢ়া কালত নেওগ, অতুল হাজৰিকা, বিনন্দ বৰুৱা এই তিনিজনৰ কবিতা 'বাঁহীৰ' পাতত আমি পঢ়িবলৈ পাওঁ। নৌ-দেখোঁতেই নেওগহঁত আমাৰ মানসপটত কবি হিচাবেই আছিল। ১৯৩০ চনত কিছুদিনৰ কাৰণে তেতিয়াৰ সাপ্তাহিক অসমীয়া কাকতৰ সম্পাদনা কৰিছিলোঁ। তেতিয়া স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালা জীয়াই আছিল। গুৱাহাটীৰ খাৰঘুলিত থকা নিউপ্ৰেছৰপৰা ওলোৱা সাপ্তাহিক অসমীয়াৰ লগতে স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী'ও তাৰপৰাই ওলাইছিল। অসমীয়াৰ সম্পাদকেই বাঁহীৰ প্ৰবন্ধ পাতিও সম্পাদনা কৰিছিল। স্বৰ্গীয় বেজবৰুৱা ডাঙৰীয়াই সম্বলপুৰৰপৰা কাহিনি-খাৰলি আদি তেখেতৰ নিজা লিখাখিনি পঠিয়াই দিছিল আৰু ... উক ... অংশ 'বাঁহী'ৰ ফাইলৰপৰা অসমীয়াৰ সম্পাদকে বাছি দি... ...মাৰ আগৰৱালাৰ ওচৰলৈ আহে।

সেই সময়ত নেওগ প্ৰা... ...ছিল আৰু আগৰৱালায়ো নেওগক কাৰণ নেওগে আগৰৱালাৰ... ...সময়ে বাঁহীৰ প্ৰবন্ধ-পাতি বাছৰৰ ভাল পাইছিল। সে... ...সময়তে তেখেতৰ কবিতাৰ পুথি নিত নেওগেও সহায় ক...

ইন্দ্ৰধনু প্ৰকাশ হয়। বৰ্তমান নগাঁও কলেজৰ অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্মাও গুৱাহাটীত আছিল। নেওগৰ ইন্দ্ৰধনুৰ সমালোচনা এটি তেখেতৰ হতুৱাই কৰাই অসমীয়াত প্ৰকাশ কৰিলোঁ। সেই সূত্ৰেই নেওগৰ লগত কবি-সম্পৰ্ক স্থাপিত হ'ল।

বছৰ দিয়েকৰ পাচত নেওগ যেতিয়া যোৰহাট উচ্চ ইংৰাজী স্কুলৰ শিক্ষক হৈ আহিল আৰু তৰাজানত নিজা ঘৰ ললে তেখেতৰ লগত ঘনিষ্ঠতা বাঢ়ি আহিল। তেখেতৰ অনুৰোধ এৰাব নোৱাৰি প্ৰায়েই তৰাজানলৈ যাওঁ। তাতে তেখেতৰ প্ৰিয়তমা ভাৰ্য্যা স্বৰ্গীয়া আজলীতৰা নেওগ এগৰাকী বৰ লখিমী তিৰোতা আছিল। স্বৰ্গীয় বেণুধৰ ৰাজখোৱাৰ বংশ-পৰম্পৰা আৰু নেওগৰ কবিসুলভ ভাবধাৰাৰ মাজত আজলীতৰাৰ পোহৰত নেওগৰ কবি-মানসত বিবিধ কবিতাৰ ছন্দ ধ্বনিত হ'ল। সুনীল আকাশত তৰাৰ শৰাই সজাই যেতিয়া বিশ্বপ্ৰকৃতিয়ে জেউতি বিলায়, তেতিয়া নেওগে গাইছিল :

খুপি তৰাবাহে হাঁহিলে এবেলি
এবেলি হাঁহিলে জোনে,
অখিল ধৰণী হাঁহিলে এবেলি
নাহাঁহি পাৰিব কোনে ?

তেতিয়া নেওগ আনন্দৰ সাগৰত ওপঙি ফুৰা মুখত মিচিকিয়া হাঁহি ভৰা কেঁকোৰা-কেঁকুৰি চুলিৰে সেওঁতা ফলা এজন কবি। বাটত দেখা পায়েই দুয়ো দুয়োলৈ চাই হাঁহিৰেই কথা-বাৰ্তা হৈছিলোঁ।

আজলীতৰাৰ লগত নেওগ আছিল এজন অজলা ভকত। ৰসময়ী ভক্তিৰ সোঁতত আপ্লুত হৈ আছিল এই দম্পতি যুগল। সেই কাৰণে নেওগৰ ঘৰত শ্ৰদ্ধা, চেনেহ, আদৰ-সাদৰৰ অভাৱ নাছিল। সেইবুলি তেখেতৰ ঘৰুৱা জীৱন অসংযত বা কোলাহলপূৰ্ণ নাছিল। সম্ভ্ৰান্ত পৰিয়ালৰ সকলো আদৱ-কায়দাৰে ল'ৰা-ছোৱালী ডাঙৰ-দীঘল হৈছিল। ঘৰখনত আছিল এটা সাংস্কৃতিক প[illegible]ৱেশ।

সেই সময়ত আমাৰ আটাইতকৈ [illegible] আৰু পোন-প্ৰথম সাংস্কৃতিক অনুষ্ঠান বাণী-সন্মেলনৰ পূৰ্ণপয়োভ[illegible] যোৰহাট থিয়েটাৰ ঘৰত। নেওগৰ গোটেই পৰিয়ালেই ব[illegible] কৰিছি[illegible] অৰিহণা যোগাইছিল। নৃত্য-নাটিকা, গীত, বাদ্য, নৃত্য [illegible]ত হেন্দুলি উঠা সন্ধিয়াৰ সেই সমাবেশৰ মাজত নেওগ এজ[illegible] মাতি [illegible]বি হৈ ডুব গৈ আছিল।

কিন্তু মানৱ-জীৱন পানীৰ তলৰ কাঁইট। কেতিয়া কোন মুহূৰ্তত কি ঘটে কোনেও নাজানে। নেওগৰ সোণৰ সংসাৰখন আথানি-এৰানি কৰি তৰাজানত এদিন তেখেতৰ প্ৰিয়তমা ভাৰ্য্যা আজলীতৰাই চকু মুদিলে। এটি কেঁচুৱা বুকুত লৈ নেওগে চকুৰ পানী টুকিলে। হাঁয় নিঠুৰ কাল!

অৱস্থাৰ ওচৰত আত্মসমৰ্পণ কৰা বিধৰ লোক নেওগ নহয়। অসীম ধৈৰ্য্যৰে ল'ৰা-ছোৱালী কেইটিক সান্ত্বনা দি নেওগে ঘৰুৱা জীৱনৰ সকলো দায়িত্ব লবলৈ সাজু হ'ল। আজলীতৰাৰ শিক্ষা পোৱা ছোৱালী কেউটিয়ে নেওগক সহায় কৰিলে।

এদিন জাৰকালি পুৱা তেখেতৰ ঘৰলৈ গৈছিলোঁ। বুকুতে কেঁচুৱাটো সুমাই লৈ নেওগে অসমীয়া ভাষা আৰু সাহিত্যৰ ইংৰাজী সংস্কৰণৰ পাঠ-খিনি টাইপ কৰি আছে। তৎক্ষণাত নেওগে ছোৱালী এটিক চাহ চাহ বুলি ক'লে আৰু খন্তেকৰ পাচত আমাৰ দুয়োৰে কাৰণে দুকাপ চাহ আহিল। আতিথ্যত নেওগৰ শ্ৰদ্ধা অসীম। আজলীতৰা নেওগৰ শ্ৰাদ্ধৰ দিনা প্ৰত্যেক বছৰে তেখেতৰ ঘৰত এটি মনোজ্ঞ অনুষ্ঠান হয়। ধূপ-ধূনাৰ পবিত্ৰ গন্ধৰ মাজত গীতা, নামঘোষা আৰু গুণগ্ৰাহীসকলৰ শ্ৰদ্ধাৰ্ঘ্য-দানৰ অন্তত পৰিপূৰ্ণ জলযোগ হয়। সেই অনুষ্ঠানলৈ মাতিবৰ কাৰণে মোৰ ওচৰলৈ নেওগ নিজে যায়। মাত্ৰ ইঙ্গিত এটি দিয়ে 'কাইলৈ সেই তিথি। আপুনি থাকিবই।'....

নেওগৰ বিয়া উপলক্ষে বিয়াৰ দিনা মই এটি কবিতা লিখি থৈছিলোঁ। মোৰ ডায়েৰীৰ পাতৰপৰা সেই কবিতাটো নি আজলীতৰাৰ প্ৰথম বাৰ্ষিক শ্ৰাদ্ধ-তিথিত পাঠ কৰিলোঁ। নেওগৰ দুধাৰে চকু-লো বিয়পি গ'ল।

এবাৰ বাণী-সন্মেলনৰ মেঘদূত অধিবেশনত নেওগক 'সদস্য'-ৰূপে আহ্বান কৰা হৈছিল। (সভাপতিক বাণী-সন্মেলনে সদস্য বুলিছিল।) প্ৰিয়াহাৰা নেওগ সেইদিনা বিৰহী-যক্ষৰ দৰেই বিৰহানলত দগ্ধ হৈছিল। তেখেতে যি-টি ভাষণ দিলে তাত তেখেতৰ গভীৰ অধ্যয়ন, ৰসবোধ আৰু পাণ্ডিত্য ফুটি উঠিছিল। প্ৰায় [illegible]নিট সময় সভাস্থ সকলো নিমাত-নিস্তব্ধ হৈ আছিল। নেওগে[illegible]ওক এ[illegible]ত অলপ খোনায় কিন্তু যেতিয়া তেখেতৰ ভাবোচ্ছ্বাস আ[illegible]ৰ কৈ যাব পাৰে। নাজিৰাত অসম সাহিত্য সভাৰ লগ[illegible]ন্মিলনত স্বৰ্গীয় নেওগে সভাপতি হিচাবে 'সেই ওঙ্কাৰধ্বনি'ৰ [illegible]ণ দিলে সেই ভাষণত নেওগৰ কবি প্ৰাণ ন-কৈ জাগি[illegible]ওগে যেন সেইদিনা আহ্বান কৰিছিল :

'উঠাহে উৰ্বশী উঠাহে প্ৰেয়সী
উঠা যৌৱনৰ সাদৰীসখা।......

স্বভাৱতে নেওগ এজন কবি ভাবুক, তত্বান্বেষী আৰু ভাষা-সাহিত্যৰ পূজাৰী আছিল। বাটে-পথে লগ পালেও আমাৰ এইবিলাক কথাইহে প্ৰাধান্য লাভ কৰিছিল।

নেওগ যেতিয়া নৰ্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট পদত আছিল তেতিয়া তেখেতৰ এটি ছোৱালীৰ বিয়া হৈছিল। বিয়াৰ নিমন্ত্ৰণ পত্ৰত তেখেতে অভ্যৰ্থনাৰ সময়খিনি ধৰি দিছিল। এই কথাৰ বাবে অনেকৰ চোকা সমালোচনা তেখেতৰ কাণত পৰিছিল। কিন্তু এই কথাটো তেখেতে মোৰ লগত আলোচনা কৰিছিল। আমাৰ বিয়া-সবাহ আদি হ'লে দিন ৰাতি ছেদভেদ নোহোৱাকৈ লেঠেৰি নিছিগা কিবা এটা হৈ ছে হৈ পৰে। নেওগে নিয়মানুবৰ্তিতা আৰু সুশৃঙ্খলাবদ্ধ প্ৰণালীহে ভাল পাইছিল। পৰীক্ষামূলকভাৱে তেখেতে অভ্যৰ্থনাৰ সময় এটা বান্ধি দিছিল। আনহাতে নেওগে কাৰো সমালোচনালৈ ভয় নকৰিছিল। যি-টো কৰিম বুলি মন বান্ধিছিল সেইটো নকৰাকৈ তেখেত ক্ষান্ত নহৈছিল। অন্তৰেৰে তেখেত অতি ঈশ্বৰ বিশ্বাসী আছিল। ধৰ্মৰ প্ৰতি তেখেতৰ গভীৰ শ্ৰদ্ধা আছিল।

উত্তৰ লক্ষীমপুৰত হোৱা অসম সাহিত্য সভাৰপৰা মই, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী (অধ্যাপক), শ্ৰীমহেন্দ্ৰনাথ সভাপণ্ডিত নেফাৰ জিৰ'লৈ গৈছিলোঁ। তাত মোৰ বৰ জোঁৱাই শ্ৰীগিৰীন্দ্ৰনাথ ভট্টাচাৰ্য্য ই-এ-চি হৈ আছে। তেওঁ যোৱাৰ কাৰণে পাছ আৰু জীপ আদি দিছিল। আমি যোৱাৰ পাচদিনা পুৱা জোঁৱাইক ডেপুটী কমিছনাৰ মেজৰ আৰ-এচ-নাগে মতাই নি খবৰ দিলে বোলে উত্তৰ লক্ষীমপুৰৰ মহকুমাধিপতিয়ে টেলিফোন কৰিছে আজি সাহিত্যিক ডিম্বেশ্বৰ নেওগ, তেখেতৰ ছোৱালী এজনী আৰু ল'ৰা এটি আহিব। লগত মহকুমাধিপতিয়ে এজন আন বিষয়াও পঠিয়াই দিছে। তেতিয়াই ফোন কৰি কিমিন্ গেটলৈ ডেপুটী কমিছনাৰে খবৰ দিলে যে, নেওগৰ গাড়ী আহি [illegible]হি তেখেতসকলক ইনাৰ লাইনত সোমাবলৈ গেট এৰি দিব। [illegible] পাছ পঠিয়াই দিম।

তেতিয়াই ঠিক হ'ল যে নেও[illegible]ৰ দল আহি মোৰ জোঁৱাইৰ তাতে দুপৰীয়া খাব। বৰ-জী[illegible] আনন্দ হ'ল। বিশেষ কাম থকা বাবে অধ্যাপক গো[illegible]শ্ৰীমহেন্দ্ৰ সভাপণ্ডিত উত্তৰ-লক্ষীমপুৰলৈ উলটি আহিল। [illegible]

নেওগৰ কপাল বৰ ভাল[illegible] আপাতানি এটাই বৰ [illegible]

ডাঙৰ পহুৰ পিচ-পিৰা এটা দিছিল। বৰ-জীয়ে উলাহেৰে বন্ধা-বঢ়াত মন দিলে। সেইদিনা দুপৰীয়াৰ সেই ভোজন মনত থকা এটি কথা। নেওগ, তেখেতৰ সৰু ল'ৰাটি আৰু তেখেতৰ জীয়েক শ্ৰীমতী সপোন মধুৰি, মই আৰু বৰ-জোঁৱাই—একেলগে বহি খাইছোঁ। পৰ্বতীয়া পহুৰ মঙহ নেওগে বৰ ভাল পালে। বৰ আনন্দ মনেৰে ভোজন সমাপ্ত কৰা হ'ল। ডেপুটী কমিছনাৰ শ্ৰীনাগ এজন শিখ্। যোৱা মহাযুদ্ধত মেজৰ হৈ আছিল আৰু স্বাধীনতাৰ পাচত পিকিঙত থকা ভাৰতীয় দূতাবাসত এজন উচ্চ বিষয়া হৈ কাম কৰিছিল। চেহেৰা বৰ ৰাজসিক কিন্তু আচৰণ অতি অমায়িক আৰু সাত্বিকতাপূৰ্ণ। শিখ্ ধৰ্মৰ প্ৰতি তেখেতৰ অসীম শ্ৰদ্ধা। পৰিয়াৰ গৰাকীও উচ্চশিক্ষিতা। মোক জোঁৱায়ে আগদিনা গধূলি তেখেতৰ ঘৰলৈ নি চিনাকি কৰি দিওঁতেই কথা হ'ল—পাচদিনা গধূলি চেণ্ট্ৰেল ক্লাবত মিটিং হব। মই এটা কবিতা শুনাব লাগিব। পাচদিনা যেতিয়া নেওগ গ'ল নেওগকো নিমন্ত্ৰণ কৰিলে। গধূলি ক্লাবত উভয়ৰে কাৰণে সম্বৰ্ধনা সভা, অফিচাৰৰ ক্লাবত কফী খোৱা আৰু ৰাতি ডেপুটী কমিছনাৰৰ ঘৰত ৰবা-খানা।

জোঁৱায়ে নেওগৰ পাৰ্টীক আপাতানিবিলাকৰ গাঁও দেখুৱাবলৈ নিলে। মই গধূলিৰ কাৰণে কবিতা এটি বিচাৰি ধ্যানস্থ হ'লোঁ।

সন্ধ্যাৰ আগে আগে গাঁও চাই নেওগহঁত উলটি আহিল। চাহ খাই কিছুপৰ বিশ্ৰাম কৰাৰ পাচত ডেপুটী কমিছনাৰৰ গাড়ী আহি উপস্থিত, ক্লাবলৈ যাব লাগে। তাত ক্লাব এটা, সমূহীয়া—চেণ্ট্ৰেল ক্লাব; তাত উচ্চ বিষয়াৰপৰা আৰম্ভ কৰি সকলো গোট খাই সভা-সমিতি, সাংস্কৃতিক অনুষ্ঠান কৰে। আনটো অকল বিষয়া সকলৰ ক্লাব। তাত তেখেত সকলে চাহ, কফী, ভূজিয়া, গৰম পকৌৰি আদি খায় আৰু নানা প্ৰকাৰ ৰবং-খেমালি কৰি সস্ত্ৰীক যোগ দিয়ে। আমাক প্ৰথমতে নি অফিচাৰৰ ক্লাবত বহুৱালে আৰু চাহ-কফী আদি খুৱালে। তাৰ পাচত চেণ্ট্ৰেল ক্লাবত পৰিপূৰ্ণ ঘৰৰ মাজত সম্বৰ্ধন[illegible]সভালৈ নিলে। জিৰ'ত থকা সকলো কৰ্মচাৰীৰ ল'ৰা-ছোৱালীৰে ঘৰ [illegible] কৰি[illegible]। সমস্ত ডাঙৰ লোক। স্থানীয় [illegible]সম্বৰ্ধনা জনালে। নেওগ কথা নৃত্য-গীত-বাদ্যাদিৰ অন্তত [illegible]হিল [illegible]ৰমান অসমীয়া ভাষাৰে কৈ কৰবলৈ উঠিল। প্ৰথমতে [illegible]ওক এ[illegible] কৰিলে। কিন্তু কি হ'ল কব নেওগে ইংৰাজীৰে ক[illegible] des[illegible] [illegible] আৰু একো কব নোৱাৰিলে। নোৱাৰেঁ।, নেওগে আঁ ক[illegible]nilation in[illegible] পেটে পেটে অইন কিবাহে মোৰ তেতিয়া বৰ ভয় [illegible] কব নোৱাৰা হ'ল! কিবা ভাবিছিলোঁ। কি হ'ল

এটাই যেন নেওগক খুন্দা মাৰি ধৰিলে। শব্দবোৰ নুঘূৰা হ'ল। নেওগ বহি থাকিল। পাচত যেতিয়া মোৰ পাল পৰিল, মই তেখেতৰ সম্পূৰ্ণ পৰিচয় এটি দি অসমৰ এজন শ্ৰেষ্ঠ কবি-সাহিত্যিক আৰু সমালোচক হিচাবে তেখেতৰ কথা কবলৈ ধৰোঁতে মোৰ কথাৰ অন্ত নাইকিয়া হ'ল। মই যে নেওগক ভাল পাওঁ আৰু তেখেতৰ গুণৰাশিৰ ভূয়সী প্ৰশংসা কৰোঁ সেইটো সেই সভাৰ সকলোকে বুজাব পাৰিলোঁ। মোৰ আনন্দ হ'ল তাতেই। অৱশ্যে কথাখিনি ইংৰাজীতে কবলগীয়া হৈছিল যিহেতু অসমীয়াত ক'লে বহুতে নুবুজিব।

সেইদিনা লিখা 'মুংদেন চুনখাম' (সোণ বাগিচাৰ দেশ) কবিতাৰে সামৰণি মাৰি নেওগক তুলি থলোঁ শ্ৰদ্ধাৰ ওখ আসনত। নেওগ অবিচলিত, নিৰ্বিকাৰ আৰু উদাস। তাতে শ্ৰীমতী সপোন মধুৰিৰ হতুৱাই 'পাৰে পৰি হৰি' বৰগীতটি গোৱাই জিৰ'ত শ্ৰীশঙ্কৰদেৱৰ পৱিত্ৰ গীতৰ ধ্বনি এটিও থৈ অহা হ'ল।

মেজৰ নাগৰ ঘৰত তেখেতৰ পৰিবাৰে নিজে পৰিবেশন কৰা ভোজনত আমাৰ সেই সন্ধ্যাৰ সামৰণি মৰা হ'ল। পাচদিনা পুৱা আমি সকলো একেলগে উলটি আহিলোঁ।

নেওগ অসুস্থ হৈ ডিব্ৰুগড় মেডিকেল কলেজত পৰি আছেহি বুলি কাকতত বাতৰিটো পাই পাচদিনা শুনিলোঁ তেখেত আৰু ইহসংসাৰত নাই। মোৰ তেতিয়া মনত ধাৰণা হ'ল—নেওগৰ কিজানি কিবা অসুখৰ কাৰণেহে সেইদিনা সন্ধ্যা কথা কব নোৱাৰিলে। শিৱসাগৰৰ কমাৰফদীয়া গাঁৱত জন্ম গ্ৰহণ কৰি যিজন সাহিত্যসেৱীয়ে অসমীয়া ভাষা-সাহিত্যৰ সৌধ নিৰ্মাণ কৰি গ'ল—তেওঁ মৰিও অমৰ। তেওঁৰ স্মৃতি যাউতিযুগীয়া।

স্বৰ্গগত কবি ডিম্বেশ্বৰ নেওগৰ স্মৃতিত

শ্ৰীনলিনীবালা দেৱী

বহুদিনৰ আগৰ কথা মনত পৰিছে। সেইদিনা কবি ডিম্বেশ্বৰ নেওগদেৱৰ 'ইন্দ্ৰধনু'ৰে অসমৰ সাহিত্য আকাশত সাতৰঙা ইন্দ্ৰধনু সাজিছে। মুখে মুখে ইন্দ্ৰধনুৰ কথা। ইন্দ্ৰধনু কবিতাৰ ছন্দ-মাধুৰ্য্যই কবিজনক দৰ্শন কৰাৰ হেপাহ এটি মনত জগাই তুলিছিল। জীৱনৰ আগ কালছোৱা নেওগদেৱ যোৰহাটত থকাত তেখেতৰ লগত চা-চিনাকি হোৱাৰ সুবিধা পোৱা নাছিলোঁ। মন্দাক্ৰান্তা ছন্দত লিখা মেঘদূতৰ ভাঙনী আলোচনীৰ পাতত পঢ়িবলৈ পাই কবিৰ নিভাঁজ সুললিত কাব্য-প্ৰতিভাৰ প্ৰতি মোৰ অন্তৰত শ্ৰদ্ধা জাগে। অকালত নেওগৰ পত্নী বিয়োগ ঘটাত শোক পাহৰিবলৈ নেওগে যোৰহাটত সজা 'শুৱনী পজা' এৰি গুৱাহাটীৰ দিশপুৰত নিগাজী ঘৰ সাজি বাস কৰিবলৈ লয়। পত্নীক হেৰুৱাই মাউৰা সন্তান কেইটি বুকুত সাবটি লৈ পিতৃয়ে শূন্য মাতৃৰ স্থান লৈ সন্তান কেইটিক লালন-পালন কৰে। কবিৰ প্ৰিয়তমা পত্নী ৺আজলীতৰা নেওগৰ প্ৰতি বছৰে মৃত্যুতিথি পালন কৰি স্বৰ্গগতা পত্নীৰ প্ৰতি স্বামীৰ অন্তৰভৰা শ্ৰদ্ধা-প্ৰেম-নিষ্ঠা নিবেদন কৰা চানেকি হৃদয়বান পুৰুষজনৰ চৰিত্ৰৰ এটি উজ্জ্বল নিদৰ্শন। কবি-পত্নী ৺আজলীতৰা নেওগ অসমৰ সুপৰিচিত সাহিত্যিক ৺বেণুধৰ বাজ[illegible]ৰ কন্যাৰূপে তেওঁ নিজেও এগৰাকী সাহিত্য অনুৰাগিণী [illegible] ধৰ্মৰ [illegible] তেওঁ কেইবাখনো কিতাপ লিখিছে। এবাৰ এই উৎসৱৰ [illegible] [illegible]ৰিত কৰি [illegible]ভাগ্য মোৰ ঘটিছিল।

যোৰহাটত বহা[illegible] কৰি [illegible]আহিল [illegible]বেশনতেই নেওগদেৱৰ লগত চা-চিনাকি হৈ কথা[illegible] [illegible] প্ৰথম সুযোগ ঘটে। পাচত গুৱাহাটীলৈ অহাত [illegible] [illegible]মলন, অনাতাঁৰ কবি-সন্মিলনত নেওগদেৱক লগ পোৱা [illegible] ঘটি আছিল। নলবাৰী অসম সাহিত্য সভাৰ সভাপ[illegible] [illegible]ৰি দেশে কবিক সন্মানিত কৰাৰ সুবিধা কাণে কাণ [illegible] সভাপতিৰ ভাষণত দিয়া কবিৰ

স্বচিন্তিত সাৰগৰ্ভ ভাষণখনিয়ে কবিৰ সুগভীৰ জ্ঞানৰ পৰিচয় জনাজাত কৰিলে। জাতিৰ প্ৰেমৰ নিদৰ্শনস্বৰূপে সেই ভাষণৰ এষাৰি বাণী যুগমীয়া হৈ ৰব অসমীয়া জাতিলৈ——

মৰে অসম জীয়ে কোন ?
জীয়ে অসম মৰে কোন ?

নেওগদেৱ স্বচিন্তিত সুগভীৰ জ্ঞানৰ প্ৰকাশ ঘৰুৱা নিভাঁজ অসমীয়া জতুৱা ঠাচেৰে মৌ বৰষা সাহিত্য ৰচনা কৰাত সিদ্ধহস্ত আছিল। বেজ-বৰুৱাদেৱৰ ভাষাৰ লগত বিজনি খাটে নেওগদেৱৰ ভাষা। বেজবৰুৱা-দেৱৰ জতুৱা ঠাচ প্ৰকাশিত হৈছিল হাস্যৰসৰ মাজেৰে। কিন্তু নেওগ-দেৱৰ জতুৱা ঠাচৰ সুললিত প্ৰকাশ কঠিন গধুৰ চিন্তাধাৰাতো সন্নিৱেশ কৰিব পৰা শক্তি আছিল অতুলনীয়। নেওগৰ চিন্তাশীল বহু প্ৰবন্ধ-কবিতা, বিশেষকৈ ইংৰাজী ভাষাত লিখা অসমৰ বুৰঞ্জীমূলক সাহিত্যই নেওগদেৱক অসমৰ সাহিত্য জগতত চিৰ স্মৰণীয় কৰি ৰাখিব। অসমীয়া ভাষাৰ সাধনাৰ উপৰিও অসমক বিদেশৰ লগত চিনাকি কৰি দিবলৈ নেওগে ইংৰাজী ভাষাৰে যি আপ্ৰাণ পৰিশ্ৰম কৰি অসমৰ পৰিচয় বাহিৰত দাঙি ধৰিবলৈ যিখিনি যত্ন কৰিলে, সেই নিদৰ্শন অসমৰ ইংৰাজীত ব্যুৎপত্তি থকা প্ৰত্যেকজন কবি-সাহিত্যিকৰ অসমক বাহিৰত প্ৰচাৰ কৰাৰ চানেকি হব বুলি দেশে আশা কৰে। অসমীয়া ভাষা-সাহিত্যৰ উপাসক শ্ৰেণীৰ সীমাবদ্ধ নিজ ভাষাৰ সাধনাৰ উপৰিও নেওগে এখোজ আগ বাঢ়ি গৈ বাট দেখুৱাই অসমীয়া ভাষা-কৃষ্টিক সৰ্বভাৰতত পৰিচয় কৰাৰ উপায় চিন্তি বহুমূলীয়া অৰিহণা যোগাই গ'ল। একো একোজন চিন্তাশীল কবি-সাহিত্যিকক জীৱনৰ সামান্যতম প্ৰচাৰ সাহিত্যৰে জুখিবলৈ টান। কবি-জনৰ অন্তৰ-ভঁৰালত উপচি থকা সীমাহীন [illegible]-পৰিধিৰ দুই এটি ফিৰিঙ-তিয়েই পাঠকক কবিৰ পৰিচয় জনা[illegible] [illegible]ম্বেশ্বৰ নেওগে দেশ-মাতৃৰ সাহিত্য-ভঁৰালত যিখিনি সম্[illegible] [illegible]'ল—সেইখিনিৰেই সুজোতাজনৰ অমূল্য সোঁৱৰণ[illegible] [illegible]শুনিলোঁ। ডিম্বেশ্বৰ নেওগ ডিবুৰুৰ বৰবাৰী হস্পিটাল[illegible] [illegible]শা সাতমান বজাত লবালবিকৈ হস্পিটাললৈ গ'লোঁ[illegible] [illegible]কৰিবলৈ। দুৰ্ভাগ্য, নেওগৰ মুখৰ মাত নাপালোঁ [illegible] [illegible]তন দেহা। বুজিলোঁ এয়া কবিৰ শেষ সমাধি-শয্যা। [illegible] কৰি[illegible] [illegible] ছাঁটোৰ দৰে মটৰ চলাই ঘূৰি ফুৰা চেনেহৰ জীয়ৰী [illegible] দেউতাকক সাৱটি [illegible]

ধৰি আছে। পিচদিনা পুৱা মেডিকেল কলেজৰ অধ্যক্ষৰ ঘৰলৈ গৈ ৰোগৰ বাতৰি লৈ বুজিলোঁ, এই ৰোগৰ মৃত্যুৰেই পৰিণতি। পিচদিনা পুৱা অসমৰ সাহিত্য আকাশ আন্ধাৰ কৰি উজ্জ্বল নক্ষত্ৰ নুমাই গ'ল। এয়ে নিয়তি !

[illegible] ধৰ্মৰ [illegible]
[illegible] [illegible]
[illegible] কমি [illegible] আছিল [illegible]
কৃতিয়ে [illegible] [illegible]
[illegible] des[illegible]
[illegible] nmilation in[illegible]
[illegible]

স্মৃতি-তৰ্পণ

শ্ৰীদেবানন্দ ভৰালী

৺ডিম্বেশ্বৰ নেওগ মোতকৈ প্ৰায় কুৰি বছৰৰ সৰু আছিল। যদিও আমি দুয়ো শিৱসাগৰ নগৰতে জন্মগ্ৰহণ কৰিছিলোঁ, তথাপি মই তেওঁক সৰুতে দেখা মনত নপৰে; কাৰণ তেওঁৰ জন্মস্থান নগৰৰপৰা অলপ আঁতৰত। যেতিয়া তেওঁ যোৰহাট উচ্চ শিক্ষানুষ্ঠানৰ হেড্‌মাষ্টৰ হৈ বদলি হয়, তেতিয়াহে তেওঁৰ লগত প্ৰথম দেখা-সাক্ষাৎ হয়। দুই-চাৰি আষাৰ কথা পাতিয়েই গম পালোঁ, তেওঁ এজন অতি তীক্ষ্ণবুদ্ধিসম্পন্ন লোক। তেওঁৰ লগত সেইদেখি কথা পাতি বৰ ভাল লাগিল। তেওঁ মোক নিজৰ ককায়েক জ্ঞান কৰি সশ্ৰদ্ধ হৈ মোৰ লগত কথা পাতে। সেই ব্যৱধানটো বহু যত্ন কৰিও মই ভাঙিব নোৱাৰিলোঁ।

তেওঁৰ থকা-মেলা আৰু চলন-ফুৰণ অতি সৰল আৰু আড়ম্বৰহীন আছিল। বিলাসিতাত টকা অপব্যয় কৰাৰ তেওঁ সম্পূৰ্ণ বিৰোধী আছিল। অতি আধুনিকতম চলন-ফুৰণৰ যি দস্তুৰ দেশত চলিছে তাঁলৈ চালে তেওঁ এটা আগৰ যুগৰ মানুহ। কিন্তু য'ত প্ৰয়োজন দেখে তাত তেওঁ মুক্তহস্তে টকা ব্যয় কৰিছিল,--বিশেষকৈ গ্ৰন্থ আদি গোটোৱাত আৰু ছপা কৰাত। তেওঁৰ লগত দহ মিনিটমান আলাপ-আলোচনা কৰিলেই বুজা গৈছিল, তেওঁৰ বিদ্যা আৰু অধ্যয়নৰ পৰিধি [illegible] ছিল। তথাপি তেওঁ অনেক সময়ত হাঁহি মুখেৰে অবা[illegible] [illegible]কুলৰ মন বঙালি কৰি তুলিছিল।

অসমীয়া ভাষাৰ ক্ষেত্ৰত [illegible] কৰিছিল। সেই কাৰণে ডক্টৰ সুনীতিকুমাৰ চেট্‌[illegible] হয়। সহৃদয় ডক্টৰ চেটাৰ্জীয়েও তেওঁক সে[illegible] ছিল। ডিম্বেশ্বৰ নেওগৰ বিয়োগ আমি সকলোৱে [illegible] কৰিব [illegible] লকে অনুভৱ কৰি আছোঁ। যদি জন্মান্তৰৰ কিবা [illegible] লে অসমীয়া ভাষা-প্ৰাণ ডিম্বেশ্বৰ নেওগে সিপুৰিতো [illegible] পাৰিব নোৱাৰে।

শুকাল, শুকাব দিলোঁ চকুতে সি চকুলো এটুপি

শ্ৰীজীৱনমধুৰি নেওগ

'পিতাদেউ' শব্দটোত কি যেন এটা সন্মোহনী শক্তি আছে! 'পিতাদেউ' বুলিলেই মনৰ চকুৰ আগত ভাঁহি উঠে—বিৰাট ব্যক্তিত্বৰে স্নেহশীল এখনি মুখ, যাৰ দুচকুৰ দৃষ্টিত জ্ঞানৰ স্পৃহা আৰু বিশ্বৰ মমতা, যাৰ মৰমভৰা 'বুকুত আছে মহা শান্তিময় সাধনা আশ্ৰম'। সেয়াই আমাৰ পিতাদেউ—আমাৰ পৰম নিৰ্ভৰ আশ্ৰয়ৰ একমাত্ৰ স্থল। পিতাদেউ আমাৰ বাবে অকল পিতৃদেৱেই নহয়, একাধাৰে পিতৃ, মাতৃ আৰু শিক্ষাগুৰুও।

সোতৰ বছৰৰ আগতে আমি সাতোটি আমা-ডিমা অৱস্থাত মাতৃহীনা হোৱাৰপৰাই পিতাদেৱে অশেষ কষ্টেৰে, মৰমৰ ডেউকাৰে আমাক কেনেকৈ আবৰি আছিল—সৰুতে শুনিছিলোঁ আৰু ডাঙৰ হৈ বুজিছিলোঁ। স্নেহৰ কোমলতা আৰু শাসনৰ কঠোৰতাৰে সংসাৰৰ সকলো অন্যায়, অনীতি নামৰ যাঠি-জোং বিষসনা কাঁড়ৰপৰা পিতাদেৱেই আমাক পিতৃ-মাতৃ উভয়ৰ হৃদয়েৰে ৰক্ষা-কবচ হৈ আবৰি আছিল। এই সোতৰ বছৰেই আমাক বুকুত ৰা[illegible]ত 'অসমীয়া' [illegible] সভা-সমিতিত অসমৰ ইমূৰৰপৰা সিমূৰলৈ [illegible] যোগেৰে শিক্ষা লোৱাত যে কি এটা ঘূৰিছিল। [illegible] প্ৰথম [illegible] ধৰ্মৰ [illegible] কেতিয়াবা পিতাদেউক কৈছিলোঁ বেলেগ আনুষ্ঠানিক [illegible] কৰি যাব নালাগে বুলি। তেখে—কিছুমান আ[illegible] দিছিল—"তোমালোক সাতোটিৰে তৰ কিন্তু এক [illegible] সংস্কৃতিয়ে [illegible] ই মানুহবোৰৰো আছে। ইমান যেনেকৈ মো[illegible] [illegible] নহয়!" অৱশেষত সভাত আন্তৰিক আগ্ৰহ [illegible] পিতাদেউৰ কাৰণেই পৰম আগ্ৰহেৰে গৈ যেতিয়া দেখি [illegible] ৰ জনা পিতাদেউৰ কাষত নিজকে ৰাট চাই আছে—[illegible] ৰৰ দোষী দোষী

পিতাদেউক আমি ভাল পাইছিলোঁ যিমান—ভয়, ভক্তি আৰু শ্ৰদ্ধাও কৰিছিলোঁ সিমানেই। তেখেতৰ নিজস্ব চিন্তাধাৰাৰে ৰূপ দিয়া আমাৰ ঘৰখনৰ নিয়ম-কানুনো আছিল নিজস্ব পদ্ধতিৰ। সেয়ে বহুতৰ লগত বহুতো বিষয়ত আমাৰ অমিল আছিল। আমি কিন্তু এইবোৰ নিয়ম পালন কৰি বৰ ভাল পাইছিলোঁ আৰু গৌৰৱবোধ কৰিছিলোঁ। পিতাদেৱে সকলোতে কথাৰ লগত কামৰ মিল বিচাৰিছিল। উপদেশতকৈ আহি যে ভাল তাক কাৰ্য্যেৰে বুজাইছিল। নিজৰ কাম নিজে কৰি আত্মনিৰ্ভৰশীল হবলৈ শিকাইছিল। সকলো ক্ষেত্ৰতে শৃঙ্খলা আৰু পৰিপাটিতালৈ বিশেষভাৱে চকু দিছিল। আনে সময় ৰক্ষা কৰক নকৰক, নিজে সদাই সভা-সমিতিত সময়তকৈ পাঁচ মিনিটমান আগতেহে উপস্থিত হৈছিলগৈ। কোনোবাই 'সভাৰ সময় দিছোঁ দুই বজাত, তিনিমান বজাত হবগৈ' বুলি ক'লে অদ্ভুত খং উঠিছিল। খঙাল বুলি কিছুমানে পিতাদেউক বৰ ভয় কৰিছিল—কিন্তু সান্নিধ্যলৈ আহিলে সেই ভুল সকলোৰে ভাগিছিল। কাৰণ খং উঠাৰ উপযুক্ত কাৰণ থাকিলেহে পিতাদেউৰ খং উঠিছিল। ভুলটো শুধৰাই কাষ চাপিলেই সেই খঙাল চকুহালিত বিশ্বৰ মমতা উপচি পৰিছিল। আমাৰ বান্ধৱী কিছুমানেও সেই ভুল কৰিছিল, আৰু পাচত আমাৰ পিতাদেউ তেওঁলোকৰো 'পিতাদেউ' হৈ পৰিছিল। পিতাদেৱে অন্তৰেৰে ঘৃণা কৰিছিল—মিছা কোৱা, পৰচৰ্চা কৰা আৰু অন্ধ অনুকৰণ কৰাক। তোষামোদ কৰাটো পিতাদেৱে পাপ বুলিয়েই গণ্য কৰিছিল। সেইকাৰণে বহুতে কিজানি ভাল পাব পৰা নাছিল আৰু অহঙ্কাৰী বুলিও কৈছিল।

পিতাদেৱে নিজে কোনো ধৰণৰ বাগীয়াল বস্তু কেতিয়াও সেৱন কৰা নাছিল। সেয়ে পিতাদেউ-আইদেউৰ পৱিত্ৰ [illegible] টোপালেৰে গঢ়া আমাৰ ৰক্ষণশীল ঘৰখনৰ পৱিত্ৰতা ৰ[illegible]লোচন-পৰিৱি[illegible]তাদেৱে সকলো ধৰণৰ ব্যৱস্থা লৈছিল আৰু এই আ[illegible]ছিল। [illegible]ক্ৰম' খিনিকে লৈ কিছুমানে পিতাদেউক 'কৃপণ' [illegible]ছিল। সেই-বোৰ সৰু কথালৈ পিতাদেৱে কো[illegible] আৰু আমাকো কাণ দিবলৈ নিদিছিল। এনেকু[illegible]চৰত নাচিব নজনাৰ দোষত' আৰু 'জন্ম-মুহূৰ্ত[illegible]নিয়তি'ৰ লগত পিতাদেৱে গোটেই জীৱন যুজি[illegible] কিন্তু ক'তোৱেই যে পৰাজয় বৰণ কৰা নাছিল নি[illegible]লমানে পিতাদেউ অচল অটল হৈয়ে আছিল। [illegible]ৰৰ লগত মিলিব নোৱৰা দোষ'ৰ বাবেই তেখেতে [illegible] বলি কৈছিল।

সেয়া অসত্য। সত্যৰপৰা পিছলি নপৰাকৈ নিজা মতত দৃঢ়ভাৱে থিয় দিব পৰাতেই যে প্ৰকৃত যোদ্ধাৰ সুখ! বিষয়-বাসনাৰ সুখ তেওঁলোকৰ মানত নগণ্য।

কবি-সাহিত্যিকসকল স্বভাৱতে ঘৰৰ প্ৰতি উদাসীন হয়। পিতাদেউৰ উদাসীনতা পৰিলক্ষিত হৈছিল কিন্তু নিজৰ ক্ষেত্ৰতহে। ঘৰৰ সৰু-সুৰা অভাৱ-অভিযোগৰ প্ৰতিও তেখেতে লক্ষ্য ৰাখিছিল। তেখেতৰ নিতান্ত সাধাৰণ সাজ-পাৰখিনি বহুতৰ মাজত আলোচনাৰ বিষয়েই আছিল। কাপোৰবোৰ মলিয়ন হৈ গ'লেও পিতাদেউৰ ভ্ৰূক্ষেপেই নাছিল। নিকা কাপোৰ এযোৰ হাতত লৈ পিতাদেউৰ চকীৰ কাষত বৈ বৈ বহুবাৰ কৰ-লগা হৈছিল সলাবলৈ। লিখাৰপৰা এবাৰ মূৰ দাঙি ব্যস্তভাৱে কৈছিল —"থোৱাচোন, পিন্ধিম বাৰু।" অলপ সময়ৰ পাচত আহি দেখিছিলোঁ থোৱা কাপোৰযোৰ থোৱা ঠাইতেই আছে। পিতাদেৱে আগৰ কাপোৰ-যোৰকে পিন্ধি কিতাপ এখন পঢ়ি পঢ়ি দুৱাৰমুখত অপেক্ষা কৰিছে আমাৰ বাবে। কথাষাৰ সোঁৱৰাই দিওঁতে কৈছিল—"অ' সেইযোৰ পিন্ধিবলৈ কৈছিলা? পাহৰিলোঁৱেই। থাওক দিয়া আজি।" আকৌ কবলৈ বেয়া লাগিছিল। সময় নষ্ট হোৱাৰ চিন্তা পিতাদেউৰ বেচি। কেতিয়াবা কিন্তু অভিমান কৰিছিলোঁ আৰু তেতিয়া পিতাদেৱে হাঁহি হাঁহি কাপোৰ-যোৰ সলাইছিল। জোতাযোৰ পৰিষ্কাৰ কৰি আগৰ ঠাইত থলেও দেখিছিলোঁ—কেনিবা যাবলৈ ওলাই থোৱা ঠাইত নিজৰ জোতাযোৰ নাপাই পিতাদেৱে বিৰক্তি বোধ কৰিছে। কাষলৈ আনি দিওঁতে পিতাদেৱে হাঁহি দিছিল—"এইযোৰ মোৰ জোতাযোৰেই নেকি? বং ধঁহিলা? মই চিনিয়েই পোৱা নাছিলোঁ। ধূলি-মাকতি লাগি নাথাকিলে মোৰ নহয় নহয় লাগে।" তেতি[illegible]দেৱে বহুত দিনৰ আগৰ ঘটনা এটা কৈছিল —এবাৰ হেনো [illegible]ত 'অসমীয়া' (লুহাৰ শিৱসাগৰৰ ঘৰত পিতাদেউক ভাত খাবলৈ ম[illegible]প্ৰথম[illegible]ধৰ্মৰ[illegible] খুলি থৈ পিতাদেৱে আন কেইজনৰ সৈতে ও[illegible]পুৰস্কাৰ[illegible]নামি আহি পিতাদেৱে নিজৰ জোতাযোৰৰ [illegible] থকা নতুন নতুন লগা এযোৰ জোতা। পিত[illegible]লি[illegible]স্কৃতিয়ে[illegible]ৰি ইফালে সিফালে চাওঁতে ওচৰতে বৈ থকা [illegible]নাজি[illegible]ৰ দেখুৱাই দিলে। পিতাদেউ অবাক। ভাত খা[illegible]ত ন[illegible]লি-মাকতিৰে বিবৰ্ণ জোতাযোৰ [illegible]পালে পিতাদেৱে বাৰু চিনি পৰিষ্কাৰ কৰাই বং[illegible]আ[illegible]ইছিলোঁ—এনেকুৱা আৰু বহুত পাব কেনেকৈ? [illegible] ঘটনা শুনি।

লিখা-পঢ়াত ব্যস্ত হৈ নিজৰ সুখ-সুবিধাৰ কথা একেবাৰে পাহৰি থকা মানুহজনে প্ৰত্যেকটো বস্তু খাবৰ সময়ত খুব ব্যস্ততাৰ মাজতো—"তোমালোকৰ ক'তা ? তোমালোকে খালা জানো ?" বুলি সুধিবলৈ নাপাহৰা দেখিলে আচৰিত হব লাগে। আমি পিছে আচৰিত হোৱা নাছিলোঁ। পিতাদেউৰ সেই দেৱ-ৰূপ আমাৰ নিচেই চিনাকি। তাতোকৈ মহান ৰূপত পিতাদেউক আমি পাইছোঁ। এক মুহূৰ্তও অলসতাৰে পাৰ নকৰা পিতাদেৱে আমাৰ সামান্য অসুখ-বিসুখ হ'লেও ঘণ্টাৰ পাচত ঘণ্টা মূৰত হাত বুলাই, দেহ-বিচাৰৰ গীত এটিত প্ৰাণ হৰি নিয়া সুৰ গুণ গুণাই কাষত বহি বহি ৰাতি পিচত ৰাতি উজাগৰে থকাও আমি দেখিছোঁ। সেই পিতাদেৱেই শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱৰ তিথিত আমাৰ লগত বহি নাম গাইছিল। শুদ্ধ সুৰ আৰু শুদ্ধ উচ্চাৰণেৰে ৰবীন্দ্ৰ সঙ্গীত, বৰগীত গাবলৈ শিকাইছিল। চোতালৰ অ'ত ত'ত পৰি থকা শিলগুটি, বালিবোৰ নিয়াবিকৈ থৈ থৈ আইনাম, বিয়ানাম, দিহানামৰ পুৰণা শুদ্ধ সুৰ শিকাইছিল। ক'ৰবাত পৰি থকা কাগজ এখিলা পালেও তুলি চাই পঢ়িছিল। ফটা ছবি পালেও তুলি আনি মেজৰ আইনাৰ তলত থৈছিল। ফুলৰ পাহি এটা পৰি থকা দেখিলেও তুলি আনিছিল। আমাৰ আধা লিখা টুকুৰা কবিতা-প্ৰবন্ধ পালেও একেলগে পিন্ মাৰি লৈ চাই দিছিল। সম্পূৰ্ণ কৰিবলৈ উৎসাহ দিছিল। আমাৰ কিতাপৰ চেল্‌ফত পঢ়িবলগীয়া ভাল ভাল কিতাপবোৰ সজাই দিছিল। কোনো বস্তুৰে অপব্যয় নকৰি সৰু-সুৰা কাগজ-পেঞ্চিল-জৰীবোৰো যতনেৰে থৈ দি সময়ত কামত লগাইছিল। চাহ খাওঁতে পঢ়িবলৈ দিয়া কিতাপবোৰ পঢ়ি কেনেকুৱা পাইছোঁ, ভাল পাইছোঁ যদি কিয় ভাল পাইছোঁ—বেয়া পাইছোঁ যদি কিয় বেয়া পাইছোঁ পুঙ্খানুপুঙ্খভাৱে সুধিছিল। সু-ৰুচি বোধেৰে যুক্তিপূৰ্ণ উত্তৰ এটা পালে পিতাদেউ [illegible] ... ভাত খাওঁতেও বহুত জানিবলগীয়া কথা শিকাই [illegible] ... আগৰ জীৱনৰ কথা কৈছিল। শিক্ষকসকলৰ [illegible] ... বহুত হাঁহি উঠা কথাও কৈছিল। আমি [illegible] ... কথাবোৰো আগ্ৰহেৰে শুনিছিল। সকলো [illegible] ... কাল—পিতাদেৱে সদাই নিজৰ ভাগৰপৰা কিবা [illegible] ... বাবলৈ। ডাঙৰ হৈ লাজ-লাজকৈ 'নালাগে' [illegible] ... প্ৰকৃততে আমি ভাল পাইছিলোঁ—অভ্যাসেই [illegible] ... কৰিব [illegible] ... ৰপৰা কিবা এটা নাখালে যেন আমাৰ খোৱাখিনি [illegible] ...

মনত পৰাৰেপৰা আমি আ [illegible] ... ৰ শিকোৱা ঘোষা,

সংস্কৃত শ্লোক আৰু বৰগীতেৰে সন্ধিয়া প্ৰাৰ্থনা কৰি আহিছোঁ—আইদেউৰ ছবিৰ আগত। ধলপুৱাৰেপৰা মাজনিশালৈ জিৰণি নোলোৱাকৈ শ্ৰম কৰি থকা পিতাদেউক সেই সময়তেই মাথোঁ হাতৰ কলম থৈ নীৰৱে বহি থকা দেখা গৈছিল। সেইটো সময়ত কোনোবাই হাই-উৰুমি বা হাঁহি-খিকিন্দালি কৰিলে বৰ বেয়া পাইছিল। আবেলি প্ৰায়ে হাতত কিতাপ লৈ দুৱাৰ মুখত বহি মুগ্ধ দৃষ্টিৰে কামাখ্যাৰ বুকুৰ অস্তমিত সূৰুয চাইছিল আৰু আমাকো কাষলৈ মাতি সেই অপূৰ্ব দৃশ্য দেখুৱাইছিল। আকাশ ছবি বোলাই এনে তুলি লিখনীৰে। জহৰ দিনত আমাক নৈৰ পাৰলৈ ফুৰাবলৈ নিয়াৰ লগতে উমানন্দ, উৰ্বশী, অশ্বক্লান্তৰ অতীত কীৰ্তিময় দৃশ্য আৰু লুইতত ডুব যোৱা ৰঙা বেলিৰ মনোমোহা দৃশ্য দেখুৱাইএই সনাতন সৌন্দৰ্য্যই পিতাদেউক কেনেকৈ কবিতা লিখিবলৈ প্ৰেৰণা যোগাই-ছিল কৈছিল। কবিতা কবিতা লগা এই কথাবোৰ শুনিয়ে ইমান ভাল লাগিছিল! দূৰলৈ গাড়ীৰে যাওঁতেও আমনি লগা বাটবোৰত কাষতে বহি গাই যোৱা পিতাদেউৰ কবিতা আবৃত্তি শুনি শুনি তন্ময় হৈ গৈছিলোঁ। লগে লগে আমিও গাবলৈ চেষ্টা কৰিলে পিতাদেউৰ মুখখন আনন্দত উজ্জ্বল হৈ উঠিছিল। পিতাদেউৰ 'মৰম ভিখাৰী' কবিতাটো মই বৰ ভাল পাই যেতিয়াই তেতিয়াই 'থুপিতৰাবাহে মিচিকি হাঁহিলে—হাঁহিলে এবেলি জোনে' গাই ফুৰা দেখি পিতাদেৱে হাঁহি হাঁহি কৈছিল—"সেইটোত তোমাৰ নামবোৰকে আছে যেতিয়া তোমাৰেই হ'ল বাৰু। পিছে তুমি জন্ম হোৱাৰ আগতেই লিখিছিলোঁ—তোমাৰ বাবে।".. আমাৰ কিবা যুক্তি-বুদ্ধি এটা পিতাদেৱে আগ্ৰহেৰে গ্ৰহণ কৰা দেখিলে আনন্দ আৰু গৰ্বত বুকুখন ফুলি গৈছিল। পিতাদেউৰ মতে ভাল যুক্তি-বুদ্ধি সকলোৰেপৰা লব লাগে। দিয়াজন সৰু [illegible] হওক বা ডাঙৰেই হওক—তেওঁ শ্ৰদ্ধাৰ পাত্ৰ।

[illegible] ত 'অসমীয়া' ([illegible] বোৰ যে এদিন মাথোঁ গৌৰৱণ আমাৰ এই [illegible] প্ৰথম [illegible] ধৰ্মৰ [illegible] ৰ সাহিত্য সভাৰপৰা আহি হৈ ৰ'ব—কোনে [illegible] পুৰস্কাৰ [illegible] জ্ঞানাশ্ৰমৰ আঁচনিত আকৌ কিতাপ, প্ৰেছ, ১৬-৩০ [illegible] ... এটা দিনত সহজভাৱে ব্যস্ত হৈ পৰা [illegible] ... বিষাইছে জোন!" মোক ক'লে—"মো [illegible] ... প্ৰথম পিতাদেৱে কিবা মই চঁকুখাই গ'লোঁ। [illegible] ... assimilation [illegible] ... অসুখ হয়? জীৱনত-এটা কৈছে। তাকো [illegible] ... হাৰা কথাই কব নোৱাৰোঁ।। চোন কোনোদিন সাধাৰণ [illegible] ... পিতাদেৱো ব্যস্ত হৈ পৰিল মই গধুৰ অন্তৰ এখনেৰে [illegible]

—কিন্তু কামৰ মাজত হে। পিতাদেউক সোঁৰবাই দি দি ডাক্টৰৰ পৰামৰ্শ লোৱা হ'ল। যেয়ে শুনিলে সেয়ে পৰম বিস্ময়েৰে ক'লে—"আপোনাৰো অসুখ হয়নে?" ডাক্টৰে ক'লে—"এয়া মাংসপেশীৰ বিষ। কম পৰিশ্ৰম কৰে জানো এই বয়সতো!" সমবয়সীয়া দুই এজনে ক'লে—"আমাৰতো এইবোৰ বিষ বহু দিনৰপৰাই আছে। আপুনি টান মানুহ বুলিহে!" বয়সৰ কথা লৈ মই চিন্তা কৰা নাই। মই জানো—বয়সে পিতাদেউৰ চৰণত জিঞ্জিৰি লগাব পৰা নাই। এতিয়াও দহ-বাৰ মাইল সহজে খোজ কাঢ়ে পিতাদেৱে। চিৰ সেউজী মন আৰু স্বাস্থ্যত যে বয়সৰ স্থান বহু দূৰত! দৰৱ-জাতি খাই অলপ ভাল পায়েই পিতাদেউ আকৌ নতুনকৈ লিখা কিতাপকেইখনত ব্যস্ত হ'ল। জ্ঞানাশ্ৰমৰ নতুন পৰিকল্পনা কৰিলে। প্ৰেছত থকা কিতাপ কেইখনৰ ক'ভাৰ কেনেকুৱা দিলে ভাল হব মোক সুধিলে। বহুতৰ অনুৰোধত লিখিবলৈ লোৱা 'সাম্প্ৰতিক অসমীয়া সাহিত্য'খনৰ কিমানখিনি লিখিলে আৰু কি কি লিখিব মোক ক'লে। তাৰ বাবে সংগ্ৰহ কৰা কিতাপবোৰ মই পঢ়িছোঁনে সুধিলে। মই কৰা অনুবাদ কিমান হ'লগৈ, নতুন কবিতা লিখিছোঁনেকি সুধিলে। লগ পাবলৈ অহা মানুহবোৰৰ লগত প্ৰাণ খুলি কথা পাতিলে। ঘৰটোৰ নতুন সৰঞ্জামবোৰ লগোৱা হ'লনে সুধিলে—পিতাদেউ ব্যস্ত—খুব ব্যস্ত। তেখেতৰ ব্যস্ততাই মোৰ মনটো অলপ ফৰকাল কৰিলে। কিন্তু বিষ ভাল পাইছে বুলি কোৱা পিতাদেৱে আচলতে কিজানি ব্যস্ততাত পাহৰিহে আছিল। চেপ্টেম্বৰৰ এটা দিনত গাখীৰ এগিলাচ লৈ পিতাদেউৰ মেজৰ কাষত গৈ থমকি ৰ'লোঁ। একেবাৰে নতুন দৃশ্য—হাতত কলমটো লৈ পিতাদেউ টোপনি গৈছে। বোধ হৈ যাব খোজা মাতেৰে যেতিয়া দুবাৰমান 'পিতাদেউ' 'পিতাদেউ' বুলি [illegible]—পিতাদেৱে চকুখাই মেলৈ চালে—সৰু এটা ল'ৰাৰ দৰে [illegible]-পৰিবি[illegible], ক'লে—"কিয় জানো ইমান টোপনি ধৰিছে! দি[illegible] [illegible]ল। [illegible] কৰা নাই। এক পৃষ্ঠাকে লিখিব পৰা নাইচো[illegible] [illegible]ছিলোঁ। গিলাচটো হাতত লৈ পৰিচিত প্ৰশ্ন[illegible] আ[illegible] জানো জোন?" "উঁ, খাম" বুলি মেজখন[illegible] [illegible] সাম্প্ৰতিক অসমীয়া সাহিত্য'খনৰ কেইখিলামান[illegible] [illegible]তৰ্ক হ'লোঁ—"পিতাদেউ, এইটো কৰিব নালা[illegible] [illegible]ৰ নালাগে", "এইখিনি খাবই লাগিব—শোৱক আৰু [illegible] কৰি[illegible] [illegible]লোৱা মোৰ কৰ্তৃত্বখিনি দেখি পিতাদেৱে দুখেৰে [illegible] [illegible] ল'ৰাৰ দৰে মানিলেও। কিন্তু লক্ষ্য কৰিলোঁ—অকলে [illegible] মাতি [illegible] হাতত লৈ আগৰ দৰে

একমনেৰে পঢ়াৰ সলনি—খিৰিকীৰে বহু দূৰলৈ নিবিষ্টমনে চাই চাই কিবা চিন্তা কৰিছে। কাষত কেইবা দিনো থিয় হৈছোঁগৈ। সেমেকা মোৰ চকুহাললৈ চাই পিতাদেৱে কৈছিল—"যোৱা জোন, দিনটো কামতে আছা। গান-বাজনাকে অলপ অভ্যাস কৰাগৈ। নহ'লে ফুৰিবলৈকে যাবা নেকি ৰ'লা।"

অক্টোবৰ সোমোৱাৰেপৰা পিতাদেউৰ বিষটো যেন ময়ো অনুভৱ কৰিলোঁ। "দৰৱবোৰেও চোন গুণ নিদিয়ে" পিতাদেৱে মোক কৈছিল আৰু মই অসহায় অসহায় ভাৱে পিতাদেউৰ মুখলৈ চাইছিলোঁ। ডাক্টৰে হস্পিটেলত দুদিনমান থকাৰ কথা কৈছিল। পিতাদেৱে তেতিয়া কৈছিল—"এইটো বিষতে হস্পিটেলত থাকিম মই তোমালোকক এৰি? হবই নোৱাৰে।" আমি মনে মনে আছিলোঁ—আমিও যে নোৱাৰোঁ পিতাদেউক এৰি থাকিব! আমাৰ অকলশৰীয়া ঘৰখন অভাৱনীয়ভাৱে নীৰৱ হৈ গৈছিল। পিতাদেউ কিন্তু কিবাকিবিত ব্যস্ত আছিল। অনাতাঁৰ সন্মিলনৰ বাবে কবিতাও লিখিলে। বাইদেউক এবাৰ মাতিৰ খোজোঁতে পিতাদেউ কৈছিল—"কিয়নো তেওঁলোকক আমনি কৰিব লাগিছে—ল'ৰা-ছোৱালী লৈ আহুকাল পাব—ইমান দূৰ বাট। মোৰ কাৰণে কোনো-বাই কষ্ট কৰিলে মই বৰ বেয়া পাওঁ।" মই জানো ইয়াৰ পাচতো মাতি আনিলে পিতাদেৱে সচাই বেয়া পাব। কাকো কেতিয়াও আমনি নকৰা পিতাদেউৰ ধৰ্মই। অনাতাঁৰ কেন্দ্ৰৰ কবি সন্মিলনৰ দিনা জীৱনত প্ৰথম বাৰৰ বাবে দেখিলোঁ—সময়তকৈ এঘণ্টাৰ আগতে সাজু হোৱা পিতাদেউ আৰামী চকী এখনত এনেই শুই আছে। গাটো ভাল নহয় বুলি ভাবি দহ মিনিটমান থাকোঁতে পিতাদেউক মই জগাই ক'লোঁ—"পিতাদেউ জিলা পুথিভঁৰাল[illegible] সময় হৈছে।" পিতাদেউ অবাক হ'ল—"কেলেই?" এইৰ[illegible]ত 'অসমীয়[illegible] [illegible] পাল মোৰ—পিতাদেৱে বোলে একেবাৰে পাহৰিলে। [illegible] প্ৰথম [illegible] ধৰ্মৰ [illegible] [illegible]বলৈ ওলাই পিতাদেৱে কাগজখন আনি দে[illegible] পুৰস্কাৰ [illegible] [illegible]ল,- "আজি হয় জানো?" ক'লে—"মইচোন আ[illegible]৬-৩৭ [illegible] কৰি[illegible]।" হয়, আগতে সকলো কথাই ব্যস্ত পিতাদে[illegible] লি[illegible] [illegible]কৈ—আমাকহে সোঁৰবাই দিছিল পিতাদেৱে। [illegible] [illegible]স্কৃতিয়ে [illegible] [illegible]ক দুৰ্বল হৈ যোৱা দেখি মোৰ মনৰ বল কমি গৈ[illegible] [illegible]নবোৰ অসতৰ্ক মুহূৰ্তত চকুলো হৈ বাগৰি অহা[illegible] [illegible]লে—পিতাদেৱে দুয়োকে সাৱটি ধৰি থোকা-থোকি [illegible] [illegible]দছা কিয় সোণ! তোমালোকৰ চকুত এটোপ [illegible] [illegible]বুকু ফাটি যায়……।" আমি

নাজানিছিলোঁ—ইয়াতকৈও কৰুণ দৃশ্য আমাৰ কাৰণে বৈ আছিল। পুৱা আমাক মৰমেৰে হাত বুলাই বুলাই জগাই দিয়া পিতাদেৱে এতিয়া গোটেই নিশা শুব নোৱাৰাৰ পাচত পুৱা সময়তহে পুৱাৰ বৰগীতেৰে কৰা প্ৰাৰ্থনা শুনি শুনি অকণমান টোপনি যায়। তেতিয়াও উঠি যাবলৈ কষ্ট পাব বুলি বিছনাৰ কাষলৈ খোৱা বস্তু আনি দিলে মৰমেৰে দবিয়াইছিল—"কি আঁকৰী ছোৱালী এইজনী! ইয়ালৈ আক' এইবোৰ আনিব লাগিছে কেলেই? মই যাম নহয় তালৈকে। তোমালোকৰ লগত একেলগে খামগৈ ব'লা।" আমি যাতে কোনো কথাতে দুখ নাপাওঁ বা অকলশৰীয়া বোধ কৰিব লগা নহয় পিতাদেউ তাৰ বাবে সদায় সন্তুষ্ট।

সোতৰ বছৰৰ আগতে আইদেৱে এৰি যোৱাৰপৰা মৌন শূন্যতা বিৰাজ কৰা ১ নবেম্বৰবোৰতকৈ এইবাৰৰ ১ নবেম্বৰটো বেচি উকঙা হৈ পৰিল। নিজান ঘৰখনত নীৰৱ আমি পিতাদেউক দেখি অজান আশঙ্কাত শিয়ৰি উঠিলোঁ। পিতাদেউ হাতত কিতাপ নোলোৱাকৈয়ে বহি আছে খিৰিকীৰ কাষত। দৃষ্টি শূন্যৰ কোনোবা প্ৰান্তত। ঘৰলৈ ডাক্টৰজনক মাতিবলৈ ঠিক কৰোঁতেই পিতাদেৱে শুনি ক'লে—"ময়েই যাম। ওলালে অলপ মুকলি লাগিব। কামো আছে মোৰ।" কিয় জানো বাধা দিয়াৰ শক্তি নহ'ল মোৰ! পিতাদেউক লৈ গ'লোঁ গাড়ীত। ডাক্টৰ কিন্তু হতবাক হৈ গৈছিল—"গাড়ীত আহিছে তেখেত?" ডাক্টৰৰপৰা যেতিয়া শুনিছিলোঁ—'কি অসুখ ধৰিব পৰা নাই সঠিককৈ। কিন্তু হস্পিটেলত থাকিবই লাগিব। যেনে তেনে তেখেতক সন্মত কৰাব লাগিব'—মোৰ ভৰিৰ তলৰপৰা পৃথিৱীখন আঁতৰি যোৱা যেন লাগিছিল। মাজ তালুত সাপে খোঁটা মানুহৰ দৰে আহি পিতাদেউৰ কাষত বহোঁতেও পিতাদেউলৈ চাব পৰা নাছিলোঁ। কাৰণ অসহায় [illegible] দেখি পিতাদেৱেও একো নুসুধিলে। অৱশেষত এজন [illegible]-পৰিবি[illegible] ক'লে হস্পিটেলত থকাৰ কথা, পিতাদেউৰ দুৰ্বল মা[illegible] [illegible]ল।—নাথাকে হস্পিটেলত আমাক এৰি। ঘূৰি অ[illegible] [illegible]ৰাতৰি ললে। কিবা কিবি কামো কৰি আহি[illegible] [illegible]বোধ আকুতিৰ পাচত পিতাদেউ সন্মত হ'ল[illegible] [illegible] লগে লগে কান্দি থকা আমাক সাবটি নিচুকাব[illegible] [illegible]ল ছকু ছকাই। টেলিগ্ৰাম পাই কান্দি বাউ[illegible] [illegible]নুদেউ, ভাগিনহঁতক মূৰত হাত বুলাই বুজনি দিলে[illegible] কৰি[illegible] [illegible]কি সুধিলে। কিবা-কিবি খাবলৈ ক'লে। [illegible] শুই থকা ককাদেউতাক—চকুত পানী আৰু বিস[illegible] [illegible] [illegible]গন কেইটাক দেখি পিতা-

দেৱে হাঁহি হাঁহি ক'লে—"দেখিছা, কেনেকৈ যুদ্ধ কৰিছোঁ যমৰ লগত!" নিজান আমাৰ আশ্ৰম সদৃশ ঘৰখন তপত হুমুনিয়াহ আৰু উচুপনিৰে ভৰি পৰিল। সন্ধিয়া প্ৰাৰ্থনা কৰিবলৈও পাহৰি যোৱাত আমাক একো নকৈ পিতাদেৱে নিজে বিছনাত বহি লৈ গাইছিল—"ব্ৰহ্মা আদি কৰি জীৱ যত ····।" সেইদিনাই ঠিক হৈছিল গুৱাহাটীৰ হস্পিটেলত নথৈ ডিব্ৰুগড়ৰ বৰবাৰীলৈ নিয়াৰ। কাষত বিবুদ্ধি হৈ অসহায়ভাৱে বহি বহি মই ভাবিছিলোঁ—'পিতাদেৱেচোন এখন্তেকো আমাক এৰি নগৈছিল। মই থাকিম কেনেকৈ?' হঠাৎ কাণত পৰিল—"ডিব্ৰুগড়লৈ যাব লগা হ'লে মই জোনকো লৈ যাম।" মূৰ তুলি চালোঁ হয়, পিতাদেৱেই কৈছে—পিতাদেউ সচাই দেৱতা। যোৰহাটৰপৰা আহি নোপোৱা মাজু বাইদেউ আৰু ককাইদেউহঁতৰ বাবে পিতাদেউ থাকি থাকি আকৌ উচুপি উঠিল। নিশা পিতাদেৱে অকণমান শুইছিল—শুব পৰা নাছিলোঁ মই।

পিচদিনা বৰবাৰীলৈ যাত্ৰা কৰাৰ আগতে বাইদেউহঁতে যত্নেৰে বান্ধি দিয়া ভাতখিনি বৰ তৃপ্তিৰে খালে। সেই চিনাকী প্ৰশ্নটো তেতিয়াও কৰিলে—"তোমালোকৰ ক'তা সোণ!" লগত যাব খোজা ডাঙৰ ভিনদেউ আৰু সৰু ভিনদেউক নিজৰ অসুবিধা কৰি যাব নালাগে বুলি ক'লে। গ'লেও সহায় হৈ যাবলৈ ক'লে—বেচিদিন যাতে অফিচ খতি নহয়। লিখা-পঢ়া কৰা কোঠাটোত সোমাই মেজত দিয়া ধূপ-ধূনাখিনি চাই খন্তেক থমকি ৰ'ল। মোৰে স'তে দিয়া ফলখিনি চিনাকী প্ৰশ্নটোৰে খাই লৈ পঢ়া মেজৰ কাষৰ চকীখনত আকৌ এবাৰ বহিলে। এনি-তেনি সিঁচৰিত হৈ থকা আধালিখা কাগজখিনি নিয়াৰিকৈ থ'লে। মেজখনত পৰম তৃপ্তিৰে এবাৰ চকু ফুৰালে। হাতত তুলি দিয়া চছমাৰ কেচ্‌টো ভৰাই কাষৰ কিতাপেৰে ভৰি থকা চেলফ্‌ কেইখনলৈ এবাৰ চালে। লাগতিয়াল কাগজ-পত্ৰখিনি লৈছোঁ[illegible]ত 'অসমীয়া' [illegible] আইনাৰ তলত আন আন ছবিৰ মাজত থকা আইদেউ[illegible] [illegible] চালে। তাৰ পাচত এবাৰো ঘূৰি নোচোৱাকৈ প[illegible] প্ৰথম [illegible] ধৰ্মৰ [illegible] উঠিবলৈ আগবাঢ়ি গ'ল। আনখন গাড়ীত বা[illegible] পুৰস্কাৰ [illegible] [illegible]ৰিত কৰি[illegible]খি মোক কাষত বহুৱাই ললে। কান্দন [illegible] ৬-৩০ [illegible] মিচ কৰি [illegible] আছিল [illegible]উহঁতৰ লগত সহজভাৱে কথা পাতিলে—বাট[illegible] লি[illegible] সংস্কৃতিয়ে [illegible] [illegible]উক এ[illegible] নোৱাৰাকৈ পিতাদেউৰ মুখলৈ চাই চাই গধুৰ [illegible] নাহি[illegible] [illegible] [illegible]। বৰবাৰত ৯ বজাৰ ডাকোটাত নগৈ ১২ [illegible]ত ন[illegible] [illegible]লে ঠিক কৰি সেইখিনি সময় আমি আটায়ে পিতা[illegible] আ[illegible] [illegible]লোঁ। আমাৰ মৰি যোৱা মনবোৰক পিতাদেৱেই ই[illegible] [illegible]ীৰ কৰি ৰাখিলে। কিন্তু

কোনোদিন এৰি নোযোৱা সৰু ভাইটি বনক এৰি যাব লগা কথাই পিতা-দেউক বাৰে বাৰে কন্দুৱালে। আৰু কন্দুৱালে গুৱাহাটীতে থাকিব বুলি ভাবি আবেলিৰ এম্বেস্প্ৰেছত আহি পোৱাৰ কথা থকা মাজু বাইদেউ, ভিনদেউ, ভাগিন আৰু ককাইদেউহঁতৰ কথাই। যোৱাৰ আগতে সকলোৱে পিতা-দেউৰ চৰণত সেৱা জনাইছিলোঁ। কান্দন মিহলি মাতেৰে পিতাদেৱে মূৰত হাত দি আশীৰ্বাদ দিছিল সকলোকে। উৰা জাহাজত উঠিবলৈ যাওঁতে সকলোৰে ক্ৰমাৎ স্পষ্ট হৈ অহা কান্দনবোৰে পিতাদেউক 'যাওঁ' বুলি কোৱাত বাধা দিছিল। মৌনভাৱে হাত বুলাই বিদায় লৈছিল প্ৰত্যেকৰেপৰা। উঠাত সহায় কৰিব খোজা ভিনদেউহঁতক আৰু আন কেইজনমানক পিতাদেৱে কৈছিল—"নালাগে, মই পাৰিম নিজেই। ধৰিলে অসুবিধা পাওঁ, কিবা বেমাৰী যেন লাগে।" চিটত বহি লৈ মোক খিৰিকীৰ কাষত বহিবলৈ ক'লে। ডাঙৰ ভিনদেউ বহিলেনে সুধিলে। সকলোৰে ফালে করুণভাৱে এবাৰ চাই বনৰ মূৰত হাত বুলাই দিওঁতে উচুপি উঠা বনক একো কব নোৱাৰি নিজেই অবুজ শিশুৰ দৰে উচুপি উঠিল পিতাদেউ। তলৰপৰা চকুত পানী লৈ হাত বাউল দিয়া ভিনদেউ, বাইদেউ, ভাগিন কেইটাক আৰু বনহঁতলৈ পিতাদেউৰ হৈ মই হাত দাঙিলোঁ। উৰি যোৱাৰ লগে লগে সৰু বাইদেউৰ দুবছৰীয়া ছোৱালী আগলীয়ে আধা ফুটা মাতেৰে চিঞৰি চিঞৰি ক'লে—"কাকাদেউতা, আকৌ আহিবা দেই।" নেদেখা নোহোৱালৈকে তেওঁলোকক চালোঁ।····মোহনবাৰীত নামি যাওঁতে কোনোবা কোনোবাই পিতাদেউৰ খবৰ সোধোঁতে পিতাদেৱে ক'লে—"কি কৰিবা আৰু। বীৰ-বাহু ৰণত পৰিল। যমেও চিনি পালে। অৱশ্যে আগফালৰপৰা ধৰিবলৈ সাহ কৰা নাই, পিঠিফালেহে ধৰিছে।" হাঁহিছিলোঁ সকলোৱে করুণভাৱে। ডিব্ৰুগড়ত পেহীদেউ এগৰাকীৰ ঘৰত গৈ পোৱা ৰাতি আছিলোঁ। পিতাদেউ [illegible] নকালৰ দৰেই ঘৰৰ বা-বাতৰি ললে। পিতাদেউৰ [illegible] ছোঁ বুলি শুনি তেওঁ-লোক আচৰিত হ'ল। [illegible] মানুহজনৰ ৰৰবাৰীত থাকিব লগাকৈ কি অসু[illegible] ই পিতাদেউৰ লগত শুইছিলোঁ। কুককি কু[illegible] ধৰি আছিল পিতা-দেৱে। মোৰ চকুপানী [illegible] কাৰ লগত শুইছে!' তপত নিশ্বাসৰ লগত [illegible] ৰছিল পিতাদেউৰ চকুৰ-পৰা। পিচদিনা ৰৰৰ [illegible] টেই বাট গাড়ীৰপৰা মোক ইটো সিটো দেখুৱা[illegible] ৰী পাই মৌন হৈ গ'ল। মনবোৰ আমাৰ ভাগি গ[illegible] নিজৰ আৰোগ্যৰ চিন্তা

কৰাতকৈ মই ক'ত থাকিম, অসুবিধা পাম নেকি, পিতাদেউ নথকাকৈ থাকিব পাৰিম জানো, ভিনদেউৰ কষ্ট হৈছে নেকি, আদিৰ চিন্তাহে বেচি কৰিলে। তাৰ পিচদিনা কিন্তু অকণমান অবুজ শিশু এটাৰ দৰে বাৰে বাৰে মোক ক'লে—গুৱাহাটীলৈ যাওঁগৈ—ঘৰত থাকিব। ভিনদেৱে মৰে নিৰুপায়। মনটোৱে মোৰ থাকি থাকি কান্দিছিল খুব। তাৰ পাচৰ পুৱাবোৰত যেতিয়া মই হাতখনত ধৰি বৰ আশাৰে সোধোঁ—'পিতাদেউ, ভাল পাইছে?' পিতাদেৱে হাঁহিবৰ চেষ্টা কৰি মূৰ জোকাবে—পাইছে। কিন্তু আচলতে সেয়া আছিল মই দুখ নাপাবলৈ কোৱা কথাহে। ঘৰলৈ অহাৰ কথা আৰু নক'লেও পিতাদেউৰ মনত যে বাৰে বাৰে ঘৰৰ ছবিখনেই ভাঁহি আছে মই জানিছিলোঁ। তথাপিও চাবলৈ অহা মানুহবোৰৰ লগত কথা-বতৰা পাতিলে। কোনোবা কোনোবাই পিতাদেউৰ কলেজৰ দিনৰে ৰবীন্দ্ৰ সঙ্গীতৰ ভাঙনী গাই শুনাইছিল—পাহৰি যোৱাখিনি পিতাদেৱেই শুধৰাই দিছিল। আকৌ ব্যস্ত হৈ পৰিছিল—মই খাইছোঁনে, কিবা অসুবিধা পাইছোঁ নেকি, সময় কটাবলৈ কিতাপ এখনো অনা নহ'ল কিয় বুলি। ঘৰৰপৰা অহা ট্ৰাঙ্ককলৰ বাতৰি দিওঁতে, মাজু বাইদেউ, ককাই-দেউহঁতো গুৱাহাটী পাইছে গৈ বুলি জনাওঁতে—পিতাদেউৰ চকুৰপৰা দুধাৰি লোতক বাগৰি গৈছিল। মৰ্মান্তিক বেদনাত মই বোবা হৈ গৈছিলোঁ। পিতাদেউক মূৰ আঁচুৰি দিওঁতে পিতাদেৱে কৈছিল—"সেঁওতাটো মাজত ফালিবা দেই। সোঁ মাজত। মই তেনেকৈহে ভাল পাওঁ।" পঞ্চম দিনালৈকে কথাপাতি থকা পিতাদেউৰ কাষলৈ ষষ্ঠ দিনা পুৱা গৈ মই নিৰ্বাক হৈ গ'লোঁ। হাতখন সাৱটি যেতিয়া মই সৰু সৰুকৈ সুধিছিলোঁ 'ভাল পাইছে পিতাদেউ!' 'উঁ' বুলি পিতাদেৱে নক'লে। হাঁহিবৰ চেষ্টাও নকৰিলে। মোৰ বাঢ়ি যোৱা উচুপনিখিনিৰ সঁহাৰিৰূপে করুণ-ভাৱে চকুহাল মেলিবৰ য[illegible] ওঁঠ দুখন নৰালে। তাৰ পাচত মূৰ জোকাৰিলে—নাই [illegible] মানুহৰ দৰে নিথৰ হৈ গৈছিলোঁ। আবেলি[illegible] মূৰত চেঁচা পানী দি দি মই অজান আশঙ্কা[illegible] সাহিত্য সভাই আৰোগ্য কামনা কৰি দিয়া [illegible] ৰে পিতাদেউলৈ চালোঁ। সম্পূৰ্ণ জ্ঞান আৰু প্ৰ[illegible] তাদেৱে কেৱল জৰ আৰু দুৰ্বলতাৰ বাবেই নিস্তে[illegible] ইঙ্গিত মই সকলো বুজিছিলোঁ। মই খুৱাই[illegible] আপত্তিৰে খাইছিল। মই ভাবিছিলোঁ, জৰ [illegible] পাৰিলে লৈ যাম। ঠিক সেইদিনাই ইমান দি[illegible] নাপাই ঘৰত বাইদেউ,

ভিন্‌দেউ, ককাইদেউহঁতে ভাবিছিল—কাইলৈ আমি ডিব্ৰুগড়লৈকে যাম। সেইদিনা ৰাতি জ্বৰ ভালেখিনি কমাত কাষত থকাৰ সুবিধা কৰিব নোৱাৰি উভতি চাই চাই মই পিতাদেউৰ কাষৰপৰা আঁতৰি আহিছিলোঁ। ৰাতি ঈশ্বৰক ভাবি ভাবি টোপনি গৈছিলোঁ। ঈশ্বৰৰ ইচ্ছা আছিল অন্য ধৰণৰ। শেহ নিশা উৰ্ধশ্বাসে লৰি পিতাদেউৰ কাষলৈ যাওঁতে মই ভাবিছিলোঁ—পিতাদেৱে এইবাৰ মাতিব মোক। কাইলৈ মানে যাম বুলিও কম ধৰলৈ। কিন্তু নিৰ্জন হস্পিটেলখনৰ পিতাদেউৰ বিছনাৰ কাষত থিয় হৈ মই দেখিলোঁ—পিতাদেউ শুই আছে পৰম শান্তিৰে। হাত দুখনত ধৰিলে আগেই চকু মেলিবলৈ চেষ্টা কৰা পিতাদেউ আজি নিঃসাৰ—যেন বহুত অভিমান। মই ডাঙৰ ডাঙৰকৈ মাতিলোঁ—"মই জোন আহিছোঁ পিতাদেউ! এবাৰ চাওকচোন!" সৰু সৰুকৈ 'পিতাদেউ' বুলি মাতিলেও 'কি হৈছে সোণ' বুলি লৰি অহা পিতাদেৱে আজি আৰু মোক নামাতিলে। চকুত অকণমান পানী দেখিলে অধৈৰ্য্য হৈ পৰা পিতাদেৱে 'গছ-পাত সকলো আকুল ক্ৰন্দন'তো সঁহাৰি নজনালে। এক-মুহূৰ্তলৈ এৰিব নোখোজা পিতাদেৱে চিৰদিনৰ বাবে এৰি গুচি গ'ল—'পুত্ৰ-পৰিবাৰ সবহি অসাৰ, কৰবো কাহেৰি সাৰ।' আমি থাকিলোঁ—আৰু থাকিল পিতাদেউৰ হিংসাশূন্য পৱিত্ৰ জীৱনটোৰ বহু আদৰ্শ।

গুৱাহাটী আহি পালোঁ। হিয়াৰ বিন্দু বিন্দু তেজেৰে গঢ়া 'আজলী-তৰা'ক পিতাদেৱে এবাৰো চকু মেলি নাচালে। পকাত মূৰ খুন্দিয়াই 'পিতাদেউ' 'পিতাদেউ' কৈ মতা আমাক জাপ যোৱা চকু মেলি এবাৰো নাচালে। 'কাঁহ পৰি জিন যোৱা মুগ্ধ তৰধতা'ত 'আজলীতৰা'ত আমি অকলশৰীয়া।

"সু কঠোৰ [illegible]-পৰিধি [illegible]
শুকা [illegible] [illegible]ল।
[illegible] [illegible]কুলৰ [illegible] এটুপি।"

[illegible]

ডিম্বেশ্বৰ নেওগ : কবি আৰু মানুহজন

শ্ৰীতীৰ্থনাথ শৰ্মা

ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াৰ নলে-গলে লগা বন্ধু আছিলোঁ বুলি মই দাবী কৰিব নোৱাৰোঁ। আমি বন্ধু বুলিলে সাধাৰণ অৰ্থত যি বুজোঁ তেনে ধৰণৰ বন্ধু তেখেতৰ খুব কমেইহে আছিল। অৱশ্যে তেখেতৰ সকলোৰে প্ৰতি সদ্‌ভাৱ আছিল। আমি মাজে সময়ে লগ পাইছিলোঁ আৰু সাহিত্য বিষয়ক আলোচনাই আমাৰ মাজত প্ৰাধান্য লাভ কৰিছিল। কেতিয়াবা তেখেতে তেখেতৰ সান্নিধ্যলৈ অহা সাহিত্যিক আৰু ব্যক্তিসকলৰ বিষয়ে ৰসাল আখ্যান বৰ্ণনা কৰিছিল। বাক্-চাতুৰ্য্য আৰু হাস্যৰস-সিক্ত তেখেতৰ এনে বৰ্ণনাই সচাকৈয়ে মুগ্ধ কৰিছিল। তেখেত মানুহজন খোলা হোৱাৰ কাৰণে এই বৰ্ণনাবোৰ আৰু বেচি ৰসাল হৈ পৰিছিল। আচলতে এইজনা সাহিত্যিকৰ লগত কিছুসময় কটাবলৈ পোৱাটো বৰ আনন্দদায়ক আছিল। তাৰ উপৰি এনে ধৰণৰ আচুতীয়া আলোচনাৰ জৰিয়তে তেখেতৰ বাহ্যিক কঠোৰতাৰ আবৰণে সংগোপন কৰি থোৱা ভিতৰৰ বঢ়িয়াল আৰু বাক্ চতুৰ মানুহজনক চোৱাৰ সুবিধা হৈছিল।

১৯২৮ চনত [illegible]ত 'অসমীয়া' [illegible]ৰ অধিৱেশন হৈছিল তেজপুৰত। মই তেতিয়া দশ[illegible] প্ৰথম [illegible] ধৰ্মৰ [illegible]লোঁ। সন্মিলনতে নেওগ ডাঙৰীয়াক দেখাৰ সৌভাগ্য [illegible] পুৰস্কাৰ [illegible] আচৰিত হোৱাৰেই কথা। পিন্ধন-[illegible]৩৬-৩৭ [illegible] কমি [illegible]আছিল [illegible] দেখনতো কোনো ৰূপেই এইজন মানুহক [illegible] লি[illegible] [illegible]ওঁক [illegible] অথচ আমি পঢ়া ইমানবোৰ কবিতা ৰচনা কৰি[illegible] [illegible]স্কৃতিয়ে [illegible]

সেই সময়ত নেও[illegible]ত [illegible] নাজি [illegible] imitation [illegible] [illegible] সুখ্যাতি অৰ্জন কৰিছিল। 'বাঁহী' আলোচনীৰ প্ৰ[illegible] [illegible]কৰা কবিতা আমি পঢ়িছোঁ। তেতিয়া তেখেত নিজে [illegible] আ[illegible] অনামী সম্পাদক আছিল। তেখেতৰ কবিতাবিলাক [illegible]হাৰা 'প্ৰিয়া' শব্দটোৰ অৰ্থ

উলিয়াবলৈ আমি চেষ্টা কৰিছিলোঁ। কিন্তু মানুহজন দেখি আমি বিশ্বাস কৰিবলৈ টান পাইছিলোঁ যে এইজন মানুহেই ইমান সুন্দৰ আৰু সঙ্গীত-ধৰ্মী কবিতা ৰচনা কৰিব পাৰে। আনহে নালাগে আমাৰ ভিতৰৰে এজনে (তেওঁৰ আত্মাই শান্তি পাওক) কলে যে সেইজন কোনোবা অন্য ডিম্বেশ্বৰ নেওগহে, কবি ডিম্বেশ্বৰ নহয়।

বহিবাৰণে অন্তৰৰ মানুহজনক সংগোপন কৰি ৰখা এইজনেই কবি ডিম্বেশ্বৰ নেওগ যাক অধ্যয়ন কৰাটো আছিল অতি জটিল কাম। আজি সোঁ-শৰীৰে তেখেত আমাৰ মাজত নাই। কিন্তু তেখেত প্ৰকৃত মানুহজনে কবি, সমালোচক, বুৰঞ্জীবিদ, শিক্ষাবিদ হিচাবে আমাৰ পথ চিৰদিন উজ্জ্বল কৰি ৰাখিব।

১৯৪৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰীক্ষকৰ সমিতিত যোগ দিবলৈ আৰু পৰীক্ষাৰ প্ৰশ্নোত্তৰৰ বহী আনিবৰ কাৰণে নেওগ ডাঙৰীয়া কলিকতালৈ গৈছিল। সেই সংক্ৰান্তত তেখেতক ঘনিষ্ঠভাৱে জনাৰ মই এটা সুযোগ পাইছিলোঁ। যোৰহাট চৰকাৰী উচ্চ ইংৰাজী বিদ্যা-লয়ৰ প্ৰধান শিক্ষক ৺লক্ষেশ্বৰ শৰ্মাবৰুৱাও তেখেতৰ লগত গৈছিল। তেখেতসকল কেইদিনমান মোৰ ঘৰত আলহী আছিল। ৺শৰ্মাবৰুৱা এজন কবি আছিল আৰু তেখেতৰ কবিতা সংগ্ৰহ 'কুঁহি' ১৯২২ চনত প্ৰকাশ পাইছিল। তেওঁলোক দুয়ো বৰ বন্ধু আছিল যদিও অনেক ক্ষেত্ৰত তেওঁলোকৰ মতৰ অমিল হৈছিল। ৺শৰ্মাবৰুৱাই নিত্যনৈমিত্তিক পূজা-পাতল কৰিছিল। নেওগে সেইবোৰ একো নকৰিছিল। অৱশ্যে সেই কেইদিনৰ ভিতৰত মই তেখেতক ধৰ্মৰ প্ৰতিকূলে কোনো কৰা দেখা নাছিলোঁ। এদিন ভাত খাওঁতে মই সুধিলোঁ, নেওগ কোন সত্ৰৰ সেৱক। সেৱক শব্দটোৱে তেখেতক অলপ বিতুষ্ট কৰা যেন দেখা গ'ল। তেখেতে উত্তৰ দিলে যে সত্য আৰু মানৱতাৰ [illegible] কোনো সত্ৰৰে সেৱক নহয়। কথাষাৰ শুনি শৰ্মাব[illegible] [illegible]ল। [illegible]ৰি ক'লে—"নেওগ কোনো সত্ৰৰ শিষ্য নহয়, [illegible] [illegible]কুলৰ শিষ্য।" "প্ৰতি মানুহেই তেওঁৰ তিৰোতাৰ [illegible] [illegible] কোনো দোষ-নীয় কথা নহয়।"—নেওগে[illegible] [illegible]

এইষাৰ কথা ধেমালিত[illegible] [illegible]। নেওগৰ জীৱনৰ এটা অধ্যায় প্ৰকাশ কৰিবৰ [illegible] [illegible]ছিল। আউনিআটীৰ সেৱক এটা ধৰ্মপ্ৰাণ বৈষ্ণৱ [illegible] [illegible] হৈছিল। নেওগে নিজৰ পৰিয়াল বা সমাজক [illegible] [illegible]ৰা নাছিল যদিও সেই বিষয়ত তেওঁ অন্ধবিশ্বাসী ন[illegible] [illegible]ৱন আৰু ধৰ্ম সম্পৰ্কে

তেওঁৰ ধাৰণা স্বতন্ত্ৰ আছিল। জীৱনৰ সকলো ক্ষেত্ৰতে নিজৰ আদৰ্শক লৈ জীয়াই থকা কিছুমান খ্যাতিমন্ত লোক আছে। সামাজিক সুযোগৰ লগত নিজকে খাপ খুৱাবলৈ তেওঁলোকে ইচ্ছা নকৰে। নেওগ আছিল এনে এজন লোক। তেওঁৰ স্বকীয় বিচাৰ-নীতি আছিল। শব্দ ব্যৱহাৰৰ ক্ষেত্ৰতেই হওক অথবা জীৱনৰ আন কোনো গভীৰ বিষয়ৰ ক্ষেত্ৰতেই হওক তেওঁ দৃঢ়ভাৱে সেই বিচাৰ নীতি বা মাপকাঠি ব্যৱহাৰ কৰিছিল। জীৱনৰ প্ৰতি এই দৃষ্টিভঙ্গী আৰু ইয়াৰ উদ্দেশ্যই তেওঁৰ ৰচনাক বিশেষকৈ গদ্য-ৰচনাক প্ৰভাৱান্বিত কৰিছিল। তেওঁৰ সাহিত্যৰাজিত বিদ্ৰোহৰ এটি অন্তৰ্নিহিত সুৰ বাজি আছে।

ডিম্বেশ্বৰ নেওগে কেতিয়াও তেওঁৰ গুণমুগ্ধ লোকসকলৰ এটা গোষ্ঠী তৈয়াৰ কৰিবলৈ চেষ্টা কৰা নাছিল। ডেকা সাহিত্যানুৰাগীসকলে কেতি-য়াবা ইটো সিটো অনুৰোধ লৈ তেওঁৰ কাষ চাপে। তেওঁ সেই সকলক উপদেশ দিয়ে আৰু উৎসাহিত কৰে। কিন্তু উদগনি যোগোৱাৰ উদ্দেশ্যে কেতিয়াও তেওঁলোকৰ লিখনি প্ৰশংসা নকৰে। নিজে বিশ্বাস নকৰা কোনো কথাকেই তেওঁ প্ৰকাশ কৰিবলৈ ভাল নাপাইছিল। সেই কাৰণে তেওঁৰ ওচৰত প্ৰশংসাকাৰীয়ে প্ৰশ্ৰয় নাপাইছিল। আনহাতে সাহিত্যিক যতীন্দ্ৰনাথ দুৱৰা এই ক্ষেত্ৰত নেওগৰ সম্পূৰ্ণ বিপৰীত আছিল। দুৱৰাক মই ভালকৈ জানিছিলোঁ। কোনোবা উদীয়মান লিখকে তেওঁৰ প্ৰথম সাহিত্য সৃষ্টি লৈ দুৱৰাৰ কাষ চাপিলে দুৱৰাই তেওঁক উৎসাহিত কৰিবলৈ কুণ্ঠাবোধ নকৰিছিল। এবাৰ তেখেতে যোৰহাটৰ কলেজৰ ছাত্ৰ এজনলৈ লিখা চিঠি এখন মোক পঢ়ি শুনাইছিল। চকু ফুৰাই দিবৰ কাৰণে ছাত্ৰ-জনে দুৱৰালৈ কেইটামান কবিতা লিখি পঠাইছিল। দুৱৰাই কবিতা কেইটা বিশেষভাৱে প্ৰশংসা কৰি ছাত্ৰজনলৈ চিঠি লিখিছে। কবিতা কেইটা দুৱৰাই যেনে[illegible] [illegible]ৰিছে তেনেভাৱে প্ৰশংসা পাবৰ যোগ্য নহয়। দুৱৰাই মো[illegible] [illegible]ত 'অসমীয়া' (১[illegible] জানো যে কবিতা কেইটা উচ্চ মানবিশিষ্ট হোৱা[illegible] প্ৰথম [illegible] ধৰ্মৰ [illegible] আমাৰ কথাই যদি ল'ৰাজনৰ অন্তৰত বল দি[illegible] [illegible]পুৰস্কাৰ [illegible]ানৱিত ক[illegible] [illegible]তা সৃষ্টিত উদগনি যোগাব পাৰে, তেন্তে সে[illegible] ১৬-১৭ [illegible]মৰ্চ কমি কমাইছিল [illegible] কৰিম। প্ৰশংসাসূচক দু-আষাৰ কথাৰ বাহি[illegible] লি[illegible] [illegible]স্কৃতিয়ে [illegible]ওঁক এ[illegible]ই, সেই কাৰণে মই কাৰ্পণ্য কৰা নাই।" [illegible] [illegible]ক দুৱৰাই জীৱনৰ বিয়লি

ইয়া[illegible] [illegible]নাজি [illegible] imitation [illegible] [illegible] প্ৰভাৱান্বিত এদল ডেকা বেলালৈকে তেওঁৰ গু[illegible] [illegible]ত ন[illegible] সাহিত্যিকক আকৰ্ষণ [illegible]

দুৱৰাই বৈৰাগ্য [illegible] আৰু নেওগেও আত্মতীয়াকৈ

থাকিবলৈ ভাল পাইছিল। দুৰবাই সামাজিক সম্পৰ্ক ছেদ কৰা নাছিল আৰু জীৱনৰ প্ৰয়োজনীয় সাধাৰণ উপভোগৰপৰা নিজক বঞ্চিত কৰা নাছিল। নেওগে জীৱনৰ শেষকালত নিজৰ ব্যৱহাৰৰ কাৰণে এখন গাড়ী কিনিছিলে যদিও তেওঁ মহানগৰৰ জনপূৰ্ণ অঞ্চলৰপৰা আঁতৰৰ দিশপুৰত সংসাৰী জীৱনৰ পৰিবৰ্তে সন্যাস জীৱনহে যাপন কৰিছিল। তেখেতৰ মৃত্যুও বৈশিষ্ট্যপূৰ্ণ। মাইকেল মধুসূদন দত্তৰ দৰে তেওঁ চিকিৎসালয়ত মৃত্যু বাঞ্ছা কৰিছিল। কাৰণ তেওঁ নিশ্চয়কৈ জানিছিল যে যেতিয়া তেওঁ গুৱাহাটী এৰি ডিব্ৰুগড়লৈ ওলাইছে তেওঁৰ জীৱনৰ দিন শেষ হৈ আহিছে। তেওঁৰ মৰাশ বহন কৰি অনা ভাৰতীয় গাড়ীখন ধৰমতুলৰ ওচৰত গছৰ সেউজীয়া চন্দ্ৰতাপৰ তলত বিকল হৈ পৰিল। এই ঘটনাৰ মাজত অসমীয়া মানুহে হয়তো দাৰ্শনিক সত্য বিচাৰি পাইছিল।

সেইবুলি আমি ভাবিব নালাগিব যে, নেওগ মানুহজন প্ৰকৃতিগত ভাৱেই নৈৰাশ্যবাদী আছিল। তেওঁৰ অধিকাংশ কবিতা আৰু এখন নে দুখন নাটক তুলনামূলকভাৱে কম বয়সৰ ৰচনা। এইবিলাক ৰচনাত তেখেতৰ সবল আৰু জাগ্ৰত আশাবাদ প্ৰকাশ পাইছে। তেওঁ মুখ্যতে যৌৱন আৰু সৌন্দৰ্য্যৰ কবি। অনন্ত প্ৰেমৰ প্ৰতীক নৃত্যৰতা কালিন্দীৰ লয়লাসত প্ৰকাশিত যৌৱনৰ জাগৰণৰ গীত তেওঁ গাইছিল। (যৌৱন যিদিনা জাগে সৌন্দৰ্য্যৰ কালিন্দী তীৰত)। তেওঁৰ স্বদেশ-প্ৰেমমূলক কবিতা-সমূহে এজন সাহসী যোদ্ধাৰ বীৰত্বপূৰ্ণ ব্যক্তিত্ব প্ৰকাশ কৰিছে। তেওঁৰ কিছুমান কবিতাই সময়ৰ বাছনিত উত্তীৰ্ণ হৈ কুৰি শতিকাৰ অসমীয়া কবিতাৰ 'সোণালী-সংগ্ৰহ'ত উচ্চস্থান অধিকাৰ কৰিব।

এইটো কথা অৱশ্যে উল্লেখযোগ্য যে তেওঁৰ কাব্য-সৃষ্টিয়ে উপযুক্ত সমীক্ষাৰদ্বাৰা প্ৰকৃত মূল্যাঙ্কনৰ বাবে বাট চাই আছে। কাব্য-সৃষ্টিৰ অনাধিক্যৰ সত্বেও অসমৰ কিছুমান [illegible]-পৰিধি[illegible]ৰ বিশেষ মনোযোগ লাভ কৰিছে। এজন লিখকে [illegible]ল। [illegible]ীৱন কালতেই যে সকলোখিনি শলাগ পাব লাগে [illegible]ক্ষুণ্ণ নাৰাবে। উপযুক্ত পৰিপ্ৰেক্ষিতত সাহিত্যৰ মূ[illegible]ল ব[illegible]ঙ্কনীয়ও যেতিয়া সাহিত্যিকজন আমাৰ মা[illegible]বশ [illegible]কাৰ কথা ভাবি চাই কোনোবা উদীয়মান সাহি[illegible]কবি, সমালোচক আৰু সাহিত্যৰ বুৰঞ্জী প্ৰ[illegible]া কাৰ্য্য হাতত লব পাৰে। এই ক্ষেত্ৰত ডি[illegible]তেওঁৰ জীৱনী লিখক আৰু সমীক্ষকসকললৈ য[illegible]ছে। তেওঁৰ নিৰ্বাচিত কবিতা সংগ্ৰহ, আত্মজীৱনীমূ[illegible]ওঁৰ বন্ধু আৰু পূৰ্ববৰ্তী

লোকসকলৰ সাহিত্য-সৃষ্টিৰ বিষয়ে লিখা প্ৰবন্ধৰাশিৰ মাজত তেওঁ আত্ম-প্ৰকাশ কৰিছে।

কেইমাহমানৰ আগতে তেখেতে নিজে শ্ৰেষ্ঠ বুলি বিবেচনা কৰা কবিতাবিলাকৰ তালিকা এখন মোক চাবলৈ অনুবোধ কৰিছিল। সেই-খন তেওঁ অনতিপলমে প্ৰকাশ কৰাৰ ইচ্ছা কৰিছিল। তেতিয়া মই বুজা নাছিলোঁ কিয় তেখেতে অনাহকত ইমান খৰখেদা লগাইছে। তেখে-তৰ আকস্মিক আৰু অপ্ৰত্যাশিত মৃত্যুৱে সেই কথা পৰিষ্কাৰ কৰি দিলে।

ডিম্বেশ্বৰ নেওগ অসম আৰু অসমীয়া সংস্কৃতিৰ পৱিত্ৰতা আৰু সংহতিৰ কাৰণে জীয়াই আছিল। বৈশিষ্ট্যপূৰ্ণ শিৰোনামাৰে প্ৰকাশিত তেখেতৰ স্বদেশ-প্ৰেমমূলক কবিতা সংগ্ৰহ 'অসমা'ৰ কথা এই সংক্ৰান্তত উল্লেখযোগ্য। ইয়াৰ বুকুত প্ৰতিফলিত হৈছিল তেখেতৰ সপোনৰ সমৃদ্ধি-শালী আৰু অপৰাজেয় অসমখন। ক্ৰান্তদৰ্শী কবি হিচাবে তেওঁ অসমৰ অদৃষ্ট প্ৰকাশ কৰিব পাৰিছিল নে নাই সেইটো নিৰ্ণয় কৰা বা সেই বিষয়ে চিন্তা কৰা কাম আগত বংশধৰসকলৰ।*

* মূল ইংৰাজীৰপৰা [illegible]তে।

জনসাহিত্যৰ ক্ষেত্ৰত ৺নেওগ

ডক্টৰ প্ৰফুল্লদত্ত গোস্বামী

৺নেওগৰ সাহিত্য সাধনা কুমলীয়া বয়সতে আৰম্ভ হয় আৰু সেই আৰম্ভণি নিচিগা সোঁতেৰে তেখেতৰ মৃত্যুকাললৈ চলি থাকে। নেওগৰ বিভিন্নমুখী ৰচনাবোৰৰ মাজত অসমীয়া জনসাহিত্য সম্পৰ্কীয় ৰচনাবিলাকে তেওঁৰ ব্যক্তিত্বৰ এটি দুটি প্ৰকাশ কৰাৰ উপৰি অসমীয়া পাঠকক সাহিত্যৰ এক আৱশ্যকীয় অংশৰ প্ৰতি আকৃষ্ট কৰে। তেওঁৰ জনসাহিত্যৰ প্ৰতি যি ৰাপ তাত অনুভূতিশীল সাহিত্যিকৰ সৌন্দৰ্য্যপ্ৰীতি প্ৰকাশ পাইছে, আনহাতে পুৰণি আৰু মুখে মুখে চলি অহা গীত-মাতৰ আকৰ্ষণ বিশ্লেষণ কৰি তেওঁ অসমীয়া পাঠকক নিজৰ সাহিত্যিক ঐশ্বৰ্য্য সম্পৰ্কে সজাগ কৰিবলৈহে যত্ন কৰিছিল। দেশপ্ৰীতি নেওগৰ সৃজনী শক্তিৰ এটি উল্লেখযোগ্য প্ৰেৰণা।

অসমীয়া সাহিত্যৰ প্ৰতি শিক্ষিত লোকৰ দৃষ্টি কোন সময়ত ঘূৰিল কবলৈ টান। বেজবৰুৱাই এই শতিকাৰ প্ৰথম দ্বিতীয় শতকত সাধু সংগ্ৰহ কৰিছিল। তাতকৈয়ো আগতে—কবলৈ গ'লে যোৱা শতিকাৰ পৰাই ডিব্ৰুগড়ৰ ৺ভদ্ৰসেন বৰাই সাঁথৰ [illegible] কিতাপ ছপাই উলিয়াইছিল। বিহুনাম সংগ্ৰহ আৰু সমাদৰ সন্ত [illegible] পৰিবিধি [illegible] তকমানৰপৰা বাঢ়ে। একে সময়তে শ্ৰীনকুলচন্দ্ৰ ভূ [illegible] বিহুনাম সংগ্ৰহ কৰি ছপা কৰি উলিয়ায়। নেওগৰ [illegible] ১৯২২ চনত। আইনাম আৰু ল'ৰা-ধেমালি [illegible] ওলায় ১৯২৮ [illegible] আৰু যোজনাৰ সংগ্ৰহ 'বহাগ [illegible] ইয়াৰ মাজতে তৃতীয় দশকত তেওঁ ধাইনাম [illegible] বিষয়ৰ সৌন্দৰ্য্য বিশ্লেষণ কৰি কেইটিমান [illegible] প্ৰবন্ধবিলাকৰ এটি উল্লেখযোগ্য হ'ল জনা-গাভৰু [illegible] পাতনিখন।

বিয়ানামৰ বিশেষত্ববোৰ [illegible] ১৮৪৫ শকৰ বাঁহীত মন্তব্য কৰিছিল : "গীত-সা [illegible] অসমীয়া জাতিৰ

সাহিত্য-ভঁৰালত বহুমূলীয়া শব্দ-সম্পদবোৰ যেন ফল-ফুল হৈ দোঁ খাই আছে। কবিত্বত ইয়াৰ উপমাবোৰৰ মোল দিবলৈ নাই; একোটি উপমাই যেন উপমেয় বস্তুটোৰ ভিতৰ জগতখনৰ সাতকাণ্ড ৰামায়ণ কয়।... সৰহখিনি গীততে নিচেই সৰু কোমল শব্দ-গাঁথনিৰে ওখ ধৰণৰ কবিতাৰ ভাব ফুটাই তুলি তিৰোতা কবিয়ে ৰচনাৰ যি মোহিনী জাল তৰিছে, তাক চাই কোনেও অন্তৰেৰে নবখানি নোৱাৰে।" (অসমীয়া সাহিত্যৰ জিলিঙনি, ১৯৩৮, পৃ. ৩-৪) এই ৰচনাখনতে নেওগে 'জনসাহিত্য' শব্দটো ব্যৱহাৰ কৰিছে। এই শব্দটো শ্ৰীৰূপেশ্বৰ দত্তৰ সংগৃহীত জনাগাভৰুৰ গীতৰ পাতনিতো নেওগে ব্যৱহাৰ কৰিছে। মই এই পাতনিৰপৰা আহি লৈয়ে মোৰ কিতাপখনৰ নাম 'অসমীয়া জনসাহিত্য' দিছিলোঁ (১৯৪৮)। বৰ্তমান সময়ত অৱশ্যে শব্দটো বহুতে ব্যৱহাৰ কৰিবলৈ ধৰিছে। সি যি নহওক, নেওগে অকল মন্তব্য কৰিয়ে এৰা নাছিল, প্ৰায় ক্ষেত্ৰতে উপযুক্ত চানেকি দি তেওঁৰ বক্তব্য খাজ খোৱা কৰিবলৈ ত্ৰুটি নকৰিছিল। যেনে—

গা ধুই আইটি মাকক সুধিলে, মোলৈ কিয়ে সাজে আছে ?
ছাঁতে শুকুৱা মুঠিতে লুকুৱা তোমালৈ সেই সাজ আছে।....

এনে অনুপম ৰচনা যি কোনো ভাষাৰে সম্পদ।

নেওগে আগৰ 'বাঁহী' আদি আলোচনীত প্ৰকাশ হোৱা, 'অসমীয়া সাহিত্যৰ জিলিকনি'ত সন্নিবিষ্ট কৰা, আৰু আন আন ৰচনা কেতবোৰ পাচত 'অসমীয়া সাহিত্যৰ অধ্যয়ন' নামৰ কিতাপত (১৯৬৪) গোট খুৱাই প্ৰকাশ কৰে। এই ৰচনাবোৰত নেওগে জনসাহিত্যৰ বিভিন্ন দিশলৈ আঙুলিয়াবলৈ যত্ন কৰিছে। 'ধাইনাম' ৰচনাখনত 'জোনবাইৰ আগৰে একেটি তৰা, আয়ে বিয়া [illegible] গঠীয়া দৰা' গীতটোৰ ৰচনা ভঙ্গী আৰু বক্তব্যৰ লগত ইংৰাজী [illegible] 'অসমীয়া [illegible] Cruel Brother (নিষ্ঠুৰ ককাই) গীতৰ যি সাদৃশ্য [illegible] প্ৰথম [illegible] ইছিল। পৃথিৱীৰ জনসাহিত্যত এইদৰে কেতিয়াবা [illegible] ধৰ্মৰ [illegible] পৰা যায়।

নেওগৰ 'আ [illegible] ৩৬-৩০ [illegible] মনোমোহা আৰু মৰ্মগ্ৰাহী। 'নাম-মাহাত্ম্যই [illegible] কিদৰে চিৰকাল মুগ্ধ কৰি আহিছে, ইয়াত [illegible] হয়।'—এই উক্তি অৱশ্যে আংশিকভাৱেহে সত্য, [illegible] similation [illegible] অৰ্পণশীল ভক্তিভাৱৰ চানেকি ভাৱতৰ সকলো অঞ্চলতো [illegible] আনহাতে নেওগৰ আন এটি মন্তব্য অৰ্থপূৰ্ণ : "দুখ [illegible] বিধানত স্বভাৱতে আত্ম-সমৰ্পণ কৰিব পৰা [illegible] এটা নামবিলাকত সফল হৈ

জিলিকি উঠিছে।” (অসমীয়া সাহিত্যৰ জিলিঙনি, ১৯৩৮, পৃ. ৪৮)

নতুন নতুন ভাবধাৰা আৰু নতুন ধৰণৰ শিক্ষাৰ বানত আমাৰ নিজস্ব সম্পদ এসময়ত উটি যাবৰ উপক্ৰম হৈছিল। এনে অৱস্থাত নেওগৰ দৰে যিসকলে আমাক জাতীয় সংস্কৃতিৰ প্ৰতি সজাগ কৰি তুলিলে তেওঁলোক আমাৰ নমস্য। নেওগে ‘চিন্তানল’ প্ৰসঙ্গত কৰা উক্তি এফাকি মনলৈ আহে—“আজি বিদেশী শাসনৰ আমোলত লিখা বুৰঞ্জীত আমি লোকৰ অতিৰঞ্জিত গৌৰৱৰ কথা পঢ়ি বিভোৰ !·····কিন্তু নিজৰ পূৰ্বপুৰুষসকলৰ কাহিনী কোনোবাই সুধিলে আমি পেপুৰা; আৰু বছৰদিয়েকৰ মূৰত নিজৰ আই-বোপাইৰ নামকো পাহৰিম যেনেই হৈছে !”

নেওগে জনসাহিত্যত ঘাইকৈ সাহিত্য সম্পৰ্কীয় সৌন্দৰ্য্যহে অনুসন্ধান কৰিছিল, সমাজ-তাত্ত্বিক অনুশীলন তাত নাছিল। অৱশ্যে এই ধৰণৰ দৃষ্টিভঙ্গী আমাৰ চিন্তাধাৰাত ঘাইকৈ দ্বিতীয় মহাযুদ্ধৰ পাচতহে সোমায়। তেওঁৰ দুই এটি ধাৰণাও—যেনে গীতবোৰৰ প্ৰাচীনতা সম্পৰ্কত—পাচলৈ সলনি হয়। সেই কাৰণেই তেওঁ লিখিছিল—“প্ৰকৃততে তেনে বিচাৰত ডাকৰ বচনকে ধৰি অসমীয়া কোনো জনসাহিত্যকে ঊনৈশ শতিকাৰ আগলৈ ঠেলিব নোৱাৰি।” (অসমীয়া সাহিত্যৰ অধ্যয়ন, ১৯৬৪, পৃ. ৪২)।

নেওগৰ সাহিত্যিক জীৱন আৰু অসম সাহিত্য সভা

ডক্টৰ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য

সৃষ্টিকৰ্তাই নিজ ইচ্ছা আৰু অভিলাষ পূৰণ মানসে নিত্য-নতুন সম্পদ সৃষ্টি কৰি লীলা কৰে, আনন্দ কৰে। সেই সম্পদৰাশিয়ে পুনু স্ৰষ্টাৰ গুণ-গান কৰি স্ৰষ্টাৰেই জয়-নিচান উৰুৱাই জীৱন ধন্য মানে; নৈৰ পানী সাগৰত লীন যায়, সেই পানী আকৌ ভাপ হৈ উৰি সাগৰতে পৰে। অসম সাহিত্য সভাৰ জন্ম ইতিহাস মন্থন কৰিলে আমি দেখা পাওঁ কেইজনমান আশাশুধীয়া অসম-প্ৰাণ সাহিত্য-প্ৰেমীৰ দুৰন্ত হেপাহ। ১৯১৭ খৃষ্টাব্দ, অসম সাহিত্য সভাৰ জন্মবৰ্ষ। ডিম্বেশ্বৰ নেওগ তেতিয়া উচ্চ ইংৰাজী বিদ্যালয়ৰ ওপৰৰ শ্ৰেণীৰ ছাত্ৰহে; সাহিত্যৰ পঁচি খেলি গুটি পকাবৰ সময় তেওঁৰ নৌ হয় এথোন। অৱশ্যে নেওগে নিজে কিন্তু ১৯১৪ চনটোকে তেওঁৰ ‘সাহিত্য জীৱনৰ প্ৰথম খুটি’ বুলি লিপিবদ্ধ কৰি জনাই গৈছে।

গছ আৰু গুটিৰ যি সম্বন্ধ সাহিত্যিক আৰু সাহিত্য সভাৰ সম্বন্ধও তদ্ৰূপ। অসম সাহি[illegible]ত ‘অসমীয়া’ [illegible] প্ৰসঙ্গত আমি অন্ততঃ কেইজনমান অক্লান্ত সেৱকৰ নাম প্ৰথম [illegible] ধৰ্মৰ [illegible] যেনে, দানবীৰ ৰাধাকান্ত সন্দিকৈ, সাহিত্য-প্ৰবীৰ চন্দ্ৰ পুৰস্কাৰ [illegible] লী, শৰৎচন্দ্ৰ গোস্বামী প্ৰভৃতি। আজন্ম সাহিত্য-[illegible] প্ৰথম স্তৰত দেখাদেখিভাৱে লব নোৱাৰি; [illegible] স্থানীয় সাহিত্য-সস্থা কেইটা-মানৰ সৈতে আৰু [illegible] খনমানৰ সৈতে তেওঁ নলে-গলে লগা সভা আছিল [illegible] লয়’, ‘অসম ছাত্ৰ সন্মিলন’, ‘জন্মভূমি’, ‘মিলন’-[illegible] বিমল ছত্ৰচ্ছায়া চেঙেলীয়া নেওগৰ অৱসৰ-বিনোদ[illegible]; অনুষ্ঠান সৱেও তেওঁৰপৰা গৰ্ব অনুভৱ কৰিব প[illegible]ৰি গধুৰ হৈ পৰিছিল। অসম

সাহিত্য সভাৰ নিয়মাৱলীত অপ্ৰাপ্ত বয়স্ক লোকৰ স্থান নাছিল বাবেহে বোধহয় প্ৰথম কেইবছৰমান সভাৰ চৌভিতিত তেওঁৰ নাম-ধাম দেখিবলৈ পোৱা নাযায়।

১৯২৬ চনত 'অসম সাহিত্য সভা পত্ৰিকা'ৰ প্ৰকাশ সম্বন্ধীয় প্ৰস্তাৱ প্ৰসঙ্গত তেওঁৰ নামটো পোন প্ৰথম ওলায়। সভাখনৰ সপ্তম প্ৰস্তাৱ অনুসৰি ১৯২৬ চনৰ ভিতৰত অসম সাহিত্য সভাৰ মুখপত্ৰস্বৰূপে এখন তিনি-মহীয়া কাকত উলিয়াব লাগে।

প্ৰস্তাৱক—পদ্মধৰ চলিহা।

সমৰ্থক—ডিম্বেশ্বৰ নেওগ।

অসম সাহিত্য সভাৰ সৈতে নেওগৰ এয়ে প্ৰথম সংযোগসূত্ৰ। এই সূত্ৰই ছেগা-চোৰোকাভাৱে হ'লেও ১৯৪৭ চন পৰ্য্যন্ত তেওঁক এৰা দিয়া নাই। সভাৰ সেই সময়ৰ অইন এটা প্ৰস্তাৱ অনুসৰি অসমীয়া কিতাপৰ পুৰস্কাৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ লিখক নিৰ্বাচনৰ বাবে তিনিজন পৰীক্ষক নিৰ্বাচিত কৰা হয়; তাৰ ভিতৰত নেওগ অন্যতম। শ্ৰেষ্ঠ লিখক নিৰ্বাচন হৈ গ'ল। কিন্তু নেওগৰ ওপৰত নানা দিশৰপৰা সমালোচনাৰ হানা-খোঁচা আহিব ধৰিলে। সভাৰ প্ৰধান সম্পাদকে জনাবলৈ বাধ্য হ'ল— 'ডিম্বেশ্বৰ নেওগৰ প্ৰতি অন্যায় সমালোচনা কৰা হৈছে।' (অসম সাহিত্য সভা পত্ৰিকা-১ম বছৰ, ২য় সংখ্যা)। জীৱন-যুদ্ধৰ বঙ্গমঞ্চত দুখৰ লগতে সুখৰ জিলিঙনি একো ছাটিয়েও মানুহৰ মনত মাজে মাজে হৰষৰ পৰশ দিয়ে। সমালোচনাৰ হানা-খোঁচাৰ অলপ পাচতে 'মালতী'ৰ মিচিকিয়া হাঁহি এটিয়ে তেওঁৰ অশান্ত মনত শান্তিৰ টোপাল পেলায়। পত্ৰিকাৰ এটা সংখ্যাত ওলাল — "মালতী কিতাপখনি সৰু, কিন্তু ইয়াৰ ভাষা ভাল। লিখাত ভঙ্গী আছে, ভাব গধুৰ আৰু মধুৰ। প্ৰতিটো কবিতা পঢ়ি ভাল লাগে। [illegible]-পৰিধি [illegible] লেও, ই এখনি লেখত লব লগীয়া কিতাপ।" এইদৰে মন্[illegible] তুল পৰীক্ষকজনৰ তপত বুকুখন 'মালতী'য়ে যেনিবা কো[illegible] [illegible]

আমাৰ গাতে লাগি থকা ব[illegible] [illegible]ত ফেৰিয়াফেৰি লগা বিষয় কেইটামানত লক্ষ্মীনাথই [illegible] বৰুৱা, কালিৰাম মেধি আদিৰ দৰে নেওগে [illegible] বিধে বিধে প্ৰবন্ধ লিখি সন্দেহৰ জাল ভালেখিনি [illegible] জোকৰ মুখত চূণ দিলে। বিবিধ প্ৰবন্ধেৰে, যেনে, কবি [illegible] গোপীচন্দ্ৰৰ গান, বৌদ্ধ গানৰ প্ৰাচীন কামৰূপী [illegible]

অসমীয়া সাহিত্য বুৰঞ্জীৰ [illegible] বেজবৰুৱাই আগতে

এখন কিতাপ লিখি প্ৰকাশ কৰিছিল। ইয়াৰ পাচত দুই চাৰিটা বিষয়ত দুই এজনে প্ৰবন্ধ পাতি লিখি বিষয়বোৰত নতুন ৰেখাপাত কৰাৰ প্ৰয়াস কৰিছিল যদিও, অসমীয়া সাহিত্য ইতিহাসৰ সূক্ষ্ম আৰু বিস্তৃত আলোচনা প্ৰথম নেওগৰ হাততেই হয়। অধ্যয়ন আৰু অধ্যাপনাৰ সুচলৰ পিনে লক্ষ্য কৰি তেওঁ বিষয়বোৰ বিভিন্ন স্তৰৰ পঢ়ুৱৈৰ বাবে বিভিন্নৰূপে যুগুত কৰি প্ৰকাশ কৰিছে, যেনে—অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি, আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী, অসমীয়া সাহিত্যৰ বুৰঞ্জী (চমু), অসমীয়া সাহিত্যৰ বুৰঞ্জী (বহল), *New Light on History of Asamiya Literature*, *The Origin and Growth of the Assamiya Language* ইত্যাদি। নক'লেও হব যে এইবোৰ গ্ৰন্থত সন্নিৱিষ্ট বিষয়সমূহৰ দুই-চাৰিটা অঃ সাঃ সঃ পত্ৰিকাত সময়ে সময়ে প্ৰকাশিত হৈছিল, দুই-এটা সভাৰ কোনো কোনো অধিৱেশনত পঠিত হৈছিল। এইদৰে সভাৰ হৈ তেতিয়া নেওগেই সাহিত্যৰ প্ৰচাৰ আৰু প্ৰকাশ কাৰ্য্য গুটীয়াভাৱে সমাধা কৰি অসম সাহিত্য সভাৰ ভেঁটি ভালেখিনি টনকিয়াল কৰিছিল।

ল'ৰা কালৰপৰাই সাহিত্য-সেৱাৰ বিবিধ চানেকি দেখুৱাই তেওঁ সাহিত্য সভা-সংশ্লিষ্ট বা সগোত্ৰ বহুতো অনুষ্ঠানৰপৰা আদৰ অভিনন্দন বঁটা-বাহন আদি লাভ কৰিবলৈও সমৰ্থ হৈছিল। যি মূলা বাঢ়ে তাৰ দুপাততে চিন —মিছা নহয়। নগাঁৱৰ দানবীৰ 'চন্দ্ৰধৰ বৰুৱা সোঁৱৰণী' পুঁজিৰপৰা তেওঁ এই কেইখন কিতাপৰ বাবে বঁটা লাভ কৰে—

(১) ১৯৩৫ চনত 'আধুনিক অসমীয়া কাব্য প্ৰতিভা' (১৮৩০—১৯৩০)

(২) ১৯৩৭ চনত 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী' (১৮৩০—১৯৩০)

(৩) ১৯৫০ চনত 'অসমীয়া কথা প্ৰতিভা' (১৮৩০—১৮৪০)।

প্ৰতিযোগিতাত প্ৰথম [illegible] ধৰ্মৰ [illegible] কৰি প্ৰতিখন কিতাপৰ বাবে দুশ পঞ্চাশ টকাকৈ পুৰস্কাৰ [illegible]

(৪) ১৯৩৬-৩৭ [illegible] কৰি [illegible] (প্ৰায় দুহাজাৰ অসমীয়া ফকৰা-যোজনাৰ সঙ্কলন) লি[illegible] [illegible] সভাৰপৰা 'আনন্দ চন্দ্ৰ আগৰৱালা' বঁটা লাভ [illegible]

সংস্কৃত আলঙ্কা[illegible] [illegible] *similitation* [illegible] (কাব্য)-সেৱাৰ বিভিন্ন উদ্দেশ্য ব্যাখ্যা প্ৰসঙ্গত যশস্যা [illegible] [illegible] মো উল্লেখ কৰিছে। প্ৰসঙ্গক্ৰমে নেওগৰ নামটোও [illegible] আহিব বাবে থাপনাৰ কোণত থব পাৰি। অৱশ্যে [illegible] যে যশস্যা আৰু অৰ্থলাভ

যথানুৰূপে নাপালে—এই কথা স্বীকাৰ নকৰি নোৱাৰি।

'অসম সাহিত্য সভা পত্ৰিকা'ত তেওঁ যিবোৰ প্ৰবন্ধ লিখিছিল তাৰ সৰহ ভাগেই অসমীয়া ভাষা-সাহিত্য সম্বন্ধীয়। সাধাৰণ সাহিত্য বিষয়ক আলোচনা খুব কম। যি পোৱা যায় তাৰে দুটামানলৈ আঙুলিয়ালোঁ—

(১) সাহিত্য-বিচাৰ (২য় বছৰ-১ম সংখ্যা)—ইয়াত সাহিত্যৰ সাধাৰণ লক্ষণ আৰু তাৰ গুণাগুণ ব্যাখ্যা কৰা হৈছে।

(২) বিয়া—ইয়াৰ উৎপত্তি আৰু ক্ৰমবিকাশ (২য় বছৰ, ৪ৰ্থ সংখ্যা)—ইয়াত দেখুওৱা হৈছে যে অন্ততঃ মহাভাৰতৰ দিনৰেপৰা হিন্দু সমাজত বিয়াৰ প্ৰচলন আছিল। একে বংশত বৈৱাহিক সম্বন্ধ নিষেধ অতি বিজ্ঞান-সন্মত। বিয়াৰ প্ৰধান লক্ষ্য গাৰ্হস্থ্য আশ্ৰম স্থাপন, ব্যক্তিগত সুখ নহয়। পত্নীৰ গৌৰৱ-সূচক শাস্ত্ৰোক্ত সংস্কৃত বচন 'গৃহিণী গৃহমুচ্যতে' নেওগৰ ভাষাত "ঘৈণীয়েই ঘৰ, ঘৈণী নহ'লে ঘৰো অঘৰ।"

(৩) সাহিত্যৰ আৱশ্যকতা (৭ম বছৰ, ৩য় সংখ্যা)—সাহিত্যৰ বিপুল পৰিধি জৰিপ কৰি এই প্ৰবন্ধত কোৱা হৈছে যে গোটেই জগত-খনকে একেডালি সূতাৰে সামৰি লব পৰা গুণ আছে কেৱল সাহিত্যৰেইহে। অইন কোনো বিষয়ৰে ইমান ব্যাপকতা নাই। মানুহে মানুহৰ বাবে সাহিত্য ৰচনা কৰে। গতিকে ইয়াত মানৱীয় সম্পৰ্ক থকা বিষয়ৰ আধিক্য থাকিব লাগে। "সাহিত্য পৱিত্ৰ কল্পতৰু, তাত যাচকৰ মনোৰঞ্জনকাৰী সকলো আশা বিশ্বজুৰি চিৰকালৰ বাবে মলিয়াবই লাগিছে।"

(৪) বিশ্ববিদ্যালয়ত অসমীয়া পাঠ্যপুথি (১৯৩৭—৩৮ চন)।

এনেবোৰ সাধাৰণ গতানুগতিক সাহিত্য আলোচনাত লিখকৰ অৱশ্যে হাড়-ভঙা পৰিশ্ৰম হোৱা নাই। এইবোৰ সাময়িকভাৱে হাতৰ খজুৱতি মৰা জিৰণিৰ শ্ৰম। কিন্তু তেওঁৰ অসমীয়া ভাষা-সাহিত্য সম্বন্ধীয় মৌলিক আলোচনাবোৰত গভীৰ মনোনিৱেশ [illegible] বহল চিন্তা-চৰ্চাৰ সূচনা আছে। 'অসম সাহিত্য সভা পত্ৰিকা'ত প্ৰ[illegible] এনে কেইটামান প্ৰবন্ধৰ পৰিচয় তলত দিয়া হ'ল—

(১) অসমীয়া আখৰ জোঁটনি [illegible] বছৰ, ২য় সংখ্যা)—এই প্ৰবন্ধ বৰ্তমান অসমীয়া [illegible] ত হেঙাৰ দিয়া ভালে-মান খেলিমেলিৰ বীজাণুনাশক [illegible] পৰা যায়। নেওগৰ মতে 'হল', 'গল' আদি শব্দত [illegible] গ'ল' কৰিবৰ একো প্ৰয়োজন নাই। [illegible] কৰি[illegible]

'কৰেঁা', 'ধৰেঁা' আদি শব্[illegible] বিন্দুৰ প্ৰয়োজন আছে; 'কৰেঁা' (মূল সংস্কৃত 'কৰোমি [illegible] চন্দ্ৰবিন্দু নালাগে।

সংস্কৃতক অনুকৰণ কৰি ৰেফৰ পাচত ব্যঞ্জনবৰ্ণৰ দ্বিত্ব সমৰ্থনযোগ্য; যেনে-সৰ্ব্ব, পৰ্ব্বত। কিন্তু তৎসম বা তদ্ভৱ শব্দত বাহিৰে অইন শব্দত এই নিয়ম নিষ্প্ৰয়োজন, যেনে—জাৰ্মান, পৰ্দা।

(২) ভাৰতীয় ভাষাসমূহৰ মূলৰূপে প্ৰাকৃত (৮ম বছৰ, ৩য় সংখ্যা)—ভাষাতত্ত্ববিদ্‌সকলৰ বহুতে কয় প্ৰাকৃত ভাষা সংস্কৃতৰপৰা উদ্ভৱ হৈছে। ভাৰতীয় ভাষাসমূহৰ মূল সংস্কৃত। কিন্তু এই মতৰ বিৰুদ্ধ মতো নোহোৱা নহয়। এই বিৰুদ্ধবাদীসকলৰ খোজতে খোজ মিলাই নেওগে কৰ খোজে যে ভাৰতীয় ভাষাসমূহৰ মূল সংস্কৃত নহয়, প্ৰাকৃতহে। সংস্কৃতৰপৰা প্ৰাকৃতৰ উদ্ভৱ হোৱা হ'লে সংস্কৃতত নথকা বহুতো বৈদিক শব্দৰ প্ৰয়োগ প্ৰাকৃতত পোৱা নগ'লহেঁতেন। সংস্কৃতত নথকা অথচ বৈদিক ভাষাত থকা বহুতো শব্দ অসমীয়া শব্দকোষত ঠাই পাইছে, যেনে—খাৰু (বৈদিক 'খাড়ি'), বেজি (বৈদিক 'বেজি')। সেইদৰে সংস্কৃত নালাগে বৈদিক ভাষাতো নথকা, অথচ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালত থকা ভালেমান শব্দ অসমীয়া শব্দ-ভঁৰালত আছে, যেনে—আবু (লেটিন 'আবিয়া') আতা (লেটিন-গ্ৰীক 'আত্তা'), উৰুলি (লেটিন 'উলুলু') আদি। এই মত সৰ্বসন্মত নহব পাৰে, কিন্তু ইয়াত গৱেষণা আৰু স্বাধীন চিন্তাৰ সৌন্দৰ্য্য আছে। (এই বিষয়টো লৈ তেওঁ একাধিক প্ৰবন্ধ পত্ৰিকাত প্ৰকাশ কৰে)।

(৩) অৰুনোদই (৭ম বছৰ ২য় সংখ্যা)—

ইয়াত 'অৰুনোদই' কাকতৰ প্ৰথম সংখ্যাৰপৰা আৰম্ভ কৰি ১৮৫৮ খৃষ্টাব্দ পৰ্য্যন্ত প্ৰতি সংখ্যাত প্ৰকাশিত প্ৰবন্ধসমূহৰ তালিকা এটা প্ৰকাশ কৰি গৱেষণা-ৰত নেওগে পৰৱৰ্তী গৱেষকসকলৰ বাবে ডাঙৰ সুবিধা কৰি থৈ গৈছে। এনে আপুৰুগীয়া প্ৰবন্ধ-ৰাজি আজিৰ গৱেষকৰ বাবে সংৰক্ষিত চিন্তামণি।

(৪) বৈষ্ণৱ ধৰ্মৰ ভক্তিতত্ত (১০ম বছৰ ৩য় সংখ্যা)—

ইয়াত আছে বৈষ্ণৱ ধৰ্মৰ [illegible]ৰ কথা; 'বিষ্ণু' শব্দৰ তাৎপৰ্য্য, মহাকাব্যৰ 'নাৰয়ণী' আখ্যান[illegible] কতি। ভক্তিবাদৰ ক্ৰমবিকাশ দেখুৱাই লিখকে কয় যে শ্ৰীমদ্ কমি[illegible] আছিল তই শ্ৰীকৃষ্ণৰ পূৰ্ণ অৱতাৰৰ ভাব আৰোপ কৰা হৈছে [illegible]ৰ্ক এনাৰদীয় ভক্তি সূত্ৰৰ আনচ এটি আগ বঢ়াই কৰ্ম, জ্ঞা[illegible]তত্ত্বত ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা হৈছে।

(৫) [illegible]ত ন[illegible]? (৮ম বছৰ ১ম সংখ্যা)—'কৃষ্ণকীৰ্ত্তন' আ[illegible]নে বঙলা—বিবাদমূলক এই 'কৃষ্ণকীৰ্ত্তন' পু[illegible]

বিষয়টোলৈ নেওগে প্ৰথমে ইয়াতেই বিস্তাৰিতভাৱে আলোচনা কৰে আৰু সিদ্ধান্ত কৰে যে ই 'অসমীয়া ভাষাৰ সম্পূৰ্ণ লক্ষণ থকা লেখৰ প্ৰাচীন গ্ৰন্থ।' বঙলা সাহিত্যই পাকে-প্ৰকাৰে নি ইয়াকো নিজৰ বুকুত জোৰকৈ সুমুৱাই লব খোজে। এই একেটা বিষয়কে লৈ তেওঁ ইংৰাজীতো দুই-এটা প্ৰবন্ধ লিখি অনা-অসমীয়াসকলৰো দৃষ্টি আকৰ্ষণ কৰে; তেওঁৰ ইংৰাজী প্ৰবন্ধ *Sree Krishna Kirtan and its language* (Journal of Assam Research Society VIII No 1, 1941) *Songs of Gopi-Chandra and their language* (J. A. R. S., 1941-42)

(৬) বঙ্গদেশৰ কোনো কোনো অঞ্চলৰ ভাষাত অসমীয়া ভাষাৰ প্ৰভাৱ কেনেভাৱে পৰিছে এই বিষয়েও তেওঁ কেবাটাও প্ৰবন্ধ পত্ৰিকাত লিখিছিল (৯ম বছৰ, ১ম সংখ্যা)।

শ্ৰীনলিনীবালা দেৱীৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ ২৩শ অধিবেশনত (যোৰহাটত) নেওগ ৰচিত এটি প্ৰবন্ধ পাঠ কৰা শুনিছিলোঁ। ৰচনাৰ এঠাইত লিখকে কৈছিল যে অসমীয়া নাট মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ মৌলিক ৰচনা। ইয়াৰ বাবে তেওঁ কাৰো ওচৰত ধৰুৱা নহয়। "সম-সাময়িক ভাৰতত কিয় ইউৰোপতো এনেদৰে নাট ৰচনা কৰা ৰীতি বিৰল আছিল মিথিলাৰ কীৰ্তনীয়া নাটকৰ ঘাই ভাৱৰীয়া আৰু তেওঁলোকৰ সাজ-পাৰৰ বৰ্ণনাত পাদুকা, পাগ আদি ব্যৱহাৰ-প্ৰসঙ্গত নেওগে কয় যে ভাওনাৰ এনেবোৰ সম্পদ মিথিলাইহে অসমৰপৰা ধাৰ কৰিব পাৰে। সাহিত্য সভা আৰু পত্ৰিকাক বাহনৰূপে লৈ এইদৰে নানা প্ৰবন্ধ-পাতিৰ জৰিয়তে নেওগে মনৰ মাজত সততে খকা-খুন্দা কৰি থকা গুপ্ত ভাববোৰ বাইজৰ মাজত মৰ সাহসেৰে প্ৰচাৰ কৰি শেষত এদিন নিজেই তেওঁ 'সাহিত্য সভা পত্ৰিকা'ৰ সম্পাদক নিৰ্বাচিত হৈ পৰিল—১৯৩৩ চন, '৩৭ চন আৰু '৪০ চনত। পঞ্চম বছৰত ('৩৩ চনত) পূৰ্ণানন্দ পাঠকৰ সৈতে যুটীয়া সম্পাদক আছিল। '৪৪—৪৭ চনত তেওঁ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। এই তিনি [illegible]ছৰৰ ভিতৰত তেওঁ এখনো বাৰ্ষিক অধিবেশন পাতিব নোৱাৰিলে বুলি ব[illegible]লি দুই এজনে তেওঁক দোষা-ৰোপ কৰিব খোজে (কিন্তু সেই সময় বৰ্শ[illegible] বুলি গম পোৱা নাযায়)। কথাৰ আঁতি-গুৰি ভাবি নাচাই ম[illegible] নি আ[illegible]ক্ষী অতি সহজ কথা। এইদৰে দোষাৰোপ কৰোঁতা সকল[illegible] সে[illegible]ছোৱাৰ দেশৰ অৱস্থাৰ পিনে এবাৰ চকু ফুৰাই চাবকৈ কৰিব[illegible]ৰ্বা। দ্বিতীয় মহাযুদ্ধৰ ঘোৰ বিভীষিকাময় সঙ্কটপূৰ্ণ কা[illegible]ল-কলেজ, চৰকাৰী ঘৰ-দুৱাৰ, অসম সাহিত্য সভাৰ [illegible] মাতি [illegible]থিশাল আদি সকলো

সামৰিক অধিকাৰীৰ কবলত। ৰেল-জাহাজ, অইন কি সাধাৰণ যান-বাহনৰ পথবোৰো সেইসকলৰ বাবেই অৱৰুদ্ধ। জনসাধাৰণৰ নিত্যনৈমিত্তিক কাম-কাজ সভা-সমিতিবোৰো প্ৰায়েই বন্ধ—ভাৰত ৰক্ষা দণ্ডবিধিৰ বিধি-পথালি, গণ-আন্দোলনৰ বিষম ৰূপ। শিক্ষা-সাহিত্য সংক্ৰান্ত বিষয়বোৰ নাতিপ্ৰয়োজনীয় (non essential) বুলি কৰ্তৃপক্ষই নীতি গ্ৰহণ কৰিলে। দেশজুৰি হোৱা এনে সঙ্কটকালীন অৱস্থাতো বাৰ্ষিক অধিৱেশন মুঠেই দুবছৰহে হোৱা নাছিল, '৪৭ চনত হৈছে। '৪৭ চনৰ অধিৱেশনত সভাপতি নীলমণি ফুকন, স্থান ডিব্ৰুগড়। পূৰ্বৰ ভগাজন সম্পাদকে সমূলঞ্চে টকা-কড়ি, কাকত-পত্ৰাদি নৱ-নিৰ্বাচিত সম্পাদকলৈ হস্তান্তৰ নকৰাত নেওগৰ বিপদৰ পাৰ নোহোৱা হৈছিল। এনেবোৰ হাহাকাৰৰ মাজতো মৰণক শৰণ দি হ'লেও নেওগে সম্পাদকৰ পদ ত্যাগ কৰা নাই, কঁকালত টঙালি বান্ধি ডুমডুমৰাপৰা ধুবুৰী পৰ্য্যন্ত ঘূৰিলে, এশজন আজীৱন সভ্য কৰিলে। দহ হাজাৰ টকা উঠিল। সাহিত্য সভাৰ 'প্ৰথম অক্ষয় পুঁজি' স্থাপিত হ'ল। ইয়াৰ আগত আজীৱন সভ্য আছিল মুঠেই এঘাৰ-জনহে। এই সময়তে সাহিত্য সভাৰ নিয়মাৱলীত নতুন পৰিৱৰ্তনো বহুত হৈছিল। এবাৰ মহাসমৰৰ মহাকালৰ বিকট মূৰ্তিৰ পিনে চাই আৰু এবাৰ সম্পাদকৰ ধৈৰ্য্য আৰু সহিষ্ণুতাৰ পিনে চাই আমি কব খোজোঁ যে যিজন সম্পাদকে জীৱন-মৰণৰ এনে সন্ধিক্ষণতো আত্মৰক্ষা কৰি এই হেন বিৰাট ৰাজহুৱা সম্পদ এটাকো ৰক্ষা কৰিব পাৰিলে তেওঁ ধন্য। আনুষ্ঠানিক বাৰ্ষিক অধিৱেশন দুটা নপতাটো সেই দিনৰ একো অস্বাভাৱিক কথা নহয়। ইয়াৰ আগৰ পাচৰ কালছোৱাতো এনে ব্যতিক্ৰমৰ অভাৱ নাই। ১৯১৭ চনৰপৰা '৫৩ চনলৈ সভাৰ এই ছয়ত্ৰিশ বছৰৰ ভিতৰত বাৰ্ষিক অধিৱেশন হৈছিল মুঠেই বাইশটা। এই ত্ৰুটী-বিচ্যুতিৰ ভাগ লয় কোনে!

১৯৪৯ চনৰ পাচৰপৰা নেওগৰ জীৱনত বিষাদ-যোগৰ আৰম্ভণ হয়, মৰমৰ ঘৈণীয়ে সংসাৰ ত্যাগ কৰিলে; আমা-ডিমা শিশুসন্তান কেইটি-মানৰ সৈতে বিৰহী সংসাৰীজনৰ জীৱন-তৰী টুলং-ভুটুং কৰিব ধৰিলে; বিষয়-বিষধৰে দেহা-মন জৰ্জৰিত কৰি তুলিলে তেওঁৰ। সাহিত্য-সংস্কৃতিৰ প্ৰতি পূৰ্বৰ ৰাপ কমি [illegible]হিল। কিন্তু জৰে এৰিলেও কৰ্পটিয়ে নেৰাৰ দৰে সাহিত্য-সংস্কৃতিয়ে [illegible]ওঁক এৰিব নোৱাৰিলে। ১৯৬৪ চনত অসম সাহিত্য সভাৰ নাজিৰ *de*[illegible]নত তেওঁক কবি সন্মিলনৰ সভাপতি পতা হয়; '৬৫ চনত *nomilation in*[illegible]শনত তেওঁ মূল সভাৰ সভাপতি নিৰ্বাচিত হয়। নেওগ আ[illegible]ষাৰ 'ছিছেম্-ফাক' মন্ত্ৰ-মুগ্ধ। এই মন্ত্ৰশক্তিৰ প্ৰভাৱতে [illegible]াৰি, তেওঁ প্ৰায় গোটেই জীৱন

নিৰাশাবাদী হৈ থাকোঁতেই গ'ল। কবি-সন্মিলনৰ সভাপতিৰূপে তেওঁ যি অভিভাষণ দিয়ে তাত ব্যাস-বাল্মীকি, হোমাৰ, দুৰ্গাবৰ-শঙ্কৰ-মাধৱ প্ৰভৃতি কবিকুলৰ জয়গান কৰি অসমীয়া বাণীপুত্ৰ সৱক সতৰ্ক কৰি কয়—'আজি অগ্নিপৰীক্ষাৰ দিন। বিক্ষিপ্ত মানৱ মন; ছেদেলি-ভেদেলি আজি মানৱ সমাজ। আমাৰ সমাজৰ কেউপিনে শত্ৰু। এনে শত্ৰুক নিধন কৰি সমাজক নিষ্কণ্টক কৰিব লাগিব''—এয়ে কবি-সন্মিলনৰ সভাপতিৰ আকুল আহ্বান। পিচ বছৰত সাহিত্য সভাৰ মূল সভাপতিৰূপেও তেওঁ পোনতে অসমীয়া ভাষা-সাহিত্যৰ কঙ্কাল মূৰ্তিটোৰ কথাকেহে ঘনাই কৈছে; তথাপি অন্তৰত চিৰদিন দপ্‌দপ্‌কৈ জ্বলি থকা তেওঁৰ জুইকুৰা নুনুমায়। ভাষা-সাহিত্যৰ মৌলিক সংস্কাৰকামী তেওঁ। সেইহে অনাতাঁৰ কেন্দ্ৰ-প্ৰচাৰিত 'তেজৰে কমলাপতি পৰভাত নিন্দ ভেল' ৰাগিণী ভৰ দুপৰতে শুনি তেওঁ চমক্ খাই উঠে। বৰগীতৰ তাল-মানৰ 'সাংঘাতিক' পৰিবৰ্তন দেখি বিস্ময় মানে আৰু সুবিধা পালেই প্ৰবন্ধৰ মাধ্যমতে মনৰ ভাব প্ৰচাৰ কৰে। নিজৰী কাপ (Fountain pen), চেপাকল (Press), কথা-চিত্ৰ (Talkie) আদি শব্দ-সাধন আৰু শব্দ-প্ৰয়োগ তেওঁৰ মৌলিক আবেগাত্মক আৱেদন। তেওঁৰ মতে অসমীয়া শব্দৰ 'বচন' এটা, শব্দ-যোগত মাথোন সেয়ে দ্বিবচন আৰু বহুবচন হব পাৰে, যেনে—গৰু—গৰু-হাল—গৰুবোৰ। বৰ্তমান অসমীয়া ভাষা-সাহিত্যৰ একপক্ষীয় অৱস্থা-টোলৈ চাই তেওঁ ইয়াক 'ব্যৱসায়ৰ সাহিত্য' আখ্যা দিছে। নীচাত্মিকা আৰু স্বাৰ্থান্ধতা মনোভাৱ অসমীয়াৰ জাতীয় ধ্বংসৰ মূল বুলি তেওঁ দোহাৰি কয়। তদুপৰি সভাপতিৰ আসনৰপৰা লাখ-বিলাখ অসমীয়াৰ প্ৰাণত লগা ওঙ্কাৰ ধ্বনি কৰিলে কবি নেওগে এইদৰে— 'মৰে অসম জীয়ে কোন; জীয়ে অসম মৰে কোন!' আকৌ— 'অসমক যি ৰক্ষা কৰিব অসমেও তাক ৰক্ষা কৰিব; যেয়ে অসমীয়া বাঘিনীৰ গাত গুলী লগাব তাৰ আধ্যা নেপেলোৱাকৈ অসম মৰিব নোৱাৰে।'

সভাপতিৰ আসনত বহুৱাই অসম সাহিত্য সভাই সাহিত্যিক নেওগক সদলবলে আদৰণি জনালে। আজীৱন উগ্ৰমূৰ্তিধাৰী লৌহ-মানৱ জনৰ প্ৰাণ পুলকিত হ'ল নিশ্চয়। কিন্তু এ[illegible] পুলক সৰহ দিন নিটিকিল— নিয়তিৰ কঠোৰ নীতি! তাক বাধা [illegible]য় এনে সাধ্য কাৰ! কিন্তু অসমীয়া ভাষা-সাহিত্য-পয়োধিত তে[illegible] [illegible]ক চিন্তাৰ ঢৌ তুলি গৈছে সি অনুসন্ধিৎসু লিখক-গৱেষকক [illegible] [illegible]ন প্ৰেৰণা যোগাই থাকিব, অসম সাহিত্য সভায়ো ভৱিষ্যৎ [illegible] [illegible]কাৰ ভালেখিনি আলম পাব।

[illegible] মতি [illegible]

ভাষাতাত্ত্বিক ডিম্বেশ্বৰ নেওগ

শ্ৰীবিশ্বেশ্বৰ হাজৰিকা

ডিম্বেশ্বৰ নেওগৰ ভাষাতাত্ত্বিক ৰচনাবোৰৰ প্ৰতি যোগ্যজনৰ দৃষ্টি আকৰ্ষিত হোৱা নাই আৰু এই বিভিন্ন ৰচনাসমূহত তেওঁ যি যুক্তি দাঙি ধৰিছে, তাৰ প্ৰতি আমিও কৰ্ণপাত কৰা নাই। ইয়াৰ অৱশ্যে কাৰণো আছে। তেওঁৰ ৰচনাসমূহ থূপতে পোৱাৰ অসুবিধা আৰু তেওঁৰ পূৰ্ব-ৱৰ্তী বা সমসাময়িক অসমীয়া ভাষাতত্ত্বমূলক ৰচনাবোৰৰ দুৰ্লভ্যতা আদি এনে আলোচনাৰ ক্ষেত্ৰত প্ৰধান বাধা। কিন্তু নেওগৰ ভাষাতত্ত্বৰ আলো-চনাবোৰত কিবা এটা নতুনত্ব আৰু মৌলিকতা আছে বুলি ভাবিয়েই এই আলোচনাত প্ৰবৃত্ত হ'লোঁ, যদিও সুবিধাৰ অভাৱ, সময়ৰ অযথেষ্টতা, আৰু সৰ্বোপৰি, ভাষাতত্ত্ব জ্ঞানৰ সীমাবদ্ধতাৰ সাক্ষ্য আলোচনাৰ পৰৱৰ্তী পৃষ্ঠাবোৰে বহন কৰিব।

তেওঁৰ ভাষাতত্ত্বমূলক ৰচনাবোৰৰ ভিতৰত অসমীয়া ভাষাত প্ৰকাশ পোৱা তলত দিয়া পুথি কেইখনেই প্ৰধান—

১। অসমীয়া ভাষা আৰু লিপিৰ কাহিনী (১৯৫২ চনত প্ৰকাশিত)

২। শুধ অসমীয়া

৩। অসমীয়া ভাষাতত্ত্বৰ নতুন বিচাৰ।

এইবোৰৰ বাহিৰেও তেওঁ বিভিন্ন সাময়িকীত অসমীয়াতে তলত নাম দিয়া প্ৰবন্ধকেইটা লিখিছে। প্ৰবন্ধ কেইটাৰ শিৰোনামা তেওঁৰ "*New Light on History of Asamiya Literature*"-ৰ ৪৫৯—৬০ পৃষ্ঠাৰপৰা লোৱা হৈছে। তাত প্ৰবন্ধকেইটাৰ শিৰোনামা ইংৰাজীত আছে গুণেই, সেইবোৰক সেইদৰেই উদ্ধৃত কৰি দিয়া হ'ল—

৪। *Assamese as descendant of Indo-Aryan* (মিলন)

৫। *Power of Assimilation in Early Assamese* (অসম সাহিত্য সভা পত্ৰিকা)

৬। *Assamese in Relation to the Prakrits* (অসম সাহিত্য সভা পত্ৰিকা)

৭। *Is the Language of Krisna Kirtana Bengali ?* (অসম সাহিত্য সভা পত্ৰিকা)

৮। *Review of Asamiya Bhasar Moulik Vicar* (বাঁহী)

৯। অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী (বাঁহী)

১০। *On Sanskrit, Prakrit and Assamese* (বাঁহী)

১১। *On so-called "Oldest Bengali Poets"* (বাঁহী)

১২। *On the Common Origin of Assamese and Bengali* (বাঁহী)

তেওঁ ইংৰাজী ভাষাত লিখা তলত লিখা কিতাপকেইখনত অসমীয়া ভাষাতত্ত্বৰ আলোচনা কৰিছে—

১৩। *Introduction to Assam—the country, the people, the speech*, 1947

১৪। *Growth of the Asamiya Language*, 1964

১৫। *New Light on History of Asamiya Literature* (ভাষা সম্পৰ্কীয় অধ্যায়কেইটা), 1962.

ইয়াৰ বাহিৰেও তেওঁৰ তলত উল্লেখ কৰা প্ৰবন্ধকেইটা কাষত নাম দিয়া আলোচনীবোৰত প্ৰকাশ হৈছিল—

১৬। The Language of Sri Krisna Kirtana, The Assam Research Journal 1938.

১৭। The Language of Gopichandrar Gan, The Assam Research Journal, 1938.

১৮। The Language of Gopichandrar Gan, The Modern student, 1942.

১৯। Phonology and Orthography in Assamese (২২।১।৫১ তাৰিখে অল ইণ্ডিয়া ৰেডিঅ' গুৱাহাটী কেন্দ্ৰৰপৰা প্ৰচাৰিত ।)

এই প্ৰায় একুৰি ৰচনাৰ ভিতৰত ১৯৬৪-ত প্ৰকাশিত *"Growth of the Asamiya Language"* খনেই সৰ্বশেষ ৰচনা । গতিকে অসমীয়া ভাষাতত্ত্বৰ শেহতীয়া মতবাদ ইয়াতে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে । কাৰণ, লিখকে ইয়াৰ পাতনিত কৈছে—

"I think that the field of research on Asamiya language is still fallow and virgin ......

"Every particle of detail of study of the language was thought out in my mind and published in the journals and magazines since the last twenties........ They have covered at least the last forty years of my life, year to year, month to month and day to day. They have been revised and re-revised for times without number, correcting and re-correcting my own mistakes for which I have been ashamed by myself without any knowing by others. I wonder if I can ever call any halt to this and say 'This is my last word.' So imperfect is the knowledge and so immature the judgment even after a lifetimes' sleepless efforts !"—Apologia, pp III—IV.

ডিম্বেশ্বৰ নেওগৰ ভাষাতত্ত্ব সম্পৰ্কীয় গৱেষণাৰ মূল্য বুজিবলৈ হ'লে, সেই সময়ৰ অসমীয়া ভাষাতত্ত্ব গৱেষণাৰ ৰূপটোৰ এটা স্পষ্ট ছবি মনলৈ আনি লব লাগিব । তেওঁ ১৯২৪ চন মানৰপৰা ভাষাতত্ত্বৰ কামত লাগে । সেই সময়ত তেওঁৰ হাতত দুখন অসমীয়া ভাষাতত্ত্বৰ পুথি আছিল । ১৯১২ চনত প্ৰকাশিত দেৱেন্দ্ৰনাথ বেজবৰুৱাৰ 'অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী' আৰু দেৱানন্দ ভঁৰালীৰ 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ' । তাৰ পাচত ১৯৩৬ চনত কালিৰাম মেধিৰ 'অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণ' প্ৰকাশ হয় । ১৯৪৯ চনত দেৱেশ্বৰ চলিহাই *'Origin and Growth of the Assamese Language and Its Literature'* প্ৰকাশ কৰে । এই আটাইকেইখন পুথিতে অসমলৈ প্ৰাগৈতিহাসিক কালত প্ৰাক্-বৈদিক আৰ্য্য এদল আহিছিল আৰু তেওঁলোকৰ কথিত প্ৰাক্-বৈদিক ভাষাৰপৰা অসমীয়া ভাষাৰ উৎপত্তি হৈছে বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা হৈছিল । উপযুক্ত তথ্যপূৰ্ণ সমৰ্থন আগবঢ়াব নোৱাৰাত তেওঁলোকৰ এই মতবাদ 'যুক্তিহীন ভকতি-আলয়' হৈ থাকিল, বিজ্ঞানসম্মত মতবাদৰ শাৰীলৈ ই উত্তীৰ্ণ হব নোৱাৰিলে ।

১৯২৭ চনত ড° জৰ্জ আব্ৰাহাম গ্ৰিয়াৰ্চনৰ *'Linguistic Survey of India'* প্ৰকাশ হয় । তাত ড° গ্ৰিয়াৰ্চনে মাগধী প্ৰাকৃতৰ প্ৰাচ্য অপভ্ৰংশৰপৰা অসমীয়া ভাষাৰ উৎপত্তি হৈছে বুলি মত দিয়ে । ড° সুনীতিকুমাৰ চেটাৰ্জীয়ে মাগধী প্ৰাকৃতক চাৰিভাগত ভগাই, তাৰে কামৰূপ শাখাটোৰপৰা অসমীয়া ওলাইছে বুলি তেওঁৰ *'The Origin and Development of the Bengali Language'*-অত লিখে । ডঃ বাণীকান্ত কাকতিয়ে সেই মতকে ভিত্তি কৰি *'Assamese : Its Formation*

and Development' ৰচনা কৰে। ১৯৩৫ চনত কলিকতা বিশ্ব-বিদ্যালয়ে ড° কাকতিৰ গৱেষণা-সিদ্ধান্তৰ স্বীকৃতি দিয়াত এই মতবাদে জনপ্ৰিয়তা অৰ্জন কৰে। তেনেস্থলত ডিম্বেশ্বৰ নেওগৰ ভাষাতাত্ত্বিক গৱেষণাৰ আৱশ্যকতা থাকিল ক'ত ?

ভালকৈ ভাবি চালে এই সিদ্ধান্তটোৰ কেইটামান দোষ ওলায়। প্ৰথমতে, যিহেতু মগধ ৰাজ্যৰ অধিবাসীসকলৰ ভাষাৰ নাম মাগধী আৰু যিহেতু মগধ ৰাজ্য দক্ষিণ বিহাৰকে বুলিছিল, সেই হেতুকে মাগধী প্ৰাকৃতৰ প্ৰচলন হবলৈ হ'লে অসমখন বহুত দিন ধৰি মগধ ৰাজ্যৰ ভিতৰুৱা হৈ থাকিব লাগিব। মগধৰ ভিতৰত অসম থকাৰ কোনো প্ৰমাণ নাই। সেয়ে ডিম্বেশ্বৰ নেওগে ড° গ্ৰিয়াৰ্চন তথা তেওঁৰ অনুবৰ্তীসকলৰ এই সিদ্ধান্ত অগ্ৰাহ্য কৰিছে ; কাৰণ "....it is not enough to postulate a pet theory and to show classifications and sub-classifications of linguistic families and sub-families, but it is essential to study the history of languages with their particular characteristics and traits in close relation to the political, social and cultural history of their speakers. Just like literature, a language also does not grow in vacuum' and could not thrive with roots in the air." p. 3.

দ্বিতীয়তে, মাগধীৰ উপশাখাবোৰৰ নামৰ ভিতৰত কোনো প্ৰাচ্য, গৌড়ীয় বা কামৰূপী উপশাখাৰ নাম পোৱা নাযায়। দ্বাদশ শতিকাৰ নিবাসী পুৰুষোত্তমৰ 'প্ৰাকৃতানুশাসন'ত শাকাৰী, চাণ্ডালী আৰু শাৱৰী এই তিনিটা শাখাৰ কথাৰ উল্লেখ পোৱা যায়। মাগধীৰ এনে কোনো শাখা থকা হ'লে দ্বাদশ শতিকাৰ বঙ্গ-নিবাসী পুৰুষোত্তমৰ অজ্ঞাত নহ'লহেঁতেন।

তৃতীয়তে, মাগধী প্ৰাকৃতৰ ছটা প্ৰধান লক্ষণৰ ভিতৰত এটাও অসমীয়াত বহুলভাৱে প্ৰযোজ্য নহয়। ড° সুকুমাৰ সেনে তেওঁৰ *'A Comparative Grammar of Middle Indo-Aryan'*-অত মাগধীৰ এইকেইটা সাধাৰণ লক্ষণৰ কথা কৈছে—

১। 'ৰ'-ৰ ঠাইত 'ল' হয়।
২। কৰ্তা কাৰকৰ 'অঃ' বিভক্তি 'এ' হয়।
৩। 'জ' বা 'ঝ'-ৰ ঠাইত 'য' হয়।
৪। 'ন্য', 'ণ্য', 'জ্ঞ' আৰু 'ঞ্জ'-ৰ ঠাইত 'ঞ্ঞ' হয়।
৫। শ, ষ, আৰু স-ৰে মুক্ত ধ্বনি ৰক্ষিত হয়।
৬। স্বৰমধ্যস্থ 'দ' ৰক্ষিত হয়।

ইয়াৰে ৩, ৫ আৰু ৬ নং লক্ষণ অসমীয়া ভাষাত নাই। 'জ' বা 'ঝ'ৰ ঠাইত 'য' হোৱাৰ পৰিবৰ্তে, শৌৰসেনীৰ দৰে অসমীয়াত 'য'-ৰ ঠাইতো 'জ'-হে হয় ; যেনে—কাৰ্য্য > কাজ, যোক্ষ্যতি > জোখে, ইত্যাদি। প্ৰাচীন ভাৰতীয় আৰ্য্যভাষাৰ শ, ষ আৰু স-ৰে যুক্ত ধ্বনি ৰক্ষিত হোৱাৰ কোনো উদাহৰণ দিব পৰা নাযায়। সেইদৰে স্বৰমধ্যস্থ 'দ' অসমীয়ালৈ অহা এটা উদাহৰণো ড° কাকতিয়ে বিচাৰি উলিয়াব নোৱাৰিলে।

কৰ্তাকাৰকত 'এ' হোৱাৰ উদাহৰণ অসমীয়াত ডঃ কাকতিয়ে দেখুৱাব পৰা নাই। 'ৰাম ঘৰলৈ গ'ল' বাক্যৰ কৰ্তা কাৰকত কোনো বিভক্তিয়েই যোগ হোৱা নাই। অসমীয়াত ব্যৱহৃত কৰ্তা কাৰকৰ 'এ' বিভক্তিটো কৰণকাৰকৰ অ-কাৰান্ত শব্দ-ৰূপৰ 'এন' বিভক্তিৰপৰা আহিছে বুলিহে ড° কাকতিয়ে কৈছে।

'ন্য' আৰু 'ঞ'-ৰ ঠাইত 'ঞ্ঞ' হোৱাৰ মাত্ৰ দুটা উদাহৰণহে ড° কাকতিয়ে দিব পাৰিছে ; যেনে—কন্য—> কেঞ্ঞা (আঙুলি), হঞ্জে > হঞে। কিন্তু অসমীয়া ভাষাত 'ন্য' বা 'ণ্য' ধ্বনি বিপৰ্য্যস্ত হৈ 'ইন' বা সমীভূত হৈ 'ন' বা 'ণ' হোৱাহে দেখা যায় ; যেনে—অন্য > অইন, শূন্য > শূইন, অৰণ্য > অৰণ (যথা : ঠাইখন অৰণ হৈ আছে।), ইত্যাদি। 'ঞ্জ' অসমীয়াত 'জ' হোৱাটোহে সাধাৰণ লক্ষণ ; যেনে—অঞ্জলি > আঁজলি, পঞ্জৰ > পাঁজৰ (যথা : ওচৰে-পাঁজৰে), পঞ্জী > পাঁজি ইত্যাদি। 'জ্ঞ' ঠাইত অসমীয়াত 'ইগ' বা স্বৰভক্তিৰ ফলত 'গিয়া' হয় ; যেনে—আজ্ঞা > আইগা, অজ্ঞান > অইগান, জ্ঞান > গিয়ান, জ্ঞাতি > গিয়াতি ইত্যাদি। ইয়াৰে প্ৰথম দুটা কথিত ৰূপ।

'ৰ'-ৰ ঠাইত 'ল' হোৱাৰ তিনিটা উদাহৰণ ড° কাকতিয়ে দিছে। কিন্তু এই বিৰাট ধ্বনি পৰিবৰ্তনৰ ভিতৰত তিনিটা উদাহৰণ অতি নগণ্য। বাকীবোৰ ক্ষেত্ৰত প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষাৰ 'ৰ'-ক আমি অসমীয়াতো 'ৰ' ৰূপতেই পাইছোঁ। উদাহৰণস্বৰূপে *'Assamese : Its Formation and Development'*-অৰ 'ল'-ৰে আৰম্ভ হোৱা ৯১টা শব্দৰ ২টাহে 'ৰ'-ৰপৰা হোৱা 'ল'। আনহাতে, 'ৰ'-ৰে আৰম্ভ হোৱা ৫৫টা শব্দৰ আটাইকেউটাৰে মূলতে 'ৰ' আছিল। এনেস্থলত ড° কাকতিৰ "....there .... is a greater predominance of the change of r to l" (P. 220) বোলা কথাষাৰ অসমীয়া ভাষাত কিমান দূৰ খাটে, ভাবি চাবলগীয়া।

সেই কাৰণেই ডিম্বেশ্বৰ নেওগে উক্ত পুথিত কৰা মন্তব্যটো প্ৰণিধানযোগ্য :

"A Magadhi origin for Asamiya, and Bengali and Oriya for that matter, was concocted by Grierson and had been followed by Suniti Kumar Chatterji and other scholars making it an orthodox theory, in spite of protests from such competent scholars as A. B. Keith, and even inspite of itself. It did not stand analysis. (P. 44.)

অসমীয়া ভাষা যে প্ৰাচীন ভাৰতীয় আৰ্য্যভাষাৰপৰা উদ্ভৱ হৈছে তাত কোনো সন্দেহ নাই। যদি আমি প্ৰাচীন ভাৰতীয় আৰ্য্যভাষাৰ মাগধী প্ৰাকৃতৰপৰা অসমীয়া উদ্ভৱ হোৱা মতবাদটো বাদ দিওঁ, তেতিয়া বাকী তিনিটা প্ৰাকৃতক—শৌৰসেনী, মহাৰাষ্ট্ৰী আৰু পৈশাচী—ইয়াৰ উৎস হিচাবে বিবেচনা কৰিব পাৰোঁ।। অসমৰ ভৌগোলিক অৱস্থান, ৰাজনৈতিক পৃষ্ঠভূমি, সাংস্কৃতিক ধাৰা, আৰু সৰ্বোপৰি অসমীয়া ভাষাৰ ধ্বনি পৰিবৰ্তনৰ প্ৰণালীলৈ লক্ষ্য কৰিলে উল্লিখিত তিনিটা প্ৰাকৃতৰ এটাও অসমীয়া ভাষাৰ উৎস যেন নালাগে।

তেনেহ'লে এই চাৰিটা সাহিত্যিক প্ৰাকৃতৰ বাহিৰে কোনোবা এটা পঞ্চম প্ৰাকৃত আছিল নেকি, যিটোৰপৰা অসমীয়া ভাষা ওলাইছে, আৰু যিটোৰ বিষয়ে প্ৰাকৃত বৈয়াকৰণসকলে নাজানে ? আজিৰপৰা ১৪০০ বছৰৰ আগৰ ভাৰতৰ ৰাজনৈতিক, সামাজিক আৰু যোগাযোগ ব্যৱস্থালৈ লক্ষ্য কৰিলে, এনে সম্ভাৱনা এটা সহজে কৰিব পাৰি। 'প্ৰাকৃত-সৰ্বস্ব'ৰ লিখক চণ্ডৰ সময় লৈ মতভেদ আছে। কোনো কোনোৱে তেওঁক খৃষ্টীয় তৃতীয়-চতুৰ্থ শতিকাৰ বুলি কব খোজে, আনহাতে কিছুমানে তেওঁক বহুত পাচৰ বুলিব খোজে।* তেওঁ যি সময়ৰে নহওক লাগে চণ্ড জৈন ধৰ্মাৱলম্বী আছিল ; কাৰণ আৰম্ভণিতে তেওঁ 'বীৰ ভগৱান'ক নমস্কাৰ কৰিছে। পূব ভাৰতত জৈন ধৰ্মৰ প্ৰভাৱ নাই, গতিকে তেওঁ পশ্চিম ভাৰতৰ বা দক্ষিণ ভাৰতৰ লোক হব। বৰৰুচিক নিৰ্বিবাদে প্ৰাচীনতম প্ৰাকৃত বৈয়াকৰণ বোলে। খৃষ্টীয় ৬ষ্ঠ শতিকাত তেওঁ 'প্ৰাকৃত-প্ৰকাশ' লিখে। তেওঁৰ ব্যাকৰণৰ প্ৰচাৰ দক্ষিণ ভাৰততহে বেচি। সেই কাৰণে তেওঁক দক্ষিণ ভাৰতৰ ওচৰৰ অঞ্চলৰ লোক বুলি ধৰা হয়। দ্বাদশ শতিকাৰ 'সিদ্ধহেমশব্দানুশাসন'ৰ লিখক হেমচন্দ্ৰ গুজৰাটী আছিল। যদি অসমত কিবা প্ৰাকৃত প্ৰচলিত আছিল তেওঁলোকে নজনাটোৱেই স্বাভাৱিক।

* প্ৰাকৃত সাহিত্য বা ইতিহাস, ড° জগদীশচন্দ্ৰ জৈন, পৃ ৬৩৬।

যিহেতু প্ৰাকৃত বৈয়াকৰণসকলে উল্লেখ কৰা চাৰিটা প্ৰাকৃতৰ এটাও অসমীয়া ভাষাৰ জননী হিচাবে ধৰিব নোৱাৰি, যিহেতু অসমৰ ৰাজনৈতিক, ভৌগোলিক আৰু সাংস্কৃতিক পৃষ্ঠভূমিত বৈয়াকৰণসকলৰ অজ্ঞাতে এটা স্বতন্ত্ৰ প্ৰাকৃত গঢ় লোৱাৰ সম্ভাৱনা আছে, এতেকে এই অনুমিত প্ৰাকৃতটোৰপৰাই অসমীয়া ভাষাৰ উদ্ভৱ হোৱা বুলি ধৰি লোৱা হৈছে। এই প্ৰাকৃতে গঢ় লব পৰা বুৰঞ্জীমূলক কালছোৱাত অসমৰ নাম 'কামৰূপ' আছিল কাৰণে এই অনুমিত প্ৰাকৃতটোৰ নামো 'কামৰূপী প্ৰাকৃত' দিয়া হৈছে।

কামৰূপী প্ৰাকৃতৰপৰা অসমীয়া ভাষাৰ উৎপত্তি হোৱা ভিত্তিত ভাষাতাত্ত্বিক গৱেষণা পোনপ্ৰথম ডিম্বেশ্বৰ নেওগেই কৰে। এনে এটা প্ৰাকৃতৰপৰা অসমীয়া ভাষা উদ্ভৱ হোৱাৰ সম্ভাৱনাৰ বিষয়ে অৱশ্যে পোনপ্ৰথমে ড° বেণীমাধৱ বৰুৱাই ১৯৪৭ চনৰ চেপ্তেম্বৰ মাহৰ *'Indian Historical Quarterly'* -ত লিখে :— "The pre-Ahom inscriptions of Kamarupa contain a few other instances of Prakritism that may be taken to indicate the nature and form of the dialect as current in those times, say from the 6th to 12th century A. D., I mean the Prakrit language in the historical background of Assamese." (ডিম্বেশ্বৰ নেওগৰ উক্ত পুথিত দিয়া উদ্ধৃতি, পৃ ৫২।)

এই কামৰূপী প্ৰাকৃতৰ কল্পনা ড° বেণীমাধৱ বৰুৱাৰ বাহিৰে দেৱেশ্বৰ চলিহায়ো কৰিছিল। তেওঁৰ *'Origin and Growth of the Assamese Languages'*-ৰ ৩৯ পৃষ্ঠাত কোৱা হৈছে : 'Kamarup-Prakrit....has expanded itself and developed into Assamese language." কিন্তু চলিহাই এই কল্পনাৰ সমৰ্থনত কোনো যুক্তি আগবঢ়াব পৰা নাই ; গতিকে এই মতবাদ 'যুক্তিহীন ভকতি-আলয়'ৰ বাহিৰে আন একো নহ'ল।

ড° বেণীমাধৱ বৰুৱাৰ ইঙ্গিতৰ ওপৰত ভিত্তি কৰি কামৰূপী প্ৰাকৃতৰ অস্তিত্ব সম্বন্ধে ডিম্বেশ্বৰ নেওগে যুক্তি প্ৰদৰ্শন কৰে। সপ্তম শতিকাত চীন পৰিব্ৰাজক হিউৱেন চাঙে কামৰূপৰ তদানীন্তন অধিবাসীসকলৰ ভাষা মধ্য-ভাৰতৰ (মগধৰ) ভাষাতকৈ 'অলপ বেলেগ' বুলি কৈছে। এই 'অলপ বেলেগ' ভাষাটো প্ৰাকৃতেই আছিল ; কাৰণ তেতিয়া নব্য ভাৰতীয় আৰ্য্যভাষাবোৰৰ জন্ম হোৱা নাছিল। আনহাতে আমি হিউৱেন চাঙৰ এই উক্তিৰপৰা ঠাৱৰ কৰিব পাৰিলোঁ যে সেই সময়ৰ কামৰূপৰ

ভাষা মাগধী নাছিল ; কাৰণ ই মাগধীতকৈ 'অলপ বেলেগ' । দৰাচলতে প্ৰাকৃত ভাষাবোৰৰ এটা আনটোৰপৰা অলপহে বেলেগ আছিল, নহ'লে একেখন নাটকতে শৌৰসেনী, মহাৰাষ্ট্ৰী আৰু মাগধীৰ ব্যৱহাৰ হ'লহেঁতেন কেনেকৈ আৰু দৰ্শকেই বা সেই নাট উপভোগ কৰিলেহেঁতেন কেনেকৈ ? সেইহে এ. চি. উল্‌নাৰে লিখিছে : "সংস্কৃতভাষী কোন ব্যক্তি, যাৰ মাতৃভাষা যে কোন একটি প্ৰাকৃতেৰ কথ্যৰূপ, সমস্ত সাহিত্যিক প্ৰাকৃতই অতি সহজে বুঝতে পাৰত ।" (প্ৰাকৃত উপক্ৰমণিকা, পৃঃ ৮)। তেনেহলে, এই প্ৰাকৃতেই আমি বিচৰা কামৰূপী প্ৰাকৃত ।

কামৰূপী প্ৰাকৃতৰ কোনো লিখিত ৰূপ নাই । লিখিত ৰূপ নাথাকিলেই যে কোনো কথিত ৰূপ নাথাকিব, তাৰ কি যুক্তি আছে ? মাগধীৰোতো কোনো লিখিত সাহিত্য নাই, মাত্ৰ দুখনমান নাটকত কেইটামান সামান্য চৰিত্ৰৰ মুখত এই ভাষা দিয়া হৈছে । সেই ভাষাও যে শুদ্ধ মাগধী ইয়াক লৈও মতভেদ আছে । পৈশাচী প্ৰাকৃতৰ উল্লেখ প্ৰাকৃত ব্যাকৰণৰ বাহিৰে আনত পোৱা নাযায় । পৈশাচীত ৰচিত হোৱা বুলি কোৱা 'বৃহৎ কথা' এতিয়াও অনুবাদিত ৰূপতহে পোৱা গৈছে । ইয়াৰ ধ্বনি-পৰিবৰ্তনৰ সূত্ৰ অৱশ্যে ব্যাকৰণত আছে ; কিন্তু আগতে উল্লেখ কৰি অহা কাৰণত কামৰূপী প্ৰাকৃতৰ ধ্বনি-পৰিবৰ্তনৰ লক্ষণ ব্যাকৰণত পোৱাটো সম্ভৱ নহ'ল ।

যদি কামৰূপত এটা প্ৰাকৃতৰ প্ৰচলন আছিল, ইয়াৰ ধ্বনি-পৰিৱৰ্তনৰো স্বকীয় ৰীতি থাকিব লাগিব । কামৰূপীয় প্ৰাকৃতৰ ধ্বনি-পৰিবৰ্তনৰ ৰীতি কি কি আছিল ? সেই ৰীতিবোৰেই বা কিহৰপৰা উদ্ধাৰ কৰিলোঁ ?

যিহেতু কামৰূপী প্ৰাকৃতৰ কোনো লিখিত ৰূপ নাই, ইয়াৰ ধ্বনি-পৰিবৰ্তনৰ ৰীতি আমি অন্য ৰচনাত বিচাৰি চাব লাগিব । খৃষ্টীয় সপ্তম শতিকাৰপৰা আৰম্ভ কৰি দ্বাদশ শতিকালৈ দিয়া কামৰূপৰ ৰজাসকলৰ দানপত্ৰবোৰৰ ভাষা সংস্কৃত । কিন্তু সেই সংস্কৃত ভাষাৰ ঠায়ে ঠায়ে এনে কিছুমান ভুল আছে, যিবোৰ স্থানীয় প্ৰাকৃতৰ প্ৰভাৱতহে হোৱা সম্ভৱ ।

ডঃ বেণীমাধৱ বৰুৱাই এই ভুলবোৰৰ তুলনামূলক অধ্যয়ন কৰি তলত দিয়া সিদ্ধান্তবোৰত উপনীত হৈছে । এইবোৰক আমি কামৰূপী প্ৰাকৃতৰ ধ্বনি-পৰিৱৰ্তনৰ লক্ষণ বুলি সহজে ধৰি লব পাৰোঁ :

(১) দীৰ্ঘ স্বৰৰ হ্ৰস্বীকৰণ ;
(২) যুক্ত ব্যঞ্জন আৰু অনুস্বাৰৰ পূৰ্ববৰ্তী দীৰ্ঘ স্বৰৰ হ্ৰস্বীভৱন ;
(৩) এটা স্বৰৰ সলনি অন্য এটা স্বৰৰ ব্যৱহাৰ ;

(৪) সন্ধিৰ অভাৱ ;
(৫) যুক্ত ব্যঞ্জনৰ দ্বিতীয় ধ্বনি হৈ থাকিলে 'য'ৰ লোপ সাধন ;
(৬) শব্দৰ মাজত শ্ৰুতিধ্বনিৰূপে ব্যঞ্জনৰ আগম ;
(৭) সন্ধিত দ্বিতীয় শব্দৰ প্ৰথম স্বৰ লোপ ;
(৮) পদান্ত 'ম্' 'ন্'-লৈ ৰূপান্তৰ ;
(৮) স্ত্ৰীলিঙ্গ শব্দৰূপৰ ষষ্ঠী বিভক্তিৰ বহু বচনৰ চিনৰ 'ম্' ধ্বনিৰ লোপ ;
(১০) এটা ব্যঞ্জনৰ সলনি আন এটা ব্যঞ্জনৰ ব্যৱহাৰ ;
(১১) পৰবৰ্তী ব্যঞ্জন 'ন' হ'লে পূৰ্ববৰ্তী 'ন-'ৰ লোপ ;
(১২) 'ৰ্য'-ৰ ঠাইৰ 'জ্জ' ;
(১৩) শ, ষ, স যাদৃচ্ছিক প্ৰয়োগ ।

ডঃ বৰুৱাৰ কামৰূপী প্ৰাকৃতৰ এই তেৰটা ধ্বনি পৰিবৰ্তনৰ ৰীতিকে ভিত্তি কৰি লৈ ডিম্বেশ্বৰ নেওগে প্ৰাচীন ভাৰতীয় আৰ্য্যভাষাৰপৰা অসমীয়া ভাষা উদ্ভৱ হোৱা মতবাদ প্ৰতিপন্ন কৰিবলৈ যত্নপৰ হৈছে ।

অসমীয়া ভাষাত সন্ধি নাই । বছৰেক, মাহেক, দিনদিয়েক আদিক সন্ধি বুলিব নোৱাৰি । অসমীয়া শব্দৰ শেষৰ ধ্বনিত 'অ' নাথাকে । এনেবোৰ শব্দৰ পাচত থকা স্বৰ ধ্বনিটো কথা কওঁতে পূৰ্ববৰ্তী ব্যঞ্জন-ধ্বনিত মিলি যোৱা যেন লাগে । তাকে ভুল কৰি মিলাই লিখা হ'ল । পাচত এনেকৈ যুক্ত ৰূপটোকে এটা শব্দ বুলি ভাবি পৰবৰ্তী কালত প্ৰত্যয় যোগ দিয়া হ'ল । এনেকৈ মাহ+এক, বছৰ+এক আদি শব্দৰ পাচত 'ঈয়া' যোগ দি মাহেকীয়া, * বছৰেকীয়া > বছেৰেকীয়া আদি শব্দ সজা হ'ল । 'দিন-দিয়েক'ত দিন+দ্বি > দি+এক ৰূপৰ 'দি' আৰু 'এ'ৰ শ্ৰুতিধ্বনিৰূপে 'য়ে' পাইছোঁ ।

যুক্ত ব্যঞ্জনৰ দ্বিতীয় ধ্বনি হিচাবে থাকিলে 'য'ৰ লোপ সাধন অসমীয়াত লক্ষ্য কৰা যায় ; যেনে—অন্য > অন্ন (যথাঃ অণ্ণুং পি পৱং পঅট্টউ ৰৱা ৰাণী ছইল্লম্পিয়া ।—কৰ্পূৰমঞ্জৰী ।) > আন, ক্ৰট্যাতি > টুটে, দৈত্য > দ'ত ইত্যাদি ।

শব্দৰ মাজত শ্ৰুতিধ্বনিৰূপে অন্য ব্যঞ্জনৰ আগমৰ উদাহৰণ—বানৰ > বান্দৰ, পঞ্চদশ > পণ্ণৰহ > পোন্ধৰ, ইত্যাদি ।

'ৰ্য'-ৰ ঠাইত 'জ্জ'-ৰ উদাহৰণ— কাৰ্য > কাজ, বীৰ্য > বীজ ইত্যাদি ।

দীৰ্ঘ স্বৰৰ হ্ৰস্বীকৰণৰ উদাহৰণ—নীহাৰ > নিহৰ (কথ্য) > নিয়ৰ, ধূম্ৰাভা > ধুমুহা ইত্যাদি ।

অনুস্বাৰৰ পূৰ্ববৰ্তী দীৰ্ঘস্বৰ হ্ৰস্ব হোৱাৰ উদাহৰণ—মাংস> মঙহ, বংশ> বঙহ ইত্যাদি।

এটা স্বৰৰ সলনি আন এটা স্বৰৰ ব্যৱহাৰ অসমীয়া ভাষাত লক্ষ্য কৰা হয়; যেনে—কুহেলিকা> কুৱঁলি, বড়িশ> বৰশী, উৎকুণ> ওকণী ইত্যাদি।

এটা ব্যঞ্জনৰ সলনি আন এটা ব্যঞ্জনৰ ব্যৱহাৰ অসমীয়া ভাষাৰ অন্যতম লক্ষণ; যেনে—বক> বগ, বদৰি> বগৰি, যষ্ঠি> লাঠি ইত্যাদি।

এনেবোৰ তথ্য আগত ৰাখিয়েই ডিম্বেশ্বৰ নেওগে উক্ত পুথিত কৈছে: "That the modern Asamiya language is evolved directly through Kamrupi Prakrit as revealed in the epigraphic records, and not from Magadhi or any other form, no critical student of Indian linguistics can deny." (পৃ: ৫২।)

ড° কাকতিয়ে মাগধী প্ৰাকৃতৰপৰা অসমীয়া ভাষা উদ্ভৱ হোৱা বুলি দিয়া স্বীকৃতি মতবপৰা ফালৰি কাটি ডিম্বেশ্বৰ নেওগে কামৰূপী প্ৰাকৃতৰপৰা অসমীয়া উদ্ভৱ হোৱাৰ তথ্য প্ৰতিপন্ন কৰিবলৈ গৱেষণা কাৰ্য্যত ৰত হ'ল। কামৰূপী প্ৰাকৃতৰপৰা অসমীয়া উদ্ভৱ হোৱা তথ্য প্ৰতিপন্ন কৰিবৰ কাৰণে যোৱা চল্লিশ বছৰে আন্ধাৰত খপিয়াই ফুৰিলে। ১৯৪৭ চনৰ ড° বেণীমাধৱ বৰুৱাৰ তথ্যৰ ভিত্তিত তেওঁ প্ৰমাণ কৰিলে যে কামৰূপী প্ৰাকৃত অলীক কল্পনা নহয়। অসমীয়া ভাষাত এই তথ্যৰ প্ৰয়োগ অসমীয়া ভাষাতত্ত্বৰ কাৰণে অভিনৱ। ভাষাতত্ত্বৰ লগত পোন-পটীয়া পৰিচয় নথকাকৈও নেওগদেৱে কামৰূপী প্ৰাকৃতৰপৰা অসমীয়া উদ্ভৱ হোৱা তথ্যক যিমান দূৰ আগুৱাই লৈ গ'ল, সেয়া তেওঁৰ জন্মগত মনীষাৰ পৰিচায়ক। শেষ বয়সৰ অসুবিধা আৰু নানান মানসিক অশান্তিয়ে তেওঁক এই কাৰ্য্যত বাধা দিলে। আৰু কিছুদিন জীয়াই থকা হ'লে হয়তো তেওঁ এই মতবাদৰ পণ্ডিত-স্বীকৃত ৰূপ দিব পাৰিলেহেঁতেন; কিন্তু নিষ্ঠুৰ কালে তেওঁক লৈ গ'ল। তথাপিও নেওগৰ অসমীয়া ভাষাতত্ত্বৰ ক্ষেত্ৰত এই নতুন অৱদান উত্তৰ-পুৰুষে শ্ৰদ্ধাৰে সুঁৱৰিব লাগিব।

তেওঁৰ অসমীয়া ভাষাতত্ত্বৰ গৱেষণাৰ গুৰুত্ব সম্পৰ্কে নিজেই বোধহয় আটাইতকৈ ভালকৈ উপলব্ধি কৰিছে। কাৰণ তেওঁ পুথিখনৰ Apologia-ত কৈছে: "....I consider orthoxy to be the knell of scholarship and freedom its very life-breath. I feel that the pointman should (take) more care to see that his lamp is still burning than that he is shaking it while the train is shunting." P. I. কিন্তু আমি ভালকৈ উপলব্ধি কৰোঁ, তেওঁ পইণ্টমেনৰ নিষ্ক্ৰিয় ভূমিকা লৈয়েই থকা নাই। অসমীয়া ভাষাতত্ত্ব গৱেষণাৰ ৰেলগাড়ীখন তেওঁ মাগধী প্ৰাকৃতৰ ৰেলবাটৰপৰা চাণ্টিং কৰি আনি কামৰূপী প্ৰাকৃতৰ ৰেল-বাটত তুলিলে আৰু ভালেমান দূৰ ইয়াক আগবঢ়াই নিলে। অসমীয়া ভাষাতত্ত্বৰ গৱেষক হিচাবে ডিম্বেশ্বৰ নেওগৰ এয়ে মহৎ অৱদান।

সহায় লোৱা গ্ৰন্থ :—

১। Growth of the Asamiya Language—D. Neog, 1964.

২। New Light on History of Asamiya Literature—D. Neog, 1962.

৩। প্ৰাকৃত সাহিত্য কা ইতিহাস—ড° জগদীশ চন্দ্ৰ জৈন, ১৯৬১

৪। প্ৰাকৃত উপক্ৰমণিক (A. C. Woolner ৰ Introduction to Prakrit-অৰ বেলা সেনগুপ্ত আৰু জিতেন্দ্ৰনাথ ঘোষৰ বঙালী অনুবাদ) ১৯৬০।

৫। Assamese : Its Formation and Development—B. Kakati, 1941.

৬। Origin and Growth of the Assamese Language—D. Chaliha, 1949.

৭। A Comparative Grammar of Middle Indo-Aryan—S. Sen, 1960.

ডিম্বেশ্বৰ নেওগ আৰু ঐতিহ্যবিচাৰ

শ্ৰীডম্বৰু কাকতী

আমাৰ আগৰ চাম পৌৰুষৰ সৃষ্টিশীল মনীষাৰ এজন এজনকৈ দেহান্তৰ ঘটিছে। উনবিংশ শতাব্দীৰ শেহভাগ আৰু বিংশ শতাব্দীৰ যোৱা প্ৰায় ছটা দশক অসমীয়া যুগমানস আৰু উচ্চস্তৰৰ সংস্কৃতি সাধনা যি সকলৰ প্ৰতিভাৰে প্ৰতিফলিত হৈছিল, সেই সকলক মৃত্যুৱে আমাৰ মাজৰপৰা আঁতৰাই নিছে। এই কৃতী অসমীয়া মনীষাৰ সামগ্ৰিক ৰচনা আৰু চিন্তাধাৰাৰ জীৱন আৰু কৰ্মৰ সম্বন্ধে শ্ৰমজনিত নৱ অনুসন্ধান আমাৰ পৰম আৱশ্যকীয়। নতুন পৌৰুষৰ সন্মুখত যুগমানস বিশৃংখলা আৰু নৈতিক বিপৰ্যয়ৰ মাৰাত্মক ক্ৰটীসমূহৰ অপসাৰণ, বৌদ্ধিক আলস্য আৰু কৰ্ম শক্তিহীনতা, সৰ্বাত্মক দৈন্য আঁতৰাবৰ বাবে পূৰ্বসুৰীসকলৰ মাহাত্ম্য আৰু কৃতিত্বক ঐতিহ্যলৈ নৱযাত্ৰাৰ এক প্ৰশস্ত পথ বিচাৰি উলিওৱাৰ গভীৰ প্ৰয়োজন আছে। তথাকথিত প্ৰগতিশীলতাৰ নামত চলা বিভ্ৰান্তকাৰী অৰাজকতা, অন্ধ সংস্কাৰৰ অদ্ভুত সংমিশ্ৰণৰ তৰল আধ্যাত্মিকতা, কণ্ঠৰোধ হোৱা পুতি-গন্ধময় পৰিবেশৰপৰা দিশহাৰা পৌৰুষক নৱজাগৃতিৰ পথ দেখুৱাবলৈ সাহিত্য-সংস্কৃতিৰ পুৰোধাসকলৰ কীৰ্তি আৰু সৃষ্টিসমূহৰ সাৰবত্তা অনুসন্ধানৰ কি গভীৰ প্ৰয়োজন আছে—এই কথা উন্নত চিন্তা-বুদ্ধিৰ যি কোনো বিবেকসম্পন্ন ব্যক্তিয়ে উপলব্ধি নকৰাকৈ নাথাকে। বহিঃপ্ৰকৃতিৰ গতিশীলতা আৰু সমাজ জীৱনৰ প্ৰবাহ যি পৰ্য্যায়ত গতিশীল হয়, মানুহৰ চিত্তৰ গতিশীলতা সেই একে পৰ্য্যায়ত প্ৰবাহিত নহয় বুলি মাৰ্ক্সে কৈছে। শিল্প-সাহিত্যৰ লগত ভাব-লোকৰ জগত আৰু ভাব-জগতৰ লগত সামাজিক অস্তিত্বৰ সম্পৰ্ক কাৰ্য্যকৰী মানসিকতাৰ ওপৰত প্ৰতিবিম্বিত। ইতিহাসপ্ৰযুক্ত চিন্তাত ভাবৰ জগত সামাজিক অস্তিত্বৰ লগত যুক্ত বুলি প্ৰতিপন্ন হৈছে। অথচ সমাজ-অস্তিত্বক অতিক্ৰম কৰি ভাবৰ জগত পৰিবৰ্ধিত হয় নিজস্ব ক্ৰিয়া-কৌশলত আৰু গতি কৰে উচ্চতম পৰ্য্যায়লৈ নিজস্ব নিয়মমতে।

কৃতী মনীষাৰ জীৱন দৰ্শন আৰু চিন্তাৰ সাৰবত্তা উত্তৰ-কালৰ বৌদ্ধিক বিকাশৰ ঐতিহ্যৰ মুখ্য সম্পদ হব পাৰে, যদি ই চেতনা নিয়ন্ত্ৰিত হয়। মানুহে প্ৰকৃতি জগতৰ বাহিৰে নিজস্ব সৌন্দৰ্য্য দৰ্শনত স্বকীয় জগত সৃষ্টি কৰি লয় আৰু বিশ্বজনীনতাৰ অনুশীলন কৰি সাংস্কৃতিক প্ৰকাশক প্ৰাণৱন্ত কৰে। সেই বাবে জীৱনবোধ থকা লিখক-শিল্পীৰ চেতনাক ঐতিহ্যলৈ উত্তৰকালৰ সাংস্কৃতিক জগত পৰিবৰ্ধিত হয়।

অসমীয়া সাংস্কৃতিক জগতত আজি চলা অৰাজকতা, নীতি-হীনতা, সৌন্দৰ্য্য অনুধাৱনহীন জীৱন-প্ৰকাশ, কল্প-দৃষ্টিহীন যশ-গৌৰৱ, বৈষয়িক প্ৰতিষ্ঠাৰ সততে সপোন দেখা বুদ্ধিজীৱীসকলৰ দিনত ডিম্বেশ্বৰ নেওগৰ দৰে ব্যক্তিৰ অভাৱ উল্লেখযোগ্য ঘটনা। নেওগৰ সমকক্ষতা লাভ কৰিব পৰা কৃতী অসমীয়া বৰ কম। জীৱন-সাহিত্য-সমাজ-সংস্কৃতি সম্পৰ্কে তেওঁৰ এটা স্পষ্ট দৃঢ় দৃষ্টিভঙ্গী আছিল। দৃষ্টিভঙ্গী আৰু তাৰ ঐতিহাসিক চেতনাৰ ওপৰতে এজন লিখক বা শিল্পীৰ স্বাতন্ত্ৰ্য প্ৰতিস্থাপিত হয়।

অসমীয়া সাহিত্য সংস্কৃতি-প্ৰাণৱন্ত কৰি ৰখা সংগ্ৰামৰ তেওঁ এজন অক্লান্ত যুজাৰু। তেওঁৰ ৰচনা আৰু জীৱন বিষয়ে বিচাৰ কৰিবলৈ গ'লে তেওঁৰ জীৱনশক্তিৰ কল্পনা-নিৰ্ভৰ সৌন্দৰ্য্যানুৰাগ, ইতিহাসাশ্ৰয়ী গভীৰতা আৰু ৰুচিবান সাংস্কৃতিক প্ৰকাশ সততে চকুত পৰে। তেওঁৰ শ্ৰম-শক্তি, চেতনাৰ ব্যাখ্যা, উৎপাদন ভিত্তিক সম্পৰ্ক আৰু সৃজনশীল উদ্যোগসমূহৰ একোটা সুকীয়া তাৎপৰ্য্য আছে। আমাৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ মানসিকতা স্থাপনত ডিম্বেশ্বৰ নেওগে কিমান অৱদান যোগালে তাৰ উত্তৰ কেৱল সময়েহে দিব পাৰিব।

উনবিংশ শতাব্দীত অসমত পত্তন হোৱা নৱজাগৰণৰ ভেঁটি স্থাপন কৰিছিল ইউৰোপীয় সাধনাই। অৱশ্যে ইউৰোপীয় মহৎ চিন্তা আৰু সৃজনশীল উদ্যোগসমূহৰ লগত আমাৰ পৰিচয় ঘটিলেও, এই পৰিচয়ৰ সাৰ্থকতা ফুটি উঠিল, আমাৰ জীৱনত প্ৰকাশ কৰিব খোজা শুদ্ধ স্ব-সংবেদনৰ প্ৰকাশৰ মাজেৰেহে। অন্ততঃ ডিম্বেশ্বৰ নেওগদেৱে এনেদৰে বিশ্বাস কৰিছিল। ইউৰোপীয় নৱন্যাসৰ লগত আমাৰ নৱন্যাসৰ পাৰ্থক্য বহুত। আধুনিক সাহিত্যৰ বা সভ্যতাৰ মূল সমস্যা হ'ল সমতাৰ বাণী কঢ়িয়াই অনা। ভাৰতবৰ্ষই সৰ্বাত্মক নৱন্যাসৰ পথত আগবাঢ়িব নোৱাৰিলেও মানুহৰ পূৰ্ণতা স্থাপনৰ লক্ষ্যত সৃষ্টিশীল উদ্যোগ লৈছিল। অসমীয়া সাহিত্যিকসকলৰ ভিতৰত ডিম্বেশ্বৰ নেওগ আৰু চন্দ্ৰকুমাৰ আগৰৱালাই মানুহৰ মহত্ত্বত বিশ্বাস ৰাখি মানুহৰ দুখৰ প্ৰতিকাৰ বিচাৰিছিল।

নেওগে কৈছিল, "তেওঁলোকৰ সাম্য-মৈত্ৰীৰ আদৰ্শ আছিল নীতিমূলক

আৰু ভাবপ্ৰৱণ।" যদিও ডিম্বেশ্বৰ নেওগৰ মানৱমুখিতা ঈশ্বৰ-বিশ্বাসৰ মাজেদি প্ৰতিষ্ঠিত হৈছিল, তথাপিও এই বিশ্বাস স্বয়ং গতিশীল কৰ্মঠ শক্তিৰ আধাৰস্বৰূপে কল্পনা কৰিছিল। কবি হিচাবে নেওগদেৱে বিশ্বৰ সৌন্দৰ্য্য আৰু সঙ্গীত সংৰক্ত নয়নেৰে অৱলোকন কৰিছে। তেওঁ সুখ-দুখ-আশা-আকাঙ্ক্ষা-ঘৃণা-ক্ৰোধ-ভয়-প্ৰেম-মমতা-পোহৰ-অন্ধকাৰ সকলোকে সামৰি জীৱনক গ্ৰহণ কৰিছে। কিন্তু জীৱনক গ্ৰহণ কৰোঁতে সদায়েই ঐতিহাসিক চেতনা, দৃষ্টিভঙ্গীৰ স্বচ্ছতা পোষণ কৰিছিল। ডিম্বেশ্বৰ নেওগে সততে অসমীয়া সাহিত্যক মহত্তম পথলৈ অগ্ৰসৰ কৰা-বলৈ যত্ন কৰিছিল—ধৰ্মীয় মূল্যবোধ আৰু জনকল্যাণ বোধৰ মাজেদি। যদিও এই ধাৰনা আধুনিক কালৰ উপযোগী নহয়, তথাপিও তেওঁ নিৰ্ভীক-ভাৱে মানুহৰ আত্ম-নিৰ্ভৰশীলতা, সমস্যাৰ মানৱীয় সমাধান, নিজৰ সৃষ্টি-শক্তিৰ অখণ্ড বিশ্বাসৰ ভাব উদ্ৰেগ কৰি সৃষ্টিশীল উদাৰতাৰ পথেৰে অগ্ৰসৰ হৈছিল। এইখিনি বস্তৱে ডিম্বেশ্বৰ নেওগক সদায়েই অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ আসনৰ অধিকাৰী কৰি ৰাখিব।

যিবোৰ কাৰণত তেওঁৰ ব্যক্তিত্বৰ সামগ্ৰিকতা নষ্ট হৈছিল, সেইবোৰ এটা যুগৰ অসহিষ্ণু বস্তু সম্ভাৱৰ অভিশাপ। এই প্ৰবন্ধৰ সীমাবদ্ধ গণ্ডীত সেইবোৰ আলোচনা সম্ভৱ নহয়। নেওগৰ চিন্তাদৰ্শত, জীৱন প্ৰকাশত, আমাৰ নৱ-চেতনাৰ ঐতিহ্যৰ আধাৰ সোমাই আছে। সেই পৰম আৱ-শ্যকীয় বস্তু উলিয়াব পাৰিলেহে আমাৰ সাহিত্য-সংস্কৃতিক প্ৰাণৱন্ত কৰি ৰাখিব পৰা হব।

অসমীয়া মানসিকতা উত্থানৰ কালৰ উদ্যম, সততা, দেশ-প্ৰেম, স্বচ্ছ আৰু দৃঢ় দৃষ্টিভঙ্গী—তেওঁৰ কাৰ্য্যাৱলীত নিৰন্তৰে আছিল। অসমীয়া সাহিত্য-সমালোচনাৰ ভণ্ডামিৰ বিৰুদ্ধে, খুচুৰা বেপাৰীসকলৰ কৱলৰপৰা অসমীয়া সংস্কৃতিক উজ্জ্বল পথেৰে প্ৰবাহিত কৰিবলৈ তেওঁ সততে মাত মাতিছিল। তেওঁৰ সামগ্ৰিক ব্যক্তিত্বৰ আৰু সৃষ্টি মূল্যাঙ্কন কৰি ঐতিহ্য বিচাৰৰ মুখ্য সম্পদ উলিয়াই অনাৰ দায়িত্ব তেওঁৰ উত্তৰ পুৰুষসকলৰ হাতত। খণ্ডিত সৌন্দৰ্য্য সন্ধানৰ ইতিহাসতো পূৰ্ণতৰ বিকাশৰ বাবে ঐতিহ্যৰ আধাৰ সোমাই আছে। ডিম্বেশ্বৰ নেওগৰ অভিজ্ঞতা, উপলব্ধি এক দুৰ্লভ বস্তু। তেওঁক বিচাৰ কৰোঁতে—মুক্ত মনেৰে, ঐতিহাসিক চেতনাৰে উদ্বুদ্ধ হৈহে কৰিব লাগিব। তেতিয়াহে তেওঁৰ মৃত্যুৰ সঁচা খতিয়ান লব পৰা হব।

নেওগ ঃ গৱেষক আৰু সমালোচক

শ্ৰীনগেন শইকীয়া

গৱেষণা আৰু সমালোচনাৰ মাজত ওচৰ সম্বন্ধ থকা সত্ত্বেও, দুয়োৰে মাজত পাৰ্থক্যও নথকা নহয়। এজন কৃতী গৱেষক, কৃতী সমালোচক নহবও পাৰে; আৰু যদিহে হয়, সেইগৰাকী লোকৰ মাজত দুয়ো গুণৰ মণি-কাঞ্চন সংযোগ ঘটি, তেওঁৰ গৱেষণা আৰু সমালোচনা কাৰ্য্যক অধিক ঐশ্বৰ্য্যশালী কৰি তোলে। তত্ত্বানুসন্ধান আৰু সত্যানুসন্ধানৰ প্ৰবল স্পৃহা, বিষয়-অৱলোকনৰ তীক্ষ্ণ ক্ষমতা, বিস্তৃত আৰু গভীৰ তুলনামূলক অধ্যয়ন, সত্য প্ৰকাশ কৰা আৰু গ্ৰহণ কৰাত নিৰপেক্ষ নিৰ্ভীকতা, প্ৰাঞ্জল-দ্ব্যৰ্থ-হীন শ্লেষহীন প্ৰকাশভঙ্গী, বিষয় বিশ্লেষণৰ বৈজ্ঞানিক পদ্ধতি—গৱেষক আৰু সমালোচক দুয়োৰে বাবেই অপৰিহাৰ্য্যভাৱে প্ৰয়োজনীয়। যথাৰ্থতে, গৱেষক তথ্যৰ আৱিষ্কাৰক, সমালোচক তত্ত্ব আৰু সৌন্দৰ্য্যৰ আৱিষ্কাৰক আৰু প্ৰবক্তা। এজনে খনি খান্দি সোণ উলিয়ায়; আনজনে কষটিত সেই সোণৰ প্ৰকৃততা নিৰ্ণয় কৰে। অসমীয়া ভাষা আৰু সাহিত্যৰ সোণৰ খনি খান্দি, সেই সোণৰ প্ৰকৃততা তুলনামূলক সমালোচনাৰ কষটি শিলত নিৰ্ণয় কৰা গৱেষক-সমালোচকসকলৰ মাজত ডিম্বেশ্বৰ নেওগ—এইটি নাম নিসন্দেহে শীৰ্ষস্থানীয়। উল্লেখযোগ্য কথা—গৱেষণা আৰু সমালোচনাৰ দৰে বাহ্যিক দৃষ্টিত আপাততঃ নীৰস যেন বোধ হোৱা কাৰ্য্যৰ মাজত নিমজ্জিত হৈ থকা স্বৰ্গীয় নেওগ এগৰাকী সাৰ্থক কবিও। সেই ফালৰ-পৰা লক্ষ্য কৰিলে, নেওগৰ ব্যক্তিগত ভাবপ্ৰৱণতা, চিন্তাপ্ৰৱণতা আৰু কৰ্মপ্ৰৱণতা এই তিনিওটি গুণৰ সাৰ্থক সমন্বয় ঘটিছিল। পিচলৈ অসমীয়া ভাষা-সাহিত্যৰ আৰু শঙ্কৰী ধৰ্মদৰ্শনৰ পণ্ডিতস্বৰূপে খ্যাতি লভা নেওগ অসমীয়া সাহিত্য জগতলৈ 'কবি নেওগ' হৈহে ওলাই আহি-ছিল। বিন্দুত সিন্ধু দৰ্শন কৰি কমাৰ ফদীয়াক ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱ আখ্যা দিব পৰা মানুহজনৰ প্ৰাণত যে প্ৰবল দেশপ্ৰীতি থাকিব—সন্দেহ নাই; আৰু সেই দেশপ্ৰীতি স্থূল দেশপ্ৰীতি যে নহয় তাকো দোহৰা অনাৱশ্যক।

জন্মভূমি জননীক যেন তেওঁ 'আজন্ম সেৱাৰ থলী ভাষাজননী' ৰূপতহে পিচলৈ দেখা পাইছিল। সেইবাবে পিচলৈ অসমীয়া ভাষা-সাহিত্যৰ পদ্ধতিমূলক গৱেষণা, বিশ্লেষণ আৰু সমালোচনাৰ কাৰ্য্যত আত্মনিয়োগ কৰিছিল। অসমৰ বাহিৰৰ ইংৰাজী কাকতে-পত্ৰয়ো এই বিষয়ৰ প্ৰবন্ধাদিৰে তেওঁৰ মত সৰ্বভাৰতীয় বিদ্বৎমণ্ডলীৰ দৃষ্টি গোচৰলৈ আনিছিল। তদুপৰি অসমীয়া ভাষাৰ মূল সম্পৰ্কে বঙালী পণ্ডিতসকলে কৰা ভ্ৰান্ত ধাৰণাক ওফৰাই, তেওঁ সুচিন্তিত স্বমত প্ৰতিষ্ঠা কৰি গ'ল।

শৈশৱৰ নিসঙ্গ বিষণ্ণতা আৰু সৌন্দৰ্য্য-চেতনা, লাহে লাহে গঢ় লোৱা ঐতিহ্য-চেতনা আৰু বুদ্ধি-দীপ্ততাই অসমীয়া আধুনিক সাহিত্যৰ ওজা সাহিত্যৰথী বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আদি মনীষীসকলৰ সান্নিধ্যত পূৰ্ণবিকাশৰ বাবে প্ৰেৰণা পালে। তেওঁৰ নিজৰ কথাৰেই, "১৯২১ অৱ পৰাই ৺চন্দ্ৰকুমাৰ আগৰৱালাৰ pet (আলাসৰ লাড়ু) বুলি মোক বহুতে জানে; অকল তেখেতৰে নহয়, ৺কমলাকান্ত ভট্টাচাৰ্য্য, ৺লক্ষ্মীনাথ বেজবৰুৱা, ৺হিতেশ্বৰ বৰবৰুৱা, ৺জ্ঞানদাভিৰাম বৰুৱা আদিৰো মই বৰ আদৰৰ আছিলোঁ।" এই আটাই কেউজন অসমীয়া মনীষীয়েই অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰতিষ্ঠাৰ বাবে, অসমীয়া জাতিক প্ৰাচীন ঐতিহ্যমুখী কৰি জাতীয় জাগৰণ আনিবৰ বাবে, অসমীয়া সাহিত্যলৈ নবন্যাস-ভাবধাৰা কঢ়িয়াই আনি এই সাহিত্যৰ সৰ্বতোমুখী বিকাশৰ বাবে কলমক অস্ত্ৰস্বৰূপে ব্যৱহাৰ কৰিছিল। অসমীয়া পুৰণি পুথি-পাঁজিক পোহৰলৈ আনি, তাৰ নতুন বিশ্লেষণ কৰি, শ্ৰীমন্ত শঙ্কৰ-মাধৱক নতুন পোহৰত অৱলোকন কৰি আৰু কৰাই বেজবৰুৱাকে প্ৰমুখ্য কৰি সমসাময়িক কৃতী ব্যক্তিসকলে কৰা চেষ্টাই স্বাভাৱিকতে নেওগক অনুপ্ৰাণিত কৰিছিল। উনবিংশ শতিকাত জন্ম লভা এইসকলৰ ব্যক্তিগত সান্নিধ্য আৰু সাহচৰ্য্যলৈ আহি অসমীয়া ভাষা-সাহিত্য আৰু জাতীয় জীৱনক বিশ্লেষণ কৰি চোৱাৰ প্ৰবল অনুপ্ৰেৰণা লভিছিল। তেওঁ নিজেই লিখিছে, "কুৰি শতিকাৰ জন্মৰ লগে লগে মোৰ জন্ম। মই উনৈশ শতিকাৰ সন্তান বুলিহে নিজৰ চিনাকি দিবলৈ গৌৰৱ অনুভৱ কৰোঁ; কিয়নো মোৰ তেজ-মঙহৰ দৰে মোৰ মন-প্ৰাণো যেন উনৈশ শতিকাৰ উপাদানেৰেহে গঠিত।" আনহাতে তেওঁ প্ৰথমে আছিল বিজ্ঞানৰ ছাত্ৰ; তেওঁৰ সাহিত্য বা সমালোচনা কৰ্মৰ ওপৰত তেওঁৰ এই আনুষ্ঠানিক বিদ্যা-শিক্ষাৰো পৰোক্ষ প্ৰভাৱ নপৰা নহয়। যদিও প্ৰবল ভাষা-সংস্কৃতি-প্ৰীতিয়ে বহু সময়ত স্বাভাৱিকভাৱেই তেওঁৰ আবেগক নিয়ন্ত্ৰণ কৰে, যাৰ ফলত প্ৰতিপক্ষক থকাসৰকাকৈ সমালোচনা কৰিবলৈও কুণ্ঠাবোধ

নকৰে, তথাপি বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে বিষয়ৰ পদ্ধতিমূলক আৰু ঐতিহাসিক তুলনামূলক বিশ্লেষণেৰে তেওঁ বক্তব্যৰ সম্ভৱপৰ সকলো প্ৰমাণ যুক্তি সহকাৰে উপস্থাপন কৰে। ভাষাৰ তুলনামূলক অধ্যয়ন আৰু গৱেষণা কাৰ্য্যত ড° সুনীতিকুমাৰ চট্টোপাধ্যায়, ড° জুলচুব্লখ, ড° জয়কান্ত-মিশ্ৰ, ড° বেণীমাধৱ বৰুৱা প্ৰমুখ্যে বিশ্ববিশ্ৰুত পণ্ডিত সকলৰ উৎসাহ-উদগনি, প্ৰেৰণা-প্ৰশংসাই নেওগৰ পাণ্ডিত্যৰ সাৰ্থকতাৰ স্পষ্ট ইঙ্গিত দিয়ে। গৱেষণা আৰু সমালোচনা সম্পৰ্কে নেওগৰ কেইটিমান নিজা স্পষ্ট অভিমতেই তেওঁৰ কাৰ্য্যপন্থাৰ দিক্ নিৰ্ণয় কৰে। "এনে কোনো কাম বা কথা মই মোৰ বুলি স্বীকাৰ নকৰোঁ য'ত sincerity (ঐকান্তিকতা) আৰু frankness (অকপটতা) এই দুটা গুণ নাই।"

"পাণ্ডিত্যৰ বৰাই মোৰ নাই; আৰু পাণ্ডিত্যৰ নামত চলা মানসিক পেৰেড বা 'কুচ-কাৱাজ'ৰ প্ৰতি শ্ৰদ্ধাও নাই।"

"গৱেষণা ক্ষেত্ৰত যোৱা পোৱা শতিকাত দুই তিনিজন বিশ্ব-বৰেণ্য মনীষীৰ মানসিক সান্নিধ্য লাভ কৰাৰ সৌভাগ্য আমাৰ জীৱনত ঘটিল। গৱেষণাৰ বাবে সেইসকলে নিৰ্দেশ ক্ষুদ্ৰ কৰা পথ আমি কায়মনোবাক্যে অনুসৰণ কৰিবৰ যত্ন কৰিছোঁ; কৰবাত যদি পাৰ পিছলিছে সেই দোষ সম্পূৰ্ণ আমাৰ।"

"সাহিত্যৰ বুৰঞ্জী চৰ্চাও বিজ্ঞান; আৰু আন আন বিজ্ঞানৰ দৰে ইয়াতো শেষ সিদ্ধান্ত বোলা এটা কথা যে হ'ব নোৱাৰে তাক এতিয়া আমি নিজ অভিজ্ঞতাৰ ভিতৰেদিয়ে দেখা পাইছোঁ।"

নেওগৰ গৱেষণা কাৰ্য্য ঘাইকৈ অসমীয়া সাহিত্য বিষয়ক হ'লেও, কেইটিমান শাখাত বিভক্ত কৰিব পাৰি:

(১) অসমীয়া ভাষাৰ মূল আৰু বিকাশ সম্পৰ্কীয় গৱেষণা—*Growth of Asamiya Language* আদি গ্ৰন্থ।

(২) অসমীয়া লিপিৰ মূল সম্পৰ্কীয় গৱেষণা কাৰ্য্য।

(৩) প্ৰাগৈতিহাসিক অসম সম্পৰ্কীয় পুৰাতাত্ত্বিক গৱেষণা কাৰ্য্য।

(৪) অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়ন কাৰ্য্য।

(৫) বৈষ্ণৱ দৰ্শন আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সম্পৰ্কীয় গৱেষণা কাৰ্য্য।

বহু সময়ত নেওগৰ মতৰ লগত কাৰোবাৰ মতবিভিন্নতা ঘটিলেও, সত্য কথা অপ্ৰিয় হ'লেও কবলৈ দ্বিধা নকৰা নেওগ, নিজে সত্য বুলি জনা সিদ্ধান্তত অলৰ অচৰ হৈ থাকিছিল। ছাত্ৰ অৱস্থাৰেপৰা অসমীয়া সাহিত্যৰ বিভিন্ন যুগৰ ওপৰত ইংৰাজী আৰু অসমীয়া দুয়ো ভাষাৰে শতাধিক প্ৰবন্ধ পাতি যুগুতাই সাহিত্যৰ বুৰঞ্জী প্ৰণয়নৰ বাবে বাট চোঙাই

লওঁতে, "অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী" প্ৰণেতা ৺দেবেন্দ্ৰনাথ বেজবৰুৱা আৰু পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামী প্ৰমুখ্যে অগ্ৰজসকলৰ মতৰ ওপৰত প্ৰথমে আশ্ৰয় লবলগীয়া হৈছিল। কিন্তু তেওঁৰ নিজৰ কথাৰেই —"পাছত লাহে লাহে যেতিয়া সেই পুথিবোৰ আৰু তাৰ বিষয়ে পূৰ্ববৰ্তী-সকলৰ মতামত চালি জাৰি চাবৰ সকাহ পালোঁ, তেতিয়া আমাৰ সেই পৰনিৰ্ভৰতা যে ভুল আৰু অন্যায় হৈছিল তাক বুজিব পাৰিলোঁ।"

১৯২৩ চনত লিখা 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি', ১৯২৪ চনত *Assamese Literature before Sankardeva*, ১৯২৫ চনত *Composite character of Assamese Language* শীৰ্ষক প্ৰবন্ধ যুগুতাওঁতে আৰু ১৯২৪—২৬ লৈকে ইংৰাজী সাহিত্যৰ স্নাতকোত্তৰ পাঠ্যক্ৰম অধ্যয়নৰ সময়ত—"ইংৰাজী সাহিত্যৰ বুৰঞ্জীৰ চৰ্চাৰ পোহৰত অসমীয়া সাহিত্যৰ তুলনামূলক আলোচনাৰ বাবে মন মেলোঁ।" ইংৰাজী সাহিত্য আৰু ভাষাতত্ত্বৰ অধ্যয়নৰ প্ৰভাৱ নেওগৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীতো মন কৰিবলগীয়া। ইংৰাজী সাহিত্যৰ বুৰঞ্জীৰ দৰেই, অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনা কৰোঁতে, তেওঁ সমসাময়িক অসমীয়া সমাজ জীৱনৰ কথা আলচ কৰি পটভূমিৰ সম্যক পৰিচয় দাঙি ধৰিছে আৰু ইংৰাজী সাহিত্যৰ যুগৰ লগত অসমীয়া সাহিত্যৰ তুলনামূলক মন্তব্য দি গৈছে। ১৯৪০ চনত পুথিৰ আকাৰত প্ৰকাশিত 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি'ত নেওগে হাতত পোৱা সমল, পুৰণি আলোচনী, হেমচন্দ্ৰ বৰুৱা আৰু দেবেন্দ্ৰ-নাথ বেজবৰুৱাৰ সেই সম্পৰ্কীয় প্ৰবন্ধ আৰু গ্ৰন্থৰপৰাই সমল সংগ্ৰহ কৰি সন্নিবিষ্ট কৰিছিল। পাচত ১৯৫০ চনত ওলোৱা অসমীয়া সাহিত্যৰ চমু বুৰঞ্জীত পূৰ্বৰ মত সলনি কৰি, অনুসন্ধান আৰু গৱেষণালব্ধ মত সন্নি-বিষ্ট কৰে। যথাৰ্থতে নেওগৰ নিৰলস গৱেষণা আৰু অনুসন্ধানে অসমীয়া সাহিত্যৰ ওপৰত নতুন আলোকপাত কৰিলে। তদুপৰি আধুনিক অস-মীয়া সাহিত্যৰ বুৰঞ্জীৰ প্ৰথম প্ৰণেতাস্বৰূপে নেওগ চিৰস্মৰ্তব্য হৈ ৰব। নেওগে এই কামৰ বাবে যিখিনি কায়িক আৰু মানসিক শ্ৰম কৰিলে, সেই শ্ৰমে অসমীয়া জাতিক অমূল্য সম্পদৰ অধিকাৰী কৰিলে। তেওঁৰ নিজৰ কথাৰেই—"আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীৰচনাৰ বাবে আমি আন আন বিশেষ যত্ন কৰিব লগা হৈছিল। তাৰে ভিতৰত, বিচাৰি বিচাৰি শেষত নগাঁও কাছাৰীত পোৱা মোফাট মিল্‌চৰ Report on the Administration of Assam, আন আন ঠাইৰপৰা এড্‌ৱাৰ্ড গেইটৰ A short account of the rise and progress of Journalism in the Assam Valley, Report of the progress of Historical Research in

Assam 1897, আমেৰিকান বেপ্টিষ্টমিশ্যনৰ প্ৰদৰ্শনীৰ পৰা Assam Mission's Nawgaon Jubilee publications, These seventy five years, যোৰহাট মিশ্যনৰ কাৰ্বী পৰিয়ালৰপৰা ব্ৰাউনৰ Notes on Assamese Grammar,····অসম গৱৰ্ণমেণ্টৰ চেক্ৰেটেৰীয়েটৰপৰা চাৰ জৰ্জ কেম্বেলৰ অসমীয়া ভাষা অসমৰ স্কুল আদালতত পুনঃ সংস্থাপন বিষয়ক resolution আৰু আনুষঙ্গিক মূল কাকত পত্ৰবোৰ ঘাই।"

প্ৰাগৈতিহাসিক অসম নামৰ পুস্তিকাত আৰু তেওঁৰ অসমীয়া সাহি-ত্যৰ বুৰঞ্জী (বৃহৎ)ত সন্নিবিষ্ট পাতনি অংশত পুৰণি কামৰূপ, প্ৰাগজ্যোতি-ষৰ নামৰ গুৰি আৰু উল্লেখ অনুসন্ধান কৰি পুৰণি সংস্কৃত সাহিত্যৰ উল্লেখ, প্ৰাচীন তামৰ ফলি, ৰাজবংশাৱলী, মুদ্ৰা, শিলাস্তম্ভ, শিলালিপি আদিৰ পৰ্য্যাপ্ত উদাহৰণ দাঙি ধৰিছে। অসমীয়া লিপিৰ স্বতন্ত্ৰতাও নেওগে যুক্তিযুক্তভাৱে প্ৰতিষ্ঠা কৰি গৈছে—"দেৱনাগৰী লিপিৰ যি কাল পোৱা হয়, কামৰূপী লিপি তাতোকৈ অন্ততঃ দুশ বছৰৰ আগৰ যে সন্দেহ নাই।"

অসমীয়া ভাষা মাগধী অপভ্ৰংশোদ্ভৱ বুলি ড° সুনীতি চেটাৰ্জিয়ে O.D.B.F.ত দেখুৱা মত আৰু ড. কাকতিয়েও *Assamese : Its formation & Development* নামৰ তেওঁৰ প্ৰখ্যাত গৱেষণা গ্ৰন্থত দেখুৱা মত নেওগে গ্ৰহণ কৰা নাই। বৰং, ত্ৰিপিটকাচাৰ্য্য ড° বেণীমাধৱ বৰুৱাই উল্লেখ কৰা 'কামৰূপী প্ৰাকৃত' অৱস্থানৰ কথা যুক্তি সহকাৰে নেওগে তেওঁৰ *Growth of Asamiya Language* ত উপস্থাপন কৰিছে।* তদুপৰি অসমীয়া সাহিত্যৰ উদ্ভৱ কালৰ নিদৰ্শনৰূপে ড° চেটাৰ্জিৰ মত সমৰ্থন কৰি ড° কাকতিয়ে চতুৰ্দশ শতিকাৰ হেমসৰস্বতীৰ প্ৰহ্লাদ চৰিতকে প্ৰথম অসমীয়া পুথিৰূপে দেখুৱা মত নেওগে অগ্ৰাহ্য কৰি, চাৰ্য্যাচৰ্য্য-বিনিশ্চয়, শূন্য পুৰাণ, কৃষ্ণকীৰ্তন আদি বঙালী পণ্ডিতসকলে বঙলা ভাষাৰ পুথি বুলি দেখুৱা পুথিসমূহ যে দৰাচলতে অসমীয়া ভাষা-সাহিত্যৰ সম্পদ, সেই বিষয়ে প্ৰমাণ সাপেক্ষ যুক্তি আৰু ভাষাতাত্ত্বিক বিচাৰেৰে সিদ্ধান্ত দাঙি ধৰিছে। আনকি, চেটাৰ্জিৰ মতৰ সমৰ্থনত মত দিয়া বাবে ড° কাকতিকো কঠোৰভাৱে সমালোচনা কৰিবলৈ এৰা নাই। এনে কাৰ্য্যৰ বাবে নেওগে মূল পুথি অধ্যয়ন কৰি ভাষাতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বিচাৰ বিশ্লেষণ কৰি স্বমত প্ৰতিষ্ঠা কৰিছে।

অসমীয়া সাহিত্যৰ যুগ বিভাগ কৰোঁতেও তেওঁ (১) আদিযুগ ৬০০ —১১০০ খৃঃ, (২) পূৰ্ব বৈষ্ণৱ যুগ ১১০০—১৪৫০ খৃঃ, (৩) বৈষ্ণৱ

* ভাষাবিদ নেওগ শীৰ্ষক প্ৰবন্ধ দ্ৰষ্টব্য।

যুগ—১৪৫০—১৬৫০ খৃঃ, (৪) উত্তৰ বৈষ্ণৱ যুগ ১৬৫০—১৮২৬ খৃঃ, (৫) ১৮২৬ খৃষ্টাব্দৰ পৰা—এনেকৈ ভাগ কৰিছে। তদুপৰি প্ৰত্যেক ভাগৰ অন্তত অসমীয়া সাহিত্যৰ উল্লেখযোগ্য দৃষ্টিৰ সমকালীনভাৱে ভাৰতৰ বিশেষ সাহিত্য সৃষ্টি আৰু ইংৰাজী সাহিত্যৰ বিশেষ ঘটনাৱলীৰ একোখনি নিৰ্ঘণ্ট যুগুতাই তুলনামূলক বিচাৰৰ বাবে সহজ কৰি দিছে।

তেওঁৰ *A New light on the History of Asamiya Literature* নামৰ বৃহৎ ইংৰাজী গ্ৰন্থত আৰু "নতুন পোহৰত অসমীয়া সাহিত্য" নামৰ গ্ৰন্থত এই যুগ বিভাগৰ সময় একে ৰাখি যুগসমূহৰ নাম নতুনকৈ দিছে। আদি মধ্যযুগ, শেষ-মধ্যযুগ, নৱজন্ম যুগ আৰু উত্তৰ নৱজন্ম যুগ।

অসমীয়া লোক-সাহিত্যৰপৰা আৰম্ভ কৰি আধুনিক যুগলৈকে বিস্তৃতভাৱে বুৰঞ্জী লিখাৰ পথ প্ৰদৰ্শক নেওগৰ কাৰ্য্যই দেশ আৰু বিদেশৰ জ্ঞানী পণ্ডিতসকলৰপৰা উচ্চ প্ৰশংসা লভিছে।

অসমীয়া লোক-গীতৰ আলোচনাত সমপৰ্য্যায়ৰ বিদেশী লোকগীতৰ আহি বিচাৰি সংযোগ কৰি তেওঁৰ বিস্তৃত অধ্যয়নৰ পৰিচয় দিছে।

"ৰোপাইলৈ আনিছোঁ শালৰ বৰকাপোৰ" আদি লোক-গীতৰ লগত "*O what will you give to your father dear*" আদি গীতৰ উদ্ধৃতি দি, লোক-গীতসমূহৰ ভাবৰ সাৰ্বজনীনতা প্ৰতিপন্ন কৰিছে। নেওগে তেওঁৰ সাহিত্যৰ বুৰঞ্জীত অসমীয়া সাহিত্যৰ স্বৰ্ণযুগ বৈষ্ণৱযুগৰ বিস্তৃত আলোচনা কৰিছে। সমকালীন ৰাজনৈতিক সামাজিক পটভূমিৰ বিশ্লেষণৰ ওপৰত এই যুগক থিয় কৰাই বিচাৰ কৰা হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ জীৱনটোকা, চৰিত পুথিসমূহৰ সত্যাসত্য বিশ্লেষণ, বৈষ্ণৱ দৰ্শন, অসমীয়া বৈষ্ণৱ সাহিত্যৰ বিচাৰেৰে এই অধ্যায় উপচি আছে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰা উচিত হব যে নেওগৰ আধুনিক অসমীয়া বুৰঞ্জীৰো ৰোমাণ্টিক যুগৰ শেষতে সামৰণি ঘটিছে। যুদ্ধোত্তৰ অসমীয়া সাহিত্যক তেওঁ গ্ৰহণ কৰিব পৰা নাই আৰু সেইবাবে এই নৱতম ধাৰাৰ সাহিত্যক আৰু সাহিত্যিকক তেওঁ নীতিবৰ্জিত বুলি কঠোৰ সমালোচনা কৰিবলৈও এৰা নাই। অৱশ্যে তেওঁৰ কথাৰেই তেওঁৰ 'মন-প্ৰাণ উনৈশ শতিকাৰ উপাদানেৰেহে গঠিত'।

অসমীয়া সাহিত্যৰ বুৰঞ্জী লিখকস্বৰূপে তেওঁ সদায় অসমীয়া জাতিৰ স্মৰণীয় হৈ থাকিব। নেওগৰ বুৰঞ্জী সম্পৰ্কে দেশ-বিদেশৰ পণ্ডিতসকলৰ প্ৰশংসা বাণীসমূহো মনকৰিব লগীয়া। পণ্ডিত শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই ডেৰ কুৰি বছৰৰ আগতে এই বুলি অভিমত দিছিল—"আধুনিক অসমীয়া সাহিত্যৰ স্বকীয়া বুৰঞ্জী লিখা কথাটো এটা অভিনৱ কল্পনা; বিষয়ৰ অনুপাতে আলোচনা উপযোগী হৈছে।"... ইত্যাদি। অসমীয়া ভাষা-সাহিত্যৰ প্ৰথম বুৰঞ্জী প্ৰণেতা ৺দেবেন্দ্ৰনাথ বেজবৰুৱায়ো উচ্চ প্ৰশংসা কৰিছিল। তদুপৰি ড° সুনীতিকুমাৰ চেটাৰ্জি আৰু ড° জুলচ্ব্লক আদিৰ দৰে বিশ্ববিশ্ৰুত পণ্ডিতে নেওগৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ (ইংৰাজীত) উচ্চ প্ৰশংসা কৰিছিল। দৰাচলতে তেওঁৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী পঢ়ি ড° চেটাৰ্জিয়েই পৰামৰ্শ দিয়ে ইংৰাজীত এখন বুৰঞ্জী প্ৰণয়ন কৰিবলৈ। তেওঁৰ *New light on the History of Asamiya Literature* এটা কীৰ্তি কৰ্ম (Monumental Work) হৈ ৰব। ইটালীয়ান পণ্ডিত Antonio Gargano আৰু Giusepee Tueei, ইংৰাজ পণ্ডিত R.L. Turner, ভাৰতীয় পণ্ডিত জয়কান্ত মিশ্ৰ, উমেশ মিশ্ৰ আদিয়েও নেওগৰ ভাষা-সাহিত্যৰ অধ্যয়ন আৰু গৱেষণা কাৰ্য্যৰ ভূৰি ভূৰি প্ৰশংসা কৰিছে।

নেওগৰ শেহতীয়া গৱেষণা গ্ৰন্থ 'যুগনায়ক শঙ্কৰদেৱ' তেওঁৰ অন্যতম কীৰ্তিস্তম্ভ হৈ ৰব। প্ৰাচ্য জগতত ধৰ্মৰ ক্ৰমবিকাশ, উত্তৰ ভাৰতত নৱজীৱনৰ স্পন্দন, শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম-নীতি, সমাজ গঠনত শঙ্কৰদেৱ, মহাপুৰুষীয়া ধৰ্মৰ বিশ্বজনীনতা আৰু ওপচনি-- এই কেইটা অধ্যায়ত বিভক্ত এই বহুমূলীয়া গ্ৰন্থত নেওগে বৈদিক ধৰ্ম, জৰথুশ্ৰধৰ্ম, কনফুচিয়াচ,—চক্ৰেটিছ, খৃষ্টৰ ধৰ্ম, মহম্মদীয় ধৰ্ম, বৌদ্ধ ধৰ্মৰ তুলনামূলক গভীৰ অধ্যয়ন আৰু বিশ্লেষণৰ পোহৰত শঙ্কৰদেৱৰ ধৰ্মৰ দৰ্শন বিচাৰ কৰিছে। প্ৰত্যেক প্ৰতিপাদ্য বিষয়কে বৈজ্ঞানিক দৃষ্টিৰে বিশ্লেষণ কৰিছে। শঙ্কৰদেৱৰ ধৰ্ম বিচাৰ পদ্ধতি আলোচনা কৰিবলৈ লৈ তেওঁ প্ৰথমে দহোটা নীতি উপস্থাপন কৰি লৈছে, যাতে সিদ্ধান্ত শুদ্ধ আৰু সত্য হয়। এই গ্ৰন্থত শঙ্কৰদেৱৰ জীৱনবৃত্ত আলোচনা নকৰি তেওঁৰ দৰ্শন আৰু প্ৰতিভাৰহে বিচাৰ কৰিছে আৰু তাকে কৰিবলৈ অলেখ দেশী-বিদেশী মহৎ আৰু দুষ্প্ৰাপ্য গ্ৰন্থৰ উল্লিখন আৰু দৃষ্টান্ত দাঙি ধৰিছে। তেওঁৰ পূৰ্বৰ 'বৈষ্ণৱ ধৰ্মৰ আঁতিগুৰি' আদি গ্ৰন্থৰ বিষয় এই পুথিত জাহ গৈছে স্বাভাৱিক ভাৱে।

নেওগে অসমীয়া সাহিত্যৰ গৱেষণা আৰু সমালোচনা দুয়োটি কামতে নিজকে নিয়োজিত কৰিছিল বুলি আমি উল্লেখ কৰি আহিছোঁ। দৰাচলতে নেওগৰ প্ৰতিভাৰ প্ৰথম অঙ্কুৰ কবি হিচাবে মেলিলেও, ছাত্ৰ অৱস্থাৰেপৰা অসমীয়া সাহিত্যৰ সমালোচনা আৰু গৱেষণা কাৰ্য্যতহে মনপুতি লাগে। সমালোচক নেওগে ৺চন্দ্ৰকুমাৰ আগৰৱালাৰদ্বাৰা সম্পাদিত হৈ গুৱাহাটীৰপৰা 'বাঁহী' প্ৰকাশ পাই থাকোঁতে আগৰৱালাৰ লগতে

'বাঁহী'বো ওচৰ সম্বন্ধলৈ আহে আৰু অসমীয়া সাহিত্যৰ সমালোচনামূলক প্ৰবন্ধৰ যোগান ধৰে। পাচত অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন'ৰ সম্পাদক হৈ থাকোঁতে 'মিলন'তো গোটাদিয়েক সমালোচনামূলক প্ৰবন্ধ লিখে। যাইকৈ এইখিনি আছিল অসমীয়া জনসাহিত্য, বৌদ্ধ-শাক্ত-মনসা কাব্য, বিবিধ ধৰ্মী কাব্য—গোপীচন্দ্ৰৰ গীতৰপৰা দুৰ্গাবৰ কায়স্থৰ বাৰায়ণী গীতলৈকে, কীৰ্তন, ৰুক্মিণীহৰণ কাব্য, চোৰধৰা, ঘুনুচা যাত্ৰা, কাণখোৱা, ভীমচৰিত, জন্মযাত্ৰা আদি পুথিৰ ওপৰত আলোচনাৰে বৈষ্ণৱ যুগ পৰ্য্যন্ত সামৰিছে। আহোম যুগৰ সাহিত্যৰ ওপৰত আলোক পাত কৰি লিখা সাতোটামান প্ৰবন্ধৰ উপৰিও আধুনিক অসমীয়া সাহিত্যৰ কেইখনিমান পুথিৰ আলোচনা দাঙি ধৰিছে। ৺কমলাকান্ত ভট্টাচাৰ্য্যৰ 'চিন্তানল', ৺চন্দ্ৰকুমাৰৰ 'প্ৰতিমা' আৰু 'বীণবৰাগী', ৺বেজবৰুৱাৰ 'কদম-কলি', ৺ৰজনীকান্ত বৰদলৈৰ 'ৰঙ্গিলী', ৺হিতেশ্বৰ বৰবৰুৱাৰ 'চকুলো', ৺শৰৎচন্দ্ৰ গোস্বামীৰ 'গল্পাঞ্জলি'ৰ ওপৰত আলোচনাত্মক প্ৰবন্ধ লিখি নেওগে অসমীয়া সাহিত্যত সমালোচনা কাৰ্য্যৰ পথ প্ৰশস্ত কৰি তোলে।

এই নৱন্যাস যুগৰ লিখাৰ ওপৰত কৰা সমালোচনাৰ উপৰিও উত্তৰ ৰোমাণ্টিক যুগৰ ৺অম্বিকাগিৰীৰ 'তুমি', শৈলধৰ ৰাজখোৱাৰ 'নিজৰা', ৺পাৰ্বতিপ্ৰসাদ বৰুৱাৰ 'সোণৰ সোলেঙ'ৰ ওপৰতো আলোচনা দাঙি ধৰে। তদুপৰি, অসমীয়া সাহিত্যৰ বুৰঞ্জীত নাম ৰাখিব পৰাকৈ জ্ঞাত নোহোৱা কেইজনমান লিখকৰ, তেওঁৰ হাতত পৰা পুথি কেইখনিকো নেওগে নিজৰ দৃষ্টিভঙ্গীৰে আলোচনা কৰি পোহৰলৈ দাঙি ধৰিছে। তেওঁৰ এই আটাই-বোৰ প্ৰবন্ধ ক্ৰমে 'অসমীয়া সাহিত্যৰ জিলিঙনি' (১৯৩৮) আৰু অসমীয়া সাহিত্যৰ জেউতি (১৯৫২) নামৰ গ্ৰন্থত সন্নিবিষ্ট কৰিছে। ১৯৬৪ চনত এই দুই গ্ৰন্থ 'অসমীয়া সাহিত্যৰ অধ্যয়ন' নামত একত্ৰ প্ৰকাশিত হৈছে। ১৯২২ চনতে অসমীয়া সাহিত্যৰ জিলিঙনিৰ ভূমিকাত ৺ড. বাণীকান্ত কাকতিয়ে লিখিছিল,—"আমাৰ ভাষাত সমালোচনাৰ পুথি এতিয়ালৈকে ওলোৱা নাই; অন্ততঃ বিষয় হিচাবে ই ভাষা-সাহিত্যৰ পৰিসৰ বঢ়াব নিশ্চয়।"

'অসমীয়া সাহিত্যৰ অধ্যয়ন'ত যাইকৈ নেওগৰ interpretation আৰু appreciation আছে; কিন্তু অনৰ্থক প্ৰশংসাৰ ফাঁকুওৰি ছটিয়াই কাকো প্ৰশংসা কৰাটো বা অনৰ্থক ভৰ্ৎসনা কৰাটো নেওগৰ স্বভাৱ বিৰুদ্ধ কথা। সমালোচনা সাহিত্য সম্পৰ্কে তেওঁৰ কেইটিমান অভিমত প্ৰণিধানযোগ্য।

"সোণৰ প্ৰকৃততা প্ৰমাণিত হয় কষটিত; ঠিক তেনেকৈয়ে সকলো

কামৰে, যাইকৈ সাহিত্য প্ৰভৃতি সুকুমাৰ কলাৰ প্ৰকৃততা প্ৰমাণিত আৰু প্ৰকাশিত হয় প্ৰকৃত সমালোচনাত। প্ৰকৃত সমালোচকে কলাকাৰৰ নিজ চকুত ধৰা নপৰা কেৱল দোষকেহে যে দেখুৱায় এনে নহয়, তেওঁ-লোকৰ নিজ চকুত ধৰা নপৰা গুণ বাজিও সমালোচকে তেওঁলোকৰ তথা জগতৰ চকুত পেলাই দিব পাৰে আৰু দিয়ে।" এইখিনিতে টি. এচ. এলিয়টৰ কথা সুঁৱৰিব পাৰি। তেওঁ সমালোচকৰ উন্নত বস্তু চেতনাৰ প্ৰয়োজনীয়তা দাবী কৰি কৈছে যে সমালোচকে পাঠকৰ আগত এনে বস্তু দাঙি ধৰিব লাগে যিবোৰ পাঠকৰ দৃষ্টিগোচৰ নহ'লহেঁতেন আৰু সমালোচনা এনে হ'ব লাগে, যাৰ সহায়ত পাঠকে আপোনা-আপুনি সমালোচিত বিষয়ৰ ৰস গ্ৰহণ কৰিব পাৰে।

সমালোচনা সম্পৰ্কে প্লেটো'ই Poetics ত কৈছে যে "সমালোচনা হ'ল শিল্পৰ ৰূপ আৰু ৰসৰ উৎকৰ্ষ-অপকৰ্ষৰ বিচাৰ।" ডিম্বেশ্বৰ নেও-গেও সমালোচনা কৰিবলৈ কাপ হাতত ললে বিষয়ৰ গুণ আৰু দোষ দুয়োৰে সম্যক বিচাৰ কৰিছিল। উদাহৰণস্বৰূপে ব্যক্তিগতভাৱে ৺কমলাকান্ত ভট্টাচাৰ্য্যক তেওঁ শ্ৰদ্ধা কৰাৰ নানা প্ৰমাণ থাকিলেও, 'চিন্তা-নল' সমালোচনা কৰিবলৈ লৈ, "···কিছুমান উৎকট গদ্যময় কথা যেনে আছে তেনেই পদ্যত ঠাই দিবলৈ যত্ন কৰাত সাহিত্য স্বৰূপে তাৰ বহু ঠাইত মূল্য টুটিছে" বুলি মন্তব্য দিবলৈ কুণ্ঠা বোধ কৰা নাই। আন-হাতে তেওঁৰ 'পাহৰণি' কবিতা সম্পৰ্কে উচ্চ প্ৰশংসা কৰি লিখিছে—"কবিতাটি আদ্যোপান্ত বিতোপন আৰু ভট্টাচাৰ্য্যৰ চূড়ান্ত ৰচনা।" স্মৰণযোগ্য—সনাতন প্ৰথাবদ্ধ সমালোচনা সাহিত্যৰ প্ৰবক্তা ডঃ জনচনে জন গ্ৰেৰ সকলো কবিতা কঠোৰভাৱে সমালোচনা কৰাৰ পাচতো তেওঁৰ 'ইলিজি'ত সমালোচনাৰ উৰ্ধত থকা sublimity ৰ ভূয়সী প্ৰশংসা কৰিছে।

তেনেকৈ, চন্দ্ৰকুমাৰ, বেজবৰুৱা, হিতেশ্বৰ বৰবৰুৱা আদি সম্পৰ্কেও নেওগে নিজৰ মন্তব্য আলোচনান্তত দি গৈছে। চন্দ্ৰকুমাৰৰ 'বীণবৰাগী' আৰু 'প্ৰতিমা'ৰ appreciative সমালোচনাই Middleton Murry ৰ এফাঁকি মন্তব্য সোঁৱৰায়—"If it (criticism) gives delight, criticism is creative, for it enables the reader to discover beauties and significances which he had not seen, or to see those which he had himself inglimpsed in a new and revealing light." তেওঁ অসমীয়া লিখকৰ লিখাৰ মাজত ভাৱৰ গভীৰতা, সাহিত্য-সৌন্দৰ্য্যৰ অনিন্দ্য মধুৰতা, ৰচনাৰীতি আৰু ভাৱৰ মাজত জাতীয় প্ৰেৰণা বিচাৰ

কৰিছিল ; তাকে নাপালে কঠোৰভাৱে সমালোচনা কৰিবলৈও নেৰিছিল। ড° কাকতিয়ে ড° চেটাৰ্জিৰ মতৰ ওপৰত ভিত্তি কৰি তেওঁৰ গৱেষণা গ্ৰন্থত অসমীয়া ভাষাক পূৰ্বমাগধী অপভ্ৰংশোত্তৰ বোলাত আৰু চতুৰ্দশ শতিকাৰ হেম সৰস্বতীৰ ৰচনাকে অসমীয়া লিখিত সাহিত্যৰ প্ৰথম দৃষ্টান্ত বোলাত, নেওগ যিদৰে খড়্গহস্ত হৈ সমালোচনা কৰিছিল, তেনেকৈ নিজে মৌলিকভাৱে গৱেষণা অধ্যয়ন নকৰি 'চোবাত সেলেঙি লগোৱা' তথা-কথিত সমালোচকসকলকো থুকুচি থুকুচি ভৰ্ৎসনা কৰিছিল।

আধুনিক (ৰোমাণ্টিক) অসমীয়া কবি-সাহিত্যিকসকলৰ ওপৰতো স্বমত দিবলৈ নেওগে কুণ্ঠাবোধ কৰা নাছিল। এনে কাৰ্যৰ বাবে তেওঁ হয়তো বহুতৰে অপ্ৰিয় হৈছিল, কিন্তু তালৈ তেওঁ ভ্ৰূকুটিকে নকৰিছিল। ফিট্‌জাৰেল্ডৰপৰা 'ওমৰ খায়াম' অনুবাদ কৰোঁতা দুৰ্বাৰ শব্দ বাছনি, ভাষাৰ লালিত্যৰ প্ৰশংসা কৰিও, ওমৰৰ ৰুবায়তৰ স্থূলভাৱ ক্ষুণ্ণ কৰি আদৰণীয়া কৰিছে বুলি মন্তব্য দিবলৈ শঙ্কা কৰা নাই। তেনেকৈ জীৱিত লিখকসকলৰ লিখা সম্পৰ্কেও তেওঁ কেনে পোনপটীয়া মন্তব্য দিছে চোৱা যাওক—"বুদ্ধিমান আৰু সাহসী জ্যোতিপ্ৰসাদে তথাকথিত বাস্তৱ, প্ৰকৃততে নৱন্যাসমূলক, নাটকৰ চেষ্টা কৰিছিল ; তেওঁ যথেষ্ট সময় নাপালে। মিত্ৰদেৱ যথেষ্ট বুদ্ধিমান আছিল, কিন্তু সেই বুদ্ধিৰ অপব্যয় ঘটিল। অতুলচন্দ্ৰৰ জোখতকৈ লেখৰ চিন্তা ; নকুলচন্দ্ৰৰ অধ্যয়নৰ আৰু দৈৱচন্দ্ৰৰ একাগ্ৰতাৰ অভাৱ।"

অসমীয়া সাম্প্ৰতিক সাহিত্য (যুদ্ধোত্তৰ যুগৰ বিশেষকৈ) আৰু সাহিত্যিকৰ ওপৰত নেওগৰ আস্থা কম। পাশ্চাত্য দৰ্শন আৰু কলাকৌশলৰ দ্বাৰা প্ৰভাৱান্বিত হৈ জাতীয় দৰ্শন আৰু চিন্তাক নিৰ্বাসন দি এইদল লিখকে পুৰণি মূল্য বোধো অস্বীকাৰ কৰিছে, অথচ নতুন মূল্যবোধো প্ৰতিষ্ঠা কৰিব পৰা নাই বুলি তেওঁ ভাবে। "তেওঁলোকে খণ্ডৰ কোৰত পুৰণি মাইলৰ খুটিবোৰ উভালি দলিয়াই পেলাইছে, পুৰণি নৈতিক আৰু সামাজিক মূল্যবোৰ অস্বীকাৰ কৰি বহিছে ; কিন্তু এতিয়ালৈকে নতুন খুটি তেওঁলোকে পুতিব পৰা নাই।" সেইবাবে তেওঁৰ সাহিত্যৰ বুৰঞ্জীত প্ৰায় দ্বিতীয় মহাযুদ্ধৰ সময়ৰপৰা পৰৱৰ্তী সাহিত্য আৰু সাহিত্যিক সম্পৰ্কে সমালোচনা তেওঁ কৰা নাই।

'বিশ্ব সাহিত্যৰ জিলিঙনি' শীৰ্ষক এলানি প্ৰবন্ধত নেওগে ইংৰাজী সাহিত্যৰ কেইবা গৰাকীও (ডিকেঞ্চ, হাৰ্ডি আদি) লিখকৰ ৰচনাৰ মহত্ত্ব, চৰিত্ৰ সৃষ্টি আদি সম্পৰ্কে তুলনামূলক বিশ্লেষণ কৰাৰ লগতে অসমীয়া সাহিত্যৰো ৺ৰৰদলৈৰ উপন্যাসৰ চৰিত্ৰৰ ওপৰত নতুন আলোকপাত কৰিছে। 'সমাজ চিন্তামণি' শিতানত লিখা আন এলানি প্ৰবন্ধত নেওগে ব্যক্তিগত জীৱনৰ বিভিন্ন সময়ত পোৱা তিতাকেহাৰ উল্লেখ কৰাৰ লগতে চৰকাৰী, বিভাগ, অনাচৰকাৰী অনুষ্ঠান, বিষয়া আদিৰ চৰিত্ৰকো থকাসৰকাকৈ সমালোচনা কৰিছে। এই প্ৰবন্ধৰাজিয়েও তেওঁৰ নিৰ্ভীকতা আৰু স্পষ্টবাদিতাৰ সাক্ষী দিয়ে। তেওঁ স্পষ্টভাৱে কৈছে,—"স্তাৱক আৰু শোবাসেৰেলুৱাই সমালোচকৰ কাপ হাতত লব নাপায়।" আন এঠাইত কৈছে—"তোষামোদী আৰু পক্ষপাত দুষ্ট মতামত অবিচাৰৰ নামান্তৰ, আৰু সাহিত্যৰ উন্নতিৰ অত্যন্ত অন্তৰায়।" কাৰণ, Hudson ৰ কথাৰে কবলৈ গ'লে,—"The literary critic is regarded primarily as an expert who brings a special faculty and training to bear upon a piece of literary art, or the work of a given author, examines its merits and defects, and pronounces a verdict upon it.....Ignoring all considerations of individual taste and all questions of absolute or comparative merit, the critic as scientist, addresses himself wholly to the labour of investigation."

তথাপি এষাৰ কথা নক'লে ভুল কোৱা হব—গৱেষক নেওগৰ সাৰ্থকতা আৰু সমালোচক নেওগৰ সাৰ্থকতাৰ মাজত অকমান পাৰ্থক্য নথকা নহয়। নেওগৰ ভাব-মানসত প্ৰাচীন ভাৰতীয় আদৰ্শ তথা শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শন আৰু আদৰ্শৰ প্ৰভাৱৰ লগত জাতীয় প্ৰীতি আৰু নৱন্যাস সাহিত্যৰ প্ৰীতি মিশ্ৰিত হৈ পৰিছে। সাহিত্যৰ মাজত যিদৰে তেওঁ সত্য-শিৱ-সুন্দৰৰ সন্ধান, ভাবৰ মহত্ত্ব, জাতীয় চিন্তাধাৰা, ভাষাৰ শুদ্ধতা বিচাৰে, অসমীয়া সমাজ জীৱনত তেনেকৈ 'যুগনায়ক শঙ্কৰদেৱ'ৰ আদৰ্শ বিচাৰে ; য'তেই তেওঁ মনে বিচৰা বস্তু নাপায়, তাতে তেওঁৰ কাপে চোকা বাণ নিক্ষেপ কৰে। বহু সময়ত সেইবাবে তেওঁৰ সমালোচনাৰ মাজত সহনশীলতাৰ সলনি একদেশদৰ্শী মনোভাৱ আৰু ব্যঙ্গোক্তি বা শ্লেষোক্তিয়ে ঠাই দখল কৰাৰ অলেখ দৃষ্টান্ত দাঙি ধৰিব পাৰি। কিন্তু বেজবৰুৱাৰ হাঁহিৰ মাজত দেশৰ দুখত ওলোৱা চকুপানী সোমাই থকাৰ দৰেই, নেওগৰ ব্যঙ্গ বা শ্লেষৰ মাজতো অসমীয়া ভাষা-সাহিত্য আৰু অসমীয়া জাতিৰ প্ৰতি প্ৰগাঢ় প্ৰীতি যে লুকাই আছে সন্দেহ নাই। তেওঁৰ মতৰ লগত বহু সময়ত মতদ্বৈধতা ঘটিলেও নেওগৰ গৱেষণা আৰু সমালোচনা কাৰ্যৰ মাজত যে এই স্বদেশ আৰু স্বজাতি প্ৰীতিয়েই active force হৈ কাম কৰিছে সেই কথা স্বীকাৰ কৰিব লাগিব। কাৰণ,

নেওগৰ মতে—"সাহিত্য বাস্তৱতে সেৱা আৰু অসমীয়া সাহিত্যিকে পোনতেই অসমৰ ধূলিত মূৰ থৈ সেৱা শিকিব লাগিব ; কিয়নো অসমৰ প্ৰতি ধূলিকণা অসমীয়া অযুত-নিযুত উপৰি-পুৰুষৰ হা-হুতাশ আৰু আশা-আকাঙক্ষাৰে তৃষাৰ্ত আৰু ক্ষুধাৰ্ত ঃ ভৱিষ্যত সাহিত্যিকেই সাহিত্য-সেৱাৰ ভিতৰেদি আমাৰ পিতৃ-পুৰুষসকলৰ সেই অপূৰণ আশা-অভিলাষ পূৰণ কৰিব লাগিব।"

নেতা সাহিত্যিক ডিম্বেশ্বৰ নেওগ

শ্ৰীদুৰ্গেশ্বৰ শৰ্মা

নেওগ এগৰাকী কবি, নাট্যকাৰ, ঔপন্যাসিক, গল্পকাৰ, সমালোচক, সাহিত্যৰ বুৰঞ্জী লিখক আৰু গৱেষক। তেওঁ এজন ব্যক্তি অথচ অসমীয়া সাহিত্য ক্ষেত্ৰত তেওঁ অকলে এটা বৃহৎ অনুষ্ঠানৰ কাম কৰি গৈছে। তেওঁ গ্ৰন্থ লিখক, প্ৰকাশক আৰু প্ৰচাৰক। তেওঁৰ গাত এজন কৰ্ম-যোগী পুৰুষৰ প্ৰতিভা আছিল কাৰণে অসমীয়া সাহিত্য জগতত তেওঁ মুকুটবিহীন সম্ৰাটৰ আসনত অধিষ্ঠিত হৈছিল। তেওঁৰ মৃত্যুৰ অসমীয়া সাহিত্যত একনিষ্ঠতাৰ যুগৰ অন্ত পৰিল।

স্বীকাৰ নকৰি লাভ নাই, অসমীয়া সাহিত্যৰ তেওঁ এজন প্ৰভাৱশালী ব্যক্তি। অসমীয়া সাহিত্যৰ বুৰঞ্জী লিখকসকল নেওগৰ প্ৰভাৱৰপৰা মুক্ত হোৱাৰ কোনো পথ তেওঁ এৰি যোৱা নাই। বৌদ্ধিক সাধনাৰ মাজেৰে অসমীয়া সাহিত্য ক্ষেত্ৰত তেওঁ বলিষ্ঠ নেতৃত্ব দিছিল। প্ৰকৃত অৰ্থত তেওঁ নেতা সাহিত্যিক গোটেই জীৱন জুৰি তেওঁ সাহিত্যৰ সাধনা কৰিছিল। সাহিত্য তেওঁৰ জীৱনৰ শ্বাস-প্ৰশ্বাস। মৃত্যুৰ আগেয়ে তেওঁৰ শতাধিক গ্ৰন্থ প্ৰকাশিত হোৱাটোৱেই তেওঁৰ সাধনাৰ একনিষ্ঠতাৰ বিশিষ্ট প্ৰমাণ। তেওঁ জীৱন কালত প্ৰায় এহাজাৰ প্ৰবন্ধ প্ৰণয়ন কৰিছিল। তেওঁৰ সাধনাই অসমীয়া সাহিত্যক বিশালতা আৰু গভীৰতা দান কৰি এটা বিশিষ্ট স্তৰত উপস্থাপিত কৰিছে।

নেওগে প্ৰায় আধা শতাব্দী কাল অবিৰামভাৱে অসমীয়া সাহিত্যৰ বিকাশ আৰু সম্প্ৰসাৰণৰ কাৰণে সংগ্ৰাম কৰিছিল ; ১৯১৪ চন তেওঁৰ সাহিত্য-সেৱাৰ প্ৰথম খুঁটি বুলি তেওঁ স্বীকাৰ কৰিছে। সেই বছৰৰ শিৱ-সাগৰৰ বিমলালয়ৰ অধিবেশনত তেওঁ 'আভাস' নামৰ কবিতা এটি পাঠ কৰে। এই কবিতাটিয়ে তেওঁৰ সাহিত্য-সেৱাৰো আভাস দিছে।

১৯২১ চনত তেওঁৰ প্ৰথম কবিতাৰ পুথি 'মালিকা' প্ৰকাশ পায়। সহপাঠী মণিৰামৰ মৃত্যুত গভীৰ শোক পাই কবি নেওগে 'মালিকা' নামৰ

দীঘলীয়া কবিতাটি ৰচনা কৰে আৰু স্বৰ্গীয় শুকদেৱ গোস্বামীয়ে কবিতাটি নিউ প্ৰেছত ছপাই কবিক কাব্য-চৰ্চাত অনুপ্ৰেৰণা যোগায়। 'মালিকা'ত পোৱা কবি নেওগৰ সাহিত্য প্ৰতিভাৰ আভাস পৰৱৰ্তী গ্ৰন্থসমূহৰ মাজেৰে বিকাশ লাভ কৰে।

ৰুবায়াতৰ ৰূপত ৰচিত 'শ্বহিদান' কাব্য ১৮৭৩ শকত প্ৰথম গ্ৰন্থ আকাৰে প্ৰকাশিত হয়। এইখন কাব্যত পাঁচোটা দীঘলীয়া কবিতা সন্নিবিষ্ট কৰা হৈছে। কবিতাবোৰ ক্ৰমে—মৰুৰ নিজৰা, সৌন্দৰ্য্য সাধক, প্ৰথম প্ৰয়াস, বাঁহীৰ অমিয়া আৰু ওমৰ দৰ্শন। গ্ৰন্থৰ ৰূপত প্ৰকাশ পোৱাৰ আগেয়ে এই কবিতাবোৰ বাঁহী, জেউতি, সাধনা, মিলন আদিত প্ৰকাশিত হৈছিল।

এসময়ৰ অসমৰ ৰাজহ বিভাগৰ মন্ত্ৰী খান বাহাদুৰ চয়িদুৰ ৰহমান চাহাবে এই গ্ৰন্থখন সম্পৰ্কে ভূমিকাত মন্তব্য কৰিছে—"বৰ্তমান কাব্য 'শ্বহীদে কাৰবালা'ৰ বিশেষত্ব কেইবাটাও। দূৰ অতীতৰ হাছান-হোছেনৰ কাহিনীয়ে মুছলিম সম্প্ৰদায়ৰ বাহিৰেও গোটেই বিশ্ববাসীৰ চকুপানী উলিয়াইছে। সেই কাহিনীৰ নানান সৰু সৰু হৃদয়বিদাৰক ঘটনা অৱলম্বন কৰি নেওগদেৱে এই আখ্যায়িকা ৰচনা কৰিছে। এই কাব্যৰ ভাষা বৰ্তমান যুগৰ অসমীয়া; কিন্তু কবিয়ে মুছলিম সমাজৰ হাড়ে-মগজুৱে গথা সুপ্ৰসিদ্ধ নায়ক-নায়িকাৰ নাম আৰু সেই সমাজত প্ৰচলিত সাধাৰণ শব্দাৱলী সমাবেশ কৰিছে। মূল ঘটনাৰ কৰুণ ৰস অসমীয়া কবিয়ে মাতৃভাষাৰ মাজেদি বোৱাব পাৰিছে। সেই কাৰণে নেওগদেৱ গোটেই অসমীয়া কাব্যপ্ৰিয় সমাজৰ প্ৰশংসাৰ পাত্ৰ।

"মুছলমানসকলে সোৱাদ পোৱা গ্ৰন্থ অসমীয়া ভাষাত সৰহ নাই বুলি কলেও অত্যুক্তি কৰা নহয়। এই জন-শিক্ষা প্ৰচাৰৰ যুগত তেনে কিতাপৰ অভাৱ আমি বৰকৈ অনুভৱ কৰি আহিছোঁ। নেওগৰ শ্বহিদে কাৰবালা কাব্যই এই অভাৱ কিছু পৰিমাণে পূৰণ কৰিব বুলি আমি আশা ৰাখিলোঁ।"

শ্বহিদান কাব্য নেওগৰ কাব্য কুশলতাৰ অন্যতম মাইলৰ খুঁটি।

১৮৭৫ শকৰ ভাদ মাহত নেওগদেৱৰ ৰচিত 'শুধ অসমীয়া' নামৰ গ্ৰন্থখনি প্ৰথম প্ৰকাশিত হয়। এই গ্ৰন্থৰ প্ৰতিপাদ্য বিষয় 'অসমীয়া ব্যাকৰণৰ স্বতন্ত্ৰতা; আখৰ জোঁটনিৰ বৈশিষ্ট্য; সন্ধি সমাস আদিত সপ্তম শতিকাৰেপৰা অসমীয়া ভাষাৰ স্বাধীনতা; অসমীয়া উচ্চাৰণৰ বিশেষত্ব; চলিত অভিধান-ব্যাকৰণৰ আসোঁৱাহৰ আলোচনা; অসমীয়া তদ্ধিৎ, কৃৎ আৰু স্ত্ৰী প্ৰত্যয়ৰ; একথিক সদৃশাৰ্থক বিপৰীতাৰ্থক শব্দমালা, অসমীয়া শব্দ বিভাগ, শব্দ-গঠন, শব্দ-যোজনা, জতুৱা ঠাচ আৰু ভুল শুধৰণী।"

এই গ্ৰন্থই অসমীয়া ব্যাকৰণৰ ওপৰত নেওগদেৱৰ আধিপত্যৰ পৰিচয় দাঙি ধৰিছে। ভাষাৰ বিশুদ্ধতাৰ প্ৰতি নেওগে সততে দৃষ্টি ৰাখিছিল। তেওঁ বিশ্বাস কৰিছিল যে বিশুদ্ধ ভাষা ৰক্ষৰ কাণ্ড। কাণ্ড নিৰোগী নহ'লে বহিঃপ্ৰভাৱৰ হেঁচাত ভাষাজননী বৰ্তি থাকিব নোৱাৰে আৰু জাতীয় সাহিত্যও সুস্থ-সবল হব নোৱাৰে। ভাষাৰ বিশুদ্ধতা বলিষ্ঠ সাহিত্যৰ ভেঁটি।

নেওগদেৱৰ আন এখনি কবিতাৰ গ্ৰন্থ 'বিচিত্ৰা'। ই ৫০০ শঙ্কৰাব্দত প্ৰথম প্ৰকাশিত হয়। ডক্টৰ সুনীতিকুমাৰ চেটাৰ্জীয়ে এই গ্ৰন্থৰ পাতনি লিখি নেওগৰ বহুমুখী প্ৰতিভাৰ প্ৰশংসা কৰিছে। তেওঁ কৈছে, "যোৰহাটৰ ডিম্বেশ্বৰ নেওগ এজনা অসম বিখ্যাত পণ্ডিত। তেওঁ বিজ্ঞানৰ ছাত্ৰ অথচ কবি, শিক্ষাবিদ আৰু তেওঁৰ প্ৰদেশৰ ভাষা আৰু সংস্কৃতিৰ বুৰঞ্জী-প্ৰণেতা। তেওঁ সকলো জ্ঞানৰ ভাণ্ডাৰ।"

'বিচিত্ৰা' উনচল্লিশটা কবিতাৰ অনুপম সমাহাৰ, এই কবিতাবোৰ তেওঁ বিভিন্ন সময়ত বিভিন্ন ঠাইত ৰচনা কৰিছে বুলি জনা যায়। সকলোখিনি কবিতাই ইতিপূৰ্বে 'বাঁহী' আদি আলোচনীত প্ৰকাশিত হৈছিল। কবিতাবোৰ বিভিন্ন স্তৰৰ। ইবোৰক প্ৰধানকৈ প্ৰণয়, ৰগৰ, উপহাৰ, অঞ্জলি, উছৱ, প্ৰকৃতি, যৌৱন, জীৱন, ন-যুগ, সাধনা, বিৰহ, আবেগ, আৰু 'মাধুৰী' সূচক স্তৰত প্ৰতিষ্ঠা কৰিব পাৰি। 'বিচিত্ৰা'ৰ কবিতাবোৰ নেওগৰ কবি-কৃতীৰ আন এটি মাইলৰ খুটি।

১৯৪৭ চনত নেওগদেৱৰ 'অসমা' নামৰ কবিতাৰ গ্ৰন্থই প্ৰথম প্ৰথম পোহৰৰ মুখ দেখে। ইয়াত মুঠতে বাৰটা কবিতা সন্নিবিষ্ট কৰা হৈছে। কবিতাবোৰ ক্ৰমে আগন্তুক, নৱযুগ, শক্তি-আৱাহন, মিলন যজ্ঞ, বিশ্ববাণী, বুৰঞ্জী লেখক, শাপমুক্তা, শেষ-গায়ক, বৰদোৱা, শেষ-প্ৰয়াস, আত্ম-দান আৰু মাতৃ স্বৰ্গ। কবিতাবোৰ গ্ৰন্থৰ আকাৰত উলিওৱাৰ আগেয়ে বিভিন্ন সময়ত বাঁহী, মিলন, সাধনা, জন্মভূমি আৰু অসম সাহিত্য সভা পত্ৰিকাত প্ৰকাশ পাইছিল।

কলিকতা বিশ্ববিদ্যালয়ৰ পুৰণি ভাৰতীয় ইতিহাস, সংস্কৃত আৰু পালি সাহিত্যৰ অধ্যাপক ডক্টৰ বেণীমাধৱ বৰুৱাদেৱে গ্ৰন্থ আৰু কবিৰ এটি সম্যক পৰিচয় দিছে।

নেওগৰ কবিতাৰ বিশেষত্ব প্ৰশংসা কৰি বৰুৱাদেৱে কৈছে, "নেওগ ডাঙৰীয়া শুদা কবি নহয়, তেওঁ কবি-গায়ক, কবি-বৰাগী। কিন্তু তেওঁৰ

হাতত তানপুৰা নাই ৰবীন্দ্ৰনাথৰ বৰাগী বাউলৰ একতাৰা নাই, কৃষ্ণৰ বাঁহী নাই, শিৱৰ শিঙা আৰু ডম্বৰু নাই ; তেওঁৰ হাতত আছে বৈদিক ঋষি আৰু স্বৰ্গৰ গায়ক পঞ্চশিখৰ বীণা, ভগৱদ গীতাৰ পাঞ্চজন্য শঙ্খ, বিজয় শঙ্খ।''

'অসমা'ত সন্নিৱিষ্ট সৰহ ভাগ কবিতাৰ অন্তৰালেদি দেশ-প্ৰেমৰ ফল্গু-ধাৰা প্ৰবাহিত হৈছে। 'অসমা'ত ইতিহাস আৰু কবিতাৰ অপূৰ্ব সমন্বয় সাধিত হৈছে। বৰুৱাদেৱে কৈছে–"অধ্যাপক সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই জীৱনব্যাপী একনিষ্ঠ সাধনাৰে অসমৰ বুৰঞ্জী–সমুদ্ৰ মথি আমালৈ যি অমৃত তুলিলে সি সাৰ্থক হৈছে নেওগ কবিৰ অতুলনীয় লিখনীত।"

কঠোৰ পৰিশ্ৰম আৰু সাধনাৰ মাজেৰে নেওগে অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনা কৰি উলিয়ায়। ১৯২১—২২ চন মানৰেপৰা তেওঁ সাহিত্যৰ বুৰঞ্জীৰ কাৰণে সমল গোটায়।

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ প্ৰথম আভাস 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি' নামৰ ৰচনাখনি ১৯২৫—২৬ চন মানত অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন' কাকতৰ চতুৰ্থ বছৰৰ প্ৰথম তিনি সংখ্যাত প্ৰবন্ধৰূপে প্ৰকাশ পায় আৰু তাৰ বাবে তেওঁ কৃষ্ণপ্ৰসাদ সোঁৱৰণী বঁটা লাভ কৰে।

১৯৫৭ চনত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ চতুৰ্থ তাঙৰণ ওলায়। খৃষ্টাব্দ ৬০০ৰ পৰা বৰ্তমান সময়লৈ প্ৰয়োজনীয় সকলো কথাকে অসমীয়া সাহিত্যৰ বুৰঞ্জীত সন্নিৱিষ্ট কৰা হৈছে। দেবেন্দ্ৰনাথ বেজবৰুৱাৰ পাচত প্ৰকৃতপক্ষে নেওগদেৱে বিস্তৃতভাৱে অসমীয়া সাহিত্যৰ বুৰঞ্জী লিখাৰ আদৰ্শ দাঙি ধৰে। আন সাহিত্যৰ বুৰঞ্জীৰ লগত নেওগে দাঙি ধৰা সিদ্ধান্তবোৰৰ কোনো কোনো ক্ষেত্ৰত বৈপৰীত্য দেখা যায়।

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ কাৰণে সমল গোটাওঁতে তেওঁৰ হাতত আধুনিক অসমীয়া কাব্য-প্ৰতিভা, আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী, অসমীয়া কথা-প্ৰতিভা, অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি আদি সাহিত্যৰ বুৰঞ্জী বিষয়ক তথ্য সম্বলিত গ্ৰন্থৰ সৃষ্টি হয়। এই সকলোবোৰ গ্ৰন্থ ৰচনা কৰোঁতে তেওঁ যি অপূৰ্ব ধৈৰ্য্যৰ পৰিচয় দিছে সেই কথা ভাবিলে বিস্ময় মানিব লাগে। অসমীয়া সাহিত্যৰ বুৰঞ্জী তেওঁৰ গৱেষণা প্ৰতিৰ অপূৰ্ব নিদৰ্শন।

নেওগৰ যুগজয়ী কীৰ্তি 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত নতুন আলোক' ১৯৬২ চনত প্ৰকাশিত হয়। এই গ্ৰন্থই তেওঁক এগৰাকী বিচক্ষণ পণ্ডিত আৰু গৱেষক হিচাবে প্ৰতিস্থাপিত কৰিছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ সকলো দিশকে ইয়াত খুটি-নাটি মাৰি বৈজ্ঞানিক দৃষ্টি-ভঙ্গীৰে আলোচনা

কৰা হৈছে। এই গ্ৰন্থখনি ইংৰাজী মাধ্যমত প্ৰণীত হৈছে। ইয়াৰ ফলত অনা-অসমীয়া লোকে অসমীয়া সাহিত্যৰ সোৱাদ বুজিবলৈ সুচল হৈছে। এই গ্ৰন্থখনি তেওঁৰ পূৰ্বে অসমীয়া ভাষাত প্ৰকাশিত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ সমান্তৰাল গ্ৰন্থ।

'থাপনা' কবিতাৰ পুথি ১৮৭০ শকত প্ৰথম প্ৰকাশিত হয়। ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাদেৱৰ উদগনিত এই কবিতাৰ পুথিখনিয়ে পোহৰৰ মুখ দেখিবলৈ পায়। কণ কণ ল'ৰা-ছোৱালীৰ উপযোগীকৈ এই কবিতাৰ পুথিখনি ৰচনা কৰা হৈছে বুলি কোৱা হৈছে।

'থাপনা'ত সন্নিৱিষ্ট কবিতাবোৰ ক্ৰমে—থাপনা, স্বদেশ, আইতা, আত্ম-প্ৰসাৰ, মঙ্গল যাত্ৰা আৰু যাত্ৰী। এই কবিতাবোৰ বিভিন্ন ভাব আৰু অনুভূতিৰে সিক্ত হৈ উঠিছে। থাপনাত ভক্তি, বিদেশত দেশানুৰাগ আৰু আইতা সমাজ হিতৈষণাৰ ভাবেৰে অনুৰণিত। ইয়াৰ বাহিৰেও আত্ম-প্ৰসাৰত সোঽহং, মঙ্গল যাত্ৰাত সত্যম, শিৱম আৰু যাত্ৰীত ভূমৈৱ সুখৰ, বসুধৈৱ কুটুম্বকম্ আৰু ৰসো বৈ সঃ ভাবৰ ছিটিকনি পৰিছে। আধ্যাত্মিক ভাবৰ আঁচোৰ পৰাত কবিতাবোৰে এটা বিশিষ্ট স্তৰলৈ গতি কৰিছে। কলেবৰত সৰু হ'লেও গুণত থাপনাৰ এটা বিশিষ্ট মূল্য আছে। কবিতা-বোৰ মন দি পঢ়িলেই এই কথা সহজে উপলব্ধি কৰিব পাৰি।

নেওগৰ উপন্যাস সংখ্যাত মাথোন এখন আৰু সেয়ে হ'ল 'গাঁৱে-নগৰে।' ১৯৬০ চনৰ এটি শুভ মুহূৰ্তত তেওঁৰ 'গাঁৱে-নগৰে' প্ৰথম ছপা হৈ ওলায়। ই এখন সামাজিক উপন্যাস।

১৯৬৪ চনত 'অসমীয়া সাহিত্যৰ অধ্যয়ন' প্ৰকাশিত হয়। প্ৰকৃত পক্ষে এই গ্ৰন্থখন নতুন গ্ৰন্থ নহয়। ১৯৫২ চনত প্ৰকাশিত 'অসমীয়া সাহিত্যৰ জেউতি' আৰু ১৯৩৮ চনত প্ৰকাশিত 'অসমীয়া সাহিত্যৰ জিলিঙনি' একত্ৰিত কৰি অসমীয়া সাহিত্যৰ অধ্যয়ন ৰূপে নতুনকৈ প্ৰকাশ কৰা হৈছে মাথোন। 'অসমীয়া সাহিত্যৰ জেউতি' লিখি এসময়ত তেওঁ পুৰস্কাৰো লাভ কৰিছিল।

'অসমীয়া সাহিত্যৰ অধ্যয়ন'ত জন-সাহিত্য, মনসা কাব্য, বিবিধ ধৰ্মীয় কাব্য, বৈষ্ণৱ কাব্য আৰু নৱন্যাস যুগৰ অসমীয়া কবিতাৰ আলো-চনা সন্নিৱিষ্ট কৰিছে।

১৮৭৪ শকত 'সাহিত্য কি' নামৰ সৰু গ্ৰন্থ এখনি নেওগ ডাঙৰীয়াই লিখি উলিয়ায়। এই গ্ৰন্থত সাহিত্যৰ লক্ষণ, সাহিত্যৰ সৌন্দৰ্য্য, সাহিত্যৰ বিভাগ, সাহিত্যৰ আৱশ্যকতা, অলঙ্কাৰ, ছন্দ, কলা বিদ্যা, সৌন্দৰ্য্য আদি জটিল বিষয়বোৰৰ চমুকৈ আলোচনা আগ বঢ়োৱা হৈছে।

'বনবেণু' ১৯৬১ চনত প্ৰথম প্ৰকাশিত হয়। এই পুথিখনি পূৰ্বে প্ৰকাশিত আকুল পথিক, ফাগুনী আৰু বিহুৱতী নামৰ গ্ৰন্থৰ সমষ্টি। 'বন-বেণু' লোক-গীতৰ এটি অনুপম সংগ্ৰহ। অসমীয়া লোকগীত সংগ্ৰহৰ ক্ষেত্ৰত ডিম্বেশ্বৰ নেওগ আগ বগুৱা আৰু পথ-প্ৰদৰ্শক। এসময়ত 'বন-বেণু'ত সন্নিবিষ্ট কৰা লৌকিক গীতবিলাকত অশ্লীলতাৰ পৰশ পাই এচাম লোকে তেওঁক সমালোচনা কৰিছিল। কিন্তু এই সমালোচকসকলক যেতিয়া লৌকিক গীতবোৰৰ সৌন্দৰ্য্য কঁহিয়াই দেখুৱা হ'ল, তেওঁলোকে তেতিয়া ছত্ৰভঙ্গ দিবলৈ বাধ্য হ'ল।

'আকুল পথিক'ত পূৰ্বৰাগ, অনুৰাগ আৰু বিৰাগ সূচক কেতবোৰ লোকগীত থুপাই থোৱা হৈছে।

'ফাগুনী'ত নৱৰাগ, প্ৰীতিৰাগ, অভিসাৰ আৰু বিৰহ-বিষয়ক কেতবোৰ লোকগীত সন্নিৱিষ্ট কৰা হৈছে।

'বিহুৱতী'ত হুচৰি ঘোষা, বিহু ঘোষা, আৰু বিহুতলীৰ নাম কিছুমান সন্নিবিষ্ট কৰা হৈছে।

বেজবৰুৱা ডাঙৰীয়াই 'বাঁহী' আলোচনীত লৌকিক গীত সংগ্ৰহ কাৰ্য্য আৰু নেওগৰ প্ৰশংসা কৰি লিখিছে—'আমি আজি কালি যাক শিক্ষা বুলিবলৈ শিকিছোঁহঁক তেনে শিক্ষাত অশিক্ষিত অসমীয়া স্বভাৱ কবি বিয়াকুল বাটৰুৱাৰ বনঘোষাৰ এই ক্ষুদ্ৰ সমষ্টিটি পাই আমি নথৈ সন্তোষ লাভ কৰিছোঁহঁক। কিতাপৰ পাতনিত নেওগদেৱে গীতবোৰৰ চমুকৈ যি বিশ্লেষণৰ চেষ্টা কৰিছে সিও সন্তোষজনক হৈছে।....অসমীয়া সাহিত্য তেওঁৰ ওচৰত ধৰুৱা।''

তেওঁৰ আন এখনি বগাল কবিতাৰ পুথি 'মালতী', মালতী সম্পৰ্কে অসমীয়া কাকতে সমালোচনা প্ৰসঙ্গত কৈছে ; ''গ্ৰন্থকাৰে যিমান বেগেৰে কিতাপ ছপাব লাগিছে, তাৰপৰা তেওঁৰ চিনাকি অসমীয়া পাঠক সমাজত নিষ্প্ৰয়োজন যেন লাগে। বেগেৰে ছপোৱা বুলিও তেওঁৰ কবিতাবোৰত ভাষা বা সৌন্দৰ্য্যৰ কোনো খতি-খুণ হোৱা নাই ; বৰং কবিতা ৰচনাত যে তেওঁ ক্ষিপ্ৰহস্ত সেইটোৰহে প্ৰমাণ হৈছে। কবিতাৰ ভাষাত তেওঁৰ সম্পূৰ্ণ অধিকাৰ জন্মিছে। কবিতাবোৰত ভাবৰ মধুৰতা আৰু ভাষাৰ মৃদু হিল্লোল গতি আছে। কবিতাবোৰ পঢ়িলে মনত প্ৰসাদ ভাব ওপজে। বৰ্তমান যুগত যিসকলে কবিতা ৰচনা কৰিছে বা কৰিব লাগিছে, লিখকৰ ঠাই সিসকলতকৈ বহুত ওপৰত আৰু তেখেতৰ সাহিত্যিক জীৱনত যদি কোনো ব্যাঘাত নজন্মে তেনেহ'লে ভৱিষ্যতে তেখেতক লৈ আমি গৌৰৱ কৰিব পাৰিম বুলি অনুমান হয়। 'বসন্ত কালত', 'তাহানিৰ কথা'

'বিৰহ মেল' ইত্যাদি কবিতাৰ ভাব আৰু ভাষাত অসমীয়া পদ্য সাহিত্যত নতুন প্ৰাণ-স্পন্দনৰ আভাস পোৱা যায়।''

স্বনামধন্য কবি নেওগদেৱৰ আন এখনি কবিতাৰ শৰাই 'মুকুতা'। 'মুকুতা' সম্পৰ্কে অসমীয়া কাকতে অভিমত প্ৰকাশ কৰিছে : ''সৰহ ভাগ কবিতাতে অসমীয়া সাহিত্যৰ একনিষ্ঠ সেৱক সুকবি নেওগদেৱৰ স্বভাৱ-সুলভ আবেগৰ আকুলতা আৰু গভীৰ আন্তৰিকতা ফুটি উঠিছে। ''বকুল বনত বহি'' টোকা আবেগৰ চকুলোৰে এই মুকুতা ৰচি তাৰে মালা এধাৰি কবিৰ জীৱনৰ লগৰীলৈ উছৰ্গ কৰা 'অৰ্পণ' কবিতাটি অতি শুৱলা হৈছে। এধানমান হ'লেও মুকুতাই অসমীয়া সাহিত্যৰ সম্পদ বঢ়োৱাত আমি সন্তোষ পাইছোঁ।''

'কামৰূপ' নেওগদেৱৰ ৰচিত এখনি সফল নাটক। বাতৰি কাকতে এই নাটকখনৰ আলোচনা প্ৰসঙ্গত কৈছে, : ''প্ৰথিতযশা সাহিত্যিক আৰু সুকবি নেওগদেৱৰ এই মৌলিক অসমীয়া নাটখনি নাট হিচাবে নিখুঁত হোৱাৰ উপৰিও অসমীয়া সাহিত্য-ভঁৰালৰ এখনি আপুৰুগীয়া গ্ৰন্থ হৈছে। অভিনৱ পৰিকল্পনাৰ সমাবেশ নেওগদেৱৰ নিজস্ব ভাব আৰু ভাষাৰে এই কিতাপখনিত ধুনীয়া হৈ ফুটি উঠিছে। কুলি, কেতেকী, বসন্ত, পদুম, নৱমল্লিকা, নাহৰ আদি স্বভাৱ ৰাজ্যৰ মূৰ্ত ৰূপবিলাকৰ মুখত দিয়া গীতবিলাকৰ ভাব-ভাষা অতি মনোৰম হৈছে।''

ইয়াৰ বাহিৰেও 'ভোগজৰা', 'থুপিতৰা' আৰু 'ইন্দ্ৰধনু' তেওঁৰ বিখ্যাত কবিতাৰ পুথি। তেওঁ 'ইন্দ্ৰধনু'ৰ কবি বুলি অসমীয়া সাহিত্য সেৱীসকলৰ মাজত সুপৰিচিত।

নেওগ কবিও, গল্প লিখকো। 'দীপাৱলী' তেওঁৰ লিখিত দহোটা গল্পৰ সমষ্টি।

নেওগদেৱে পুতলি, নাম পাৰিজাত, নামতী, বহৰহী, পানীমিঠে, অসমীয়া কাব্য প্ৰতিভা, শুৱনি, পাৰিজাত, সফুৰা, মেঘদূত, অসমীয়া ভাষা আৰু লিপিৰ কাহিনী, বৰ্ণ নিৰ্ণয়, নাৰদীয় ভক্তি সূত্ৰ, বৈষ্ণৱ ধৰ্মৰ আতিগুৰি, বৈষ্ণৱ ধৰ্মৰ ভক্তিতত্ত্ব, বৈষ্ণৱ ধৰ্মৰ ক্ৰমবিস্তাৰ, অসমীয়া সাহিত্যৰ জেউতি, অসমীয়া ভাষা তত্ত্বৰ নতুন বিচাৰ, বিশ্ব সাহিত্যৰ জিলিঙনি, যুগনায়ক শঙ্কৰদেৱ, সমাজ চিন্তামণি, অতীত মাধুৰী, মধ্যমিকা অসমীয়া, পত্ৰলেখা, প্ৰাক্‌ঐতিহাসিক অসম, ত্ৰিবেণী, অসমীয়া কথা প্ৰতিভা আদি গ্ৰন্থেৰে অসমীয়া সাহিত্যৰ সমৃদ্ধি সাধন কৰিছে।

তেওঁৰ আন কেতবোৰ অপ্ৰকাশিত গ্ৰন্থ হ'ল—মানুহ, বিহুতী, মালতী,

ভোগজৰা, সাহিত্যৰ জিলিঙনি, বৰ্তমান অসমীয়া সাহিত্য, বৈষ্ণৱ ধৰ্মৰ বুৰঞ্জী আদি।

বৈষ্ণৱ ধৰ্ম সম্পৰ্কে আলোচনা কৰি তেওঁ ইংৰাজীতো এখন গ্ৰন্থ ৰচনা কৰিছিল। তেওঁৰ আন আন ইংৰাজী গ্ৰন্থ—অসমৰ পৰিচয়, জগত-গুৰু শঙ্কৰদেৱ, মহাপুৰুষীয়া ধৰ্ম আৰু অসমীয়া ভাষাৰ মূল আৰু ক্ৰম-বিকাশ।

ব্যঙ্গাত্মক ভাৱত লিখি কৰি তেওঁ বিশ্ববিদ্যালয়, বিহমেটেকা, কলিৰ কাহিনী আদি গ্ৰন্থও প্ৰণয়ন কৰিছিল। এই গ্ৰন্থবোৰত আমাৰ সমাজৰ ত্ৰুটি-বিচ্যুতিৰ কথা লিপিবদ্ধ কৰা হৈছে।

ইয়াৰ বাহিৰেও কিৰণমালা, ব্ৰহ্মপুত্ৰ বিভাৱ, সৰল জ্যামিতি, বিজ্ঞানৰ আগ কথা, শান্তি-কৱচ, নীতি-কৱচ, প্ৰীতি-কৱচ আদি স্কুলীয়া পাঠ্য-পুথি ৰচনা কৰি শিক্ষাৰ্থীসকলৰ বিশেষ উপকাৰ সাধন কৰিছে।

এইজনেই আছিল যশস্বী লিখক ডিম্বেশ্বৰ নেওগ যিজনে অসমীয়া সাহিত্যৰ সম্প্ৰসাৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। অসমীয়া সাহিত্যৰ এই নিৰ্ভীক কাণ্ডাৰীজনৰ ছবি এটা আমাৰ মনত এতিয়াও এনেভাৱে উজলি আছে—এই সিংহ পুৰুষজন বৰ ওখও নহয়, চাপৰো নহয়। চুলিবোৰ ঠৰঙা, ৰুক্ষ, ভাজলগা, পিঠিৰ ফাললৈ বৈ পৰা—দাৰ্শনিকৰ চুলি। কৃষ্ণকায় লোকজনা ক্ষীণ নহয়; কিন্তু শকতো বুলিব নোৱাৰি—নিৰোগী আৰু বলিষ্ঠতাৰ প্ৰতিমূৰ্তি। চকুত এটি আভি-জাত্য আৰু বেপৰোৱা ভাব। পৰিধানত এখন সামান্য ধুতি আৰু এটা পাঞ্জাবী। ভৰিত এযোৰা কেহবাজী বৰণৰ পামচু ধূলি-মাকতিৰে বিবৰ্ণ। এইজনেই ডিম্বেশ্বৰ নেওগ যিজন আৰু সাহিত্য সভাৰ কৰ্মীসকলৰ মাজত নাই। সকলো স্তৰৰ অন্যায়ৰ বিৰুদ্ধে দীপ্তকণ্ঠে ৰণহুঙ্কাৰ কৰা নেওগক আৰু সোঁ-শৰীৰে আমি নেদেখোঁ। তেওঁৰ খুহুতীয়া মন্তব্য শুনাৰপৰা আমি চিৰদিনৰ কাৰণে বঞ্চিত হ'লোঁ আৰু বঞ্চিত হ'লোঁ অসমীয়া সাহি-ত্যৰ এজন লৌহমানৱৰ নিৰ্ভৰযোগ্য পৰামৰ্শ আৰু সহৃদয় অন্তৰৰ সাহ-চৰ্য্যৰপৰা। সন্দেহ নাই, দিন যিমানে পুৰণি হব সিমানেই এইজন ব্যক্তিৰ জীৱনৰ নতুন মূল্যায়ন হব।

কাহিনীকাৰ নেওগ

শ্ৰীযোগেশ দাস

ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াৰ লগত যিসকলৰ ঘনিষ্ঠ সম্বন্ধ আছিল তেওঁলোকে ভালদৰে জানে তেওঁ কিমান ৰসাল, ফুচুৰি কথাৰ ভঁৰাল আছিল। পঢ়া, শুনা, নিজে লাভ কৰা অভিজ্ঞতা, সকলো দিশৰপৰা সংগৃহীত অসংখ্য সৰু-ডাঙৰ কাহিনী তেওঁ আমাৰ দৰে অনুজসকলৰ আগত কৈছিল। তেওঁ জীৱন কালত লগ পাই অহা খ্যাত-অখ্যাত-কুখ্যাত বহু লোকৰ সৰু সৰু আমোদজনক ঘটনা, বেজবৰুৱা-গোহাঞিবৰুৱা আদি স্মৰণীয় সাহিত্যিক-সকলৰ উল্লেখযোগ্য সৰু সৰু ঘটনা নিজে জনা মতে অনৰ্গল কৈ শ্ৰোতা-সকলক আনন্দিত কৰিছিল। 'কিয়, ডবল-গোসাঁইৰ কথা তোমালোকে শুনা নাই?' বুলি হঠাৎ প্ৰশ্ন কৰি হঠাৎ হয়তো তেওঁ কবলৈ আৰম্ভ কৰিব কেনেকৈ সেইজন গোসাঁয়ে দূৰলৈ ওলাই গ'লে দুখন চুৰিয়া, দুটা চোলা পিন্ধিহে গৈছিল—কাৰণ বাটতে কেনেবাকৈ গা তিয়াব লগা হ'লে এখন-এটা চুৰিয়া-চোলা এৰি বিপদত নপৰাকৈ থাকিব পাৰে!

কিন্তু এইজন নেওগ ডাঙৰীয়াক কাহিনীকাৰ বুলি বোধহয় কম মানুহেই জানে। ইন্দ্ৰধনুৰ কবি, অসমীয়া সাহিত্যৰ বুৰঞ্জীবিদ, সমালো-চক, সাহিত্য আৰু সমাজনীতিৰ প্ৰবন্ধকাৰ, মহাপুৰুষৰ জীৱনীকাৰ, অসম সাহিত্য সভাৰ একনিষ্ঠ সেৱক আৰু শিক্ষক বুলিহে তেওঁ জনাজাত, সন্মানিত আৰু কৰ্মযোগীৰূপে পৰিচিত হৈ গ'ল। এই প্ৰবন্ধৰ লিখকে পুৰণি, উৰঁলি যাব ধৰা 'বাঁহী' এখনত তেওঁৰ 'তিল-মাহ' গল্পটো দেখিহে প্ৰথমে বিচুতি খাই জানিছিল যে আন বহুতো পুৰণি চাম সাহিত্যিকৰ দৰে নেওগ ডাঙৰীয়ায়ো এসময়ত কাহিনী-কথন-কলাত লিখনী বুলাইছিল। এতিয়া অৱশ্যে তেওঁৰ গল্প আৰু উপন্যাস শ্ৰেণীৰ দুখনি কিতাপ সক-লোৱে দেখিবলৈ পাইছে। নিজে গল্প-শ্ৰেণী আখ্যা দিয়া নেওগৰ 'দীপা-ৱলী' ১৯৩১ চনত আৰু 'গাঁৱে-নগৰে' উপন্যাস ১৯৬০ চনত প্ৰকাশ হয়। সাহিত্য ক্ষেত্ৰত বহু সময়ত আহিস্বৰূপে লোৱা বেজবৰুৱাৰ

দৰেই নেওগৰো উপন্যাস একেখনেই। এইবিলাক গল্প-উপন্যাস কোন কোন সময়ত লিখা সেই কথা আমি স্পষ্টতঃ কব নোৱাৰিলোঁ। অৱশ্যে মোটামুটিকৈ কব পৰা যায় যে ইয়াৰ ভালেখিনিতে লিখকৰ ব্যক্তিগত জীৱনৰ আহি-আদৰ্শই স্বৰূপ প্ৰকাশ কৰিছে। ইয়াকো কব পাৰি যে প্ৰকাশ-মাধ্যমৰ পাৰ্থক্যৰ কাৰণে কবি-নেওগে তেওঁৰ ধ্যান-ধাৰণাৰ যিখিনি কবিতাত কব নোৱাৰিলে বা কবলৈ থাকি গ'ল তাৰ কিয়দংশ গদ্য-কাহিনীত প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিল; আৰু প্ৰবন্ধকাৰ নেওগৰ যিখিনি মন্তব্য যথেষ্টৰূপে প্ৰকাশিত নহ'ল বুলি বিবেচিত হ'ল সেইখিনি এইবোৰৰ মাজেদি প্ৰকাশ কৰিব খোজা হৈছিল।

॥ ২ ॥

ওপৰত কোৱা শেহৰ কথাখিনিৰ সংক্ৰান্তত উল্লেখ কৰিবলগীয়া হৈছে কাহিনীকাৰ নেওগৰ—বিশেষকৈ উপন্যাসখনিত—নৈতিক সমালোচনাৰ দৃষ্টিভঙ্গী। ব্যক্তিগত আৰু সামাজিক জীৱনত ডিম্বেশ্বৰ নেওগ আছিল উগ্ৰভাৱে নৈতিকতাবাদী। সাহিত্য সভাৰ এখন বাৰ্ষিক সন্মিলনত বিবাদমূলক এটা প্ৰশ্নত এবাৰ তেওঁ সমূহ সভাসদৰ বিৰুদ্ধে অকলেই নিজৰ ফালে হাত দঙাৰ কথা বহুতৰে মনত পৰিব। অসম সাহিত্য সভাত আমি নিজে তেওঁৰ অনুজ সহকৰ্মীৰূপে থাকোঁতে তেওঁ কেনে কঠোৰ নীতিপৰায়ণ আছিল তাৰ গম ভালদৰেই পাইছিলোঁ: আজীৱন সভ্যৰ আচুতীয়া পুঁজিৰে সভাক ভৱিষ্যতৰ নিৰাপত্তা দি ৰাখিবলৈ তেওঁৰ আপ্ৰাণ চেষ্টা আছিল আৰু সেই পুঁজিৰ হৰণ-ভগন হব নোৱাৰে বুলি তেওঁ কথাই-কামে আঁকোৰ-গোঁজকৈ লাগি গৈছিল—আজীৱন সভ্যৰ অনুসন্ধানত তেওঁ আমাক ধন থকা লোকৰ ঘৰলৈ টানি লৈ গৈছিল, বাটৰপৰাও তেনে ধন থকা কমাৰক ধৰি আনি পুঁজিৰ দা গঢ়াই লৈছিল; নিয়মাৱলী মতে অমুক উপ-সমিতি কিয় নবহিব বুলি প্ৰকাশ্য সভাত সমালোচনা কৰি আমাক জলা-কলা কৰিছিল; এবাৰ এজন সহকৰ্মীয়ে নিৰ্দিষ্ট সময়তকৈ পলমে দেখা কৰিবলৈ যোৱাত হেনো তেওঁ তেওঁক বিমুখেই কৰি পঠিয়ালে! 'গাঁৱে-নগৰে' উপন্যাসত এই কঠোৰ নীতিনিষ্ঠাৰ প্ৰয়োজন অসমৰ সমাজ-জীৱনত উপলব্ধি কৰা হৈছে।

'গাঁৱে-নগৰে' সুসমঞ্জস কাহিনী নহয়। এটা মোটা-মুটি কাহিনীৰ জুমুৰিৰ ওপৰত নেওগে সামাজিক দোষ-দুৰ্বলতা আৰু নৈতিক আদৰ্শৰ প্ৰয়োজনৰ প্ৰলেপ আৰু ৰং-ৰহণ চৰাইছে মাথোন। শাৰীয়ে শাৰীয়ে

লিখকৰ কি শ্লেষপূৰ্ণ সুৰ! সমাজৰ আদৰ্শৰ ধ্বজা উৰুওৱা সকলৰ ফোঁপোলা কথাৰ ওপৰত কি কঠোৰ আঘাত! উজনিৰ এখন গাঁৱত সোমালহি 'সভ্যতা'ৰ পোহৰ মেলিবলৈ বঙ্গদেশৰ ছচী বাবু—শশীনাথ ঘোষ। মাতব্বৰ ৰবৰবাৰ ঘৰত আশ্ৰয় লৈ তেওঁ বঙলা গান আৰু হাৰমনিয়ামেৰে গাঁৱত পাতিলে যাত্ৰা-গান। ('দেৱতাৰ আসনো শূন্য থাকিলে অপদেৱতাই তাত থানিকা লয়হি। উজনিৰ ঘাই সত্ৰ কেইখনতে অঙ্কীয়া ভাৱনা আৰু বৰগীতৰ খালী ঠাই পূৰণ কৰিলে বঙলুৱা নাট আৰু বঙালী-ভজুৱা গীত-মাতে; আৰু 'বৰ ভাই যেনি যায় সৰু ভায়ো তেনি' যোৱাৰ দৰে উজনিৰ গাঁও-ভুঁইবোৰত বিয়পি পৰিল সস্তীয়া চোক্ৰা-নাচ আৰু যাত্ৰা-গান।') ছচী বাবুৰ লগত এদিন পলাই গ'ল ৰবৰবাৰ ঘৰৰ জীয়ৰী লং ওৰফে লৱঙ্গলতা। লাগিল হৈ-চৈ। ধৰা পৰি তেওঁলোক গুচি আহিলত সমাজে ৰবৰবাক এঘৰীয়া কৰিব খুজিলে। ৰবৰবা পৰিয়ালে উভতি ধৰিলে: গাঁৱৰ বহুতেই শশীনাথক আশ্ৰয়-প্ৰশ্ৰয় দিছিল; এনেস্থলত অকল এঘৰৰে দোষ হব কিয়? সমাজে ইয়াৰ উচিত প্ৰত্যুত্তৰ দিব নোৱাৰিলে। কিন্তু পতিতাৰ অৱস্থান ডাঙৰ সামাজিক সমস্যা। সেই বাবে লঙৰ ঘৰ হ'ল বাৰী চুকত; আনৰ লগত হাত-বাত নাই।

এই খিনিৰপৰা কাহিনীৰ গতি সলনি হৈছে। ৰবৰবাৰ ঘৰৰে ল'ৰা লক্ষ্যধৰ এতিয়া কাহিনীৰ কেন্দ্ৰ হৈ পৰিল। লক্ষ্যই লিখকৰ আদৰ্শক বহন কৰি নিছে। লক্ষ্যৰ কুমলীয়া মনত বহুতো অন্যায়েই ৰেখাপাত কৰি যায়। নিৰ্য্যাতিতা মাকৰ দুখ, এগৰাকী নিজে দেখা পোৱাঁতীৰ কষ্ট, অন্যায়ভাৱে গিৰীয়েকে অত্যাচাৰ কৰা আন এগৰাকী তিৰোতাৰ (স্ত্ৰী লখিমীৰ বায়েক) বেদনা এইবোৰে লক্ষ্যক আলোড়িত কৰিবলৈ ধৰে। পঢ়ি-শুনি উঠি, স্বাধীনতা আন্দোলনৰ সময়ত সমাজ সংস্কাৰৰ ইচ্ছাৰে আদৰ্শ পাম পাতি, হাতে-কামে কিছুমান অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈ তেওঁ চেষ্টা কৰে। কিন্তু পদে পদে সমাজ মানসৰ দৈত্যই তেওঁৰ চেষ্টাক প্ৰতিহত কৰে। অপবাদ পোৱা এগৰাকী মহিলাক পুলিচ, বিচাৰক, উকিল কোনেও ৰক্ষা কৰিব নোৱাৰে; লখিমীৰ বায়েকৰ হৈ মাত মাতিবলৈ মহিলা সমিতিৰ কৰ্মীসকল অপাৰগ। লক্ষ্যৰ নৈৰাশ্যৰ অন্ত নাই। শেহত এদিন এজন বন্ধুৰ ঘৰত বন্ধু-পত্নীৰ আচহুৱা কৰ্কৰ্থনাৰ মাজত যেন তেওঁ আশাৰ বেঙুণি দেখিবলৈ পালে। তিৰোতাক কেৱল সন্তান উৎপাদনৰ যন্ত্ৰ বুলি ভবা কাৰণেহে, অতি পুৰণি নিয়ম মানি চলি থাকি, তিৰোতাক সুখ-দুখপূৰ্ণ কামিনী বুলিও নভবা কাৰণে, তিৰোতাৰ স্বাধীন সত্তা স্বীকাৰ নকৰা কাৰণেই যিমানবিলাক সামাজিক

অনৰ্থক ঘটিছে। লক্ষ্যই নতুন সমাজ ৰচনাৰ খচৰা তৈয়াৰ কৰি ললে: নীচাস্থিকা দূৰীকৰণ (বঙলুৱা প্ৰভাৱ আঁতৰোৱাৰ আৱশ্যকতা), অসমীয়াৰ মনলৈ আত্মবিশ্বাস অনাৰ প্ৰয়োজন (বাৰ বঙলুৱা ৰং-চং চাই যাতে ভোল যাব নালাগে), অসমীয়াৰ মৌলিক চিন্তা বৃদ্ধিৰ অৰ্থে সাহিত্য যোগে প্ৰচাৰ, উপযুক্ত শিক্ষা দানৰ ব্যৱস্থা নাগৰিক দায়িত্ববোধৰ জাগৰণ আৰু তিৰোতাৰ প্ৰতি সন্মান। লক্ষ্যই নিজেও তিৰোতাৰ প্ৰতি উপযুক্ত আচৰণ কৰা নাছিল; সেই বাবে তেওঁ ঘৰলৈ উলটি গৈ নবিয়া পাটীত পৰি থকা অৱস্থাত লখিমীক পালেগৈ আৰু তেওঁক হেৰুৱাৰ লগাত পৰিল।

এই কাহিনীত কোনো ধৰণৰ বিকাশ নাই। সামাজিক দোষ-ত্ৰুটি দেখুৱাবৰ কাৰণেই ঘটনাপুঞ্জ তৈয়াৰ কৰি লোৱা হৈছে। বৰবৰাৰ ঘৰ-খনৰ জৰিয়তে ইংৰাজ আমোলৰ আৰম্ভৰপৰা কেনেকৈ সুস্থ আদৰ্শ আৰু আত্মবিশ্বাসৰ অভাৱত অসমীয়া সমাজৰ অধঃপতন হৈছে আৰু ইয়াৰপৰা উদ্ধাৰ পাবৰ কি উপায়, নতুন অৱস্থাৰ লগত খাপ খুৱাই চলিবলৈ হ'লে কি কৰিব লাগিব, তাকে এই ঘটনাৱলীৰ যোগেদি দেখুৱা হৈছে। আগ-কথাত লিখকে জনাইছে যে নব-দেহৰ দৰে সমাজ-দেহবো ক্ষয়-ক্ষতি আছে আৰু সেইবোৰৰ প্ৰতিকাৰ কৰি থকাৰ প্ৰয়োজন। 'যোৱা শতিকাৰ শেষছোৱাৰপৰাই অসমৰ সমাজ-বীণত বহুত নতুন তানৰ সংঘাত আহিল'; সেই সংঘাতৰ ফলত যিবোৰ সমস্যাৰ উদ্ভৱ হৈছে তাৰ সুসমাধান কৰিব লাগিব; 'অসমা'ৰ কবিতাত কোৱাৰ দৰে পৰি-বৰ্তনক ভয়-ডৰ নকৰি তাক 'প্ৰভূত মঙ্গলৰ হেতু' বুলি ধৰি 'বিশ্ব-মানৱৰ এই মহামেলাত যোগ দিবলৈ আমিও খৰ-ধৰ কৰিব লাগিল।' নাৰীক উপযুক্ত মৰ্য্যাদা দিয়াৰ ক্ষেত্ৰত যিখিনি কৰা প্ৰয়োজন বুলি লিখকে অনুভৱ কৰিছে সেইখিনিৰ সমৰ্থনত তেওঁ জৰ্জ বাৰ্ণাৰ্ড শ্বৰ উক্তি উদ্ধৃত কৰি দিছে: আত্ম-বিক্ৰয় কৰিব নলগা অৱস্থা থকা সমাজহে প্ৰকৃত আদৰ্শ সমাজ; 'সতীত্ব নোহোৱা দুখীয়া তিৰোতাতকৈ নিজা দৃঢ় বিশ্বাস নোহোৱা ধনী মুনিহ আধুনিক সমাজলৈ অধিক বিপদজনক!'—এই কথাই যেন লক্ষ্যৰ বন্ধু-পত্নীৰ সমালোচনাত প্ৰতিধ্বনিত হৈছে।

॥ ৩ ॥

ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াই চুটি গল্পক এসময়ত চুটি সাধু বুলিছিল। সুখৰ বিষয় 'দীপাৱলী'ক তেওঁ গল্পৰ পুথি বুলি কৈছে। দুটা ভাগত ভগোৱা এই পুথিৰ দহোটা গল্পতো নৈতিক ভঙ্গী নথকা নহয়। কিন্তু

ইয়েই তেওঁৰ গল্পবিলাকৰ প্ৰধান সুৰ নহয়। কেৱল 'তিৰোতাৰ প্ৰাণৰ কথা'ত সমাজৰ সমালোচনা আছে: এজন পুৰুষে এগৰাকী নাৰীক প্ৰবঞ্চনা কৰিলে; মহিলা গৰাকীয়ে সমাজৰ গঞ্জনা খাই, পতিতা আখ্যা লৈ আঁতৰি থাকিল, পুৰুষজনৰ প্ৰতি শ্ৰদ্ধা অটুট থকাত প্ৰতিশোধ নললে; পুৰুষজন কিন্তু সমাজত মুধাফুটা হৈয়ে থাকি গ'ল। জাহাজত লগ পোৱা এই মহিলা সাহিত্যিক গৰাকীৰ প্ৰাণৰ কথা লিখকে শুনিবলৈ পাইছিল: "মোৰ আত্মাৰ অন্তৰ সেই মানৱী দেৱীৰ কাৰণে শ্ৰদ্ধাৰ সৌৰ-ভেৰে আমোলমোল হৈ উঠিল।" এই আত্মাৰ অন্তৰ সমাজৰ অন্তৰ, পুৰুষৰ অন্তৰ; ইয়াৰ দ্বাৰা ভুল স্বীকাৰ কৰা হৈছে। বাকী কেইটা গল্পত কিছুমান চিত্ৰ, চৰিত্ৰ আৰু মনোৰম কাহিনী পোৱা যায়। ভালে-খিনি লিখকৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতা-সম্ভূত নেকি কব পৰা নাযায়। 'কবিতাৰ কাঠ-সংস্কাৰ'ত এজন স্কুলীয়া ছাত্ৰই প্ৰেমৰ কবিতা লিখি ফেইল মৰাৰ কথা কোৱা হৈছে; দেউতাকে তেওঁৰ কোঠাটো চলথ কৰি ফেইল হোৱাৰ কাৰণ উলিয়াই তেওঁক ভালদৰে পঢ়িবৰ কাৰণে ডিব্ৰু-গড়ত থকা ককায়েকৰ ওচৰলৈ নিৰ্বাসিত কৰিলে! আমিৰ লগত তুমি, হাঁহিৰ লগত কাঁহী মিলাই নাইবা প্ৰতি লাইনৰ প্ৰথম আখৰেৰে সুন্দৰীৰ নাম তৈয়াৰ কৰা কবি দুই-এবক কবি নেওগে লগ পালেও পাব পাৰে। অপঁইতা বয়সত এনে অপচেষ্টা কৰাৰ উদাহৰণ বেজবৰুৱাৰ বচনাতো পোৱা যায়। 'প্ৰবন্ধ-লিখক' গল্পৰ নায়ক 'সাহিত্যৰত্নাকৰ'-জনো লিখকে জীৱনত লগ পোৱা কোনো লোকৰ প্ৰতিকৃতি হব পাৰে—কোৱা বাহুল্য সাহিত্যৰত্নাকৰ উপাধিটো জোকোৱা উপনামহে। এইজন প্ৰবন্ধ-কাৰে ভাবে যে তেওঁৰ নিচিনা সাহিত্যিক নায়েই, তেওঁৰ দৰে চিন্তা কৰিব পৰা লোক নায়েই। তেওঁ যাকে য'তে লগ পায় তাকে তাতে ধৰি লৈ ফুৰোৱা প্ৰবন্ধটো উলিয়াই পঢ়ি শুনাবলৈ ধৰে। সেই বাবে তেওঁক দেখিলে মানুহ পলায়। এইজন সাহিত্যৰত্নাকৰে সম্পাদককো সমালোচনা কৰে, কাৰণ প্ৰবন্ধ নছপাই ফটা কাকতৰ পাচিতহে ঠাই দিয়ে। পাচত প্ৰবন্ধ লিখকে নিজৰ ভুল বুজিব পাৰি সংশোধন কৰিছে আৰু তেওঁ ভালকৈ লিখা প্ৰবন্ধও প্ৰকাশিত হৈছে। এই ধৰণৰ চৰিত্ৰচিত্ৰণ বেছ উপভোগ্য হৈ উঠিছে। 'তিল-মাহ' বুলি বৰ দীঘলীয়া গল্পটোতো এনেকুৱা চৰিত্ৰ বিশ্লেষণ আছে। জমিদাৰৰ সৰু ছোৱালী পমিলাৰ সৈতে ধীৰেন্দ্ৰনাৰায়ণৰ প্ৰণয় আছিল। বৰ ছোৱালী সুমলাই মনে মনে ধীৰেন্দ্ৰক ভাল পাইছিল কিন্তু ব্যক্ত কৰা নাছিল। চঞ্চলা পমিলা এদিন পলাই গ'ল আন এজনৰ লগত। চকুৰ অসুখত ভোগা ধীৰেন্দ্ৰই ওচৰত

পমিলাক পাবলৈ বিচাৰিলে। সাহ কৰি সুমলাহে গ'ল আৰু শুশ্ৰূষাৰে ধীৰেন্দ্ৰক ভাল কৰি তুলিলে। অস্ত্ৰোপচাৰ কৰাৰ পাচত চকু খুলিবৰ সময়ত সুমলাই ছদ্মবেশৰ কথা কৈ দিলে আৰু ধীৰেন্দ্ৰয়ো প্ৰকাশ কৰিলে যে তেওঁ সকলো জানিব পাৰিছে আৰু পমিলাৰ প্ৰতি তেওঁৰো কোনো আগ্ৰহ নাই—মোহহে আছিল, প্ৰকৃততে তেওঁ সুমলাকহে বিচাৰে। পমিলাৰ চঞ্চলতাৰ উপৰি সুমলাৰ গভীৰতাই আমাৰ অন্তৰ চুই যায়; এই চৰিত্ৰচিত্ৰণত লিখকৰো দক্ষতা ফুটি উঠিছে। মানসিক খকা-খুন্দাৰ ভাব দেখুৱাই কৰা চৰিত্ৰচিত্ৰণ কাহিনীকলাৰ এক বিশিষ্ট অঙ্গ। উপন্যাসত নেওগে ইয়াৰ বিশেষ দৃষ্টান্ত দেখুৱাব পৰা নাই যদিও এইবিলাক গল্পত নিজৰ ক্ষমতাৰ প্ৰমাণ দি গৈছে।

'অন্তৰৰ উদ্দেশে' আৰু 'মৃত্যুৰ মুখত' গল্প দুটা অলপ বেলেগ ধৰণৰ। ডিভাইন কমেডীত কৰাৰ দৰে নাইবা বৰদলৈৰ ৰঙ্গিলীয়ে বৃন্দাবনত সতৰামৰ কল্পিত মূৰ্তিত ভগৱানক দেখাৰ দৰে কিছু অতীন্দ্ৰিয়বাদী ভাবৰ অনুভৱ এই দুটা গল্পত আছে। উক্ত প্ৰথমটো গল্পত এগৰাকী ব্ৰহ্মচাৰিণীয়ে নিজৰ অতীত জীৱনৰ কথা কৈছে: কম বয়সৰেপৰা তেওঁৰ এজন ডেকাৰ প্ৰতি আকৰ্ষণ হৈছিল, কিন্তু ৰূপ-যৌৱনৰ গৰ্বত তেওঁ তেওঁক পাচত অলপ আওহেলা কৰিলত তেওঁ আঁতৰি গ'ল, তেতিয়াহে ডেকাক তেওঁৰ প্ৰাণে বিচাৰিবলৈ ধৰিলে, কিন্তু তেতিয়া আৰু কোনো আশা নাছিল। ঘৰ এৰি বিচাৰোঁতে বিচাৰোঁতে জীৱন পাত হৈ গ'ল; শেহ বয়সত শান্তিৰ সন্ধানত ঘূৰি-পকি সাধু-সঙ্গৰ লগত থাকি সেইজনক অনন্ত পথৰ যাত্ৰীৰূপে উপলব্ধি কৰিলে—ব্ৰহ্মচাৰিণীয়ে উপলব্ধি কৰিছে যে অসীম জীৱন অসীমক ধিয়াই আগুৱাব লাগিছে। দ্বিতীয়টো গল্পত ওলোটা পাকে এজন ব্ৰহ্মচাৰীৰ কথা কোৱা হৈছে: গোটেই জীৱন দেশৰ কামত কটাই তেওঁ শেহ বয়সত সন্যাস লৈছে; আগ বয়সত পোৱা সেন্দূৰীয়া মূৰ্তিটি কিন্তু কোনো কালেই অন্তৰৰপৰা এৰুৱাব পৰা নাই। তেজ-মঙহৰ সেন্দূৰীতকৈ 'আনন্দৰ অপূৰ্ব পৰিকল্পনা' ৰূপেহে লোৱা সেন্দূৰীক আনৰ হৈ যোৱা তেওঁ দেখিছিল। সেন্দূৰীক কি ৰূপেনো বিচাৰিছিল সেইটো তেওঁ আজীৱন বুজিব নোৱাৰিলে। এইদৰে বুজিব নোৱৰা বেদনাৰেই ব্ৰহ্মচাৰীয়ে মৃত্যুৰ মাজত শান্তি লাভ কৰিব বুলি উপলব্ধি কৰিছে।

উক্ত দুটা গল্পই নেওগৰ গভীৰতাৰ দৃষ্টান্ত দেখুৱাইছে। প্ৰবন্ধৰ আদিতে যি জন ৰসাল কথা কব পৰা নেওগৰ উল্লেখ কৰা হৈছে তেওঁৰ পৰিচয় উল্লিখিত 'কবিতাৰ কাঠ সংস্কাৰ', 'প্ৰবন্ধ-লেখক', 'তিৰোতা

সেৰুৱা' আদি গল্পত পোৱা যায়। বিচিত্ৰ মানৱ জীৱনৰ সুখ-দুখ, উজ্জ্বল-অনুজ্জ্বল সকলো দিশৰ বৰ্ণাঢ্যতা যেন এইবোৰ গল্পত ৰূপায়িত কৰিবলৈ তেওঁ চেষ্টা কৰিছিল। তিৰোতা সেৰুৱা মানুহজনে ঘৈণীয়েকৰ লগত কাজিয়া কৰি কামলৈ নগৈ, ভাত নাখাই শুই আছিল। তেওঁ সপোনতে দেখিলে তেওঁ যেন ঘৰৰপৰা ওলাই গৈছে আৰু এজন বন্ধুৱে তেওঁৰ ল'ৰাটিক আনি দিছে এবাৰ চাই লবলৈ। সাৰ পাই তেওঁ দেখে তেওঁ ঘৰতে শুই আছে আৰু গাখীৰ খুৱাই ওচৰতে শুই থকা ঘৈণীয়েকে তেওঁলৈ চাই হাঁহি আছে! মানুহৰ এই ধৰণৰ দুৰ্বলতাবোৰ দেখি নেওগ ডাঙৰীয়াই নিশ্চয় বৰ আমোদ পাইছিল। আমোদ পাব লগীয়া কথাও।

ছাত্ৰৰ দৃষ্টিত নেওগ মানুহজন

শ্ৰীআব্দুছ ছাত্তাৰ

স্বৰ্গীয় ডিম্বেশ্বৰ নেওগ ছাত্ৰৰ দৃষ্টিত কেনে আছিল বুলি ক'বলৈ গ'লেই লিখক যে সেইজন শিক্ষকৰ ছাত্ৰ হোৱা বাঞ্ছনীয় তাক নক'লেও হ'ব। অৰ্থাৎ, এই গৰাকী শিক্ষক ছাত্ৰৰ মানত কেনে আছিল বা শিক্ষক হিচাবে ছাত্ৰৰ লগত কেনে সম্বন্ধ ৰাখিছিল এই সকলোবিলাকেই ইয়াৰ ভিতৰুৱা। গতিকে ইয়াত সেই গৰাকী শিক্ষক কবি-সাহিত্যিকৰ যি এটি প্ৰতিচ্ছবি দিয়া হ'ব সি এই লিখকৰ ব্যক্তিগত সম্বন্ধত ওপজা, শ্ৰেণীৰ ছাত্ৰ হিচাবে যি সম্বন্ধ আৰু তেখেতৰ ন-পুৰণি ছাত্ৰৰ যি মনোভাব বা যি দৃষ্টি তাকে ব্যক্ত কৰিবলৈ চেষ্টা কৰা হ'ব।

শিক্ষক নেওগ ডাঙৰীয়াক মই ছাত্ৰ হিচাবে আৰু ব্যক্তিগতভাৱে ১৯৩৯ চনৰপৰা জানো। তেতিয়া মই নৱমমান শ্ৰেণীৰ ছাত্ৰ। জয়-জয়তে অসমীয়া কবিতা পঢ়োৱা ঘণ্টাতে তেখেতক দেখোঁ। ওচৰৰ দুই-চাৰিজন ছাত্ৰ বন্ধুৰপৰাই জানিলোঁ যে তেখেতেই প্ৰখ্যাত কবি ডিম্বেশ্বৰ নেওগ। মানুহজন দীঘল। পিন্ধনত—এটা পাঞ্জাবী, এখন থোৰ মাৰি পিন্ধা ধুতি আৰু ক'লা এযোৰ পুৰণি জোতা। চুলি দীঘল—গলধনত পৰি থকা, মাজেদি সেওঁতা ফলা আৰু কেঁকোৰা-কেঁকুৰী। দেখি যে মনত কিবা এটা চমক লাগিছিল ই ঠিক। কিন্তু সেই চমকনি কোনো পাণ্ডিত্যৰ প্ৰমাণ পাই যে জাগিছিল এনে নহয়। এই বুলিহে বৰ আচৰিত লাগিছিল যে—সৰ্বসাধাৰণতে মানুহ এজনৰ পিন্ধনে-উৰণে যি বাহ্যিক ৰূপ তাতোকৈ যেন অলপ পৃথক—এই ভাবিহে। পিছে দেখিলেই মনত লাগে—যেন অতি উদাসীন ব্যক্তি। কিন্তু তেনে এজন উদাসীন ব্যক্তি হোৱা সত্বেও কোনো দিন নেওগ চাৰে শ্ৰেণীৰ শৃঙ্খলা ৰক্ষাৰ কাৰণে চিন্তা কৰিব লগা হোৱা নাছিল। মানুহজন সোমোৱা মাত্ৰকে শ্ৰেণীটো গাম্ভীৰ্য্য-পূৰ্ণ হৈ পৰে। চাৰে কথা কওঁতে খোনায়। অথচ, কোনো দিন ছাত্ৰসকলে তেখেতৰ কথা শুনি হঁহা চকুত নপৰিল। আমি খুব

হাঁহিছিলোঁ একমাত্ৰ কথাৰ ৰস পায়হে। সাধাৰণতে খোনা মানুহৰ কথা শুনিলে হাঁহি উঠে—ছাত্ৰৰতো কথাই নাই। অথচ, নেওগ চাৰৰ বেলিকা সুকীয়া। কিন্তু নেওগ ডাঙৰীয়াৰপৰা একোটা ঘণ্টাত বহুত কথাৰ সম্ভেদ ছাত্ৰসকলে পায়—কবিতাত গা মন জুৰাই যোৱাকৈ অসমীয়া, বঙালী, সংস্কৃত আৰু ইংৰাজী কবিতাৰ উদ্ধৃতি মাতি মাতি কবিতা বুজুৱাটো তেখেতৰ সাধাৰণ ৰীতি। গতিকে ছাত্ৰসকলে কেতিয়া নেওগে কোৱা দুই-চাৰিটা উদ্ধৃতি লিখি ৰাখিব তাৰেই বহুতে চেষ্টা কৰে। বঙালী কবিতাৰ উদ্ধৃতিৰ ভিতৰত নেওগে সাধাৰণতে চণ্ডীদাস আৰু ৰবীন্দ্ৰনাথৰ পৰাই দিয়ে। তেখেতৰ দুয়োজন কবিৰ বহুতো কবিতা মুখস্থ আছিল। চণ্ডীদাসৰ—

"সবাৰ উপৰে মানুষ সত্য
তাহাৰ উপৰ নাই।"

এই কথাষাৰৰ তত্ত্ব আমি হাইস্কুলৰ নৱমমান শ্ৰেণীতে পাইছিলোঁ। আমাৰ সময়ত অসমীয়া কবিতা পুথি আছিল কবি শৈলধৰ ৰাজখোৱাৰ 'নিজৰা' আৰু বিহগী কবি ৰঘুনাথ চৌধাৰীৰ 'সাদৰি'। চৌধাৰীৰ ভিক্ষা কবিতাৰ—

"নালাগে তোমাৰ প্ৰভু ঐশ্বৰ্য্য বিভূতি
ৰাজপদ সন্মান গৌৰৱ।
দাৰিদ্ৰ্যৰ লাওলোটা ভিক্ষাৰ গঁজুলি
সেয়ে মোৰ অতুল বৈভৱ॥"

বুজাওঁতে তুলনামূলকভাৱে তেতিয়াই আমাক নেওগ ডাঙৰীয়াই ৰবি ঠাকুৰৰ গীতাঞ্জলিৰ আৰম্ভণিৰ পদ গাই শুনাইছিল—

"আমাৰ মাথা নত কৰে দাও হে তোমাৰ
চৰণ ধূলাৰ তলে"—ইত্যাদি।

এইদৰেই বিশ্বকবিৰ ভালেমান কবিতাৰ কথা তেখেতে প্ৰসঙ্গক্ৰমে কৈছিল।

নেওগ ডাঙৰীয়াৰ কাৰণে ছন্দৰ বিসঙ্গতি অতি সহ্য কৰিব নোৱৰা

কথা আছিল। এবাৰ কোনো এটা কবিতা পঢ়াওঁতে আগৰ চৰণত যি ছন্দ বা লয় আছিল দ্বিতীয় নে তৃতীয় চৰণৰপৰা প্ৰথমৰ যি লয় বা স্পন্দন আছিল সি হেৰাই গৈছিল। গতিকে হাঁহি হাঁহি (অথচ খোনাই খোনাই) নেওগ চাৰে কৈছিল, ''এইখিনি লিখিয়ে কবি বাহিৰ ফুৰিবলৈ গ'ল—বাকীছোৱা ঘূৰি আহি লিখা। সেই কাৰণে ইয়াত ছন্দ ভঙ্গ হৈছে। এইটো এতিয়া নিশ্চয় বুজিব পাৰিছা নহয়?'' কথা শুনি গোটেই শ্ৰেণীটোৱে গিৰ্জনি মাৰি হাঁহি দিলে।

'মাধুৰী' কবিতাৰ অনুপ্ৰাস বুজাবলৈ গৈ কবি শিক্ষকে আমাক তেতিয়াই ৰবীন্দ্ৰনাথ ঠাকুৰৰ—— ''দূৰ হ'তে দূৰে—দূৰান্তৰে'' আদি ধ্বনীয়া কথাষাৰ কৈছিল। আমি ছাত্ৰ অৱস্থাতে এই নেওগ চাৰৰপৰা 'ওমৰ খায়াম'ৰ সম্বন্ধে বহুত কথা জানিছিলোঁ। তেতিয়াই তেখেতে ফিট্জেৰাল্ডৰ ইংৰাজী এটা চৰণ আৰু কবি দুৰৰাৰ তাৰ কেনে সুন্দৰ অসমীয়া ভাঙনী তাৰ বিজনি কৰি আমাক দেখুৱাইছিল। আটাইতকৈ ডাঙৰ কথা তেখেতৰ মুখস্থ মতা শক্তি। ই আছিল তেখেতৰ অসাধাৰণ পাণ্ডিত্যৰ চানেকি। আমি কিছুমান ছাত্ৰই সদায় নেওগ চাৰৰপৰা এনে উদ্ধৃতি শুনাৰ আশা কৰিছিলোঁ।

নেওগ ডাঙৰীয়াই অসমীয়া কবিৰ ভিতৰত সাধাৰণতে উদ্ধৃতি দিয়ে চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰপৰা, ব্যাকৰণ বুজাওঁতে আৰু আখৰ জোঁটনিৰ কথা আহিলেই তেখেতে ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ কথাহে উল্লেখ কৰে। এখেতে ৪ৰ্থীৰ 'লৈ' বিভক্তি ব্যৱহাৰৰ সম্বন্ধে যথেষ্ট কথাই আমাক কৈছিল। এই বিষয়ত কিন্তু তেখেত গোৰা। 'লৈ' লোপ কৰাৰ পক্ষপাতী তেওঁ মুঠেই নাছিল। তেখেতৰ 'শুধ অসমীয়া'ৰ কথাবোৰ আমি শ্ৰেণীতে শিকিছিলোঁ। ভাষা ৰসালকৈ লিখাৰ কথা তেখেতে সদায় কৈছিল। 'শুষ্কং কাষ্ঠং তিত্যষ্ঠগ্ৰে' আৰু 'নিৰস তৰুবৰ পুৰতোভাতি' এই দুশাৰী কথাৰ পাৰ্থক্য সদায় বুজাই কৈছিল। 'নিজৰা'ৰ 'তুমি' বোলা কবিতাটো পঢ়াওঁতেই তেখেতে আমাক ''সূত্ৰে মণিগণা ইৱ্'' এই কথাষাৰ কৈ সুন্দৰকৈ বুজাই দিছিল। বুজন হৈ উঠাত অসমীয়া সাহিত্যৰ প্ৰতি যিটো স্নেহ বা তান হ'ল তাৰ অঙ্কুৰ মোৰ হিয়াত নেওগ চাৰেই অঙ্কুৰিত কৰায়। মই ভাবোঁ আমাৰ সহপাঠী ৺অমূল্য বৰুৱা, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, ৰাজেন হাজৰিকা, যতিনাৰায়ণ শৰ্মা, অজিত শৰ্মা আদি বহুতকে অসমীয়া সাহিত্যৰ প্ৰতি এটা বিশেষ ৰাপ এই নেওগ চাৰেই জন্মালে। মুঠতে ছাত্ৰৰ দৃষ্টিত নেওগ আছিল জ্ঞানৰ আকৰ। তেখেতে নিজৰ প্ৰতিভাৰ দ্বাৰা আনক মোহিত

কৰি একোটা সাহিত্যিক দল সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। এনে এজন অনাড়ম্বৰ লোকৰ 'শ্ৰেণী শাসন' বোলা কথাটোলৈ কোনো ভ্ৰূক্ষেপ নাছিল। কোনো দিন কোনো ছাত্ৰক কৰ্কশ ব্যৱহাৰ কৰা দেখা নাছিলোঁ। আনকি, আনৰপৰা শুনাও নাই। তুমিৰ বাহিৰে কেতিয়াও কোনো ছাত্ৰক 'তই' সম্বোধন কৰা শুনা নাছিলোঁ। আটাইতকৈ আচৰিত লগা কথা যে শিক্ষকক ছাত্ৰই সাধাৰণতে কিবা নহয় কিবা এটা উপৰুৱা নাম দিয়ে, কিন্তু নেওগ চাৰক ছাত্ৰই কোনো উপলুঙা নাম এটা দিয়া নাছিল। সাহিত্যত 'চৌৰ্য্যবিদ্যা' সম্বন্ধে তেখেতে আমাক তেতিয়াই কৈছিল। 'এঘৰৰ পাটনাদ, এঘৰৰ জৰী, এঘৰে পানী তোলে ঘটং-মটং কৰি' পানী তোলাৰ দৰে যেন তোমালোকে সাহিত্য ৰচনা কৰিবলৈ নোলোৱা। অসমীয়া ভাষা শিকিবলৈ আৰু শব্দমালা আয়ত্ব কৰিবৰ কাৰণে নেওগ চাৰে সদায় কৈছিল। তেখেতে ৰসৰাজ বেজবৰুৱা, ৰজনীকান্ত বৰদলৈ, চন্দ্ৰকুমাৰ আগৰৱালা, লম্বোদৰ বৰা, হেমচন্দ্ৰ বৰুৱাৰ সাহিত্যিক অৱদানৰ শত মুখে প্ৰশংসা কৰিছিল। এইটো কোৱা অত্যুক্তি নহ'ব যে ছাত্ৰ অৱস্থাতে এইসকল ব্যক্তিৰ লিখাসমূহৰ সৌৰভ আমি নেওগদেৱৰপৰাই পালোঁ আৰু সেইসকলৰ অৱদানসমূহ পঢ়াৰ স্পৃহা তেতিয়াই আমাৰ ব্যগ্ৰ হৈ উঠিল। তেখেতৰ শেষৰ সময়লৈকে য'তে লগ পাওঁ তেখেতে সদায় কয়—''যিমানে লিখা সিমানেই যেন বেচি পঢ়িবলৈ লোৱা।'' লিখাসমূহ নেওগ চাৰে সদায় বাৰে বাৰে পঢ়ি চাবলৈ কয়।

নেওগ চাৰৰ যে এটা স্বাধীন মন আছিল তাক আমি ছাত্ৰ অৱস্থাৰ-পৰাই বুজিছিলোঁ। 'আকোঁৰ গোঁজালি' মনোবৃত্তিৰ বুলি বহুতে ক'ব খোজে। কিন্তু মই কওঁ—তেখেত আছিল স্পষ্টবাদী। অপ্ৰিয় সত্য কোৱাৰ কাৰণেই তেখেতে অপ্ৰিয়তা অৰ্জন কৰিছিল। শ্ৰীশঙ্কৰদেৱৰ শাৰী এটা পঢ়িব নজনা লোকে কেনেকৈ শ্ৰীশঙ্কৰদেৱৰ ওপৰত 'থিচিচ' লিখি ডক্টৰেট ডিগ্ৰী পালে তাৰ সম্ভেদ দিয়ে নেওগ ডাঙৰীয়াইহে। স্পষ্টকৈ এইষাৰ কথা কব পৰাৰ কাৰণেই আজিও সেইখন 'থিচিচ্' ছপা হৈ ওলোৱা নাই। এইবোৰ কথা নেওগ চাৰৰ মুখৰপৰা শুনা। এই স্পষ্ট-বাদিতাৰ জানো মূল্য নাই!

আজি ভাবোঁ—মৃত্যুৱে তেখেতৰ প্ৰকৃত বিচাৰ কৰিলে। আজি সঁচা কথা ধৰা পৰিল। গুণীৰ গুণৰ মোল আজিৰ সমাজে যেন বুজিলে —প্ৰতিভাৰ বিকাশ হ'ল। নেওগ ডাঙৰীয়া যে অসমীয়া ভাষা-সাহিত্যৰ অকপট পূজাৰি আছিল তাক এতিয়া সকলোৱে স্বীকাৰ কৰিছে। নেওগে 'ডক্টৰেট' কিয় নাপালে তাৰ বাবেও ভাল ভাল লোকে এতিয়া জল্পনা-

কল্পনা কৰি আক্ষেপ কৰিছে। মৃত্যুৰ পাচত সুবিখ্যাত ভাষাবিদ্ সুনীতিকুমাৰ চাটাৰ্জীয়ে নেওগে 'ডক্টৰেট' নোপোৱা কথা উল্লেখ কৰি আমাৰ অসমীয়াৰ পৰশ্ৰী-কাতৰতা মনোবৃত্তিৰ কথালৈহে সোঁৱৰাই দিছে। যিকি নহওক, এনে এজন ভাষাবিদে এইষাৰ কথা কোৱাত নেওগৰ গৌৰৱ আজি বহু গুণে বাঢ়িল। মুঠতে, নেওগৰ লিখাবোৰৰ গৱেষণা কৰিও 'ডক্টৰেট' পাবৰ যোগ্যতা ভৱিষ্যতলৈ বহুতে অৰ্জন কৰিব পাৰিব।

মোৰ এটা কথা মনত পৰিছে—এবাৰ এজন গুণী সাহিত্যিকৰ নামৰ পাচত মোৰ অজ্ঞতাবশতঃ বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লিখিছিলোঁ—এখন কিতাপৰ পাতনিত। এবাৰ লগ পাই মোক নেওগ ডাঙৰীয়াই ক'লে—"ছাত্ৰাৰ, তুমি অমুকক বিশ্ববিদ্যালয়ৰ ডিগ্ৰী দিলাযে?" মই উত্তৰত ক'লোঁ, "নহয়নেকি চাৰ?" "নহয় মানে, নহয়েই।" "তেন্তে মোকচোন তেখেতে কেতিয়াও কোৱা নাই—অথচ বহুতবাৰ লগ পাইছোঁ।" তেতিয়া তেখেতে এটা কথা ক'লে, "আমাৰ মানুহৰ ডাঙৰ কথা হ'ল—যে তেওঁলোক স্পষ্টবাদী নহয়। নিজৰ দীন অৱস্থা জানে কাৰণেই সেই দুৰ্বলতা।"

ঠিক বেমাৰ পৰাৰ কেইমাহমান আগতে এদিন চাৰক লগ পাওঁতে ক'লে, "আৰ ছিগা চুলি, তাৰ ছিগা চুলি, মাৰি যাওঁ নেঘেৰী খোপা" বন্ধাৰ দৰে মোৰ চুলি ছিঙি খোপা বন্ধা কৰ পাৰা নে নোৱাৰা?" এইবুলি তেখেতে কেইটামান স্পষ্ট প্ৰমাণ দেখুৱালে। কিন্তু আজি সেই তেনেবোৰ লিখাই হ'ল—অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা অৱদান। এয়েই ভাগ্য!

নেওগ ডাঙৰীয়াই যে সাজ-পোছাকৰ প্ৰতি লক্ষ্য নকৰি তেনেই সাধাৰণভাৱে আছিল তাৰপৰা বিপদো ঘটিছিল। সিদিনা বহা উত্তৰ লক্ষীমপুৰ সাহিত্য সভাৰ এটা ঘটনাৰ কথা কওঁ। মুকলি সভা বহাৰ আধা ঘণ্টামান আগৰেপৰা চাৰৰ লগত আগৰফালে সজোৱা চকীতে বহি (নিউজ ৰিপোৰ্টাৰ আসনত) বহুতো কথা পাতি আছোঁ। সভাপতি সোমোৱাত হুলস্থূল এটা লাগি পৰিল। চাৰক ক'লোঁ, "আপুনি 'ডাইছত' বহকগৈ।" তেখেতো যাবলৈ উঠিল। আগৰ ফালে আগুৱাই যোৱা দেখি ভলণ্টিয়াৰে বাধা দি যাবলৈ দিয়া নাই। চাৰে হাঁহি এটা মাৰিলে। মই টানি ভলণ্টিয়াৰ দুজনক ক'লোঁ, "তোমালোকে চিনি পোৱা নাই যে এখেত শ্ৰীডিম্বেশ্বৰ নেওগ—আজিৰ সভাপতিয়ে এখেতৰপৰাহে চাৰ্জ লব।" তেতিয়াহে সেমেনা-সেমেনিকৈ ভলণ্টিয়াৰ দুজন আঁতৰি গ'ল আৰু দুজন নে এজন ভদ্ৰলোকে আগবঢ়াই দিলে। এইজনেই ছাত্ৰ-ভলণ্টিয়াৰে ভৰা সাধাৰণ মানুহ। কিন্তু এই অসাধাৰণভাৱে সাধাৰণ মানুহজনেই—

অসমীয়া ভাষা-সাহিত্যৰ আজীৱন সেৱক আৰু অসাধাৰণ কবি-সাহিত্যিক। তেখেতৰ লিখাসমূহৰ মূল্যাঙ্কন বিস্তৃতভাৱে এতিয়াও হ'বলৈ আছে। মৃত্যুৱে যিজনক লৈ গ'ল তেওঁৰ সম্বন্ধে এতিয়া খোলা-খুলিকৈ আলোচনা হ'ব লাগে (ইতিমধ্যে হৈছেই) আৰু যি সত্য কথা তাৰ প্ৰচাৰ হব লাগে। লব্ধ-প্ৰতিষ্ঠ এজন সমালোচকক বাদ দি অসমীয়া সাহিত্য কেতিয়াও চহকী হব নোৱাৰে। সাহিত্যত 'তৰফদাৰি' কৰিলে নচলে। তেখেতৰ যিসকল সাহিত্যানুৰাগী ছাত্ৰ তেখেতসকলেই বহুত কথাৰ উদ্ধাৰ কৰিব পাৰে। অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ বুৰঞ্জী লিখক বুলি কৈ তেওঁ লিখা বুৰঞ্জীসমূহৰ কিয় বিস্তৃত অধ্যয়ন নহ'ব আৰু কলেজীয়া ছাত্ৰ-ছাত্ৰীক বহল আৰু চমু দুয়োখনৰ মূলৰপৰা বিশ্ববিদ্যালয়সমূহে নপঢ়াব!

স্কুলীয়া আৰু কলেজীয়া ছাত্ৰ হৈ থাকোঁতে নেওগৰ ওচৰলৈ যাওঁ—পিচতো মাজে সময়ে যাওঁ। তেখেতে এদিন মোক কিছুমান সৰু সৰু নোট-বুক দেখুৱাই কৈছিল—"Wordsworth, Keats, Shelley, Byron মোৰ note-তে পাবা। মোৰতো পইচা নাই যে কিনি থম। ছাত্ৰ জীৱনৰপৰাই মই ভাল পোৱা কথাবোৰ টুকি থওঁ।" মই দেখি মাত্ৰ অভিভূত হৈছিলোঁ। ভাবিছিলোঁ—চাৰ কিমান খোলা মনৰ। নিজৰ ছাত্ৰৰপৰা দাৰিদ্ৰ্যক ঢাকিব খোজা নাই। সাধাৰণতে এই ধৰণৰ অসংখ্য টোকা তেখেতৰ মেজৰ ওপৰৰ ভালেমান বহীতে আছে। ছাত্ৰৰ কাৰণে ইয়াতকৈ আৰু কি ভাল আদৰ্শ হব পাৰে।

শিক্ষক নেওগক মই ছাত্ৰ হিচাবে কেনেকৈ জানিছিলোঁ

শ্ৰীত্ৰৈলোক্যনাথ শৰ্মা

হাইস্কুলৰ শিক্ষক হিচাবে ডিম্বেশ্বৰ নেওগে পোন প্ৰথমে আমাক অৰ্থাৎ আমাৰ শ্ৰেণীকে অসমীয়া পঢ়াবলৈ পায়। আমি তেতিয়া যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ দশমমান শ্ৰেণীৰ ছাত্ৰ। নেওগ ডাঙৰীয়াৰ অগ্ৰজোপম অন্তৰঙ্গ বন্ধু আৰু তেখেতৰ দৰেই এজন ওজা সাহিত্যিক শ্ৰীমিত্ৰদেৱ মহন্ত ডাঙৰীয়াই হাইস্কুলৰ নৱম আৰু দশমমান শ্ৰেণীত ভালে বছৰ অসমীয়া পঢ়ুৱাইছিল। আমি নৱমৰপৰা দশমলৈ উঠোঁতেই মহন্ত ডাঙৰীয়াই নৰ্মাল স্কুলৰ এছিষ্টেণ্ট চুপাৰিণ্টেণ্ডেণ্ট হৈ যায়। সেই সময়ত হেডমাষ্টৰ হিচাবে জেহিৰুদ্দিন আহমদ ডাঙৰীয়াৰ সুখ্যাতি বৈ বৈ গৈছিল। তেখেত শিক্ষক বছাত সিদ্ধহস্ত আছিল। মহন্ত ডাঙৰীয়া স্কুলৰপৰা যোৱাত তেখেতে নেওগ ডাঙৰীয়াকে দশম শ্ৰেণীত আৰু নৱম শ্ৰেণীতো অসমীয়া পঢ়াবলৈ দিয়ে।

নেওগ ডাঙৰীয়া শিক্ষকস্বৰূপে আছিল 'অল-ৰাউণ্ডাৰ'। কি বিজ্ঞান, কি গণিত, কি ইংৰাজী, কি বুৰঞ্জী সকলো বিষয়কে সমান দক্ষতাৰে ল'ৰাক মনত বহি যোৱাকৈ পঢ়াব পাৰিছিল। আমাক অসমীয়া পঢ়াবলৈ লোৱাৰ আগতে তেখেত সন্তৰ গণিত আৰু বিজ্ঞানৰ শিক্ষক আছিল। তেতিয়া হাইস্কুলবিলাকত বিজ্ঞান বিষয় নাছিল যদিও দূৰদৰ্শী হেডমাষ্টৰ জেহিৰুদ্দিন আহমদ ডাঙৰীয়াই নেওগৰ হতুৱাই বিজ্ঞানৰ পুথি লিখাই আৰু প্ৰকাশ কৰাই, তেখেতক বিজ্ঞান বিষয়টো পঢ়াবলৈ দিছিল।

সন্তৰ সকলো শিক্ষকেই নিজৰ অতি প্ৰিয় বিষয়টো পোন প্ৰথমে পঢ়াওঁতে বৰ উৎসাহ আৰু উচ্ছ্বাসেৰে পঢ়ায়। কোনো কোনো শিক্ষকে প্ৰথমৰ সেই উৎসাহত তেওঁৰ প্ৰিয় বিষয়টো অধিক মনোযোগেৰে পঢ়িবৰ কাৰণে ল'ৰাক সেই বিষয়টো বৰ টান বুলি ল'ৰাক ভয় খুৱাই দিয়ে।

কোনোৱে বিষয়টো বৰ মনত লগা বুলি আৰু ভয় কৰিবলৈও কোনো কাৰণ নাই বুলি ল'ৰাক পঢ়িবলৈ উৎসাহ দিয়ে। নেওগ ডাঙৰীয়াক আমি প্ৰথম বিধৰ শিক্ষক হিচাবে পাইছিলোঁ ; পাচত বাকী সকলে বোধকৰোঁ সেইদৰে পোৱা নাছিল। অসমীয়া শিক্ষক স্বৰূপে নেওগ সন্তৰ বাকীসকল অসমীয়া শিক্ষকবপৰা বেলেগ আছিল। অসমীয়া সাহিত্যৰ বিভিন্ন অঙ্গ আৰু ভাবধাৰা আৰু অসমীয়া সাহিত্যিকসকলৰ প্ৰতি নেওগ ডাঙৰীয়াই ইতিমধ্যে একোটা স্পষ্ট অভিমত গঠন কৰে। অসমীয়া ভাষা-জননীৰ সেৱক স্বৰূপে মাতৃভাষা আৰু স্বদেশী সাহিত্যৰ প্ৰতি তেখেতৰ শ্ৰদ্ধাও গভীৰ। তদুপৰি সেই সময়ত এশ্ৰেণী ইংৰাজী শিক্ষাভিমানী লোকে মাতৃভাষাৰ প্ৰতি অশ্ৰদ্ধা কৰিছিল আৰু অসমীয়া সাহিত্যত শিকিব বা পঢ়িব লগীয়া একো নাই বুলি উপলুঙা কৰিছিল। (অৱশ্যে মানসিক দাসত্বৰ কাৰণে তেনে লোকৰ অভাৱ এতিয়াও বৰ কম নহয়)। ইত্যাদি কাৰণতে হবলা নেওগে মাতৃভাষা অসমীয়া আৰু ইয়াৰ সাহিত্যৰ প্ৰতি ছাত্ৰসকলৰ শ্ৰদ্ধা আৰু সমীহ উদ্ৰেক কৰিবৰ উদ্দেশ্যে অসমীয়া বিষয়টো ইংৰাজী আদি বিষয়তকৈ বেচি কঠিন নহ'লেও উজুও নহয় বুলি আমাৰ ছাত্ৰসকলৰ মাজত প্ৰথমেই এটা ভয়ৰ ভাব সুমুৱাই দিছিল। সেই কথালৈ আমাৰ ছাত্ৰসকলৰ মাজত উদ্বেগৰ সৃষ্টি নোহোৱাকৈ নাছিল।

সেই সময়ত নেওগ আমাৰ গাঁৱতে আছিল যদিও তেতিয়ালৈকে তেখেতৰ সৈতে মোৰ বিশেষ কোনো পৰিচয় বা ঘনিষ্ঠতা নাছিল। এদিনৰ এটা ঘটনাৰ পৰাই নেওগ চাৰৰ লগত গুৰু-শিষ্যৰ দৰে এটা মধুৰ ঘনিষ্ঠ সম্বন্ধ হ'ল। নেওগে পাঠ এটা পঢ়াওঁতে প্ৰথমতে লিখকজনৰ সাহিত্যিক জীৱনৰ বিষয়ে পৰিচয় কৰি দিয়ে। কিন্তু সেইটো সদায় পৰিচয় নহৈ 'এক্স্‌ৰে' কৰাৰ দৰে খকা-সৰকা তীব্ৰ সমালোচনা হৈ পৰিছিল। সেই সমালোচনাত তেখেতৰ ব্যক্তিগত অভিমত প্ৰকাশ পাইছিল যদিও (অন্ততঃ ক্বচিত) ব্যক্তিগত সমালোচনা হোৱা মনত নপৰে। সেই সমালোচনাৰ স্তৰো যথেষ্ট ওপৰত আছিল। তেখেতৰ সমালোচনাত যিসকলৰ পদ্য বা কবিতা আৰু গদ্য টিকিব নোৱাৰিছিল সেইসকলৰ পাঠত বিশেষ কোনো গুৰুত্ব নিদিছিল। কিন্তু যিসকল লিখক আৰু তেখেত সকলৰ লিখা নেওগৰ সমালোচনাত উত্তীৰ্ণ হৈছিল—সেইসকলৰ লিখাবিলাক বৰ শ্ৰদ্ধাৰে মনোজ্ঞ কৰি পঢ়াইছিল। আমি প্ৰতিমাৰ খনিকৰ ৺চন্দ্ৰকুমাৰৰ প্ৰতি তেখেতৰ অশেষ শ্ৰদ্ধা দেখিছিলোঁ আৰু তেখেতৰ কবিতা অতি উচ্চথাপৰ বুলি আমাক সবিশেষ আলোচনা কৰি বুজাইছিল। চন্দ্ৰকুমাৰৰ এটি

ছনেট (নামটো পাহৰিছোঁ) আমাক পঢ়াওঁতে কিজানি দহটামান পিৰিয়ড লৈছিল। কবিতাটো বুজাই থাকোঁতে কোৱা এষাৰ কথা আজিও মনত পৰে—"কবিয়ে অনেক সময়ত তেওঁ নিজৰ সৃষ্টিৰ মহিমা নিজেই ভালকৈ উপলব্ধি কৰিব নোৱাৰে। প্ৰকৃত সমালোচককেহে সেই সৃষ্টিকাৰীজনে অনেক সময়ত নিজেও অনুভৱ কৰিব নোৱাৰা তেওঁৰ সৃষ্টিৰ মহিমা সমুজ্জ্বলকৈ সাহিত্যামোদীসকলৰ আগত প্ৰকাশ কৰে।" তেতিয়া কোৱা আৰু এষাৰ কথা মনত পৰে। "মহৎ কবিৰ প্ৰকাশ ভঙ্গী সংযত। তেওঁৰ সংক্ষিপ্ত পদ বা বাক্যবিলাক পূৰাকৈ বিশ্লেষণ কৰি নললে নিহিত অৰ্থ ভালকৈ বুজিব পৰা নহয়।" নেওগে আগৰৱালাৰ সমানে শ্ৰদ্ধা দেখুৱাইছিল বেজবৰুৱাক আৰু তেখেতৰ পাঠো মনোগ্ৰাহীকৈ পঢ়াইছিল। কিন্তু বেজবৰুৱাৰো সমালোচনা কৰি তেখেতে কৈছিল যে বেজবৰুৱাৰ সাহিত্য প্ৰতিভা চন্দ্ৰকুমাৰৰ দৰে উৎকৰ্ষিত নাছিল। বেজবৰুৱাৰ স্বাভাৱিক প্ৰতিভা স্বাভাৱিকতে থাকিল। ঔপন্যাসিক ৰজনী বৰদলৈৰ পাঠ পঢ়াওঁতে তেখেতৰ প্ৰতিও নেওগৰ গভীৰ শ্ৰদ্ধা প্ৰকাশ পাইছিল। অৱশ্যে বৰদলৈৰ পাঠত ব্যাকৰণৰ দোষ আৰু বাক্য গঠনত সঙ্গতি হীনতা দেখুৱা মনত পৰে। পদ্মনাথ গোহাঁইৰ কবিতা পঢ়াওঁতে তেখেতক সাহিত্যিক হিচাবে নেওগে বিশেষ উচ্চস্থান দিয়া নাছিল। অসমীয়া ভাষাৰ গদ্য-ৰীতিৰ আৰ্হি হিচাবে নেওগে আমাক হেমচন্দ্ৰ বৰুৱাৰ লিখাৰ ঠাচ বিশেষ ভাৱে লক্ষ্য কৰিবলৈ কৈছিল। এই প্ৰসঙ্গ উঠিছিল সম্ভৱ হেমচন্দ্ৰ বৰুৱাৰ আত্মজীৱনী পঢ়াওঁতে।

নৱম শ্ৰেণীত শ্ৰীমিত্ৰদেৱ মহন্তই আমাক যেনে ধৰণে অসমীয়া পঢ়াইছিল, নেওগৰ ধৰণ তাতকৈ বেলেগ আছিল। আমি এবছৰৰ ভিতৰত দুটা প্ৰায় সম্পূৰ্ণ বেলেগ ধৰণে অসমীয়া পঢ়িব লগাত পৰিছিল। এদিন মই মহন্ত চাৰক কথাটো ক'লোঁ। তেখেতে ক'লে,–"হাইস্কুলত (মেট্ৰিক পৰ্য্যায়ত) ছাত্ৰসকলক নিজ ভাষা সাহিত্যৰ বিষয়ে পঢ়াওঁতে জাতীয় সাহিত্যিক সকলৰ প্ৰতি শ্ৰদ্ধা আৰু আগ্ৰহ জন্মোৱাকৈ (appreciatively) পঢ়াব লাগে।' মহন্ত চাৰৰ নাম উল্লেখ নকৰি, তেখেতৰ মতকে এজন পাৰদৰ্শী শিক্ষাবিদৰ মত বুলি এদিন নেওগ ডাঙৰীয়াৰ আগত দাঙি ধৰিলোঁ। তেখেতে ক'লে, "কথাটো অৱশ্যে হয়; কিন্তু সেইবুলি আগৰেপৰা ভুলক্ৰমে চলি অহা ধাৰণাকে বদ্ধমূল হিচাবে ছাত্ৰসকলক লবলৈ দিয়াও উচিত নহয়। সংস্কাৰ মুক্ত কোমল মতীয়া ছাত্ৰসকলক প্ৰকৃত মূল্যাঙ্কন শিকাব লাগে আৰু তাৰ বাবে উৎসাহ দিব লাগে।" যিসকল ছাত্ৰই আমাৰ দৰে প্ৰৱেশিকা শ্ৰেণীত নেওগৰ ছাত্ৰ হৈ অসমীয়া পঢ়িবলৈ

সৌভাগ্য হৈছিল সেইসকলৰ প্ৰায় বিলাকৰে সাহিত্যত কম-বেচি এটা সমালোচনা মূলক বিশ্লেষণাত্মক মনোভাৱ গঢ়ি উঠিছিল, আৰু সেইসকলে পাচত কলেজত অসমীয়া শ্ৰেণী বৰ আকৰ্ষণীয় আৰু অনেক ক্ষেত্ৰত আৱশ্যকীয় বুলি উপলব্ধি কৰিছিল।

আমাক দশম মান শ্ৰেণীত নেওগে যিখিনি পঢ়াইছিল, সেইবিলাক পাচত তেখেতৰ 'অসমীয়া সাহিত্যৰ জিলিঙনি', 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী' আদি পুথিত অলপ ইফাল সিফাল হৈ প্ৰকাশ পাইছিল।

এতিয়া স্কুলে স্কুলে আলোচনী ওলাইছে। তেতিয়াৰ দিনত যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ বাহিৰে সম্ভৱ কোনো হাইস্কুলৰে আলোচনী নাছিল। লক্ষেশ্বৰ শৰ্মা বৰুৱা (তেতিয়া এচিষ্টেণ্ট হেডমাষ্টৰ), ডিম্বেশ্বৰ নেওগ, শ্ৰীতোযেশ্বৰ ঠাকুৰ, (অৱসৰ প্ৰাপ্ত অধীক্ষক) আদি কৃতবিদ্য সাহিত্যিক সকলৰ সম্পাদনাত যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ আলোচনী 'জেউতি' স্থানীয় আলোচনী হিচাবেই নহয় সাধাৰণ আলোচনী হিচাবেও উচ্চমান-বিশিষ্ট আছিল। ছৈয়দ আব্দুল মালিক, বীৰেন ভট্টাচাৰ্য্য, অমূল্য বৰুৱা, আদি পাচৰ যুগৰ যশস্বী কবি কথাশিল্পিৰ লিখা প্ৰথমতে এই আলোচনীতে ওলাইছিল।

এতিয়াৰ স্কুলীয়া আলোচনীৰ দৰে তেতিয়া 'জেউতি'ৰ কোনো ছাত্ৰ-সম্পাদক হিচাবেতো নহয়েই, সহকাৰী সম্পাদক হিচাবেও নাছিল। শিক্ষক সম্পাদক সকলে ওপৰ শ্ৰেণীৰ দুই তিনিজন ছাত্ৰক বিভিন্ন বাতৰি সংগ্ৰহ অনুবাদ আদি কামত লগাইছিল। মোকো সেইদৰে কামত লগাইছিল। মোৰ দুটামান প্ৰবন্ধ প্ৰকাশ হোৱাত উৎসাহিত হৈ কোনোবা এটা বঙ্গালী গল্পৰ আৰ্হিত ৰোমাঞ্চকৰ ধৰণৰ এটা গল্প লিখিছিলোঁ। কিন্তু গল্পটো প্ৰকাশৰ বাবে মনোনীত নোহোৱাত নেওগ চাৰক এদিন ছেগ বুজি কাৰণটো সুধিলোঁ। নেওগে মোক সুধিলে, "তোমালোক যি ঠাইত যি সমাজত আছা তাত এনে ধৰণৰ ঘটনা ঘটা কেতিয়াবা শুনিছিলানে? নাই শুনা। যি কথা তোমাৰ থলৰ—সমাজৰ নহয়, তাৰ বিষয়ে কষ্ট কল্পনা কৰি নিলিখাই ভাল।"

নেওগৰ চিন্তা মৌলিক আৰু মাটিত দকৈ শিপোৱা আছিল। এই প্ৰসঙ্গত নেওগে বহুত দিনৰ পাচত কোৱা এষাৰ মনত পৰে, "বুজিছা ত্ৰৈলোক্য, মই যিবিলাক লিখিলোঁ সেইবোৰ কোনো কামত লগা সাহিত্য নহ'ল। কীৰ্তন দশমৰ দৰে মোৰ কিতাপ জানো অসমীয়া ৰাইজৰ বুকুত সোমাল? নাইবা মোৰ কিতাপ কিনি নি গাঁৱে, গাঁৱে, ঘৰে ঘৰে পঢ়িবলৈ কিমানৰ যোত্ৰ আছে? নেওগে সেইবুলি আক্ষেপ কৰি নিচেই সন্তীয়াকৈ

নতুন ধৰণে কেবাখনিও পুথি লিখিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল।

'জেউতি'ৰ কামত লগাই লওঁতেই, মই স্কুলৰ লিখাত ৰাপ থকা দুই চাৰিটা ল'ৰাৰ পৰা প্ৰবন্ধ পাতি আনি নেওগক দিছিলোঁহি। এদিন শ্ৰেণীৰ হাতে লিখা আলোচনীৰপৰা শ্ৰীবীৰেনৰ (শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, তেতিয়া ৮ম শ্ৰেণীত পঢ়িছিল) এটা গল্প আনি দিছিলোঁ। সেই গল্প নেওগৰ বাছনিত উঠি 'জেউতি'ত ওলাইছিল। সেইটোৱেই শ্ৰীবীৰেনৰ প্ৰথম প্ৰকাশিত গল্প, আৰু গল্পটো প্ৰকাশ হোৱাৰ আগলৈকে তেওঁ জনা নাছিল। কাৰণ মই তেওঁক নোকোৱাকৈ মনে মনে গল্পটো নি দিছিলোঁ।

নেওগৰ ছাত্ৰ হিচাবে আমি পূৰা এবছৰেই পঢ়িবলৈ পোৱা নাছিলোঁ। অৱশ্যে তাৰ পাচত তেখেতৰ সৈতে ঘনিষ্ঠতা বাঢ়িছিল ; কাকতৰ সম্পাদক হিচাবে মই তেখেতৰ লগত 'কাজিয়াও' কৰিছিলোঁ, কিন্তু একে সময়তে আমি স্পষ্টকৈ আলোচনাও কৰিছিলোঁ।

অসমা

ডক্টৰ বেণীমাধৱ বৰুৱা

মোৰ প্ৰিয়বন্ধু শ্ৰীযুত ডিম্বেশ্বৰ নেওগ ডাঙৰীয়া ৰচিত আগন্তুক, নৱযুগ, শক্তি-আৰাহন, মিলন-যজ্ঞ, বিশ্ববাণী, বুৰঞ্জীলেখক, শাপমুক্তা, শেষগায়ক, ৰবদোৱা, শেষ-প্ৰয়াস, আত্মদান আৰু মাতৃস্বৰ্গ, এই বাৰটা বছা বছা কবিতা লৈ তেওঁৰ বহুমূলীয়া সৰু পুথি 'অসমা' মুদ্ৰিত আৰু প্ৰকাশিত হব দেখি মোৰ হৃদয়ত বিমল আনন্দ লাগিছে। এই সম্পৰ্কে কবিৰ সামান্য পৰিচয় দিয়া মোৰ ইচ্ছা। কিন্তু মই তেওঁৰ কি পৰিচয় দিম, দিব পাৰিম ?

কবিৰ পৰিচয় যে কবি নিজত, তেওঁৰ নিজ কবিতাত ; আন কোনো পৰিচয়ৰ প্ৰয়োজন নহয়। এই দেশৰ যিসকল প্ৰাচীন মহাকবি, কি ব্যাস, কি বাল্মীকি, কি অশ্বঘোষ, কি কালিদাস, কি ভাস, কি ভৱভূতি আছে, তেওঁলোকৰ পৰিচয় তেওঁলোকৰ ৰচিত কবিতা আৰু কাব্য গ্ৰন্থবোৰ। আত্মজীৱনী তেওঁলোকৰ নাই ; আত্মগোপন কৰি থকাই আছিল তেওঁলোকৰ স্বভাৱ আৰু অভিপ্ৰায়। সত্যদ্ৰষ্টা আৰু মন্ত্ৰকৰ্তা বৈদিক ঋষিসকলৰো এয়ে আছিল ধৰ্ম। শান্ত স্নিগ্ধ নিৰজন পৰ্বত-গুহা কন্দৰ-বিহাৰী বন-উপবনচাৰী সংসাৰ-বৰাগী ধ্যানলব্ধ জ্ঞানৰ নিশ্চয়তা-দ্যোতক আৰু বিমুক্ত চিত্তৰ অপাৰ আনন্দ-আবেগ প্ৰকাশক উদান-গাথাবোৰৰ ৰচয়িতা বৌদ্ধ ভিক্ষু-ভিক্ষুণীসকলৰো এয়ে আছিল ৰীতি। সেই সকলৰ যি যি জীৱন-চৰিত পুৰণি গ্ৰন্থত পোৱা হয়, সেইবোৰ পৰবৰ্তী কালৰ মনে-গঢ়া কবি-কল্পনা আৰু ধাৰ্মিক কিম্বদন্তী মাত্ৰ ; ঐতিহাসিক সত্য স্বৰূপত সেইবোৰত বাস্তৱতা নাই বুলিব পাৰোঁ। বিশাল মৌৰ্য সাম্ৰাজ্যৰ অতিপতি বিশ্ববৰেণ্য প্ৰিয়দৰ্শী ৰজা অশোকে তেওঁৰ শিলালেখবোৰত নিজৰ বংশ পৰিচয় নিদিলে, আৱৰি-বিৱৰি আত্ম কথা নক'লে। এদিন ভগৱান বুদ্ধৰ এক শিষ্যই, নাম বাস্কলী, তেওঁৰ সুঠাম ব্যক্তিত্বসম্পন্ন দেহলৈ চকু তুলি চালে। বুদ্ধই তেওঁক ক'লে, "যথেষ্ট, বাস্কলী, এই পচা দেহ-

খনি দেখি তোমাৰ কি লাভ ? যিজনে, বাক্কলী, ধৰ্মক দেখে, সিজনে মোক দেখে ; যিজনে মোক দেখে, তেওঁ ধৰ্মক দেখে।"—"অলং বক্কলি কিন্তে ইমিনা পূতিকায়েন দিটঠেন ? যোখো বক্কলি, ধৰ্মং পস্‌সতি সো মং পস্‌সতি, যো মং পস্‌সতি সো ধম্মং পস্‌সতি। (সংযুক্ত নিকায়, তৃতীয় খণ্ড, পাত ১২০)।

এজন সংস্কৃত পণ্ডিতে এই সুন্দৰ মতটি ব্যক্ত কৰিছিল, "মৃত্যুৱে এই বিষয়ত আমাৰ মহা উপকাৰ কৰে। স্থূল দেহ থাকোঁতে তাৰ সৈতে বহুত গুণাগুণ আৰু ভাল-মন্দ যুক্ত থাকে ; সেই কাৰণে আমি গুণীজনৰ চৰিত্ৰৰ যথাৰ্থ স্বৰূপ দেখিবলৈ নাপাওঁ। স্থূল দেহ অপসাৰিত হোৱাৰ পাচত তেওঁৰ সূক্ষ্ম দেহৰ সৈতে আমাৰ সংযোগ হয়। তেতিয়া আমি তেওঁৰ প্ৰকৃত স্বৰূপ দেখিবলৈ পাওঁ।"

সেয়ে মোৰো মত। কবিৰ যথাৰ্থ পৰিচয় তেওঁৰ নিজৰ ৰচনাত, নিজৰ কবিতাত আৰু কাব্যত। নেওগ ডাঙৰীয়াৰ লগত মোৰ দেখা-সাক্ষাৎ অলপ দিনৰ, সি বহুত দিনৰ নহয়। কিন্তু যিদিনা মোৰ তেওঁৰ সৈতে পোনতে দেখা হৈছিল, মই তেওঁক তেওঁৰ জাতি কি, ধৰ্ম কি, প্ৰশ্ন নকৰিলোঁ ; তেৰোঁ মোক মোৰ জাতি কি, ধৰ্ম কি, নুসুধিলে ; অথচ সাক্ষাতত মোৰ মনত লাগিল যেন আমি দুইজনেই বহুত দিনৰেপৰা একে ভাবৰ ভাবুক, হিয়াৰ সৈতে হিয়া বন্ধা অনন্ত কালৰ মানুহ। এই কথা সত্য, মই জানিব পাৰিছিলোঁ নেওগ ডাঙৰীয়া অসমবাসী আৰু যোৰহাটৰ এক শিক্ষালয়ৰ শিক্ষাচাৰ্য্য। এয়ে মোলৈ যথেষ্ট হৈছিল—তেওঁ অসমৰ উদীয়মান জনগণৰ, আমাৰ পৰম আদৰৰ আৰু গৰ্বৰ ভাবী-বংশধৰগণৰ শিক্ষক, নায়ক আৰু বিনায়ক। তাৰ পাচত মই জানিব পাৰিলোঁ, নেওগ ডাঙৰীয়া অকল শিক্ষকেই নহয় ; তেওঁ একাধাৰত অসমীয়াৰ বৰ কবি, ভাষাবিদ্‌ পণ্ডিত, সাহিত্যিক আৰু সাহিত্যৰ এক যশস্বী বুৰঞ্জী লেখক।

শিক্ষা আৰু গৱেষণাই নেওগ ডাঙৰীয়াৰ দৰে মোৰো জীৱনৰ মহাব্ৰত। সৰল জীৱন আৰু উন্নত চিন্তাই হ'ল দুয়োজনৰ আদৰ্শ। অনুভূত সত্যক নিৰ্ভীক ভাবত প্ৰকাশ কৰিবলৈ আমাৰ সৎসাহস। দুয়োজনেই এটা জাতিহে স্বীকাৰ কৰোঁ—মানুহ জাতি। সকলো মানুহৰ ধৰ্ম, সংস্কৃতি, কৃষ্টি আৰু সভ্যতাক সন্মান কৰোঁ। ধৰ্ম মাত্ৰকে জানো মানুহৰ চৰিত্ৰ উন্নয়নৰ এক বিশিষ্ট পথ। সাম্প্ৰদায়িকতাক মানুহৰ দুৰ্বুদ্ধি আৰু সঙ্কীৰ্ণতা বুলি জানো। ধৰ্মৰ ভেটি আৰু লক্ষ্য হ'ল—সত্য, শিৱ আৰু সুন্দৰ। দুয়োজনৰ জীৱনৰ মূলমন্ত্ৰ স্বাধীনতা, দেশাত্মবোধ, স্বদেশ-

প্ৰেম, আত্ম-সন্মান জ্ঞান আৰু সকলো মানুহৰ প্ৰতি অকৃত্ৰিম ভাল পোৱা। স্বাধীনতাৰ মন্ত্ৰৰ দুয়োজনেই উপাসক, স্বাধীনতাৰ দৌলত দুয়োজনেই পূজাৰী আৰু আৰাহক। স্বাধীনতাই গীৰ্জাৰ ঘণ্টাধ্বনি, স্বাধীনতাই মছজিদৰ আজান, স্বাধীনতাত মানৱতাৰ যথাৰ্থ উদ্বোধন। দুয়োজনেই ইন্দো-আৰ্য্য গৌৰৱ-গৰিমাত উৎফুল্ল আৰু অনুপ্ৰেৰিত। অসম তেওঁৰ জন্মভূমি ; অসম মোৰ পূৰ্বপুৰুষৰ মূলস্থান। অসমৰ আকাশ-বতাহ, গিৰি-পৰ্বত, নদ-নদী, কানন-উপত্যকা, বন-উপবন, খেচৰ-ভূচৰ-জলচৰ, তৰু-লতা আৰু উচচশিৰ দ্ৰুমৰাজি, মানুহবিলাক, ভাষাবোৰ, ৰজা-প্ৰজা, ধন-ধান্য, বুৰঞ্জী-ঐতিহ্য সদৌৰে সৈতে দুয়োজনৰে ঘনিষ্ঠ আত্মীয়তা, সকলোৰে লগত পৰাণৰ কথা, আটাইৰে সৈতে এক মৰ্ম-বেদনাৰ অনুভূতি। মই লিখিলোঁ, "উচচাভিকাৰ দম্ভালি আৰু কোনো বিশেষ ধৰ্ম আৰু সামাজিক আৰু আন অনুষ্ঠানৰ বাহিৰা বোলা লোকৰ প্ৰতি দ-কৈ শিপোৱা ঘৃণাৰপৰা পোৱালি মেলা আৰ্য্য-ম্লেচ্ছ, ঈশ্বৰৰ আদৃত-অভিশপ্ত, খৃষ্টান-জড়োপাসক, মুছলিম-কাফেৰ আদি মামুলী ভেদবোৰে জগতক আমুৱা-ইছে।" (Ceylon Lectures, পাত ২৪৩।) আৰু নেওগ ডাঙৰীয়াই লিখিলে——

সমাজ-ধৰণী শূদ্ৰ-বৈশ্য জাতি নেপেলাবা পিছুৱাই ;
সকলোটি হেৰা একে ভ্ৰাতৃ, কেও 'ম্লেছ' বা 'কাফেৰ' নাই।
(মিলন-যজ্ঞ)

আকৌ মই লিখিলোঁ—"আমি আধুনিক যুগৰ মানুহবিলাক আমাৰ পূৰ্ব-পুৰুষসকলতকৈ বহুত সুবিধাৰ ঠাইত আছোঁ। তেওঁলোকতকৈ ভালেখিনি প্ৰকাৰে আমাৰ বিধি-পথালি তাকৰ। ভাষাৰ বেমেজালি ঘটোৱা বাবেলৰ দুৰ্গ এতিয়া অতীতৰ এটি স্মৃতি-স্তম্ভ মাত্ৰ। ভাষামূলক অধ্যয়ন আৰু গৱেষণাৰ প্ৰভূত উন্নতিয়ে সকলো গঢ়ৰ মানৱী ভাষা যথেষ্টৰূপে আমাৰ বোধগম্য কৰিছে। আজি আৰু মানুহেই গ্ৰন্থ নহয়। মানুহৰ ভাব আৰু পুৰণি ৰীতি-নীতিৰ উমৈহতীয়া ধন এতিয়া হাতে লিখা পুথিতে পোতখাই বা পুৰণি লিপি স্মৃতিস্তম্ভত অনাবিষ্কৃত হৈ থকা নাই। প্ৰাগৈতিহাসিক আৰু বুৰঞ্জীমূলক সঁজুলি পৃথিৱীৰ সকলো ঠাইৰেপৰা বুটলি আনি এতিয়া সংস্কৃত আৰু সভ্যতা ধৰ্মমূলক বিশ্বাস আৰু দাৰ্শনিক ভাবৰ উৎকৰ্ষৰ ক্ৰমিক অৱস্থাৰ ভিতৰেদি মানুহ জাতিৰ ক্ৰমবিৱৰ্তনমূলক গতিৰ আমি গম ধৰিব পৰা হৈছোঁহঁক। ভ্ৰমণ আৰু চলাচলৰ দিনক দিনে

বাঢ়ি অহা সুবিধাবপৰা আমাৰ ভাব আৰু ধাৰণাবোৰ আমি মুকলিকৈ সাল-সলনি কৰিব পৰা হৈছোঁহঁক। সেই সুদিন আহিছে যেতিয়া আমি অকল এক পিতৃস্বত্বৰ উত্তৰাধিকাৰীৰূপে নহয়, মানুহ জাতিৰ সদৌ পিতৃ-স্বত্বৰ উত্তৰাধিকাৰীৰূপে সগৌৰৱে দেখা দিব পাৰিম।" (Ceylon Lectures, পাত ২৮৪।) আৰু নেওগ ডাঙৰীয়াই লিখিলে—

"প্ৰাচ্য-পাশ্চাত্য সংযোগত আজি মিলে কি মহান সুখ,
তাৰেই প্ৰতিভা পৰি জিলিকিব মোলান মাতৰ মুখ।
আনপিনে চোৱা, হিন্দু-ইছলাম্ শতেক বিভিন্ন মাজে
কি এটি অভিন্ন শক্তি-সমাবেশ, সোণত সুৰগা সাজে।"

(শক্তি-আৱাহন)

দুয়োজনৰ মাজত প্ৰভেদ হ'ল—নেওগ ডাঙৰীয়াৰ স্বদেশপ্ৰীতি, ইন্দো-আৰ্য্য গৌৰৱ, বিশ্বপ্ৰেম, সকলো মানুহৰ প্ৰতি সহানুভূতি, উদাৰ মানৱতা আদি সকলো ঘনীভূত আৰু কেন্দ্ৰীভূত, পৰিণত আৰু পৰ্য্যবসিত, তেওঁৰ অনিন্দ্য সুন্দৰ কামৰূপ বনাম অসমৰ ভাল পোৱাত। তেওঁৰ বিচিত্ৰ কামৰূপ স্বৰ্গতুল্য অসম, সমগ্ৰ ভাৰতৰ সমগ্ৰ পৃথিৱীৰ, সমগ্ৰ বিশ্বৰ এক জীৱন্ত পিণ্ড, জীৱন্ত দেহ, জীৱন্ত প্ৰতীক। পক্ষান্তৰত বিশ্ববাসীৰ লগত মোৰ একাত্মতা স্বদেশ-প্ৰেমৰ কেন্দ্ৰৰপৰা ক্ৰমবৰ্ধমান পৰিধিৰ ফালে বিস্তৃত। আন কোনো প্ৰভেদ আমাৰ দুজনৰ মাজত মই নেদেখোঁ।

এই প্ৰভেদৰ কাৰণ, নেওগ ডাঙৰীয়া কবি; তেওঁৰ দৃষ্টিভঙ্গী দাৰ্শনিক, বৈজ্ঞানিক অথবা ঐতিহাসিক নহয়। তেওঁৰ চকুত অসমৰ যি আছে সকলো সত্য, সুন্দৰ, মঙ্গল, জীৱন্ত, প্ৰাণৱন্ত, মহান আৰু গৰীয়ান্। উপাখ্যান, উপকথা, বুৰঞ্জী, কিম্বদন্তী সকলো সত্যৰ ভিত্তিত প্ৰতিষ্ঠিত। তেওঁৰ ভাবুকতাত অসমৰ ভাষা, ভাব, কৃষ্টি, সংস্কৃত, সভ্যতা, ঐতিহ্য, সমস্তই অমূল্য আৰু অদ্বিতীয়। কবিতা আৰু কাব্য-প্ৰতিভাৰ দেশগত আবেষ্টনী আছে, স্থানীয় সীমা আছে, বিশিষ্ট নাম আছে। আন দেশৰ ভাষাত গদ্য লিখিব পাৰোঁ, বিজ্ঞান প্ৰচাৰ কৰিব পাৰোঁ, দৰ্শন শাস্ত্ৰ ৰচনা কৰিব পাৰোঁ, কিন্তু কবিতা আৰু কাব্য ৰচনা কৰিব নোৱাৰোঁ। সেই কাৰণে বঙালৰ কবি মাইকেল মধুসূদনে ক'লে, "মাতৃ-ভাষাৰূপে খনি পাইলাম্ আজ।"

বঙলা ভাষা এৰি আন ভাষাত লিখা হ'লে ৰবীন্দ্ৰনাথ বিশ্বকবি নহ'ল-হেঁতেন। সত্য হব পাৰে, পুৰণি হিন্দী, পুৰণি মৈথিলী, পুৰণি বঙলা,

পুৰণি ওড়িয়া আৰু পুৰণি অসমীয়াৰ পিচফালে সেই অপভ্ৰংশ প্ৰাকৃত ভাষা; কিন্তু এই ভাষাৰ এনে বিশেষত্ব আছে যে অসমবাসীৰ জাতীয় চৰিত্ৰ, জীৱনৰ তাল আৰু ছন্দবোধৰ সৈতে ঐক্য স্থাপন কৰিব নোৱাৰিলে ইয়াৰ গুপ্ত ৰহস্য উদঘাটন কৰা শকত। অসমীয়া কবি সপোনে-জাগৰণে, মনে-প্ৰাণে, অসমবাসী, অসমীয়া। সঙ্গীত আৰু চিত্ৰকলা আদিৰ সম্বন্ধতো এই কথা সত্য। স্বৰলিপি আৰু ৰাগ-ৰাগিণীৰ ঐক্যত দেশ আৰু জাতি বিশেষৰ সঙ্গীতৰ বৈশিষ্ট্যবোধ নহয়। বঙালী কি আনদেশী চিত্ৰকৰ আৰু ভাস্কৰৰদ্বাৰা অসমীয়া নৰ-নাৰীৰ মুখ আৰু দেহাবয়ৱ অঙ্কন আৰু খোদন সম্ভৱ নহয়। অসম ভাষা-ভাষী আৰু অসম ধৰ্ম-ধৰ্মী হব নোৱাৰিলে অসমৰ কবি আৰু চাৰুশিল্পী হোৱা দুৰূহ।

নেওগ ডাঙৰীয়া শুদা কবি নহয়; তেওঁ কবি-গায়ক কবি-বৰাগী। কিন্তু তেওঁৰ হাতত তানপুৰা নাই, ৰবীন্দ্ৰনাথৰ বৰাগী-বাউলৰ একতাৰা নাই, কৃষ্ণৰ বাঁহী নাই, শিৱৰ শিঙা আৰু ডম্বৰু নাই; তেওঁৰ হাতত আছে বৈদিক ঋষি আৰু স্বৰ্গৰ গায়ক পঞ্চশিখৰ বীণা, ভগৱদগীতাৰ পাঞ্চজন্য শঙ্খ বিজয় শঙ্খ। তেওঁৰ বীণা, "সুৰাগী জীৱনী-বীণ", "প্ৰাণ-বীণা" "বিশ্ব-বীণা", "সন্মোহন-বীণা", "বিশ্ব-বিজয়ী-বীণা"। তেওঁৰ গীত, "স্বাধীনতা-গীত"; তেওঁৰ পাঞ্চজন্য, "হৃদয়ৰ পাঞ্চজন্য"; তেওঁৰ "সন্মোহন বীণ", "সন্মোহন বেদৰ বাণী"। তেওঁ অৰ্জুন বীৰৰ গাণ্ডীৱ "বিশ্ববিজয়ী", "বুদ্ধৰ বাণী", "সহস্ৰ যুগৰ সহস্ৰ দেৱৰ মুক্তি-বাণী"; বৈষ্ণৱ ধৰ্ম, "সাৰ্বজনীন"; জাতীয় ভেৰী, "ৰণ-ভেৰী", "বিজয়ৰ মহাভেৰী"; জাতীয় পতাকা, "বিশ্ব-বিয়পি।" তেওঁৰ মন্ত্ৰ "অভিনৱ বেদ মন্ত্ৰ"; প্ৰণৱ "ওম্ শান্তি"; আনন্দ, উপনিষদৰ "ভূমানন্দ" ("ভূমৈব সুখম্"); জাতীয় মন্ত্ৰ "জাগ্ৰত উত্তিষ্ঠ", উপনিষদৰ "উত্তিষ্ঠত জাগ্ৰত;" নিৰ্মালি "বিশ্বমানৱৰ মুক্তিৰ নিৰ্মালি"; ঐক্যতান "জাগাঁ জাগাঁ শিখ জৈন খৃষ্টিয়ান, হিন্দু, মুছলমান"। উদাৰতা "বিশ্ব স্বাধীনতা"; পৰাধীনতা, "ভীৰুতা নীচতা হীনতা, দীনতা; "তেওঁৰ ধৰ্ম, "মানৱ ধৰ্ম;" সি হিন্দু ধৰ্ম নহয়, ইছলাম নহয়।

অসম কবিৰ সুজলা সুফলা পৱিত্ৰ জন্মভূমি "অসমা সুষমা কামৰূপা", "স্বাধীনতা, গৌৰৱৰ খনি"; "স্নেহশীলা জননী"; "মাতৃভূমি, স্বৰ্গভূমি"; "মাতৃপূজা, শক্তিপূজা"; অসমা আকৌ "যৌৱনৰ সাদৰী প্ৰেয়সী" ভুৱন-মোহিনী উৰ্বশী; অভিশপ্তা, কিন্তু এতিয়া শাপমুক্তা। তেওঁৰ জননী আৰু জন্মভূমি, স্বৰ্গাদপি গৰীয়সী" নহয়, ই স্বয়ং স্বৰ্গ, স্বৰ্গ-ভূমি। বীৰ হৃদয়ৰ "অতুল স্বদেশ প্ৰীতি" অসমা ৰমণী "প্ৰেম-

ৰক্তা, দেশভক্ত" আৰু "শতধন্যা"। "লোহিত তীৰত শস্যে-মস্যে অনুপাম ধৰ্মতীৰ্থ কৰ্মতীৰ্থ" অসম "স্বৰ্গ-মৰ্ত্য মিলনৰ" ঠাই। "দূৰ অতীতৰ দুৰ্জ্জয় পৰাক্ৰম" ভাৰতবৰ্ষৰ "প্ৰতিভা অগ্নিসম"। হিন্দু-মোছলিম জাতি "উদাৰ", অসম দেশ "উদাৰ।" অসমৰ উত্তৰেদি "শুভ্ৰ হিমাচল", দক্ষিণেদি "বিমল শ্যামল" গাৰো পৰ্বতৰ দৃশ্য। জীৱন্ত অসম দেশৰ ধমনী লুইত বনাম্ ব্ৰহ্মপুত্ৰ। কবিৰ ভাষাত "লুইতৰ দৰে স্বাধীনতা সোঁত বয় শিৰে শিৰে অপ্ৰতিবন্ধ"।

কবি নিজে আত্মদাতৃ, দেশভক্ত, প্ৰেমিক-সন্যাসী, কবি-বৰাগী, কবি-গায়ক, শেষ-প্ৰয়াসী, শেষ-গায়ক, অসমৰ অতীত গৌৰৱ-গৰিমাৰ বুৰঞ্জী-লেখক, হৃদয়-পূজাৰী, বীৰ চূড়ামণি লাচিত, ৰংপুৰৰ ৰজা নৰনাৰায়ণ, কীৰ্তিমান আহোম ৰজা শিৱসিংহ, নৱ-বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তক শঙ্কৰদেৱ-মাধৱদেৱ, শক্তি আৰাহক, মিলন-যাজ্ঞিক আৰু বিজয়ৰ মহাস্বপ্ন আগন্তক।

অসমীয়া কবিৰ জাগৰণ গীতৰ পাচত আছে বঙ্গালৰ কবিবিলাকৰ প্ৰভাৱ। তেওঁৰ ভুবনমোহিনী উৰ্বশী ৰবীন্দ্ৰনাথৰ "অয়ি ভুবন-মন-মোহিনী"। তেওঁৰ "জাগাঁ জাগাঁ শিখ্, জৈন্, খৃষ্টীয়ান, হিন্দু, মুছলমান", বিশ্বকবিৰ "এস হে হিন্দু বৌদ্ধ, শিখ্, জৈন্ পাৰসীক মুছলমান খৃষ্টানী" জাতীয় সঙ্গীতৰ প্ৰতিধ্বনি। তেওঁৰ "সকলো বৈষ্ণৱ, নাই এটিও মানুহ !!" উক্তিটিও বিশ্বকবিৰ "ৰেখেছ বাঙ্গালী কবি, মানুষ কৰনি" উক্তিৰ পুন-ৰুক্তি মাত্ৰ। তেওঁৰ "বাজ বাজ বীণ, বাজ আজিয়েই গা হেঁপাহেৰে স্বাধীন আই" গীতৰ উদ্বোধন কবি হেমচন্দ্ৰৰ "বাজ্‌ৰে শিঙে, বাজ এই ৰবে, ভাৰত আবাৰ স্বাধীন হবে" পদৰ অনুৰূপ। "বাজৰে শিঙে"ৰ ঠাইত অসমীয়া কবিৰ "বাজ্, বাজ বীণ" আপাত-দৃষ্টিত অনুপযোগী। তেওঁৰ "বাজ বীণ"ৰ অনুপ্ৰেৰণাও বঙলাৰ নাট্য-সম্ৰাট গিৰীশ ঘোষৰ বুদ্ধ-চৰিত্ৰ "বাজ হে বীণে আমাৰ" মনোহৰ গীতত। তেওঁৰ "ভীৰুতা নীচতা হীনতা দীনতা পৰাধীন দেশ" বৰ্ণনাৰ অনুপ্ৰেৰণাও বঙালৰ কবি ৰঙ্গলালৰ এই ৰচনাত——

"স্বাধীনতা-হীনতায় কে বাঁচিতে চায় ৰে, কে বাঁচিতে চায় ?
দাসত্ব-শৃঙ্খল বল কে পৰিতে চায়ৰে, কে পৰিতে চায় ?"

ইয়াৰ অধিক দৃষ্টান্ত দিবৰ প্ৰয়োজন নেদেখোঁ। ইয়াত লাজৰ কাৰণো নাই। যিজন যিমান ডাঙৰ কবি, তেওঁ সিমান পূৰ্ববৰ্তীৰ কাষত ঋণী। বিশ্বকবি ৰবীন্দ্ৰনাথ জানো সামান্য ঋণী ? মই তেওঁকে ডাঙৰ কবি

আৰু মনীষী বোলোঁ যাৰ ৰচনাত আৰু বাণীত জগতৰ যি আছে সমস্তই জীৱন্ত, অৰ্থযুক্ত আৰু ধন্য হয়। এনে হেন কবি-মনীষা আৰু কাব্য-প্ৰতিভা মই নেওগ কবিৰ শক্তিময়ী ৰচনাত দেখোঁ। তেওঁৰ ছন্দবোৰত আছে বহু নতুনত্ব। তেওঁৰ শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰবোৰ দোষমুক্ত আৰু নিৰ্ভুল। শব্দৰ যোজনা আৰু অৰ্থৰ ব্যঞ্জনা অতি সুন্দৰ। তেওঁৰ ৰচনাত কষ্ট-কল্পনা নাই। মোৰ মনত লাগিছে ছন্দ সুৰ আৰু পদ-বন্ধবিলাকৰ সাৱলীল গতি। তেওঁক আধুনিক অসমীয়া কবিৰ শ্ৰেষ্ঠ আসন মই দিব পাৰোঁ।

নেওগ কবিৰ 'বুৰঞ্জী-লেখক' কবিতাটিৰ এক অপূৰ্ব বিশেষত্ব আছে। অসমৰ বুৰঞ্জী সাহিত্যৰ উপাদান মই তেওঁৰ আন আন কবিতাতো দেখোঁ। হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ পৰৱৰ্তী মিত্ৰবৰ অধ্যাপক সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই জীৱনব্যাপি একনিষ্ঠ সাধনাৰে অসমৰ বুৰঞ্জী সমুদ্ৰ মথি আমালৈ যি অমৃত তুলিলে, সি সাৰ্থক হৈছে নেওগ কবিৰ অতুলনীয় লেখনীত। কবিগুৰু বাল্মীকিক তেওঁৰ ৰামায়ণ ৰচনাৰ পূৰ্বক্ষণত ব্ৰহ্মা আহি ক'লে, —"বাল্মীকি, তোমাৰ মুখৰপৰা শ্লোকচ্ছন্দত যি সত্যবাণী উচ্চাৰিত হৈছে, তুমি তাক ৰাম-উপাখ্যানৰ দ্বাৰা ব্যক্ত কৰা। এই উপাখ্যানৰ সৈতে যিমান উপাখ্যান তুমি সংযোজিত কৰিবা, সকলো মোৰ বৰত সত্য হব।" নেওগ কবিৰ পৰিচয়-প্ৰসঙ্গত মই কব পাৰোঁ, তেওঁৰ অসামান্য ৰচনাৰ প্ৰকাশ-ভঙ্গীৰ অসমৰ বুৰঞ্জীবোৰৰ কথাবিলাক জীৱন্ত সত্যত পৰিণত হৈছে। তেওঁৰ স্বদেশ প্ৰীতিৰ উচ্ছ্বাস-বন্যা আৰু জাগৰণ গীতৰ মূৰ্চ্ছনাই আমাৰ সত্য-মিথ্যাৰ বিচাৰ শক্তি লোপ কৰি দিলে ; সচা-মিছা বিচাৰ কৰিবলৈ আমাক অৱকাশ নিদিলে। ইৰাণৰ প্ৰাচীন ৰজাসকলৰ বুৰঞ্জী লৈ বিশ্ববিশ্ৰুত পাৰস্যিক কবি ফৰদৌছীয়ে তেওঁৰ শ্বাহনামা মহা-কাব্য ৰচি স্বদেশ প্ৰেম জগাই ধন্য হৈছিল। সিংহলৰ প্ৰাচীন ৰজা-সকলৰ অপূৰ্ব বুৰঞ্জী-কাব্য মহাবংস ৰচি সিংহলী বৌদ্ধ কবি মহানামে মহাযশ অৰ্জন কৰিছিল। ফৰদৌছীৰ শ্বাহনামাৰ আৰু মহানামৰ মহা-বংসৰ সৈতে মই অসমীয়া কবিৰ 'বুৰঞ্জী-লেখক' কবিতাক তুলনা কৰিবৰ ইচ্ছা নকৰোঁ, কাৰণ উক্ত দুই মহাকাব্যৰ তুলনাত নেওগ কবিৰ কবিতা বহু সৰু। আধুনিক যুগৰ পাৰস্যিক কবি এস্কি কিম্বা পুৰেদোদৰ ৰচনাৰ সৈতে অসমীয়া কবিৰ ৰচনাৰ সৌসাদৃশ্য আছে। অসমীয়াত পদ্য-বুৰঞ্জীও আছে, কিন্তু সি মহাকাব্য নামৰ উপযোগী নহয়। সেই বুৰঞ্জী কাশ্মীৰী কবি কল্হনৰ ৰাজতৰঙ্গিণী কিম্বা বৌদ্ধ মঞ্জু শ্ৰীমূলকল্পৰ তুল্য। ফৰ-দৌছীৰ আৰু মহানামৰ তুল্য বুৰঞ্জী-মহাকাব্য-ৰচক কবিৰ আৱিৰ্ভাৱলৈ এতিয়াও অসমত প্ৰতীক্ষা কৰিব লাগিব।

মহাত্মা গান্ধীৰ ৰামৰাজ্যৰ ভূয়সী প্ৰশংসা অসমীয়া কবিয়ে কৰিছে ; কিন্তু অসমীয়া কবিৰ জন্ম নাছিল, আদিকবি বাল্মীকি বৰ্ণিত ৰামৰাজ্যৰ নিৰ্বিচাৰত সীতাৰ বনবাস, ৰামৰ দ্বাৰা ৰামভক্ত নিষাদ শম্বুকৰ শিৰচ্ছেদ, অযোধ্যা আৰু স্বৰ্ণ লঙ্কাৰ ধ্বংস আদি দুৰপনেয় দোষ দেখি বৌদ্ধ কবি অশ্বঘোষে তেওঁৰ বুদ্ধ চৰিত মহাকাব্যত সৰ্বদোষমুক্ত সুসমৃদ্ধ আদৰ্শ শাক্য-ৰাজ্যৰ গৌৰৱ-গৰিমা প্ৰচাৰ কৰিছিল।

কাল পৰ্য্যায়ত "আগন্তুক" সকলোৰে আগত, "মাতৃস্বৰ্গ" সকলোৰে শেষত। মাজৰ কবিতাবোৰৰ কালৰ ক্ৰম তলত দেখুৱাইছোঁ। তিনিটি কবিতা এৰি নটা কবিতাৰ লগতেই চেপ্তেম্বৰ মাহ আৰু গুৱাহাটীৰ সম্বন্ধ আছে। বাকী তিনিটিৰ ভিতৰৰ দুটিৰ ৰচনাৰ ঠাই শিৱসাগৰ আৰু এটিৰ বৰদোৱা গ্ৰাম। এই ভাৰত বাৰটি কবিতা সজাই নেওগ ডাঙৰীয়াৰ কবি জীৱনৰ, কাব্য-প্ৰতিভা বিকাশৰ, চিন্তা আৰু ৰচনাৰ পৰিপক্কতাৰ ধাৰা নিৰ্দেশ কৰিব পাৰোঁ।

"আগন্তুক" ৰচনাৰ কাল ১৯১৭ খৃঃ স্থান শিৱসাগৰ। "নৱযুগ"ৰ কাল ১৯২০ খৃঃ, স্থান শিৱসাগৰ। "শক্তি-আৱাহন" আৰু "মিলন-যজ্ঞ"ৰ কাল ১৯২১ খৃঃ, মাহ চেপ্তেম্বৰ, স্থান গুৱাহাটী। "বিশ্ববাণী"ৰ কাল ১৯২২ খৃঃ, এপ্ৰিল মাহ, স্থান, গুৱাহাটী। "বুৰঞ্জী লেখকৰ" কাল ১৯২৩ খৃঃ, চেপ্তেম্বৰ মাহ, স্থান একে। "শাপমুক্তা" আৰু "শেষ-গায়ক"ৰ কাল ১৯২৪ খৃঃ, চেপ্তেম্বৰ মাহ, স্থান একে। "বৰদোৱা" কাল ১৯২৪ খৃঃ, ডিচেম্বৰ মাহ, স্থান বৰদোৱা গ্ৰাম। "শেষ-প্ৰয়াস"ৰ কাল ১৯২৫ খৃঃ, চেপ্তেম্বৰ মাহ, স্থান গুৱাহাটী। "আত্মদান"ৰ কাল ১৯২৮ খৃঃ, স্থান ধুবুৰী। "মাতৃস্বৰ্গ"ৰ কাল ১৯২৯ খৃঃ, চেপ্তেম্বৰ মাহ, স্থান গুৱাহাটী।

"আগন্তুক"ত তৰুণ নেওগ সৰ্বপ্ৰথমে কবিৰ আসৰত কাব্য-ৰঙ্গ-মঞ্চত গায়কৰ বেশত দেখা দিলে কল্পনা-কুসুম লৈ, সম্মোহন বীণা বজাই। দৃশ্যপট ৰণভূমি। নাটক জীৱন-সংগ্ৰাম। বিজয়ৰ মহাস্বপ্নৰ কথা কৈ স্বদেশৰ বীৰসকলক প্ৰোৎসাহিত কৰা তেওঁৰ অভিনয়ৰ উদ্দেশ্য। তেওঁৰ উদ্বোধন সঙ্গীতৰ প্ৰথম চৰণ "উঠঁাহে মানৱ তুমি, গই আছে দিন, ভোলগই আছা সপোনত" ইয়াৰ পাচত আছে, প্ৰথমতে, উপনিষদৰ বাণী —"উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্ নিবোধত।" দ্বিতীয়ত, বুদ্ধৰ বাণী—

"উট্‌ঠহথ নিসীদথ কো অত্থে সুপিতেন বো ?"
উঠঁা বহঁা, সপোনত কি লাভ তোমাৰ ?"

অথবা—

"আৰব্ভথ নিক্‌খমথ যুঞ্জথ বুদ্ধ সাসনে।
ধুনাথ মচ্চুনো সেনং নলাগাৰং ব কুঞ্জৰো।"
"কৰঁা যাত্ৰা, চলা পথ, যুঁজা ৰণ বুদ্ধ শাসনত।
কৰঁা চূৰ্ণ মৃত্যুসৈন্য কৰে যেন নলাগাৰ মাতঙ্গ কুক্কুৰ"

"আগন্তুক"ৰ গানৰ ছন্দ ছবি (দীৰ্ঘ ত্ৰিপদী), ব'ৰাগীৰ সুৰ। আপোন মনৰ স্বতঃস্ফূৰ্ত ভাব, জীৱন-মৰণ যুদ্ধত বীৰসকলক জয়মাল্য দিবৰ বুকুভৰা আশা।

প্ৰথম অঙ্কৰ দ্বিতীয় দৃশ্যত (নৱযুগ) অসমৰ উদীয়মান গায়ক-কবি হৃদয়-পূজাৰী। দৃশ্যপট নিভৃত হৃদয়-গুহা। বৈদিক ঋষিৰ দৰে তেওঁ আপোন হৃদয়ত বিচাৰি পূৰ্বৰ সৈতে পৰৰ, অতীতৰ সৈতে বৰ্তমানৰ, বৰ্তমানৰ সৈতে অনাগতৰ সম্বন্ধ আবিষ্কাৰ কৰিছে,—"মতো বদ্ধুন্ অসতি হৃদি প্ৰতীষ্যা।" অসমৰ ঐতিহ্যত গিৰি-গুহা-বনত বশিষ্ঠ ঋষিৰ তপস্যা, লাচিত বৰফুকনৰ বীৰত্ব, ৰজা নৰনাৰায়ণ আৰু শিৱসিংহৰ কৃতিত্ব, ভগ-দত্তৰ কামৰূপত ৰাজত্ব, শঙ্কৰদেৱ, মাধৱদেৱৰ দ্বাৰা বিশ্বজনীন্ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ—বেহুলী, শৈব্যা, দময়ন্তী আদি নাৰীৰ সতীত্ব, ৰাণী জয়মতী প্ৰমুখ্যে বীৰঙ্গনাসকলৰ অৱদান, হুমায়ুন আৰু আকবৰ আদি বাদশ্বাহৰ গুণ-গৰিমাৰ স্মৃতি জাগি অভিযান সঞ্চাৰ কৰিলে। দূৰ অতীতৰ মমতা পাহৰি পুনু তেওঁ বৈদিক ঋষি-কবিৰ দৰে নৱ উষাৰ নৱ প্ৰভাতৰ নতুন কিৰণ সাদৰে মাতি আনিলে। তেওঁৰ জ্ঞানত সত্য আৰু বিশ্বাস উপজিল —মানৱ-ধৰ্মই সাৰ। হৃদয়-পূজাৰীয়ে আপোনাক শক্তি-পূজাৰী নবীন-ভক্ত ৰূপত দেখিলে। শিৱসাগৰৰ পাৰত থাকিও গুৱাহাটীৰ নীলাচলৰ কামাখ্যাৰ মন্দিৰ মানস-নেত্ৰত ভাহি উঠিল। নৱযুগ প্ৰতিভাত হ'ল। এই গীতি-কবিতাৰ ছন্দ এক জাতীয় দুলড়ী (লঘুত্ৰিপদী)। ধ্বনি-সামঞ্জস্যত ইয়াৰ গতি।

প্ৰথম অঙ্কৰ তৃতীয় দৃশ্যত তেওঁ শক্তি-পূজাৰীৰ "শক্তি-আৱাহন" আৰম্ভ কৰিলে। দৃশ্যপট পৱিত্ৰ গোন্ধেৰে আমোল-মোলোৱা যজ্ঞবেদী ৰূপ পৱিত্ৰ জন্মভূমি। স্থান এতিয়া গুৱাহাটীৰ কামাখ্যা মন্দিৰ। "ভক্তি-গঙ্গা আনন্দ-যমুনা" দুয়োটি মিলাই তেওঁ স্বদেশধাত্ৰী মাতৃদেৱীৰ কৰুণা মাগিছে। বৰ-প্ৰাৰ্থী হিন্দু-মুছলমান সকলো ভাই তেওঁৰ চকুত "আৰ্য্য-কুমাৰ।" আৱাহন মন্ত্ৰৰ উল্লাসপূৰ্ণ প্ৰথম চৰণ "ধন্য জনম, স্বদেশধাত্ৰী, ধন্য জীৱন আজি।" ইয়াৰ পাচত আছে উত্তৰ কথৰ উপনিষদৰ সিদ্ধ

উপনিষদৰ সিদ্ধ অৱধূত সন্যাসীৰ উল্লাসকৰ স্বতোক্তি—"ধন্যোঽহং ধন্যোঽহম্।" আৱাহন মন্ত্ৰৰ ছন্দ কবি-গায়কৰ নিজে গঢ়া এক বিশিষ্ট জাতীয় দুলড়ী (লঘু ত্ৰিপদী)। সংযোজনা এতিয়া আউলি-জাউলি, সকলো যে "আবোল-তাবোল।" শিৱসাগৰৰ পানীৰ ডাঙৰ ৰাগি এতিয়াও আছে। তাৰ লগত যোগ হৈছে গুৱাহাটীৰ গুৱাকৰ ৰাগি আৰু শক্তি-মন্দিৰৰ সিদ্ধিৰ ৰাগি। বেদৰ যজ্ঞবেদী দূৰ কল্পনা। চকুৰ আগত কামাখ্যা দেৱীৰ মন্দিৰ। শক্তি-আৱাহনত করুণা ভিক্ষা কিয়? ই হিন্দুৰ মন্দিৰ নে মুছলমানৰ মছজিদ? ই পুৰণিকলীয়া ব্ৰাহ্মণৰ শ্ৰী-আৱাহন নে শাক্ত হিন্দুৰ শক্তি-আৱাহন? কিম্বা মৌলৱী ছাহাবৰ নামাজৰ বাবে আজান? শক্তিৰ পূজাৰী জীৱন-ব্ৰতৰ বৰাগী কিহত? তেওঁ শাক্ত নে বৈষ্ণৱ? তেওঁ এফালে সকলো, আনফালে কোনোটো নহয়। তেওঁ বঙ্গমঞ্চত উন্মত্তৱৎ অনুন্মত্ত অৱধূত, বৈষ্ণৱ বাউল। এই কাৰণে অলপ অপ্ৰকৃতিস্থ ভাব হোৱা স্বাভাৱিক।

প্ৰথম অঙ্কৰ চতুৰ্থ দৃশ্যত শক্তিৰ পূজাৰী 'মিলন-যজ্ঞ'ৰ হোতা। দৃশ্যপট মিলনৰ পৱিত্ৰধাম্ স্বদেশ। স্থান গুৱাহাটী। লুইতৰ তটভূমি। সন্মুখত লুইতৰ প্ৰীতিৰ সোতত ভাসমান সকলো জাতি-বিজাতি, হিন্দু-মুছলমান, জৈন-খৃষ্টিয়ান, ৰজা-প্ৰজা, ধনী-দীন, বিদ্বান-মূৰ্খ, সুখীয়া-দুখীয়া; ভেদাভেদ জ্ঞান নাই। শূদ্ৰ-বৈশ্য, ব্ৰাহ্মণ-ক্ষত্ৰিয়, ম্লেচ্ছ-কাফেৰ, এই স্নেহশীলা জননীৰ সমান আদৰৰ সন্তান। সমগ্ৰ ধৰাত এই ঐক্যতান। মিলন-যজ্ঞৰ গানৰ ছন্দৰ নৃত্য-তালত চৌৰ গতি। ইয়াৰ নিয়ম ইয়াৰ। ইয়াৰ এক বিশেষ নামকৰণ সম্ভৱ নহয়। অৱশ্যে ইয়াৰ মাজত দুলড়ীৰ প্ৰাধান্য।

"মঙ্গলময়! তোমাৰ নামত, আজি মিলনৰ পৱিত্ৰ ধামত,
স্বদেশৰ পূত উন্নতি ধ্যানত, বহিছোঁ সকলো আহি;
জাতি-ভেদ জ্ঞান যায় সকলোটি প্ৰীতিৰ সোঁতত ভাহি"

প্ৰথম অঙ্কৰ পঞ্চম দৃশ্যত ('বিশ্ববাণী') কবি মিলন-যজ্ঞৰ হোতা, ঋত্বিক, অধ্বৰ্যু, স্বস্তিবাচক আৰু শান্তি-পাঠক। দৃশ্যপট সেয়ে। স্থানো সেয়ে। বুদ্ধৰ মুখ-নিঃসৃত আৰ্য-ভাৰতৰ শাশ্বত মুক্তিবাণী। অভিনৱ বেদমন্ত্ৰ, হৃদয়ৰ পাঞ্চজন্য, 'ওম্ শান্তি, ওম্ শান্তি' শান্তি পাঠ। অমৃতৰ পত্ৰ ("অমৃতস্য পুত্ৰাঃ") বুলি মিলন-যজ্ঞত উপস্থিত বিশ্বজনক সম্ভাষণ—

"কাল নাই, হেৰা ভাৰতীয়!
কাল নাই, হেৰা অসমীয়া!!"

ভাৰত-দেৱৰ এই অশৰীৰী বাণীৰ ঘোষণা।

'বিশ্ববাণী' অমৃতাক্ষৰ ছন্দৰ। এই ছন্দ ঠিক ব্যৱহাৰ কৰিব পাৰিছে, জগতৰ তিনি কবি, ইতালীৰ দান্তে, বিলাতৰ মিল্টন আৰু বঙলাৰ মাইকেল মধুসূদন। প্ৰতি শাৰীত পদৰ দৰে চৈধ্যটাকৈ আখৰ, কিন্তু কোনো শাৰীৰ শেষ বৰ্ণৰ লগত কোনো শাৰীৰ শেষ বৰ্ণ মিল নহল; সেয়ে অমৃতাক্ষৰ ছন্দ নহয়। এই ছন্দৰ প্ৰকৃত বৈশিষ্ট্য হ'ল, ধ্বনি-সামঞ্জস্য আৰু যতিজ্ঞান। এই দুই গুণ 'বিশ্ববাণী'ৰ ছন্দত পাওঁ—

"গহীন দুপৰ নিশা ৰাজ-প্ৰাসাদৰ
কাঁহ পৰি জিন যোৱা মুগ্ধ তৰধতা
মোহিত কৰিছে এটি টিমিকি টিমিকি
জলা সলিতাই অট্টালিকা অন্তৰত।"

দ্বিতীয় অঙ্কৰ প্ৰথম দৃশ্যত যুৱা অসমীয়া কবি-গায়ক অসমৰ বুৰঞ্জী-লেখক। দৃশ্যপট, জন্মভূমি অসমা; যাৰ শিতান গিৰিৰৰ হিমালয়, যাৰ বুকেদি লুইতৰ সোঁত বয়। কৈশোৰৰ উদ্দাম কল্পনাত অসমৰ অতীত গৌৰৱ গৰিমাৰ যি সুখস্মৃতি জাগি উঠিছিল, "বুৰঞ্জীলেখক"ত সেইবোৰ ইতিহাস আকাৰত লিপিবদ্ধ কৰিলে। এই বুৰঞ্জীলেখকৰ পদ্যৰ ছন্দ ভালেখিনি নিয়ন্ত্ৰিত, অনাড়ম্বৰ অথচ স্বচ্ছন্দগতি দুলড়ী। তৃতীয় আৰু ষষ্ঠ চৰণৰ মিল আৰু সঙ্গীতময় শব্দবিন্যাস মনোৰম্!

"সুপ্ত জগতৰ আন্ধাৰ ঠেলি
জিলিঙনি মেলি ৰাঙলী বেলি।"

দ্বিতীয় অঙ্কৰ দ্বিতীয় দৃশ্যত কবি যৌৱনৰ পূৰ্ণ কাম-উদ্দীপনা লৈ প্ৰেমিক-সন্যাসী। দৃশ্যপট, বুঢ়া লুইতৰ ৰূপালি তটভূমি। আকাশত শৰতৰ পূৰ্ণ শশধৰ; তলত লুইতৰ তৰঙ্গে তৰঙ্গে বিজুলীৰ সোঁত। চৌদিশত অসমাৰ বিশ্বপ্ৰকৃতিৰ অপূৰ্ব ৰূপ-মাধুৰীয়ে স্বৰ্গ সৃজন কৰিছে। বুকৰ ভাষা জলন্ত। যৌৱনৰ সাদৰী প্ৰেয়সী অসমাৰ অতীত গৌৰৱ-গৰিমা-স্মৃতিৰূপিণী শাপগ্ৰস্তা উৰ্বশী আজি শাপমুক্তা। মিলন-নিশাত দুজনৰ সাক্ষাৎ দেখা-দেখি আৰু প্ৰাণৰ আলাপ। তেওঁৰ মুক্তিৰ কাৰণ,

তেওঁ আৰ্য্য ভাৰতৰ শাশ্বত মুক্তিবাণী শিৰত ধৰিছিল। প্ৰেমিক-প্ৰেমিকাৰ প্ৰণয়-অভিনয়ত, প্ৰেম-আলিঙ্গনত, মধু যামিনী অতিবাহিত। যামিনীৰ অৱসানত অভিনৱ নতুন সৃষ্টিৰ নৱ-পাতনিৰ নবীন ৰেখা দেখা দিলে। শাপমুক্তা অহল্যাৰ পাষাণ কায়াৰ দৰে আজি যেন অসমাৰ প্ৰতি মন্দিৰত পাষাণ দেৱ-প্ৰতিমা জাগ্ৰতা। 'শাপ-মুক্তা'ত 'বুৰঞ্জী-লেখক'ৰ ছন্দ, দুলড়ী ; কিন্তু অধিকতৰ প্ৰাণৱন্ত, তেজৱন্ত : যেন ইয়াত বুঢ়া লুইতৰ ক্ষিপ্ৰ তৰঙ্গায়িত গতি।

দ্বিতীয় অঙ্কৰ তৃতীয় দৃশ্যত প্ৰেমিক-সন্ন্যাসী শেষ-গায়ক বেশত কবি-বৰাগী। দৃশ্যপট, অসমা কামৰূপৰ গ্ৰাম-নগৰ-বাট। তেওঁ সুৰাগী জীৱন-বীণ শেষবাৰলৈ প্ৰতি ঘৰ প্ৰতি দুৱাৰত বজাইছে দেশৰ স্বাধীনতাৰ গীত গাই গাই। পথৰ পথিকে মুখলৈ চাই থাকিল, কিন্তু ছদ্মবেশী গায়কৰ চিন নাপালে। উদ্দীপক সঙ্গীতত স্বদেশবাসীৰ প্ৰাণ উদ্দীপ্ত হ'ল ; কিন্তু গায়ক এতিয়া তেনে উদ্দীপ্ত নহয়। এতিয়া যেন তেওঁ শান্ত আৰু সংযত। ছন্দ সেই একে ; কিন্তু ইয়াৰ গতি বহু পৰিমাণে শান্ত, ধীৰ।

তৃতীয় অঙ্কৰ প্ৰথম দৃশ্যত কবি বানপ্ৰস্থ-অৱলম্বী ঋষি। দৃশ্যপট, লোহিতৰ তীৰত-অৱস্থিত 'শস্যে-ম'স্যে অনুপাম, ধৰ্মতীৰ্থ কৰ্মতীৰ্থ বৰ-দোৱা গ্ৰাম।'' এই গ্ৰাম স্বৰ্গ-মৰ্ত্ত্য মিলনৰ অদ্বিতীয় স্থান। শিৰো-পৰি আকাশী গঙ্গা। জৰা মৃত্যু যেন ইয়াত নাই। তেওঁ ভূমানন্দ উপভোগ কৰি সাম্য মৈত্ৰী আৰু স্বাধীনতা শিক্ষা দিছে। ভাব আৰু ভাষা সৰল, অথচ গম্ভীৰ আৰু মৰ্মস্পৰ্শী। বৰদোৱাৰ ছন্দ মিত্ৰাক্ষৰী।

তৃতীয় অঙ্কৰ দ্বিতীয় দৃশ্যত ঋষি-কবি শেষ-প্ৰয়াসী অনুতাপ-দগ্ধ চন্দ্ৰ-কান্ত সিংহ। দৃশ্যপট গুৱাহাটীৰ মহগড়। দিনৰ ৰুদ্ৰ আৰতিৰ শেষত তেওঁ বিদায় আশীৰ্বাদ মাগিছে। চৌদিশত 'গহীন গহীন' নিশাৰ ঘোৰ অন্ধকাৰ। নানা দুঃস্বপ্নত ৰাতি কটালে ; কিন্তু প্ৰভাতৰ সৈতে সুপ্ত চেতনা জাগি উঠিল। চৌদিশত ঢাক-ঢোল ভেৰী বাজিল। 'শেষ প্ৰয়াস'ৰ দুলৰী ছন্দ, উচ্ছ্বাসহীন ; ভীত চকিত ইয়াৰ গতি নিয়ম-শিকলিত যেন আৱদ্ধ।

তৃতীয় অঙ্কৰ তৃতীয় দৃশ্যত শেষ-প্ৰয়াসী অনুতাপ-দগ্ধ চন্দ্ৰকান্ত স্বদেশ-মুক্তিৰ যজ্ঞ-বেদীত আত্মাহুতি দিয়া যজ্ঞ-পশু। দৃশ্যপট, লুইতৰ দিব্যতট। শুক্লা ত্ৰয়োদশী নিশা। স্থান ধুবুৰী। গগণ-পৱন-মনোৰম। অন্তৰত চিৰ বিদায়ৰ বেথা ; চকুত অনুতাপ-অশ্ৰু। চৌধাৰত 'প্ৰেমৰক্তা দেশ-ভক্তা শতধন্যা অসমা ৰমণীয়ে' বীৰ হৃদয়ৰ অতুল স্বদেশ-প্ৰীতিৰ কাহিনী

শুনিছে। 'আত্মদান' কবিৰ গঢ়া এক জাতীয় পদছন্দ ; ইয়াৰ মুমূৰ্ষ-প্ৰায় দুৰ্বল গতি।

তৃতীয় অঙ্কৰ চতুৰ্থ দৃশ্যত আত্মদাতৃ ঋষি-কবি মৰ্ত্ত্যত কৰ্তব্যৰ বাতৰি প্ৰচাৰি মাতৃস্বৰ্গপ্ৰাপ্ত তেজোময় দিব্য দেহধাৰী পুৰুষ। দৃশ্যপট, আন্ধাৰ-আলোৰ মেলা শূন্যমাৰ্গ ; আৰু মাতৃভূমি স্বৰ্গভূমি। শাৰদীয় সুনীল আকাশ। এই মহা উছৱৰ দিন, আনন্দৰ কত 'নাচন কাচন !' তেওঁ মাতৃস্বৰ্গৰপৰা স্বৰ্গ-মৰ্ত্ত্যৰ মিলন-যোগ দেখিছে। আনন্দত তেওঁৰ বুকুভৰা। মাতৃস্বৰ্গৰ ছন্দও এক জাতীয় মিত্ৰাক্ষৰ, কিন্তু অলপ বিস্তৃত আৰু লম্বীকৃত। ভাব আৰু ভাষা মনোহৰ ; কিন্তু নিয়ন্ত্ৰিত আৰু সুসংযত।

'আগন্তুক'ত নেওগ কবি-গায়কৰ আৱিৰ্ভাৱ আৰু 'মাতৃস্বৰ্গ' আৰো-হণত তেওঁৰ তিৰোভাৱ। ভাষাতত্ত্ববিদ্, সাহিত্যসমালোচক আৰু সাহি-ত্যৰ বুৰঞ্জীলেখক শ্ৰীযুত ডিম্বেশ্বৰ নেওগ দস্যুৰ হাতত স্বৰ্গীয় অসমীয়া কবি-গায়কৰ চিৰতৰত মৃত্যু।

আচৰিত হবৰ কাৰণ মই নেদেখোঁ, অসমৰ এই কবি গায়ক কৈশোৰত তেওঁৰ সতীৰ্থসকলৰ মাজত নিৰুপাধিক কবিভূষণ (Un-official Poet Laureate) বুলি পৰিচিত আছিল, আৰু তেওঁৰ 'সফুৰা'ৰ গানবোৰ তেওঁৰ স্কুল-কলেজৰ উছৱৰ দিনত ৰচিত আৰু গীত হৈছিল।

তেওঁৰ 'অসমা'ৰ কবিতাবোৰত মই দেখোঁ অসমা আৰু ভাৰত জন-নীৰ অপৰূপ ভৱিষ্যতৰ সমুজ্জ্বল চিত্ৰ। তেওঁৰ ভৱিষ্যদ্বাণী যেন আজি এটি এটিকৈ সত্যত পৰিণত হব লাগিছে !

এই পৰিচয়ত দুখ কৰা মানসিক মৃত্যু নিশ্চয় এই কবি-গায়কৰ খন্তে-কীয়া তন্দ্ৰা বা আত্ম-বিস্মৃতি মাত্ৰ ; আৰু তেওঁ পুনৰুত্থান লাভ কৰি তেওঁৰ অধিকতৰ পৰিণত চিন্তা আৰু কল্পনাৰে অসমীয়া ভাষা আৰু কাব্য-সাহিত্যক পুনৰ সুসমৃদ্ধ কৰিব বুলি আশা কৰোঁ।

মই বৰকৈ অনুভৱ কৰোঁ, এই নিৰুপম অসমীয়া কবি-গায়কৰ মানসিক জীৱন আকৌ ঘূৰাই অনা, আৰু বসন্ত, গ্ৰীষ্ম আৰু বাৰিষাৰ আগমনৰ বুঢ়া লুইতৰ দৰে পূৰ্ণ পয়োভৰে প্ৰৱাহিত হবলৈ দিয়া অসমৰ গৱৰ্ণমেণ্ট আৰু ৰাইজ উভয়ৰে কৰ্তব্য।

কবি নেওগ ডাঙৰীয়াৰ পৰিচয়-প্ৰসঙ্গত বহু কথা আহি গ'ল। মই অসমীয়া সাহিত্যৰ প্ৰকৃত বিচাৰক নহওঁ। যদি মোৰ কোনো ঠাইত অবাঞ্ছিত দোষ ঘটিছে, তাক ক্ষমা কৰিবলৈ পাঠকক অনুৰোধ কৰোঁ।

ইন্দ্ৰধনুৰ কবি ডিম্বেশ্বৰ নেওগ

শ্ৰীনন্দ তালুকদাৰ

সাহিত্যৰ বুৰঞ্জী প্ৰণেতা, সমালোচক ডিম্বেশ্বৰ নেওগ ডাঙৰীয়া এগৰাকী প্ৰথিতযশা কবি। ৰোমাণ্টিক যুগৰ অন্যতম শ্ৰেষ্ঠ কবি ডিম্বেশ্বৰ নেওগ ডাঙৰীয়া সাধাৰণতে 'ইন্দ্ৰধনু'ৰ কবি বুলিহে পৰিচিত। 'মালিকা' নেওগ ডাঙৰীয়াৰ প্ৰথম কবিতাৰ পুথি (১৯২২ খৃঃ)। 'অসমা' (১৯৪৭ খৃঃ) 'বিচিত্ৰা' (১৯৪৮ খৃঃ), 'খুপিতৰা' (১৯২৫ খৃঃ), 'মালতী' (১৯২৭ খৃঃ), 'খাপনা'(১৯৪৮ খৃঃ), 'শ্বহিদে কাৰবালা' (১৯৪০ খৃঃ), 'মেঘদূত' (১৯৪৭ খৃঃ), 'মুকুতা' আদি কবিৰ আন আন কবিতাৰ পুথি। অসমাৰ সৰহ ভাগ কবিতাই ইন্দ্ৰধনুৰ (১৯২৯ খৃঃ), অন্তৰ্গত। বিচিত্ৰাতো ইন্দ্ৰধনুৰ কেইটামান কবিতা সন্নিবিষ্ট কৰা হৈছে।

নেওগ ডাঙৰীয়াৰ কবিতাৰাজিত দুটা স্পষ্ট ধাৰা চকুত পৰে। এহাতে তেওঁ আবেগত গা ঢালি দিয়া কবি, আনহাতে স্বদেশ-প্ৰেমিক কবি। মুখ্যতঃ নেওগ ডাঙৰীয়া প্ৰেমৰ কবি। সৰহ ভাগ কবিতাৰ উৎস প্ৰেম—স্বদেশ-প্ৰেম নাইবা মানৱ-প্ৰেম। কিন্তু তেওঁৰ প্ৰেমৰ কবিতাৰাজিত অনুৰাগৰঞ্জিত উগ্ৰ প্ৰেমৰ গন্ধ নাই। নাইবা জীৱনৰ বিৰহ বেলা-ভূমিত নিৰ্জন নাৱিকৰ দৰে সংসাৰৰ মায়া-মোহৰপৰা আঁতৰি বৈৰাগ্যকে জীৱনৰ একমাত্ৰ অৱলম্বনৰূপে আঁকোৱালি ধৰা আত্মকেন্দ্ৰিক কবি নহয়। কিন্তু তেওঁৰ সৰহ ভাগ কবিতাৰে ৰচনাকাল ভৰ ডেকা বয়স।

কবিয়ে ইন্দ্ৰধনুৰ (প্ৰথম তাঙৰণ, ১৯২৯ খৃঃ) কবিতাৰাজিক প্ৰধানকৈ সাত ভাগত ভাগ কৰিছে—যৌৱন, আশিস, বিষাদ, আবেগ, মাধুৰী, বিৰহ আৰু সাধনা। প্ৰতিটো ভাগত কবিতাও সাতোটাকৈ। কবি কেতিয়াবা গীতি কবি বেশত, কেতিয়াবা বৰাগী বেশত, আৰু কেতিয়াবা স্বদেশ প্ৰেমিক কবিৰূপে ভুমুকি মাৰিছে।

যৌৱন তীৰত থিয় হৈ কবিয়ে সুঁৱৰি চাইছে জীৱনৰ কথা। তৰু,

তৃণ, লতা পৰিবেষ্টিত বিশ্বৰ বুকুত চঞ্চল পৱনৰ মৃদু পৰশত প্ৰাণৰ জোৱাৰ উপলব্ধি কৰিব পাৰিছে—

চঞ্চল পৱনে পাই
কোন দেশলৈ আজি মোৰ প্ৰাণ নিয়ে বাৰু উৰুৱাই ?
যৌৱন জাগিছে ধীৰে
কোন নয়নৰ পুতলি নাচিছে আজি কল্পনাৰ তীৰে ?

যৌৱন তীৰত থিয় হৈ প্ৰণয়মদিৰা পান কৰাৰ উগ্ৰ হেপাহ প্ৰকাশ পোৱাটো অস্বাভাৱিক কথা নহয়। জীৱনৰ ৰঙীন সপোন চকুত লৈ তেতিয়া পৃথিৱীৰ ৰেহ-ৰূপ এক স্বকীয়া ৰূপত চাব বিচৰাত আচৰিত হব লগীয়া একো নাই। সেয়েহে সৰহভাগ কবি-সাহিত্যিক ডেকা কালত উদভ্ৰান্ত প্ৰেমৰ কবি। উদভ্ৰান্ত প্ৰেমৰ কবি হ'লেও বহুজনে ধৰা নিদিয়ে, আত্মগোপন কৰিব বিচাৰে। কোনোজনে হয়তো উদভ্ৰান্ত ব্যক্তি প্ৰেমকে এক উন্নীত স্তৰলৈ নি তাৰ মাজতে ভগৱত প্ৰেমৰ সন্ধান দিব বিচাৰে।

ডিম্বেশ্বৰ নেওগ কবি হিচাবে এই গতানুগতিকতাৰ ব্যতিক্ৰম নহয় যদিও তেওঁৰ কবিতাত উগ্ৰ ব্যক্তি প্ৰেমৰ গন্ধ নাই। তেওঁৰ সৰহভাগ কবিতাৰে ৰচনাকাল ভৰ ডেকা বয়স হ'লেও নেওগ ডাঙৰীয়াৰ কবিতাৰ বৈশিষ্ট্য এইখিনিতে প্ৰকাশ পাইছে।

আনহাতে তেওঁৰ প্ৰেমৰ কবিতাৰ অন্তৰালত মিষ্টিক ব্যঞ্জনা মন কৰিব লগীয়া। ৰোমাণ্টিক কবি হ'লেও সৰহভাগ অসমীয়া কবিতাত মিষ্টিক ব্যঞ্জনা শুনা যায়। নেওগ ডাঙৰীয়াৰ 'উৰুকা' কবিতাৰ অন্তৰালত তেনে এক মিষ্টিক ব্যঞ্জনা প্ৰকাশ পাইছে—

নাচিছে প্ৰাণত মোৰ	টলবল যিটি গুপ্ত মন ;
কৰিম সাধনা মই	হৃদয়ত সেই মহা ধন।
যৰপৰা আহিছিল	আতমাৰ এই ফিৰিঙতি ;
তাতে পুনু মাৰ গই	পূৰ্ণ হব অনন্ত অতৃপ্তি।

যৌৱনৰ সঁহাৰি কবিয়ে উপলব্ধি কৰিব পাৰিলেও কবি উম্বাউল হৈ পৰা নাই। কবিৰ মনলৈ আহিছে দাম্পত্য প্ৰণয়ৰ প্ৰথম পাতনি ৰচা মধুময় ক্ষণৰ কথা। 'সুপ্ত যৌৱনে' কবিক সোঁৱৰাই দিছে হোমৰ গুৰিত পুৰোহিতে লগুন-গাঁঠিৰে ৰচি দিয়া প্ৰণয়ৰ কথা। তাৰ পাচত শোৱনী

ঘৰত লাজৰ ওৰণি কালি দেখা প্ৰিয়াৰ জেউতি। কোনোবা এটি অচিনাকি চৰাইৰ কণ্ঠত কবিয়ে যেন সুপ্ত যৌৱনৰ গঁহাৰি শুনিবলৈ পাইছে। পৃথিৱীৰ আদিম মানৱ আদাম ইভৰ প্ৰাণত সৰ্পৰূপী চেতানে প্ৰণয়-মদিৰা সঞ্চাৰ কৰাৰ দৰে অচিনাকী চৰাইৰ সুৰত যৌৱন জাগি উঠিছে। তেতিয়া কবিৰ চকুত ভাহি উঠিছে দাম্পত্য প্ৰণয়ৰ মধুৰ চিত্ৰ এখনি।

ঘনাই মনক ধৰে জুমুৰি দি সেই পৰিণয় দিন
হোমৰ ধুৰিত দিয়া পুৰোহিতে লগুণ গাঁঠিৰ চিন।
সেই হাতে সতে হাতজোৰ দিয়া, প্ৰাণেদি বিজুলী সোত বৈ যোৱা
তাৰ পাচত সেই শোৱনী ঘৰত লাজৰ ওৰণি কালি
বই পৰা সেই প্ৰিয়াৰ জেউতি দিয়া মোৰ গাত ঢালি।

'নিজৰা'ৰ কবি শৈলধৰ ৰাজখোৱা ডাঙৰীয়ায়ো কোনোবা অজান প্ৰিয়াক পোৱাৰ সন্ধানত বাধাৰ প্ৰাচীৰ ঠেলি আগবাঢ়ি যাবলৈ ব্যাকুল হৈ পৰা নাই। হোম-অগ্নিক সাক্ষী কৰি লাভ কৰা প্ৰিয়াই কবিৰ জীৱনৰ অৰ্ধাঙ্গিনী হব, কবিয়ে তাকেই হাবিয়াস কৰে—

অনল দীপ্তা আৰ্য্য কুমাৰী
শুচিতা তোমাৰ চিৰ সহচৰী
তুমি ৰবা মোৰ ভিতৰে বাহিৰে
পাপৰ চিন্তা দহন কৰি
তুমি সখী মোৰ সহধৰ্মিণী
অনন্ত জীৱন যৌৱন ধৰি।

কবি অকল যৌৱন জোঁৱাৰত উটি-ভাঁহি ফুৰাৰ মধুস্বপ্নতেই আপোন পাহৰা নহয়। দূৰদৃষ্টিসম্পন্ন কবিজনাই চিন্তা কৰিছে বিগত যৌৱনৰ কথাও। বিগত-যৌৱন কবিৰ মনীষাত জানো ৰঙীন কল্পনাই ঠাই পাব? জ্ঞানমালিনীৰ কবি মফিজুদ্দিন হাজৰিকা ডাঙৰীয়াই যৌৱন তীৰত থিয় হৈ জীৱনৰ জৰা-ৰাহু-গ্ৰস্ত বুঢ়া কালৰ কথা চিন্তা কৰিছে। জীৱন-যৌৱন উপভোগৰ লগতে নেওগ ডাঙৰীয়াই চিন্তা কৰিছে অনাগত দিনৰ কথা——

যৌৱন যেতিয়া যাব জ্বলিবনে তেতিয়াও
জুই মোৰ জাতীয় প্ৰেমৰ
সমাজৰ দশা দেখি ভাবিবনে তেতিয়াও
মোৰ স্বপ্ন বিলাস ভেমৰ?

ৰঙালি বিহুৰ ৰং ৰহস্যত উটি বুৰি ফুৰা কবিৰ চেঙেলীয়া মনটোৱে বিহুক কেনেভাৱে উপভোগ কৰিব বিচাৰিছে মন কৰিবলগীয়া—

কাহিলি কাহিলি পোহৰতে মোক জগাব লাগিব তই,
এনেনো সুখৰ দিন কালিলই—কি কম আইতা মই।
এনে মতলীয়া চেনেহৰ বিহু কেতিয়াও অহা নাই,
বিহু নাচনীৰ মোকে কাইলই পাতিব খুজিছে ঘাই।

কাহিলি কাহিলি পুৱাতে উঠি হাতত জেতুকাৰ বোল সানি লাহী ককালখনৰে নাচি নাচি বিহুতলীত হব লাগিব ঘাই। সেয়েহে গাত তত্ নাই। হয়তো সেই নাচত মুগ্ধ হৈ কিমান পিলিঙা ডেকাই ৰ' লাগি চাই ৰব। কবিয়ে বিহুতী (প্ৰথম উৰুকা) নামৰ এই কবিতাটিত এখনি বিহু আৰু বিহু নাচনীৰ নিখুঁত চিত্ৰ দাঙি ধৰিছে।

দ্বিতীয় উৰুকাত কবিয়ে এবি অহা বছৰৰ কথা সুঁৱৰি চাইছে। মানৱ-জীৱন ক্ষণস্থায়ী। কোনে জানে কালি কি হব। কবিয়ে সেয়েহে আজিৰ বৰ্তমানত ৰঙালি বিহুৰ ৰাঙলী বেলিৰ কিৰণ উপভোগ কৰিব বিচাৰিছে। পশ্চিম আকাশত বেলি মাৰ যোৱাৰ লগে লগে এটি পুৰণি বছৰে বিদায় মাগিলে। নতুন বছৰৰ লগে লগে কপৌ নাহৰ ফুলিল। কবিৰ হেপাহ এই পৃথিৱীৰপৰা আঁতৰি যোৱাৰ আগতে বিহুৰ ৰঙৰ উছৱ, প্ৰকৃতিৰ নতুন ৰূপ, বনসখী বিহঙ্গমৰ সুললিত সঙ্গীত প্ৰাণ ভৰি উপভোগ কৰিব।

পৰাধীনতাৰ কালছোৱাত লাহে লাহে মানুহৰ অন্তৰত সামাজিক দায়িত্ববোধ জাগিবলৈ ধৰিলে আৰু তেতিয়াই মানুহৰ অন্তৰত ক্ৰমে নতুন শক্তি সঞ্চাৰ হ'ল। মুমূৰ্ষু হৈ পৰি থকা মানুহৰ মনীষাত নতুন চিন্তাস্ৰোতে ঠাই পালে। এই কালছোৱাতে শুই থকা মানুহক সজাগ কৰিবলৈ কবি-শিল্পীসকল আগবাঢ়ি আহিল। সামাজিক তথা নৈতিক প্ৰেৰণাদায়ক কবিতা সঙ্গীতেৰে সমাজ-সচেতন কৰিবলৈ উঠিপৰি লাগিল। অগ্ৰজসকলৰ পদানুসৰণ কৰি উত্তৰ সাধকৰূপে এই সন্ধিক্ষণৰ কালছোৱাতে

ডিম্বেশ্বৰ নেওগ আগবাঢ়ি আহিল। তেওঁৰ দেশপ্ৰেমমূলক কবিতাৰাজি এই সন্ধিক্ষণৰে ৰচনা। স্বদেশ-প্ৰেমিক কবিৰ জীৱনৰ সাৰ্থক সৃষ্টি স্বদেশ প্ৰেমমূলক কবিতাৰাজিৰ ৰচনাকাল ছাত্ৰাৱস্থা।

স্বদেশ-প্ৰেমমূলক কবিতাৰাজিৰ বিষয়বস্তুৰ উপস্থাপন ৰীতিত অভি-নৱত্ব দাবি কৰিব নোৱাৰিলেও শুনা যায় কবিৰ বলিষ্ঠ মনৰ দৃঢ় কণ্ঠস্বৰ। কবিতাৰাজিৰ প্ৰধান বৈশিষ্ট্য হ'ল ভাব, ভাষা, শব্দ গাঁথনি, ছন্দ আৰু পৰিৱেশৰ অপূৰ্ব সমাবেশ।

স্বদেশ-প্ৰেমমূলক কবিতাৰাজি মহৎ ভাবৰ ওপৰত প্ৰতিষ্ঠিত। মানৱ-প্ৰেমৰ অন্তৰালত ক্ষুদ্ৰ পৰিসীমাৰ মাজতে বিৰাট ভাবৰ সমন্বয় ঘটিছে। কল্পনাৰ মধুৰ ৰস সৃষ্টিৰে বহুতো কবিতাতে অসমৰ গৌৰৱ বন্দনাৰ সুৰ পৰিস্ফুট হৈছে। অসম বুৰঞ্জীৰ এটি জীৱন্ত ৰূপ অঙ্কন এইচাম কবিতাৰ প্ৰাণকেন্দ্ৰ। কবিয়ে বুৰঞ্জীৰ নিৰ্জীৱ সত্যক জীৱন্ত আৰু জাগ্ৰত কৰিব পাৰিছে স্বদেশ-প্ৰেমমূলক কবিতাৰাজিত। চিনাকি বিষয়বস্তু আৰু আপোন হৈ পৰিছে কবিৰ অভিনৱ উপস্থাপন ৰীতিত।

'শাপমুক্তা' নেওগ ডাঙৰীয়াৰ অপূৰ্ব সৃষ্টি। ব্ৰহ্মপুত্ৰৰ বুকুৰ অভিশপ্তা শাপগ্ৰস্তা উৰ্বশীক কবিয়ে শাপমুক্তা কৰি জাগ্ৰত কৰিব বিচৰাৰ দৰে পৰাধীনতাৰ শিকলি ছিঙি অসম উৰ্বশীকো আওপাকে কবিয়ে শাপমুক্ত কৰিব বিচাৰিছে। উৰ্বশী জাগি উঠাৰ দৰে প্ৰতি মন্দিৰত মানুহ দেৱতাক জগাই তুলিব এয়েই কবিৰ হাবিয়াস।

গ'ল ক'ত যুগ কালাভিশাপৰ
সেই বিষ-কোপ কেনিবা গ'ল
মকলি সৰগ মুকলি মৰত
বিশ্বৰ সকলো মুকলি হ'ল।
স্বদেশ-বিদেশ মুকলি মুকলি
ছিগিল লোহাৰ বন্ধন শিকলি
মুক্ত ঈশ্বৰ মুক্ত জগতত
উজলিছে মুক্ত হোমৰ শিখা
উঠাহে উৰ্বশী উঠাহে প্ৰেয়সী
উঠা যৌৱনৰ সাদৰী সখা।

কবিতাটোৰ আকাশলঙ্ঘী কল্পনাই ভাব আৰু ভাষাৰ লগত সমতা ৰক্ষা কৰিব পাৰিছে। নিজৰাৰ কবি শৈলধৰ ৰাজখোৱাৰ 'পাষাণ-প্ৰতিমা'ত

কবিয়ে শিলা হৈ পৰি থকা ফুলৰা আৰু চতলা নামৰ মানস-কন্যা দুজনাক জগাই তুলিব বিচাৰিছে।

ব্যক্তি বেদনা হাজাৰ হিয়ালৈ নিবেদন কৰিবৰ বাবে বীণেই উপযুক্ত মাধ্যম। চন্দ্ৰকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত তেনে বীণৰ কঁপনি শুনা গৈছিল। 'শেষ গায়ক' কবিতাত বীণৰ মাধ্য-মেৰে জাতীয় বিষাদ ধ্বনিত হোৱা দেখা গৈছে। পৰাধীন অসমৰ বিষাদৰ কলাৰেখা 'শেষ গায়ক' কবিতাত পৰিস্ফুট। পোনতে কবিয়ে অতীত অসমৰ শৌৰ্য্য-বীৰ্য্যৰ কথা সুঁৱৰি চাইছে। এনে এটি জাতি পৰাধীন হোৱা দেখি বেজাৰে কবিৰ হিয়া আবৰি ধৰিছে। কবিৰ বাবে পৰাধীন জীৱন যাপন কৰাতকৈ মৃত্যুৱেই শ্ৰেয়।

'তেনে লাঞ্ছনাৰ পৰাধীনতাৰ শাসনতকৈও
মৰণ ভাল
পৰা হলে মই মাতিলোঁহেঁতেন
সকলোৰে বাবে অন্তিম কাল।'

আগৰৱালাৰ 'বীণ বৰাগী'ত তেনেভাৱে বীণৰ মাধ্যমেৰে প্ৰলয়ক আহ্বান কৰিছে। বীণৰ মাধ্যমেৰে প্ৰলয়ক আহ্বান কৰি বিচাৰিছে নতুন সৃষ্টি কল্পনা কৰাৰ কথা। নেওগ ডাঙৰীয়াৰ 'পৰা হ'লে মই মাতিলোঁহেঁতেন' কথা ফাকিৰ লগত আগৰৱালাৰ 'আঙুলি বুলাব জনা হ'লে আজি' কথা ফাকিৰ সাদৃশ্য আছে।

'শেষ গায়ক'ৰ দৰে জাতীয় বিষাদ ধ্বনিত হৈছে 'বুৰঞ্জী লেখক'ত। বেজবৰুৱাই বীণ বৰাগীৰ মাধ্যমেৰে অতীত অসমৰ শৌৰ্য্য-বীৰ্য্যৰ কথা সুঁৱৰি চোৱাৰ দৰে নেওগ ডাঙৰীয়াৰ 'শেষ গায়ক'ত শৌৰ্য্য-বীৰ্য্যৰ কথা ৰোমন্থন কৰিছে।

বেজবৰুৱাই প্ৰবাসত বৰাগীৰ মুখত অতীত অসমৰ যশকীৰ্তিৰ কথা শুনিবলৈ হাবিয়াস কৰিছে। নেওগ ডাঙৰীয়াই বুৰঞ্জী লেখক বাটৰুৱা ৰূপে লগ ধৰিছে এটি চিকাৰী ডেকাক। চিকাৰী ডেকাই অতীত অসমৰ কীৰ্তি সুঁৱৰি পৰাধীন জাতিৰ কলঙ্কৰ কালিমা বুকত বান্ধি বেজাৰত ভাগৰি পৰিছে। সেয়েহে চিকাৰী বেশেৰে 'আবৰী জাতিৰ মাজত' হেৰাই যাব বিচাৰিছে।

'শেষ প্ৰয়াস' আৰু 'অসম সন্ধিয়া' নামৰ কবিতা দুটিত অসমৰ শেষ স্বাধীনতা-ৰণৰ চিত্ৰ এখনি ফুটি উঠিছে। সতাই নাৰকী বদনে মান

সেনা আনি অসম ধ্বংস কৰিলে। মানৰ হাতৰপৰা অসম ৰক্ষা কৰিবলৈ চন্দ্ৰকান্ত সিংহই মহগড়ত কিদৰে ৰণ দিছিলে, নিৰ্বাণোন্মুখ বন্তিৰ দৰে সেই চিত্ৰ কবিতা দুটিত ফুটি উঠিছে। 'অসম সন্ধিয়া'ত চন্দ্ৰকান্ত সিংহ মানৰ হাতত বন্দী হোৱা বুলি কৈছে।

"জয় মান সেনাপতি, জয় তিলোবাৰ
হল চন্দ্ৰকান্ত বন্দী মানৰ হাতত
অন্তিম বেলিকা দেহি জননী উদ্দেশ্যে
কলে বীৰবৰে বিদায় বিদায়।

চিন্তানলৰ কবি কমলাকান্ত ভট্টাচাৰ্য্যই তেজপুৰৰ কাছাৰি-ঘাটত পৰি থকা শিল এডুখৰি লিবিকি বিদাৰি অতীত ৰোমন্থন কৰাৰ দৰে নেওগ ডাঙৰীয়াই 'বৰদোৱা'ৰ (ইন্দ্ৰধনুত নথকা) মানুহৰ অন্তৰত জাতীয় ভাবৰ সঞ্চাৰ কৰিব বিচাৰিছে। কবিৰ ইচ্ছা বৰদোৱাৰ মাধ্যমেৰে মানুহক প্ৰকৃত দেশ-প্ৰেমৰ শিক্ষা দিয়া—

জাগা দেৱ মূৰ্ত হোৱা জাগা বৰদোৱা
পুনু তব অগ্নিমন্ত্ৰ কাণে কাণে দিয়া!
ইজাতিক উঠা জাগা নোহে ক্ষুদ্ৰ কেউ,
ভীষণ মধুৰ গৰ্জি উঠা ৰুদ্ৰদেৱ!
কোৱা দেৱ নাই জৰা-মৃত্যু তহঁতৰ
হে বৈষ্ণৱ মানুহ হ পুত্ৰ অমৃতৰ।

কবিতাটোৰ শেষ শাৰীত নেওগ ডাঙৰীয়াই কোৱাৰ দৰে ৰবীন্দ্ৰনাথেও কৈছে 'সাত কোটি সন্তানকে ৰেখেছ বাঙালী কৰে মানুষ কৰণি।' বৰদোৱা কবিতাৰ ভাব-ভাষা সৰল আৰু সংযত। কবিতাটোত সংযত অথচ গভীৰ প্ৰাণস্পৰ্শী ভক্তিৰ আকুতি শুনা যায়।

ছাত্ৰাৱস্থাতে পৰাধীনতাৰ গ্লানি সুঁৱৰি ৰচনা কৰা কবিতাবাজি স্বদেশ-প্ৰীতিৰ জ্বলন্ত নিদৰ্শন। কবিতাবাজি এহাতে পৰাধীনতাৰ দাসত্বৰ বোজা বহন কৰা গ্লানিৰ স্বীকাৰোক্তি, আনহাতে অতীত অসমৰ শৌৰ্য্য-বীৰ্য্যৰ নিখুঁত চিত্ৰৰূপ। কবিতাবাজিৰ উপস্থাপন-ৰীতি, ভাব, ভাষাই সহজতে পাঠকক আকৰ্ষণ কৰিব পাৰিছে। কবিৰ উদ্দেশ্য অতীত অসমৰ গৌৰৱবাজিৰে মানুহৰ অন্তৰত দেশ-প্ৰেম সঞ্চাৰ কৰি লুপ্ত স্বাধীনতা উদ্ধাৰ

কৰা। কিন্তু তেওঁৰ স্বদেশ মন্ত্ৰধ্বনি প্ৰচাৰিত কবিতাবাজি কোনো ৰাজনৈতিক মতবাদৰদ্বাৰা প্ৰভাৱান্বিত নহয়।

ইন্দ্ৰধনুৰ অন্তৰ্গত 'মোৰ গাঁও' কবিতাত ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ নিজৰ জন্মভূমি কমাৰ ফদীয়া গাঁওখনিক স্বাগত সম্ভাষণ জনাইছে:

কমাৰ ফদীয়া এই সৰু গাঁওখনি মোৰ
ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ
ইয়াতে শৈশৱ লীলা ইয়াতে এদিন মোৰ
কোনোবা শৰত ৰাতি,
যৌৱনৰ ধীৰ জাগৰণ।

ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ কমাৰফদীয়া গাঁৱত ল'ৰালিৰ সৰলতা মিলা-প্ৰীতিৰ অভাৱ দেখি কবিৰ অন্তৰত শোকৰ বহ্নি জ্বলি উঠিছে। কিয়নো কবিয়ে ওপজা গাঁওখনিৰ সৰলতা মিলা-প্ৰীতিৰ লেখিয়া আন কোনো গাঁৱত নাপালে। বিনন্দীয়া সৃষ্টিৰ প্ৰথম পোহৰৰ সন্ধান কবিয়ে পোনতে লাভ কৰিলে এই গাঁওখনিৰ বুকুতে। এই গাঁওখনিৰ বুকুতে আপোনজনৰ মৰম-চেনেহ লাভ কৰি যৌৱনত ভৰি দিছিলেহি। কিন্তু সময়ৰ সোঁতত সেই গাঁৱৰ অধঃপতন দেখি কবিৰ বুকুৰ কামিহাড় কঁপোৱা হুমুনিয়া ওলাইছে। গাঁৱত আজি আগৰ দৰে একতাৰ বান্ধ নাই। ভাৱনা-সবাহত উৎসাহ নাই। আন্তৰিকতা মিলা-প্ৰীতি নাই। অথচ এনেখন গাঁৱত উপজিয়ে জীৱনত অনুভৱ কৰিছিল সৰলতা মিলা-প্ৰীতিৰ এনাজৰি—

আই বুলি ভাই বুলি ককাই দেউতা বুলি
সকলোৰে ডিঙিত ওলমি,
যিবা সৰলতা শিক্ষা কৰিছিলোঁ তাহানিয়ে
তোৰ বুকুৰেই বান্ধ
সৰগৰ মৰমত পমি।

সময়ৰ সোঁতত অগ্ৰগতিৰ পথত আগ বাঢ়িলেও কবিৰ দৃষ্টিত গাঁৱৰ সেই শিক্ষাৰ স্থান বহু ওপৰত। কবিয়ে অতীত ৰোমন্থন কৰি শেষত মূৰ দোঁৱাইছে গাঁৱৰ আদিম শিক্ষাৰ ওচৰত——

সেই শিক্ষা আদি মোৰ সেই শিক্ষাতেই শেষ
সেই শিক্ষা সবাৰে শিৰত

সভ্যতাৰ সুধা পিন্ধা মানুহক ভুৱা দিয়া
জগতৰ মিছা শিক্ষা
থক তাৰ চৰণ তলত।

'মাতৃ-ভাষা' (খুপিতৰা) কবিৰ তেনে এটি সাৰ্থক কবিতা। থুনুক-থানাক মাতেৰে প্ৰথমতে মনৰ ভাব প্ৰকাশ কৰা ভাষাই মাতৃ-ভাষা। বনফুলৰ কবি দুৰ্গা ডাঙৰীয়াই হেনো পঢ়াশালীৰ শিক্ষা মাতৃ-ভাষাত শিকিব নোৱাৰি বঙলা ভাষাত শিকিব লগা বাবে দুখ কৰিছিল। নেওগ ডাঙৰীয়াৰ 'মাতৃ-ভাষা' কবিতাত মাতৃ-ভাষাৰ জয় গানৰ লগতে মাতৃ-ভাষাৰ প্ৰতি থকা কবিৰ আন্তৰিকতাও প্ৰকাশ পাইছে।

পোনতে যেতিয়া আছিলোঁ কেঁচুৱা
থুনুক-থানাক মাত
তুমিয়েনে মোক দিছিলা জননী
বুলাই কোমল হাত।

সেই মাতৃ-ভাষাতেই বিকাশ লাভ কৰি কবিয়ে ল'ৰাকালত জোনবাইৰ গুণ কীৰ্তন কৰিছিল। শিয়ালীৰ গীত গাইছিল, চিলনী আইলৈ বতৰা দিছিল। যৌৱন কালত চহা যুৱকৰ কণ্ঠত প্ৰেমৰ গান শুনিছিল মাতৃ ভাষাতেই। কবিয়ে 'মোৰ গাঁও'ৰ দৰে শেষত মাতৃ-ভাষাৰো মহিমা কীৰ্তন কৰিছে—

তোমাৰ নিচিনা বসুধাত আৰু
হব কোন মৰমৰ
হেৰা কাব্যময়ী পুণ্যময়ী ভাষা
মাতৃ ভাষা চেনেহৰ।

কবিৰ 'মোৰ গাঁও', 'মাতৃ-ভাষা' ব্যক্তিগত ভাব অনুভূতিৰ প্ৰকাশ হ'লেও কবিতাৰ আবেদন সাৰ্বজনীন।

'প্ৰথম প্ৰয়াস' কবিতাত কবিয়ে চোৰাব-ৰুস্তমৰ কৰুণ কাহিনী মৰ্মস্পৰ্শী ৰূপত প্ৰকাশ কৰিছে। কবিৰ লিখনিত চোৰাব ৰুস্তমৰ চৰিত্ৰৰ বিকাশ দেখুৱাৰ উপৰিও পিতৃৰ হাতত একমাত্ৰ পুত্ৰৰ মৃত্যুৰ কৰুণ কাহিনীয়ে পাঠকৰ হৃদয় ৰঞ্জন কৰিব পাৰিছে।

'আৱাহন', 'নৱা তৰা', 'শেষ কথা' আদি ইন্দ্ৰধনুৰ ভালেমান কবিতাত

কবিৰ অন্তৰ্দৃষ্টিৰ পৰিচয় পোৱা যায়। ভাব-প্ৰৱণ অথচ সংযত প্ৰকাশ-ভঙ্গীৰ বাবে তেওঁৰ কবিতাৰাজিৰ সমাদৰ বেচি।

আন কিছুমান কবিৰ দৰে নেওগ ডাঙৰীয়াই ব্যক্তি-প্ৰেম নাইবা প্ৰকৃতিক তেওঁৰ কবিতাত মুখ্যস্থান দিয়া নাই। ব্যক্তি-প্ৰেম বা প্ৰকৃতি বিষয়ক উল্লেখযোগ্য কবিতাৰ সংখ্যা কম। সেই বুলি তেওঁৰ কাব্যত প্ৰকৃতিক নিৰ্বাসন দিছে বুলিও কব নোৱাৰি। কবিতাৰাজিত প্ৰকৃতিৰ অনুপম বৰ্ণনা উপমা আদিৰ ব্যৱহাৰৰ কথা অস্বীকাৰ কৰিব নোৱাৰি।

'যৌৱনৰ শেৱালি বনত' (মোৰ গাঁও), 'শৰতৰ পূৰ্ণ শশধৰ' (শাপমুক্ত), 'নিমাতী কেতেকী কুলী' (যৌৱন বিদায়), 'ৰঙা বেলি ডটীয়াব' (যৌৱন যেতিয়া যাব), 'কাহিলি কাহিলি পোহৰ' (বিছতি) আদি অনেক প্ৰকৃতিৰ খণ্ড চিত্ৰ তেওঁৰ কবিতাত প্ৰকাশ পাইছে। কিছুমান কবিতাত প্ৰকৃতিৰ সজীৱ চিত্ৰ অঙ্কন কৰিছে।

পৰাণ বসন্ত মোৰ মাৰ নৌ যাওঁতেই
কুলিটিয়ে এৰে যদি গান
জয় পৰে ফুলনিৰ ফুল; ইত্যাদি।

নেওগ ডাঙৰীয়াৰ কবিতাৰ কল্পচিত্ৰসমূহো নিভাঁজ অসমীয়া। (নঙলামুখ, উপজিপুৰা, তুলাপাত ইত্যাদি)।

তেওঁৰ ৰচনাৰ আহি পাশ্চাত্যৰ ৰোমাণ্টিক কবিতা হ'লেও ভাৰতীয় দৰ্শনৰ দ্বাৰা পৰিপুষ্ট। আত্মাৰ নিবল ক্ৰন্দনৰ বাণীও তেওঁৰ কবিতাত অনুৰণিত হৈছে। সৰহভাগ অসমীয়া ৰোমাণ্টিক কবিৰে ৰচনাৰ আহি পাশ্চাত্যৰ ৰোমাণ্টিক কবিতা হ'লেও ভাৰতীয় দৰ্শনৰ দ্বাৰা পৰিপুষ্ট।

নেওগ ডাঙৰীয়াৰ কোনো কোনো কবিতাৰ পৰ্ব চৰণত অনা অসমীয়া কবিৰ প্ৰভাৱৰ কথা 'অসমা'ৰ পাতনিত ডক্টৰ বেণীমাধৱ বৰুৱাই উল্লেখ কৰিছে—

"অসমীয়া কবিৰ জাগৰণ গীতৰ পিচত আছে বঙালাৰ কবিসকলৰ প্ৰভাৱ। তেওঁৰ ভুবন মোহিনী উৰ্বশী ৰবীন্দ্ৰনাথৰ 'অয়ি ভুবন মন মোহিনী' তেওঁৰ 'জাগা জাগা শিখ জৈন খৃষ্টিয়ান হিন্দু-মুছলমান' ৰবীন্দ্ৰনাথৰ 'এসহে হিন্দু বৌদ্ধ শিখ জৈন খৃষ্টিয়ান হিন্দু-মুছলমান' জাতীয় সঙ্গীতৰ প্ৰতিধ্বনি।"

তাৰ উত্তৰো ডক্টৰ বেণীমাধৱ বৰুৱাৰ কথাৰেই দিব পাৰি—"যিজন

যিমান ডাঙৰ কবি তেওঁ সিমান পূৰ্ববৰ্তীৰ কাষত ঋণী। বিশ্বকবি ৰবীন্দ্ৰনাথ জানো সামান্য ঋণী!"

নেওগ ডাঙৰীয়াৰ কোনো কোনো কবিতাত ইংৰাজ কবিৰ পৰোক্ষ আৰু প্ৰত্যক্ষ প্ৰভাৱৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। থুপিতৰাৰ 'বকুলী', 'বিনাশ', 'অতীত স্মৃতি', 'আগন্তুক', 'তটিনী', 'গাঁৱলীয়া স্মৃতি', 'গৰবিণী' আদি কবিতাৰ ওপৰত ইংৰাজ কবিৰ পৰোক্ষ প্ৰভাৱ পৰিছে।

ৱৰ্ডচৱৰ্থৰ 'লুচী গ্ৰেৰ' সহজ সৰল অসমীয়া ৰূপান্তৰ 'বকলী'। দুৰ্গেশ্বৰ শৰ্মাই 'লুচীক' 'সাদৰী' ৰূপত সজাইছিল। কবিয়ে লুচীক সহজ সৰল নিভাঁজ অসমীয়া বকুলীৰূপত সজাই তুলিছে—

নগৰীয়া সমনীয়া নাই বকুলীৰ
বাস কৰে নিজান বনত
একোপাহি সৰগৰ পাৰিজাত ফুল
ফুলিছিল চোতাল আগত।

No mate no comrade Lucy knew
She dwell on wide moor
The sweetest things that even grew
Beside a human door.

অসমৰ পাৰিপাৰ্শ্বিকতাৰ লগত সামঞ্জস্য ৰাখি কবিয়ে মূল কবিতাত থকা লুচীয়ে বাপেকৰ নিৰ্দশত মাকক বৰফৰ মাজেৰে লেম দেখুৱাই যোৱা চিত্ৰৰ সলনি ধুমুহাৰ বিপৰ্য্যস্ত চিত্ৰহে কল্পনা কৰিছে।

সাৰিব ধুমুহা আজি মেঘ ওন্দোলায়
আই তই যাবি গাঁৱলই
ৰাতি হব কৰবাত সাৰৰ বাটত
যাবিদেই আগ বাঢ়ি তই।

To night will be a stormy night
You to the town must go
And take a lantern child to light
You mother through the sun.

শেলী, টেনিচনৰ কবিতাৰ ভাঙনীটো কবিৰ দক্ষতা প্ৰকাশ পাইছে। অনুবাদ নাইবা বিদেশী কবিতাৰ অসমীয়া ৰূপান্তৰ নিভাজ আৰু সহজ সৰল।

ভৰডেকা বয়সৰ ৰচনা হ'লেও ইন্দ্ৰধনুৰ কবিতাৰাজিত কবিৰ কবি প্ৰতিভা প্ৰকাশ পাইছে। ব্যক্তি-প্ৰেম আৰু স্বদেশ-প্ৰেম ইন্দ্ৰধনুৰ কবিতাৰাজিৰ প্ৰাণকেন্দ্ৰ। নেওগ ডাঙৰীয়াই অকল ইন্দ্ৰধনু ৰচনা কৰি আন কবিতা ৰচনা নকৰা হ'লেও অসমীয়া কাব্য আকাশত জিলিকি ৰলহেঁতেন।

॥ পৰিশিষ্ট ॥

ডিম্বেশ্বৰ নেওগ : জীৱন পৰিচিতি

ডক্টৰ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী

'ইন্দ্ৰধনু'ৰ কবি ডিম্বেশ্বৰ নেওগ আছিল অসমীয়া সাহিত্যাকাশৰ এটি উজ্জ্বল নক্ষত্ৰ। তেওঁৰ সাহিত্যিক জ্যোতিৰেখাই অসমীয়া সাহিত্য-কানন বহু-পৰিমাণে আলোকিত কৰি ৰাখিছে। কৈশোৰৰ দুৰাৰডলিত ভৰি দি তেওঁ যি কাপ হাতত তুলি লৈছিল সি আৰু কোনো দিনে নীৰৱ হোৱা নাছিল ; বৰং মৃত্যুৰ আগৰ কেইবছৰমানত সি অধিকতৰ শক্তিশালীহে হৈ উঠিছিল। প্ৰায় আঢ়ৈ কুৰি বছৰ কাল ব্যাপি সাহিত্য চৰ্চা কৰিও ভাগৰি নপৰা এই গৰাকী ব্যক্তিৰ সাহিত্যিক প্ৰতিভা আছিল বহুমুখী। সেইবাবেই নেওগদেৱক সাহিত্যযোগী আখ্যা দিয়া হয়। সাহিত্যৰ প্ৰায়বিলাক শাখা-প্ৰশাখাতে তেওঁৰ সমান বিচৰণ, ক'তো তেওঁৰ বাধা নাই, সকলো ক্ষেত্ৰতে তেওঁৰ পূৰ্ণ অধিকাৰ। কাব্য ৰচনা, গীত ৰচনা, নাট্য ৰচনা, পুৰাতত্ত্ব-ভাষাতত্ত্ব-ধৰ্ম সম্পৰ্কীয় নানা বিষয়ক চিন্তাশীল প্ৰবন্ধ ৰচনা, জীৱনী ৰচনা, বুৰঞ্জী প্ৰণয়ন, সমালোচনা প্ৰভৃতি সকলো ক্ষেত্ৰতে তেওঁৰ উল্লেখযোগ্য বৰঙনি আছে। নানা বিষয়ৰ তথ্যপূৰ্ণ পুথি প্ৰণয়ন কৰাৰ উপৰিও তেওঁ নিজেই নিজৰ পুথি প্ৰকাশৰ দায়িত্ব লৈছিল। চিন্তা-শীল তত্ত্বগধুৰ বিষয়ক পুথি লিখা যিমান টান কাম, তাৰ প্ৰকাশৰ দায়িত্ব লোৱাটো আৰু টান কাম ; কিন্তু নেওগদেৱৰ নিচিনা কৰ্মযোগী পুৰুষৰ কাৰণে সিও সহজসাধ্য হৈ পৰিছিল। একাধাৰে তেওঁ আছিল লিখক, প্ৰকাশক আৰু প্ৰচাৰক। এনেহেন এগৰাকী ব্যক্তিৰ পৰলোকত দেশ মৃত্যু-বিচ্ছেদ শোকৰ দ্বাৰা প্লাবিত হোৱাটো স্বাভাৱিক। নেওগদেৱৰ মৃত্যুত অসমীয়া নবীন প্ৰবীণ সাহিত্যিকৰ সংযোগ স্থাপনকাৰী এগৰাকী শক্তিশালী লিখকৰ জীৱনৰ অন্ত পৰিল। প্ৰতিজন অসমীয়া সাহিত্যিকে আজি সেই কথা অনুভৱ কৰিছে।

ডিম্বেশ্বৰ নেওগৰ জন্ম ১৮৯৯ চন অৰ্থাৎ ১৮২১ শকৰ ২২ শাওণত, শিৱসাগৰ জিলাৰ নগৰ মহল মৌজাৰ অন্তৰ্গত কমাৰ ফদীয়া গাঁৱত। তেওঁৰ

পিতাক আছিল মাণিকচন্দ্ৰ নেওগ। সৰু কালৰেপৰা নেওগ গহীন স্বভাৱৰ আছিল বাবে বহুতে তেওঁক সাগৰ বুলিও মাতিছিল। কমাৰ ফদীয়া গাঁৱতে তেওঁৰ শিক্ষাৰম্ভ হয়। ১৯০৯ চনত তেওঁ প্ৰতিযোগিতা-মূলক বৃত্তি লাভ কৰি প্ৰাথমিক শিক্ষাৰ অন্ত পেলায় আৰু ১৯১০ চনৰ জানুৱাৰী মাহত শিৱসাগৰ উচ্চ বিদ্যালয়ত ভৰ্তি হয়গৈ। সৰু কালৰে-পৰাই নেওগৰ পঢ়া-শুনাত প্ৰবল ধাউতি আছিল। যি মূলা বাঢ়িব তাৰ দুপাততেই চিন। এই প্ৰবাদ বাক্যৰ লক্ষণ সম্ভৱতঃ নেওগদেৱৰ স্বভাৱ-চৰিত্ৰৰ মাজত ফুটি ওলাইছিল। সেইবাবেই উক্ত বিদ্যালয়ৰ ইংৰাজী শিক্ষক শ্ৰীৰাজেন্দ্ৰনাথ বৰুৱাই ভৱিষ্যদ্বাণী কৰি কৈছিল, "ডিম্বেশ্বৰ নেওগ বৰ লোক হব।" এই কথাৰ তাৎপৰ্য্য আজি আৰু উল্লেখ কৰা নিষ্প্ৰয়োজন।

কুৰি বছৰ বয়সত অৰ্থাৎ ১৯১৯ চনত তেওঁ প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ গুৱাহাটীলৈ গুচি আহে আৰু কটন কলেজৰ বিজ্ঞান শাখাত ভৰ্তি হয়। দুবছৰ পাচত ১৯২১ চনত আই. এছ-চি. পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সেই কলেজৰপৰাই দুবছৰ পাচত ১৯২৪ চনত তেওঁ সুখ্যাতিৰে বি. এছ-চি. পৰীক্ষাতো উত্তীৰ্ণ হয়।

কলেজত পঢ়ি থকা সময়তে তেওঁ প্ৰখ্যাত অসমীয়া ৰোমাণ্টিক কবি চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ সান্নিধ্যলৈ আহে। আগৰৱালাদেৱে নেওগ ডাঙৰীয়াক তেওঁৰ ব্যৱসায়ৰ সহযোগীৰূপে কাৰ্য্যভাৰ দিবলৈ ইচ্ছা প্ৰকাশ কৰি 'অসম প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিছাৰ্ছ'ৰ দহ হাজাৰ টকাৰ অংশও তেওঁৰ নামত দান কৰি দিবলৈ ওলাল ;[১] কিন্তু তেনেকুৱা ব্যৱসায়ৰ প্ৰতি নেওগৰ অকণো হাবিলাস নাছিল। আনহাতে সেই সময়ত তেওঁৰ মন নানা উচ্চাকাঙ্ক্ষাৰ দ্বাৰা প্ৰলোভিত, শৰীৰত সাহিত্য-প্ৰেমী যুৱকৰ শক্তি, হাতত তেজী কাপ আৰু সৰ্বোপৰি ছাত্ৰ সমাজৰ জাতীয় সংগঠনৰ আহ্বান। সেয়ে তেওঁ ছাত্ৰ সন্মিলনৰ প্ৰধান সম্পাদকৰ গুৰুভাৰ কান্ধ পাতি ললে আৰু ১৯২১ চনৰপৰা '২৪ চনলৈকে সেই দায়িত্বতে থাকি সন্মিলনৰ মুখপত্ৰ 'জন্মভূমি' আৰু পাচত 'মিলন' কাকতৰো সম্পাদনা কৰিবলৈ ধৰিলে।

আগৰৱালাদেৱৰ আমন্ত্ৰণ নেওচি নেওগদেৱে চৰকাৰী চাকৰি বিচাৰি-বলৈ ধৰিলে। তেতিয়াৰেপৰা তেওঁ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকতা বৃত্তি লৈ তাকেই জীৱিকাৰ প্ৰধান অৱলম্বনৰূপে পৰিগ্ৰহ কৰি

[১] ডিম্বেশ্বৰ নেওগৰ 'মোৰ জীৱন-ৰহস্য' প্ৰবন্ধ দ্ৰষ্টব্য।

ললে। তেওঁ একুৰি বাৰ বছৰ কাল শিক্ষকতা কৰি যোৰহাট নৰ্মাল স্কুলৰ অধ্যক্ষ পদৰপৰা অৱসৰ ললে। নেওগদেৱে অসমৰ ইমূৰৰপৰা সিমূৰলৈকে শিক্ষকতা কৰি ঘূৰি ফুৰা সময়ত বিভিন্ন ঠাইৰ সামাজিক পৰিবেশৰ নানা দিশ অধ্যয়ন কৰাৰ সুযোগ পাইছিল। শিক্ষক হিচাবে নেওগদেৱৰ যথেষ্ট সুনাম বৈ গৈছে। তেওঁৰ যি কোনো পুৰণি ছাত্ৰই নেওগৰ প্ৰশংসাত পঞ্চমুখ। তথাপি বোলে তেওঁৰ চাকৰি কৰা কাল-ছোৱা আছিল তিক্ততাৰ জীৱন। চাকৰি কৰি থকা সময়তে তেওঁ ১৯৩৭ চনত বি.টি. পৰীক্ষাত উত্তীৰ্ণ হয়। সেই সময়তে কলিকতা বিশ্ববিদ্যালয় অসমীয়াৰ এম.এ. শ্ৰেণী খোলে। ডিম্বেশ্বৰ নেওগে সেই সুযোগটো এৰি নিদিলে। তেওঁ সুখ্যাতিৰে অসমীয়াৰ এম.এ. ডিগ্ৰী ললে; অৱশ্যে তেওঁ দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিল যদিও অসমীয়াৰ এম.এ. ডিগ্ৰী লোৱা প্ৰথম দলটোৰ ভিতৰত তেওঁ প্ৰথম হৈছিল।

১৯৩০ চনৰ ১১ ডিচেম্বৰত প্ৰায় একত্ৰিশ বছৰ বয়সত নেওগ ডাঙৰীয়াই সুসাহিত্যিক ৺বেণুধৰ ৰাজখোৱাদেৱৰ কন্যা শ্ৰীমতী আজলীতৰা ৰাজখোৱাৰ পাণি গ্ৰহণ কৰে। শ্ৰীমতী নেওগ আছিল এগৰাকী শান্ত প্ৰকৃতিৰ ধৈৰ্য্যশীলা নাৰী। বিবাহিত জীৱনৰ উনৈশ বছৰ পাচত অৰ্থাৎ ১৯৪৯ চনৰ ১ ডিচেম্বৰৰ দিনাখন শ্ৰীমতী নেওগে মৃত্যু বৰণ কৰে। পত্নী-বিয়োগত নেওগদেৱ হতাশ হৈ পৰিছিল যদিও তেওঁ লিখনী সামৰা নাছিল।

শিক্ষকতা কৰি থকা কালছোৱাতে নেওগদেৱে সৰহ সংখ্যক কিতাপ লিখি গৈছে। 'মালিকা' তেওঁৰ প্ৰথম কবিতাৰ পুথি। ১৯২১ চনত প্ৰকাশিত হোৱা এই পুথিখনি তেওঁৰ জনৈক সহপাঠী মণিৰামৰ মৃত্যু-বিয়োগত যি গভীৰ শোক পাইছিল তাৰেই মূৰ্ত প্ৰকাশ। তেওঁৰ আন এখনি কাব্য 'শ্বহিদান' দীঘলীয়া পাঁচটা কবিতা মৰুৰ নিজৰা, সৌন্দৰ্য্য সাধক, প্ৰথম প্ৰয়াস, বাঁহীৰ অমিয়া আৰু ওমৰ দৰ্শনৰ সমষ্টি। এই কবিতা কেইটা প্ৰথমতে 'বাঁহী', 'জেউতি', 'সাধনা', 'মিলন' আদি কাকতত প্ৰকাশ হৈ যোৱাৰ বহুকাল পাচতহে ১৮৭৩ শকত পুথি আকাৰে ওলায়। শ্বহিদান কাব্য নেওগদেৱৰ কাব্য প্ৰতিভাৰ এটি চমৎকাৰ নিদৰ্শন।[2] তাৰ দুবছৰ পাচত নেওগৰ অসমীয়া ব্যাকৰণৰ বৈশিষ্ট্যৰ ওপৰত যুগুত কৰা 'শুধ অসমীয়া' পুথিখনি ওলায়। নেওগদেৱৰ ভাষাত এই পুথিৰ মূল বিষয় আছিল—"অসমীয়া ব্যাকৰণৰ স্বতন্ত্ৰতা; আখৰ যোঁটনিৰ

[2] খান বাহাদুৰ ছয়িদুৰ ৰহমান লিখিত এই কাব্যৰ 'ভূমিকা' দ্ৰষ্টব্য।

বৈশিষ্ট্য; সন্ধি সমাস আদিত সপ্তম শতিকাৰ অসমীয়া ভাষাৰ স্বাধীনতা; অসমীয়া উচ্চাৰণৰ বিশেষত্ব; চলিত অভিধান ব্যাকৰণৰ আসোঁৱাহৰ আলোচনা; অসমীয়া তদ্ধিত, কৃৎ আৰু স্ত্ৰী প্ৰত্যয়; একাৰ্থক, সদৃ-শাৰ্থক, বিপৰীতাৰ্থক শব্দমালা; অসমীয়া শব্দ বিভাগ; শব্দ গঠন, শব্দ যোজনা, জতুৱা ঠাঁচ আৰু ভুল শুধৰণী।" অসমীয়া ভাষা তথা ব্যাকৰণ অধ্যয়নৰ ক্ষেত্ৰত এইখন এখনি উপাদেয় পুথি। নেওগদেৱৰ আন এখনি কবিতা সমষ্টি 'বিচিত্ৰা' উনচল্লিশটা কবিতাৰ সঙ্কলন। প্ৰেম, প্ৰণয়, বিৰহ, বিচ্ছেদ আদি প্ৰেমৰ বিভিন্ন দিশত ৰেখা-পাত কৰা এই কবিতাৰাজি ইতিপূৰ্বে 'বাঁহী' আদি আলোচনীত প্ৰকাশ হৈ গৈছিল। 'অসমা' নেওগদেৱৰ আন এখনি লেখত লবলগীয়া কবিতাৰ পুথি। ইয়াত সন্নিবিষ্ট কবিতাখিনিৰ মাজেদি দেশপ্ৰেমৰ গভীৰ স্ৰোত প্ৰবাহিত হোৱা দেখা যায়। কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপক ত্ৰিপিটকাচাৰ্য্য বেণীমাধৱ বৰুৱাদেৱে এই কাব্যৰ ওপৰত এইবুলি মন্তব্য কৰি গৈছে; "অধ্যাপক সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই জীৱন ব্যাপি একনিষ্ঠ সাধনাৰে অসমৰ বুৰঞ্জী-সমুদ্ৰ মথি আমালৈ যি অমৃত তুলিলে সি সাৰ্থক হৈছে নেওগ কবিৰ অতুলনীয় লিখনীত।" ইতিহাস আৰু কবিতাৰ সাৰ্থক সমন্বয়ৰ অপূৰ্ব চানেকি এই 'অসমা'।

১৮৭০ শকত প্ৰকাশিত 'থাপনা'ত সন্নিবিষ্ট কবিতা কেইটা ১৯২২-২৭ চনৰ ভিতৰত লিখা। এইখিনি কবিতাও 'জনমভূমি', 'অৰুণ' আৰু 'বাঁহী' কাকতত ইতিপূৰ্বে প্ৰকাশ হৈ গৈছিল। থাপনাৰ কবিতা-ৰাজিত স্বদেশানুৰাগ আৰু আধ্যাত্মিক ভাবৰ ছিটিকনি মন কৰিবলগীয়া। 'আকুল পথিক', 'ফাগুনী' আৰু 'বিহুৱতী' এই তিনিখন লোকগীতৰ সংগ্ৰহৰ অপূৰ্ব সমন্বয় 'বনবেনু' ১৯৬১ চনত প্ৰকাশিত হয়। অৱশ্যে এই তিনিখন লোকগীত সংগ্ৰহ ভিন্ন আন একো নহয়। 'মালতী' আৰু 'মুকুতা' আন দুখনি কবিতাৰ পুথি। ইয়াৰ বাহিৰেও 'ভোগ-জৰা', 'থুপিতৰা' আৰু 'ইন্দ্ৰধনু' তেওঁৰ বিখ্যাত কবিতাৰ পুথি। ইন্দ্ৰ-ধনুৰ কবিতাসমূহ ইমান জনপ্ৰিয় আছিল যে সেই পুথিৰ নামৰ অনুকৰণত অসমীয়া সাহিত্যানুৰাগীসকলে নেওগদেৱক ইন্দ্ৰধনুৰ কবিৰূপে পৰিচয় দিব খোজে। নেওগদেৱৰ শিক্ষকতা বৃত্তিৰ 'তিক্ত অভিজ্ঞতাৰ' মাজতো এনেদৰে কাব্য-চৰ্চা কৰাটো সচাকৈয়ে আচৰিত কথা। সেই তিক্ততাৰ মাজতো কাব্যত খতিখুন নোহোৱা ভাষাৰ প্ৰয়োগ, ভাবৰ মাধুৰ্য্য আৰু ভাষাৰ লালিত্য, কবিৰ স্বভাৱসুলভ ভাবাবেগৰ আকুলতা আৰু গভীৰ আন্তৰিকতা সুন্দৰভাৱে ফুটি ওলাইছে। সেইটোৱে নেওগৰ কাব্যৰ বিশেষত্ব।

নবেন্দ্ৰৰ দিনাখন পুৱতি নিশা হঠাৎ তেওঁৰ জীৱনবন্তি চিৰদিনৰ বাবে নিৰ্বাপিত হৈ পৰে ।

নেওগদেৱৰ মৃত্যুৰ লগে লগে অসমীয়া সমাজে 'অসমীয়া ভাষা সাহিত্যৰ আঁকোৰগোঁজা সাধকজনক' হেৰুৱালে । তথাপি তেওঁৰ ৰচনা-ৰাজিয়ে আমাক সদায় সোঁৱৰাই থাকিব যে 'অসমখন অসমীয়াৰহে' । ৰাজনীতিৰ লগত সক্ৰিয় সম্পৰ্ক নথকা সত্বেও তেওঁৰ এই অসম-প্ৰেমৰ পৰিচয় সকলো ক্ষেত্ৰতে পোৱা যায় । অসমীয়া সাহিত্যৰ নিৰ্ভীক কাণ্ডাৰী-জনৰ এষাৰ কথা আজি বাৰে বাৰে মনত পৰিছে । নেওগদেৱৰ সেই কথাষাৰ উল্লেখ কৰি তেওঁৰ স্বৰ্গগত আত্মাৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰি প্ৰবন্ধৰ সামৰণি মৰা হ'ল : "মৰে অসম, জীয়ে কোন ? জীয়ে অসম মৰে কোন ? এয়ে আজি অসমীয়া জাতিৰ নতুন জীৱনৰ বিজয় হুঙ্কাৰ । অসমী জীয়াই থাকিব লাগিব ; আৰু অসমীৰ বুকুৰ কুটুম কোনো মৰিব নোৱাৰিব : এয়ে আমাৰ জাতীয় পণ ।"

মই কিয় লিখোঁ

ডিম্বেশ্বৰ নেওগ

'মই নিলিখি নোৱাৰোঁ', এয়ে মোৰ পোনপটীয়া উত্তৰ । পোনতে এঘাৰ-বাৰ বছৰ বয়সত আমাৰ হাতে লিখা আলোচনী 'ভুমুকি'ৰ বাবে দুই-এটা গদ্য-পদ্য প্ৰবন্ধ লিখিছিলোঁ, বোধকৰোঁ দেখাক দেখি বা সম্পাদকীয় অনুৰোধত । কিন্তু চৌধ-পোন্ধৰ বছৰ বয়সৰপৰা বিশেষকৈ কবিতা লিখি-বলৈ, নিজৰ ভিতৰৰপৰা এটা প্ৰেৰণা সদায় অনুভৱ কৰি আহিছোঁ । ১৯১৪ চনৰ আগছোৱাত কবিতাৰে বন্ধু-বান্ধৱীলৈ চিঠি লিখিবলৈ ধৰোঁ আৰু শেষছোৱাত শিৱসাগৰৰ বিমলালয় সভাৰ প্ৰথম ছমহীয়া উৎসৱত পঢ়িবলৈ (পাচত মোৰ 'মালতী'ত ঠাই পোৱা) ভক্তিমূলক 'আভাস' কবিতাটি লিখোঁ । এই কবিতাটিৰ বাবেই ৰাজহুৱাভাৱে মই প্ৰথম উদগনি পাওঁ । তেতিয়াৰপৰা আজিলৈকে এনে অশেষ উদগনি পোৱাৰ সৌভাগ্য মোৰ জীৱনত ঘটিছে, আৰু তাৰ বাবে উদগনি যাচোঁতাসকলৰ মৰমৰ ধাৰত মই জন্মে জন্মে যে পোত গৈ থাকিম ই ধ্ৰুৱ । মোৰ বিশ্বাস এই উদগনিবোৰে মোক গঙাটোপ বা ধন-মান-যশৰ লুভীয়া কৰা-তকৈ আত্মপ্ৰত্যয় জন্মাই সমাজৰ প্ৰতি এক পৱিত্ৰ কৰ্তব্যলৈহে মোক সকিয়াই দিছিল ।

১৯১৫ মোৰ বাবে প্ৰথম অগ্নিপৰীক্ষাৰ বছৰ । মোৰ কবিতাৰ প্ৰতি মোৰ বন্ধু-বান্ধৱৰ, ঘাইকৈ সহপাঠীসকলৰ মোহ আৰু দাবী ক্ৰমে বাঢ়ি অহা অনুপাতে মোৰো অনুপ্ৰেৰণা বাঢ়ি আহিল আৰু বিপৰীত ফালে ঠিক সেই অনুপাতে শ্ৰেণীৰ পাঠ্য-ক্ৰমলৈ মোৰ আওহেলা চৰি আহিল । কবলৈ লাজ লাগে, শ্ৰেণীলৈ দিনেকীয়া পাঠেৰে সাজু হৈ যোৱাতকৈ দিনে দুই-তিনিটা কবিতা লিখি নি অঙ্কৰ ঘণ্টাত মোৰ কবিতাৰ ভক্তসকলেৰে পিচৰ বেঞ্চত বহি সেইবোৰ পঢ়া আৰু সেই বিষয়ৰ আলোচনা কৰাই মোৰ নিত্য-নৈমিত্তিক কৰ্ম হৈ পৰিছিল । আমাৰ সেই সময়ৰ শিক্ষকসকলৰো প্ৰায় ভাগেই সাহিত্য সেৱাৰ প্ৰতি সচেতন আছিল ; ১৯১৪—১৫ত

আমাৰ অসমীয়া শিক্ষক ('জোনাকী' যুগৰ নীৰৱ সাহিত্যসেৱী) ৺তীৰ্থনাথ কাকতীয়ে মোৰ ৰচনাবোৰত দহৰ ভিতৰত আঠ, ন, সৰ্বসাধাৰণতে দহ, মূল্যাঙ্কন কৰিছিল, আৰু মোক 'অঠৰ' (গ্ৰন্থকাৰ) বুলি মাতিছিল। মোৰ কবিতাৰ জোৱাৰ আৰু পাঠ্য-সূচীৰ ভাটাৰ কথা মোৰ অভিভাৱক আৰু প্ৰধান শিক্ষকৰ কাষ পালেগৈ; তেওঁলোকৰ সতৰ্ক বাণীয়েও কোনো গুণ নিদিলে। "প্ৰকৃতিং যান্তি ভূতানি, নিগ্ৰহঃ কিং কৰিষ্যতি?" শেষ পৰিণতিত বছেৰেকীয়া পৰীক্ষাত বুৰঞ্জী অসমীয়া প্ৰভৃতি বিষয়ত প্ৰথম দ্বিতীয় স্থান অধিকাৰ কৰিও অঙ্ক বিষয়ত এশৰ ভিতৰত মুঠেই পোন্ধৰ পোৱাত অষ্টম মান শ্ৰেণীত প্ৰমস্যন বন্ধ হ'ল।

ছাত্ৰ আলোচনী

১৯১৬ত শ্ৰেণীত দ্বিতীয় স্থান অধিকাৰ কৰি উত্তীৰ্ণ হ'লোঁ যদিও কবিতা লিখা আৰু হাতে লিখা 'ভুমুকি' উলিওৱা ৰোগ মোৰ নুগুচিল। ছাত্ৰৰ আলোচনীৰ উপৰি সেই সময়ত আমাৰ শিক্ষকসকলে 'মালতী' নামৰ এখন হাতে লিখা কাকত উলিয়াইছিল। তাৰ সম্পাদক শিক্ষকজনে প্ৰথম সংখ্যাৰ প্ৰথমত দিবলৈ মোক এটি কবিতা লিখিবলৈ কোৱাত তেতিয়ালৈকে শিৱসাগৰৰপৰা ওলোৱা হাতে লিখা আলোচনীৰ বৰ্ণনাৰে 'মালতী' বোলা কবিতা এটি লিখি দিলোঁ, আৰু সি সেইদৰেই ঠাই পালে। আমাৰ শিক্ষক মহলত গুণা-গথা হ'ল ইমান সৰু ল'ৰাটিয়ে এনে এটি শুৱলা কবিতা লিখা সম্ভৱ নহয়; ইহাতেও কোনো কিতাপৰপৰা নকল কৰা হব নোৱাৰে যেতিয়া নিশ্চয় কোনোবা পৈণত বয়সৰ লেখকৰ হতুৱাই কবিতাটি লিখাই অনা হৈছে। এই সিদ্ধান্তত উপনীত হৈ এজন শিক্ষকে মোক মতাই নি সুধিলে, আৰু তেনে সন্দেহত আচৰিত হৈও মই নম্ৰ ভাৱে উত্তৰ দিলোঁ; তেখেত তাতো পতিয়ন নগৈ মোক তেতিয়াই শ্ৰেণীত বহি আম বা কঠালৰ বিষয়ে এটি কবিতা লিখি আনিবলৈ ক'লে, আৰু পাচত মোৰ 'মালতী'ত ঠাই পোৱা 'আম' কবিতাৰ সেয়ে জন্ম কথা। ১৯১৭ত শিৱসাগৰৰ জয়সাগৰৰ পাৰত হোৱা জয়মতী উৎসৱত ৰচনা আৰু কবিতাৰ প্ৰতিযোগিতা পতা হয়; মই প্ৰতিযোগিতাত যোগ দিব খোজাত মোৰ কবিতানুৰাগী সহপাঠী বন্ধু কেজনমানে মোক হাক দিলে, যিহেতুকে শিৱসাগৰৰ দুইটা উচ্চ ইংৰাজী বিদ্যালয়ৰ কেইৰাজনো ছাত্ৰই বয়সস্থ লিখকৰ হতুৱাই কবিতা আৰু ৰচনা লিখাই নি প্ৰতিযোগিতাৰ বাবে দিয়া কথা তেওঁলোকে নিজে জানে। খন্তেকলৈ

দোধোৰ-মোধোৰত পৰিলেও শেষত মই প্ৰতিযোগিতাত যোগ দিলোঁ; সৌভাগ্যক্ৰমে উভয় প্ৰতিযোগিতাত ময়ে প্ৰথম স্থান লাভ কৰিলোঁ।

১৯১৮ত মই দশম মান শ্ৰেণীলৈ উন্নীত হওঁ আৰু ইয়াৰ ভিতৰতে বহুত মৌলিক আৰু ভাঙনী কবিতা লিখোঁ। কিন্তু কি মৌলিক কি ভাঙনী কোনো কবিতাতে মোৰ অনুপ্ৰেৰণাৰ অভাৱ নাছিল, আৰু প্ৰেৰণা নাপালে লিখিবৰ কোনো আৱশ্যক মই কেতিয়াও বোধ কৰা নাই। শ্ৰেণীত বহি আৰু বন্ধু-বান্ধৱৰ লগত কথা পাতি খেমালিৰ চলেৰে লিখা কবিতাও ভালেখিনি আছে। বহুতে আদৰ কৰা মোৰ 'মৰম ভিখাৰী' আৰু 'আক্ষেপ' কবিতা দুটিও মই দশম মান শ্ৰেণীত পঢ়োঁতেই লিখা। 'আক্ষেপ' কবিতাটি দীঘল, কিন্তু তাক লিখিবলৈ মোৰ মুঠেই কেইমিনিটমান সময় লাগিছিল, আৰু লিখোঁতে মোৰ প্ৰেৰণা অনুপাতে লিখনি চলিবপৰা নাছিল যে সেই কথা আজিও ফটফটীয়াকৈ মনত আছে। ১৯২২—২৩ মানত এই কবিতাটি 'বাঁহী'ত ছপা হয়; তেতিয়া ঢাকাত বি.টি. পঢ়ি থকা মোৰ এজন বয়োজ্যেষ্ঠ সাহিত্য-সেৱী গুৱাহাটীৰ ৺শান্তিৰাম দাসে ১৯২৯ত তেওৰ লগত প্ৰথম চিনাকী হওঁতে কৈছিল বোলে 'বাঁহী'ত মোৰ সেই কবিতাটো পঢ়ি মুখস্থ কৰি তেওঁ সেই ভাৱত বলিয়া হোৱা হেন হৈছিল। অসমীয়াৰ উপৰিও মই তেতিয়া বঙলা, সংস্কৃত আৰু ইংৰাজী ভাষাত কবিতা লিখিছিলোঁ; বঙলাত লিখা কবিতা এতিয়া হাতত নাই; কিন্তু সংস্কৃতত লিখা মাত্ৰ 'শৃণুৰে সুখ-সংগীতম্' মোৰ 'সঁফুৰা'ত আছে। আৰু ইংৰাজীত লিখা— 'Heaven is Love,' 'Duty's Call' আদি কবিতা ১৯১৮ত মোৰ সম্পাদনাত ওলোৱা হাতে লিখা 'ভুমুকি'ৰ এসংখ্যা একমাত্ৰ নিৰ্দৰ্শন ৰূপে মোৰ হাতত আছে। বিশ্ববিদ্যালয়ৰ তৃতীয় চতুৰ্থ বাৰ্ষিক শ্ৰেণীত পঢ়োঁতে লিখা 'Tooth Brush'ৰ নিচিনা খেমেলীয়া আৰু গহীন দুই এটা ইংৰাজী কবিতাও মোৰ হাতত আছে।

প্ৰকৃতিৰ লগত আত্মীয়তা

১৯১৯ত মই কটন কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণীত ভৰ্তি হওঁ, আৰু দেহতকৈ আগতে গুৱাহাটীত প্ৰকৃতিৰ লগত মোৰ আত্মীয়তা ঘটে। কটন কলেজৰ ১৯১৮—১৯ৰ শেহতীয়া সংখ্যা হাতে লিখা 'সেউতী'ৰ প্ৰথমতে মোৰ 'আকাশ-বাণী' বোলা কবিতাটি ওলায়, আৰু তাৰ——

"কবিৰ কল্পনা খেলা কৰি অৱসান
অলপতে বুৰিব তপন
চূৰ্ণ হব অন্তৰৰ প্ৰেম-অভিমান
পৰাণত বাজিব যাতন।"

কবিতা কাঁকি নীলাচল আৰু অশ্বক্লান্তৰ মাজৰ ব্ৰহ্মপুত্ৰৰ বুকুত যাৰ যোৱা বেলিয়ে মোৰ মনত তোলা প্ৰতিচ্ছবি মাত্ৰ। এই দৃশ্য বহলাই বৰ্ণাই ১৯২০ত লিখা মোৰ আনটি কবিতা 'সন্ধিয়া'। পৰ্বত সমতল মিহলি প্ৰাগজ্যোতিষপুৰৰ প্ৰকৃতিয়ে মোৰ করুণ প্ৰাণত আবেগৰ কেনে শিহৰণ তুলিছিল সি ৰূপকৰ আৱৰণেৰে প্ৰকাশ পাইছে মোৰ 'পাগলী' কবিতাত, যদিও সেই আৱৰণ দাঙি তাক বহুতেই চোৱা নাই।

"কিয় তুমি, পাগলী,
মুক্ত কেশে' মত্ত বেশে'
শূন্য ধৰা আঁকোলি ?
বিশ্ব জগত মতলীয়া
পূৰ্ণ আজি নীলিম হিয়া
ৰূপ-গন্ধ-ৰসেৰে ;
তাৰ মাজত কিয় তুমি
উতল বায়ুৰ লহৰ চুমি
ফুৰা উন্মত্ত বেশেৰে ?
ৰতি-সুখত মজা চকু
যৌৱন-গৰ্বে উঠা বুকু
মদন মোহা নিতম্ব ;
হস্ত মৃণাল কঁপি কঁপি,
অৰূপ ৰূপৰ মালা জপি
পিন্ধোৱা কোন অনঙ্গ ?
পৰ্বত মালাৰ দূৰে দূৰে
বুকুৰ নীলিম বস্ত্ৰ উৰে,
মুগ্ধ কৰে উদাসী,
কৃষ্ণ মেঘৰ চুলি তাঁৰি,
বয় পাণ্ডু গণ্ড জুৰি,
হেৰা পূৰ্ণ ষোড়শী।

আজি উদাৰ গগন তলে
গায় বিহগ দলে দলে
নাচে সপোন কুমাৰী ;
কত যুগৰ অতীত স্মৃতি
কত কালৰ মিলন গতি
উঠে হৃদয় গুমৰি।
নতুন ফুলে নতুন পাতে
কত কালৰ স্মৃতি মাতে,
কত আবেগ অমুৰি !
তোমাৰ প্ৰাণত নৱ-যৌৱন
আহি পালে কঁপাই পৱন
দিলে ইমান জুমুৰি ?
ইমান আকুল হিয়াখনি,
বায়ুৰ ইমান হেন্দোলনি,
কোননো ৰ'ব থিৰেৰে।
সেইহে জানো আকাশ জুৰি
তোমাৰ বসন পৰে উৰি
ডাৱৰ খেলি ধীৰেৰে ?"

প্ৰাগজ্যোতিষৰ বাসন্তী প্ৰকৃতিৰ প্ৰেৰণাত ১৯২২ত লিখা কবিতা 'কণ্ঠহীন' —

আজি—শতেক বনৰ গুপুত মনৰ
ব্যাকুলতা ধীৰে জাগিছে য'ত,
বিৰহী ৰোদনে বিহগ কণ্ঠেৰে
বসন্ত ৰাগিণী তুলিছে ত'ত ;
আজি সি সুৰত মোৰ ই কণ্ঠত
সহস্ৰ সঙ্গীত বাজিছে ক'ত ?

সউ— নীৰৱ নিকুঞ্জ গীত মুখৰিত
বায়ু সাগৰত উঠিছে ঢউ ;
দূৰ অতীতৰ স্মৃতিটি উজাৰি
আজি প্ৰতি কণ্ঠে ঢালিছে মউ ;

আজি—প্ৰকৃতি ৰাজ্যত উদুলি-মুদুলি,
উদুলি-মুদুলি প্ৰাণৰ বীণ ;

নৱ কিশলয় চুমা সাগৰত
আছে তল গই কি ৰাতি দিন ;

আজি সি সুৰত মোৰ ই কণ্ঠত
সহস্ৰ সঙ্গীত কিয়বা হীন ?

মোৰ—হৃদ-কণ্ঠ কিহে ধৰিছে গৰকি,
আহিব সৰকি নোৱাৰে গান ;

সেইহে হ'বলা অপ্ৰকাশ ভাষা
নোৱাৰে ধৰিব আপোন তাল ;

কিয়নো হিয়াত মোৰ ই কণ্ঠত
সহস্ৰ সঙ্গীতে নেমেলে প্ৰাণ।"

প্ৰাগজ্যোতিষৰ ১৯২৪ৰ দোল-পূৰ্ণিমাত লিখা 'মাধুৰী'ৰ 'ধল' কবিতাত——

"দিনৰে দিনটো বৰষিয়ে আছে
মাধুৰীৰ শত ধাৰ ;
আকউ আহিলি জোনাকৰ ধল
ফাগুনৰ পূৰ্ণিমাৰ !

সৰগৰ ঢেটা, মৰতৰ ঢেটা,
দুখীয়া পঁজাৰ ঢেটা ;
সকলো উটাই বুৰাই আহিলি
ক'ৰ ঐ পগলা সোঁতা।····

ক'ত সাঁচিছিলি ইমান সুখৰ
ইমান মেঘৰ ভাৰ—
এতিয়া ঢালিছ এনেকৈ পানী
অমৃতৰ বাৰিষাৰ।"

১৯২৪—২৫তে গুৱাহাটীৰ বাজ আলিত এজন অন্ধ গায়কে গীত গাই ফুৰা পাইছিলোঁ ; গীতৰ অৰ্থ নুবুজিলেও তাৰ সুৰে মোৰ মৰ্ম ভেদ কৰিছিল, তাতে মোৰ 'অন্ধ গায়ক' কবিতাৰ জন্ম——

"কি গীত গাইছা, কবি ?
ওপঙি ফুৰিছে দৃষ্টিত তোমাৰ
কোন নন্দনৰ ছবি ?

কোন অলকাৰ তীব্ৰ আলোকত,
ৰূপৰ জালৰ কিনো মাদকত
দৃষ্টি পৰিল ভাগি ?

অৰূপ ৰূপৰ নতুন বানত
সেইহে উঠিল দৃষ্টিৰ আগত
নতুন সৃষ্টি জাগি !!

কোননো সুন্দৰীৰ
স্পৰ্শত জাগিল পৰশ-মণি,
দৃষ্টি তোমাৰ স্থিৰ !····
কি গীত গাইছা, কবি ?

তোমাৰ গীতত অযুতে অযুতে
কোন আকাশত অলসত ফুটে
দীপ্ত তাৰকা ৰবি ?

উফৰি ফুৰিছে তাৰে অগ্নিকণা,
কৰিছে ৰচনা শত দিব্যাঙ্গনা
উৰ্বশী বিয়াকুল।

ধৰাত ফুলাৰ খুজিছানে তুমি
তাৰেই অগ্নিফুল ?

এনেদৰে মোৰ প্ৰায় প্ৰত্যেকটো কবিতাৰ নিজ অনুপ্ৰেৰণাৰ বুৰঞ্জী আছে বুলিব পাৰি। এইটো অৱশ্যে সঁচা, অনেক বন্ধু-বান্ধৱ আৰু পঢ়ুৱৈৰ সহানুভূতি আৰু শলাগনিয়ে সেই অনুপ্ৰেৰণাৰ বন্তিৰ তেল যোগাইছিল ; সেয়ে নোহোৱা হ'লে মোৰ ইমানবোৰ কবিতা লিখা হ'লহেঁতেন নে নাই মই নিজেই কব নোৱাৰোঁ। বয়সৰ লগে লগে সেই সহানুভূতিশীল বন্ধুসকল ক্ৰমে সেৰেঙা হৈ আহিল, আৰু সম্ভৱ সেই অনুসাৰেই

মোৰ কবিতা লিখা পাতলি আহিল। মোৰ 'মালতী' পুথিত মত স্বৰূপে গ'থেৰ এফাকি কবিতা তুলি দিছিলোঁ——

"Alas ! they cannot hear
my song !
Those hearts for whom
Its earlier notes were tried
Departed is alas ! the
friendly throng
And dumb the echoes
all that first replied.
To men unknown
My grifs I now impart
Whose very praises
Leave me sick at heart."

১৯২৪-২৫ লৈকে অনুৰাগমূলক কবিতা বহুত লিখিছিলোঁ আৰু বন্ধু-বান্ধৱৰ বাহিৰেও সেইবোৰৰ অনুৰাগীৰ কোনো কালে অভাৱ নাছিল। ১৯২৩ৰ বাঁহীত বিশেষ কাৰণত লেখকৰ নাম নিদিয়াকৈ মোৰ 'লক্ষ্যতৰা' কবিতাটি ওলাইছিল; ওলোৱাৰ পাচতে সেই কবিতাটি শলাগি আৰু তাৰ লেখকৰ নাম সুধি কিমান চিঠি 'বাঁহী'লৈ আহিছিল!

গদ্য ৰচনাৰ কথা

মোৰ কবিতা ৰচনাৰ বিষয়ে ইমানকে কৈ গদ্য-ৰচনাৰ কথালৈ আহোঁ। পঢ়াশলীয়া জীৱনৰ নানান বিষয়ৰ ৰচনাৰ কথা বাদ দিলে ১৯১৯ত কটন কলেজৰ অসমীয়া ছাতৰৰ সাহিত্য সঙঘৰ বাবে লিখা মোৰ 'অসমীয়া সাহিত্যৰ জিলিঙনি' বোলা 'কীৰ্তন ঘোষা' ৰচনাখিনিয়েই প্ৰথম। শঙ্কৰদেৱৰ সাহিত্য সৌষ্ঠৱত মুগ্ধ হৈ লিখা ৰচনাখনিয়ে সদৌ অসমৰ সমসাময়িক, ঘাইকৈ কটন কলেজৰ সহপাঠী বন্ধুসকলৰ আগত মোৰ পৰিচয় ঘটায়; প্ৰায় এতিয়ালৈকে সেই বন্ধুসকলৰ অনেকে সেই ৰচনাখনিৰ শলাগ আজিও লয়। পাচত সেই ৰচনাখনিকে শিতান কৰি ১৯২০-২১ৰ পৰা 'চেতনা'ত সমালোচনামূলক মোৰ এলানি প্ৰবন্ধ ওলায়; সেইদৰে ১৯২১-২২ৰপৰা প্ৰায় সমান্তৰালভাৱে 'বাঁহী'ত বিয়ানাম আদি মৌখিক সাহিত্য আৰু 'প্ৰতিমা' প্ৰভৃতি বৰ্তমান সাহিত্যৰ সমালোচনা প্ৰকাশ পায়। এই ৰচনাবোৰৰ সমষ্টিয়েই ১৯৩৮-৩৯ত প্ৰকাশিত মোৰ 'অসমীয়া সাহিত্যৰ জিলিঙনি' পুথি। মই ভাবোঁ, মোৰ কবিতাৰ দৰে এই শলাগনিসূচক প্ৰবন্ধ লানিও মোৰ স্বাভাৱিক অনুপ্ৰেৰণাৰে বস্তু। মোৰ কবিতাৰ দৰে এই ৰচনাবোৰতো বন্ধু সমাজৰ উদগনিয়েই মোক যথেষ্ট উদ্দীপনা যোগাইছিল যে এই কথা মই সৈ নাকাঢ়ি নোৱাৰোঁ।

১৯২৩ৰ পৰা ১৯২৬ লৈকে মই অসম ছাত্ৰ সন্মিলনৰ মুখপাত 'মিলন' কাকতৰ সম্পাদক আছিলোঁ। তাৰ তৃতীয় নে চতুৰ্থ বছৰৰ শ্ৰেষ্ঠতম প্ৰবন্ধৰ বাবে এটি পদক ঘোষণা কৰা হৈছিল, আৰু ৺চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন তাৰ বিচাৰক আছিল; মোৰ 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি' নামৰ ধাৰাবাহিক তিনিটি প্ৰবন্ধই শ্ৰেষ্ঠতম স্থান অধিকাৰ কৰা বুলি মোক সেই পদক দিয়া হৈছিল। ইয়াৰ উপৰি ভালেখিনি সুযোগ্য সাহিত্যিকে মোৰ সেই প্ৰবন্ধ কেইটিক প্ৰশংসা কৰিছিল; সেয়ে অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনাত মোৰ প্ৰথম অনুপ্ৰেৰণা আৰু তাকেই ১৩।১৪ বছৰৰ পাচত ৰহলাই লিখি পুথিৰ আকাৰে উলিয়াওঁ। তদুপৰি আন এফালৰ পৰাও মোলৈ অসমীয়া সাহিত্যৰ বুৰঞ্জী লিখাৰ প্ৰেৰণা আহিছিল; নগাঁৱৰ সাহিত্য-প্ৰাণ ৺চন্দ্ৰধৰ বৰুৱাৰ ন্যাস পুঁজিৰপৰা ১৯৩১ মানত ১৮৩০-১৯৩০ৰ ভিতৰৰ আধুনিক অসমীয়া কবিতাৰ শ্ৰেষ্ঠতম সংগ্ৰহ, ১৯৩৪ মানত ১৮৩০-১৯৩০ৰ ভিতৰত আধুনিক অসমীয়া সাহিত্যৰ ৰহল বুৰঞ্জী আৰু ১৯৪১ মানত ১৮৩০-১৯৪০ৰ ভিতৰত আধুনিক অসমীয়া গদ্যৰ শ্ৰেষ্ঠতম বাচনিৰ বাবে প্ৰতিযোগিতামূলক তিনিটি পুৰস্কাৰ ঘোষণা কৰা হয়; আৰু এটি এটিকৈ এই তিনিওটি প্ৰতিযোগিতাত প্ৰথম ঠাই পাই ময়ে তিনিওটি পুৰস্কাৰ লাভ কৰোঁ। তাৰ ফলতে মোৰ 'কাব্য-প্ৰতিভা' (১৯৩৩), 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী' (১৯৩৬), আৰু 'কথা-প্ৰতিভা' (১৯৫১) প্ৰকাশ পায়। অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়নত ব্ৰতী হবৰ বাবে এনেদৰে দুফালৰপৰা যি উৎসাহ উদগনি পাইছিলোঁ তাৰ কাৰণে দুই কৰ্তৃপক্ষৰ কাষত মই চিৰ ঋণী যে, তাক কোৱাই সৰহৰ ভাগ।

নিলিখিলে শান্তি নাপাওঁ

ইমানখিনি কোৱাৰ পাচতো আসোঁৱাহ ওলাব পাৰে, এনে উৎসাহ-উদগনিবোৰ মই লিখাৰ প্ৰাথমিক কাৰণ বুলিব নোৱাৰি; যিহেতুকে

লিখাৰ পাচতহে সেইবোৰ লগ লাগিছিল। এনে আসোঁৱাহৰ আগতেই জইন মাৰি থৈছোঁ বুলি ভাবোঁ 'প্ৰেৰণা' শব্দটোৰে। তথাপি যদি কোনোৱে সোধে এই প্ৰেৰণা ক'ৰপৰা আৰু কেনেকৈ আহে, তাৰ উত্তৰ মই দিবলৈ অসমৰ্থ; আৰু মোৰ মনেৰে এনে প্ৰশ্নৰ বাস্তৱবাদী উত্তৰ দিবলৈ কোনো সমৰ্থ হব নোৱাৰে। তাত্ত্বিক কথাত যি সন্তুষ্ট হব পাৰে, তেনে জনলৈ মোৰ পুনৰ সেই উত্তৰ—'প্ৰকৃতিং যান্তি ভূতানি।' তাৰ প্ৰমাণ অন্ততঃ মোৰ বাবে এয়ে যথেষ্ট—শিক্ষক অভিভাৱকৰ নিগ্ৰহ আৰু দৈহিক সাংসাৰিক নিৰ্য্যাতন সত্বেও মই নিলিখাকৈ থাকিব নোৱাৰিছিলোঁ আৰু আজিও পৰা নাই। এতিয়া মই সৰুৱে-বৰে এশখন মান কিতাপৰ লেখক, আৰু তাৰ সৰহ সংখ্যক কিতাপৰ প্ৰকাশক নিজেই, তাৰো অধিক সংখ্যক কিতাপৰে বিক্ৰী অতি শোকলগা! সেই দেখি কেতিয়াবা ভাবোঁ আৰু দুই-এক বন্ধু-বান্ধৱকো কওঁ, মই যেন দুনাই লেখক হৈ জন্ম নলওঁ!! কিন্তু কোনে জানে মোৰ কৰ্ম বাসনাত কি লাগি আছে।

পুনৰ কওঁ, বহুত কবিতা আৰু বহুত প্ৰবন্ধ কিতাপ হয়বা নোলাল-হেঁতেন (জানোবা আৰু বহুত কবিতা আৰু বহুত প্ৰবন্ধ কিতাপ এতিয়াও নোলাল বা অলিখিত হৈ থাকিল) বন্ধু-বান্ধৱৰ সহানুভূতি আৰু উৎসাহ উদগনিৰ অবিহনে। তেন্তে কোনোৱে সুধিব পাৰে, বন্ধু-বান্ধৱৰ সহানুভূতি আৰু উৎসাহ উদগনিৰ বাবেই (যিহেতুকে ধন-মান-যশৰ আশা সুদূৰ পৰাহত) লিখোঁনেকি? ঠিক তেনে নহয়। মই লিখোঁ, কিয়নো নিলিখিলে মই শান্তি নাপাওঁ (ঠিক যেনেকৈ চকুৰ আগতে কোনোবাই অন্যায় কাম কৰিলে তেতিয়াই তাৰ প্ৰতিবাদ নকৰিলে স্বস্তিবোধ নহয়)। আন ফালৰপৰা প্ৰশ্ন হব পাৰে—জাতীয় ভাষা-সাহিত্য বা নিজ দেশ সমাজৰ উন্নতি কল্পে মই লিখোঁ নেকি? বাস্তৱতে তেনে ধৃষ্টতাও মোৰ মনে-ঘৰে নাই; কিয়নো ভাষা-সাহিত্য বা দেশ-সমাজৰ উন্নতি বিধায়ক শক্তি মোৰ আছে বুলি মই নিজে ভাবিব নোৱাৰোঁ। আত্ম-বিনোদনৰ বাবেই মই লিখোঁ বুলি কব পাৰোঁ; তাৰপৰা কেনেবাকৈ ভাষা-সাহিত্য বা দেশ-সমাজৰ কিবা হিত সাধন হয়, সি মোৰ শ্ৰমৰ ফল নহয়, উপফল হব পাৰে। বুৰঞ্জী-বিজ্ঞান আদি বিষয়ে লিখোঁ কোনো বিষয়ে মোৰ নিজৰ জ্ঞান পৰিষ্কাৰ হবৰ বাবে; প্ৰকাশ কৰোঁ নিজ চিত্ত বিনোদন বা জ্ঞান আহৰণত সি কেনেবাকৈ কাৰোবাৰ সহায়ক হব পাৰে বুলি।

১৯৬৩ৰ বৰদিনত সদৌ অসম মাৰোৱাৰী সন্মিলনে মোক এটি অভিনন্দন দিছিল; অন-অসমীয়াই দিয়া বুলিয়ে বিনা আপত্তিৰে মই সেই অভিনন্দন গ্ৰহণ কৰিলোঁ। ১৯৬৪ৰ জুনৰ শেষ ভাগত যোৰহাটৰ চাৰিগাঁও

সাহিত্য সভাই মোক অভিনন্দন জনোৱাৰ সিদ্ধান্ত জনায়; অসমীয়া কোনো ৰাজহুৱা অনুষ্ঠানৰ পৰা তেনে প্ৰস্তাৱ পোৱা মোৰ সেয়ে প্ৰথম। উক্ত অনুষ্ঠানৰ আন্তৰিকতা বুজিও মই অভিনন্দন গ্ৰহণ কৰিবলৈ মোৰ নিজা অসমৰ্থতা জনাওঁ; কিয়নো (১) অসমীয়া সাহিত্যৰ উন্নতিৰ হকে সচেতনভাৱে মই একো কৰা নাই, গতিকে তেনে সন্মান স্বৰূপতে মোৰ প্ৰাপ্য নহয়, আৰু (২) আত্মবিনোদনৰ বাবে লিখা মোৰ সাহিত্য চেষ্টাৰ পৰা আওপাকে হ'লেও যদি সাহিত্যৰ বা সমাজৰ কিবা সেৱা এফেৰা হৈছে বুলি ধৰি লোৱা হয়, তেনেহলেও ৰাজহুৱা মান-যশৰ মূল্যত তাক বেচা মোৰ পক্ষে নিৰ্বুদ্ধিতাৰ পৰাকাষ্ঠা দেখুউৱা হব। নিজৰ মূল্য বঢ়াবলৈ বিনয়ৰ অভিনয় কৰি মই সেই পত্ৰ লিখা নাছিলোঁ; তথাপি মোৰ মানসিক অক্ষমতা অস্বীকাৰ কৰি কেইবা জনো বন্ধুৱে নিজভাৱে মোক সেই আপত্তি উঠাই লবলৈ টানি ধৰাত মই পৰাজয় স্বীকাৰ নকৰি নোৱাৰিলোঁ; কিয়নো স্নেহৰ ব্ৰহ্মাস্ত্ৰৰ আগত মই সদায় সেও। অভিনন্দন বুলি নহ'লেও আন কিমান প্ৰকাৰে কিমান স্নেহেৰে অসমীয়া সমাজে মোক ধাৰত পুতি পেলাইছে, ভাবিলে চকুপানী ওলায়। যি মালৰ বাস্তৱতে মূল্য আছে আৰু যি মাল বিক্ৰিৰ বাবে হাটত যচা হয়, তাৰ বাবে দুকড়া পোৱা হক্ কথা; কিন্তু যি মাল তেনে নহয় তাৰ কাৰণে যদি কোনোৱে মৰমত মোনাত গুজি দিয়া ধন 'স্বস্তি' বুলি গ্ৰহণ কৰিব লগা হয়, সি যে গ্ৰহীতাৰ পক্ষে কেনে মনোকষ্টৰ কথা হয় তাক বহুতেই ভাবি নাচায়। দান দিয়া সহজ, লোৱা কঠিন; এই সত্য উপলব্ধি যি কৰিছে, তেৱেঁইহে বুজে।

বিচাৰ সাপেক্ষ

নিজেই নিজক 'সাহিত্যিক' বুলি চিনাকি দিয়া মানুহ লগ পাওঁ; মই আচৰিত হওঁ কিয়নো মই তেনে কথা ভাবিব নোৱাৰোঁ। যি লিখে তেওঁ লেখক। তেওঁৰ লিখাখিনি প্ৰকৃততে সাহিত্য হয়নে নহয় সি আনৰ বিচাৰ সাপেক্ষ কথা। এই বাবেই আনে হ'লেও মোক সন্তীয়াভাৱে 'সাহিত্যিক' বুলি চিনাকি দিয়াটো মই ভাল নাপাওঁ; কিয়নো মই লিখোঁ ঘাইকৈ আত্মবিনোদনৰ কাৰণে; প্ৰকাশ কৰোঁ অনিশ্চিত, অজানিত কোনো সহানুভূতিশীল পাঠকৰ উদ্দেশ্যে: তাৰ সাহিত্যিক বা আন কোনো মূল্য আছে নে নাই তাৰ বিচাৰ নিৰবধি কাল আৰু বিপুলা পৃথ্বীৰ হাতত। সাম্প্ৰতিকভাৱে সি যদি কাৰোবাৰ আদৰ পায়,

তাত অৱশ্যে সন্তোষ পাওঁ কিন্তু কাৰো ভাল পোৱা বা বেয়া পোৱাই মোৰ নিজ বিচাৰৰ ওপৰত স্থায়ী প্ৰভাৱ নকৰে, মোৰ নিজ বিচাৰেই সদায় মোৰ ভৱিষ্যৎ ৰচনাৰ নিৰ্দেশ দিয়ে। এই বাবেই নিছেই সৰুতে বেজবৰুৱা প্ৰভৃতিৰ ৰচনা আৰু ১৯১৬ মানৰপৰা আগৰৱালা আদিৰ কবিতাৰ অনুৰাগী আছিলোঁ, যদিও মোৰ ৰচনা বা কবিতাৰ আহি তেনেভাৱে কাৰোপৰা স্থায়ীকৈ পোৱা নাই। অসমীয়া সাহিত্যৰ বাহিৰে ইংৰাজী আদি সাহিত্যৰ বিষয়েও সেই একে কথাই। ১৯২১ত আগৰৱালাই অসমীয়া জন-সাহিত্যৰ আই-নাম, বিয়া-নাম আদিৰ চৰ্চালৈ মোৰ মনোযোগ আকৰ্ষণ কৰে ; আৰু তেতিয়াৰ পৰাই সদৌ অসমীয়া জন-সাহিত্যৰ সংগ্ৰহ, সম্পাদনা আৰু সমালোচনাৰ কামত লাগোঁ। কিন্তু বিশেষ ক্ষেত্ৰৰ বাহিৰে সেইবোৰৰ সুৰ বা ভাষাই অসমীয়া গীত বা কবিতাক ৰঙীন কৰিব লাগে বুলি মই নাভাবোঁ।

এইটো অৱশ্যে সদায় অনুভৱ কৰোঁ অসমীয়া জাতিৰ ভূত-ভৱিষ্যৎ, সুখ-দুখৰ লগত মোৰ প্ৰাণ গঁথা আছে ; অসমীয়া ভাষা-সাহিত্যৰ উন্নতি মোৰ হেঁপাহৰ ধন। সেইহে মনত পৰা কালৰেপৰা মৌলিক ৰচনাৰ বাহিৰেও ইংৰাজী প্ৰভৃতি ভাষাত সুন্দৰ কবিতা বা জ্ঞান-বিজ্ঞানৰ কথা পালেই ততালিকে তাৰ ভাঙনী কৰিছিলোঁ, আৰু অসমীয়া সাহিত্যৰো মৌলিক সৌন্দৰ্য্য ফঁহিয়াই দেখুৱাবৰ যত্নত আছিলোঁ। কিন্তু এই বিষয়তো মোৰ প্ৰাণৰ অনুপ্ৰেৰণাই ঘাই ; মোৰ কবিতা, ৰচনা বা গ্ৰন্থই জাতীয় উন্নতিৰ কাম সাধিবই বুলি ভবাৰ ধৃষ্টতা মোৰ নাই। মোৰ মন আজিও অতি ক্ষুধাতুৰ ; এই ক্ষুধা নিবাৰণৰ সুবিধা উপযুক্তভাৱে নাপালেও যেতিয়াই যি পাইছোঁ তাৰ পৰাই জ্ঞান আহৰণৰ যত্নৰ ত্ৰুটি কৰা নাই ; আৰু সামান্যভাৱে হ'লেও মূল সেই জ্ঞান-ভাণ্ডাৰৰ প্ৰতি অসমীয়া সৰ্বসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিবৰ ছেগ এৰি দিয়া নাই। দুৰ্ভাগ্যক্ৰমে ওলোটা পাকে ইয়াকো বহুতে আমাৰ দিগ্বিজয় বা আত্ম-প্ৰতিষ্ঠাৰ চেষ্টা বুলি বুজাবৰ যত্ন কৰে ; সাহিত্য সেৱাত আত্ম-গোপনৰ উপায় থাকিলে সিসবৰ মনোকষ্ট দূৰীকৰণৰ বাবে তাকেই কৰিলোঁহেঁতেন নিশ্চয়।*

* 'অসম বাতৰি'ত প্ৰকাশিত।

নেওগৰ বিয়োগত সহানুভূতিৰ বাণী

॥ ১ ॥

...শনিবাৰে আবেলি ৺ডিম্বেশ্বৰ নেওগৰ পৰলোকৰ বাতৰি পাই, মনত বৰ দুখ পালোঁ। অসমীয়া ভাষা-সাহিত্যৰ এজন শ্ৰেষ্ঠ পণ্ডিত অন্তৰ্দ্ধান হ'ল।

তেওঁৰ পাণ্ডিত্যপূৰ্ণ লিখনিয়ে নেওগক সদায় জীয়াই ৰাখিব, তাত সন্দেহ নাই।

নেওগৰ আত্মাই চিৰ শান্তি লাভ কৰক এয়ে কামনা।

শ্ৰীনকুলচন্দ্ৰ ভূঞা

॥ ২ ॥

জাতীয়তাবোধ আৰু দেশক প্ৰগাঢ় ভাল পোৱা আছিল কবি-সাহিত্যিক ডিম্বেশ্বৰ নেওগৰ অন্যতম চাৰিত্ৰিক বৈশিষ্ট্য। তেওঁ দেশখনৰ বিষয়ে দকৈ ভাবিছিল আৰু কায়মনোবাক্যে দেশৰ সমস্যাৱলীৰ প্ৰতি সজাগ দৃষ্টি ৰাখিছিল। অসমৰ বা দেশৰ ৰাজনীতিৰ লগত তেওঁৰ সক্ৰিয় সম্পৰ্ক নাছিল সঁচা, কিন্তু অসমখন যে অসমীয়াৰহে সেই বিষয়ে তেওঁৰ প্ৰগাঢ় বিশ্বাস আছিল আৰু কামো কৰিছিল সেই উদ্দেশ্যেৰে। তেওঁৰ দেশপ্ৰাণ হৃদয় অনস্বীকাৰ্য্য।

শ্ৰীৰঘুনাথ চৌধাৰী

॥ ৩ ॥

...অসমীয়া জাতিৰ এজন সুসন্তান আমাৰ মাজৰপৰা আঁতৰিল। তেওঁ ঘৰখন যিদৰে পৰিপাটিকৈ ৰাখিবলৈ সদায় যত্ন কৰিছিল, সাহিত্য সেৱাতো সেই একে ধাউতি আছিল। যোৰহাটৰ ঘৰখন যিদৰে 'শুৱনি পঁজা' কৰিবলৈ সদায় যত্ন কৰিছিল, গুৱাহাটীতো ঘৰখন 'জ্ঞানাশ্ৰম' কৰিবলৈ কল্পনা কৰিছিল। ঈশ্বৰৰ ইচ্ছা, তেওঁক হঠাতে আঁতৰালে। দেশবাসীয়েই এনে আকস্মিক ঘটনাত মৰ্মাহত হৈছে।...

শ্ৰীনীলমণি ফুকন

॥ ৪ ॥

...মোৰ শাৰীৰিক অসুস্থতাৰ বাবে মোৰ মৰমৰ শ্ৰদ্ধেয় সন্মানীয় কৰ্মনিপুণ, সাহিত্য-সংস্কৃতি সাধক, প্ৰগাঢ় দেশপ্ৰেমিক, প্ৰতিভাশালী ভাষা-কাব্যবিদ কবি শ্ৰীডিম্বেশ্বৰ নেওগৰ স্বৰ্গযাত্ৰাৰ আদ্যশ্ৰাদ্ধত উপস্থিত থাকিবলৈ অক্ষম হৈ মনোকষ্টেৰে ইয়াৰপৰাই তেওঁৰ অমৰ আত্মালৈ মূৰ দোৱালোঁ।

শ্ৰীঅম্বিকাগিৰী ৰায়চৌধুৰী

॥ ৫ ॥

অকস্মাতে সিদিনা Radio-ত বাতৰি পাই মৰ্মাহঁত হ'লোঁ।...১৯১৯ চনত তেজপুৰত অসম ছাত্ৰ সন্মিলন বহোঁতে তেওঁক কবি বুলি আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়ৰ লগত চিনাকী কৰি দিছিলোঁ। তাৰ পাচত তেওঁ খাৰ-ঘুলীত নিউ প্ৰেছৰ এটা ঘৰত শিৱসাগৰৰ পীতাম্বৰ হাজৰিকাৰ লগ হৈ আছিল। এইদৰে সেই সময়ত তেওঁ নিউ প্ৰেছৰপৰা 'আকুল পথিক' নামৰ কিতাপখন প্ৰকাশ কৰিছিল। এই দুখৰ সময়ত একমাত্ৰ ভগৱানৰ ওচৰত আত্ম-সমৰ্পণৰ বাহিৰে আন একোতেই দুখ-শোক নুগুচে।

শ্ৰীঅমিয়কুমাৰ দাস

॥ ৬ ॥

...কবিতা হয়তো বহুতেই লিখে কিন্তু জীৱনটোক এটা জীৱন্ত কবিতা কৰি তুলিব পৰাটো সচাকৈয়ে টান। ৺নেওগদেৱৰ শিল্পী সত্তাই কল্পনাক বাস্তৱত ৰূপ দিয়াৰ সাধনাতেই জীৱন পাত কৰিলে। তেখেতক বেচিকৈ চিনি পালোঁ সেইদিনা যিদিনা নেওগদেৱৰ চিঠিৰ উত্তৰস্বৰূপে ঘৰলৈ গৈছিলোঁ। শুৱনীকণ বাইদেউৰ শুৱনী স্মৃতি লৈ তেওঁৰ বুকুৰ মানিক লৈ জ্ঞানাশ্ৰমৰ জ্ঞান ফুলনিৰ কোলাত প্ৰতিভা ফুটাই তুলিবলৈ আপ্ৰাণ চেষ্টা কৰি কৰি সমাজৰ সকলো অন্যায়ৰ বিৰুদ্ধে অকলে যুঁজি যুঁজি বীৰবাহুৰ দৰেই কাল-টোপনিত ঢলি পৰিল। অমৰজনৰ প্ৰতিভা কালজয়ী।...বহুতৰে পিতা হিচাবে, গুৰু হিচাবে, পথ প্ৰদৰ্শক হিচাবে, কবি সাহিত্যক, সমালোচক, শিক্ষাবিদ হিচাবে যুগৰ বুৰঞ্জীত স্মৰণীয় হৈ মৃত্যুজয়ী হৈ ৰল। তেখেতৰ পুণ্যাত্মাই নিজ পুণ্যবলেৰেই সদগতি লভিব—য়ি সকলক থৈ গ'ল তেওঁবিলাকক নেদেখালোকৰ পৰাই আশীৰ্বাদ দিয়ক—প্ৰেৰণা দিয়ক। নেদেখাজনৰ নেদেখা হাতৰ ইঙ্গিতৰ অৰ্থ আমি নুবুজোঁ—যি হাতেৰে আঘাত দিলে সেই হাতেৰেই শান্তি আনি নিদিলে মানুহৰ সান্ত্বনাই শান্তি দিব নোৱাৰে।

শ্ৰীপুষ্পলতা দাস

॥ ৭ ॥

...শ্ৰীডিম্বেশ্বৰ নেওগদেৱে নশ্বৰ দেহ পৰিত্যাগ কৰি নিত্যধামলৈ গমন কৰা বাতৰি পাই আমি মৰ্মাহত হোৱা হৈছে। তেখেতে আজীৱন কাল অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ বাবে দেহা উবুৰিয়াই কালৈকো কেৰেপ নকৰাকৈ যি দেশ-সেৱা ধৰি গৈছে, সেয়েই তেখেতক নিৰাময় স্থানত শান্তি দিয়ক। ইয়াকে দুজনা গুৰুৰ দুখানি চৰণত কাতৰ প্ৰাৰ্থনা জনোৱা হৈছে।

শ্ৰীগহনচন্দ্ৰ গোস্বামী

॥ ৮ ॥

ডিম্বেশ্বৰ নেওগ সাহিত্য-বীৰ

দিঠকতে দেখিছিলা মধুৰ সপোন।
মঙ্গল নিঝৰা মাত্ৰ ভাষা সাহিত্যত ॥
বেজকচু কাপ ধৰি সমালোচনাৰে।
শৰবৃষ্টি ঢালি ভাষা থাপিলা ঠাঁচত ॥
ৰবিষ্ঠ গ্ৰন্থ লিখি ভাষা চৰচিলা।
ৰহঘৰা ইতিহাস লুকুকি-ঘুলুকি ॥
নেতা তুমি ইযুগৰ অসমী ভাষাৰ।
ওদাইদাৰ ভাষাবিদ্ থাকিবা জিলিকি ॥
গৰকিলা দেহ-গেহ বিলাসৰ কথা ॥
সাৰহিতে বুজি ললা দেশ-সেৱা ব্ৰত ॥
হিয়াজালী সেৱাব্ৰতী সেয়ে জীৱ জ্যোতি।
ত্যক্ত হ'ল তাতে দেহ ইহ জীৱনত ॥
বীজমন্ত্ৰ "অসমীয়া শুধ ভাষা মোৰ।"
ৰ'ল, ৰ'ব, নপৰিব সেৱকৰ ওৰ ॥

শ্ৰীশশীচন্দ্ৰ বৰবৰুৱা

॥ ৯ ॥

ছাৰ স্বৰ্গগামী হোৱা বতৰাটো পাই মৰ্মাহত হৈছোঁ। ব্যক্তিগত-ভাৱে ছাৰবপৰা মই যথেষ্ট উদগনি আৰু অনুপ্ৰেৰণা পাইছিলোঁ। সমূহীয়াভাৱে আমাৰ অসমীয়া সাহিত্যৰে যি অপূৰণীয় হানি হ'ল, সেই বিষয়ে নিশ্চয় সকলো অসমীয়া সাহিত্য-প্ৰেমীয়ে হাড়ে-হিমজুৱে উপলব্ধি কৰিব পাৰিছে।

স্বৰ্গগামী আত্মাই শান্তি পাওক, ইয়াকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই সামৰিলোঁ।

শ্ৰীহেম বৰুৱা

॥ ১০ ॥

আকস্মিক আৰু অভাৱনীয় ঘটনাৰ বতৰা পাই অতি মৰ্মাহত হৈছোঁ। বিধিৰ কি বিধান!

অসমীয়া জাতিৰ অতি দুৰ্যোগৰ দিন। অন্তৰৰ বেদনা বুজোৱা ভাষা নাই।

...তেখেতৰ পৱিত্ৰ আত্মাই আকৌ যেন অসমতে জন্ম গ্ৰহণ কৰি অসমীয়া ভাষা-জননীৰ সেৱা কৰেহি।

শ্ৰীৰাধানাথ হাজৰিকা

॥ ১১ ॥

আমাৰ অতি শ্ৰদ্ধাৰ, পূজনীয় শিক্ষাগুৰু আৰু অসমীয়া ভাষা-সাহিত্যৰ ওজা আৰু একনিষ্ঠ সাহিত্য সেৱকৰ আকস্মিক মৃত্যুৰ বাতৰি পাই অতিশয় মৰ্মাহত হ'লোঁ। তেখেতে ইমান সোনকালে ইহলীলা ত্যাগ কৰিব বুলি আমি আগতে ভাবিবই পৰা নাছিলোঁ। স্বৰ্গগত আত্মাৰ সদগতিৰ অৰ্থে কামনা কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ আমাৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰিলোঁ।

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

॥ ১২ ॥

...অসমীয়া সাহিত্যই এজন কৱি-সাহিত্যিক হেৰুৱালে আৰু মই হেৰুৱালোঁ গভীৰ শ্ৰদ্ধাৰে উভয়ে উভয়ক ভাল পোৱা এখন গোপন হৃদয়।

স্বৰ্গীয় বন্ধুৰ আত্মাই সদ্‌গতি লাভ কৰক।

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা

॥ ১৩ ॥

...আজীৱন অক্লান্ত পৰিশ্ৰম কৰি চিৰ চেনেহী ভাষাজননীৰ নিষ্ঠাৱান সেৱক 'ইন্দ্ৰধনু'ৰ কৱিয়ে আজি চিৰশান্তিৰ কোলাত শুই পৰিছে। তেখেতৰ পুণ্য আত্মাই পৰম প্ৰভুৰ চৰণ তলত ঠাই পাওক, তেখেতৰ আত্মাৰ সদগতি হওক।

শ্ৰীভৱানন্দ ৰাজখোৱা

॥ ১৪ ॥

অসম মাতৃৰ গৌৰৱৰ থল, শ্ৰেষ্ঠ সাহিত্যিক, সুকবি, দেশ-প্ৰেমিক, অসমীয়া ভাষা-সাহিত্যৰ কৰ্ণধাৰ মহান যশস্বী পুৰুষ শ্ৰীডিম্বেশ্বৰ নেওগ-দেৱৰ আকস্মিক বিয়োগ বাতৰিত অত্যন্তঃ দুখিত হ'লোঁ। তেখেতৰ লোকান্তৰ প্ৰাপ্তিত অসমৰ যি ক্ষতি হ'ল সি অপূৰণীয়। আমি পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি প্ৰাৰ্থনা কৰিছোঁ।

শ্ৰীমনোৰঞ্জন শাস্ত্ৰী

॥ ১৫ ॥

...অসমীয়া মানুহ প্ৰকৃত অসমীয়া হৈ পৰ্বতে-পাষণ্ডে যদি কেইটামানো জীয়াই থাকিব লগা অৱস্থা এটা যদি কেতিয়াবা আমাৰ আহে, তেতিয়াও নেওগদেৱ তেওঁলোকৰ মাজতে জীয়াই থাকিব। জীয়ে অসম মৰে কোন—অসম জীয়াই থকালৈকে শ্ৰদ্ধাস্পদ পিতৃ দেৱতা জীয়াই থাকিব।...

শ্ৰীমহিম বৰা

॥ ১৬ ॥

...আমি মৃতকৰ আত্মাৰ সদ্‌গতি আৰু চিৰ-শান্তিৰ অৰ্থে ভগৱন্তৰ ওচৰত একান্ত প্ৰাৰ্থনা জনাই সন্তপ্ত পৰিয়ালৰ সকলোলৈকে আমাৰ আন্তৰিক সমবেদনা জনালোঁ। শ্ৰদ্ধেয় নেওগদেৱৰ পৰলোক প্ৰাপ্তিত মাতৃভাষা আৰু সাহিত্যৰ যি ক্ষতি হ'ল সি সহজে পূৰণ হব বুলি আশা কৰিব নোৱাৰি।

শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত

॥ ১৭ ॥

...অসমৰ এজন কৃতী প্ৰতিভাসম্পন্ন লিখক আৰু চিন্তাশীল ব্যক্তি শ্ৰীযুত ডিম্বেশ্বৰ নেওগৰ মৃত্যুত প্ৰকৃততে অসমে এজন গুণী সন্তান হেৰুৱালে। তেখেতৰ এই অপ্ৰত্যাশিত মৃত্যুত গভীৰ শোক পাইছোঁ। লগতে ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনাইছোঁ যাতে মৃতকৰ আত্মাই চিৰশান্তি লাভ কৰে।

শ্ৰীলীলা গগৈ

॥ ১৮ ॥

....মৃত্যুৱে তেখেতক মহান কৰিলে। অসমীয়া ভাষা-সাহিত্য আৰু জাতিৰ এজন গুৱি ধৰোঁতা আৰু নিৰ্ভীক সমালোচকৰ মৃত্যু হ'ল। "কমাৰ ফদীয়া—ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ"ত স্থষ্টিকতাৰ মহিমা 'ইন্দ্ৰধনু' কবি নেওগ ডাঙৰীয়াত প্ৰতিফলিত হ'ল—কাব্য সাহিত্যত তেওঁৰ জীৱন প্ৰতিভাত হ'ল। ক্ষণস্থায়ী জীৱনৰ কলা সাধকে শিল্প স্থষ্টিৰে নিজকে চিৰ যুগমীয়া কৰি গ'ল। অসমীয়া সাহিত্য বুৰঞ্জীৰ এগৰাকী অবিসম্বাদী সমালোচকৰূপে নিজকে প্ৰতিষ্ঠা কৰি গ'ল। তেখেত আমাৰ নিচিনা বহুতৰে পথ-প্ৰদৰ্শক, বহুত অনুপ্ৰেৰণাৰ থলি। সাহিত্য চৰ্চাৰ কাৰণে টকা নালাগে—লাগে মাথোঁ আশাশুধীয়া চেষ্টা—শ্ৰদ্ধেয় নেওগ-দেৱে নিজৰ জীৱনৰ যোগেদি আমাৰ উঠি অহা সাহিত্য-সেৱীলৈ এই দৃষ্টান্তকে থৈ গ'ল। তেখেতৰ সাহিত্য-কাব্য পঢ়িলে আমি সান্ত্বনা পাম। তেখেতৰ আত্মাৰ সদ্‌গতি হওক এয়ে প্ৰাৰ্থনা।

আব্দুছ ছাত্তাৰ

॥ ১৯ ॥

অসমীয়া ভাষা-জননীৰ একনিষ্ঠ সেৱক, কবি, সমালোচক, গৱেষক, শিক্ষাবিদ আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীডিম্বেশ্বৰ নেওগ-দেৱৰ পৰলোক প্ৰাপ্তিত যোৰহাট গীতাৰ্থী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰীবৃন্দ সমবেত হৈ গভীৰ শোক প্ৰকাশ কৰে আৰু স্বৰ্গগত আত্মাৰ সদ্‌গতি-অৰ্থে ভগৱানৰ চৰণত প্ৰাৰ্থনা জনাই শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে।

শ্ৰীধীৰেশ্বৰ ভট্টাচাৰ্য্য

॥ ২০ ॥

আমাৰ খ্যাতনামা সাহিত্যিক শ্ৰীডিম্বেশ্বৰ নেওগৰ মৃত্যুৰ বাতৰি আমি হঠাতে পাই মৰ্মাহত হৈছোঁ। জয়সাগৰৰ অসম সমবায় প্ৰশিক্ষণ বিদ্যালয়ৰ কৰ্মচাৰী ও প্ৰশিক্ষাৰ্থীসকলে সমবেত হৈ তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰে আৰু স্বৰ্গগত আত্মাৰ সদ্‌গতিৰ অৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

শ্ৰীচৈয়দ ইকৰাম হুছেইন

॥ ২১ ॥

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, আজীৱন সাহিত্য সেৱী, সমালোচক আৰু গৱেষক পণ্ডিত শ্ৰীডিম্বেশ্বৰ নেওগ ডাঙৰীয়াৰ অপ্ৰত্যাশিত বিয়োগত আমাৰ সাহিত্য জগতত বিৰাট শূন্যতাৰ সৃষ্টি হ'ল। এই ক্ষতি অপূৰণীয়। সুদীৰ্ঘ আধা শতিকা জুৰি এই গৰাকী বৰেণ্য কবি-সাহিত্যিকে অসমীয়া সাহিত্যৰ বিভিন্ন দিশত যিখিনি বৰঙনি যোগালে সেইখিনি অসমীয়া সাহিত্য-ভঁৰালৰ অমূল্য সম্পদ। ছাত্ৰ জীৱনৰপৰা সাহিত্য সেৱাকে একমাত্ৰ ব্ৰত হিচাবে লৈ সেই পৱিত্ৰ ব্ৰতত আজীৱন দীক্ষিত হোৱা নেওগ ডাঙৰীয়াই অশেষ ত্যাগ আৰু কষ্টৰ মাজেদি জীৱনৰ শেষ মুহূৰ্তলৈকে হাতৰপৰা কলম নেৰিলে। অসামান্য প্ৰতিভাসম্পন্ন শ্ৰীনেওগ আছিল একেধাৰে এগৰাকী কবি, সমালোচক, গৱেষক, পণ্ডিত। তেখেতৰ মৌলিক চিন্তাপ্ৰসূত ৰচনাৱলীয়ে আৰু সমালোচনাসমূহে নতুন চামৰ লিখকসকলৰ চিন্তা-জগতত নতুন আলোকপাত কৰিছিল। তেখেত একালেদি যেনেকৈ এগৰাকী লব্ধপ্ৰতিষ্ঠ কবি সেইদৰে যশস্বী গদ্য লিখকো। প্ৰণালীবদ্ধভাৱে অসমীয়া কবিতাৰ সঙ্কলন আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়নৰ ক্ষেত্ৰত তেখেত অন্যতম বাটকটীয়া। তাহানিৰ অসম ছাত্ৰ সন্মিলনৰপৰা অসম সাহিত্য সভালৈকে বিভিন্ন জাতীয় অনুষ্ঠানৰ লগত তেখেত নিবিড়ভাৱে জড়িত হৈ আছিল। অসম সাহিত্য সভাৰ এসময়ৰ পত্ৰিকা সম্পাদক আৰু প্ৰধান সম্পাদক হিচাবেও এই অনুষ্ঠানলৈ তেখেতৰ বৰঙনি অসীম। ১৯৬৫ চনত নলবাৰী সন্মিলনত সভাপতি নিৰ্বাচিত হৈও তেখেতে এই অনুষ্ঠানটোক জীৱন্ত আৰু গতিশীল কৰিবৰ বাবে নেতৃত্ব দি থৈ গ'ল। সেইহে শ্ৰীনেওগ ডাঙৰীয়াৰ বিয়োগত সাম্প্ৰতিক যুগৰ এগৰাকী যশস্বী সাহিত্যিক মনীষীৰ অভাৱ সকলোৱে অনুভৱ কৰিছে।

অসম সাহিত্য সভাৰ হৈ আমি শ্ৰীনেওগ ডাঙৰীয়াৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছোঁ আৰু বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। লগতে শোকসন্তপ্ত পৰিয়াল-পৰিজনলৈ গভীৰ সমবেদনা জনাইছোঁ।

শ্ৰীহৰিপ্ৰসাদ নেওগ

॥ ২২ ॥

Neog's death is an irreparable loss to the scholarship of Assam and Eastern India, and for the matter of that, for the whole of India. His comprehensive history of Assamese literature, which I had the privilege of looking into, was a very valuable work. But unfortunately he did not succeed in getting his Doctorate on this. He was one of the finest scholars of Assamese, as he was one of the best poets and creative writers. I had the privilege also of having enjoyed his friendship, and I have pleasant memories of my having been a guest at his residence in Jorhat and having an Assamese lunch with him. His subsequent bereavement at the passing away of his dearly beloved wife was a heavy blow to him, and he did not recover from it. But his volume of poems on his wife was an addition to the elegiac literature of India. He was a deeply religious man, so far we could see, and I can only pray for the rest of his soul.

Suniti Kumar Chatterji,
National Professor of India in Humanities.

॥ ২৩ ॥

Deeply grieved that your respected father Shri Dimbeswar Neog has passed away. We are all indebted him for his valuable contribution in literature and education. His name will be always remembered. Our condolence and sympathy to you and other members of family. We pray for peace of departed soul.

Bijoy Bhagwati.

॥ ২৪ ॥

This meeting of the Executive Committee of the Gauhati University Teachers' Association places on record its deep sense of sorrow at the sad demise of Md. Tayebulla, Shri Gauri Kanta Talukdar and Shri Dimbeswar Neog and sends its sincerest condolences to the members of the bereaved families.

Executive Committee,
Gauhati University Teachers' Association.

পত্ৰলেখা

Sambalpur
8.12.24

My dear Neog, তোমাৰ দুখন পোষ্টকাৰ্ড পাই আজিলৈকে acknowledge নকৰি অতি অন্যায় কাম কৰিছোঁ। এনেকুৱা ব্যৱহাৰ যে কত লোকৰ প্ৰতি হৈছে, ভাবিলে লাজ পাওঁ। কিন্তু আজিকালি মোৰ এনেকুৱা অৱস্থাই। তাৰ কাৰণ কৈ আৰু কি হব ? Conference-ত preside কৰিবলৈ মাতিছে, যাবলৈ গাত লৈছোঁ। কিন্তু কি নস্কিলেৰে সৈতে যে কাৰ্য্যক্ষেত্ৰ এৰি যাব লাগিব, মইহে জানিছোঁ। লোকক ক'লে নপতিয়াবই।—'বাঁহী' পালোঁ। আজিলৈকে এটা প্ৰবন্ধও 'বাঁহী'লৈ লিখিব পৰা নাই। জীৱন-সোঁৱৰণ যিমানখিনি লিখা আছিল পঠিয়াইছিলোঁ, ন-কৈ লিখিব পৰা নাই দেখি পঠিয়াব পৰা নাই। Conference-ত তুমি থাকিবা নিশ্চয়। Mr. Agarwala-ৰ গা ভাল নহয় বুলি লিখিছে, বোলে Puri-লৈ যাব। তেওঁক নাপালে যে মোৰ কি বেজাৰ হব, কি কম ? ভালে আছোঁ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

০

গুৱাহাটী,
৪।১১।৩০

পৰম প্ৰীতিভাজনেষু, ১ তাৰিখৰ চিঠি আৰু তাৰ লগতে প্ৰবন্ধ ৫টা পাই সুখী হ'লোঁ। (আন এজনৰ) 'বিবাহ-আইন' প্ৰবন্ধটো ঘূৰাইহে পঠিয়ালোঁ। যুক্তি নাই, শাস্ত্ৰৰো ভুলপূৰ্ণ উদ্ধৃতি কিছু আছে

মাথোন তাত। তৰ্কৰতো অন্ত পাবলৈ নাই। 'বাঁহী'ৰ ভাদ-আহিন দুই সংখ্যা পাইছা বুলি ভাবিছোঁ। কাতিৰ দুই ফৰ্মা ছপা হৈ গৈছে। প্ৰবন্ধ নাইকিয়া হৈছেহি দেখোন! বেজবৰুৱাই পূজা খাই ফুৰোঁতেই গৈছে। মোৰ হাতত সিৰামুৰিয়ে ধৰিছে বুলি জানিবই পোৰা। এতিয়া তুমিয়েই 'ধ্বণি', যি পাৰা কৰি থাকা। মোৰ দ্বাৰা 'বাঁহী'ৰ বা আন কোনো কামেই হোৱা নাই।....'অসমীয়া'-লৈকো নাপাহৰিবা। —'বড়ি নিদাৰুণ হিয়া' যে বুলিলা, বুলিবই পোৰা। মৰম লবা। ভাল বাঙ্গিলোঁ।

শ্ৰীচন্দ্ৰকুমাৰ

০

সোণাৰি

জেঠ ১৫, ১৮৪২

মৰমৰ নেওগ,

মোৰ পাবলগীয়া হয় নে নহয় কব নোৱাৰোঁ, তোমাৰ দিবলগীয়া কবিতাটিৰে সৈতে, তোমাৰ এধানমান পত্ৰখনি পাবৰ আজি ভালেমান দিন হ'ল। ইয়াৰ ভিতৰতে তুমি মোৰপৰা বহুত আগেয়েই শুনিবলৈ আশা কৰিছিলা। তোমাক নিৰাশ কৰিবৰ মোৰ স্বত্ব নাই, তোমাৰ মতে 'সত যোৰা' নোযোৰাৰ কথা এৰিও। দৰাচলতে সততো নেযায়েই। মোৰ মনেৰে মোৰ অসমৰ্থতালৈ সহানুভূতিৰে লক্ষ্য কৰিলে তুমি ইমান সোনকালেই নিৰাশ নোহোৱা। তোমাৰ চিঠিৰ সমিধানত দুষাৰ লিখিবলৈ ইয়াৰ পূৰ্বেও বহুত ছেগ পাইছিলোঁ। কিন্তু অকল সিমানতেই নহয়; মোৰ দুৱাৰডলিত তোমাৰ অতিথি আহি থিয়! মই কৈছোঁ তোমাৰ কবিতা-টোৰ কথা।

'সন্ধিয়া'ৰ এটা ভাবে, তাৰ মুখ্য ভাবটোৱে, মোক বিশেষকৈ মুগ্ধ কৰিছে। মই সদায়েই এই কথাটো অনুভৱ কৰোঁ যে সন্ধিয়াৰ বিদায়ৰ সুৰ সত্য হয় কেৱল ৰাতিৰ আহ্বানতেইহে। দিনৰ তৰফৰপৰা সন্ধ্যাৰ বিদায়-বিননি যিমানেই কৰুণ হওক, সি এটা ডাঙৰ সত্যৰ কাৰণেহে মোৰ মন পৰিত্ৰ কৰি তোলে। সি হৈছে ৰাতিৰ অনাদি গান! দিনৰ সজাৰপৰা সন্ধিয়াৰ সুৰুঙাইদি যেতিয়া আমি ৰাতিৰ মুকলি আকাশত

ওলাওঁহি, তেতিয়া প্ৰাণত এই অনাদি গান আহি পৰে। সি আহ্বানৰ গান, মিলনৰ আহ্বান; অভিসাৰৰ আহ্বান। ওৰে দিনটোৰ ক্লান্তিৰ অৱশতাৰ শেহত সন্ধিয়াৰ উৎসৱ, তাৰ সাৰ্থকতা ৰাতিৰ এই আৱাহনতেই। দিন সসীম, সংকীৰ্ণ, পোহৰৰ সজাত বন্দী: ৰাতি অসীম, অনন্ত, আন্ধাৰৰ প্ৰসাদত মুক্ত। সচাকৈয়ে আন্ধাৰ মই ভাল পাওঁ, ৰাতি মই ভাল পাওঁ। দিন অতি বাস্তৱ, সেই দেখি অতি কঠোৰ; তাৰ চাৰি সীমাই কল্পনাক নিদাৰুণভাৱে বাধা দিয়ে। ৰাতিত সেই বাধা নাই; তাত মাথোঁ অনন্তৰ নিমন্ত্ৰণ। ৰবি ঠাকুৰৰ কবিতাৰ এঠাইত পাইছিলোঁ--

'আধাৰ তাৰে ডাক দিয়েছে কেঁদে।
আলোক তাৰে বাখল না আৰ বেঁধে॥' (পলাতক)

তেতিয়া মোৰ সেই অনুভূতিয়েই বেচি স্পষ্ট হৈছিল। আজি 'সন্ধিয়া'ৰ কবিৰ লেখাত যেতিয়া পঢ়িলোঁ——

'তিমিৰৰ অঙ্গে অঙ্গে হিয়াৰ কবিতা মোৰ
ভৰিপৰে পূব হই সন্ধিয়া বায়ুৰে।···
হৃদয়-পটত মোৰ তেতিয়া নীৰলে জলে
শীতল আলোক ঢালি তৰা দীপলিপ্।
হিয়াৰ উন্মাদ মোৰ লাহে লাহে জুৰ কৰি
জলি উঠে সুশীতল জোনাকী প্ৰদীপ॥
গছে গছে নই বিলে স্মৃতিৰ মুকুতা জলে:
হিয়া মোৰ পূৰ্ণ আজি তাৰেহে মায়াৰে।'

তেতিয়া সেই ৰাতিৰ আহ্বান মোৰ কাণত আৰু সুমধুৰ সুমঙ্গল হৈ বাজি উঠিছে। কিন্তু হায়! এতিয়াও কিজানি মই দিনৰ বন্দীশালতেই: —বাঁহী বিয়াৰ শূন্যতাৰ দৰে, উৎসৱৰ পাছত যি এটা ফাঁক থাকে, এই 'সন্ধিয়া'ৰ কবিৰ লেখাতো তাৰ চিন দেখা যায়। ৰাতিৰ গহীনতাই কালত তাক ঢাকি পেলাব। সমালোচকৰ 'ৰাই' লেখা নাই। লেখিবৰ যোগ্যতাও নাই। ইমানতেই মোৰ অতিথিৰ সৈতে এতিয়ালৈ মেলানি। তোমাৰ চিঠিত লিখিছা, তোমাৰ জীৰ্ণমন্দিৰ সংস্কাৰৰ কাৰণে সহায় লাগে। অজলা কৰি, মই construction ত নাই, creation ত হে। সচাকৈয়ে নিৰ্মাণ কৰা বিষয়ত মই নিচেই অপটু; অপটু কিয়, অসমৰ্থ। সৃষ্টিহে

মোৰ আদৰ্শ, তাতেইহে মোৰ আনন্দ। সেই দেখি আৰু....নিজ দোষ-তেই তোমাৰ চিঠি-পত্ৰৰপৰা বঞ্চিত হৈ আছোঁ। আশা কৰোঁ তুমি এইবাৰ টপৰাই লিখি মোৰ আচৰণৰ noble revenge লবা। মোৰ ভাল। তোমাৰ মঙ্গল কামনা কৰোঁ।

শ্ৰীভগৱতীপ্ৰসাদ বৰুৱা

০

যোৰহাট
২৯।১১।২৮

প্ৰিয় নেওগ, তোমাৰ চিঠিখন আৰু প্ৰবন্ধটি পাই বৰ সন্তোষ পাইছোঁ। প্ৰবন্ধটি পাৰিলে এই সংখ্যাতে, নহ'লে পাচৰ সংখ্যাত প্ৰকাশ কৰিম। ইয়াৰ আগেয়েই পোৱা কেইবাটাও প্ৰবন্ধ হাতত আছে। সেইদেখি এই প্ৰবন্ধ যদিহে পাচৰ সংখ্যালৈ হৈঁহকে, বেয়া নাপাবা।···'আসাম' গুচি 'অসম' হব লাগে, মোৰো এয়ে মত।···উপযুক্ত যেন দেখিলে অহা সন্মিলনত এই বিষয়ে Resolution দিব পাৰি। ভাবি চাবা, কিবা ফল হোৱাৰ আগন্তুক যেন দেখিলে, তাকে কৰিবৰলৈ যত্ন কৰিবা।—'পত্ৰিকা'ত 'কৰা হব' নিলিখি 'কৰা যাব' লিখাৰ কথা উল্লেখ কৰাত সন্তোষ পালোঁ। এনে বহুত কথা পোনতে চকুত নপৰে। এতিয়াৰপৰা ইয়ালৈ মন কৰিম। আগলৈকো মই সম্পাদক থাকোঁ মানে পত্ৰিকাত কিবা দোষ দেখিলে মোক অবাধে জানিব দিবা। এনে কৰিলে মই সন্তোষ পাম।—'অসম' আৰু 'আসাম' সম্পৰ্কে তুমি চিঠিত লিখা কথা 'বিলাককে জুকিয়াই লিখিলে এটা ভাল প্ৰবন্ধ হব। সেই দৰে লিখি প্ৰবন্ধ এটা পঠাবলৈ যত্ন কৰিবাচোন।···ভালে আছোঁ, তোমাৰো সৰ্বাঙ্গীন মঙ্গল কামনা কৰিছোঁ।

শ্ৰীচন্দ্ৰধৰ বৰুৱা

০

শিৱসাগৰ,
২১।২।২২

মৰমৰ শ্ৰীমান ডিম্বেশ্বৰ, আজি কেইদিনৰ আগতে মোৰ মৰমৰ ছোৱালী মলয়া আইক মোৰ কোলাতে হেৰুৱাই তেওঁৰ লীলাৰ কথা ভাবি আছোঁ। এনেতে তোমাৰ 'মালিকা'ক পাই মোৰ ভাবৰ লগৰীয়া এটি পোৱা যেন লাগিল। 'মালিকা' ভনীটি নিচেই আজলী ছোৱালী!—'এপিনে দুখৰ নিশা অৱসান, ইপিনে অৰুণোদয়। পুৰণি সকলো নেওচি-কেওচি, হোৱা নতুনত লয়।' আজলী আই! পুৰণিতো মধুৰতা আছে। প্ৰেমৰ বাঁহীৰ সুৰ নিতৌ নতুন। ভনীটি, তুমি যাৰ অভাৱ অনুভৱ কৰিছা, যাৰ বাবে তোমাৰ 'কোমল পৰাণ বিহ্বত উচুপি উঠে,' তাতো আছে অনন্তৰ অপৰূপ ৰাগ!—'যোৱাঁগই বুলি কোনে বাৰু ধীৰে, বুলিলে বিদায় বাণী?' আজলী আই, নাই শুনা বিদায়ৰ বাণী। আত-মাৰ মিলনৰ সুৰ বাজি আছে প্ৰতি হিয়া মাজে; আতমাৰ অপূৰ্ব জেউতি জিলিকিছে 'আলোৱে তিমিৰে।' মালিকা! তোমাৰ কৰুণ মাততো মিলনৰ সুৰ শুনিছোঁ। তোমাৰ কোমল মাতৰ প্ৰতি কঁপনিতে সবল আবেগৰ লহৰী উঠিছে। আশা কৰোঁ আৰু ঈশ্বৰক খাটোঁ যেন এই দৰেই সময়ত সকলোৰে হৃদয়ত অসীমৰ কোমল ভাব প্ৰকাশ কৰিবা।

শ্ৰীৰাজেন্দ্ৰনাথ বৰুৱা

০

আসাম লজ্,
লাবান, শ্বিলং।
২।৩।২২

কল্যাণবৰেষু, মৰমৰ বাপু, সাদৰী বাইদেউৰ পৱিত্ৰ নামত তোমাৰ প্ৰকৃত সন্তানোপযোগী নন্দন পাৰিজাতৰ প্ৰথম উৎসৰ্গিত 'মালিকা'ৰ সুৰভি হেপাহ পূৰাই সম্ভোগ কৰিলোঁ। মই সমালোচক নহওঁ, সমালোচক হবলৈ যত্ন কৰিলেও তোমাৰ অমিয়া-বৰষা লেখনীৰ সমালোচক হব নোৱাৰোঁ।···মোৰ বন্ধুসকলৰো বহুত প্ৰশংসা।···তোমাৰ 'মৰম-ভিখাৰী'য়ে তোমাক অকলে কৰি কৰি ৰাখিব।···মই তোমাৰ কবিতাৰ আজি প্ৰশংসা নকৰোঁ,

'বাঁহী'ৰ 'মৰম-ভিখাৰী' পঢ়িবৰ দিনাই যি মন্তব্য প্ৰকাশ কৰিব লাগে কৰিলোঁ। তোমাৰ 'মৰম'-ভিখাৰীয়ে, মোৰ বিশ্বাস, সাহিত্যৰ আদৰ থাকে মানে অসমীয়া সাহিত্যিকৰ হৃদয়ৰ দুৱাৰডলিত সদায়ে মাত লগাব-- 'ভিক্ষাং দেহি।'—তোমাক মোৰ তোমাৰ ওপৰত যি ফেৰা স্বত্ব আছে তাৰ সকলোখিনিৰে আজি আগবঢ়াই দিলোঁ বাণীৰ পৱিত্ৰ মন্দিৰলৈ। আৰু মোৰ আন্তৰিক স্নেহেৰে আজি তাৰ বাবে তোমালৈ মধুৰ সম্ভাষণ জনালোঁ।

শ্ৰীথানেশ্বৰ হাজৰিকা

o

Plan Neoe, Villars Sur Box, Switzerland,
7th March, 1926.

My dear Sir,

I am much obliged to you for your kind letter of the 7th February, and among pleased to think that the time when I presided over the Assam Students' Conference is still remebered in Assam, also that you had seen my review of Mr. Bhuyan's বৰফুকনৰ গীত। Mr. Krishna Kanta Handiqui, one of the students who took a leading part at the conference of 1917, sent me a copy of your interesting periodical মিলন and I have already read of its poems বীণৰ সুৰ with satisfaction. I will gladly become a subscriber for one year if you will kindly send me the paper and also tell me how much is the subscription including postage. I am afraid I cannot promise to become a contributor, certainly not at present, until I can get my Assamese books from London ; but I may be able to send you something in সহজ অসমীয়া later. Thanking you again for your letter and with kind regards and best wishes for the success of the Students' Conference. I am,

P. R. Gurdon.

490 Sumatra Ave. Akran, Ohio
Sept. 14. 1946.

Dear Mr. Neog, Evidently you did not receive my last letter. The enclosed material will tell you how my story was received. With the end of the war, all interest in that particular section of the world has for the time being abated. I feel certain that with the background you already have, the honors you have deservedly received in your own country, and the outstanding quality of your work, that this will be recognized by this American College for its true worth. Best regards to you and your family. I do appreciate your hospitality and the help you so willingly extended me. It is not at all impossible that we may meet again soon. Until then, if I can assist you in any manner, I will be only too glad to do so. With best regards.

Andre H. Nelson.

ডিম্বেশ্বৰ নেওগৰ গ্ৰন্থপঞ্জী

॥ কবিতা ॥

মালিকা—শোক কবিতা, যোৰহাট, ১৯২১
সঁফুৰা—গীতাৱলী, যোৰহাট, ১৯২৩ (১৮৪৫ শক) ১৮৬২ শক
থুপিতৰা—গুৱাহাটী, ১৯২৫
মালতী—ধুবুৰী, ১৯২৭ (১৯৪৯ শক)
ইন্দ্ৰধনু—গুৱাহাটী, ১৯২৯
মুকুতা—উত্তৰলক্ষীমপুৰ, ১৯৩১
মানুহ—গুৱাহাটী, ১৯৪১
মেঘদূত—যোৰহাট, ১৯৪০
অসমা—যোৰহাট, ১৯৪৭-১৯৬০
বিচিত্ৰা—যোৰহাট, ১৯৪৮
থাপনা—যোৰহাট, ১৯৪৬
শ্বহিদান—যোৰহাট, ১৯৫২
গুৱনী, ১৯৫২
ভোগজৰা—ধুবুৰী, ১৯২৮

॥ গল্প ॥

দীপাৱলী—উত্তৰলক্ষীমপুৰ, ১৯৩১

॥ উপন্যাস ॥

গাঁৱে নগৰে—গুৱাহাটী, ১৯৬০

॥ নাটক ॥

শিশুলীলা—বাঁহী, ১৯২৯

ৰাসক্ৰীড়া—বাঁহী, ১৯২৯
কুণ্ডিল কুঁৱৰী—('অসম হিতৈষী'ত প্ৰকাশিত) ১৯২৪
অকাল বসন্ত—১৯৩২
কামৰূপ—১৯৩২

॥ সাহিত্যৰ বুৰঞ্জী আৰু সমালোচনা ॥

আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী—যোৰহাট, ১৯৩৭
অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি—যোৰহাট, ১৯৪০
অসমীয়া সাহিত্যৰ বুৰঞ্জী—চমু, ১৯৫০
অসমীয়া সাহিত্যৰ বুৰঞ্জী (পৰিবৰ্ধিত আৰু পৰিৱৰ্তিত)—গুৱাহাটী, ১৯৫৭
নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী—গুৱাহাটী, ১৯৬৬
অসমীয়া সাহিত্যৰ জিলিঙনি—যোৰহাট, ১৯৩৮
অসমীয়া সাহিত্যৰ জেউতি—যোৰহাট, ১৯৫১
অসমীয়া কথা-প্ৰতিভা—যোৰহাট, ১৯৩৫, ১৯৫০
অসমীয়া সাহিত্যৰ অধ্যয়ন (অসমীয়া সাহিত্যৰ জেউতি আৰু অসমীয়া সাহিত্যৰ জিলিঙনি একত্ৰিত)—গুৱাহাটী, ১৯৬৪

॥ ধৰ্ম আৰু সংস্কৃতিৰ বুৰঞ্জী ॥

বৈষ্ণৱ ধৰ্মৰ আঁতিগুৰি—যোৰহাট, ১৯৪১, ১৯৫৪
বৈষ্ণৱ ধৰ্মৰ ক্ৰমবিস্তাৰ—যোৰহাট, ১৯৪১
বৈষ্ণৱ ধৰ্মৰ ভক্তি-তত্ত্ব—যোৰহাট, ১৯৪২
নাৰদীয় ভক্তিসূত্ৰ— ১৯৫০
যুগনায়ক শঙ্কৰদেৱ—গুৱাহাটী, ১৯৬৬
সাহিত্য কি—যোৰহাট, ১৯৫২
শুধ অসমীয়া—যোৰহাট, ১৯৫৩
প্ৰাক্ ঐতিহাসিক অসম—গুৱাহাটী, ১৯৪৭

॥ ভাষা বিষয়ক ॥

অসমীয়া ভাষা লিপিৰ উৎপত্তি আৰু ক্ৰমবিকাশ,
অসমীয়া ভাষা আৰু লিপিৰ কাহিনী, ১৯৫১

।। বিবিধ ।।

বিশ্ববিদ্যালয়, ১৯৪৭
বিহনেটেকা, ১৯৪৮
বিশ্ববিবেক ১৯৫৩
বঙাকিটা
শঙ্কৰদেৱৰ শিক্ষালয়
ত্ৰিবেণী, ১৯৪৩
নীতিকবচ—গুৱাহাটী, ১৯৫৮
প্ৰীতিকবচ
জাতীয়তা ৰক্ষাৰ আঁচনি
মাধৱদেৱৰ জন্মস্থান, ১৯৫৯
প্ৰশিক্ষণ সোণালী জয়ন্তী
বৰ্ণ নিৰ্ণয় বা জাতি বিচাৰ ১৯৫৪
কলিৰ কাহিনী
পত্ৰলেখা—গুৱাহাটী, ১৯৪৪
অসমীয়া কাব্য-প্ৰতিভা, ১৯৩৫
অসমীয়া কথা-প্ৰতিভা, ১৯৫০
আধুনিক অসমীয়া কথা-প্ৰতিভা
কেতেকী (কথা-কবিতা), ১৯৫৬
অতীত মাধুৰী—গুৱাহাটী, ১৯৬৬

।। জনসাহিত্য ।।

বিহুৱতী (বিহুঘোষা, হুচৰি)—গুৱাহাটী, ১৯২৯
আকুল পথিক (বনঘোষা), ১৯২২
ফাগুনী (বনঘোষা), ১৯২২
ৰহৰহী (পটন্তৰমালা), ১৯৪৮
পানীমিঠৈ (সাঁথৰমালা), ১৯৪৮
নামতী (বিয়ানাম), ১৯২৩
ডাক চৰিত্ৰ
ডাক ভণিতা, ১৯২২
ফুলকোঁৱৰৰ গীত

মণিকোঁৱৰৰ গীত
কাচনকুঁৱৰীৰ গীত
পুতলি (নিচুকনি গীত), ১৯২৮
পাৰিজাত (দিহাঘোষা), ১৯২৮
ভোগজৰা (আই তুতি), ১৯২৮

।। সঙ্কলন ।।

কাব্য-প্ৰতিভা (বিভিন্ন কবিৰ কবিতা সংগ্ৰহ)—যোৰহাট, ১৯৩৪, ১৯৫১
বনবেনু (আকুল পথিক, ফাগুনী, বিহুৱতীৰ সঙ্কলন)—গুৱাহাটী, ১৯৬১
নেওগ কাব্যমালা,—গুৱাহাটী, ১৯৬৭

নখন খণ্ড কাব্য—মালিকা, সঁফুৰা, থুপিতৰা, মালতী, বিহুৱতী, ইন্দ্ৰধনু, মুকুতা, থাপনা, মানুহ।

পাচখন দৃশ্যকাব্য—কৃষ্ণলীলা, কুণ্ডিলকুঁৱৰী, অকাল বসন্ত, মদন ভষ্ম, কামৰূপ।

সাতখন জনকাব্য—পুতলি, ভোগজৰা, পাৰিজাত, মণিকোঁৱৰ, কাচন-কুঁৱৰী, ফুলকোঁৱৰ, পস্তলাকুঁৱৰী

[নেওগ কাব্যমালাত খণ্ড কাব্যসমূহৰ পূৰ্বৰ ক্ৰম অনুসৰি ছপা কৰা নাই]

।। অভিভাষণ ।।

সভাপতিৰ অভিভাষণ—নলবাৰী, ১৯৬৪
সেই ওমকাৰ ধ্বনি (কবি সন্মিলনীৰ সভাপতিৰ অভিভাষণ) নাজিৰা, ১৯৬৩

।। পঢ়াশলীয়া পুথি ।।

শুৱনীপাঠ—একছোৱা
শুৱনীপাঠ—দুইছোৱা
শুৱনীপাঠ—তিনিছোৱা
শুৱনীপাঠ—চাৰিছোৱা
শুৱনীপাঠ—পাঁচছোৱা

শুবনীপাঠ—ছৱছোৱা
কিৰণমালা—প্ৰথমভাগ
কিৰণমালা—দ্বিতীয়ভাগ
কিৰণমালা—তৃতীয়ভাগ
কিৰণমালা—চতুৰ্থভাগ
কিৰণমালা—পঞ্চমভাগ
কিৰণামলা—সপ্তমভাগ
কিৰণমালা—অষ্টমভাগ
প্ৰৱেশিকা অসমীয়া, ১৯৩৮
বিজ্ঞানৰ আগকথা, ১৯৪০
মাধ্যমিকা অসমীয়া, ১৯৫২
প্ৰতিধ্বনি সহচৰ
সৰল জ্যামিতি, ১৯৪৯

॥ ইংৰাজী গ্ৰন্থ ॥

The Brahmaputra Reader I
The Brahmaputra Reader II
The Origin and Growth of the Asamiya Language, Gauhati, 1964
Jagatguaru Sankardev, the Founder of Mahapurusiasm, Nowgong, 1962
Ideal Education Home, 1957
Scheme For Revitalising, 1958
Mahapurusiasm, a Universal Religion, Nowgong, 1950
Introduction to Assam, Bombay, 1947
History of Modern Assamese Literature, 1955
New Light on History of Asamiya Literature, Gauhati, 1962

॥ প্ৰবন্ধ ॥

পুৰণি অসমীয়া সাহিত্যত হাস্যৰস—বাঁহী, ১১ শ বছৰ
দৰ্শনৰ লক্ষ্য—বাঁহী ১৩শ বছৰ, ২য় সংখ্যা
দৰ্শনৰ লক্ষ্য—বাঁহী ১৩শ বছৰ, ৩য় সংখ্যা
প্ৰেম প্ৰসঙ্গ—বাঁহী ১৩শ বছৰ, ৭ম সংখ্যা
প্ৰেম প্ৰসঙ্গ—বাঁহী ১৩শ বছৰ, ১১শ সংখ্যা
সমাজ সংগঠনত শঙ্কৰদেৱ—বাঁহী ১৭শ বছৰ
ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী—বাঁহী ১৭শ বছৰ, ৫ম সংখ্যা
পতিতা আৰু স্বদেশ-প্ৰীতি—বাঁহী ১৭শ বছৰ, ৯ম সংখ্যা
ধৰ্মৰ গজালি—বাঁহী ১৭শ বছৰ, ১০ম সংখ্যা
ধুবুৰীৰ পুৰণি ইতিবৃত্ত—বাঁহী ১৭শ বছৰ, ১২শ সংখ্যা
বুৰঞ্জী অপলাপ—বাঁহী ১৮শ বছৰ, ১ম সংখ্যা
প্ৰতিভা আৰু চৰিত্ৰ—বাঁহী ১৮শ বছৰ, ১ম সংখ্যা
প্ৰেম প্ৰসঙ্গ—বাঁহী ১৮শ বছৰ, ২য় সংখ্যা
তিৰুতা সেৰুৱা—বাঁহী ১৮শ বছৰ, ৩য় সংখ্যা
বিজ্ঞান—বাঁহী ১৮শ বছৰ, ১১শ সংখ্যা
নতুন প্ৰবন্ধ—বাঁহী ১৮শ বছৰ, ১২শ সংখ্যা
বৰপেটাত এভুমুকি—বাঁহী ১৮শ বছৰ, ১ম সংখ্যা
চোৰ গৃহস্থ, গৃহস্থ চোৰ—বাঁহী ১৮শ বছৰ, ২য় সংখ্যা
অপলাপৰ ওপৰত প্ৰলাপ—বাঁহী ১৮শ বছৰ, ২য় সংখ্যা
বামবায়ৰ কুঠি বা ছত্ৰশাল সত্ৰ—বাঁহী ১৮শ বছৰ, ২য় সংখ্যা
বিজ্ঞান প্ৰসঙ্গ—বাঁহী ১৮শ বছৰ, ৪ৰ্থ সংখ্যা
জন্মাষ্টমী (নাটক)—বাঁহী ১৮শ বছৰ, ৫ম সংখ্যা
ব্ৰহ্মবিদ্যা—বাঁহী ১৮শ বছৰ, ৭ম সংখ্যা
প্ৰেম প্ৰসঙ্গ—বাঁহী ১৮শ বছৰ, ৫ম সংখ্যা
অন্তৰৰ উপদেশ—বাঁহী ১৮শ বছৰ, ৭ম সংখ্যা
বায়নৰ ঘৰৰ বোন্দাৰ বাগ—বাঁহী ১৮শ বছৰ, ৯ম সংখ্যা
সংস্কৃত প্ৰাকৃত আৰু অসমীয়া—বাঁহী ১৮শ বছৰ, ১০ম সংখ্যা
মদন উদ্ধাৰ (নাট)—বাঁহী ১৮শ বছৰ, ১১শ সংখ্যা
মৈথিলি কবি বিদ্যাপতি—বাঁহী ১৮শ বছৰ, ১১শ সংখ্যা
ল'ৰা ওমোলোৱা নাম—বাঁহী ১৮শ বছৰ, ১২শ সংখ্যা
সুন্দৰদিয়া সত্ৰৰ তামৰ ফলিৰ নকল—বাঁহী ১৯শ বছৰ, ৩য় সংখ্যা

ৰমিঅ' জুলিয়েট আৰু হেমলেট—বাঁহী ১৯শ বছৰ, ৩য় সংখ্যা
ভৱিষ্যত অসমীয়া সমাজলৈ শঙ্কৰদেৱৰ বাণী—বাঁহী ১৯শ বছৰ, ৩য় সংখ্যা
শঙ্কৰদেৱৰ বাণী—বাঁহী ১৯শ বছৰ,
বৰপেটা শঙ্কৰ হলত—বাঁহী ১৯শ বছৰ, ৪র্থ সংখ্যা
প্ৰদ্যুম্ন—বাঁহী ১৯শ বছৰ, ৪র্থ সংখ্যা
পুৰণি বাৰভূঞা ৰাজ্যত এভুমুকি—বাঁহী ১৯শ বছৰ, ৪র্থ সংখ্যা
মহাপুৰুষ মাধৱদেৱৰ ধৰ্মমত—বাঁহী ১৯শ বছৰ, ৫ম সংখ্যা
মেঘদূত আৰু কালিদাস—বাঁহী ১৯শ বছৰ, ৮ম সংখ্যা
সগুণ নিৰ্গুণ উপাসনা—বাঁহী ১৯শ বছৰ, ৮ম সংখ্যা
পানী আৰু বৰফ—বাঁহী ২০শ বছৰ, ১ম সংখ্যা
স্বৰ্গবাস—বাঁহী ২০শ বছৰ,
যৌৱন আৰু সৃষ্টি—বাঁহী ২০শ বছৰ,
অসমীয়া নাট আৰু অভিনয় সম্পৰ্কে যৎকিঞ্চিত—বাঁহী ২০শ বছৰ, ২য় সংখ্যা
ছাত্ৰ জীৱন আৰু সেৱা ধৰ্ম—বাঁহী ২০শ বছৰ, ৩য় সংখ্যা
ৰবীন্দ্ৰ ৰচিত অষ্টাদশ পৰ্ব মহাভাৰত চিনাকি—বাঁহী ২০শ বছৰ, ৮ম সংখ্যা
শিৱসাগৰ সাহিত্য সন্মিলন আৰু বেজবৰুৱাদেৱৰ অভিনন্দন—বাঁহী ২০শ বছৰ, ১১ সংখ্যা
অসমীয়া ভাষাৰ মৌলিক বিচাৰ—বাঁহী ২২শ বছৰ,
অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী—বাঁহী ২২শ বছৰ
সাহিত্যিক সম্বৰ্দ্ধনা—ৰামধেনু ১৬শ বছৰ, ৯ম সংখ্যা
ইংৰাজ নাট্যকাৰ শ্বেক্সপিয়েৰৰ শোকাত্মক নাৰী চৰিত্ৰ—ৰামধেনু ১৭শ বছৰ, ১ম সংখ্যা
জাৰ্মান নাট্যকাৰ গ'থেৰ ফষ্টৰ এটি মানস কন্যা—ৰামধেনু ১৭শ বছৰ, ২য় সংখ্যা
অসমীয়া নাট্যকাৰ বেজবৰুৱাৰ এটি মানস কন্যা—ৰামধেনু ১৭শ বছৰ, ৩য় সংখ্যা
শোকাত্মক বীৰচৰিত্ৰ—ৰামধেনু ১৭শ বছৰ, ৪র্থ সংখ্যা
ফৰাচী ঔপন্যাসিক ভিক্টৰ হিউগোৰ শোকাত্মক বীৰ চৰিত্ৰ—ৰামধেনু ১৭শ বছৰ, ৬ষ্ঠ সংখ্যা
অসমীয়া ঔপন্যাসিক বৰদলৈৰ শোকাত্মক বীৰ চৰিত্ৰ—ৰামধেনু ১৭শ বছৰ, ৭ম সংখ্যা

পাৰসীয় কবি ওমৰ খায়ামৰ ৰহস্যবাদ—ৰামধেনু, ১৭শ বছৰ, ১১শ ১২শ সংখ্যা
ভাৰতীয় সংস্কৃতিৰ ধাৰা —ৰামধেনু ১৮শ বছৰ, ১ম সংখ্যা
অসমীয়া সাহিত্য আৰু সাহিত্যিকৰ আদৰ্শ—ৰামধেনু ১৮শ বছৰ, ৩য় সংখ্যা
কবি চন্দ্ৰকুমাৰক মই যেনেদৰে জানো —ৰামধেনু ১৮শ বছৰ, ৯ম সংখ্যা
সাহিত্যত অশ্লীলতা অবান্তৰ—ৰামধেনু ১৮শ বছৰ, ১০ম-১২শ সংখ্যা
বিহু অসমীয়া ৰীতি নে সংস্কৃতি—আমাৰ প্ৰতিনিধি ৪র্থ বছৰ, ১০ম সংখ্যা
ছাত্ৰ সমাজ ক'ৰ নাগৰিক হব—আমাৰ প্ৰতিনিধি ৪র্থ বছৰ, ১১শ সংখ্যা
জয়মতীৰ সতিত্ব নে সত্যাগ্ৰহ—আমাৰ প্ৰতিনিধি ৪র্থ বছৰ, ১২শ সংখ্যা
ছাত্ৰ জীৱন আৰু সমাজ সেৱা—আৱাহন ১ম বছৰ, ১ম সংখ্যা
প্ৰথম প্ৰণয় (কবিতা)—আৱাহন ১ম বছৰ, ২য় সংখ্যা
অন্তিম প্ৰণয় (কবিতা)—আৱাহন ১ম বছৰ, ৩য় সংখ্যা
উচ্চাত্মিকা নে নীচাত্মিকা—আৱাহন ৮ম বছৰ, ২য় সংখ্যা
অসম ভীষ্মৰ শৰশয্যা—আৱাহন ৮ম বছৰ, ৪র্থ সংখ্যা
কুৰি শতিকাত শঙ্কৰদেৱ—অসম সাহিত্য সভা পত্ৰিকা ১১শ বছৰ
চতুৰ্দশ অসম সাহিত্য সন্মিলন আৰু অভিনন্দন—আৱাহন ৬ষ্ঠ বছৰ
বঙ্গৰ গৌড় নগৰ প্ৰতিষ্ঠাতা অসমীয়া ৰজা শঙ্কলাদিৱ—আৱাহন ১০ম বছৰ,
কোচ ৰজা শঙ্কলাদিৱ—আৱাহন ১০ম বছৰ
অসমীয়া জাতিৰ সাহিত্য—আৱাহন ১২শ বছৰ
অসমীয়া সাহিত্যৰ বুৰঞ্জীত এভুমুকি—মিলন
ভাৰতৰ ভূত ভৱিষ্যত—আৱাহন ৩৭শ বছৰ, ১ম সংখ্যা
অসমীয়া পুথিৰ তালিকা—আৱাহন পূজা সংখ্যা
'সূৰ্য্যমুখীৰ স্বপ্ন'—এটি দৃষ্টিপাত—আৱাহন পূজা সংখ্যা, ১৯৬৬
ত্ৰিপদী—আৱাহন
সাক্ষৰা : ভৱন্তি ৰাক্ষসাঃ—আলোক
অসমীয়া সাহিত্যৰ আদি যুগৰ বিভিন্ন দিশ—স্বদেশ প্ৰীতিৰ অগ্নি-পৰীক্ষা—অসমা
নন্দন (কবিতা)—জোনতৰা ১ম বছৰ, ৪র্থ-৫ম সংখ্যা
বিফল লেখকৰ আত্মজীৱনী—আকাশী ১৫ জুলাই, ১৯৬৬

পৰম্পৰাৰ মৰ্য্যাদা—অসম বাতৰি, ১৫ জুলাই ১৯৬৫
নতুন শিক্ষা ব্যৱস্থাৰ কাৰ্য্যকৰ

সৰগ সজা আৰু নৰক খনা লেখক—নতুন অসমীয়া
অসমীয়া কিতাপ উলিয়া বেহা
অসমত সৰ্বপ্ৰথম স্বাধীন চিন্তাৰ ঢৌ—অসম বাতৰি, ২৯ আহিন ১৮৮৮, ১৯৬৫, ১৬ অক্টোবৰ
সাহিত্য সেৱাত আমীষ ভোজন—অসম বাতৰি, ১০ এপ্ৰিল ১৯৬৬
নতুনৰ আগলি বাতৰি আনোতা শঙ্কৰদেৱ—অসম বাতৰি, ২৯ চেপ্টেম্বৰ ১৯৬৫
শিক্ষাৰ দৰ বৃদ্ধিয়ে মূল্য বৃদ্ধি নেকি ?—অসম বাতৰি, ২৭ জুলাই ১৯৬৬
বিশ্ব শান্তি আৰু বিশ্ব নাগৰিকতা—গণতন্ত্ৰ, ১৯৬৫
জাতীয় সংস্কৃতি—জনমভূমি, ১২ এপ্ৰিল ১৯৫৬
জাতীয় সাধনা আৰু ৰবীন্দ্ৰনাথ—ৰবীন্দ্ৰ শতবাৰ্ষিকী (সপ্তপৰ্ণ)
বিহুৰ আহ্বানফাল—অসম বাণী
সমাজ গঠনত শঙ্কৰদেৱ—অৱতাৰবাদ
শিক্ষা গৃহ আদৰ্শ : জ্ঞানাশ্ৰমৰ উদ্দেশ্য—শিক্ষা প্ৰদীপ
মই লিখোঁ কিয় ?—অসম বাতৰি, ৩০ মাৰ্চ ১৯৬৬
নামঘোষাত মহাপুৰুষীয়া ধৰ্মৰ দাৰ্শনিক তত্ত্ব—(শ্ৰীমন্ত)
লেখকৰ পিতাকাঙ্ক্ষা—অসম বাতৰি, ৪ আহিন ১৮৮৮
নৈতিক উন্নয়ন পৰিকল্পনা—অসম বাতৰি, ১৫ আগষ্ট ১৯৬০
অসমীয়া ৰাজ্যিক ভাষাৰ প্ৰয়োগ—অসম বাতৰি, ১৯ চেপ্টেম্বৰ
অসমীয়া প্ৰশাসনীয় ভাষাৰ শব্দকোষ
অসমীয়া ৰাজ্যিক ভাষা আন্দোলন—অসম বাতৰি, ২১ জুলাই ১৯৬৫
সম্বলপুৰত বেজবৰুৱাৰ স্মৃতি ৰক্ষা : জন্ম শতবাৰ্ষিকী পালন—অসম বাতৰি, ২৭ জুন ১৯৬৪
বিহু, সভ্যতা আৰু সংস্কৃতি
ৰাজ্যিক ভাষাৰ প্ৰয়োগ কেতিয়া হব ?—অসম বাতৰি ৪ আগষ্ট ১৯৬৫
Individualists and Education—Education, Jorhat, 1965
নামধৰ্ম্ম আৰু কামধৰ্ম্ম—নামধৰ্ম্ম
আদিকালিন অসমীয়া সাহিত্যকে কুচ পহলু (হিন্দী)—ৰাষ্ট্ৰ ভাষা
অসম সাহিত্য সভাৰ ভৱিষ্যত—জনমভুমি

কলাবিজ্ঞান ধৰ্ম্ম—অসম বাণী, বিহু সংখ্যা
ৰাষ্ট্ৰীয় একতা আৰু স্বতন্ত্ৰতা—গণতন্ত্ৰ
অসমীয়া ক্ৰমিক গঠন—জোনাৰ ১ম বছৰ, ২য় প্ৰকাশ ১৮৭২
ছাত্ৰজীৱন আৰু ব্ৰহ্মচৰ্য্য—জ্যোতি ১ম বছৰ, ২য় সংখ্যা আহিন ৫০১ শঙ্কৰাব্দ
অসম—এটি তাৰহীন বাণী—সেউজীয়া, ১৯৪৫ এপ্ৰিল
যোৰহাট প্ৰশিক্ষণ বিদ্যালয়ৰ আধৰুৱা বুৰঞ্জী—প্ৰভাত ১৮৭৩ ৯৪ তম সংখ্যা
স্বদেশ প্ৰীতিৰ অগ্নি পৰীক্ষা—অসমা
New Aspects of Meghadoot (Gauhati Ratary Club, 12 May'64
সেৱা ধৰ্মই প্ৰকৃত মানৱ ধৰ্ম—গুৱাহাটী মেডিকেল কলেজ আলোচনী
আবতৰীয়া বেঙেনাৰ "মোকতোল"—নামধৰ্ম
কৃষ্টিৰ মিলন—জনমভূমি ১ আঘোণ ১৮৬৯ শক
কেইটিমান বিখ্যাত ইংৰাজী চৰাই কবিতা—জেউতি মাঘ ১৮৬৫
নাৰদীয় ভক্তিসূত্ৰ, ভ্ৰমৰ দ্বিতীয় বছৰ—ৰঙালী বিহু সংখ্যা ১৮৭২ শক
নাৰদীয় ভক্তিসূত্ৰ, ভ্ৰমৰ দ্বিতীয় বছৰ ৩য় সংখ্যা
পৰীক্ষাৰ বলিশাল—দীপাৱলী আহিন সংখ্যা, ২২ চেপ্টেম্বৰ ১৯৫২
ওমৰৰ দৰ্শনত নতুন পোহৰ—নীলাচল ১ম বছৰ, ১ম সংখ্যা ১৯৬৩
সামাজিক পুৰতি ৰাতিৰ—নীলাচল ২য় বছৰ, ১ম সংখ্যা ১৯৬৪
মোৰ জীৱন-ৰহস্য—নীলাচল, ১৯৬৫

॥ অপ্ৰকাশিত ॥

সজাৰ মইনা (কবিতা)
প্ৰবাস যাতনা (কবিতা)
জ্ঞানাশ্ৰম আদৰ্শ শিক্ষা ঘৰ (প্ৰবন্ধ)
নিৰ্ব্বাণ
নিৰ্ব্বাণৰ ৰহস্য আখ্যায়িকা
দুটি বিখ্যাত চৰাই কবিতা
সমাজৰ নেতাগিৰি
মহাপুৰুষ শঙ্কৰদেৱ আৰু সাহিত্য পত্ৰিকা

সত্ৰ সংগঠন
ভাৰতৰ সমাজ আৰু স্বাস্থ্য
New Light on Omarkhayam
মহাপুৰুষীয়া ধৰ্মৰ বৈশিষ্ট্য
বিশ্ব শান্তি আৰু বিশ্ব মানৱ ঐক্য
কামশাস্ত্ৰৰ বৈজ্ঞানিক চৰ্চা আৱশ্যক
পৰীক্ষাৰ বলিশাল (১৬।৪।৬২)
শিক্ষা আৰু জীৱন
শিক্ষা আৰু সমাজ—ডিব্ৰুগড় মেডিকেল কলেজ
শিক্ষা আৰু ৰাষ্ট্ৰ
শিক্ষা আৰু প্ৰকৃতি
ৰাপবয়স সাধন
শিক্ষা পৰিবেশ সংস্কাৰ
হাত, মূৰ, হিয়া
অতীত মাধুৰী
(১) পীতাম্বৰ গোস্বামী
(২) হৰিনাৰায়ণ দত্তবৰুৱা
(৩) হলিৰাম ডেকা
(৪) কালীৰাম বৈশ্য
ভুৱা শিক্ষা আৰু ভুৱা শিক্ষকতা
জ্ঞানাশ্ৰমৰ আদৰ্শ শিক্ষা
বিশ্বশান্তি আৰু বিশ্বনাগৰিকতা—গণতন্ত্ৰ ১৫ আগষ্ট, ১৯৬৫
আইনাম বিয়ানাম।

[হাতে ঢুকি নোপোৱা বাবে নেওগ ডাঙৰীয়াৰ সকলোবোৰ প্ৰবন্ধৰ তালিকা দিব পৰা নগ'ল।]